ৰামধনু

(১৯৪৩ চনৰ ষ্টেলিন-বঁটা বিজয়ী)

142.02

THE CENTRAL LIBRARY
ASSAM

অনুবাদ—
কীৰ্ত্তিনাথ হাজৰিকা

প্ৰকাশক—
শ্ৰীযুত লক্ষ্মীনাথ হাজৰিকা
উজানবজাৰ, গুৱাহাটী।

দাম—৩৲ টকা

৬৩নং বিডন ষ্ট্ৰীট
এলেম প্ৰেছত
শ্ৰীদেৱপ্ৰসাদ মিত্ৰৰ দ্বাৰা
ছপা হ'ল।

আমাৰ কৱলগীয়া

সমগ্ৰ ভাৰতজুৰি খলক লগোৱা বিয়াল্লিছৰ বিপ্লৱ তেতিয়াও দেশবাসীৰ মানত নতুন হৈয়েই আছিল ; যুগ-যুগান্তৰলৈ খ্যাতি ৰাখি স্বাধীনতাৰ হেপাহত সেইবাৰ ভাৰতবাসী সংগ্ৰামৰ বাবে জাগি উঠিছিল আৰু তাকে দমন কৰিবলৈ ককালত টঙালি বান্ধি বৃটিশ সাম্ৰাজ্যবাদেও অত্যাচাৰ-নির্য্যাতনৰ চৰম সীমা পাইছিলগৈ। দেশত হাহাঁকাৰ লাগি উঠিছিল ; কেওপিনে নৰমেধ-যজ্ঞৰ সূচনা হৈছিল। তেজ আৰু চকুলোৰ ঢল বৈছিল।

কিন্তু অকল সেয়ে বিয়াল্লিছৰ বিপ্লৱক ভাৰতবাসীৰ কাৰণে যাউতিযুগীয়া কৰি তোলা নাছিল। বিয়াল্লিছৰ বিপ্লৱে জগতক দেখুৱালে যে বিদেশী শাসনৰ নিষ্ঠুৰ নিষ্পেষণে ভাৰতবাসীৰ বুকুৰ জ্বলা জুই কেতিয়াও নুমাব নোৱাৰে। সকলো উৎপীডন অত্যাচাৰলৈ আওকাণ কৰি—তেজেৰে ৰাঙলী হৈয়ো— ভাৰতৰ বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, লৰা-ছোৱালীয়ে সেইবাৰ মনৰ দুৰ্জ্জেয় দৃঢ়তাৰ চিনাকি দিলে। বিয়াল্লিছৰ বিপ্লৱে ভাৰতৰ ডেকা-গাভৰুক হাঁহি মৰিবলৈ শিকালে।

ভাৰতীয় মুক্তি-যুঁজৰ তেজেৰে ৰাঙলী এনে এখন পট-ভূমিকাৰ বুকুতে থিয় হৈ প্ৰসিদ্ধ লিখিকা ৱান্দা ভাচিলিৱেস্কাৰ "ৰেইনৱ" নামৰ উপন্যাস খন পঢ়িবলৈ পাইছিলোঁ। এই কিতাপখন লিখি লিখিকাই ১৯৪৩ চনত "ষ্টেলিন-বঁটা" লাভ কৰিছিল। ফেচিষ্ট জাৰ্ম্মাণীৰ কৰাল গ্ৰাসৰ পৰা জাতীয় স্বাধীনতা ৰক্ষা কৰিবৰ নিমিত্তে ৰুছ নৰ-নাৰীয়ে কেনেকৈ হাঁহি মুখেৰে সৰ্ব্বস্ব পণ কৰিবলৈ সমৰ্থ হৈছিল, দাম্ভিক জাৰ্ম্মাণৰ বল-বিক্ৰম, সুনিপুণ জাৰ্ম্মাণ-বাহিনীৰ বিৰাট শক্তি আৰু ৰণকৌশল ব্যৰ্থ কৰি বৰফেৰে ঢাক খাই থকা দুৰ্গম হাবি আৰু পৰ্ব্বত-পাহাৰৰ বুকুত লুকাই লুকাই এমুঠি ৰুছ-গৰিলাই কেনেকৈ মাতৃভূমিৰ গৌৰৱ ৰক্ষাৰ কাৰণে অবিৰাম গতিত আগ বাঢ়িছিল, দখলকাৰী জাৰ্ম্মাণ-বাহিনীৰ নৃশংস অত্যাচাৰ আৰু নিষ্ঠুৰ দমন নীতিৰ সমুখত থিয় হৈ কেনেকৈ ৰুছিয়াৰ গাৱঁলীয়া লৰা-ছোৱালী, বুঢ়া-বুঢ়ীয়ে লাল ফৌজ আৰু নিজৰ গৰিলা বাহিনীৰ সাহায্যাৰ্থে যথাসৰ্ব্বস্ব—আনকি প্ৰাণ পৰ্য্যন্তও—আগবঢ়াই মাতৃভূমিৰ পবিত্ৰ বুকু বিদেশী আক্ৰমণকাৰীৰ দাম্ভিক পদাঘাতৰ পৰা সম্পূৰ্ণৰূপে মুক্ত কৰিব পৰা সেই মাহেন্দ্ৰ ক্ষণলৈ আমাৰ [illegible]

চাই আছিল---ৰান্ধা ভাচিলিৱেস্কাৰ "ৰেইনবৰ'ৰ" প্ৰত্যেক পাততে তাৰ নিখুঁত ছবি অনুপম ভাৱে আঁকি থোৱা আছে। কচু ডেকা-গাভৰু, লৰাছোৱালী আৰু বুঢ়া-বুঢ়ীৰ অপূৰ্ব্ব দেশ-প্ৰেম আৰু আত্মত্যাগৰ এই অপূৰ্ব্ব কাহিনীয়ে আমাৰ মুক্তি-যুঁজৰ ৰণুৱা সকলৰ প্ৰাণত অনুপ্ৰেৰণাৰ জিলিঙলি পেলাব পাৰে বুলিয়েই অসমীয়ালৈ 'ৰামধনু' অনুবাদ কৰা হ'ল।

কিন্তু এনে এটা গুৰু ভাৰ লবলৈ গৈ মূল কিতাপৰ সৌন্দৰ্য্য কিমান দূৰ অটুট ৰখা পৰা হৈছে তাৰ বিচাৰৰ ভাৰ পাঠক-পাঠিকা সকলৰ ওপৰতে। যথা সময়ত উলিয়াব পৰা হ'লে কিতাপখন সময়ৰ লগত খাপ খাই পৰিলহেঁতেন। অসময়ত ছপোৱাৰ অসুবিধা হোৱাত আজি এবছৰৰো সৰহ দিনৰ আগতে কলিকতাত কিতাপখন ছপাবলৈ দিয়া হৈছিল। কিন্তু চুটি গাতঁৰ নিগনিৰ দৰে ইটোৰ পিচত সিটোকৈ লেঠা ওলাই কামত আহুকাল লগাবলৈ ধৰিলে। কলিকতাৰ 'বিক্ৰী-কৰ বিৰোধী' ধৰ্ম্মঘট, ডাক-ধৰ্ম্মঘট, সাম্প্ৰদায়িক সঙ্ঘৰ্ষ আদিয়ে কিতাপখনৰ কাম বহুত দিন বন্ধ ৰাখিলে। সেইবোৰ কাৰণতে ইমান পলমকৈ পঢ়ুৱৈ সকলৰ আগত কিতাপখন দাঙি ধৰিবলগীয়া হল।

এই প্ৰচেষ্টাত বহুতৰ পৰা সহায় পাইছো। শ্ৰীযুত (সকল) দেৱকান্ত বৰুৱা, হেমকান্ত বৰুৱা, মাখন প্ৰসাদ দুৱৰা, ৰূপৰাম সুত, দৌলেশ্বৰ দত্ত, খগেশ্বৰ তামুলী, যদুনাথ শইকীয়া, তুলসীনাথ বৰগোহাঁই, মুনিন দত্তবৰুৱা আৰু শ্ৰীমান ৰত্ন দত্ত আদিয়ে সকলো প্ৰকাৰে সহায় কৰাত তেখেত সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। মোৰ পূজনীয় ককাইদেউ শ্ৰীযুক্ত লক্ষ্মীনাথ হাজৰিকাই যাৱতীয় সকলো খৰচ বহন কৰাত তেখেতলৈকো আন্তৰিক কৃতজ্ঞতা আগবঢ়ালোঁ।

জীৱনৰ প্ৰথম প্ৰচেষ্টাত বহুতো ভুল-ভ্ৰান্তি বৈ যাব পায়। তাৰ বাবে পঢ়ুৱৈসকলে ক্ষমা কৰিব বুলি আশা ৰাখিলোঁ। কিছুমান বেমেজালিৰ বাবে প্ৰথম ৬০ পৃষ্ঠামানত কেইবাটাও ভুল থাকি গ'ল।

শিলং
১২ জুলাই
১৯৫৭ চন

পঢ়ুৱৈসকলৰ আশীৰ্ব্বাদ-ভিক্ষাৰী
শ্ৰীকীৰ্ত্তিনাথ হাজৰিকা

উচ্ছর্গা

জগতৰ চকুৰ আঁৰত স্বদেশৰ মুক্তি-যুঁজত অশেষ দুঃখকষ্ট বৰণ কৰা বহুতো বণুৱা ভাৰতৰ গাৱেঁ-ভুঞেঁ আছে। তেনে বহুতো বণুৱাৰ মৰণৰ সোঁৱৰণি সময়ৰ সোঁতে মুছি নিছে।

আজি ভাৰতৰ ৰাজনৈতিক আকাশতো এখন ৰামধনুৰ খীন জিলিঙনি দেখা গৈছে। সমুখৰ বিৰাট পৰিবৰ্ত্তনৰ আগ মুহূৰ্ত্তত—নিঠকুৱা অৱস্থা, ভগা স্বাস্থ্য আৰু হেৰোৱা পৰিয়ালৰ শোকত দেই-পুৰি নিয়া হিয়া লৈ আঁৰে আঁৰে থকা—সেই বণুৱাসকললৈকে এই সামান্য কিতাপখন উচ্ছর্গা কৰিলোঁ।

ৰামধেনু

—০:০—

এটা বাট পূবৰ পৰা পশ্চিমলৈ ; আনটো উত্তৰৰ পৰা দক্ষিণলৈ গৈছে। চাৰি আলিৰ টিলাটোৰ ওপৰতে গাওঁখন। বাটদুটাৰ দুয়োকাষে শাৰী শাৰীকৈ ঠাহ খাই থকা জুপুৰীবোৰ এটা 'ক্ৰছৰ' বাহুকিটাৰ নিচিনা হৈছিল। মাজৰ সৰু মুকলি ঠাইডোখৰৰ পৰা গিৰ্জ্জাৰ কলচীটো ওলাই থকা দেখি। পাহাৰৰ দাঁতিয়েদি এখন নৈ দ .খাল এটাৰ মাজেদি অকাই-পকাই গৈছেগৈ ; নৈখন বৰফেৰে ঢাক খাই আছে। দুই এঠাইত বৰফৰ খীন নীল আৱৰণ ভাগিছিগি গৈছে ; সেইবোৰৰ মাজেদি বৈ যোৱা পানীৰ ক'লা ৰঙটো জিলমিলাই উঠিছে।

জুপুৰীৰ পৰা এজনী তিৰোতা ওলাই আহিল ; তাই কান্ধৰ ভাৰখনত এযোৰ বাল্টি ওলোমাই আনিছিল। খোজৰ ছেৱে ছেৱে বাল্টি কেইটা নাচি আহিছিল। পিচল বাটেদি সাৱধানে খোজ দি তাই আওচলীয়া বাটটো পাৰ হৈ আহিল। বেলিৰ জ্বলকতবক লগোৱা ৰশ্মি বৰফৰ ওপৰত প্ৰতিবিম্বিত হৈছিল ; তাইৰ চকু চাঁত মাৰি ধৰিলে। নৈৰ পাৰলৈ আহি, তাই বৰফৰ মাজৰ গাঁত এটাৰ কাষতে বাল্টি দুটা থ'লে ; আৰু

কেওপিনে চকুফুৰাই চালে। কোনো নাই। ঘৰবোৰৰ সাৰসুৰ নাই—যেন বৰফৰ শেতেলিত টোপনিত লালকাল।

মানুহজনী খন্তেক ৰ'ল আৰু তাৰ পিচত বৰফৰ ওপৰতে বাল্টি দুটা থৈ, নৈৰ পাৰে পাৰে, লাহে লাহে খোজ ল'লে। তাই ঘনে ঘনে চকিত ভাৱে ওপৰৰ গাওঁখনৰ পিনে চাই গ'ল।

নৈখনে দ খাল এটাৰ পিনে পাক ল'লে। খালটো জোপোহাই ছাটি ধৰিছে—বৰফৰ ডাঠ ঢাকনিৰ মাজেদি ঠাল ঠেঙুলিবোৰ কথমপিহে দেখা যায়। জোপোহাৰ মাজেমাজে এটা অস্পষ্ট ঠেক বাট। মানুহজনীয়ে এই বাট ধৰিলে। বৰফত ঢাক খাই থকা জোপোহাবোৰৰ মাজেদি ঠেলিহেচি বাট লওঁতে তাইৰ কেউ কাষে খচ্মচনি উঠিছিল। ওপৰৰ ঠালবোৰে তাইৰ মুখত মাৰেহি; তাই সেই বৰফে ঢকা ঠেঙুলিবোৰ ঠেলা মাৰি আঁতৰাই দিয়ে আৰু মিহি বৰফবোৰ জৰজৰাই তললৈ সৰি পৰে।

হঠাৎ বাটটোৰ মূৰত মানুহজনী ৰ'ল আৰু এটা নিৰ্জ্জীৱ, উদাস দৃষ্টিৰে সমুখলৈ একেথৰে চাই থাকিল।

এই ডোখৰ মাটি ছিটাছিটকৈ ফাটি খলাবমা হৈ পৰিছে। মাজে মাজে টিলা আৰু ঠেক খালবোৰ ভৰি আছে। এনিতেনি এথোপা জোপোহা গজি উঠিছে। টিলাবোৰ বৰফেৰে ভৰা; শৰতৰ শেষতো এতিয়াও মাজেমাজে জোপোহাবোৰত ৰঙা জামুবোৰ লাগি আছে কিন্তু মানুহজনীৰ চকু এইবোৰত নাই।

অ'ত ত'ত বৰফৰ মাজেদি অস্পষ্ট ক'লা আকৃতি কিছুমান দেখা গৈছিল। এটা ফাটত এসোপা ফটাকানি পৰি আছিল। ধাতুৰ টুকুৰা আৰু মামৰ লগা টুকুৰা লোবোৰ নীলা বৰফৰ মাজেদি বাহিৰলৈ ওলাই পৰিছিল।

তাই আৰু দুখোজ আগবাঢ়ি গ'ল আৰু লাহেকৈ আঁঠু কাঢ়িলে। তাতে সি পৰি আছিল—সি ঠেৰেঙা দিলে; গাটো বেহেলাৰ তাঁৰৰ দৰে ঠৰঙা আৰু টনটনীয়া। তথাপি তাক সৰু যেন দেখিছিল। জীয়াই থকাতকৈ বহুত সৰু দেখা গৈছিল। তাৰ মুখখন 'আবলুচ' কাঠত নক্সা কটা মুখৰ নিচিনা হৈছিল। যি মুখৰ প্ৰতি ৰেখাই তাইৰ ইমান পৰিচিত, সেই মুখখনৰ ওপৰেদি তাই লাহে লাহে চকু ফুৰালে, কিন্তু সেইখন আৰু অচিনাকি মানুহৰ মুখহে! ওঁঠ দুটা জঠৰ হ'ল। নাকৰ ফুটা দুটা ওফন্দি গ'ল আৰু বাচুকিটা চকুৰ ওপৰলৈ নামি আহিল। মুখখন শিল যেন জঠৰ হৈ পৰিল। এফালে কুমৰ ওচৰত এটা ঘূৰণীয়া ফুটা মেল খাই আছিল। ইয়াৰ দাঁতিবোৰত গোট মৰা তেজবোৰ চেকুৰা বান্ধি আচৰিত ৰকমে তেজী-ৰঙা হৈ উঠিছিল। মাটিৰ ক'লা বৰণত তেজৰ ৰঙা ছাব এটা পৰিছিল।

আঘাতৰ লগে লগে যে তাৰ মৃত্যু হোৱা নাছিল, ই স্পষ্ট ভাৱে ওলাই পৰিছিল। নিশ্চয় সিহঁতে তাৰ কানিকাপোৰ আঁজুৰি পিজুৰি নিওঁতেও সি জীয়াই আছিল। সি তেতিয়াও জীয়াই আছিল, নাইবা তেতিয়াও অন্ততঃ তাৰ গা তপত আছিল। দস্যুদলৰ হাতেহে তাৰ ভৰিকিটা টানি পোন কৰি দিলে আৰু হাতদুটা নিৰ্ম্মম ভাৱে আঁজুৰি দুয়োকাষলৈ মোটোকাই আনিলে —মৰণে কেতিয়াও তেনে অৱস্থা কৰিব নোৱাৰে। যুদ্ধৰ দিনা —অৰ্থাৎ যিদিনা তাক মাৰিলে—ভয়ানক বৰফো পৰিছিল। মৰণৰ পিচতে ততালিকে বৰফে মৃতকক তাৰ কবললৈ আনি সিহঁতৰ শৰীৰ শিললৈ ৰূপান্তৰ কৰি পেলালে। সেই দেখি তেতিয়া আৰু সিহঁতে মৃতকক কেতিয়াও নাওঠ কৰিব নোৱাৰে। সিহঁতে তাৰ সকলো লুট কৰিলে; গাত থাকিল কেৱল কানিজটো

আৰু খঁৰা-পায়জামাটো। সিহঁতে তাৰ ডাঙৰ কোটটো ফালি নিলে, বুটজোৰ আৰু পায়জামাটো সোলোকাই নিলে; আনকি মোজাজোৰো খুলি নিলে। নীলা খঁৰা-পেণ্টটো তাৰ গাৰ মাজলৈ সোমাই যোৱা যেন দেখিছিল। দেখাত এনে হৈছিল যেন কাঠতহে এইবোৰ ৰঙ দি কৰিছে। চালৰ পৰা কাপোৰক প্ৰভেদ কৰা ইমান অসম্ভৱ হৈ পৰিছিল! ক'লা মুখখনৰ তুলনাত ভৰিৰ উদং তলুৱাকিখন চক্‌মাটিৰ নিচিনাকৈ অসম্ভৱ ৰূপে বগা হৈ পৰিছিল। বৰফত এটা ভৰি ফাটি গৈছিল আৰু মঙহবোৰ বুটজোতাৰ ফটা গোৰোৱাৰ দৰে ওলাই পৰিছিল; হাড়দাল উদং হৈ ওলাই আছিল।

মানুহজনীয়ে থৰক বৰককৈ তাইৰ হাতখন আগবঢ়াই শটোৰ বাউসীটো চুলে। হাতত লাগিল কামিজৰ খহটা কাপোৰখন আৰু তাৰ তলত থকা শিল যেন টান গাটো। "বোপাই ঐ..."

তাই কন্দা নাছিল। লোতকবিহীন চকুহালে থৰ লাগি চাই আছিল; তাই যেন হেঁপাহ পলুৱাই এই দৃশ্য উপভোগ কৰিছিল ঃ—পুতেকৰ মুখখন লোৰ দৰে ক'লা; গুলিয়ে কুমৰ ওচৰত এটা ঘুৰণীয়া গাঁত কৰিলে; ভৰিটো ফাটি গৈছিল। তাৰ হাত-ভৰিৰ শেষ আস্ফালনৰ সাক্ষী হৈছিল আঙুলিবোৰত— —হাতোৰাৰ দৰে বৰফৰ মাজত আঁকুৰি ধৰিছিল; এয়ে মৃত্যুৰ আগতে সি যাতনা ভোগ কৰাৰ একমাত্ৰ পৰিচায়ক।

মানুহজনীয়ে বতাহে পেলোৱা বৰফবোৰ তাৰ ক'লা চুলিৰ পৰা লাহে লাহে হাতফুৰাই পেলাই দিলে। একোচা ক'লা চুলি তাৰ কপালত পৰিছিলহি। চুলিবোৰ মেলা ঘাডোখৰৰ ভিতৰলৈ সোমাই গৈছিল আৰু গোট মৰা তেজেৰে কৰাল মাৰি লাগি আছিল—তাই আৰু চুলিবোৰ চুবলৈ সাহ নকৰিলে।

ইয়ালৈ আহোঁতে তাই প্ৰতিবাৰেই সেই চুলিকোচা পিচুৱাই নিব খোজে ; কিন্তু চুবলৈ ভয় কৰে। জানোচা তাই মৰা লৰাটোক কষ্ট দিয়ে বা ঘাডোখৰত দুখ পোৱায় !

"মোৰ সোনটো ! ......"

তাইৰ শুকান ওঁঠকিটাই যন্ত্ৰচালিতৰ দৰে সেই একেটা শব্দকে ফুচফুচাই উঠে। যেনিবা সি তাইৰ মাত শুনিবহে—যেন সেই গধূৰ, ক'লা পৰা বাদুকিটা মেল খাব আৰু তাৰ মৰম-সনা মটীয়া বৰণৰ চকুহালেৰে তাইলৈ চাব !

মানুহজনীয়ে লৰচৰ নকৰিলে ; তাইৰ চকুকিটা সেই ক'লা মুখখনৰ ওপৰত থৰ লাগি ৰ'ল। তাইৰ জাৰ লগা নাছিল ; আঁঠুকিটাৰ জঠৰতালৈ তাই কাণ কৰা নাছিল। তাই কেৱল একেথৰে চাই ৰ'ল।

খালটোৰ সিপাৰে থকা অকলশৰীয়া গছজোপাৰ পৰা এটা ঢোৰা কাউৰী উৰি আহিল। সি জোৰেৰে পাখিদুখনেৰে ধপ্-ধপাই ঘূৰণীয়াকৈ এপাক ঘূৰিলে আৰু তাৰ পিচত এটা জোপাৰ তলত থকা ফটাকানিৰ দ'ম এটাৰ ওপৰত জপিয়াই পৰিল। মুৰ দাঙি কেওপিনে চালে। পুৰণি তেজৰ দাগবোৰ গুলিয়ে থকা-সৰকা কৰা কাপোৰৰ মাজেদি বিৰিঙি গৈছিল। মুহূৰ্ত্তৰ কাৰণে চৰাইটো তাত ঠিয় দিলে, মূৰটো কাষলৈ দোঁৱাই নিলে—যেন সি একেবাৰে ভাবত ডুব গ'ল। পিচত সি এবাৰ খুঁটিয়াই চালে। মৰমৰাই উঠিল! এয়ে বৰফৰ প্ৰতিক্ৰিয়া—এমাহৰ আগতে ইয়াত এৰি যোৱা প্ৰতি বস্তু শিলৰ দৰে টান হ'ল।

মানুহজনীয়ে মৰাৰ নিচিনা অচলতাৰ পৰা মুক্তি পালে।

"চুঃ !"

ঢোৰাটো থপ্‌জপাই উৰি গুচি গ'ল। আৰু সেই কাউৰী

ঢাক খাই থকা মানুহৰ মূৰ্ত্তিটোৰ পৰা কেইখোজমান আঁতৰত আকৌ পৰিল।

"চুঃ !......"

তাই এচপৰা বৰফ বুটলিলৈ চৰাইটোৰ গালৈ দলিয়াই দিলে। ঢোৰা কাউৰীটোৱে ডেও দিবলৈ ধৰিলে আৰু তাৰ পিচত লাহে লাহে গছজোপাৰ আগৰ ঠালটোলৈ উভতি উৰি গ'ল। মানুহজনী আঁঠু কঢ়াৰ পৰা উঠিল; হুমুনিয়া কাঢ়ি শেষবাৰলৈ তাইৰ পুতেকক এবাৰ চাই ল'লে আৰু উভতি পথ ধৰিলে।

বৰফৰ গাঁতটোৰ পৰা তাই অলপ পানী তুলি ল'লে আৰু আওচলীয়া বাটটোৰেদি লাহে লাহে উঠি গ'ল। ভৰা বাল্টি দুটাৰ ভৰত তাই দুগুণে বেঁকা হৈ যাবলৈ ধৰিলে। বেলিটো আৰু ওপৰলৈ উঠিল; কিন্তু কুঁৱলী শাম নেকাটিল। বৰফবোৰ নীলা যেন দেখি; কিন্তু সঁচাকৈ নীলা আছিল নে তাই তেতিয়াও পুতেকৰ অচল, ঠৰঙা, চকুমাটিৰ দৰে বগা আৰু ভয়লগা ভৰিকিটাৰ মঙহৰ মাজলৈ সোমাই যোৱা সেই নীলা কাপোৰটুকুৰাকে দেখি আছিল—সেই কথা তাই বুজিব পৰা নাছিল।

জুপুৰীৰ সমুখত জাৰত ঠেৰেঙা লাগি চন্তৰী এটাই অগাপিচাকৈ গোৰোহনি মাৰি ফুৰিছিল। সি এটা ভৰিৰ পৰা আনটোলৈ ডেও দি গৈছিল। জাৰত কুচিমুচি কাষলতিৰ তলত হাতদুটা ভৰাই দিছিল; খহটা আঙুলিবোৰেৰে গাল দুখন মোহাৰিবলৈ ধৰিছিল। জোঙা বৰফবোৰ তাৰ ফটা বুটৰ মাজেদি আৰু সেউজীয়া গৰম কোটটোৰ মাজেদি সৰকি গৈছিল; আঙুলিবোৰ বিন্ধিছিল আৰু চকুকিটা বিষাইছিল। যদিও

সিহঁতৰ বাহিনীটো ইয়ালৈ অহাদিনাৰে পৰা সি তাইক চিনি পায়, তথাপি চন্তৰীটোৱে মানুহজনীক ওচৰৰ পৰা চালেগৈ। তাৰে অলপো লক্ষ্য নকৰি তাই গুচি গ'ল। দুৱাৰখন কেৰ্‌কেৰাই উঠিল; এচমকা ভাপ ঢৌ খেলি বাহিৰলৈ ওলাই আহিল।

"ইমান পলম হ'ল কিয়? তোলৈ বাটচাই থকা অসম্ভৱ হৈ পৰিছে।"

তাই. উত্তৰ নিদিলে; কিন্তু ওঁঠকিটা চেপি ধৰি জুহালৰ কাষ পালেগৈ আৰু জুইৰ ওপৰত থকা পাত্ৰটোত অলপ পানী ঢালি দিলে। জুহালত ঢিমিকঢামাক কৈ জ্বলি থকা জুইকুৰা বঢ়াই দিলে।

"মোৰ পিয়াহ লাগিছে, এগিলাচ পানী দে।"

"বাল্টিতে পানী আছে। লৈ খালেই হয়।" তাই কেটেৰাই উত্তৰ দিলে।

সিজনী লেপৰ তলত খঙতে কঁপিবলৈ ধৰিলে। "ৰ বাৰু মোৰ স্বামী আহক। মই তেওঁক কৈ দিম!" অতিষ্ঠ হৈ উঠি মানুহজনীয়ে কান্ধ জোকাৰিলে। ইস্ গিৰিয়েক! হয়তো !!.........

লাহে লাহে তাই জুহালত শুকান খৰি জাপি দিলে। এৰা! কপালৰ ফেৰ এয়ে যেন দেখা যায়! গাওঁখনত তিনিশ খেতিয়কৰ ঘৰ; সিহঁতৰ প্ৰত্যেকেই যেই কোনো এজনক যুজলৈ পঠালে। কিন্তু কেৱল তাইৰ পুতেকহে নৈৰ দাঁতিৰ খালত পৰি থাকিল; আহ পাৰ হল। তথাপি সিহঁতে তাক পুতিবলৈ নিদিলে। সি গোটেই মাহটো বৰফৰ মাজতে পৰি আছে আৰু বৰফে তাৰ মুখখন ক'লা লো যেন কৰিলে, ভৰি লাগনি খৰি ফলাদি ফালিলে আৰু আঙুলিবোৰ নীলা হৈ পৰিল। অৱশ্যে লগতে আন

মানুহো তাত পৰি আছিল—আৰু সেইবোৰ সিহঁতৰ নিজৰে মানুহ। কিন্তু তথাপিও সিহঁত গাঁৱৰ কাৰো আপোন মানুহ নহয়। কাৰণ সিহঁত এই গাঁৱৰ মানুহ নহয়। কেৱল সিহে। নিজৰ গাঁৱৰ মাজতে, নিজ ঘৰৰ পৰা দুশখোজ মান দূৰত ধ্বংস হবলৈ কেৱল তাৰ কপালতহে লিখা আছিল। নিজৰ পুতেকৰ নোপোতা শটোৰ ওপৰত জাকে জাকে ক্ষুধাতুৰ ঢোৰাকাউৰী ঘূৰি ফুৰা চাবলৈ কেৱল তাইৰ কপালতহে লিখা আছিল। তদুপৰি তাইৰ ঘৰতহে জাৰ্ম্মান অফিচাৰটোৱে তাৰ ৰক্ষিতাজনীক ৰাখিবলৈ ঠাই পালে, যেন কেৱল তাইক উপহাস কৰিবলৈকে এইবোৰ ইচ্ছাপূৰ্ব্বক কৰিছে। আৰু যদি তাই জাৰ্ম্মান হ'লহেতেন--দূৰৰ দেশৰ পৰা অহা, বেলেগ ভাষা কোৱা এজনী অচিনাকী মানুহ হোৱাহেঁতেন! তেতিয়া তায়ো সেই সেউজীয়া, দীঘল কোট পিন্ধা আনবোৰ মানুহৰ দৰেই শত্ৰুতা আৰু ঘৃণাৰ পাত্ৰ হ'লহেঁতেন! কিন্তু, নহয়। কথাটো আৰু শোচনীয় হৈ উঠিছিল কিয়নো তাই আছিল গাঁৱঁৰে তিৰোতা! সাধাৰণ চিল্কৰ মোজা এযোৰৰ বাবত, সামান্য ফৰাচী মদ এবটলৰ বাবত তাই নিজৰ দেহা বিক্রি কৰিলে। তাইৰ দেশক, তাইৰ অওহীবওহীক, ৰেডবাহিনীৰ সৈন্যাধ্যক্ষ স্বামীক তাই বিশ্বাসঘাতকতা কৰিলে। খালত পৰি থকা মৰা শবোৰকো তাই বিশ্বাসঘাতকতা কৰিলে। এনে এজনী মানুহে যে তাইৰ ভেটিত আশ্ৰয় পাব পাৰে, তাইৰ বিচনাত শুই আয়ম কৰিব পাৰে, তাইৰ ওপৰত হুকুম চলাই তাইক ঘৰৰে গিৰিহতনী বোলাব পাৰে—এনেকথা ভাবিলেও তাইৰ অন্তৰ খণ্ডত জ্বলি উঠে।

তথাপি তাই অলপো লাজ পোৱা নাছিল; চকু

তলমুৱাকৈ তাই নুফুৰিছিল বা মানুহ লগ পালে ৰঙা-জঙাও নপৰিছিল। তাই উলাহেৰে নিলাজৰ দৰে ফুৰিছিল; আনে যাতে তাইৰ আলপৈচান ধৰে তাৰ দাবি কৰিছিল।

শোৱাকোঠাৰ পৰা লেথাৰি নিচিগাকৈ গালিশপনিৰ জাউৰি উঠিল। সেইবোৰলৈ কাণ নকৰি ফেডচিয়াই জ্বলি থকা জুইকুৰাৰ পিনে চাই ফুচফুচাই ক'লে······"তই মাথোন অলপ সময় বাট চা······হোঃ!······তই ভালকৈ ইয়াৰ সেকা পাবি। এনেদৰে পাবি যে এদিন তই, জন্ম নোহোৱাই ভাল আছিল বুলি, এশ বাৰ কব লাগিব।"

চালিৰ তলত গধূৰ খোজৰ শব্দ শুনাতো তাই মূৰ দাঙি নেচালে। কোন আহিছে নেদেখাকৈয়ে বুজিলে। কেৱল তাইৰ মুখত ফুটি উঠিল এটা কঠোৰতাৰ ভাৱ।

অফিচাৰে জুহালৰ কাষৰ মানুহজনীলৈ একো মন নকৰিলে; শোৱা কোঠালৈ সোমাই গ'ল।

"কি? এতিয়াও তুমি উঠা নাই?"

বিচনাত শুই থকা মানুহজনীয়ে ঠেহ পাতি মুখ ওফোন্দাই দেখুৱালে।

"উঠিনো কি কৰিম? আপুনি দেখোন কেতিয়াও ইয়াত নেথাকে। আমনি লাগি মোৰ আৰু চকুপানী ওলাইছেগৈ। আপুনি ওলাই যাব; মইহে সদায় ইয়াত লেতেৰী মানুহজনীৰ লগত সোমাই থাকিব লাগে······আপুনি চাব বাৰু; তাই এদিন মোক বিহ খুৱাব।"

সি তাইৰ বিচনাৰ দাঁতিত বহিলগৈ।

"আঁকৰী······এইখন ঘৰৰ ভূমিয়েই গিৰিহঁতনী, বুজিছানে

তুমি আকৌ আমনি পাবা কেলৈ ? এজাপ ৰেকৰ্ড আছে— গ্ৰামফোনকে বজোৱা ; ন'হলে পঢ়া। আজৰি পোৱা প্ৰতি সময়কণকে তোমাৰ লগত কটাইছোঁ। জানাই দেখোন·· ··· আমি আছোঁ যুজৰ মাজত। সদায় এটা নহয় এটা আছেই।”

তাই হুমুনিয়া কাঢ়িলে।

“যুজ, সদায় যুজ······আপুনি দেখোন ছুটি লৈ হ'লেও মোক ইয়াৰ পৰা লৈ যাব পাৰিলেহেঁতেন।”

অফিচাৰে গাটো জোকাৰিলে।

“আঁকৰী ; এতিয়া ছুটি লবৰ সময় নহয়। আৰু মই যদি তোমাক অকলে জাৰ্ম্মেনীলৈ পঠাই দিওঁ, তুমি তাত কি কৰিবা ? তাতকৈ একেলগে থকাই ভাল।”

তাই উত্তৰ নিদিলে। লাহে লাহে উঠিল আৰু তাইৰ কানিকাপোৰবোৰ আনিবলৈ চকিখনলৈ হাত মেলিলে। বিচনাৰ দাঁতিৰ পৰা অফিচাৰ উঠিল আৰু বেঞ্চ এখনত বহিলগৈ ; চকু একেথৰে মানুহজনীৰ ওপৰত। এৰা, তাই দেখিবলৈ ধুনীয়া। ন'হলে সি এইদৰে তিনিমাহ তাইক লগত লৈ নুফুৰালে হেঁতেন। তাৰ পৰিচিত সকলো তিৰোতাতকৈ তাই বেলেগ—সম্পূৰ্ণ বেলেগ ; ইয়াত লগ পোৱা আন সকলো তিৰোতাতকৈ তাই বেলেগ।

“শুনা ; পুচিয়া ; কোনোবা এটাই মোক ক'লে যে স্থানীয় শিক্ষয়িত্ৰীজনী হেনো তোমাৰ বায়েৰা।”

তাইৰ হাতৰ মোজাজোৰ ওপৰতে ৰ'ল। বেমাৰী বান্দৰটোৰ দৰে তাই মূৰটো কান্ধৰ পিনে কাতি কৰি নিলে। সঁচাকৈ, তেনে ভঙ্গীত তাইক দেখিবলৈ বৰ মনমোহা হৈছিল। তাই লেতুসেতু হৈ এঙ্কানমান হৈ পৰিছিল।

কেছুৱাৰ নিচিনা হাতখনেৰে তাই কাণৰ পিচলৈ চুলি কেইদাল সামৰি থ'লে। কাণডুখন অকণ অকণ—দেখিলে হাঁহি উঠা, চুটি, তিনিকোণীয়া আৰু পোৱালী জন্তুৰ নিচিনাকৈ আগলৈ জোঙা। তাইৰ দাঁতবোৰো তিনিকোণীয়া; তিনি মাহৰ মূৰত আজিহে তাৰ এইবোৰ চকুত পৰিল। শেঁতা তল ওঁঠটো তাই কামুৰি ধৰিছিল।

"হব নোৱাৰিছে, কি হ'লনো?"

আকৌ চুলিখিনি তাই পিচলৈ সামৰি থ'লে। আঙুলিৰ ৰঙা বোল দিয়া নখবোৰ তেজেৰে ৰাঙলী হাতোৰাৰ দৰে জিলিকিছিল।

"হয়, তাই মোৰ বাইদেউ। পিচে কেলৈনো?"

"তোমাৰ বায়েৰে আমাক বৰ ভাল নেপায়।"

পুচিয়াৰ ঘূৰণীয়া ক'লা চকুজোৰ সন্দেহত তিৰবিৰাই উঠিল।

"মানে......হেৰি......আপুনি তাইক ভাল পায়নেকি?"

সি খেক্‌খেকাই হাঁহিলে।

"নাই! তোমাৰ যে একোটা ভাৱ! মই তেনে ঢোৰোহা ৰূপহীক ভাল নেপাওঁ; তাইৰ শকত ভৰিকিটা......হেৰিৰ... নিচিনা।"—সি কব খুজিছিল 'মোৰ ঘৈনীৰ নিচিনা' বুলি; কিন্তু সময়মতে নিজক সম্বৰণ কৰিলে।

পুচিয়াই তৃপ্তিৰে তাইৰ চুটি অথচ শুৱনী গঢ়ৰ ভৰিকিটালৈ চালে।

"হয়, সেইটো সঁচা। অলপ শকত......"

"ক'তা, ইয়াত তোমাৰ বায়েৰা আছে বুলি দেখোন তুমি মোক কোৱাই নাছিলা।"

"কেলৈ ক'ম? তাই আছিল ইয়াত আৰু মই তাত

আছিলোঁ ; আমি কাচিং কেতিয়াবাহে ইজনীয়ে সিজনীক লগ পাইছিলোঁ। তাই একেবাৰে বেলেগ।"

"কি বিষয়ত নো বেলেগ ?"

পুচিয়াই ভাবি ভাবি বৈ পৰা চুলি একোচা কাণৰ পিচলৈ চুচি থ'লে। তাইৰ নকলি বাখৰৰ দুলজোৰ জিলিকি উঠিল। "তাই লৰাছোৱালী পঢ়ায় ; তাই কেৱল কামকেহে জানে······ কিন্তু তাৰ বাবত তাই পায় কি ? একো নাই। যিহেৰে তিহেৰে তাই সন্তুষ্ট। প্ৰতি বস্তুৰেই তাইক সন্তোষ দিয়ে।"

"মানে খোলাখোলিকৈ কবলৈ গ'লে, তাই এগৰাকী বলছেভিক্ ?"

"কব নোৱাৰোঁ······তাই হ'ব পাৰে।" তাই লাহে লাহে কলে আৰু হঠাতে জ্বলি উঠিল—"আপুনি বাৰু মোক তাইৰ বিষয়ে ইমানবোৰ প্ৰশ্ন কৰিছে কিয় ? আপুনি কৈছে তাইলৈ আপোনাৰ চকু পৰা নাই ; তথাপি আকৌ তাইৰ কথাকে সুধি আছে।"

"মই সুধিছোঁহে। মই তাইলৈ নাৰী হিচাবে চকু দিয়া নাই ; বিশ্বাস কৰিবা—কেতিয়াও তাইলৈ নাৰী হিচাবে মন কৰা নাই"।

তাৰ মাতৰ অদ্ভুত সুৰটোলৈ পুচিয়াই মন কৰা নাছিল। তাই সাৱধানেৰে মোজাজোৰ পিন্ধিলে ; মূৰত চিল্কৰ পটি এদাল বান্ধিলে। কাৰ্টে জেপৰ পৰা সৰু টোপোলা এটা উলিয়ালে।

"হোঁৱা, মইনা মই আচলতে অলপ চকলেট দিওঁবুলিহে খন্তেকৰ কাৰণে লৰ মাৰি আহিছিলোঁ। এতিয়াই যাব লাগিব আজি মোৰ সোপাসোপে কাম আছে। গধূলিলৈকে নিজক ব্যস্ত ৰাখিবা। মই সোনকালে আহিম।"

তাই মুখখন বেঁকা কৰিলে।

"অকলে অকলে কিমান থাকিম! গোটেই দিন অকলে... কেতিয়া এই যুদ্ধখন শেষ হ'ব জানো?"

"সোনকালে হ'ব।"

"আপুনি কথা ক'বৰ সময়ত ঠিক!"

তাই ৰংচঙীয়া ঢাকনিখন একৰালে; টুকুৰাকৈ ভাঙি নলৈ গোটেই চকলেট ডোখৰ জোঙা দাঁত বোৰেৰে কামুৰি ধৰিলে।

"গ্ৰামফোনটোকে বজোৱা। তোমালৈ ছুপৰীয়া 'খানা' লৈ আহিব। বাৰু, যাঁও দেই।"

অনিচ্ছাসত্বেও সি তাইক চুমা খাই ওলাই গ'ল। চন্তৰীটোৱে তেতিয়াও জুপুৰীটোৰ সমুখত গেৰেপ্‌গেৰেপ্‌কৈ খোজ কাঢ়ি ভৰিকিটা তপত কৰিবলৈ খুব চেষ্টা কৰিছিল। কেপ্তেইনক দেখা মাত্ৰেই সি জাপ মাৰি অভিবাদন জনালে। কেপ্তেইন তাৰ কাষৰ পৰা গ'লগৈ আৰু মুকলি টুকুৰালৈ চালে। আগেয়ে গাঁৱৰ চভিয়েট ষহা ডাঙৰ ঘৰটোত এতিয়া সৈন্য আৰু N.C O. ৰে ভৰি পৰিছিল। সিহঁত সকলোৱে সতৰ্কভাৱে ঠিয় হ'ল আৰু চেলাম দিলে। সিহঁতৰ অভিবাদনৰ সি নামমাত্ৰ প্ৰত্যুত্তৰ দিলে। চমকাচমকে মটীয়া ৰঙৰ ধোৱাঁৰে কোঠাটো ধুৱঁলীকুৱঁলী হৈ আছিল।

সি অফিচৰ দুৱাৰখন ঠেলা মাৰি ভিতৰ সোমাই গল।

—"তাইক ভিতৰলৈ আন।"

টেবুলখনত বহি সি হামিয়ালে। তাৰ পুচিয়ালৈ হিংসা হৈছিল; তাই এতিয়ালৈকে বিচনাত পৰি থাকিব পাৰে; ইপিনে পোহৰ হওঁতে-নহওঁতেই সি গিৰিসাই উঠিব লাগে; তথাপি গোটেই দিনটো তাৰ অসম্পূৰ্ণ কামেৰে ভৰি থাকে।

গধূৰ, ভেৰাচালৰ চোলা পিন্ধা মানুহ এজনীক সৈন্যবোৱে ভিতৰলৈ আনিলে ; তাইৰ তলত পিন্ধা-ক'লা সাজটো ওলাই আছিল। সি তাইলৈ সন্দিগ্ধ চকুৰে চালে।

"এইজনীয়েই নেকি ?"

"হয়।"

মেজখনৰ সমুখত তাই আঁভজাকৈ গহীনভাৱে ঠিয় দি থাকিল। 'শ্বাল'ৰ তলেদি কুমৰ ওচৰত ধোঁৱাবৰনীয়া, পকোৱা চুলি কেইদালমান ওলাই পৰিছিল। তাইৰ মুখখন সবল ; কঠুৱা গঢ়ৰ এজনী সাধাৰণ ছহাৰ মুখ যেন দেখি।

"নাম ?"

"অলেনা কষ্টিয়াক।"

সি আঙুলিকিটাৰে পেঞ্চিলদাল পকাই সমুখত ঠিয় দি থকা মানুহজনীলৈ চাবলৈ ধৰিলে। তাৰ মনত দুটা ভাৱ খেলালে-হয় সৈন্যবোৰে ভুল কৰিলে, নহ'লে তাইৰ দৃঢ় প্ৰতিজ্ঞ, কঠিন ঠাৰ্চৰ থুতৰীটো আৰু তাৰ পিনে চাই থকা চকুজোৰলৈ লক্ষ্য কৰিলে বুজা যায় যে তাৰ সমুখত এখন দীঘল আৰু আমনি লগা প্ৰশ্নাৱলীৰ সূচনা হোৱাৰ আশা আছে। —"তই গৰিলাৰ লগত আছিলি ?"

তাই থতমত নেখালে বা ভয়ো নকৰিলে। তাৰ পৰা চকু মুঘূৰাই তাই উত্তৰ দিলে "মই গৰিলাৰ লগত আছিলোঁ।"

"অ'......তেনে......তেনে..." এনে অভাৱনীয় সহজ স্বীকাৰে তাক তবধ লগালে। সমুখত পৰি থকা কাগজখনত সি কাটিকুটি আঁকি থাকিল।—"বাৰু গাঁৱলৈ উভতি আহিছিলি কিয় ? সিহঁতে তোক পঠাই দিলে কিয় ?"

"মোক কোনেও পঠোৱা নাই। মই নিজ ইচ্ছামতে

আহিছোঁ।” “অ’ হয়নেকি ? তই নিজ ইচ্ছামতে আহিছ…… বাৰু, তইনো আহিলি কিয় ?”

এইবাৰ তাই উত্তৰ নিদিলে। তাইৰ ক’লা চকুজোৰ অফিচাৰৰ সৰু, খীণ মুখখনৰ ওপৰত নিবিষ্ট থাকিল ; চকুৰ সেৰেঙা নোমবোৰৰ তলৰ জ্যোতিহীন চকুজোৰলৈ একেথৰে চাই থাকিল।

“কি ?”

তাই একো নেমাতিলে।

“সেইটো আকৌ কি কথা ? তই গৰিলাৰ লগত আছিলি আৰু হঠাৎ ঘৰলৈ—মানে গাৱঁলৈ—গুচি আহিলি। তাতনো তোৰ কি হ’ল ? তইঁতৰ কোনো নিয়মকাৰণ নাই নেকি ? সিহঁতে তোক কেলৈ পঠালে তাক পোনপটীয়াকৈ কৈ পেলোৱাই ভাল হব, বুজিছ ?”

“মই নিজ ইচ্ছাত গুচি আহিলোঁ। মই আৰু থাকিব নোৱাৰিলোঁ।” “থাকিব নোৱাৰিলি ? …কেলৈ ?” —তাৰ মনযোগ বাঢ়ি গ’ল—“কথা বেয়া হৈছিল গৈ নেকি ? তইঁতৰ সেনাপতিয়ে যোৱা আক্ৰমণত গুলি খালে, নাই খোৱানে ? এতিয়া বাহিনীটো দলভঙ্গ হৈ গ’ল, হেঁাঃ ?”

“মই বাহিনীটোৰ কথা একো নেজানো। মই ঘৰলৈ গুচি আহিলোঁ।” “কিন্তু, এনেকৈ হঠাৎ আহিলি কিয় ?”

তাইৰ ওঁঠকিটা লৰিল ; কিন্তু তাৰ পৰা কোনো শব্দ নোলাল।

“শেহত ইয়াকে ঠিৰাং কৰিলি নেকি যে এইবোৰ সকলো মিছা, জগৰৰ কথা, বা ডকাইতি ? এতিয়া আৰু এইবোৰ নলাগ ’লহ নেকি ?”

তাই মূৰ জোকাৰিলে।

"নহয়......মই মাথোন তাত থাকিব নোৱাৰিলোঁ।"

"কেলৈ নোৱাৰিলি ?"

তাই কথা কবলৈ চেষ্টা কৰা স্পষ্ট ভাৱে ওলাই পৰিছিল। তাৰ পিচত ঠিক সেই বৰণ নোহোৱা নোমবোৰৰ মাজত পিৰিকিয়াই থকা ফট্‌ফটীয়া চকুকিটালৈ চাই ক'লে—"মই অশৌচৰ বাবে ঘৰলৈ আহিছিলোঁ।"

"কি ?"

"মই অশৌচৰ বাবে আহিছিলোঁ।"

"তেনেহলে......" সি এটা হুটা হাঁহি মাৰিলে।

তাইৰ মূৰৰ পৰা ভৰিলৈকে এটা কঁপনি বৈ গ'ল।

"জাৰ লাগিছে নেকি ? ইয়াত যথেষ্ট গৰম। তই যি দৰে গাত কাপোৰ মেৰাইছ—যেন বৰফৰ মাজতহে আছ। শ্বালখন খোল।"—বাধ্য হৈ তাই ডাঠ, গধুৰ শ্বালখন খুলি বেঞ্চৰ ওপৰত থলে।

"তোৰ কোটটো খোল।"

খন্তেকলৈ তাই কেৰ্ঘেহালে ; তাৰ পিচত বুটাম খুলি তাইৰ গধুৰ চোলাটো খুলি থ'লে। সি তাইলৈ ভালকৈ চালে। হয়, ইয়াৰ কোনো সন্দেহ নাই। গৰ্ভাৱস্থাৰ এয়ে শেষ মাহ।

মানুহজনীয়ে দীঘলাই উশাহ লৈছিল। সি বুজিছিল যে তাইৰ পক্ষে ঠিয় দি থকা কষ্টকৰ হৈছিল ; আৰু ইচ্ছা কৰিয়েই সি পেঞ্চিলদাল পকাই পকাই প্ৰশ্নবোৰ ক্ৰমে লাহে লাহে সুধি গৈছিল ; মাজে মাজে তাতোকৈ বেছি সময় লৈছিল। কামটো সি ইচ্ছা কৰিয়েই পলম কৰি নিছিল।

ব্যক্তিগত সম্বন্ধ থকা প্ৰত্যেক প্ৰশ্নৰেই তাই ঘপৰাই উত্তৰ দিছিল। হয়, তাই বিবাহিতা। গিৰিয়েক যুজত মৰিল। বিপ্লৱৰ আগতে এখন জমিদাৰীত কাম কৰিছিল; মহাজনৰ ধেঁহু দাইছিল, গৰু খিৰাইছিল। বিপ্লৱৰ পিচত তাই এখন সমূহীয়া পামত (কলেক্‌টিভ ফাৰ্‌ম্) কাম কৰিছিল। গৰিলা বাহিনী গঠন হোৱা মাত্ৰেই তাই যোগ দিয়ে, কিন্তু তাইৰ নিজৰ গাৰ অৱস্থাৰ কথা সিহঁতৰ আগত গোপনে ৰাখিছিল। যেতিয়া ঘূৰি মেলি ফুৰিবৰ অসুবিধা হ'ল আৰু অশৌচৰ সময় চাপি আহিল, তাই গাঁৱলৈ উভতি আহিল; তাই শান্তিৰে প্ৰসৱ কৰিবলৈ বিচাৰিছিল।

"অ' তেনে…শান্তিৰে প্ৰসৱ কৰিবৰ কাৰণে?"… সি দোঁহাৰিলে।

"যোৱা সপ্তাহত তই এখন দলং ভাঙিছিলি?"

"ভাঙিছিলোঁ।"

"কোনে তোক সহায় কৰিছিল?"

"কোনেও কৰা নাই, মই নিজে কৰিছিলোঁ।"

"মিছা কথা। আমি এই বিষয়ে সকলো গম পাইছোঁ। ভালে ভালে সঁচা কথা ক!"

"কোনো নাছিল। মই নিজে কৰিছিলোঁ।"

"বাৰু, এতিয়া গৰিলাবোৰ ক'ত আছে?"

তাই উত্তৰ নিদিলে। ক'লা চকুকিটাৰে তাই গম্ভীৰ হৈ অফিচাৰৰ পিনে চালে। সি দীঘলীয়াকৈ হুমুনিয়া কাঢ়িলে… আকৌ পুৰণি বুৰঞ্জীৰে পুনৰাবৃত্তি!

আমঠালি কৰি নিৰৱে থাকিব। একেবাৰে অন্তহীন তাৰ চলিব, সম্ভৱপৰ সকলো উপায় প্ৰয়োগ কৰা হব—কিন্তু তথাপিও

ফলাফল সকলো মিছা। সি জানে :—হয় সিহঁতে তৎক্ষণাৎ কথা কব, নহয়, সিহঁতৰ পৰা কেতিয়াও একো উলিয়াব নোৱাৰি। এইবাৰ তাইৰ প্ৰথম উত্তৰ শুনি তাৰ মনত ভুল ধাৰণা জন্মিছিল। কিন্তু তাইৰ বাহ্যিক চেহেৰাটোৱে তাৰ মনত পোনতে যি ধাৰণা .জন্মাইছিল সেয়ে সঁচা। তাইৰ থুতৰীত কঠিন ৰেখা, ওঁঠত দৃঢ় আৰু আত্মনিৰ্ভৰশীল চিন। এৰা, তাই নিজৰ কথা কব, কিন্তু সিহঁতৰ বিষয়ে এটা শব্দও নকয়।

"বাৰু, গাঁৱলৈ অহাৰ আগতে তই ক'ত আছিলি ?"

তাই নিৰুত্তৰ।

সি অতিষ্ঠ ভাৱে পেঞ্চিলদালেৰে মেজত টুকুৰিয়াবলৈ ধৰিলে; প্ৰশ্ন সোধোতে সি তাইলৈ চোৱা নাছিল। হঠাৎ এটা ঘৃণনীয় বিৰক্তি জন্মিল। এই সকলোবোৰ বাদ দি পুচিয়াৰ কাষলৈ যোৱাই ভাল নহব নে ? প্ৰশ্ন সুধিবলৈ আন কেনোবা এটাকে লগাই দিব পাৰি......। কিন্তু, জিলাখনে অস্তিত্ব অনুভৱ কৰা, এই গৰিলাবোৰৰ বিষয়ে অন্ততঃ অলপ কথা উলিয়াবলৈ সি ইচ্ছা কৰিছিল। আৰু তলতীয়াবিলাকৰ বুদ্ধিৰ ওপৰত তাৰ বিশ্বাস কম। তদুপৰি সিহঁতে দোৱনীয়া এটাৰ ওপৰত নিৰ্ভৰ কৰিব লাগে; ইপিনে দোৱনীয়াবো ভাষাৰ জ্ঞান কম আৰু সি বৰ বুদ্ধিমান নহয়। অফিচাৰে নিজে—বিশেষকৈ দুটা ভাষা—ইউক্ৰেনিয়ান আৰু ৰাচিয়ান ভালকৈ জানে। এই অঞ্চলবিলাকত বিশেষ কাম কিছুমানৰ কাৰণে তাক শিক্ষা দিয়া হৈছিল। কিন্তু তথাপি যুদ্ধৰ দিনতো এই ভাষাবোৰ বৰ কামত আহিছিল আৰু এইবোৰ শিকোতে যি সময় খৰছ হৈছিল, সি অথলে যোৱা নাছিল।

“বাৰু, তোৰ কৱলৈ কি আছে? সিহঁতে সেনাপতিক ‘কার্লি’ বোলে, নোবোলেনে? কিন্তু সেইটো উপনামহে। আচল নামটো কি? ”

আকৌ নিৰৱ। সি তাইক একেবাৰে অৱশ হৈ পৰা দেখিলে। তাইৰ কুমত, কপালত আৰু ওঁঠৰ কাষত টোপা টোপে ঘাম ওলাইছিল। মুখৰ দুয়ো কাষৰ গভীৰ ৰেখাকেদাল আৰু দ হৈ গৈছিল; তাইৰ বাহুকিটা কাষলৈ লেউসেউ হৈ ওলমি পৰিছিল।

“তই কথা কবি নে নকৰ?

হঠাৎ তাৰ নিজৰে ভাগৰ লগা যেন লাগিল। উস্, গোটেইবোৰ দলিয়াই পেলাই যেন ঘৰলৈকে গুচি যাবগৈ। সি আচৰিত হৈ পুচিয়াৰ কথা ভাবিলে—এতিয়ামানে তাই উঠিল জানো? নে তাৰ অনুপস্থিতিৰ সুবিধা লৈ আকৌ লেপৰ তল সোমাল।

কিন্তু পুচিয়া শোৱা নাছিল। কাপোৰ পিন্ধোতেই তাইৰ বহুত সময় গ’ল আৰু তাতোকৈ বেছি সময় গ’ল আয়নাখনত নিজক চাওঁতে। তাই গ্ৰামফোনটোকে বজাবলৈ ধৰিলে; কিন্তু পৰিচিত সুৰবোৰ শুনি অলপতে আমনি লাগিল। তাইৰ কথা পাতিবৰ মন গ’ল। কিন্তু পাতিব কাৰ লগত?

তাই ৰান্ধনি ঘৰলৈ গ’ল আৰু বাণ্টিৰ পৰা অলপ পানী খালে। জুহালৰ কাষতে সৰু টুল এখনত বহি ফেভচিয়া ক্ৰেভচাকে আলুৰ বাকলি গুচাই আছিল। খিলিকীৰ কাষৰ বেঞ্চতে পুচিয়া বহিল। আলুৰ দীঘল বাকলিবোৰ মানুহজনীৰ আঙুলিৰ মাজত পাকখাই তলৰ পাচিটোলৈ সৰি পৰা চাবলৈ ধৰিলে।

"অতিপাত সৰু আলু দেখোন !" তাই ক'লে

ফেডচিয়াই উত্তৰ নিদিলে।

"ইয়াৰ আলুবোৰ সদায় এনেকুৱা নেকি ?"

উত্তৰ নাই।

"তই বাৰু কেতিয়াও উত্তৰ নিদিয় কিয় ?"

মানুহজনীয়ে মুৰ দাঙি তাইলৈ চালে—এটা নিৰ্ব্বাক, গোথোৰা চাৱনি। আকৌ তাই কামত মন দিলে।

"মোলৈ তেনেকৈ চাইছ কিয় ? তই মোক মানুহ বুলি নেভাব নেকি ? গোটেই দীঘল দিনটো এষাৰ কথা কবলৈকো কোনো নাই। এনেকৈ থাকি মৰা যেন লাগে।"

তাইৰ নিজৰ কাৰণে দুখ লাগিছিল। আৰু চকলেটবোৰৰ কথাও মনত পৰিল—এৰা, অলপ থৰ লাগিছিল। কাৰ্টে তাইলৈ যিহকে আনে তাকে তৎক্ষণাৎ টপ্ কৰে গিলি খোৱাৰ পৰা তাই নিজক কেতিয়াও বাধা দিব নোৱাৰিছিল।

হঠাৎ আলু এটা পানীত সৰি পৰিল। পানীৰ টোপাল-বোৰ মাটিত ছিটিকি পৰিল।

"কেতিয়াবা তোৰ কিবা অপকাৰ কৰিছোঁ বুলি মোৰ মনে নধৰে। কৰিছোঁ নেকি ?"

ধোঁৱাবৰণীয়া চকুজোৰ তাইলৈ খন্তেকৰ বাবে তীক্ষ্ণভাৱে চালে। কিন্তু তেতিয়াও তাই কোনো উত্তৰ নেপালে। "মই সদায় অকলশৰীয়া…খন্তেকৰ বাবে কাৰ্ট লৰ মাৰি আহে, আকৌ গুচি যায়…কথা কবলৈ বা মোৰ ওচৰত বহিবলৈ কোনো নাই…ইপিনে বাহিৰ ওলালেই ঠেৰেঙা লাগি যায়; বাহিৰলৈ যাবলৈ সাধ্য নাই। মই আৰু ইয়াত বলিয়া হৈ যাম।…কেৱল গ্ৰামফোন আৰু গ্ৰামফোন; সেই

ৰেকৰ্ডবোৰ মোৰ মুখস্থ হৈ গৈছে। তই গ্ৰামফোন ভাল পাৱনে ?”

খণ্ডত হাতৰ সৰু মুঠিকিটা তাই খামুচি ধৰিলে। জোঙা নখবোৰ তলুৱাত সোমাই যোৱা যেন হ’ল।

“তই বাৰু মোৰ কথাৰ উত্তৰ নিদিয় কিয় ? মোৰতো প্লেগ নাই, আছে নেকি ?”

ফেডচিয়াই মূৰ দাঙি চালে।

“তোৰ প্লেগতকৈ বহুত ডাঙৰ বেমাৰ এটা আছে। প্লেগত মৰা মানুহতকৈও তই বেয়াকৈ মৰিবি।”

পুচিয়া তবধ লাগিল। তাইৰ ঘূৰণীয়া চকুকিটা আৰু ঘূৰণীয়া হ’ল। তাই কেতিয়াও বিশ্বাস কৰা নাছিল যে ক্ৰেভ্‌চাকে কথা কব। আজি হঠাৎ তাই কথা ক’লে; পূৰা এমাহ চলা সেই আমনি লগা মৌনতা ভঙ্গ কৰিলে। কিন্তু তাই কেনেকৈ ক’লে! তাই কি কৰিব? চিঞৰিব, তাইৰ ওচৰ পাবগৈ, তাইক মাৰিব, কান্দিব নে কোঠালৈ গৈ আটাইতকৈ উলাহৰ আৰু কোলাহলপূৰ্ণ ৰেকৰ্ডখন বজাবগৈ ?

কিন্তু তাই এইবোৰ একোকে নকৰিলে। “তই মোৰ পৰা কি বিচাৰ ? মই আৰু আন কি কৰিব পাৰোঁ ? লঘোনে মৰিম নে বাট চাম ? কিহলৈ বাট চাম ? সিহঁত ইয়াত সদায় থাকিবলৈ আহিছে! মই যেনেতেনে চলিব লাগিব…খুব সম্ভৱ চেৰিওঝা বহুত দিনৰ আগতে মৰিল…কাৰ্ট বেয়া মানুহ নহয়। মই জানো, তেওঁ অলপো বেয়া মানুহ নহয়। তদুপৰি মই ইয়াত বেছি দিন থাকিব খোজা নাই, মোক এইবোৰৰ আঁটিছে। তেওঁ মোক ড্ৰেচডেনলৈ লৈ যাব, ইয়াতকৈ [illegible] ভাল। মই ইয়াত কেনে অৱস্থাত আছিলোঁ ? [illegible]

একো নাই। এজোৰ মোজাৰ বাবে মুৰ ঘমাই মৰিব লাগে, সদায় ভয় জানোচা ফাটি যায়! জান দেখোন, এতিয়া আন এজোৰ লবলৈ কিমান উজু।”

“ঠিক কৈছ। তোৰ সেয়ে সকলো…মই তাকেতো কৈছোঁ… মোজা…তোৰ বায়েৰ এজনী ভাল মানুহ…শিক্ষয়িত্ৰী—কেনে সুন্দৰ আৰু সঙ্গত কাম! কিন্তু তই…কেৱল মোজা আৰু মোজা…তই আচলতে কি তাক মই কবও নোখোজো …আৰু তোৰ কাৰ্টে তোক কেতিয়াও কলৈকো নিনিয়ে। [illegible]তে আন সকলো ৰচকী তিৰোতাক যিদৰে দলিয়াই পেলায়, সিও তোক সেইদৰে দলিয়াই দিব। আনকি সি নিজে আঁতৰ হোৱাৰ আগতেই তোক এৰি দিব। আৰু সি যে যাব লাগিব তাক তই নিশ্চয়কৈ জানিবি। কোনো কথা নাই, পাৰোতেই ভালকৈ আয়ম কৰি ল আৰু তোৰ জাৰ্ম্মানটোৰ লগত মোৰ পালেঙত ভালকৈ শুই ল। তইঁতহালে ইয়াত থাকিবলৈ আৰু বেছিদিন নেপাব; বৰ বেছি দিন নাই। আমাৰ মানুহ আহিলে তইঁতক ভালকৈ শিকাব।

পুচিয়া বেঞ্চত আঁউজী পৰিল; ধীৰ কথাবোৰে তাইক যেন সোঁকাৰেহে কোবালে। খঙত কঁপা মাতেৰে তাই কোনো-মতে ক’লে:—

“বাৰু, বাৰু, পানী আনিবলৈ যাওঁতে তোৰ ইমান পলম হয় কিয় সেইকথা মই কাৰ্টক কৈ দিম। তেওঁ অহা মাত্ৰকে ক’ম মই ক’মেই।”

মানুহজনী জাপ মাৰি উঠিল। নতুনকৈ বাকলি [illegible] আলুবোৰ মাটিত বাগৰি পৰিল। কটাবীথন [illegible]

পৰিল। মুখখন শিলৰ দৰে কঠিন কৰি তাই একেবাৰে পুচিয়াৰ ওচৰ পালেগৈ। পুচিয়াই, ভয়ত শেঁতা পৰি, বেঞ্চৰ তললৈ ভৰিদুটা সুমাই দিলে; যেন সেয়ে তাইক ৰক্ষা কৰিব; তাই হাত দুখন বুকুলৈ তুলি নিলে।

"মই কলৈ যাওঁ তই কেনেকৈ জানিলি?" তেতিয়াহে পুচিয়াৰ মনত পৰিল যে খিলিকীৰ কাষেদি চন্তৰী এটাই অহা যোৱা কৰি আছে। আৰু তাইৰ আত্মৰক্ষাৰ বাবে এটা চিঞৰেই যথেষ্ট হ'ব। সেয়ে তাইক শান্ত কৰিলে। "মই জানিব লগীয়া সকলো কথাকে জানো।"

"তই..."—এন্দুৰৰ দৰে কুচিমুচি যোৱা সেই সৰু প্ৰাণীটোৰ টেটু চেপি ধৰিবৰ ইচ্ছা ফেডচিয়াই সম্বৰণ কৰিলে। সেই দুৰ্ব্বল, লেউসেউ শৰীৰটো চুব লাগিব—এই ভাৱটোৱে তাইৰ মনটো অবৰ্ণনীয় ঘৃণাৰে পূৰ্ণ কৰিছিল। বিকলাঙ্গ আৰু বেমাৰীৰ সমুখত স্বাস্থ্যবান আৰু নিয়মীয়া মানুহৰ যি দৰে ঘৃণা জন্মে, তাইৰো তেনেই লাগিছিল। তাই মাটিত থুৱাবলৈ ধৰিলে। উঠি গৈ জুহালৰ কাষৰ টুলত বহিলগৈ আৰু ততালিকে আলুবোৰ চপাই ল'লে। এদাল দীঘল আলু-বাকলিয়ে আকৌ তাইৰ হাতত মেৰাই ধৰিলে, পাত্ৰটোৰ পানীখিনি ছিটিকি গ'ল আৰু মাটিত ছাটি মাৰি পৰিল। আৰু পুচিয়া কোঠা পালেগৈ; তাই গ্ৰামফোন বজাবলৈ ধৰিলে। ৰেকৰ্ডবোৰ বাচিবলৈ ধৰিলে। প্ৰথমতে তাই আটাইতকৈ উলাহভৰা এখন বিচাৰিলে। কিন্তু শেহত তাইৰ নিজৰে বেয়া লাগিল। তেতিয়াও তাইৰ উক্তিত অপমানৰ পোৰণি লাগি থকা যেন পালে; আৰু তাই [illegible] এখন ৰেকৰ্ড বাচি ল'লে।

[illegible]চিয়াই আলুৰ বাকলি গুচাই থাকিল আৰু তাইৰ

বুকুখন চেঁচা পৰি যোৱা যেন পালে। তাই তেনেহ'লে জানিলে! জানিলে যেতিয়া তাই নিশ্চয় জাৰ্ম্মানটোক কৈ দিব। ব্যৱহাৰৰ সুযোগ নহালৈকে, তাই বিষাল সাপৰ শুঙৰ দৰে কথাটো লুকাই ৰাখিছিল। আৰু এতিয়া তাই প্ৰতিশোধ স্বৰূপে কথাটো তাক কৈ দিব।

শোৱা কোঠাত এটা সৰু, মিহি মাত শুনা গ'ল ঃ—

"জুহালত জ্বলিল অগনি ”

কি হ'ব? অফিচাৰে যে শুদাই নেৰে, সেই বিষয়ে তাইৰ কোনো সন্দেহ নাছিল। যোৱা যুজত মৰা মানুহবোৰক কবৰ দিবলৈ নিষেধ কৰা হুকুম এতিয়াও প্ৰত্যাহাৰ কৰা নাই। গাঁৱৰ কাষৰ খালটোতে সিহঁত বতাহ, বৰফ আৰু ঢোৰা কাউৰীৰ কৰুণাৰ মাজত পৰি থাকিব। সিহঁতৰ উলঙ্গ আৰু লুণ্ঠিত দেহ তাত পৰি থাকি আনৰ অন্তৰত ভয় সুমাই সাৱধান কৰি দিব— আৰু চিনাকী দিব জাৰ্ম্মান-গৌৰৱৰ চিন। প্ৰথমে খেতিয়কবোৰে শবোৰ কবৰ দিবৰ চেষ্টা কৰিছিল। কিন্তু নোৱাৰিলে; কাৰণ খালটো সদায় পহৰাৰ মাজত ৰাখিছিল। এদিন নিশা হাতত কোৰলৈ পেছ্‌চাক নামৰ ডেকা এজনে দলঙৰ কাষলৈকে বগুৱা বাই গৈছিল; ফলত সেই নিশাৰে পৰা সি আনবোৰৰ সৈতে তাত পৰি থাকিল। তাৰ বুকুত এটা গুলিৰ আঘাত; মূৰটো বৰফৰ মাজত পোত খালে। সেই দেখি সকলো যেনে আছিল তেনেই থাকিল। বাইজে বুজিলে যে কৰিবলৈ একো উপায় নাই।

কিন্তু গোটেই গাঁওখনৰ ভিতৰত আন কাৰো পুতেক তাত নাছিল। তাইৰ বাহিৰে কাৰো নাছিল। গাঁৱৰ মাজেদি যোৱা দলটোৰ ভিতৰত থকাৰ দশা আছিল অকল ভেচিয়াৰ। তেতিয়া

কিমান ৰং লাগিছিল।...হঠাৎ সি ঘৰলৈ লৰি আহিছিল—ঠিক আগৰ দৰে হাঁহি হাঁহি আৰু আনন্দেৰে আহিছিল। কিন্তু—কেৱল মুহূৰ্ত্তৰ বাবে—অকণমান সময়ৰ বাবে। কাৰণ ঢলপুৰাতে জাৰ্ম্মানবোৰে অতৰ্কিতে সিহঁতক আক্ৰমণ কৰিলেহি; আৰু ভেচিয়া আছিল ঠিক সেই দলটোতে—যি দলক সিহঁতে খালটোৰ ওচৰত ঘেৰি লৈ নিৰ্ম্মুল কৰি পেলালে!

তাই তাক সেইদিনাই বিচাৰি পালে। তাইৰ অন্তৰে ঠিক সি পৰি থকা ঠাইলৈকে তাইক লৈ গ'ল। তেতিয়া সি মৰিল আৰু সিহঁতে ইতিমধ্যেই তাৰ কানিকাপোৰ বখলিয়াই নিলে।

তেতিয়াৰ পৰা প্ৰত্যেক দিন তাই তালৈ গৈছে আৰু পুতেকক চাইছে; এতিয়া এমাহ পাৰ হৈ গ'ল। কেনেকৈ তাৰ শৰীৰটো ঠৰঙা হৈ গৈছে, কেনেকৈ তাৰ পৰিৱৰ্ত্তন হৈ গৈছে, কেনেকৈ বৰফে তাৰ মুখখন লোৰ-দৰে ক'লা কৰি নিছে আৰু উদং ভৰিটো ফালি পেলাইছে—এই সকলোবোৰ তাই দেখা পাইছে। নিতৌ পানী আনিবলৈ যাওঁতে—আৰু সময়ত দিনে দুবাৰো—মৰা পুতেকক দেখিবলৈ পোৱাতো ইতিমধ্যে তাইৰ অভ্যাসত পৰিণত হৈ গৈছিল। আৰু এতিয়া? এতিয়া তাইৰ কি হ'ব?

গ্ৰামফোনটোৱে গালে ঃ—

"চেনেহৰ আলিঙ্গন তোমাৰ প্ৰণয়
সপোনতো দেখোঁ তুমিময় ..."

সি শুদাই নেৰে; কেতিয়াও এই কথা আওকাণ নকৰে। তাই নিজৰ বাবে ভয় কৰা নাই। তাইৰ ভয় লাগিছিল পুতেকৰ বাবে—থাকক পচি, ঠেঙেৰা লাগি শিল যেন হোৱা তাইৰ মৰা

পুতেক্‌টোৰ বাবে ; গুলিয়ে কুমত ঘূৰণীয়া ফুটা কৰা তাইৰ লৰাটোৰ বাবে তাইৰ ভয় লাগিছিল। তাই যেন তাক দ্বিতীয় বাৰৰ কাৰণে হেৰুৱাব খুজিছে ; সিহঁতে তাক লৈ গৈ কোনোবা অচিন খালত পেলাই দিব, তাক বেয়া ব্যবহাৰ কৰিব, কাটি চিঙি বিকৃত কৰি পেলাব—কাৰণ তেনে কৰিবলৈ সিহঁতৰ সমৰ্থ আছে—অ' নহয়, সমৰ্থতকৈও বেছি······

"চেনেহৰ আলিঙ্গন তোমাৰ প্ৰণয়
সপোনতো দেখো তুমিময়······"

পুচিয়াই দিঠকত সপোন দেখিছিল আৰু দহবাৰ তাই একে ৰেকৰ্ডখনকে বজাই আছিল। গ্ৰামফোনটোৱে গাইছিল—বিগত প্ৰেমৰ কথা ; অতীত সুখৰ কথা আৰু এতিয়া অৰ্থ নোহোৱা কিছুমান পুৰণি চিঠিৰ কথা। জুহালৰ ওচৰত বহি থকা মানুহজনীৰ বিমৰ্ষ ভাবৰ সুৰে সুৰে গ্ৰামফোনটোৱে কোমল সুৰেৰে গাবলৈ ধৰিলে। ফেডচিয়াই বহুৱা কটাৰীখন হাতেৰে খামুচি ধৰিলে ; কিন্তু দুখ নেপালে। তাইৰ চালখন য'ত কাটিলে তাৰ পৰা এটোপা তেজ ওলাল। চাঁদৰৰ আগেৰে তাই হাতখন মুচি পেলালে।

'জুহালত জ্বলিল অগনি······'

তাই কি কৰিব ? তাইৰ ধাৰণা হ'ল যে ভেচিয়াৰ জীৱন তাই ৰক্ষা কৰিবই লাগিব। ভয়ঙ্কৰ আৰু মৃত্যুতকৈও নিষ্ঠুৰ কিবা এটাৰ পৰা যেন তাই তাক ৰক্ষা কৰিব লাগিব। কিন্তু কেনেকৈ ? তাক তাৰ পৰা তুলি নিয়া অসম্ভৱ। সি জাৰত ঠেঁৰেঙা দিলে আৰু ৰবৰৰ কঠিন আবেষ্টনী এটালৈ তাৰ ৰূপান্তৰ হ'ল।

গ্ৰীষ্মৰ প্ৰখৰ তাপেহে তাক সেই ৰবৰৰ পাচিৰ পৰা [illegible]

কৰিব পাৰিব। কিন্তু যদিও……যদিও সি কোঁচ খাই আগৰ ১৫।১৬ বছৰীয়া শৰীৰটোৰ সমানেই হ'ল গৈ, তথাপি তাই তাক তুলিব কেনেকৈ ? তাক ক'লৈ নিব তাই ? হত্যাকাৰীবোৰৰ চকুৰ আগৰ পৰা তাই তাক ক'ত লুকাব ?

"চেনেহৰ আলিঙ্গন তোমাৰ প্ৰণয়
সপোনতো দেখোঁ ভুমিময়……"

জাৰ্ম্মানৰ কলুষিত হাতে তাক স্পৰ্শ কৰিব। ঘৃণনীয় জাৰ্ম্মানে দীঘল বুটেৰে তাক গুৰিয়াব। গৰুমূৰীয়া জাৰ্ম্মানবোৰে তাক ভেঙুচালি কৰি ঢেকঢেকাই হাঁহিব। আৰু সিহঁতৰ মাজত তাই কেপ্তেইন ৱাৰ্ণাৰৰ হুটা হাঁহিৰ খেকখেকনিটো শুনিবলৈ পাব। ফেডচিয়া অসীম নিৰুপায়ত পৰিল ; হতাশভাৱে তাই হাত দুখনকে মোহাৰিবলৈ ধৰিলে। তাই আলুলৈ পাহৰিলে ; জুই কুৰা ছাইৰ মাজত পোত খালে। কিন্তু তাই লৰচৰ নকৰাকৈ তাতে বহি থাকিল ; তাইৰ চকুকিটাই উদাসভাৱে সমুখলৈ থৰ লাগি চাই থাকিল।

তাই ভাবিলে যে তাতকৈ আৰু একো বেয়া হব নোৱাৰে। কত ৰকমৰ ঘাত-প্ৰতিঘাতে তাইৰ হিয়া স্পৰ্শ কৰিলে! কিন্তু তথাপিও ই তাইৰ কাৰণে নতুন কিবা এটা যেন লাগিল। অসংখ্য অনাগত বিপৰ্য্যয়ৰ ভয় দেখুৱাই, তাহানিৰ সেই ডিচেম্বৰ মাহত গাঁৱৰ ওপৰত গোট খোৱা ক'লা ডাৱৰৰ ভয়াবহকতা-তকৈও ইয়াক বেছি ভয়ানক যেন লাগিছিল।

হঠাৎ তাইৰ মনত খেলালে—সেইজনীয়েনো এইবোৰ কেনেকৈ জানিলে ? তাইক কোনে ক'লে ?

পৰিচিত মুখবোৰ তাইৰ মনৰ মাজত জাগি উঠিল। শিক্ষয়িত্ৰীয়ে নেকি ? নহয়, ফেডচিয়াই ততালিকে সেই [illegible]

মনৰ পৰা মুচি পেলালে। কেতিয়াও হব নোৱাৰে। বাৰু, কোন তেনেহ'লে ?

অৱশ্যে গাঁওখনে জানে। কিন্তু গাঁৱলীয়াবোৰ তাইৰ নিজৰ মানুহ। পেলেজিয়া কলৈকো নেযায়, তাইৰ লগত কোনেও কথা পতা নাই। তেনে তাই কেনেকৈ গম পালে ? কোনে শত্ৰুৰ হাতত মাকৰ এই দুখৰ কাহিনী সঁপি দি বিশ্বাস-ঘাতকতা কৰিলে ? কোনে ভেচিয়াৰ শৰীৰ, তাৰ তেজ, তাৰ মৃত্যু আৰু তাৰ কষ্টক জাৰ্ম্মান-ঘাতকৰ হাতত সঁপি দিলে ?

থৰথৰাই উঠি গ্ৰামফোনটো বন্ধ হ'ল। পুচিয়াই উলৰ বুটজোৰ পিন্ধি ল'লে আৰু আলফুলকৈ তাইৰ নোমৰ কোটটোৰ বুটামবোৰ মাৰিলে। কোটটো তাইলৈ অলপ ডাঙৰ ; কাৰ্টে নগৰৰ কাৰবাৰ পৰা খুলি আনি তাইক—তাৰ ৰক্ষিতাক—এইটো উপহাৰ দিছিল। কিন্তু কোটটো উম লগা আছিল ; চোলাৰ হাতদুখনৰ মাজত হাতদুখন চপাই ৰাখিব পাৰি আৰু দীঘল পাখি লগা ডিঙিটোৱে বৰফৰ পৰা গাল দুখন ৰক্ষা কৰে।

এখোজ দুখোজকৈ পুচিয়া বাৰান্দাটো পাৰ হ'ল আৰু এটা দীঘলীয়া উশাহ সলালে। বাহিৰত অতিপাত ঠাণ্ডা ; যেন এটুকুৰা প্ৰকাণ্ড বৰফে গোটেই পৃথিবীখন ছাটি ধৰিলে। ছাঁপৰা ঠাইত বৰফবোৰ নীলা, কিন্তু ৰ'দত ই হীৰাৰ দৰে তিৰবিৰাই জ্বলি উঠিছিল আৰু ইয়াৰ নিকৰুণ চিকমিকনিয়ে চকু চাঁত মাৰি ধৰিছিল। গাঁওখন থকা পাহাৰটোৰ দুয়োপিনে, বগা আৰু নীলা চিকমিকনিৰে জিলিকি থকা, অন্তহীন সমতল এখন বিয়পি আছিল। আকাশ-পৃথিবী জুৰি বৰফে গ্ৰাস কৰি পেলাইছিল ; চাৰি আলিৰ কাষত নিৰবে টাপিটুপি সোমাই থকা সৰু গাওঁখন বৰফে ধ্বংস কৰি দিছিল। জুপুৰীটোৰ পিনে পুচিয়াই চালে।

সৈন্যবোৰে এনেতেনি হুৰমুৰাই ঘুৰি ফুৰিছিল ; গির্জ্জাৰ সমুখৰ চাৰিচুকটোত গোলন্দাজ বাহিনীৰ কামানৰ ক'লা ৰেখাকিটা চকুত পৰিছিল। তাত বহুত সৈন্য আছিল। কিন্তু গাঁৱলীয়া মানুহ কাকো দেখা নগৈছিল। তাই যাবলৈ ধৰিলে ; ঠিৰাং কৰিলে যে কার্টক তাৰ অফিচতে লগ ধৰিবগৈ।

চাৰিচুকটোৰ দাঁতিতে ফাঁচি-কাঠ—দুটা ঠিয় খুটা আৰু মাজত এদাল চ'টি। মাজত এটা মানুহৰ শ ওলমি আছিল। গাঁৱত কার্টৰ প্ৰভুত্বৰ এয়ে নিদৰ্শন; পুচিয়া তাৰ ওচৰেদি পাৰ হৈ গ'ল। সেই দৃশ্য তাইৰ সহজ হৈ গৈছে ; এমাহৰ আগেয়ে কার্টৰ লগত তাই ইয়ালৈ অহাৰ পৰাই সেই ডেকা মানুহটো তাত ওলমি আছিল। মানুহৰ সকলো সাদৃশ্য হেৰুৱাই সি ঠৰঙা আৰু টান হৈ গৈছিল। এতিয়া আৰু তাক তেজ মঙহৰ মানুহতকৈ এটুকুৰা কাঠ যেনহে দেখা গৈছিল। বৰফ-বোৰ মৰ্‌মৰাই ভাগিল, ফাটিবলৈ ধৰিলে আৰু জঘন্যভাৱে চেঁচেঁৱাই উঠিল ; তাই যেন আয়নাৰ ওপৰতহে ভৰি দিছিল। সম্পূর্ণ নির্জ্জন বাটটোৱেদি তাই যাবলৈ ধৰিলে। ঘৰৰ খিলিকী-বোৰ, আগৰ পৰা গুৰিলৈকে তক্তাখুৱাই দিয়াৰ দৰে, বৰফৰ ভাঠ আৱৰণেৰে ঢাকখোৱা। দেখাত বগা ঢাকনি পৰা চকুৰ নিচিনা হৈছিল। কেইটামান 'চিমনি'ৰ পৰাহে ধোঁৱা উৰিছিল—এই-বোৰেই জাৰ্ম্মান থকা ঘৰ। আনবোৰ ঘৰত কোনেও বন্ধা নাছিল। আৰু বান্ধিবলৈকো একো নাছিল।

এটা পজাৰ দুৱাৰ মেল খালে আৰু শুৱনী মুখৰ সুৰ 'এটাই বাহিৰলৈ ভুমুকিয়াই চালে ; কিন্তু বাটেদি তাইক অহা দেখিয়েই মূৰটো আঁতৰাই নিলে। দুৱাৰখন বন্ধ হৈ গ'ল। পচিয়াই অতিষ্ঠ ভাৱে গাটো জোকাৰিলে। সটাকৈ [illegible]

যি দৰে তাইৰ পৰা আঁতৰি থাকে, তাইৰ যেন প্লেগহে আছে। আনকি আকস্মিক ভাৱেও লগ পাব নোখোজে। তাইৰ সৈতে হঠাৎ বাটত ভেটাভেটি হ'লে লৰাছোৱালীবোৰ ভয়ত লৰি পলায়। বাৰু, কৰক সিহঁতে ; সিহঁতে ভাল পায় যদি কৰক। যেনেকৈয়ে নহওক, সিহঁত সকলো জাৰ আৰু ভোকত মৰিব লাগিল ; সেয়ে সিহঁতৰ বাবে সঞ্চিত আছে। ইপিনে তাই স্বাস্থ্যৱান আৰু সবল দেহেৰে দীঘল পাখি লগা চোলা পিন্ধি ঘুৰি ফুৰিছে, ধুনীয়া নোমাল কোট পিন্ধিছে আৰু তাইৰ ইচ্ছামতে যিমান পাৰে সিমান চকলেট চুহিবলৈ সমৰ্থ হৈছে ; পিচত তাইৰ কেপ্তেইন স্বামীৰ সৈতে তাই জাৰ্ম্মানীলৈ যাবগৈ। নিজৰ ভাগ্যৰ সকলো নিজেই গৰাকী —সিহঁতৰ বাছনি সিহঁতে কৰিলে, তায়ো কৰিলে নিজৰ বাছনি। মূৰ্খবোৰ! সিহঁতে কেতিয়াও নোহোৱা কথাকিছুমান বিশ্বাস কৰিব আৰু কেতিয়াও নঘটা কথা এটালৈ আশা পালি ৰৈ থাকিব। সিহঁত অসীম হতাশত শাপগ্ৰস্ত হৈ থাকিব। কাৰ্টে তাইক পৰিষ্কাৰকৈ বুজাই দিছে—কিয় জাৰ্ম্মানবোৰ জিকিবই আৰু জাৰ্ম্মানৰ কাৰণে অকপটভাৱে কাম নকৰিলে ইয়াৰ এই উন্মাদ জনতা কিয় ধ্বংস হব। কিন্তু যদিও এইবোৰ ইমান সহজ কথা, তথাপি সিহঁতে একো বুজিবলৈ মাস্তি নহয়। সিহঁতে মাথোন সেইবোৰৰ কাৰণে বাট চাই থাকিল। কিন্তু তাই—পুচিয়া—সিহঁতক চাবলৈ অকনো ইচ্ছুক নহ'ল। এতিয়া তাই ভালকৈ থকা নাই জানো? বহুত ভালকৈ আছে।

ভৰিৰ তলত বৰফ ভাগিবলৈ ধৰিলে আৰু চিকমিকনিত তাইৰ চকুকিটা তিৰবিৰাই উঠিল। এই আপদীয়া বৰফবোৰ আৰু কেতিয়া শেষ হব? তাই গৰমৰ সপোন দেখিলে। সেকুৰীৰ দৰে মেৰ খাই পৰি বদন্ত নিজক গৰম কৰি লবলৈ,

গোটেই গাতে ৰ'দৰ চেনেহভৰা উম লবলৈ আৰু ইয়াক তাইৰ হাড়ৰ মজ্জালৈকে সোমাবলৈ দিবলৈ তাইৰ মন গ'ল। এতিয়া চকু চাঁত মৰা উজ্জ্বল বেলিটোও এটা বৰফৰ টুকুৰাৰ দৰে হৈছিল আৰু তাৰ পৰা শীত বিকিৰণ কৰা যেন লাগিছিল।

দুৱাৰমুখৰ চন্তৰীটোৱে তাইক ততালিকে সোমাই যাবলৈ দিলে। তাই দুৱাৰত টুকুৰিয়ালে আৰু উত্তৰলৈ আশা নকৰি বা কাৰ্টৰ ভলতীয়া বিষয়াবোৰৰ অস্বস্তিলৈ কোনো মন নকৰি, অফিচৰ ভিতৰলৈ সোমাই গ'ল।

"কি হ'ল!"

"একো হোৱা নাই।"—তাই খঙেৰে উত্তৰ দিলে—"আপুনি নোহোৱাত মোৰ অকলশৰীয়া যেন লাগিছিল।" মেজৰ কাষত ঠিয় দি থকা মানুহজনীলৈ তাইৰ অৰ্থপূৰ্ণ চাৱনি পৰিল। এজনী বয়সীয়া মানুহ, চুলি পকিছে আৰু পেটটো ডাঙৰ হৈ গৈছে—-নিশ্চয় তাই গৰ্ভৱতী। চকিৰ একোণত পুচিয়া বহি পৰিল।

"আপুনি সোনকালে আজৰি হবনে?"

"মইতো তোমাক আগতে কৈ দিছো যে মই ব্যস্ত আছোঁ। দেখা নাই জানো?"—আমনি পোৱা ভাৱটো দেখাদেখিকৈ ওলাই পৰিছিল খিলিকীৰ কাষলৈ তাইক লৈ গৈ সি খঙত ফুচফুচাই ক'লে—"ইয়ালৈ আহিবলৈ তোমাক কিমান বাৰ হাক দিছোঁ। কি কৰিছা তুমি এইখন! মই ব্যস্ত; তুমি দেখিছাই, মই ব্যস্ত আছোঁ। কাম শেষ হোৱা মাত্ৰেই মই ঘৰলৈ যাম।"

ঠেঁই লগা কেছুৱাৰ দৰে তাই মুখ ওফোন্দালে।

"মই যে বৰ অকলশৰীয়া। আপুনি অন্ততঃ এবাৰ ঘৰলৈ যাব

পাৰে দেখোন, আমি একেলগে ভাত খাব পাৰিম। মই ইমান দুখিনী……আপুনি নেযায়েই…এই কুৎসিৎ বুঢ়ীজনীৰ লগত কথা পাতি আপুনি কি সুখকণ পায়? অইন এজনে এইসোপা কৰিব নোৱাৰে জানোঁ?”

“ওহোঁঃ, সিহঁতে নোৱাৰে। সেই বুঢ়ীজনী এজনী গৰিলা, বুজিছা?” পুচিয়া বজ্ৰাঘাতৰ দৰে হ’ল।

“কি! গৰিলা! আপুনি কৈছে কি? তাইলৈ চাওক, তাই যে আসন্ন-প্ৰসবা।”

সি তাইক মাজতে বাধা দি ক’লে—“তেনে, দেখিলা? এতিয়া লৰ মাৰা। যোৱা, বেগাই যোৱাঁ। মই সোনকালে গৈছোঁ।”

তাই নিমাখিত ভাৱে কাৰ্টৰ চোলাৰ হাতটো থপৰিয়ালে। “মই খন্তেক ইয়াতে বহি শুনি থাকিম দেই? আপোনাক একো আমনি নিদিওঁ।”

“বাৰু বহিব খুজিছা যেতিয়া বহাঁ বাৰু। কিন্তু ইয়াতো তিতা লাগিব।—হাতখন আগবঢ়াই তাইলৈ চকি এখন ঠেলা মাৰি দিলে।

তাই কোটৰ বুটামকিটা খুলিলে আৰু বহি পৰিল। তাইৰ ওঁঠৰ হাঁহিটো গুচা নাছিল। তাইৰ ঘূৰণীয়া, ক’লা চকুহাল আছিল মেজৰ কাষত ঠিয় দি থকা মানুহজনীৰ ওপৰত। তেনেহ’লে, তাই গৰিলা! এইটো বৰ হাঁহি উঠা কথা, সঁচাকৈ হাঁহি উঠে……কাৰ্টে কোনো বস্তুলৈ ভয় কৰে বুলি যদিও নিজে কেতিয়াও স্বীকাৰ নকৰে, তথাপি তাই জানে যে সি গৰিলালৈ ভয় কৰে। সি যে গৰিলালৈ ভয় কৰে এইটো তাই ভালকৈ অনুভৱ কৰিছিল আৰু সেই ভয়ৰ কাৰণ বুজিব

নোৱাৰিছিল যদিও তাই মনতে বৰফলৈকো সিহঁতে ভয় নকৰে। কিন্তু তাই ?—কেৱল ফেডচিয়া ক্রেভচাকৰ দৰে সাধাৰণ গাঁৱলীয়া তিৰোতা এজনী। তাৰ উপৰিও তাই গৰ্ভৱতী। মানুহজনীৰ বৰমোহি ক'লা পৰা চোলাটোৰ তলৰ পিনে ওলমি থকা প্রকাণ্ড পেটটোলৈ পুচিয়াই এবাৰ চালে। তাই নিজে সৰু আৰু লাহী ; তাত তাই ধীৰ ভাৱেৰে কোমল নোমাল কপোৰেৰে গা ঢাকি বহি আছে আৰু ইচ্ছা কৰিলেই ধীৰ খোজেৰে তাৰ পৰা গুচি গৈ গ্রামফোন বজাই কাটিৰ সৈতে নাচিবগৈ পাৰে—এইবোৰ কথাই তাইৰ মনত আনন্দ দিছিল।

আমনি লগা অৱশ মাতেৰে কাটে প্রশ্ন সুধি থাকিল। আৰু মানুহজনীয়ে উত্তৰ দিবলৈ ধৰিলে। প্রথমে পুচিয়াই সিহঁতৰ প্রশ্ন আৰু উত্তৰলৈ কাণ দিছিল। কিন্তু অলপ পিচতে সেইবোৰ ভাল নলগা হ'ল। কেৱল ভাল নলগাই নহয়, মূৰ্খালিও! কাৰ্টেও সেই একে কথাকে বাৰে বাৰে সুধি থাকিব আৰু সিজনীয়েও একেবোৰ কথাকে উত্তৰ দি থাকিব।

অ'লেনা ভাগৰত মৰাৰ নিচিনা হ'ল। তাইৰ চকুৱে ধুঁৱলিকুঁৱলী দেখিলে ; মেজৰ তলেদি ক'ৰবাৰ পৰা ক'লা ঢৌবোৰ উঠি তাইৰ দৃষ্টি অন্ধকাৰ কৰি দিলে। ক্রমে অন্ধকাৰ বাঢ়ি গ'ল কামৰ সকলোবোৰ আঁতৰ কৰি নিলে ; তাই সকলো শক্তি প্রয়োগ কৰি নিজক থিৰেৰে ৰাখিব লগা হৈছিল। এনেতে মেজৰ পিচপিনৰ মানুহটো, তাৰ সমুখত থকা কাগজবোৰ আৰু তাৰ পিচত থকা খিৰিকীৰ আয়নাবোৰ এন্ধাৰৰ মাজৰ পৰা আকৌ ওলাই পৰিল। চেঁচা ঘামবোৰ ওলাই মুখখন আৱৰি ধৰিছিল। বাহুকেইটা লোৰ বোজা যেন হৈছিল। ভৰিৰ বিষ অসহ্য হৈছিল. খুব সম্ভৱ তীষণভাৱে উখহি গৈছিল। তাই

কিমান পৰ ইয়াতে ঠিয় দি আছে ! এঘণ্টা, দুঘণ্টা নে তিনি ঘণ্টা ? আৰু বেছি হব পাৰে, হয়তো গোটেই দিনটো ? কিন্তু নহয়, তেতিয়াও খিৰিকীয়েদি ভালকৈ বেলিৰ পোহৰ দেখা গৈছিল, তেনেহলে, তাই ভবা সমান পলম হব নেৰোৱে।

তাইৰ তলপেটটো বিষাবলৈ ধৰিলে ; ভিতৰখন ইমান বিষাইছিল যেন কোনোবাই তাইৰ নাড়ীবোৰ বাহিৰলৈ লাহে লাহে টানিহে নিছিল। তাতে আকৌ কটা ঘাত চেঙা তেল দিবলৈ এইজনী ওলালহি ! অ'লেনাই তাইৰ কথা জানে ; তাইক চিনি পায় !—ঘূৰণীয়া চকুহাল মেলি তাই তাতে বহি আছিল। উলৰ টুপিটো তেতিয়া তাই খুলি থৈছিল আৰু কাণৰ দাঁতিলৈ চুলিটাৰ সামৰি থৈছিল। তাইৰ দুলজোৰৰ বাখৰপতোৱা মণিৰ চিকৃমিকৃনিলৈ মানুহজনীৰ অৱশ চকুকিটালৈ চালে আৰু তাকে তাই চাই থাকিলে। মণিটো তিৰবিৰাই জুইৰ ফিৰিঙটি উফৰি যোৱাৰ নিচিনা হৈছিল। আকৌ এন্ধাৰে আৱৰি ধৰিলে। তাইক বেৰি ধৰা ক'লা ঢৌবোৰৰ মাজেদি কেৱল সেই উজ্জ্বল পোহৰৰ এধানি ৰশ্মিহে বিৰিঙি উঠিছিল। অ'লেনাৰ গাটো হালি গ'ল। হাত দুখন মুঠি মাৰি তাই নিজক আকৌ পোনাই ল'লে। নহয়, নহয়, তাই কেতিয়াও পৰিব নোৱাৰে। অফিচাৰটোৰ ৰক্ষিতাৰ আগত তাই কেতিয়াও নপৰে ; নিজৰ দেহা বিক্ৰি কৰি তাই সেই জাৰ্ম্মানটোৰ শয্যাশায়িনী হ'ল। কোমল কাপোৰ পিন্ধি, তিৰবিৰাই থকা দুল পিন্ধি তাই তাত বহি বহি যি দৰে জাৰ্ম্মান অফিচাৰটোৱে শাস্তি দিয়া গৰ্ভৱতী তিৰোতাজনীলৈ চাই আছিল—যেন ই তাইৰ কাৰণে এটা মুগ্ধকৰ দৃশ্য।

পুচিয়াৰ ওঁঠৰ মিচিকিয়া হাঁহিটো আঁকি থোৱা যেন

দেখিছিল। কিন্তু তাই অ'লেনাৰ কথা ভবা নাছিল নাইবা সিহঁতৰ প্ৰশ্নোত্তৰলৈকো কান দিয়া নাছিল। তাই আয়ুমন্ত আছিল; তাই যে কাৰ্টৰ অফিচত বহি আছিল, সেই কথা গৌৰৱেৰে ভাবিবলৈ ধৰিলে। আৰু কেৱল তাইহে যে ইয়ালৈ অকলে সোমাই আহিব পাৰে আৰু ইচ্ছামতে ওলাই যাব পাৰে —এইকথা ভাবি তাইৰ মনত ৰং লাগিছিল। আনবোৰক সৈন্যই সঙ্গীনেৰে বেৰি আনিছিল আৰু তাৰ পিচত কোনোদিন উভতি নহা কোনোবা অচিন ঠাইলৈ লৈ গৈছিল। যি কাৰ্টক সিহঁত সকলোৱে ভয় কৰে, সেই কাৰ্ট তাইৰ—কেৱল তাইৰ। তাই ইচ্ছামতে খন্তেকতে ৰুষ্ট, খন্তেকতে তুষ্ট হৈ দেখুৱাব পাৰে আৰু কাৰ্টে তাইক তেতিয়া বান্দৰ পোৱালী বুলি কব আৰু তাৰ লগত ড্ৰেচডেনলৈ লৈ যাম বুলি ক'ব…

কাৰ্টে ক'লে "তই এজনী মাক"—অলেনাৰ মূৰ ঘূৰাইছিল; এই কথা শুনি তাই যেন জীৱন ৰক্ষা পালে।

নিশ্চয় তাই সন্তানৰ জননী। এৰা, জাৰ্ম্মানটোৰ মনত কেতিয়াও খেলোৱা নাই যে এইকথা কৈ সি তাইক সহায়হে কৰিছে। ঠিক সেই মুহূৰ্ত্তে তাই পৃথিবীখন ঘূৰিছা হোৱা যেন পাইছিল, এটা আচৰিত দুৰ্ব্বলতাই তাইক আৱৰি ধৰিছিল আৰু তাইৰ কাষৰ সকলো বস্তু উটিবুৰি এন্ধাৰৰ মাজত বিলীন হৈ যোৱা যেন পাইছিল, কিন্তু সেই মুহূৰ্ত্তে সি তাইক সহায়

"তই এজনী মাক"

কোনে সেই কথা ক'লে? মেজৰ কাষৰ জাৰ্ম্মান বিষয়াটোৱে নে সেনাবাহিনীৰ নায়ক, বসন্তৰ সাঁচ থকা, ৰভিয়াল কাৰ্লিয়ে? "তই এজনী মাক…"

তাইৰ বুকুৰ তলত সোমাই থকা সন্তানটোলৈ তাই ভবা নাছিল। সি তেতিয়া তাইৰ কলিজাৰ পৰাই উশাহ অকণ লৈছিল। তাৰ বাবতেই তাই পোন হৈ ঠিয় হ'ব পৰা নাছিল। তাই তেতিয়া ভাবিছিল সেই হাবিত সোমাই থকাবোৰলৈ, তাইক আই বুলি মতা মানুহবোৰলৈ। আন সকলোতকৈ তাই ডাঙৰ—বহুত ডাঙৰ আছিল। তাই শত্রুৰ গতিবিধি লক্ষ্য কৰি ফুৰিছিল; আনকি দলং এখনো ভাঙি চুৰমাৰ কৰিছিল। কিন্তু সেয়ে তাইৰ ঘাই কৰ্ত্তব্য বুলি তাই ধৰি লোৱা নাছিল। আল-পৈচান ধৰিবলৈ কেও-কিছু নোহোৱা মানুহবোৰৰ কানিকাপোৰ ধুইছিল, বন্ধাবঢ়া কৰিছিল, সিহঁতৰ তদাৰক কৰিছিল। তাই বেমাৰীৰ শুশ্রূষা কৰিছিল, মানুহৰ ঘা বান্ধি দিছিল আৰু সিহঁতৰ ফটা কাপোৰ সি দিছিল। মাকে সাধাৰণতে যিবোৰ কাম কৰে তায়ো তাকেই কৰিছিল। আৰু সেয়েহে সিহঁতে তাইক বুলিছিল—"আই"

'তই এজনী মাক…'

তাইলৈ এই কথাকেইটা হাবিৰ মানুহবোৰৰ আহ্বান যেন লাগিছিল; এতিয়া সিহঁতৰ জীৱন নিৰ্ভৰ কৰে কেৱল তাইৰ কথা এটাৰ ওপৰত। এই কথাই যেন তাইক এটা কৰ্ত্তব্য সোঁৱৰাই দিছিল; যেন ই সিহঁতৰে আহ্বান—দূৰৰ পৰা ভাহি অহা সিহঁতৰে মাত।

"গৰিলাবোৰ ক'ত আছে ?"

সেই অটব্য হাবিৰ প্ৰত্যেক বাটলৈ, প্ৰতি জোপাটোলৈ আৰু প্ৰত্যেক গছলৈ তাইৰ মনত পৰিল। সি সোধা বাটটোৰ ছবি তাইৰ মনত স্পষ্টভাৱে দেখা দিলে। তাইৰ ভয় লাগি গ'ল—কিজানিবা সেই জাৰ্মানটোৰ চক্‌চকীয়া চকুজোৰে তাইৰ

ভাবৰ মাজত খেলোৱা বাটটো দেখি চিনি পায়। বেগেতে—খুব লৰালৰিকৈ—তাই আন কিবা এটা ভাবিব লাগিব; তাইৰ নিজৰ ঘৰৰ কথা, নৈখনৰ কথা বা ওচৰচুবুৰীয়াৰ কথা ভাবিব লাগিব। কিন্তু তাইৰ মনত আঁকোৰগোঁজালি মাৰি ভাহি উঠিল—সেই বাটটো, দেৱদাৰু গছৰ তলে তলে থকা আশ্ৰয়স্থানবোৰ; আৰু কাৰ্লিৰ বসন্তৰ সাঁচ থকা ধেমেলীয়া মুখখন। তাই যোলটা ল'ৰাৰ মাক। এৰা, সৌ হাবিখনৰ মুকলি ডোখৰতে তাইৰ যোলটা সাহসী পুতেক আছে। সিহঁত তাইৰে ল'ৰা। তাই পামত কাম কৰা চহা তিৰোতা। গিৰিহঁতৰ চকিদাৰৰ সৌকাৰ কোব নোখোৱা মুক্ত মানুহৰ সুখৰ দিন নহালৈকে তাই বাট চাব লগা হৈছিল। সেই দিনলৈ তাই কিমান দিন বাট চাইছিল!

"মই দলটোৰ কথা একো নেজানোঁ। সিহঁত গলগৈ; কিন্তু ক'লৈ গ'ল নেজানোঁ।"

খণ্ডত কাৰ্টৰ হাতৰ মুঠি টান হ'ল। চাৰি ঘণ্টা প্ৰশ্ন কৰাৰ পিচত য'ৰ পৰা আৰম্ভ কৰিছিল সেই প্ৰাণহীন সন্নিধানতে আকৌ উপনীত হ'লহি। খণ্ডত কাগজবোৰ সামৰি থ'লে—

"হেন্স?"

কোঠালৈ সৈনিক এটা সোমাই আহিল।

"তাইক চালিৰ তললৈ লৈ যা। তই অলপ সময় জাৰত বহ, তেতিয়া বোধহয়. অলপ সুস্থিৰ হ'ব পাৰিবি। বহি বহি ভাবি ঠিক কৰ আৰু তোৰ ভবা শেষ হ'লে চন্তৰীটোক মাতিবি। সি মোক জনাব।"—সি খণ্ডেৰে আলমাৰিটো বন্ধ কৰিলে। —"আহাঁ পুচিয়া, আমি একেলগে খাওঁগে।"

আনন্দত পুচিয়া জপিয়াই উঠিল। তেনেহ'লে তাই

আহি ভালেই কৰিলে। তাই নহা হ'লে কাৰ্ট তাতে গধুলিলৈকে বহি থাকিলে হেঁতেন।

বৰফৰ চিকমিকনিত আকৌ তাইৰ চকু ধুঁৱলিকুঁৱলী লাগিল। তাইৰ উলৰ বুটতকৈ কাৰ্টৰ দীঘল বুটজোৰৰ গচকত পৰি ভগা বৰফৰ মাত আৰু ডাঙৰ হ'ল। শিল যেন চেঁচা বতাহে তাইৰ গালত ছাটি মাৰি গ'ল।

"বেলিটোৰ তলত সেইটো কি ?"

তাই থমক্ খাই ৰ'ল আৰু কাৰ্টে আঙুলিয়াই দেখুওৱা পিনে চালে। দূৰত—য'ত মাটিৰ নীলা ৰঙটো নীলা আকাশ-খনেৰে সৈতে লগ হৈছে—সেইঠাইত এখন ৰামধনু জিলিকি উঠিছিল ; ওপৰত এশাৰী সেউজীয়া, নীলা, কজলা আৰু গোলাপী ৰং জিলিকি উঠি লাহে লাহে অসীমত মাৰ গৈছিল ; ই ফটিকৰ দৰে নিৰ্ম্মল, ফটফটীয়া আৰু গাঢ় ; চৰাইৰ বোলোৱা পাখিৰ দৰে এটা ৰঙৰ সমাবেশ।

কাৰ্ট আচৰিত হ'ল—"ৰামধনু ! জাৰৰ দিনত ৰামধনু... ...তোমালোকৰ ইয়াত এইদৰে আগেয়ে ওলাইনেকি ?" পুচিয়াই খন্তেক ভাবি ল'লে।

"বোধহয় নাই। অন্ততঃ মই আগতে এবাৰো এইদৰে ওলোৱা দেখা নাই।"

আকাশৰ বুকুৰ পৰা পৃথিবীৰ সীমা চুই থকা ৰঙৰ উজ্জ্বল শাৰীটোলৈ চাই কাৰ্ট তেতিয়াও তাতে ঠিয় হৈ আছিল।

"আহক আকৌ ! জাৰ লাগিছে ; মোৰ আৰু ভৰি ঠেৰেঙা লাগিব।"

"ৰামধনু বোলে এটা ভাল লক্ষণ।"

পুচিয়াৰ খং উঠিল ; তাৰ চোলাৰ হাতটো আজুৰি ক'লে—“ৰামধনু ৰামধনুৱেই। আকৌ কিখন বলকি আছে ?”

সেই সময়ত ৰামধনুখন আৰু ওপৰ উঠি বেছিকৈ ঘেৰ খালে। ৰঙা, বেঙুনীয়া আৰু সেউজীয়া ৰঙেৰে ধেনুভিৰীয়া হৈ পৃথিবীৰ ওপৰত ওলমি থাকিল। উজ্জ্বল সোনালী বোলৰ চিকমিকনি উঠিল ! আকাশখন কাঁচৰ প্ৰকাণ্ড দ'ল এটাৰ দৰে হৈছিল—যেন কাঁচৰ ঘণ্টা এটাৰে পৃথিবীখন ঢাকি থৈছে। টোপৰ কাষত থকা সৈন্যবোৰে মূৰ দাঙি এই আচৰিত দৃশ্য ৰ' লাগি চাই আছিল।

সিহঁত ঘৰ পাওঁতে ফেডচিয়া ক্ৰেভ্‌চাক পজাৰ মুখত ঠিয় দি আছিল। তায়ো নিৰৱে—আৰু ব্যগ্ৰতাৰে—একেথৰে ৰামধনুখনলৈ চাই আছিল।

কাৰ্টে তাইৰ কাষেদি যাওঁতে ক'লে—“মানুহে কয় ৰামধনু এটা ভাল লক্ষণ।”

বুঢ়ীয়ে কান্ধ জোকাৰিলে।

তাই অদ্ভুত মাতেৰে উত্তৰ দিলে—“এৰা মানুহে ভাল বুলি কয়।” তাই কাষৰীয়া হৈ সিঁহতক যাবলৈ বাট এৰি দিলে। দুৱাৰৰ কাষতে তাই ঠিয় দি থাকিল। তাইৰ গাত এটা ব্লাউজ আৰু এখন কাপোৰ ; বাহুকিটা উদং। এই ভয়ানক জাৰৰ কথা তাই একেবাৰে পাহৰি গ'ল। তাতে তাই ঠিয় দি থাকিল। সেই উজ্জ্বল দৃশ্যটোৰ পৰা তাই চকু ঘূৰাব নোৱাৰিলে। ৰঙ্‌চঙীয়া ধেনুখন আকাশজুৰি আছিল। ৰামধনুৰ সাতোৰঙৰ খীণ পোহৰটো চৌপাশে বিয়পি পৰিছিল।

কুচিমুচি কাটিৰ বাহুত মূৰ গুজি পুচিয়াৰ গভীৰ টোপনি, তাই সৰু জন্তু এটাৰ দৰে হৈ পৰিছিল। তাইৰ উলাহৰ গতি ধীৰ। কাৰ্ট ওপৰলৈ মুখ কৰি টোপনিত ঘোৰঘোৰাই আছিল। ৰান্ধনী ঘৰৰ জুহালৰ সিপিনে থকা তক্তাখনত শুই শুই ফেডচিয়া ক্ৰেভচাকে সেই ঘোৰঘোৰণিকে শুনি আছিল। শব্দটোৱে তাইৰ অতিপাত খং তুলিছিল। তাই যেন এই ঘোৰঘোৰণিটোৰ বাবতহে শুব পৰা নাই। তাই একেথৰে খিৰিকীখনৰ পিনে চাই আছিল; বৰফৰ ডাঠ আৱৰণটোৰ ওপৰত জোনৰ পোহৰ বিয়পি পৰি চিকমিকাই উঠিছিল। কোঠাটোত এটা অদ্ভুত নীলা পোহৰ বিয়পি পৰিছিল আৰু মজিয়াৰ ওপৰত মেজ, বেঞ্চ আৰু বাৰ্ণিটটোৰ ভয়লগা ছাঁ কিছুমান পৰিছিল।

যাহওক, তথাপি ই ৰাতি। দিনৰ শেষ হ'ল। আকৌ এটা দিন পাৰ হৈ গল। এতিয়া আৰু অফিচাৰৰ হাঁহিৰ খেকৃখেকনি আৰু বিদ্ৰুপপূৰ্ণ মিচিকিয়া হাঁহিৰ ক্ষীণ শব্দ আহি তাইৰ কাণত নপৰেহি; এতিয়া আৰু গোটেই সন্ধিয়া জুৰি তাইৰ প্ৰতি নিক্ষেপ কৰা সেই প্ৰৱঞ্চক চাৱনিটো তাই নেদেখে। কথাটো খিতাতে নকৈ, পুচিয়াই তাইৰ সৈতে অলপ ধেমালি কৰিল বৰ মন কৰিছে যেন লাগিল। নাই, তাই একো কোৱা নাই।

তাই মাথোন ফেডচিয়ালৈ কেৰাহিকৈ চাই মিচিকিয়াই হাঁহি দেখুৱাব ; ফেডচিয়া যে তাইৰ হাতৰ মুঠিত আৰু যি কোনো মুহূৰ্ত্ততে তাইক আঘাত কৰিব পাৰিব, এই কথাই পুচিয়াক আনন্দ দিছিল। তাইৰ এই খন্তেকীয়া শক্তিয়ে তাইক আনন্দ দিছিল। এখন মাতৃ-হৃদয়ৰ প্ৰতি তাই এতিয়া যি ইচ্ছা তাকে কৰিব পাৰে; খালৰ বৰফৰ মাজত পৰিথকা তাইৰ পুতেককো তাই এতিয়া নিজৰ হাতৰ মুঠিত পাইছে। যি কোনো মুহূৰ্ত্ততে তাই তাক ঘৃণনীয় জাৰ্ম্মানবোৰৰ হাতত গতাই দিব পাৰে; যি কোনো মুহূৰ্ত্ততে তাৰ শেষ জিৰণিৰ ঠাইটুকুৰা চুৰমাৰ কৰি তাক লৈ ধেমালি কৰিবলৈ জাৰ্ম্মানবোৰৰ মাজত দলিয়াই দিব।

গোটেই সন্ধিয়া বুঢ়ীৰ মনটো গধুৰ লাগি আছিল। কিন্তু এতিয়া, অনিদ্ৰাত চটফটাই, খিৰিকীয়েদি খীণ নীলা পোহৰটো দেখি আৰু শোৱাকোঠাৰ পৰা অহা সেই স্পষ্ট ঘোৰঘোৰণিটো শুনি তাইৰ গোটেই অন্তৰখনত বিদ্ৰোহ জাগি উঠিল। কৰক সিহঁতে, যি কৰে! সিহঁতে তাৰ সকলো নিলে—তাৰ বুট, কোটটো, পায়জামাটো—সকলো নিলে। ইতিমধ্যে জাৰ্ম্মানৰ হাতে তাক এবাৰ স্পৰ্শ কৰিলে, তাক বৰফৰ মাজলৈ দলিয়াই দিলে আৰু সম্ভৱতঃ তাৰ জীৱিত অৱস্থাতে সেই অমানুষিক বৰফৰ মাজলৈ তাক পেলাই দিলে। জাৰ্ম্মানৰ গুলীয়ে ইতিমধ্যেই তাৰ তেজৰ নৈ বোৱালে। সি এতিয়া মৰিল, নিজৰ গাঁও ৰক্ষা কৰোতে সি ধ্বংস হ'ল। আৰু কেতিয়াও সেই ধোঁৱাবৰণীয়া চকুজোৰ মেল নেখায়, নাইবা তাৰ গুৱলা মাতে গান নেগায়—"মেলি দিয়া ধোঁৱা ভেকাহঁত......"সিহতে যদি তাক আকৌ অপমান কৰে, তাৰ মৃত দেহক ইতিকিং কৰে, তেনে কিটো নো হ'ব? সিহঁত

অধঃপাতে যাওক.........যিয়েই নহওক, মানুহে সদায় ৰঙীয়াল ভেচিয়া ক্ৰেভচাকৰ কথা সুঁৱৰিব ; গাঁৱৰ আন সকলোতকৈ সি ভাল গান গাইছিল। নৈৰ দাঁতিৰ যিটো খালত সদায় ঘোঁৰাক পানী খুৱাইছিল, আজি তাৰ পাৰতে—নিজ ঘৰৰ কাষতে সি পৰি আছে ; নিজ গাঁৱৰ কাৰণে, নিজ দেশৰ কাৰণে, মাতৃভাষাৰ কাৰণে আৰু নিজৰ মানুহৰ সুখ আৰু স্বাধীনতাৰ কাৰণে সি জীৱন বলি দিলে। মানুহৰ মানস পটৰ পৰা জাৰ্ম্মানৰ হাতে এই ছবি মুচিব নোৱাৰিব। সিহঁতে এই কথাও মনত ৰাখিব যে মৃত্যুৰ পিচতো সিহঁতে তাক শান্তি নিদিছিল, মৃত্যুৰ পিচতো তাৰ প্ৰাণহীন দেহক বিদ্ৰূপ কৰিছিল। কেৱল তাইৰ মাতৃ-হৃদয়তে এই কথা মনত নেথাকে। সদৌ ৰাইজৰে মনত থাকিব আৰু যিবিলাকে ইয়ালৈ আহি বৰ্ব্বৰ জাৰ্ম্মানবোৰক টালি-টোপোলা বন্ধাই ওভোতাই পঠাব সিহঁতেও মনত পেলাব। তাৰ প্ৰতিটোপা তেজৰ বাবত, বৰফত নাঙঠ হৈ পৰি থকা প্ৰতি মুহূৰ্ত্তৰ বাবত আৰু জাৰ্ম্মানৰ বুটৰ প্ৰতি পদাঘাতৰ বাবত, সিহঁতে শতগুণ বেচি ঋণ পৰিশোধ কৰিব লাগিব।

সোনকালে যেন ৰাতিপুৱায়, তাই তাকে বাঞ্ছা কৰিলে। তাক কব নোৱাৰিছে তাই! সেই এন্দুৰ পোৱালীটোৱে তাইৰ জোঙা দাঁতকেইটাৰ মাজেদি ফুচফুচাই তাক সোনকালে কৈ দিয়ক! আৰু তাইৰ ঘূৰ্ণীয়া ক'লা চকুজোৰে দেখক যে ফেডচিয়া ক্ৰেভচাক ভয়ত শেঁতা পৰি নেযায়, নেকান্দে বা তাইৰ ভৰিত দীঘল দি নপৰে। অথবা তাইৰ একমাত্ৰ অৱশিষ্ট সম্বল—ঠাণ্ডাই শিল যেন কৰা পুতেকৰ দেহাটো—যাতে সিহঁতে তাইৰ পৰা লৈ নেযায় তাৰ বাবে অনুৰোধো নকৰে। সেই ঘৃণনীয়া মানুহজনীয়ে তাইৰ এই আবিষ্কাৰৰ কথাটো লুকাই ৰাখি পুতলাৰ

লগত খেলাদি খেলিছে; এখন মাতৃহৃদয়ৰ ভয় আৰু যাতনাৰ সৈতে ধেমালি কৰিছে। কিন্তু ফেডচিয়াই তাইক ধেমালি কৰাব! সেই বিশ্বাসঘাতকজনীয়ে এটা ভুল কৰিছে— ফেডচিয়াক কন্দুৱাবলৈ বা অনুৰোধ কৰা চাবলৈ তাই দুৰাশা কৰিলে; পুচিয়াই আৰু গৌৰৱৰ মুখ দেখিবলৈ নেপায়।

ফেডচিয়াই হিয়াখন কঠোৰ হৈ উঠা যেন পালে; হিয়াৰ মাজেদি তেজৰ সোঁত ব'লে। আৰু তাই জানিলে যে কোনেও তাইক একো কৰিব নোৱাৰে; ঘৃণাৰ অভেদ্য বৰ্ম্মই সকলো আঘাতৰ পৰা তাইক ৰক্ষা কৰিব।

মাজে মাজে খিৰিকীৰ পৰা নীলা পোহৰটোত এটা ছাঁ পৰে। ই হৈছে ঘৰৰ সমুখত ঘূৰি ফুৰা চন্তৰীটোৰ ছাঁ। তাৰ গচকত ভগা বৰফবোৰ মৰমৰাই উঠিছিল আৰু সি ঠেৰেঙা লগা ভৰিকিটা তপত কৰিবৰ মনেৰে বৃথা চেষ্টা কৰি গোৰোহনি মাৰি ফুৰা শুনা গৈছিল। তাই নিজে নিজে হাঁহিলে। পৰ দে বোপাই! গৰাকীৰ টোপানিত ৰখীয়া থাক; খেতিয়কৰ পৰা চুৰ কৰি অনা নিহালীৰ তলত, খেতিয়কৰ পৰা লুটি অনা শেতে- লিত তাৰ ৰক্ষিতাৰ সৈতে সি গভীৰ টোপনিত লালকাল…… তই তাক পহৰা দিব নোৱাৰ! তাক ৰক্ষা কৰিব নোৱাৰ! ইয়াতকৈ শতগুণে বেচি গোৰোহনি মাৰিলেও নোৱাৰ। ভৰি ঠেৰেঙা দিলেও নোৱাৰ; ঘৰৰ মুখত অগাপিচাকৈ লৰি লৰি পৰি গ'লেও নোৱাৰ……… সেই নিশা আহিবই। সেইদিনা তই এই গভীৰ টোপনিৰ পৰা তাক জগাই দি শুদা ভৰিৰে আৰু শুদা খঁৰা-পায়জামাটোৰে বৰফৰ মাজলৈ লৰ ধৰিব লাগিব। সেই নিশা আহিব, যিদিনা কবৰ নিদিয়াকৈ বৰফৰ মাজত পৰি থকা মানুহবোৰক তইঁতে হিংসাৰ চকুৰে চাবি; এমাহলৈ কাঁচী

কাঠত ওলমি থকা লেভনিয়াকক তহঁতে সেইদিনা হিংসা কৰিবি। এৰা, সেই নিশা নিশ্চয় আহিব, যিদিনা কাৰ্টৰ ৰক্ষিতাই অ'লেনা কষ্টিয়াকৰ ভাগ্যক হিংসা কৰিব।

আকৌ সেই শেলে বিন্ধা প্ৰশ্নটো মনৰ মাজত উদয় হ'ল ঃ—কোনে বাৰু তাইক কৈ দিলে ? অ'লেনাই মনে মনে আহি তাইৰ নিজৰ ঘৰলৈ গৈছিল। মুঠতে, জাৰ্মানবোৰে কেতিয়াও গাঁৱৰ সকলো তিৰোতাৰ সংখ্যা লেখা নাছিল ; আৰু লেখিবলৈ সময়ো নাছিল। অ'লেনা ঘৰত মনে মনে বহি আছিল। তাই ক'লৈকো ওলাই যোৱা নাছিল। কিন্তু তথাপিও দুদিন নৌ যাওঁতেই সিহঁতে আহি তাইক চোঁচোৰাই লৈ গ'ল আৰু প্ৰশ্ন সুধিবলৈ লাগিল। কেনে তাইক ধৰাই দিলে ? কেনে তাইৰ কথাটো কৈ দিলে ? ভেচিয়াৰ বিষয়েও কোনে পেলেজিয়াক ক'লে ? ক'ৰবাত এটা শত্ৰু লুকাই আছে ; ইমান ভালকৈ লুকাই আছে যে গাঁৱৰ কোনেও তাৰ বিষয়ে একো নেজানে আৰু আনকি সিনো কোন হব পাৰে তাকো অনুমান কৰিব নোৱাৰে। কোনোবা এটা শত্ৰুৱে সকলো দেখে, সকলো জানে আৰু সকলো কথা কৈ দিয়ে। ভেচিয়া, অ'লেনা আৰু আন সকলোকে চিনি পোৱা কোনোবা স্থানীয় মানুহ। কোন হব পাৰে বাৰু ?

অ'লেনা গাঁৱলৈ উভতি অহা মাত্ৰেই ফেডচিয়াই নিজে সেই কথা গম পাইছিল। আনেও জানিছিল ; কিন্তু সিহঁত তাইৰ নিজৰ মানুহ, তাইৰ লগৰ গাঁৱলীয়া মানুহ। সিহঁত তাইৰ সৈতে একেলগে পথাৰত কাম কৰা খেতিয়ক আৰু বাতিয়ে দিনে এনে ভয়ানক বৰফৰ মাজত সিহঁতৰ বিশাল স্বদেশৰ সমুদায় ৰণক্ষেত্ৰ ঘূৰি যুজকৰা সৈন্যবোৰৰ সিহঁতেই আৰু-

বাপেক। এই সাপটো কোন? কোন ফেঁটী সাপে স্বদেশৰ গাখীৰ খাই এতিয়া তাকেই খোঁট মাৰিলে?

তাই দূৰত মাত এটা শুনিলে। বতাহৰ কোনো শব্দ নাই; বৰফে ঢকা নিশাটো কঁাহ পৰি ক্ষীণ যোৱা। অতি সৰু মাতটোও স্পষ্টভাৱে ডাঙৰকৈ বাজি উঠে। মানুহৰ মাত আৰু কাৰোবাৰ কান্দোন শুনা যায়। ফেডচিয়া জাপ মাৰি উঠি খিৰিকীৰ কাষ পালেগৈ; তাই আচুৰি আচুৰি এটুকুৰা ডাঠ বৰফ এৰুৱাই পেলালে। এৰাই যোৱা বৰফবোৰ হিমানীৰ দৰে সিঁচৰিত হৈ পৰিল। খিৰিকীৰ আয়নাখনত উশাহ এৰি দিয়াত বৰফ গলি গ'ল; এটা সৰু, ঘূৰণীয়া ফুটা হৈ পৰিল। তাৰ মাজেদি বাটত কি হৈছে দেখা যায়। আকৌ বৰফ গোট মাৰি আয়নাখন ঢাকি ধৰিলে। সেইদেখি ভালকৈ দেখা পাবৰ কাৰণে তাই একেৰাহে উশাহ লৈ থাকিব লগাত পৰিল আৰু কমালৰ আগেৰে মোহাৰি থাকিল। গাঁৱৰ চভিয়েট বহা ঘৰটো আৰু চাৰিকোণীয়া ঠাইডোখৰলৈকে তাই বাটটোৰ এচোৱা দেখা পালে। ঘৰটোৰ সিপাৰে ডাঙৰ চালি এখনৰ এন্ধাৰ ছাঁটো দেখা গৈছিল।

দিনৰ দৰে পোহৰ হৈছিল। জোনৰ পোহৰে গোটেই জগতখনক এটা নীলা বৰফৰ স্তূপত পৰিণত কৰিলে। ফেডচিয়াই স্পষ্ট দেখিলেঃ মুকলিডোখৰৰ পৰা অহা বাটেদি এজনী নাওঠা তিৰোতাই লৰি গৈছিল। নহয়, তাই লৰি যোৱা নাই। —আগলৈ হালি গৈ, থৰকৃবৰক কৰি, ইটোৰ পিচত সিটো খোজ পেলাই তাই গৈছিল। জোনৰ পোহৰত তাইৰ প্ৰকাণ্ড পেটটো ভালকৈ দেখা গৈছিল। তাইৰ পিচত এটা সৈন্য। ৰাইফলৰ আগত এখন সঙ্গীন চিকমিকাই উঠিছিল। [illegible]

বাবে মানুহজনী ৰ'লেই সঙ্গীনেৰে তাইৰ পিঠিত খুচি দিছিল। সৈন্যটোৱে কিবা এটা চিঞৰ মাৰি ক'লে, তাৰ লগৰীয়া দুটাই চিঞৰিলে আৰু সেই গৰ্ভৱতী মানুহজনীয়ে আকৌ ল'ৰিবলৈ চেষ্টা কৰি জুৰুলা হৈ লুটি খাই পৰিল। ৫০ গজ আগবাঢ়িব— আৰু তাৰ পিচত সৈন্যটোৱে তাৰ বন্দীক আকৌ ওভোতাই আনিব। আকৌ পঞ্চাচ গজ পিচলৈ—বাৰে বাৰে তাকে কৰিব। শাস্তি দিয়া মানুহকিটাই কিৰিলি পাৰি হাঁহিছিল; সিহঁতৰ বৰ্ব্বৰ হাঁহিৰ শব্দ ঘৰৰ ভিতৰ পাইছিলহি।

চাই চাই ফেডচিয়াই আঙুলিকিটাৰে খিৰিকীৰ কাঠত খামুচি ধৰিলে। তেনেহলে, আজি নিশা এপিনে কেপ্তেইনে তাৰ ৰক্ষিতাৰ সৈতে টোপনিত ঘোট্‌ঘোটাই আছে আৰু সিপিনে এই ঘটনা চলিব লাগিছে! সৈন্যবোৰে তাৰ নিৰ্দ্দেশ আখৰে আখৰে পালন কৰিছে আৰু সি নিশ্চিন্ত হৈ শুই আছে।

তায়েই অ'লেনা কষ্টিয়াক। বহুত দিনৰ আগতে এবাৰ জমিদাৰৰ পথাৰত সিহঁত দুয়ো একেলগে কাম কৰিছিল। চকিদাৰৰ বেতৰ সমুখত সিহঁত দুয়ো কঁপিবলৈ ধৰিছিল; তাক অহা দেখিলেই সিহঁতৰ কঁপনি ধৰিছিল। সিহঁত দুয়োৱে নিজৰ দুৰ্ভাগ্যৰ কথা কৈ—মানে, পামত কাম কৰা ছোৱালীৰ অন্ধকাৰ আৰু আশাহীন ভাগ্যৰ কথা কৈ—কান্দিছিল।

তাৰ পিচত সিহঁতে 'সমূহীয়া পামত' কাম কৰে; পামৰ ঘেঁহুবোৰ গজি উঠা চাই আৰু পামৰ গৰুবোৰৰ গাখীৰৰ পৰিমাণ ক্ৰমে বাঢ়ি যোৱা দেখি সিহঁতে ৰং পাইছিল। সিহঁতৰ জীৱনটোৱেই মধুময় হৈ ক্ৰমে উজ্জ্বল আৰু সুখী হৈ পৰিছিল।

কিন্তু শেহত অ'লেনাক এই দশাই লগ ল'লেহি। প্ৰসৱলৈ

আৰু দুদিন বা এদিন বাকী ; ইপিনে তাই আজি নাঙঠ হৈ শুদা ভৰিৰে বৰফৰ মাজত ৫০ খোজ আগলৈ আৰু ৫০ খোজ পিচলৈ অহা যোৱা কৰি আছে। লগতে সৈন্যবোৰৰ লম্পট খিকিন্দালি আৰু তাইৰ পিঠিত সঙ্গীনৰ খোঁচ।

ফেডচিয়াৰ চকু শুকান. তাই কন্দাও নাছিল। তাইৰ বুকুৰ তেজ উতলি ডাঠ আৰু ক'লা হৈ গৈছিল। এয়ে হ'ব লগা আছিল। সিহত ইয়াত থকালৈকে এনে ঘটনা নহৈ নেথাকে। সিহঁতৰ সক্ষমতা দেখুৱাবলৈ সিহঁত যেন দৃঢ় প্ৰতিজ্ঞ। সিহঁতৰ নিষ্ঠুৰতাৰ যে কোনো সীমা নাই তাকে দেখুৱাবলৈকে যেন সিহঁতে বিচাৰিছিল। অ'লেনাৰ পিনে তাই চালে ; কিন্তু তাইৰ হিয়াত সহানুভূতিৰ উদ্বেগ বোৱা নাছিল। নাই , তাইৰ হিয়াত দয়াৰ ঠাই নাছিল। শুদা ভৰিৰে আৰু নাঙঠা হৈ বৰফৰ মাজলৈ, সৈন্যবোৰৰ উপলুঙালিৰ মাজলৈ ফেডচিয়াই নিজকহে যেন এৰি দিছিল ; চেঁচা বৰফে যেন তাইৰ ভৰিহে ছিটা-ছিট কৰিছিল আৰু সঙ্গীনৰ খোঁচ যেন তাইৰ পিঠিতহে পৰিছিল। কেৱল অ'লেনা কষ্টিয়াকেই নহয়, সদৌ গাঁৱেই সেই বৰফৰ মাজত লৰি ফুৰিছিল, সৈন্যবোৰৰ হাঁহিয়ে সিহঁতক খেদি ফুৰিছিল। আজি, অ'লেনা কষ্টিয়াকেই নহয়, গোটেই গাঁৱেই বৰফত উবুৰি খাই পৰিছে আৰু ৰাইফলৰ কুন্দাৰ খুন্দাত আকৌ কষ্টেৰে উঠিছে। নিষ্ঠুৰ বৰফৰ ওপৰেদি অলেনা কষ্টিয়াকৰ ভৰিৰ তেজ বৈ যোৱা নাই ; জাৰ্ম্মানৰ ঘোঁচাত, জাৰ্ম্মানৰ লোহাৰ গোৰোৱাৰ তলত, জাৰ্ম্মান-দস্যুৰ শাসনৰ তলত গোটেই গাঁৱৰে ৰক্তপাত হৈছিল। আয়নাৰ ফুটাৰ মাজেদি ফেডচিয়াই একেথৰে কঠোৰভাৱে চাই থাকিল। এৰা, এয়ে হব লগা আছিল। সঙ্গীন আৰু সশস্ত্ৰ মুঠিৰে জাৰ্ম্মান সৈনিকে

খেতিয়কবিলাকক জাৰ্ম্মানৰ আত্ম-পৰিচয়ৰ শিক্ষা দিছে। কিন্তু সি নেজানিলে—আনকি সন্দেহো নকৰিলে—যে তাৰ এই শিক্ষাই মানুহক চভিয়েট শক্তিৰহে পৰিচয় দিছে। জাৰ্ম্মানৰ এদিনীয়া শাসনেও চকুলো আৰু তেজৰ ঢল বোৱাই গাৱত সিহঁতৰ চিন ৰাখি গ'ল; কিন্তু জাৰ্ম্মানে নেজানিলে যে সেই সামান্য চিনে কোনোকালে, কোনো পুৰুষত চভিয়েট শাসনলৈ মমতা নথকা অতৃপ্ত আৰু অলস মানুহ কিছুমানৰ সৃষ্টি নকৰে। ফেডচিয়াই গাঁৱৰ তিৰোতাবোৰৰ লগত বহুত নতুন আৰু পুৰণি কথা তৰ্ক কৰিছিল, তাইৰ এইবোৰ মনত পৰিল। এতিয়া সিহঁতে সেইবোৰৰ সমিধান পালে নিজ জীৱনৰ অভিজ্ঞতাৰ পৰা। জীৱনৰ পৰা সিহঁতে শিক্ষা পালে; সিহঁতক এটা অতি ভয়ানক অভিজ্ঞতাৰ শিকনি দিলে।

অ'লেনা আকৌ পৰিল, আকৌ উঠিল। ক'ৰ পৰা তাই শক্তি পালে? ফেডচিয়াই বুজিলে। তাই অনুভৱ কৰিব পাৰিছিল যে অ'লেনাৰ অ'ন্তৰতো ঘৃণাৰ, তেজ উতলি আছিল। সেয়ে তাইক শক্তি দিছিল।

প্ৰত্যেক ঘৰৰ বৰফ লগা খিৰিকীৰ আঁৰত মানুহ ঠিয় হৈছিলহি আৰু সিহঁতৰ উশাহৰ তাপত বৰফ গলি কিছুমান ফুটা মুকলি হৈ পৰিছিল। সেইবোৰৰ মাজেদি সকলোৱে জুমি চাইছিল। অ'লেনাৰ মতে সিহঁতো যেন বৰফৰ ওপৰেদি গৈছিল; তাই পৰোতে সিহঁতো পৰিছিল আৰু তাইৰ লগতে উঠিছিল। সিহঁতেও সঙ্গীনৰ খোঁচা অনুভৱ কৰিছিল আৰু সেই হৃদয়বিদাৰক, বৰ্ব্বৰ হাঁহিৰ শব্দ শুনিছিল।

অ'লেনায়ো অনুভৱ কৰিছিল যে তাইৰ ওপৰত গোটেই

গাঁৱৰে চকু পৰিছিল। এইখনেই তাইৰ গাঁও ; ইয়াতে তাই উৎকট পৰিশ্ৰম আৰু অভাৱৰ মাজত ডাঙৰ-দীঘল হ'ল, ইয়াতে থাকি সুখৰ দিন অহা দেখিলে, ইয়াতে সুখৰ সোনালী ভৱিষ্যত গঢ়ি তোলাত নিজ হাতেৰে সহায় কৰিলে। ভৰিয়েদি তেজ বৈ গৈছিল ; বৰফৰ জোঙা আগবোৰে তাইৰ ভৰি কাটি ছিৰাছিৰ কৰিলে। বিষত গা দেইপুৰি গৈছিল। কাণ দুখন টিংটিঙাই আছিল। তাই আকৌ লুটি খাই পৰিল। তাই আৰু ৰাইফলৰ কুন্দাৰ খুন্দা অনুভৱ কৰিব নোৱাৰা হ'ল। তাই যে কেৱল সিহঁতৰ মাৰ খায়েই ঠিয় হৈছিল, এনে নহয়। সৈন্যবোৰৰ বুটৰ গচক খাই তাই কেতিয়াও বাটত পৰি নেথাকে আৰু তাই থাকিবও নোৱাৰে। সি যে তাইক, চিকাৰী কুকুৰে খেদি হায়ৰাণ কৰা শহাৰ দৰে, শাস্তি দিছিল এই কথা জানিবলৈ দি শত্ৰুক তৃপ্তি লভিবলৈ তাই দিব নোৱাৰে আৰু নিদিয়েও। সঁচাকৈ কবলৈ গ'লে তাই তেতিয়া একো অনুভৱ কৰিব নোৱাৰা হৈছিল। গাৰ পৰা তেজৰ নৈ বৈ গৈছিল। মাজে মাজে লুটি খাই পৰে আৰু পিচত আকৌ নিজৰ দেহটো বৰফৰ মাজেদি কোনোমতে টানি নিয়ে। অ'লেনা নিজে যেন সেই শৰীৰটোৰ পৰা বাহিৰতহে আছিল। ভ্ৰমৰ দৰে তাই কেৱল বাটটো আৰু সৈন্যবোৰহে দেখিছিল। কান দুখন টিংটিঙাই, ভুনভুনাই আছিল। কাৰ্লিয়ে যেন তাইক উলাহেৰে মাতিছিল—"আই।" বতাহৰ জোকাৰ খাই গছৰদালবোৰ সোসোৰাই আছিল ; তম্বুৰ বাঁহবোৰ কেৰকেৰাই উঠিছিল। তাই দেখিলে :—লেলিহান জিভা মেলি জুইৰ শিখাবোৰে দপদপাই দলঙৰ খুটাবোৰ আগুৰি ধৰিলে আৰু লাহে লাহে দলংখন ছাটি ধৰিলে। মিক'লা যুদ্ধলৈ গ'ল গৈ ; যাওঁতে বাটৰ মেৰটোৰ ওচৰৰ পৰা হাতখন জোকাৰি

বিদায় লৈছিল। অলেনা পৰিল। কোনোমতে দুয়ো হাতত ভৰ দি তাই আকৌ উঠিল।

“এতিয়া বেগাই ব’ল।”—তাইৰ পিচে পিচে যোৱা সৈন্যটোৱে চিঞৰি ক’লে।

এটাই বুধি দিলে—“ঠিক তাইৰ পেটতে একোব দে।” প্ৰথমটোৱে ভেঙুচালি কৰি ক’লে—“সময় নহওঁতেই ল’ৰা উপজিব।” তাইক সঙ্গীনেৰে খোঁচ মাৰি দি আকৌ ক’লে “তাই এতিয়াও একো কোবা নাই। তাইক কথা কোৱাবই লাগিব।”

“কোনো ভয় নাই। কেপ্তেইনে জানিবলগীয়া সকলো কথা তাইৰ নাড়ীভুৰুৰে সৈতে উলিয়াইহে এৰিব।”

“মই তাইক কোৱাইহে এৰিম! হেই, আগবাঢ়!”—এই বুলি প্ৰথমটোৱে চিঞৰি ক’লে।

সঙ্গীনৰ আগটো তললৈ নামি আহিল। মানুহজনীৰ পিঠিয়েদি তেজৰ খীণ সোঁতা এটা বৈ গ’ল!

“বেগাই ব’ল। ক’লৈ আহিছ বুলি ভাবিছ? ডেকা লৰাৰ সৈতে গা ঘেলইছ বুলি ভাবিছ নেকি?”

সিহঁতে কোৱা এটা কথাও মানুহজনীয়ে বুজিছিল নে নাই তালৈ সিহঁতৰ কাণসাৰ নাছিল। সিহঁতে শাওশপনি দি, হুটা মাতেৰে চিঞৰবাখৰ লগায়েই ভাল পাইছিল। ভাগৰত সিহঁতৰ খং উঠি গৈছিল। ক্ৰমে বেছিকৈ বৰফ পৰিবলৈ ধৰিলে কিন্তু এই আপদীয়া মানুহজনীৰ বাবতে সিহঁতে শান্তিৰে শুই নেথাকি জাৰত ঠেৰেঙা দিব লগীয়া হৈছিল। সিহঁতে তাইক সেইবাবে এশিকনি দিবলৈ মন কৰিলে; সিহঁতৰ ক্লান্তি আৰু নিদ্ৰাহীন নিশাৰ বাবে তাইক প্ৰতিশোধ দিবলৈ সিহঁতে বিচাৰিছিল।

সেইদিনা অতিপাত বৰফ পৰিছিল ; বৰফ যেন একেবাৰে জোনৰ কাষ পাইছিল গৈ আৰু জোনটোকো যেন গোট মাৰি পেলাইছিল। ৰূপালী পোহৰত ৰামধনুৰ ৰং মাৰ গৈছিল। কথামপি মনিব পৰা ৰং এশাৰীহে আকাশৰ আঁৰে আঁৰে দেখা গৈছিল। কিন্তু জোনৰ দুয়োকাষে দুশাৰী উজ্জ্বল পোহৰ আছিল আৰু দিগন্তৰ পৰা উঠি জোনৰ গোলোকটোৰ দুয়োকাষে এটা সুসজ্জিত টুপৰ দৰে ওপৰলৈ উঠি গৈছিল। দূৰণিৰ আকাশৰ পৰা আহি পৃথিবীৰ সীমাত মাৰ গৈছিল ; ৰূপালী বৰফবোৰ জিলিকি উঠিছিল।

সিহঁতে ঢেটু ফালি চিঞৰ লগাইছিল—"এই কুলক্ষণীয়া ব'ল।" সিহঁতৰ যে চিঞৰিবৰ মন গৈছিল, এনে নহয়। ৰাতিটোলৈ সিহঁতৰ ভয় লাগিছিল ; এটা আশঙ্কাই ছাটি ধৰিছিল। বুকু কঁপাই তোলা ভয় শাম কটাবলৈ আৰু এক অজাত ৰহস্যৰ আৱৰণৰ পৰা হাত সাৰিবলৈ সিহঁতে চিঞৰ-বাখৰ লগাইছিল ; এই ভয়াবহ নিশাৰ সময়কণলৈ চিঞৰবাখৰৰ মাজেদি এটা স্বাভাৱিকতা আনিবৰ চেষ্টা কৰিছিল। তেতিয়া দিনৰ দৰে পোহৰ। চকুচকীয়া জোনৰ পোহৰটো কেওপিনে বিয়পি পৰিছিল সিহঁতে কেতিয়াও নেদেখা শাৰী শাৰী ৰং টিমিকঢামাককৈ জ্বলি উঠিছিল। জোনৰ পোহৰত নীলা বৰফবোৰ তিৰবিৰাই উঠিছিল।

সিহঁতৰ গচকত পৰি বৰফবোৰ মৰমৰাই ভাগিছিল ; এনে তুষাৰৰ সিহঁতৰ এয়ে প্ৰথম অভিজ্ঞতা ! আনকি সপোনতো সিহঁতে ইয়াৰ অস্তিত্ব অনুভৱ কৰা নাছিল। বাটৰ কাষৰ ঘৰবোৰ এন্ধাৰ আৰু নিৱৰ। ক'তো জনপ্ৰাণী এটা দেখিবলৈ নাই, কেৱল বাটৰ পিনে মুখ কৰি থকা পঁজাবোৰহে চকুত

পৰে। থিৰিকীবোৰত বৰফ গোট মাৰি জীৱিত প্ৰাণীৰ চকুৰ নিচিনা হৈছিল। চুম্বকৰ আকৰ্ষণৰ দৰে চকু যায় কেৱল ঘৰ-বোৰৰ এন্ধাৰ ছাঁবোৰৰ মাজলৈ। জোন নোলালে এন্ধাৰ নিশা জাৰ্ম্মানবোৰে সমূলি ওলাবলৈকে সাহ নকৰে। সিহঁতে জানে যে প্ৰত্যেক চুকত, প্ৰত্যেক জোপোহাৰ আঁৰত সিহঁতৰ কাৰণে মৃত্যুৱে অপেক্ষা কৰিছে। সেই মৃত্যু বজ্ৰপাতৰ দৰে বেগী ইমান বেগী যে সিহঁতক চকুৰ পচাৰ সলাবলৈকো সময় নিদিয়ে। আজি এই চকু চাঁত মৰা পোহৰত লুকাবলৈ বা বগুৱা বাই আহিবলৈ অসুবিধা; তথাপি ভয়ত সিহঁতৰ অন্তৰ চেঁচা পৰি গৈছিল। হঠাৎ সিহঁতে কেওপিনে চালে, চালিৰ ছাঁটোত কিবা আছে বুলি জুপিবলৈ ধৰিলে আৰু তাৰ পিচত মনলৈ সাহস চপাবৰ মনেৰে চিঞৰিবলৈ ধৰিলে। বৰফে সিহঁতৰ গালত বিন্ধে, ওঁঠত বৰফৰ আৱৰণ বহে; সিহঁতে লৰালৰিকৈ, বিতত ভাৱে, কাণ মোহাৰে, বৰফত গোৰোহনি মাৰি ফুৰে আৰু সেই গাঁৱৰ বাটটোত উলঙ্গ মানুহজনীক এইদৰে— এবাৰ আগলৈ, এবাৰ পিচলৈ—টানি লৈ ফুৰে।

শেহত সিহঁতৰ এই আমোদ আমনি লাগিল। বাৰে বাৰে একেটা কথাই। অ'লেনা বেচিকৈ পৰিবলৈ ধৰিলে, উঠিবলৈ বেচি সময় লগা হ'ল। কিন্তু তথাপি তাই নেকান্দিলে, নিচিঞৰিলে বা কেপ্তেইনৰ আগত সৈ কাঢ়িবৰ কোনো ইচ্ছা প্ৰকাশ নকৰিলে। ইপিনে লগে লগে বৰফৰ প্ৰকোপ চৰি গ'ল। এতিয়া সিহঁতৰ গোটেই শৰীৰ বৰফে নিকৰুণ ভাৱে বিন্ধিবলৈ ধৰিলে। উশাহ নিৰোধ হবৰ উপক্ৰম হ'ল। সিহঁতৰ চকুপানী ওলাবলৈ ধৰিলে; আৰু গাৰ ইমান কঁপনি উঠিল যে তাক আৰু সিহঁতে বন্ধ কৰিব নোৱাৰা হ'ল।

"ব'ল এতিয়া, গৈ থাক। বেগাই ঘৰলৈ ব'ল।"

বনৰীয়া জন্তু খেদি নিয়া দি সিহঁতে তাইক, চিঞৰিবাখৰি টিট্কাৰি দি, চালিৰ ভিতৰলৈ লৈ গ'ল। চালিৰ তলত তাই উবুৰি খাই পৰিল; তললৈ মুখ কৰি তাই মাটিত শুই পৰিল আৰু তাইৰ হাতদুখনে আপোনাআপুনি ফুলি যোৱা পেটটো আৱৰি ধৰিলে। মূৰ কামুৰিছিল, ইপিনে বুকুৰ মাজত ভয়ানক বিষ। মুহূৰ্ত্তৰ ভিতৰতে বৰফৰ নিৰ্ম্মম গ্ৰাসে তাইক চেপি ধৰিলে। অলপ আগলৈকে তাই পিঠিৰ ঘাবোৰৰ বিষয়ে কোনো অনুভৱ কৰিব পৰা নাছিল; এতিয়া কিন্তু অসহ্য পোৰণি উঠিল। অমানুষিক চেষ্টাৰ ফলত তাই উঠি বহিল আৰু ঠেৰেঙা লগা আঙুলিকিটাৰে জধেমধে তাইৰ কান্ধ, ভৰি আৰু তপিনাটো মোহাৰিবলৈ ধৰিলে। জোনৰ মিহি ৰশ্মিবোৰ বেৰৰ জলঙাইদি সৰকি মজিয়াত পৰিলহি। চালিৰ চুকত এমুঠা খেৰ পৰি আছিল। তাই চুঁচৰি সেইখিনি পালেগৈ আৰু বাগৰি পৰিল; খেৰবোৰ খুচৰি তাৰ মাজলৈ সোমাই যাবলৈ চেষ্টা কৰিলে।

তাই নিজে নিজে ক'লে—"মই জাৰত গোট মাৰিম।" এইদৰে ভাবি তাই যেন অলপ সকাহ পালে।

কেপ্তেইনৰ কোঠাৰ বেঞ্চতে তাইৰ ছাগলী-চালৰ কোটটো আৰু শ্বালখন থাকিল। ইপিনে ৰাতি সৈন্যবোৰে তাইক বাহিৰলৈ খেদি নিয়াৰ আগতে গাৰ কানিকাপোৰ সকলো সোলোকাই থ'লে; আনকি চোলাটোও বাকী নথ'লে।

তাইৰ মনত খেলালে—"যদি সিহঁতে পাহৰি এই চালিৰ তলতে সকলোবোৰ এৰি গ'লহেঁতেন!" তাই কেওপিনে চালে।

নাই, তাত একো নাই। কেবল মজিয়াখন আৰু খন্তেকৰ আশ্রয়-দাতা এই দুৰ্ভগীয়া খেৰমুঠি।

বাহিৰত সকলো নিৰৱ। তাইক পহৰা দিয়াৰ কোনো আৱশ্যক নকৰে বুলি সৈন্যবোৰে ভাবিলে। সেইকাৰণে দুৱাৰত তলা মাৰি সিহঁত গুচি গ'ল। তাইৰ গোটেই গা পুৰিবলৈ ধৰিলে; যেন গাত জুইহে লাগিছে। তাই শুবও নোৱাৰিলে, শুবলৈ ভয় লাগিছিল। চকুকিটা বৰকৈ মেলি তাই মাথোন, মজিয়াত লাহে লাহে বিয়পি পৰা, জোনৰ ৰশ্মিবোৰ চাবলৈ ধৰিলে।

হঠাৎ খচ্‌খচনি এটা শুনিলে। মনযোগ দি শুনিবলৈ ধৰিলে। বৰফবোৰ মৰ্‌মৰাই ভাগিল; কিন্তু এইখোজবোৰ চন্তৰীটোৰ খোজ যেন নেলাগিলে। কোনোবাই লাহে লাহে, খুব সাবধানেৰে, বৰফৰ ওপৰেদি খোজ কাঢ়ি গৈছিল। অলপমান বৰফ ভঙা শব্দ হয়; আকৌ নিৰৱ; আকৌ আহিব মনেমনে বৰফ ভঙা শব্দটো! কোনোবাই লাহে লাহে খোজ পেলাই লুকাই আহিছিল। অ'লেনাৰ ভয় লাগিল। কি এইটো? কোন হব পাৰে বাৰু?

খোজৰ শব্দ নোহোৱা হ'ল। কিজানি ই তাইৰ কল্পনা, এটা সপোনহে! আকৌ বৰফ ভগা মাত শুনা গ'ল। নাই, কোনো সন্দেহ নাই; নিশ্চয় কোনোবা আহিছে। কিহবাৰ প্ৰতীক্ষাত তাই বহিল। খোজ ওচৰ পালেহি; এতিয়া চালিৰ পিচপিনৰ পৰা শব্দটো আহিল। এতিয়া বাৰু ই কোন বাটে ঘূৰিব? ক'তা নুঘূৰিলে দেখোন। শব্দ ধীৰহৈ আহিল; খুব সাবধানে আহি ই ঠিক বেৰৰ কাষত ৰ'লহি। অ'লেনা লৰচৰ নোহোৱাকৈ বহি থাকিল। বেৰৰ সিকাষে কোনোবা

ঠিয় হৈ আছিল। সি উশাহ লোৱাও তাই শুনিছিল। কাঠত মুখ দি জলঙাইদি জুমি চাইছিল।

তাই বৈ থাকিল। কোন বাৰু ? বন্ধু, শত্রু নে কোনোবা বাটৰুৱা ? কিন্তু বাটৰুৱা হব কেনেকৈ ? সন্ধিয়াৰ পিচত ওলাই গ'লেই গাঁৱৰ মানুহৰ শাস্তি—প্ৰাণদণ্ড !

"খুৰীদেউ !"—ফুচফুচাই সৰু ল'ৰা এটাই তাইক মাতিলে। অ'লেনা লৰচৰ নহল। তাই উত্তৰ দিব খুজিছিল ; কিন্তু তাৰ বিনিময়ত তাইৰ হিয়াৰ পৰা এটা শুকান, আধাঢেপা কেঁকনি ওলাল। "অ'লেনা খুৰীদেউ !"

চুবুৰীয়াৰ কোনোবা ল'ৰাই বগুৱা বাই বেৰৰ কাষ পাইছিলহি আৰু তাইক মাতিছিল। তাই কেঁকালে।

"অ'লেনা খুৰী, মই তোমালৈ অলপ ৰুটি আনিছোঁ।"

ৰুটি ! দুদিন জুৰি তাইৰ মুখত একো পৰা নাই। ৰুটিও নাই, পানীও নাই। তাইৰ সিমান ভোক লগা নাছিল, কিন্তু পিয়াহত তাই বৰ শাস্তি পাইছিল। ৰাতিবোৰে তাইক প্ৰশ্ন সোধোতে আৰু পিচত চালিৰ তলত পৰি থাকোতে তাইৰ খুব পিয়াহ লাগিছিল। সিহঁতে বাটেদি খেদি নিওঁতে তাই কেইমুঠিমান বৰফ খামুচি লৈ মুখত দিছিল। বৰফকণে তাইক জোৰ দিছিল, তাইৰ শুকান মুখলৈ সজীৱতা আনিছিল। এই কথা সৈন্যবোৰৰ চকুত পৰিছিল আৰু সেইবাবে সিহঁতে তাইৰ ওপৰত ভালকৈ চকু দিবলৈ ধৰিলে। ফলত পিচলৈ তাই মাটিত পৰি যাওঁতেহে ওঁঠেৰে কামুৰি মুখলৈ বৰফ সুমাইছিল। তাইৰ যে ভোক লাগিছিল, এইটো তাই এতিয়াহে গম পালে। পেটত ভয়ানক বিষ, বৰকৈ পেটটো পকাবলৈ ধৰিল।

তাইৰ আৰু ল'ৰাটোৰ মাজৰ ব্যৱধানটুকুৰা এবাৰ অনুমান কৰি তাই মনলৈ শক্তি চপাই ল'লে। "গৈছোঁ।" বুলি তাই ফুচফুচাই ক'লে আৰু কিলাকুটিত ভৰ দি মাটিয়েদি চুঁচৰি যাবলৈ ধৰিলে; এতিয়াহে তাই গম পালে যে তাই আৰু উঠিব নোৱাৰে, নিজে নিজে ঠিয় হব নোৱাৰে। পিঠি আৰু তলপেট বিষত চিগি যোৱা যেন হৈছিল; ভৰি দুটা ইমান বিষাইছিল যেন কাঠৰ শলখাহে কোনোবাই মাৰি দিলে।

তাই এখোজ বগাই গ'ল; আৰু এখোজ গ'ল—ঠিক এনে সময়তে কান তালমৰা ভয়ানক বিস্ফোৰণ এটাই নিৰৱতা ভঙ্গ কৰিলে আৰু তাৰ পিচতে শুনা গ'ল, এটা চিঞৰ। তাই দীঘল দি পৰিল। খন্তেক পিচতহে তাই বুজিলে এইটো বন্দুকৰ গুলীৰ শব্দ; খুব কাষত হোৱা শব্দ। তাই তাতে পেপুৱা লাগিল; একেথৰে সমুখৰ ক'লা বেৰখনলৈ চাবলৈ ধৰিলে; এই বেৰখনৰ সিফালেই কিবা এটা ঘটিলে। তাই কেৱল বাহিৰৰ শব্দবোৰহে শুনিলে—খোজত বৰফ ভগা শব্দ, বুটৰ শব্দ, জাৰ্ম্মান-গালি আৰু কোমল কিবা এটাৰ ওপৰত ৰাইফ্‌লৰ কুন্দাৰে খুন্দিওৱা শব্দ। আকৌ কোনোবা এটা আহিল; এতিয়া দুয়োটাই একেলগে চিঞৰি গালি পৰা শুনা গ'ল। আৰু কিবা শুনে নে তালৈ তাই কান কৰিলে। বোধহয় গুলীয়ে লক্ষ্য ভেদ কৰিলে।

এতিয়াহে তাই সেই দুটা দিনৰ শান্তিৰ কথা অনুভৱ কৰিলে, এই ক্লান্তি মানুহৰ শৰীৰৰ কাৰণে অসহ্য; সাহসৰ বান্ধোন চিগি যোৱা যেন লাগে। তাইৰ মূৰ ঘুৰিবলৈ ধৰিলে; মাটিখন ওপৰলৈ উঠি যোৱা যেন লাগিল। তাই অজ্ঞান হৈ পৰিল; তাক আৰু তাই প্ৰতিৰোধ কৰিব নোৱাৰিলে।

গুলীৰ শব্দ আৰু চিঞৰটো কিছুদূৰলৈ শুনা গৈছিল। অইন নহলেও ওচৰৰ পজাটোৰ পৰা খুব স্পষ্ট ভাৱে শুনিছিল। তাত তিনিটা প্ৰাণীয়ে খিৰিকীয়েদি জুপি আছিল। সিহঁতৰ উশাহত বৰফ গলি গৈছিল আৰু মুকলি হৈ পৰা ফুটাবোৰৰ মাজেদি সিহঁতে চালিখনৰ অন্ধকাৰ ছাঁটোৰ পিনে চাইছিল।

সৰু জেনাঙনীয়ে কান্দি পেলালে।

"মা, মিস্কা! মা, মিস্কা!"

মাকে তাইৰ বাহুটো ইমান জোকাৰি দিলে যে তাই চিঞৰি উঠিল।

"মনে মনে থাক!"

"মা, মিস্কা! সিহঁতে কি কৰিলে? মা!"

"তই নুশুনিলি জানো? সিহঁতে আমাৰ মিস্কাক মাৰিলে!"

—মানুহজনীয়ে শুকান মাতেৰে ক'লে।

আঁঠ বছৰীয়া চাছাই খিৰিকীৰ পৰা মুখ ঘূৰাই ক'লে—"মা, মই অ'লেনা খুৰীলৈ ৰুটি লৈ যাম।"

"তই ক'লৈকো যাব নোৱাৰ। এতিয়া সিহঁতে পহৰা দিব। ৰাতিপুৱালৈকে সিহঁত পহৰাত থাকিব।"—তাই খঙেৰে উত্তৰ দিলে। খন্তেক বৈ আকৌ ক'লে—"ইপিনে আৰু ৰুটিও নাই। এটুকুৰাও নাই। যি ডোখৰ আছিল তাকে মিস্কাই নিলে।"

ল'ৰাটোৱে খিৰিকীৰ পিনে মুখ ঘূৰালে আৰু বাহিৰলৈ চালে। কিন্তু তাৰ পৰা একো নেদেখি।

চালিৰ কাষত মিস্কা পৰি থাকিল। পিঠি পিনে কান্ধৰ হাড়দালৰ তলতে গুলী লাগি সৰকি গ'ল। সি কেৱল চিঞৰ এটা মাৰিবলৈ কোনোমতে সময় পালে। এটা সৈন্যই ল'ৰাটো

গোৰ মাৰি পঠিয়ালে আৰু তাৰ সৰু মুঠিটোৰ পৰা এটুকুৰা ৰুটি সৰি পৰিল।

"এই পোৱালী 'জানোৱাৰ' টোৱে তাইলৈ ৰুটি লৈ আহিছিল"—এই বুলি কৈ সৈন্যটোৱে সেই নিৰ্জ্জীৱ দেহটোত আৰু এগোৰ সোধালে।

"মানুহজনীক সিহঁতে খাবলৈ দিব খুজিছিল"।

"জোকৰ দৰে কেনেকৈ বগাই আহিল চাছোন।"

"আৰু এক মিনিট পলম হোৱা হ'লেতো সি তাইক দিলেহেঁতেন ......আমি ঠিক আহোঁতেই মই বেৰৰ কাষত অকণমান কিবা এটা ঘূৰি ফুৰা দেখিলোঁ। দেখিয়েই বন্দুক টোঁৱালো।"

বাদামী ৰঙৰ, ঘৰতবোৱা কামিজটোৰ মাজেদি সৰকি বোৱা ধোৱা বৰণীয়া দাগটোলৈ লক্ষ্য কৰি লগৰটোৱে প্ৰশংসা কৰিলে—"বঢ়িয়া নিচান হৈছে।"

"জিদ মাৰিছোঁ! মোৰ চকু ঠিক আছে। কিন্তু তাক এতিয়া কি কৰা যায়? ইয়াতে পেলাই থ'ম নে?"

"ইয়াত কিয়? খালত পেলাই দিওঁগে।"

ব্যৱস্থাটো দুয়োটাৰে প্ৰতি সন্তোষজনক হ'ল। ভৰিকিটাত খামোচ মাৰি ধৰি, সিহঁতে লৰাটোক চোঁচোৰাই, নিলে। ওখোৰা-মোখোৰা বৰফত তাৰ মূৰটো খুন্দা খাবলৈ ধৰিলে। সৈন্যকিটাই টান মাৰি ল'ৰাটো দাঙি লৈ, বাটৰ কাষৰ বৰফত পোত যোৱা, খালটোলৈ দলিয়াই দিলে।

"তাতে পৰি থাকক। সিনো ক'ৰ পৰা আহিল মই ভাবি পোৱা নাই।"

"কেপ্তেইনে কাইলৈ সকলো উলিয়াব। অৱশ্যে বৰ

জঘন্য ঠাই এইখন.........গোটেই দল একমুঠ আৰু কথা সুধিলে যি দৰে মুখ বন্ধ কৰি ৰাখে যেনিবা সিহে থৈছে।"

"একো কথা নাই। আমাৰ কেপ্তেইনে সিহঁতৰ মুখ খোলইহে এৰিব।"

"পিচে মুখ খোলাবৰ সময় হৈছিল! মই হলে কলোঁ, ইয়াত বৰ ডাঙৰ কথা কিন্তু।"

ওখ সৈনিকটোৱে তাৰ বন্দুকত ভৰ দি একমনে লগৰ-টোৰ মুখলৈ চালে। সেই কেঁচানকীয়া ঘূৰণীয়া মুখখনত কোনো সন্দেহৰ ছাঁ নেদেখিলে; তাৰ পিচত সি ক'লে—"ভয়ানক! মোৰ যে ঘৰলৈ উভতি যাবলৈ ইমান মন গৈছে! অহা বসন্ত-কালত মোৰ মাইকেলটোৰ বয়স দহ বছৰ হবহি! মই তাক দুবছৰ দেখা নাই। এৰা ভাবি চাছোন......দুটা বছৰ!"

সহানুভূতি দেখুৱাই সিটোৱে মূৰ দুপিয়ালে।

"মই শৰৎ কালত ছুটি পাইছিলো।"

"এৰি থৈ আহিবৰ সময়ত প্ৰতিজ্ঞা কৰিছিলোঁ যে উভতি যাওঁতে তাক চাইকেল এখন দিম। বাইক্ খনৰ ৰাবে বেচেৰাই দুবছৰ বাট চাই আছে। ইয়াৰ পৰা এখন পঠাই দিবলৈকো অসুবিধা।"

"ফেল্ডৱেবেলে দেখোন দুখন পঠালে।"

ওখ সৈন্যটোৱে লাহে লাহে ক'লে "অ", ফেল্ডৱেবেল! তেওঁ হৈছে ফেল্ডৱেবেল। কিন্তু মোৰ খনো সিহঁতে নিব বুলি ভাব নে? তই দেখোন নিজেই জান। টোপোলা এটা হোৱা হলে বেলেগ কথা। কিন্তু সিহঁতে কেতিয়াও মোক চাইকেল পঠাবলৈ নিদিয়ে।"

ষ্টাৰ্ণৰ অফিচ ঘৰৰ মুখত সিহঁতে অগাপিচাকৈ খুপি

আছিল। খিৰিকীয়েদি চাকি জ্বলি থকা দেখি। অফিচৰ কাম তেতিয়াও চলি আছিল।

"এতিয়া সময় কিমান হৈছে? মোৰ মনেৰে আমাক সলনি দিবৰ সময় হ'ল।"

"এতিয়াও আধাঘণ্টা বাকী।"

জাৰ বেছি হৈ আহিল। ওখ সৈন্যটোৰ তথাপি কোনো মতে চলিছিল; ওপৰত সৈনিকৰ টুপি পিন্ধি তাৰ তলত সি উলৰ আলোৱান এখনেৰে মূৰটো বান্ধি থৈছিল। কিন্তু চুটিটোৱে অসহায় ভাৱে কাণ দুখনকে মোহাৰিছিল। "ইয়াত বাৰু এই মানুহবোৰ থাকে কেনেকৈ? ইয়াত সদায় এইদৰে বৰফ পৰেনে?"

"কেনেকৈ জানিম? পৰে বোধহয়.........এই বৰ্ব্বৰবোৰৰ কি আছে নো?"

"তই ৰামধনুখন দেখিছিলি নে?"

"ওঁ, দেখিছিলোঁ।"

"ইয়াৰ মানে কি বাৰু?"

ওখ মানুহটোৱে কান্ধ জোকাৰিলে।

"মানে কিটো হ'ব? মোৰ মনেৰে সিহঁতৰ ইয়াত জাৰৰ দিনতো ৰামধনু ওলায়। বাৰু, সেই ৰঙ ছটা চাছোন।"

"সেইটো বৰফৰ পৰা ওলাইছে।"

"নিশ্চয়; আৰু ৰামধনুখনো নিশ্চয় বৰফৰ পৰাই হৈছে।" চুটি জাৰ্ম্মানটোৱে সম্মতি জনাই ক'লে—"হব পাৰে।" হাত দুখনৰ ওপৰত উশাহ এৰি দি সি অলপ বিচলিত হৈ ইপিনে সিপিনে চালে।

"কি হ'ল?"

"একো নাই। মই এনেয়ে চাইছিলোঁ।"

অলপ পৰৰ পিচতে ওখটোৱেও কেওপিনে চাবলৈ ধৰিলে আৰু পিচত খণ্ডেৰে বকিবলৈ ধৰিলে। পুৰণি অভিজ্ঞতাৰ পৰা সি এইকণ জানিছিল যে এবাৰ যদি সি ইফালে সিফালে চায়, তেনে আৰু মৰিল! কাৰণ, বাৰেপতি কেওপিনে চাই থাকিব লাগিব আৰু ফলত তাৰ ভয়ো প্ৰতিবাৰে বাঢ়ি যাব।

"কি পিৰিকপাৰাক কৰি থাক? ক'তো একো নাই।"

"তয়ে দেখোন অথনিৰে পৰা সেইপিনে চাই আছ।" "মনত এনেকুৱা লাগে যেন বটেদি কোনোবা আহিছে। চালে কিন্তু কাকো ক'তো নেদেখি। অলপ পিচতে আকৌ কোনোবা আহিছে যেন লাগে।"

উভয় পক্ষৰ মৌন সন্মতিৰে সিহঁতে ঘৰৰ পৰা কেইখোজ মান গৈয়ে আকৌ উভতি আহিবলৈ ঠিৰাং কৰিলে।

দুৱাৰখন মেল খালে। সিহঁত ৰক্ষা পৰিল।

ফেল্ডৰেবেলে সুধিলে "কোনে গুলীয়াইছিল?"

ওখ সৈন্যটোৱে চেলাম দি ক'লে "মই গুলীয়াইছিলোঁ। সিহঁতে বন্দীক কটি দিব খুজিছিল।"

ফেল্ডৰেবেলে আগ্ৰহেৰে সুধিলে "তাৰ পিচত, ৰেস্কি?"

"মই গুলীয়াই দিলোঁ; এটা সক ল'ৰা। বোধহয় ওচৰৰ কোনোবাই পঠাই দিছিল।"

"ক'ত আছে?"

"তাক আমি খালত পেলাই দিলোঁ।"

"ব'ল, তাক চাওঁগৈ।"

তিনিও খালটোৰ পিনে খোজ ল'লে।

ৰেস্কিয়ে আঙুলিয়াই দেখুৱালে "এই ঠাইতে।"

ফেল্ডৰেবেলে জুমি চাই ক'লে "ক'তা, ইয়াত একো নাই দেখোন!"

"কি কৈছে! একো নাই?"—হতাশ ভাৱে সৈন্যটোৱে চিঞৰি উঠিল।

"বাৰু ফ্ৰেণ্ড! আমি তাক ইয়াতে পেলাই দিছিলোঁ, নহয় নে?"

সিহঁতে জাপ মাৰি খাললৈ নামি গ'ল আৰু আগুৱাই যাবলৈ ধৰিলে।

"ইমান দূৰ ক'লৈ গৈছ? আমি কেতিয়াও সেইখিনিলৈ যোৱা নাছিলোঁ।"

ফেল্ডৰেবেলে সন্দেহৰ চকুৰে সিহঁতলৈ চালে।

"এই পিনে আহ! কি হৈছে এইবোৰ?"

"হেৰ্ ফেল্ডৰেবেল, মই শপত খাই কৈছোঁ আৰু মোৰ সাক্ষীও এজন আছে—ঠিক এই ঠাইতে আমি ল'ৰাটো পেলাই দিছিলোঁ। বাৰু, এয়া চাওকহি!"—বৰফৰ ওপৰত তেজৰ সৰু দাগ এটা দেখি তাৰ অলপ আশা হ'ল।

ঠাইডোখৰ ভালকৈ পৰীক্ষা কৰি ফেল্ডৰেবেলে মূৰ জোকাৰিলে।

"খাললৈ নামি গোটেই বাটবোৰ তহঁতে খচকি পেলালি ....তহঁতে তেনেহলে খুব ভাল পহৰা দিছিলি! যদি সঁচাকৈ শটো আছিল, তেন্তে ঠিক চকুৰ আগৰ পৰাই কোনোবাই চোঁচোৰাই নিলে।"—সি খঙেৰে ক'লে।

"নিশ্চয় আছিল। আৰু, কেলেই! মোৰ সাক্ষীও এটা আছে দেখোন!......আমি দুয়ো তাৰ ভৰিকিটাত ধৰি চোঁচোৰাই আনিছিলোঁ"।

"মূৰ্খৰ দল! কিজানি সি তেতিয়াও জীয়াই আছিল আৰু পিচত উঠি গুচি গ'ল।"

"নহয়, নহয়, গুলী তাৰ গাৰ মাজেদি সৰকি গৈছিল। উবুৰি খাই পৰি সি থিতাতে মৰিল"।

ফেল্ডৱেবেল চালিৰ কাষলৈ উভতি গ'ল। বৰফৰ ওপৰত এটা ডাঙৰ ৰঙা দাগ; তাৰ কাষতে এডোখৰ ক'লা কুটি পৰি আছিল। সৰু ল'ৰাৰ খোজ কিছুমানৰ চিন দেখা গ'ল; খোজবোৰ কাৰো খোজ নপৰা নতুন বৰফৰ মাজেদি আহি সেইথিনি পাইছিলহি।

"এই ডোখৰেই ঠাই,……আৰু পিচত আমি তাক খাললৈ টানি নিলোঁ…চাওক, এইটো চোঁচোৰাই নিয়া বাট।"

ফেল্ডৱেবেলে পতিয়ালে—"বাৰু।"—এইটো ধুৰুৱ যে মানুহকিটাই সঁচা কথা কৈছিল।—"আহ!"—তইঁতক গ্ৰেপ্তাৰ কৰিলোঁ।"

সৈন্যকিটা অবাক হৈ পৰিল।

"গ্ৰেপ্তাৰ কৰিলে?"

"তইঁতে নুশুনিলি নেকি? মোৰ পিনে ভেবা লাগি চাই ঠিয় দি নেথাকিবি। এই ঠাইত তইঁতে পহৰা দিছ বুলি ধৰা হৈছিল নে নাই? তইঁতেই দিছিলি। ইপিনে তইঁতৰ ঠাইত কি ঘটনা হৈছে তাৰ একো খবৰেই নাই। কোনোবাই দোষীৰ শটো পলুৱাই নিলে আৰু তইঁত গাধ দুটাই একো মনকে নকৰিলি! আচল ৰখীয়া তইঁত! এনে ৰখীয়া থাকিলে সিহঁতে আমাৰ এটা এটাকৈ সকলোৰে ডিঙি কাটিব, সিহঁতে ভাটৌ চৰাইৰ দৰে ডিঙি মোচৰা দিব।"

মানুহকিটাই তললৈ মুৰ কৰি পিচ ল'লে।

ৰেস্কিয়ে ভোৰভোৰাই ক'লে "বৰ আপদীয়া ঠাই এইখন।" লগৰটোৱে উত্তৰ দিলে হুমুনিয়া কাঢ়ি।

"তাত কোনো নাছিল; তালৈ কোনো আহিবও নোৱাৰে।" —ৰেস্কিয়ে আমঠালি ধৰি তাকে পুনৰ ক'লে।

বেচেৰা ভগেল ভয়ত কঁপিবলৈ ধৰিলে। চুলি ঠিয় হৈ গ'ল, মুখৰ পৰা ভৰিলৈকে কঁপনি উঠিল। ৰেস্কিয়ে বাৰে বাৰে কৈছিল যে তালৈ কোনো আহিব নোৱাৰে। আৰু সি ঠিকেই কৈছিল —কাৰণ, বৰফ ভগা মাত শুনা নাছিল, একো লৰচৰ কৰা দেখা নাছিল আৰু ক'তো এটা শব্দও হোৱা নাছিল। ইপিনে জোনাকত বৰফৰ ওপৰত এটা ছাঁও ভাহি উঠা নাছিল। কিন্তু তথাপি শটো নোহোৱা হ'ল। ইয়াৰ আৰু অৰ্থ কি বাৰু?

নিজৰ প্ৰশ্নৰ উত্তৰ দিবলৈকে চিপাহী ভগেলৰ ভয় লাগিল; সি মাথোন নিজৰ অজানিতে বেগাই খোজ দিবলৈ ধৰিলে। অৱশেষত পজাৰ দুৱাৰখন মেল খোৱাত সি শান্তিৰ নিশ্বাস পেলালে; তাৰ সমুখত ভাহি উঠিল—তাপ, পোহৰ আৰু মানুহৰ মাতৰ সম্ভাষণ। থালটো, বৰফবোৰ আৰু গাৰ নোম শিয়ৰি উঠা এই ভয়ানক ৰাতিটো চকুৰ আঁৰ হ'ল। মুহূৰ্ত্তৰ বাবে সি পাহৰি গ'ল যে তাক আটক কৰি আনিছে। খন্তেকৰ বাবে সি নিজক ভাগ্যৱান বুলি ভাবিলে; কাৰণ, সি আকৌ মানুহৰ মাজলৈ আহিল। মানুহৰ মাত আৰু চাকিৰ পোহৰৰ আগত নিশাটো আতৰি গ'ল। পঁজাৰ বেৰৰ মাজেদি নিশা আৰু সৰকি আহিব নোৱাৰিলে।

"কেপ্তেইন আহিলে ভইঁতক কি কৰে কৰিব। ৰাতিপুৱা-লৈকে ইয়াতে থাক।"—ফেল্ডৱেবেলে ক'লে।

সিহঁত চুক এটাত মাটিৰ ওপৰতে বহিল। পৰৰ লগাত

সিহঁতৰ ভাল লাগিছিল। বেৰত আঁউজী ৰেস্কিয়ে কলমতিয়াৰ লৈ ধৰিলে। কিন্তু ওকণীৰ প্ৰতাপত সি শুব নোৱাৰিলে। কলাঘুমটিৰ মাজতে গা খজুৱাবলৈ ধৰিলে; তাৰ পিচত সাৰ পাই বকিবলৈ আৰম্ভ কৰিলে।

"এই আপদখনত মানুহ কেনেকৈ শুব? বৰফৰ মাজত এই শনি পোকবোৰ মনে মনে থাকিব, কিন্তু এতিয়া কি কোৱা!"

সিহঁত জুহালৰ কাষ পালে গৈ, চোলা-কাপোৰ সোলোকাই পেলালে; জুইকুৰাৰ ঢিমিকঢামাক পোহৰত চোলাৰ পাতলিত আৰু সিয়নিৰ মাজত ভালকৈ ওকণী চৰলৈ ধৰিলে।

* * * *

ফোঁপাই-জোপাই গেলিয়া মেলিয়াচিখা মাটিত বহি আছিল। খালে খালে তিনিশ গজতকৈও বেছি দূৰ, পেটত ভৰ দি, চুঁচৰি যোৱা উজু কথা নাছিল। জাৰ্ম্মানবোৰে যাতে তাইক দেখা নেপায়, তাৰ বাবে তাই কতবাৰ বৰফৰ মাজত মুখ লুকাব লগা হৈছিল! যি হয় হব, তথাপিও তাই ল'ৰাটো কুকুৰৰ দৰে খালত পৰি থাকিবলৈ নিদিয়ে—এয়ে তাইৰ দৃঢ় সঙ্কল্প আছিল।

উভতি যাওঁতে আৰু বেছি অসুবিধা হৈছিল। পিঠিৰ ওপৰত পুতেকৰ দেহটো তাই বৰ গধুৰ পাইছিল; বাৰে বাৰে পিচলি যোৱাত বৰ অসুবিধাও হৈছিল। খুব কষ্টেৰে চুঁচৰি গৈ তাই জেওৰাৰ কাষ পালগৈ; কোনোমতে খালটোৰ পৰা বগাই উঠি গ'ল। ঘৰৰ সমুখত সৈন্যকেইটাই কথা পাতি থাকোতেই তাই এই সুবিধা ল'লে। তাৰ পিচত তাই ঘৰ সোমালেহি। বেচেৰা 'মিছা' মেজৰ ওপৰত হাতভৰি মেলি ঠৰঙা হৈ পৰি আছিল। ৰবকে এতিয়াই তাক ঠৰঙা কৰি

পেলালে ; যেন বহুত আগেযে সি মৰিল। ল'ৰাছোৱালী-বোৰে ককায়েকক বেৰি ধৰিলে।

তাৰ শুৱনী চুলিকোছা মুখৰ ওপৰত এনিতেনি বাগৰি পৰিছিল। খিৰিকীয়েদি সোমোৱা জোনৰ পোহৰত মুখখন স্পষ্ট ভাৱে দেখা গৈছিল; শেষ চিঞৰ মাৰোতে বৰকৈ মেলিছিল। জিনাই সাৱধানেৰে সৰু আঙুলিটোৰে তাৰ চোলাৰ তেজৰ দাগটো চুলে।

"সেইটো কি ?"

চাছাই খংমুৱাকৈ ক'লে—"নুচুবি। সিহঁতে সেইখিনিতে তাক গুলীয়ালে, নহয় নে মা ?"

মিছাৰ কোমল চুলিবোৰৰ মাজেদি তাই আঙুলি বুলালে আৰু থোকাথুকি মাতেৰে ফুচফুচাই ক'লে "সেই ঠাইতে, সোণ, সেই ঠাইতে।" সি আৰু নাই। খন্তেকৰ আগতে সি অ'লেনা খুৰীলৈ বুলি চোলাৰ তলত এটুকুৰা ৰুটি ভৰাই হাতত সাৰে ভৰিত সাৰে ঘৰৰ পৰা ওলাই গৈছিল। সি পাৰিব বুলি তাই ভাবিছিল; তাই নিশ্চিত আছিল যে সি চালিখনৰ ওচৰ পাবগৈ। কিন্তু সেই কথা নহ'ল।

হঠাৎ অকণমানি জেনাই কান্দি উঠিল—"আমি তাক যাবলৈ দিব নেলাগিছিল।"

তাই ফেঁকুৰি ক'লে "নহয়, সোণটো! যোৱাতো তাৰ কৰ্ত্তব্য আছিল। অ' সি যাবই লাগিব........."

গম্ভীৰ মাতেৰে চাছাই ডাঙৰৰ দৰে বুজনি দিলে—"সিহঁতে তাত অ'লেনা খুৰীক খাবলৈ একো নিদিয়ে।" তাই তাতে হয় দিলে—"এৰা, বোপাই, হয়। অ'লেনা খুৰী দেউতাৰৰ সৈতে একে দলতে আছিল.........আৰু চাছোন, তাইৰ এতিয়া কি

অৱস্থা হ'ল! এতিয়া তাই মৰিব। অ'লেনাজনী এতিয়া অভাৱৰ কষ্ট খাই মৰিব!"

চাছাই খঙুমুৱাকৈ ক'লে "মই বোধহয় অলপ আলুকে নিব পাৰিলোঁহেঁতেন। ৰাতি খোৱাৰ পিচত কলহত কেইটামান বাকী আছিল।"

"নহয় সোণ, এতিয়া চালিৰ ওচৰলৈ কোনো যাব নোৱাৰে। সিহঁতে খুব সাৱধানে পহৰা দিছে......তয়ো মাথোন গুলী খাবি... চালিৰ কাষত কোনো নাছিল বুলি ভাবিছিলোঁ। সিহঁতে মিছাক দেখিলে।"

চাছাই আমঠৰ দৰে ক'লে "মই হোৱা হ'লে সিহঁতে নেদেখিলেহেঁতেন।"

"তই মিছাকৈ চেলবেলাই নেথাকিবি। অসঙ্গত কথাবোৰ কৰ কিয়?......মিছাই নোৱাৰিলে যেতিয়া কোনেও নোৱাৰে। কোনেও............"

চাছাই আৰু একো নক'লে। মাকে মৰা ল'ৰাটোৰ মুখলৈ চালে; তাৰ চুলিকোছাত হাত ফুৰাই দিলে।

"তাক ক'ত পুতিম? ৰাতিপুৱা তাক বিচাৰি সিহঁতে চলাথ লগাব। যদি সিহঁতে পায়, তেনে তাক লৈ যাব।" চাছাই বুধি দিলে "আমি তাক ফুলনিতে পুতিব পাৰোঁ দেখোন।" "ফুলনিত কেনেকৈ পুতিম? সিহঁতে শুনিব আৰু কি হৈছে চাবলৈ ল'ৰি আহিব। তদুপৰি মাটিও শিলৰ দৰে টান। আমি কেতিয়াও কবৰ খান্দিব নোৱাৰোঁ; তাক মাথোন বৰফত ঢাকি থব লাগিব।"

সিহঁত অতি অসহায় ভাৱে, মৰা ল'ৰাটো পৰি থকা মেজখন বেৰি, ঠিয় হৈ থাকিল।

"কি কৰোঁ তেনে ?"

মেলিয়াচিথাই লাহেকৈ ক'লে "তাক আমি ঘৰৰ ভিতৰত পুতিব লাগিব।"

জেনাই আচৰিত হৈ সুধিলে "ঘৰৰ ভিতৰত ?"

"নহ'লে ক'ত ? সি নিজৰ ঘৰত পৰি থাকিব, আমাৰ সৈতে থাকিব..... মই আৰু আন একো ভাবি নেপাওঁ।" "এইটো কোঠাতে নে কি ?"

তাই বিমোৰত পৰি কেওপিনে চালে।

"নহয় .....চালিৰ তলত..."

সিহঁত চালিৰ তল পালেগৈ। চালিখন ঠেক, কেওপিনে বেৰ দিয়া। মেলিয়াচিথাই মাটিখন চাবলৈ ধৰিলে।

"আমি ইয়াতে খান্দিম। চাছা, কোৰখন আন। সৌতাতে, দুৱাৰৰ আঁৰতে আছে।"

নিজৰ বুকুত তাই 'ক্ৰছ' চিনটো দিলে আৰু তাৰ পিচত মাটিত কবৰৰ দাগ দি ল'লে। তেতিয়া কোৰেৰে খান্দিবলৈ ধৰিলে।

মাটিডোখৰৰ ওপৰত আজি অত বছৰ কিমান মানুহৰ গচক পৰিছে ! গোটেই টান হৈ গৈছে। টান মাটিত বাধা পাই কোৰখন নোসোমোৱা হ'ল। মানুহজনী অলপতে ভাগৰি গ'ল।

"চাছা, এতিয়া তই লাগহি।"

সৰু ল'ৰাটোৱে নেবানেপেৰাকৈ খান্দিবলৈ ধৰিলে। জোৰ দিওঁতে তাৰ জিভাৰ আগটো ওলাই পৰিছিল। জিনাই, আঁঠু কাঢ়ি লৈ, খন্দা মাটিবোৰ হাতেৰে খুচৰি উলিয়াবলৈ ধৰিলে। তাইৰ নখৰ মাজত মাটিবোৰ সোমাই গ'ল।

এইদৰে পাল পাতি সিহঁতে বহুত পৰ খান্দিলে। সিহঁতে একেৰাহে শিলাময় মাটিডোখৰ খান্দিবলৈ ধৰিলে। ওপৰৰ তৰপটো পাৰ হোৱা মাত্ৰেই খান্দিবলৈ উজু হৈ পৰিল। শেহত তৰাং কবৰ এটা খন্দা শেষ হ'ল।

"ল'ৰাহঁত! আমি এতিয়া তাক পিন্ধাব লাগিব......... উস্! কফিন নোহোৱাকৈ মিছুট্কাক আমি কবৰত পেলাই থব লাগিব। কথাটো ভাবিলেও বেয়া লাগে......"

তাই বাণ্টিৰ পৰা অলপ পানী আনিলে। তাৰ মুখ, তেজেৰে বাগুলী বুকুখন ধুৱাই দিলে আৰু কান্ধৰ হাড়ৰ তলতে গুলী লাগি ফুটি যোৱা ক্ষীণ পিঠিটোও ধুৱাই দিলে। তাৰ পিচত বাকচৰ পৰা ভাল কামিজ এটা উলিয়াই আনিলে আৰু খুব কষ্টেৰে তাৰ ঠৰঙা, চেঁচা বাহুকিটাত চোলাৰ হাত দুটা ভৰাই দিলে।

"তাক এইদৰে পুতিব লগা হ'ল!"

জিনাই কান্দিবলৈ ধৰিলে।

"নেকান্দিবি। মিছুট্কা ৰেড্ সৈনিকৰ দৰে মৰিল। সি জাৰ্ম্মানৰ গুলী খাই মৰিল। সি মৰিল সত্যৰ বাবে, বুজিছ?"

কথাখিনি তাই জিনাক কৈছিল; কিন্তু আচলতে ই তাই নিজকে কোৱা কথা। উচুপনিত মাত থোকাথুকি হৈছিল। তাইৰ ভয় লাগিছিল—জানোচা নিজক সম্বৰণ কৰিব নোৱাৰে, জানোচা পুতেকৰ শটোৰ কাষতে আঁঠু কাঢ়ি তাই জন্তুৰ দৰে চিঞৰি কান্দিবলৈ ধৰে। তাইৰ চিঞৰ শুনি গোটেই গাঁৱে দুৰ্দশাৰ কথা, দুখৰ কথা জানিব; তেতিয়া দহবছৰৰ ধৰি যতনেৰে লালন-পালন কৰি ডাঙৰ কৰা তাইৰ পেটৰ

পোৱালীক জাৰ্ম্মানে গুলীয়াই মৰা কথাটো সকলোৱে জানিবলৈ পাব।

"দেউতাৰ গৰিলাৰ লগত যাওঁতে মিছাক কৈছিল-'চাবি, যাতে তই ইয়াত মোৰ বদনাম নান!' বাপেকে কোৱাৰ দৰেই মিছুট্‌কাই কৰিলে; সি আমাৰ বদনাম অনা নাই······বুজিছনে?"

জিনাই উচুপিবলৈ ধৰিলে—"বুজিছোঁ।"

"কান্দিব নেপায়। মিছুট্‌কাৰ গাত চকুলো পৰিলে সি শান্তি নেপায়। নেকান্দিবি। ধৰচোন, মই কাপোৰখন মেলি দিওঁ।"

কাপোৰখন কবৰটোৰ ওপৰত মেলি দিলে আৰু তাৰ ওপৰতে সিহঁতে মৰা ল'ৰাটো থ'লে। তাৰ পিচত তাক ঢাকি পেলালে।

মাকে ক'লে—"চকুত মাটি নপৰিবৰ বাবে এইদৰে ঢাকি দিছোঁ। ক্ষীণ, সৰু মাতেৰে জিনাই ক'লে—"এৰা তেতিয়া তাৰ চকুত মাটি নপৰে।"

মাকে ক'লে—"জিনা, এমুঠি মাটি ল। ককায়েৰৰ গাৰ ওপৰত চটিয়াই দে।"

জিনাই আঁঠু কাঢ়ি মাটি এমুঠি তুলি ল'লে আৰু ঢাকনি কাপোৰখনৰ ওপৰত চটিয়াই দিলে। চাছায়ো দিলে। তাৰ পিচত মাকে কোৰেৰে মাটি চপাই দিলে; বগা কাপোৰখন নেদেখা হোৱালৈকে তাই মাটি দি থাকিল; শেহত তাৰ ওপৰত এটা অকণমানি টিপ হৈ উঠিল। মানুহজনীয়ে ক'লে "আমি এতিয়া গচকি দিব লাগিব। নহ'লে ধৰা পৰিম। সিহঁতে আহি তাক খান্দি উলিয়াই নিব।"

কবৰৰ ওপৰত উঠি তিনিও গচকিবলৈ ধৰিলে।

মেলিয়াচিখাই এখোজ এখোজকৈ কেওপিনে মাটিবোৰ লাহে লাহে গচকি দিলে। আৰু লগে লগে তাই ভাবিলে—কেনেকৈ সকলো আচাৰৰ বিপৰীতে, নিজ বিবেকৰ বিৰুদ্ধে, তাই নিজৰ পুতেকৰ সমাধিৰ ওপৰত গচকিছে! কেতিয়াও কোনেও নকৰা কাম কৰিছে! পুতেকৰ শুৱনী মুখত, তেজেৰে ৰাঙলী বুকুখনৰ ওপৰত আৰু তাৰ খীণ, লৰালি-হাতভৰিৰ ওপৰত গচকিছে!

নিজৰ ভাবৰ উত্তৰ স্বৰূপেই তাই ফুটাই ক'লে "আমি এইকাম কৰিবই লাগিব।" আৰু অকনমানি জেনাজনীয়ে প্ৰতিধ্বনিৰ দৰে তাইৰ উত্তৰ দিলে—"আমি নিশ্চয় কৰিব লাগিব।"

চাছাই সুধিলে "হ'লনে?"

"নহয় বোপাই, মাটিখন এতিয়াও কোমল হৈ আছে। এতিয়াও ধৰিব পাৰি। গচক, একেবাৰে সমান নোহোৱালৈকে গচক।"

তাই সাৱধানে বাকী থকা মাটি খিনি চপালে আৰু ঘৰৰ ভিতৰলৈ লৈ গৈ জুহালৰ কেওপিনে চটিয়াই দিলে। কবৰটোৰ কোনো চিন নথকাকৈ তাই চালিৰ তলখন সাৰি পেলালে আৰু কেওপিনে টুকুৰা কাঠ, খেৰ আদি বস্তুবোৰ সিঁচি দিলে। সাধাৰণতে মানুহৰ চালিতল যেনে অৱস্থাত থাকে তেনেই হৈ পৰিল।

"এতিয়া ধৰিব পাৰিনে?"

চাছাই মাটিখন ভালকৈ চালে।

"নাই......কাইলে পোহৰতহে আমি নিশ্চিত হব পাৰিম।"

মেলিয়াচিখা তাতে ঠিয় হৈ থাকিল; কেওপিনে খেৰ আৰু

চলি চটিয়াই থোৱা পুতেকৰ অদ্ভূত সমাধিটোলৈ চালে। মিছুট্‌কাৰ কোনো অস্তিত্বই নেথাকিল। সকলো ল'ৰাছোৱালীয়েই মৰে। কিন্তু সিহঁতৰ প্ৰত্যেকৰ নিজৰ অকণমান কফিন এটা থাকে। আৰু সমাধিৰ ওপৰত সেউজীয়া বননি এখন ছাটি থাকে। কেৱল মিস্কাৰহে একো চিন নেথাকিল। নিজৰ ঘৰতে সি তাত পৰি থাকিল; কিন্তু সেইকথাটো তাইৰ মনত যদি নেখেলালে হেঁতেন, তেতিয়া হ'লে তায়ো তাৰ কাৰণে শেষ জিৰণিৰ ঠাই এডোখৰ কেতিয়াও বিচাৰি নেপালেহেঁতেন।

"সোণহঁত! শোগৈ যা।"—তাই ক'লে।

"আৰু তুমি?"

"ময়ো গৈছোঁ। ৰাতি পুৱাবলৈ বেছি সময় নাই। আমি অলপ শুবই লাগিব।"

কিন্তু তাই নুশুলে। তাই ভাবিছিল মিছুট্‌কাৰ কথা আৰু গৰিলাৰ লগত থকা তাইৰ গিৰিয়েকৰ কথা।

সৈন্যবাহিনীত তাক নল'লে; ১৯১৮ চনত সি দুটা আঙুলি হেৰুৱালে আৰু সেইবাবে যুদ্ধৰ কামৰ বাবে তাক অযোগ্য বুলি ঘোষণা কৰিলে। কিন্তু গৰিলাই মানুহৰ আঙুলি আছে নে নাই তাৰ বিচাৰ নলয়; সিহঁতক লাগে অন্তৰৰ সাহস।

প্লেটন ঘৰলৈ আহিব; মিছাৰ কথা সুধিব। সিয়েই তাৰ আদৰৰ ল'ৰা। তাই গিৰিয়েকক কি ক'ব? তাই কবলগীয়া হ'ব—জাৰ্ম্মানৰ গুলীয়ে মিছুট্‌কাৰ বুকু ভেদি গ'ল! তাক চালিৰ তলৰ মাটিতে পুতি থ'লে!

কিন্তু তথাপি তাই জানে যে প্লেটনে ধীৰ তায়েই এই বাতৰি শুনিব আৰু জাৰ্ম্মানবোৰ আহি প্ৰথমে গাঁৱত সোমাওঁতে সি যি কৈছিল তাকে আকৌ ক'ব। সেই সময়তে সি আৰু তাৰ

নিচিনা আন বহুতে কান্ধত টোপোলা লৈ সিহঁতৰ গৰিলা বাহিনী লুকাই থকা হাবিৰ মাজলৈ গুচি গৈছিল। আৰু যাবৰ সময়ত সি কৈছিল—"নিজক বজাই ৰাখিবা। দৰ্কাৰ হলে কুঠাৰ, যাঠি বা হাতৰ কাষত যি পোৱা তাৰেই নিজক ৰক্ষা কৰিবা। কেৱল বশ্যতা স্বীকাৰ নকৰিবা। আজিকালি আমি সকলোৱে যুঁজ কৰিব লাগিব—বুঢ়ামানুহ, তিৰোতা, আনকি লৰাছোৱালীয়েও কৰিব লাগিব।"

প্লেটনে ক'ব—"এৰা, আমাৰ মিছুটকা জাৰ্ম্মানৰ লগত যুজি মৰিল। বেজাৰ নকৰিবা। বুজিছা, সি নিজৰ দেশৰ বাবে জীৱন আহুতি দিলে।" আৰু মেলিয়াচিথায়ো কন্দা নাছিল। তাই মাথোন, দুৱাৰৰ সিপাৰে, চালিৰ তলত থকা, পুতেকৰ গুপ্ত সমাধিটোলৈকে একেথৰে চাই আছিল।

* * *

ইপিনে বাহিৰত চন্তৰীকিটাই তেতিয়াও ৰাতিৰ ঘটনাটোকে আলোচনা কৰি আছিল। "এইডোখৰ বৰ জয়াল ঠাই। কোনে তাক নিলে বাৰু? ৰেস্কিয়ে কৈছে বোলে সিহঁতে এটা শব্দও শুনা নাছিল। ইপিনে খোজ পেলালেই দেখোন বৰফ ভাগি মৰমৰাই উঠে।

ইটোৱে শুকান ভাৱে কলে "মই কথাটো ধৰিবই পৰা নাই। তই বাৰু ইয়াৰ কিবা কথা বুজিছনে?"

সিহঁতে বাৰেপতি কেওপিনে পিৰিকপাৰাক কৈ চাই আছিল। সিহঁতৰ মনত বৰফ ভগা শব্দ শুনা যেন লাগে; স্পষ্টভাৱে বৰফ ভগা শব্দ যেন শুনি! সিহঁতে যেন ঠিক ভবিৰ শব্দকে শুনিলে। কেওপিনে চাবলৈ ধৰে, কিন্তু ক'তো কাকো নেদেখে। জোনৰ কেঁওকাষে খীণ পোহৰ এটা জিলিকি থাকে।

পোহৰৰ ৰেখাবোৰ আৰু ৰঙ্‌চঙীয়া ধেনুখনৰ ৰঙবোৰ লাহে লাহে মলিন হৈ পৰে। টিমিকঢামাককৈ ক্রমে ধেনুখন বিলীন হৈ যায়।

এটা সৈন্যই ক'লে "গৰম হোৱা যেন লাগে।"

"কি কৈছে শুনা! মোৰ ইপিনে কানদুখন সৰি পৰা যেন লাগিছে! বাহিৰত থাকোতে সিমান ধৰিব নোৱাৰি, কিন্তু ঘৰৰ ভিতৰত গৰম ঠাইত বহিবলৈ ল'লেই কাণৰ যি পোৰণি উঠে, যেন জুইহে লাগিছে।"

"মোৰ মনেৰে বৰফে বিন্ধাৰ বাবতে হৈছে।"

"নিশ্চয়, সেইবাবেই হৈছে। মোৰ ভৰি দুটাও যেন ভুতে পালে; ইমান বিষায়! গৰম লাগিবলৈ ধৰাৰ লগে লগে ভৰিকেইটা যেন চিগিয়েই যাব।"

"তোৰ তেতিয়া ভালহে হ'ব। সিহঁতে তোক হস্পিটেললৈ পঠাই দিব।"

"দহোকুৰি, নেলাগে পঠাব! পিচে, সিহঁতে মেলাৰক জানো পঠাইছিল? তাৰ দেখোন ভৰিকেইটা কয়লাৰ দৰে ক'লা হৈ পৰিছিল!"

"তই হ'লে তেনেকৈ নিচিঞৰিবি দেই!"

"ইয়াত কোনো নাই।"

"ভাবোতে কোনো নাই বুলি ভাবিবি......ইপিনে কাইলৈ ফেল্ডৱেবেলে সোপাকে জানিব।"

"তই হ'বলা তাৰ আগত চিঞৰিবলৈ ঢাপলি মেলিবি?"

"পিচে, তোমাক হ'বলা ঘোচা এটি লাগে?"

"বাৰু, হৈছে থ। চেলবেলাই নেথাকিবি। দৈৱ ঘটনা বুলি কোনো কথা নাই।"

"নাই, নাই। নিশ্চয় দৈৱ ঘটনা নাই······পিচে কচোন বাৰু, সেই শটো কোনে নিলে ?"

"সেইটো বেলেগ কথা······মই ফেল্ডৱেবেলৰ কথাহে কৈছোঁ।"

"অ'·········"

জোনৰ কেওকাষৰ পোহৰটো লাহে লাহে বহল আৰু ঘন হৈ গ'ল। মিহি নীলা ৰং এটাই ফট্‌ফটীয়া, পৰিষ্কাৰ আকাশ-খন আবৰি ধৰিলে।

"তই যিয়েই নকৰ ৰাতিপুৱাবৰ সময়ত হ'লে আৰু বেছি বৰফ পৰিব। এতিয়াতো অলপ গৰমেই।"

"হব পাৰে গৰম।"

অলপ আগলৈকে নিস্তব্ধ বায়ুমণ্ডল গোট মাৰি এক বিৰাট বৰফৰ স্তূপত পৰিণত হ'ল যেন লাগিছিল; এতিয়া লৰচৰ কৰা যেন লাগিল। এছাটি ধীৰ বতাহ বোৱা অনুভৱ কৰিব পাৰি।

"কলোঁ হ'লে ! বতৰ বদলিছে। মোৰ ভৰিকিটা টানি ধৰিছে।"

"বাত বেমাৰ আছেনেকি ?"

"এৰা বহুতদিনীয়া বেমাৰ। বতৰ বদলিলেই ভৰিকিটা জ্বলি উঠে।"

সিহঁতে বাটটোত ঘূৰিবলৈ ধৰিলে।

"সেই মানুহজনী এতিয়াও চালিতে আছেনে ?"

"আছে।"

"ৰাতিপুৱালৈ তাই ঠেৰেঙা লাগিব।"

"নহয়, গৰম হয় যদি ঠেৰেঙা নেলাগে।"

"এইটো বৰ লেতেৰা কাম—ইপিনে মানুহজনীৰ গাত লেঠা।"

"আৰু নো কি কৰিবি ? তেনেকুৱা তিৰোতাই পিঠিত একোব দিলে উশাহ সলাবলৈকে সময় নেপাবি……আৰু সৰু ল'ৰাছোৱালীবোৰ আৰু 'সাংঘাতিক। সিহঁতে গোটেইখনে বগাই ফুৰিব, সকলোতে পিট্‌পিটাই ফুৰিব। সিহঁতক ইয়ালৈ চোৰাংচোৱা হিচাবে পঠায়।'

সিহঁত খন্তেকৰ বাবে মনে মনে থাকিল।

"মই হোৱা হ লে কিন্তু এইবোৰৰ আন উপায়হে কৰিলোহেঁতেন।…………সৌখন গাঁৱৰ কেপ্তেইনে কৰাৰ দৰে, মনত আছে নে ?"

ফেঁচানকীয়া সৈন্যটোৱে মূৰ দুপিয়ালে।

"চাবি বাৰু, সিহঁতে কেতিয়াও আমাৰ হৈ কাম নকৰে। মই সিহঁতক চিনি পাঁও। মূৰকত আমি সিহঁতক মাৰি নিৰ্ম্মূল কৰি দিবই লাগিব। সেইদেখি এতিয়াই কৰা ভাল; কাম বহুত উজু হ'ব।'

"সকলোকে নে ?"

"সকলোকে। তই নিজে দেখিছ নহয় সিহঁত কেনে মানুহ। আনকি সৰু ল'ৰাছোৱালীবোৰৰ মাজতো সিহঁতে যি দৰে প্ৰচাৰ কাৰ্য্য চলাইছে যে সিহঁতক পুনৰ শিক্ষা দিয়া আমাৰ কাৰণে অসম্ভৱ। আমি কৰিমনো কেলৈ—ই কেৱল সময় হানি। সিহঁত বেলেগ মানুহ যেতিয়া বেলেগ হৈয়ে থাকক।"

সৈন্যটোৱে হুমুনিয়া পেলালে; সি কোনো উত্তৰ দিয়া নাছিল। তেতিয়া বামধনুখন একেবাৰে বিলীন হৈ গৈছিল।

বাটৰ কাষত শাৰী শাৰীকৈ থকা গছৰ ঠালবোৰৰ মাজত এটা খচ্‌খচনি উঠিছিল। সেইবোৰৰ পৰা বৰফৰ কণাবোৰ বাগৰি পৰিল। জোনটো কুঁৱলীৰ আঁৰত ঢাক খালে; তাৰ মাজেদি জোনৰ ক্ষীণ পোহৰটো ওলাইছিল।

"চা! সঁচাকৈ বতৰ বদলিছে। খন্তেক আগলৈকে জোনটোৱে বেলিৰ দৰে উজ্বল ভাৱে পোহৰ দিছিল আৰু এতিয়া চা!"

"এছাটি বতাহ বলিছে।"

"ভাল হৈছে, গৰম লাগি আহিছে।'

খোজৰ ভৰত তেতিয়াও বৰফ ভাগিছিল, কিন্তু তেতিয়া আৰু সেই চেঁচেঁয়নি শব্দটো নাছিল। বতৰ ততালিকে সলনি হ'ল। ফটিকৰ দৰে ফৰকাল আকাশখনক ধোঁৱাবৰণীয়া কুঁৱলীয়ে ছাটি ধৰিলে। বেগেৰে বতাহ বলিল। পথাৰৰ বৰফবোৰ বতাহত উফৰি পৰিল। চেঁচা বতাহ ছাটিয়ে সিহঁতৰ হাড়ৰ মাজলৈকে কঁপালে। মুখত বতাহে ছাটি মাৰি গ'ল আৰু পাতল কোটবোৰৰ ভিতৰলৈকো বতাহ সোমাল।

"ইয়ালৈকে তই গৰম লাগিছে বুলিছিলি?"

"যাবলৈ কিমান সময় আছে?"

"ৰাতি পুৱাবলৈ এতিয়াও বহুত পলম। হেঁপাহ পলুৱাই খোজ কাঢ়িবলৈ হাতত বহুত সময় আছে!"

দূৰৰ, বৰফে ঢকা, মুকলি পথাৰখনৰ পৰা এটা আচৰিত গোঁজৰণি উঠিল। আৰু কাষ চাপি আহাৰ লগে লগে ক্ৰমে শব্দটো ডাঙৰ হৈ আহিল।

"সেইটো কি?"

সিহঁতে তাতে ৰৈ শুনিবলৈ ধৰিলে। শব্দ ক্ৰমে ডাঙৰ হৈ

গ'ল; আৰু হঠাৎ গোটেই গাওঁ জুৰি এটা দীঘলীয়া শব্দ মুখৰিত হৈ পৰিল। গছবোৰ জোকাৰি পেলালে; ঠালবোৰ বৰকৈ ল'ৰিবলৈ ধৰিলে। বতাহে মাটিৰ বৰফ খান্দি ওফোৰাই পেলালে। ৰূপালি, গুৰি বৰফবোৰ কেওপিনে তললৈ সিঁচৰতি হৈ পৰিবলৈ ধৰিলে। চন্তৰীকিটাই একেবাৰে কুঁজা হৈ কোনোমতেহে আগবাঢ়িছিল। উভতি আহোঁতে যেতিয়া সিহঁতৰ পিঠিত বতাহৰ হেঁচা পৰে, তেতিয়া খোজ কাঢ়িবলৈ সহজ। বতাহে সিহঁতক উৰাই অনাৰ দৰে আনে। কিন্তু বতাহৰ গতি অনবৰত সলনি হৈ আছিল। সময়ত বতাহ সোঁহাতৰ পৰা বলিছিল, আকৌ পিচতে বাওঁহাতৰ পৰা বলে। যেতিয়া বাটটোৰ ওপৰদি বতাহ বলিছিল, তেতিয়া নিজৰাৰ দৰে বৰফ-বোৰ ওপৰলৈ তুলি নিছিল; আৰু বৰফবোৰ ক্ৰমে ওপৰলৈ যাওঁতে যাওঁতে শেহত হঠাৎ তললৈ সৰি পৰে। তলখন গোটেই বগা হৈ যায়।

"কি যে জাৰ! এতিয়া বৰফ-ধুমুহা হ বৰ উপক্ৰম হৈছে। এনেকুৱা শিল-ধুমুহাত একো নেদেখি।"

হঠাৎ দুয়োটাই একেলগে সিহঁতৰ কান্ধৰ ওপৰেদি চাবলৈ ধৰিলে, যেন কাৰবাৰ হুকুমতহে চালে। কিন্তু বাটটো আগৰ দৰেই নিৰ্জ্জন।

৩

"মৰমৰ লুইচা……"

চিঠিখনৰ পৰা মূৰ দাঙি কেপ্তেইন ৱার্ণাৰে খিৰিকীৰ পিনে চালে। বাহিৰত ধুমুহা। দেখাত এনে লাগিছিল যেন বৰফহে বৰষিছে; কিন্তু আচলতে বতাহেহে বৰফবোৰ ওপৰলৈ ওফৰাই পেলাই টুকুৰাটুকুৰকৈ ভাঙিছিল আৰু সেইবোৰ উৰাই নি জোপাবোৰৰ ওপৰত সিঁচি পেলাইছিল। বৰফৰ খুন্দা খাই খিৰিকীৰ আয়নাবোৰ টিঙ্‌টিঙাই উঠিছিল। বৰফত ঢাক খোৱা পথাৰবোৰৰ ওপৰদি হোহোৱাই বতাহ বলিছিল; বতাহৰ প্ৰকোপত গাঁৱৰ ঘৰবোৰ কঁপি উঠিছিল।

কার্ট ৱার্ণাৰৰ ঘৰলৈ মনত পৰিল। তাৰ মনটো মৰা। সি উশাহ লব নোৱাৰা যেন হৈছিল; বৰফ-ধুমুহাই জগত আচ্ছন্ন কৰি পেলালে—বৰফে সকলো গিলিপ্ মাৰি ধৰিলে। বৰফৰ সৰ্ব্বগ্ৰাসী দ'মৰ মাজত সকলো পোত গ'ল। মৰুভূমিৰ বালিৰ দৰে উৰি ফুৰা বৰফৰ কণাৰ মাজত একোৰে চিন চাব নোহোৱা হ'ল। ড্ৰেচডেনত থকা নিজৰ ঘৰলৈ তাৰ মনত পৰিল। এতিয়া বাৰু তাৰ ঘৈণীয়েক আৰু ল'ৰাছোৱালীবোৰে কি কৰিছে? সিহঁতক বহুত দিন দেখা নাই। ফ্ৰান্সৰ পৰা আহোঁতে সি বৰকৈ আশা কৰিছিল যে এদিনৰ বাবে হ'লেও সি ঘৰলৈ যাবলৈ পাব। কিন্তু সিহঁতক জাৰ্ম্মেনীৰ মাজেদি বৰ তত্তাতৈয়াকৈ লৈ আহিলে। আনকি মুহূৰ্ত্তৰ বাবেও

সিহঁতে ৰেলৰ পৰা নামিবলৈ অনুমতি নেপালে। ৰেলৰ খিৰিকীৰ আগেদি তাৰ নিজ গাওঁখন বিজুলীৰ দৰে পাৰ হৈ গ'ল; সি মাথোন তাৰ ঘৰৰ পিনে এবাৰ চালে। আধা ঘণ্টা বা দহ মিনিটমানৰ বাবেও যদি সি এবাৰ ঘৰলৈ যাবলৈ পালেহেঁতেন! তাত বৰফৰ হুৰহুৰণি নাই, মানুহৰ ওপৰত জপিয়াই পৰিবলৈ মৃত্যুৱে তাত আৰু বৰফ-ভৰা খালত অপেক্ষা কৰি থকা নাই। কফি খাই খাই সিহঁতে মেজৰ কাষত বহি থাকে, ইপিনে লুইচাই ৰুটি কাটে। তাত গৰম। লুইচাই হাঁহি মাৰি তাৰ পিনে তাইৰ শকত হাত দুখনেৰে একাপ কফি আগবঢ়াই দিয়ে—এইবোৰ সি বাৰু কেতিয়া দেখিবলৈ পাব!

তাৰ সকলোৰে ওপৰত খং উঠিল। পুচিয়াৰ ওপৰতো তাৰ খং উঠিল—তাই সদায় চঞ্চল, দুপৰীয়ালৈকে শুই থাকে আৰু অকলশৰীয়া বুলি সদায় আপত্তি কৰি থাকে; এই সকলো কথাতে তাৰ খং উঠিল। বিচনাখন পাৰি লবলৈ বা কোঠাটো পৰিপাটিকৈ ৰাখিবলৈ তাইৰ কেতিয়াও মনত নেখেলায়। বিচনাখন পৰিপাটি নোহোৱা; ইপিনে টুকুৰা চিগাৰেটবোৰ মাটিত পৰি থাকে। মেজৰ ওপৰত ৰুটি-মাখনেৰে সৈতে চুলিৰ কাটা আৰু নখকটা কেঁচী—সকলোবোৰ খেলিমেলি; এইবোৰ মনত পৰি তাৰ বিৰক্তি জন্মিল। ড্ৰেচডেনত থকা তাৰ পৰিপাটি, সৰু মহলাটোত সকলো ঠিকঠাক; লুইচাৰ হাতত সদায় চাফা কৰা কপোৰখন আছেই......নিজৰ সৈন্যবোৰৰ ওপৰত তাৰ খং উঠিল—সিহঁত মূৰ্খ, অল্পবুদ্ধিৰ; গোটেইবোৰ ওকণীৰে ভৰা। সিহঁতৰ শৰীৰ বৰফে খেৰেকচি পেলালে, ইপিনে গাত বাৰেপাচি বেমাৰ। গাঁওখনৰ কথা ভাবি তাৰ খঙে মূৰৰ চুলি পালেগৈ; ইয়াত থকা তাৰ

এমাহ হৈ গ'ল। গাওঁখন বিমর্ষ, সকলো কথা লুক-ঢাক। তাৰ আগেদি মানুহবোৰ তলমুৰাকৈ পাৰ হৈ যায়। কিন্তু তথাপি সি জানে যে সেই তলমুৰা চকুবোৰত ঘৃণাৰ চাৱনি লুকাই থাকে আৰু সি জানে যে সিহঁতৰ পৰা সি যি—ভয় আৰু বশ্যতা—বিচাৰিছে, তাক বোধহয় কোনো শক্তিয়ে কাঢ়ি আনিব নোৱাৰে।

দাঁত কামুৰি সি ভোৰভোৰাই থাকিল—"তহঁতক এশিকনি শিকাম, ৰ!" তাৰ চকু বগা কাগজখিলালৈ গ'ল। মেজৰ ওপৰত মূৰ দোঁৱাই সি খৰকৈ লিখিবলৈ ধৰিলে; ইমান খৰকৈ লিখিলে যে চিঞাহীৰ সৰু টোপালবোৰ কেওপিনে ছিটিকি পৰিল।

"কেতিয়া নো আকৌ তোমাৰ কাষ পাওঁগৈ তাৰেই দিন লেখি আছোঁ। লুইচা! আমি আগবাঢ়ি গৈছোঁ। এই ভয়ানক হাবিময়, বৰ্ব্বৰ দেশত আমি একেবাহে আগবাঢ়ি গৈছোঁ। সোনকালে পূৰ্ণ-বিজয় লভি আমাৰ এই যুদ্ধযাত্ৰা সফল কৰিম।"

লুইচাই সন্তোষ পাওক! তিনি মাহ জুৰি সিহঁতক একে ঠাইতে প্ৰতিৰোধ কৰি ৰখোৱা কথাটো তাই জানিব নেলাগে। এখন সৰু আৰু টোকোনা গাৱঁৰ ঘটনা এটা একো ধৰিবলগীয়া কথা নহয়। এনে ভয়ানক আৰু নিৰ্ম্মম বৰফৰ মাজত সিহঁতে তিনিমাহ জীয়াতু ভুগিছে; হাবিয়ে-বননিয়ে, খালে-ডোঙে গৰিলাই সিহঁতৰ প্ৰতীক্ষাত জোপ লৈ থাকে। দিনে দিনে সৈন্যবোৰ দুৰ্ব্বল হৈ আহিছে আৰু নিতৌ সিহঁতৰ মাজত বেমাৰীৰ সংখ্যা বাঢ়ি গৈছে। ফ্ৰান্সৰ পৰা যিটো দলৰ লগত সি আহিছিল তাৰ প্ৰায় কোনোৱেই বাকী নাই। মেকাৰৰ

বাহিৰে তাৰ ড্ৰেচডেনৰ কোনো বন্ধু জীৱিত অৱস্থাত নাই—এইবোৰ কথা লুইচাই গম পাব নেলাগো। এৰা, তাই এই-বোৰ নেজানিব ; আৰু জানিবই বা কেনেকৈ ? ৰণ-থলীৰ পৰা দিয়া চিঠিয়ে সাহস উদগাব লাগিব আৰু দেশপ্ৰেমৰ ভাৱ জগাই তুলিব লাগিব।' তদুপৰি, লুইচাৰ বাহিৰেও—আৰু লুইচাতকৈও আগতে—আনে চিঠিখন পঢ়িব ; তেওঁলোকে এই চিঠিৰ পৰা কাৰ্ট ৱাৰ্ণাৰৰ মনৰ ভাৱ নিৰ্ণয় কৰিব।

"ইয়াত অতিপাত জাৰ। ইমান জাৰ আমাৰ সহ্য নহয়। কিন্তু ফুহ্‌ৰাৰৰ আদেশত আমি উদগনিৰ তাপ পাওঁ আৰু তেওঁৰ মহান আঁচনি কাৰ্য্যকৰী কৰি তোলাৰ ভাৰ আমাৰ ওপৰত পৰা বাবে গৰ্ব্ব অনুভৱ কৰোঁ। জাৰ্ম্মেনীৰ মহত্ত্ব সেৱা কৰাৰ ভাৰ আমাৰ ভাগত পৰিছে।"

সি আৰু কেইশাৰী মান লিখিলে ; তাৰ পিচত চিঠিখন মুৰৰ পৰা চুনাই পঢ়িলে। সিমান বেয়া হোৱা নাই ; অন্ততঃ সৈন্যৰৰ কাৰণে জাৰ্ম্মেনীৰ পৰা পঠোৱা গোহাৰিতকৈ ভাল হৈছে। তাতকৈ বেছি তেজস্বী আৰু বিশ্বাসজনক।

কলমৰ আগটো কামুৰি সি খন্তেক ভাবিলে আৰু সিমানেই শেষ বুলি ঠিৰাং কৰিলে। লৰাছোৱালীৰ কথাও নিশ্চয় সুধিব লাগিব। কাৰণ এই চিঠিৰ মাজেদি সি নিজক কেৱল জাৰ্ম্মান সেনানায়ক হিচাবেই পৰিচয় দিলে নহ'ব—গিৰীয়েক আৰু বাপেক হিচাবেও দেখুৱাব লাগিব।

"প্ৰিয়তমা ! তুমি কেনেকৈ চলিছা ? পিজেলৰ কেনে ? উইলিৰ ডিপ্তিৰ ঘা ভাল হ'লনে ? তালৈ কোটৰ কাৰণে লোম পঠাবৰ চেষ্টা কৰিম, জেভিয়া তাৰ আৰু জাৰ লেলাগে। তুমি

মোক মোজা খুজিছিলা, কিন্তু দুৰ্ভাগ্যবশতঃ সেইবোৰ পাবলৈ টান। কাৰণ, আমাক এতিয়া গাৱঁতহে ৰাখিছে। কোনো নগৰ ল'লেই মই মোজা গোটাবৰ চেষ্টা কৰিম। যোৱা সপ্তাহত তোমালৈ অলপ মাখন পঠাইছিলোঁ। মোৰ পাৰ্চেলটো কেতিয়া পোৱা সেইখবৰ যথা সময়ত জনাবা বুলি আশা কৰিলোঁ। অহা মাহত তোমালৈ অলপ মৌ পঠাম......উইলিং ডিঙিত লগাব পাৰিবা......।"

কোনোবাই দুৱাৰত টুকুৰিয়ালে।

"কি লাগে এতিয়া ?"

"গাওঁবুঢ়া আহিছে।"

উভতি চাই সি ক'লে "তাক ৰবলৈ ক" ; আৰু তাৰ পিচত আকৌ চিঠিলৈ মন দিলে। কিন্তু এইবাৰ তাৰ ভাব আন পিনে গ'ল ; ড্ৰেচডেনৰ ঘৰৰ পৰা উভতি আহি সি আকৌ ইউক্ৰেণৰ এই গাওঁখনত ওলালহি। খণ্ডত সি লিখিব নোৱাৰা হ'ল। চুমা যাচি আৰু মঙ্গল কামনা কৰি সি লৰালৰিকৈ চিঠিখনৰ সামৰণি মাৰিলে আৰু চহী কৰি খাম এটাৰ ভিতৰত ভৰালে।

"বাৰু, সি ক'ত আছে ? তাক ভিতৰলৈ পঠাই দে।"

দুৱাৰমুখত ওখ মানুহ এটাই দেখা দিলেহি।

"গছ্ প'দিন কেপ্তেইন। আপুনি মোক মতাইছিল বোলে ?"

"হয়, মই তোক মতাইছিলোঁ।"

সি মেজৰ তললৈ ভৰিকেইটা মেলি দিলে ; আৰু সন্মুখত ঠিয় হৈ থকা মানুহটোলৈ খন্তেক তন্ন তন্নকৈ লক্ষ্য কৰিলে। হঠাৎ সন্মুখৰ পিনে হালি গৈ কাৰ্টে দুটা মাজেৰে সুধিলে—

"কেতিয়ানো ধান-চাউলৰ চালান মজুত হ'বগৈ ?"

গাওঁবুঢ়াৰ গা শিয়ৰি গ'ল; তললৈ মূৰ কৰি থাকিল—"মই যথাসাধ্য চেষ্টা কৰিছোঁ। দেহেকেহে লাগিছোঁ······ধানচাউল পাবলৈ নাই···"

"ধানচাউল নাই মানে কি? গাৱঁত তিনিশ ঘৰ মানুহ আছে? এইবছৰ খেতিও উপচি পৰিছিল, আকৌ তই কৈছ ধান-চাউল নাই? সিহঁতে সকলো লুকাই থৈছে।"

মানুহটোৱে বিননিৰ সুৰত হুমুনিয়াঁ এটা কাঢ়িলে।

"হয়, সিহঁতে জঙ্গল লুকুৱাই থৈছে।"

সি খিৰিকীৰ পিনে আঙুলিয়াই দেখুৱালে। বাহিৰত তেতিয়া বৰফৰ ধুমুহা বলিছিল।

"কিন্তু মই ক'ত বিচাৰিম? সেইখনত মই কিটো পাম?"

কেপ্তেইনে তাৰ কথাত বাধা দি ক'লে—"তই বিচাৰিব লাগিব। তই কেৱল ভালকৈ সন্ধান লব লাগিব। গেস্পাদিন গেপলিক্ ভালকৈ বিচাৰিবি······বহ!"

গাওঁবুঢ়া ভয়ে ভয়ে চকিৰ এচুকত বহিল।

"মই তোৰ কামত অলপো সন্তুষ্ট হোৱা নাই। সমুলি সন্তুষ্ট হোৱা নাই। সঁচাকৈ কবলৈ গ'লে, মই আনকি বুজিবই পৰা নাই—কিহৰ কাৰণেনো সিহঁতে তোক ইয়ালৈ আনিলে! মোৰ মনেৰে স্থানীয় মানুহ এটা বিচৰাহেঁতেনেই বেছি ভাল হ'লহেঁতেন।······ইয়াত এমাহ থাকিও এমাহ তই মানুহবোৰক চিনিব নোৱাৰিলি। এই গাৱঁত কোন থাকে, তই জান নে?"

গাওঁবুঢ়াৰ চকুৰ আগত আশাৰ ক্ষীণ পোহৰ এটা ভাহি উঠিল। সক, তপা মূৰটো দুপিয়াই সি সকলো কথা শলাগি গ'ল।

"এৰা; মই সিহঁতক জানিম নোৱাৰিলোঁ······এইখন

ডাণ্ডৰ গাওঁ ; ইয়াৰ কোনোবাই মোৰ সৈতে কিবা এটা কৰিব খোজেনে ? সঁচাকৈ, স্থানীয় মানুহ হ'লে সুবিধা হ'ব, খুব সহজ......।"

কেপ্তেনে চকিখনত আঁউজি বহিল। সি টেঙৰালি কৰি সুধিলে—"এ !......তেনেহ'লে তোৰ কামটো তই ভাল পোৱা নাই, হয়ঃ ?"

গেপলিকে হাতদুখনেৰে টুপিটো বাৰে বাৰে পকাবলৈ ধৰিলে, কিন্তু উত্তৰ নিদিলে।

"তেনে,......কিন্তু তই পাহৰি নেযাবি যে ৰেড্ সৈন্যই তোক গুলীয়াই মাৰিলেহেঁতেন নাইবা খেতিয়কবোৰে তাতোকৈ জঘন্য ভাৱে তোক হোলোং মাৰিবৰ থকা-সৰকা কৰিলেহেঁতেন ......তই জাৰ্ম্মান কৰ্ত্তৃপক্ষৰ ওচৰত তোৰ জীৱনৰ বাবে ঋণী-সিহঁতে যি কয়, তাকে তই কৰিবই লাগিব। তদুপৰি, সিহঁতে-তো বেছি একো বিচৰা নাই, বিচাৰিছে নে কি ?"

খেতিয়কটোৱে হুমুনিয়া কাঢ়িলে।

"তোৰ কামত তই অলপো মনোযোগ দিয়া নাই। তই একোতে মন দিয়া নাই......বলছেভিক্‌বোৰে তোৰ মাটিবাৰী কাঢ়ি নিলে, তোক ফাটেকত দিলে। আমি ভাবিছিলোঁ, মোৰ শক্তিৰে তই যিমান পাৰ সিমান কৰিবি। পিচে, তই একোকে নকৰিলি.. ..আমাৰ যি আছে, সকলোবোৰ মোৰ সৈন্যবোৰে গাৱঁৰ পৰা কাঢ়ি অনা বস্তু। কিন্তু তোৰ যত্নত হোৱা বুলি দেখুৱাবলৈ একো নাই.....আৰু আচলতে আজি তোৰ পৰা একো খবৰো পোৱা নাই।"

"কিন্তু মই আপোনাক সেই কষ্টিয়াকৰ কথা কৈছিলোঁ।"

নিজৰ বুলি ক'ব পৰা একমাত্ৰ কৃতকাৰ্য্যতাৰ সহায়েৰে সি

নিজক ৰক্ষা কৰিবলৈ চেষ্টা কৰিলে। পিচ চোতালেদি সেনাপতিৰ ওচৰলৈ লুকাই আহোঁতে সি সেই খবৰটো দৈবাৎ গম পাইছিল

ৱাৰ্ণাৰৰ খং উঠিল

"বাৰু, আৰু কি ?"

গেপ্‌লিকে সৰুকৈ ক'লে,"শিক্ষয়িত্ৰীৰ কথাটো ....." বাৰু, হয় শিক্ষয়িত্ৰীৰ কথা .....পিচে, সেইটো আধাডুখৰীয়া আৰু এতিয়াও তাৰ বিচাৰ কৰিবলৈ আছে।"

"স্থানীয় মানুহ হোৱা হ'লে সুবিধা হ'লহেঁতেন ....."

"সকলো সময়তে তোৰ স্থানীয় মানুহৰ কথা মোৰ আগত উলিয়াই নেথাকিবি। নিশ্চয় সুবিধা হ'ব, কিন্তু স্থানীয় মানুহ পাম ক'ত ? সমূহীয়া পামত তিনিশ ঘৰ আৰু তিনিশ পৰিয়াল। এটাও গাইগুটিয়া খেঁতিয়ক নাই। সিহঁতৰ মাটি হ'ল কোনোবা ডাঙৰ জমিদাৰৰ পৰা বাজেয়াপ্ত কৰা মাটি।... ..আৰু মানুহবোৰৰ কথা তই নিজেই জান দেখোন . ...বলছেভিকবোৰৰ অনুগ্ৰহত ডুখীয়া, অকৰ্ম্মণ্য কিছুমান মাটিৰ গৰাকী হ'ল! সিহঁতৰ সৰহ ভাগেই আগেয়ে পামত বনুৱা হিচাবে খাটিছিল! ইয়াত মানুহ পাবি কেনেকৈ ?"—খঙত ৱাৰ্ণাৰে মেজত ঢকিয়াই চিঞৰি ক'লে। "তই চেষ্টা কৰিবই লাগিব। নহ'লে, গেপলিক! তোক অন্য ব্যৱহাৰ কৰিব লাগিব। শস্য গোটাবলৈ তোক তিনি দিন—নহয় বাৰু, চাৰি দিনেই—দিলোঁ। সৈন্যবোৰক খুৱাবই লাগিব। তই খেতিয়কবোৰক হাতলৈ আনিব পৰা নাই, সেই বুলিয়েই আমি সৈন্যবোৰক শুকাই মৰিবলৈ দিম নে ?"

হতাশভাৱেৰে গাওঁবুঢ়াই ক'লে "মই অকলে একো কৰিব নোৱাৰোঁ। মোক সৈন্যৰ সহায় লাগিব......"

"মই কিবা তোক সহায় নকৰো বুলিছোঁ নে? লাগিলে কৰিম। কিন্তু তই নিজে অলপ চেষ্টা কৰিব লাগিব। অলপ ভাবি-গুণি ল।"

গাওঁবুঢ়াৰ চকুকেইটা আশাত জিলিকি উঠিল।

"বাৰু, মই কি হয় এটা ভাবি আপোনাক জনাম......"

"বাৰু, বাৰু, কেৱল ভাবোতেই এযুগ নিনিয়াবি। মনত ৰাখিবি, হাতত মাথোন চাৰি'দিন। আৰু সেই ল'ৰাটোৰ কথা ......দোষীক বিচাৰি উলিয়াবই লাগিব। যেনেতেনে উলিয়াব লাগিব। নহ'লে তয়েই জগৰীয়া হ'বি। তাৰ বাবেও মই তোক চাৰি দিন দিলোঁ।"

সি খিৰিকীৰ পিনে মুখ ঘূৰালে। বাহিৰত তেতিয়াও ভীষণ বতাহ। বৰফবোৰ উৰাই নিছিল। ঘৰবোৰ যি দৰে মেট্‌মেটাই উঠিছিল যেন ভাগিবই। গেপলিকে বুজিলে যে তাৰ সাক্ষাতৰ সামৰণি পৰিল। কেপ্তেইনে মুখ ঘূৰাই থকা অৱস্থাতে সি মূৰ দোঁৱালে আৰু তাৰ পিচত ওলাই গ'ল।

বাটলৈ আহিহে সি টুপিটো পিন্ধিলে। সি মূৰটো বেঁকাকৈ যাবলৈ ধৰিলে। তাৰ মনত এটা চিন্তাইহে মাথোন উপায়হীন ভাৱে ঘূৰা-পকা কৰি ফুৰিলে—কেনেকৈ আমঠ গাওঁখনৰ পৰা সি শস্য আদায় কৰিব! বৰফৰ পোহৰত চকু ধুঁৱলিকুঁৱলী লগাত সি এবাৰ সিফালৰ পৰা অহা মানুহ এটাৰ গাত খুন্দাকৈ মাৰিব খুজিছিল। হঠাৎ মাঁৰ পৰা বিৰক্তিকৰ চিন্তাবোৰ আঁতৰি গ'ল; সি উচাপ খাই পিচুৱাই গ'ল। পকাচুলীয়া বুঢ়াটোৱে তাক ওচৰৰ পৰা চালে আৰু চিনি পাই দেখাদেখিকৈ মাটিত থুৱাবলৈ ধৰিলে; বাটৰ যি কাষে ঘৰবোৰ আছে, সেই পিনলৈ সি আঁতৰি গ'ল।

গেপালিক বেগাই ঘৰমুৱা হ'ল। কাগজ এখন উলিয়াই ল'লে আৰু মেজৰ কাষত বহি হুকুম এটা লিখিবলৈ ধৰিলে। মূৰটো এবাৰ ইকাতি এবাৰ সিকাতি কৰে; মাজে মাজে শব্দ-বোৰ কাটি পেলায় আৰু শুধৰাই লিখাবোৰকে আকৌ কাটে। শেহত সি হুমুনিয়া কাঢ়ে। বাহিৰত হোহোৱাই বতাহ বলিছিল। কেপ্তেইনৰ হুটা মাতটো মনত পৰি তাৰ ভয় লাগি যায়; ইপিনে স্থানীয় খেতিয়কৰ মুখবোৰৰ তাতোকৈ ভয় লগা সোঁৱৰণীয়ে তাৰ মনটো হেঁচা মাৰি ধৰে।

সি ঘামিজামি যায়; তপা মূৰটো মচি পেলায়। সি যে তাৰ শেষ উপায় অৱলম্বন কৰিছে আৰু যেনেতেনে সি যে ৱার্ণাৰক সন্তুষ্ট কৰিব লাগিব, এইকথা সি ভালকৈ বুজিছিল। যেনেতেনে গাঁৱৰ মানুহৰ এই বাধা ভাঙিবই লাগিব।

তেতিয়া গাঁওখন শাঁত পৰি আছিল; ওপৰত বতাহে বৰফৰ ডাৱৰেৰে ছাটি পেলাইছিল। ঘৰত বহি বহি মানুহে খিৰিকীৰ সিপিনে বতাহৰ হোহোৱনি শুনিছিল। কেৱল জেভড'কিম ওখাব্‌ক'ৰহে অকলে থাকি বৰ আমনি লাগিছিল; সেইদেখি বৰফ-ধুমুহাৰ মাজতো সি চুবুৰীয়াক দেখি কৰি আহিবলৈ মন কৰিলে। ধুমুহাৰ মাজেদি সি মেলিয়াকইঁতৰ জেওবাৰ কাষে কাষে যাবলৈ ধৰিলে। দুৱাৰমুখত জোতাৰ পৰা কোনোমতে বৰফবোৰ এৰুৱালে। ঘৰৰ ভিতৰত সাৰসুৰ নাই। জেভড'কিমে দুৱাৰত টুকুৰিয়ালে আৰু কোনো প্ৰত্যুত্তৰলৈ বাট নেচাই দুৱাৰখন খুলি দিলে। তিনিজোৰ আতঙ্কিত চকুৱে তাৰ পিনে চালে।

"তোমালোকৰ কেনে ?"

মেলিয়াচিখাই হুমুনিয়া কাঢ়িলে। তাইৰ বুকুৰে ধান বনাদি বানিছিল।

"জেভড'কিম ককা নেকি ?"

"দেখা নাই জানো ? বাৰু, তোমালোক ইমান বিহ্বল হৈ পৰিছা কিয় ?"

তাই উত্তৰ নিদিলে। ইপিনে সি লাখুটিত ভৰ দি ঠিয় হৈ থাকিল।

"তোমালোকে মোক বহিবলৈকে কোৱা নাই দেখোন ? এইবোৰ আধুনিক নিয়ম নে কি, হোঁঃ ?

তাই লাহে লাহে ক'লে "আমাৰ সৈতে নবহাই ভাল, আপুনি ইয়ালৈ নহাহে ভাল।"

"কেলেই ?"

তাই কান্ধ জোকাৰিলে। খিৰিকীৰ ওচৰৰ বেঞ্চখনতে বুঢ়া বহিল।

"হৈছে কি, গেলিয়া ! বলিয়া হ'লা নেকি ? তেনেকৈ বহি আছা কিয় ? মিস্কা ক'ত আছে ?"

জেনাই হঠাৎ চিঞৰি কান্দিবলৈ ধৰিলে।

"তোৰ আকৌ কি হ'ল ?"

"জেনা, মনে মনে থাক ; নেকান্দিবি"—মাকে খঙেৰে ক'লে। জেভড'কিমে মুৰ খজুৱাবলৈ ধৰিলে।

"বৰ বৰফ-ধুমুহা হৈছে। গোটেইখন তলওপৰ হৈ পৰিছে। গোটেই ঘৰটো কঁপাই দিছে। অকলে বহি থাকি বৰ বেয়া লাগিল ...সেইদেখি চুবুৰীয়া দুই এঘৰলৈকে যাওঁ বুলি ভাবিলোঁ...।"

মেলিয়াচিখাই হুমুনিয়া কাঢ়ি ক'লে—"ককা ! এতিয়া আৰু আমি চুবুৰীয়া হৈ থকা নাই......"

লাখুটিৰ ওপৰত হাত দুখন থৈ সি তাৰ ওপৰত থুতৰীটোৰে ভৰ দিলে আৰু মানুহজনীলৈ একেথৰে চাবলৈ ধৰিলে। “কিবা এটা হৈছে, নহয় নে? এনে ধুমুহাত মিস্কা ক'ত ঘূৰি ফুৰিছে ?”

“ককা, মিস্কা গ'ল……’

“গ'ল মানে কি? ক'লৈ গ'ল ?’

“কলৈকো যোৱা নাই……যোৱা ৰাতি জাৰ্ম্মানে মিস্কাক গুলীয়ালে।”

বুঢ়াৰ পকাচুলীয়া মূৰটো কঁপিবলৈ ধৰিলে।

“মিস্কাক. .গু . লী য়া…লে? এইজনীয়ে কি কৈছে এইবোৰ ?”

তাই হাতদুখন মোহাৰি মোহাৰি আঙুলিবোৰ ফুটাবলৈ ধৰিলে।

“কওঁ শুনক…সি অ'লেনালৈ বুলি ৰুটি লৈ চালিৰ ওচৰলৈ গৈছিল। তাতে জাৰ্ম্মানে তাক গুলীয়ালে।”

তাৰ মনত যে এটা প্ৰশ্ন জাগি উঠিছে, সেইকথা তাৰ ধোঁৱাবৰণীয়া চকুজোৰে সঁহাৰি দিলে। তাই বুজিলে আৰু সেইদেখি আকৌ ক'লে—“নহয়, মই তাক জাৰ্ম্মানৰ হাতত এৰি থৈ অহা নাই। তাক খালৰ পৰা চোঁচোৰাই তুলি আনিলোঁ আৰু মোৰ পিঠিত তুলি তাক ঘৰ পোৱালোঁহি। ……তাক আমি পুতি থৈছোঁ। এতিয়া কোনেও তাক বিচাৰি নেপায়।”

“তাক সিহঁতে চিনি পালেনে কি ?”

“কেনেকৈ পাব? সিহঁতে তাক মাৰিলে আৰু কুকুৰৰ দৰে খাললৈ দলিয়াই দিলে……এতিয়া বোধহয় সিহঁতে তাক বিচাৰিব। কিন্তু এতিয়ালৈকে কোনো সাৰসুৰ নাই। আপুনি

দুৱাৰত টুকুৰিয়াওঁতে সিহঁত আহিছে বুলিহে ভাবিছিলোঁ।”
সি মুৰ জোকাৰিলে।

“তেনেহ'লে এইদৰেই কত মানুহ মৰিব লাগিছে!……
সৰু লৰাছোৱালীও!……চাছা, তই মনত ৰাখিবি। এই সকলো
কথা ভালকৈ মনত ৰাখিবি……।”

লৰাটোৱে নিৰৱে মুৰ দুপিয়ালে।

“তোৰ দেউতাৰ আৰু আন মানুহবোৰ আহিলে সকলো কৈ
দিবি…”

মানুহজনীয়ে শুকান মাতেৰে ক'লে—“সিহঁতে এইবোৰ কথা
নেজানে বুলি ভাবেনে কি?”

“নিশ্চয় জানে……সিহঁতে নিজ চকুৰে দেখিছে……আগেয়ে
প্লেটনে আনৰ বাবে প্ৰতিশোধ লৈছিল। এইবাৰ মিস্কাৰ বাবে
ল'ব লাগিব। নিজৰ পুতেকৰ মৃত্যুৰ বাবে সি প্ৰতিশোধ
লবই লাগিব……।”

মেলিয়াচিথাই লাহেকৈ ক'লে—“এইবোৰ সকলো একে।”
“নিশ্চয়, নিশ্চয় সকলো একে …..কিন্তু, হেজাৰ হ'লেও নিজৰ
পুতেক। মোৰ ল'ৰাকো সিহঁতে ১৯১৮ চনত মাৰিলে। অনেক
অভিযোগৰ বাবত সিহঁতৰ ওপৰত প্ৰতিশোধ লবলৈ মোৰ
হেঁপাহ আছে। কিন্তু তাৰ কথাটোৱেই মোৰ
মানত মুখ্য। মুঠতে, যিমানে বুকুৰ কাষ, কষ্টও
সিমানে বেছি। মই এতিয়া এটা নিৰস বুঢ়া; মোক
এতিয়া কোনেও নিবিচাৰে।……কিন্তু মোৰ নাতিপুতি
হ'লহেঁতেন; তেতিয়া মোৰ ঘৰতো আনন্দই নধৰা
হ'লহেঁতেন……”

“ককা, গোটেই গাওঁ ভৰি আপোনাৰ নাতিপুতি আছে।”

"নিশ্চয়, গাওঁ ভৰি আছে...তথাপি নিজৰ তেজমঙহৰ মানুহৰ কথা বেলেগ .."

"সেয়া! শুনক, সিহঁতে ঘণ্টা দিছে। তাৰ মানে সভা বহিব......"

মেলিয়াচিথাৰ মুখ শেঁতা পৰি গ'ল।

"নিশ্চয় মিস্কাৰ বিষয়ে বিচাৰ কৰিব. ....".

বুঢ়াই হাত জোকাৰিলে।

"মিস্কাৰ বিষয়ে হ'বও পাৰে, নহ'বও পাৰে......সিহঁতে আন কথা ভাবিব নোৱাৰেনে কি ?"

তেতিয়াও ঘণ্টা বাজি আছিল।

"এৰা, আমি যাবই লাগিব। নহ'লে সিহঁতে খেদি লৈ যাবহি। ককা, আপুনি যাবনে ?"

"মোৰ মনেৰে এই বিষয়ত আমাৰ কোনো বাছবিচাৰ নচলিব। যাওঁ ব'লা।"—সি লাখুটিত ভৰ দি ঠিয় হ'ল। "চাছা তই কলৈকো নেযাবি। জিনাক চাবি। শেষ হ'লেই মই ঘৰলৈ আহিম।"

কুঁৱলীৰ মাজেদি সিহঁত যাবলৈ ধৰিলে। বাটৰ দুয়োকাষে ঘৰৰ দুৱাৰবোৰ মেল খালে আৰু তিৰোতা, ছোৱালী, বুঢ়ামানুহ —সকলো ওলাই আহিল।

"কেলৈ মাতিছে জানানে ?"

"কেনেকৈ জানিম ? তোমালোকে যিমান জানা, ময়ো সিমানেই জানোঁ। ঘণ্টা বজোৱা শুনিলোঁ আৰু ওলাই আহিলোঁ।"

এজনী মানুহে ডাঙৰকৈ হুমুনিয়া কাঢ়ি ক'লে—"গোঁসাই ঐ। কিহৰ বাবে বা মাতিছে ?"

সিহঁতৰ কাষেদি যাওঁতে ফেডচিয়া ক্ৰেভচাকে কৈ গ'ল—"ইনাই বিনাই গৈছা কেলৈ ? কিহৰ কাৰণে মাতিছে সেইকথা জনাই নাই, ইপিনে উচুপিবলৈ লাগিলেই ।"

"কিন্তু, এইটো দেখা কথা যে ভাললৈ মতা নাই।

"তুমি সিহঁতৰ পৰা কিবা ভাল কথা আশা কৰিছিলানে কি ? যিহে ভালসোপা সিহঁতে আমাৰ কাৰণে কৰিছে। এতিয়া সেইদেখি সিহঁতৰ পৰা তুমি ভালৰ বাহিৰে একো আশাই কৰিব নোৱাৰা হ'লা......"

"সেইটো ঠিক......"

"সেইদেখি আগতে হাঁহুমুনিয়া কাঢ়িবৰ একো আৱশ্যক নকৰে। আগতো নকৰে—পিচতো নকৰে !"—ফেডচিয়াই ক'লে।

কোনেও উত্তৰ নিদিলে। সকলোৱে ভেচিয়াৰ কথা জানে। তাইৰ মুখৰ কাষত কিয় দ ৰেখাকেইদালে দেখা দিলে, সেইকথা সিহঁতে জানে। সেইদেখি, এতিয়া বিনাবৰ সময় নহয় বুলি ক'বৰ যদি কাৰবাৰ স্বত্ব আছে, তেনে তাইৰেই। আন মানুহবোৰ যি আশা বান্ধি জীয়াই আছিল, তাইৰ সেইকণ আশাও নাছিল। তথাপি তাই বেজাৰ কৰা নাছিল। সিহঁতৰ পুতেক-গিৰিয়েকহঁত সৈন্যবাহিনীত বা গৰিলাৰ দলত আছিল। সিহঁত জীয়াই আছিল; যি শুভ মুহূৰ্ত্তত ৰেডসৈন্যৰ গুলীৰ আঘাতত এই গাৱঁৰ মাজতে শেষ জাৰ্ম্মান সৈনিকৰ শেহৰ নিশ্বাস পাৰিব, সেই মুহূৰ্ত্তত ইহঁতবোৰে সকলোকে আকৌ দেখা পাব।

লাহে লাহে এন্ধাৰ বেছি হ'ল। ৰবফৰ ধুমুহাৰ মাজত গাৰ্ত কাপোৰ মেৰোৱা মূৰ্ত্তিবোৰ এটা দুটাকৈ তেতিয়াও আহি

থকা দেখ গ'ল। কেওপিনৰ পৰা স্কুললৈ মানুহ আহিবলৈ ধৰিলে। পুৰণি অভ্যাস অনুসৰি মানুহে এতিয়াও ইয়াক 'স্কুল' বুলিয়েই কয়। ডাঙৰ ঘৰ, খিৰিকীবোৰো ডাঙৰ, আটালবোৰ ওখ আৰু জুহালবোৰ বগা 'টাইল'ৰ। কোঠাবোৰ ডাঙৰ আৰু পৰিপাটি। 'মাথোন এতিয়া তাত স্কুল নবহে। জাৰ্ম্মানে ইয়াৰ চকিমেজবোৰ পুৰি পেলালে, স্কুলৰ সৰঞ্জাম থকা সৰু আলমাৰিবোৰ ভাঙি গুৰি কৰিলে; মেপ, ছবিবোৰ একেবাৰে পেলালে। স্কুলৰ সভা-ঘৰটো উদং হৈ নিজম পৰিল। এতিয়া এই ঘৰটোলৈকে মানুহ আহিবলৈ ধৰিলে; শেহত তিৰোতা আৰু বুঢ়া মানুহেৰে ঘৰ ভৰি পৰিল। কেৱল মেলেনিয়া ভিচ্‌নেভাহে অকলশৰে ঠিয় হৈ থাকিল। অদৃশ্য প্ৰতিবন্ধক এটাইহে যেন তাইক জনতাৰ পৰা আঁতৰাই ৰাখিছে, কোনেও যেন এই প্ৰতিবন্ধক পাৰ হৈ যাব নোখোজে। মৰাৰ দৰে শেঁতা পৰি তাই বেৰত আঁউজি ঠিয় হৈ থাকিল। তাইৰ উদ্‌বাউল চকুজোৰে একেথৰে এপিনে চাই থাকিল। 'কমাল খনৰ তলেদি কোছাকোছে ক'লা চুলি বাহিৰলৈ বৈ পৰিছিল, তাই কিন্তু চুলিবোৰ পিচলৈ সামৰি নথ'লে।

ওখ চাওখন সিহঁতে ভঙা নাছিল; তাৰ ওপৰতে মেজ এখন তুলি গেপ্‌লিক বহি আছিল। তাৰ কাষতে ফেল্ডৱেবেল বহিছিল; সি হামিয়াই আছিল আৰু মাজে মাজে ঘৰটোত গোট খোৱা মানুহবোৰলৈ এনেয়ে এবাৰ চাইছিল।

মেজখনৰ পিচপিনে ঠিয় হৈ গেপ্‌লিকে সুধিলে—"ইয়ালৈ সকলো আহিল নে?" তাৰ সৰু, তপা মূৰটো দীঘল ডিঙিটোৰ ওপৰত চলংপলং কৰি আছিল।

দুৱাৰৰ ওচৰৰ পৰা কোনোবা এটাই ক'লে—"সকলো আহিল।"

গাওঁবুঢ়াই মেজৰ পৰা কাগজ দুখনমান তুলি ললে; পিচত কিবা কাৰণত আকৌ থৈ দিলে। সি কঁপা হাতেৰে সেইবোৰ লুটিয়াই থৈছিল।

ভিৰৰ মাজৰ পৰা কোনোবাই ফুচফুচাই ক'লে—"তপা বুঢ়াটো! সি ভয় কৰিছে।"

"সি নিশ্চয় কিবা নতুন ফন্দী উলিয়াইছে।"

"তাৰ ভয় নেলাগিব কিয়? সি বোধ হয় জানে যে আমাৰ সৈন্যবোৰ আহিলে তাৰ জীয়াই জীয়াই চাল চেলাব—।"

"তাৰ মানে, যদি আমি তাক আগতে ধৰি তাৰ উচিত ব্যৱস্থা কৰোঁ, তেতিয়া সি আৰু আগলৈ গাওঁবুঢ়া হবলৈ ইমান উচপিচনি নলগাব।"

বুঢ়া আলেকজেণ্ডাৰ সমূহীয়া পামৰ চহিচ, সি খোৰাও। সি সুধিলে—"তোমালোকে তাক কি কৰিবা?"

"বৰ কথাটো সুধিলে! কি কৰিব লাগে আমি জানোঁ।"

—ওথ, শুৱনী ফ্ৰচিয়াই টপৰাই মাত লগালে।

"চুপ্! কিহৰ ইমান কথা! সভা আৰম্ভ হ'ল।"—গেপ্লিকে জনতাৰ পিনে চাই খঙেৰে ক'লে।

জেভড'কিমে ভোৰভোৰাই ক'লে "আৰম্ভ হোৱা যেন নেদেখি।"

কোনোবা এটাই মাত লগালে—"তোমাৰ হৈছে কি? গেম্পডিন গাঁওবুঢ়া দয়া কৰি আহিছে, তাৰ মালিকো ইয়াতে আছে, তেনে আৰু নো কাক লাগে?"

অদ্ভুত মাতেৰে গেপ্‌লিকে চিঞৰি ক'লে—"চুপ্‌! কিমান বাৰ ক'ব লাগে! কিহৰ ইমান ফুচফুচনি ?"

ডাঙৰকৈ নাক বজাই টাৰপিলিখাই ক'লে—"তিৰোতাবোৰ! মনে মনে থাকা। সিনো কি বকে শুনা যাওক।"

গেপ্‌লিকে গলখেকাৰি মাৰিলে; চকুকেইটা কাগজ খনেৰে ঢাকি ল'লে আৰু জেপৰ পৰা লোৰ চকৰি থকা চচমা এজোৰ উলিয়াই নাকৰ ওপৰেদি খুৱাই ল'লে।

"আহা..."

"সি কাগজখন পঢ়িব খুজিছে..."

"নতুন হুকুম-জাৰি যেন লাগে...'

চচমাৰ মাজেদি গাঁওবুঢ়াই জনতাৰ মাজলৈ এবাৰ চাই ল'লে। কোনেও কথা পতা নাছিল। সি আকৌ গলখেকাৰি মাৰিলে আৰু সৰু মাতেৰে লেনিয়াই আৰম্ভ কৰিলে—"এতিয়া-লৈকে বাসিন্দাসকলে বস্তুৰে—তাৰ মানে—শস্যেৰে নিৰ্দ্ধাৰিত কৰা কৰ সোধোৱা নাই...... ।"

জনতাৰ মাজত গুন্‌গুননি উঠিল আৰু তৎক্ষণাৎ মাৰ গ'ল।

"বাসিন্দাসকলক ইয়াৰ দ্বাৰা সাৱধান কৰি দিয়া হ'ল যে, আগতে ঘোষণা কৰি দিয়া পৰিমাণে, টকাৰ সলনি বস্তুৰে—অৰ্থাৎ শস্যৰে—যি কৰ ধাৰ্য্য কৰা হৈছিল তাক সোধোৱাৰ সময় আজিৰ পৰা তিনি দিনৰ মূৰত উকলি যাব।"

আকৌ গুনগুননি উঠিল।

"যেয়ে এই তিনি দিনৰ ভিতৰত নিজ দেশৰ আৰু জাৰ্ম্মান-বাহিনীৰ ওচৰত নিজৰ কৰ্ত্তব্য পৰিপূৰণ নকৰে, তাকে..."

গেপ্‌লিক ৰ'ল। চচমাৰ মাজেদি গৌৰৱেৰে জনতাৰ মাজলৈ চালে। আকৌ সকলো নিৰৱ; সকলোৰে চকু তাৰ ওঁঠৰ ওপৰত আৱদ্ধ।

"কৰ্ত্তৃপক্ষৰ আদেশ পালন নকৰা, দৌৰাত্ম্য কৰি বিশৃঙ্খলা অনা আৰু কাৰ্য্যেৰে বা কথাৰে বাধা দিয়াৰ অপৰাধত আইন অনুসৰি...... ।"

কোনোবাই অতিমাত্ৰা গহীনালি দেখুৱাই আৰু নিৰ্ভয় মাতেৰে ডাঙৰকৈ ক'লে—"আমি জানো, আমি জানো।"

ফেল্ডৱেবেলে মেজৰ কাষত ঠিয় হৈ, মাতটো যি চুকৰ পৰা আহিল, সেইচুকলৈ চাবলৈ ধৰিলে। কিন্তু সেইঠাইত তেতিয়া সকলোৱে নিৰৱে ঠিয় হৈ গাওঁবুঢ়াৰ পিনলৈ একেথৰে চাই আছিল।

গেপ্‌লিকে মাতটো আৰু ডাঙৰ কৰিলে, যেন আনন্দত উথলি উঠিছে—"মৃত্যু দণ্ড দিয়া হ'ব..."

সি দীঘলাই উশাহ টানিলে; অলপ ৰৈ তলৰ তাৰিখ আৰু কেপ্তেইন ৱাৰ্ণাৰৰ চহীটো পঢ়িলে। তাৰ পিচত কাগজখন জপাই থ'লে।

"সকলোৱে শুনিলেনে?"

ভিৰৰ মাজৰ পৰা কোনোবাই ক'লে—"শুনিলোঁ।"

"সকলোৱে বুজিলেনে?"

টাৰপিলিখাই ক'লে—"বুজিলোঁ, ভালকৈ বুজিলোঁ। যেনেকৈ বুজিব লাগে আমি সেইদৰেই বুজিলোঁ।"

গেপ্‌লিকে সন্দেহৰ চকুৰে তাইৰ পিনে চালে। কিন্তু তাই ধীৰ ভাৱে চকুৰে চকুৰে চাই থাকিল; তাইৰ মুখখন কঠোৰ আৰু গহীন হৈ পৰিছিল।

"বাৰু, তেনে, সেইটো হ'লেতো ভালেই……"

জনতাৰ মাজত হেঁচাঠেলা লাগিল ; কোনোবা এটা যাবলৈ দুৱাৰমুখ পালেগৈ।

"কলৈ যাব খুজিছ ?"

"শেষ হোৱা নাই নে কি ?"

"আৰু এটা কথা আছে"—গাওঁবুঢ়াই খঙেৰে ক'লে। মেলিয়াচিথাৰ অন্তৰ ভাগি যোৱা যেন লাগিল ; ভয়ত বুকুখনে ধপ্‌ধপাবলৈ ধৰিলে।

"কথাটো এয়ে……"

খেতিয়কবোৰে কাণ ঠিয় কৰি ৰ'ল।

"যোৱা ৰাতি কোনোবাই ফাটেকত থোৱা দোষী এটাক কটি পাৰ কৰি দিবৰ চেষ্টা কৰিছিল।

মেলিয়াচিথাই এচবৰ কাৰবাৰ হাত এখন খামুচি ধৰিলে। চেকৰে আচৰিত হৈ তাইৰ পিনে চালে। "তোমাৰ কি হৈছে ?"

"এ...কো...নাই…একো…নাই।"

চেকৰৰ হাতখনত ধৰি তাই ফোঁপাবলৈ ধৰিলে। "কটি দিব খুজিছিল প্ৰায় দহ বছৰীয়া ল'ৰা এটাই।"

জনতাৰ মাজত গুণগুণনি উঠিল। ইটোৱে সিটোৰ কাণত ফুচফুচালে আৰু চকুৱে চোৱাচুই কৰিলে।

"মনে মনে থাকা। লৰাটো প্ৰায় দহ বছৰীয়া। দোষীক গুলীয়াই মৰা হ'ল।"

মেলিয়াচিথাৰ শেঁতা মুখখনলৈ চেকৰে চাবলৈ ধৰিলে ; তাৰ পিচত লৰালৰিকৈ ইখন হাতেৰে তাইৰ হাতত খামুচি ধৰা মেলিয়াৰ হাতখন সাবটি ধৰিলে। মেলিয়াৰ নখবোৰ তাইৰ হাতৰ তলুৱাত বহি গৈছিল ; তাই লাহে লাহে হাতখন মোহাৰি দিলে।

মেলিয়াচিথাৰ কাণত ফুচফুচাই ক'লে—"সহ্য কৰা, সোণ! নহ'লে সি দেখিব।"

গেপ্‌লিকে কিন্তু তাৰ শ্ৰোতালৈ লক্ষ্য কৰা নাছিল। নাকেমতা সুৰেৰে সি পঢ়ি গ'ল—"সেই নাবালক অপৰাধীৰ শটো চুৰ কৰি নি কোনোবাই লুকাই থৈছে। যেয়ে অপৰাধীৰ বা শ চুৰ কৰি নিয়াবোৰৰ পৰিচয় জানে, সেয়ে জাৰ্ম্মান কৰ্ত্তৃপক্ষক জনাব লাগিব।"

গেপ্‌লিকে চকুৰ আৰু ওপৰলৈ কাগজখন তুলি ল'লে আৰু তাৰ কাষত বহা ফেল্ডৰেবেলৰ পিনে চাই কাহ মাৰিলে। ফেল্ডৰেবেল উঠিল ; ভিৰৰ মাজেদি সি দুৱাৰৰ পিনে বাট ল'লে! জনতাই এফলীয়া হৈ দিলে আৰু বাহিৰৰ চালিৰ পিনে চাবলৈ ধৰিলে। তাত সশস্ত্ৰ সৈন্য ঠিয় হৈ থকা সকলোৱে দেখা পালে। সিহঁতৰ ৰাইফ্‌লৰ আগৰ সঙ্গীনবোৰ চক্‌চকাই আছিল।

মানুহবোৰে ইটোৱে সিটোলৈ চালে। গুণগুণনি, কথা-বতৰা সকলো বন্ধ হ'ল।

"আইন আৰু শান্তি ৰক্ষাৰ জামিন স্বৰূপে আৰু অপৰাধীক গ্ৰেপ্তাৰ কৰাৰ ক্ষতি-পূৰণ স্বৰূপে জাৰ্ম্মান কৰ্ত্তৃপক্ষই..."

তাৰ পিচত কি কয় খেতিয়ক বোৰে খুব সতৰ্কভাবে শুনিবলৈ ধৰিলে।

"তলত দিয়া মানুহ কেইজনক জামিন হিচাবে ৰাখিবলৈ আদেশ দিছে..."

সকলোৰে মুৰ আগ বাঢ়ি গ'ল। জেভড'কিমে ভালকৈ শুনিবৰ মনেৰে কাণত হাত দিলে।

"তলত দিয়া গাৱঁৰ মানুহকেইজন......অলগা পেলেনচাক্"

দুৱাৰৰ কাষৰ গাভৰু মানুহ এজনী ঢলি প'ল। তাই খি

দৰে মুখখন মেলিলে যেন চিঞৰিবই। কিন্তু মুখৰ পৰা একো শব্দ নহ'ল।

"জেভড'কিম্ ওখাবক'..."

জেভড'কিমে কেওকাষৰ মানুহবোৰলৈ আচৰিত ভাৱে চালে। "কি?..."

গেপ্লিকে তুনাই ডাঙৰকৈ ক'লে "জেভড'কিম ওখাবক'..." আৰু তাৰ পিচত আকৌ আৰম্ভ কৰিলে—"অছিপ্ গ্ৰেখেচ্..."

গঁঠীয়া, লেঙেৰা খেতিয়ক এটাই বিমৰ্ষ মনেৰে মূৰ জোকৰিলে।

"...মেৰিয়া চেকৰ..."

মেলিয়াচিখাই কাষৰ মানুহজনীৰ হাতখন এৰি দি আতঙ্কৰ চকুৰে তাইলৈ চালে।

"একো নাই, গেলিয়া, একো হোৱা নাই...মোৰ লৰাছোৱালী কেইটা চাবা।"—মেৰিয়াই সকৈ ক'লে।

"মেলেনিয়া ভিছ্নেভা..."

ছোৱালী জনীয়ে লৰচৰকে নকৰিলে, তাই একেথৰে চাই আছিল।

হঠাৎ গাওঁবুঢ়াৰ মনত খেলালে যে এই জামিনৰ মানুহকেইটাক শস্য গোটোৱা উপায় হিচাবেও ব্যৱহাৰ কৰিব পৰা যায়। গুলীয়াবতো গুলীয়াবই। পিচে যদি এনেকুৱা মানুহ এটা ওলায়, যি নিজে মৰিবলৈ ভয় নকৰে কিন্তু আন এটাৰ জীৱন বলি দিবলৈ সি ইচ্ছা নকৰে! আগতে এনে ঘটনা সি দেখা পাইছে। জাৰ্ম্মানবোৰৰ লগত কি বন্দোবস্ত আছিল, কি নাছিল তাক নো কোনে মিলাই চাব! আৰু সেইদেখি নিজ খুচিমতে সি ঘোষণা কৰিলে:—

"যদি তিনিদিনৰ ভিতৰত দোষীক পোৱা নেযায় আৰু যদি সেই সময়ৰ ভিতৰতে শস্ত্ৰ সোধোৱা আৰম্ভ নহয়, তেন্তে জামিনৰ মানুহবোৰক ফাঁচী দিয়া হ'ব।"

আকৌ জনতাৰ মাজত গুণগুণনি উঠিল।

হঠাৎ ফেডচিয়া ক্ৰেভ্‌চাকে সুধিলে—"কথা ইমানেই নে কি? আমি যাব পাৰোঁ। তেনে?"

ভিৰৰ মাজৰ পৰা এটা দীঘল হুমুনিয়া ভাহি উঠিল; সকলোৱে যেন তাতেই সকাহ পালে।

"সভা ভাগিল। মই যিবোৰৰ নাম মাতিলোঁ, সেইবোৰৰ বাহিৰে বাকীবোৰ যাব পাৰে।"

ইটোৰ পিচত সিটোকৈ খেতিকবোৰ দুৱাৰমুখৰ পিনে যাবলৈ ধৰিলে। কোনো হুকুমৰ বাবে বৈ নেথাকি জামিনৰ মানুহ পাঁচটাই মেজৰ কাষত শাৰী পাতিলেগৈ। সিহঁতৰ কাষেদি মানুহবোৰ যাবলৈ ধৰিলে। কিছুমানে তলমূৰা হৈ সিহঁতৰ কাষেদি পাৰ হৈ গ'ল আৰু কিছুমানে সিহঁতৰ চকুৰে চকুৰে চাই গ'ল।

তাকৌ স্কুলটো উদং হৈ পৰিল; কিন্তু মানুহবোৰ ঘৰাঘৰি নগ'ল। সিহঁত বৰফৰ ধুমুহাৰ মাজত বাটতে ঠিয় হৈ থাকিল। গেপ্‌লিক আৰু ফেল্ডৰেবেল ওলাই আহিল; পিচে পিচে খোলা সঙ্গীন লৈ সৈন্যবোৰে জামিনৰ মানুহ পাঁচটা লৈ গ'ল। মেৰিয়া চেকৰ আৰু অলগা পেলেনচাক সাৰটাসাৰটি কৰি গৈছিল। জেভড'কিমে লাখুটি দালেৰে মাটিত মৰিয়াই গৈছিল। নিৰৱ জনতাৰ আগেদি লাহে লাহে সিহঁত পাৰহৈ গ'ল। হঠাৎ মেৰিয়া চেকৰে কেওপিনে চাবলৈ ধৰিলে। "এইটো কোনো কথা নহয়। সহ্য কৰা, সৈমান নহ'বা। আমাৰ কথা

ভাবিব নেলাগে ! সহি থাকা”—তাই ডাঙৰকৈ চিঞৰি ক’লে।

ওচৰেদি যোৱা সৈন্যটোৱে তাইৰ বুকুতে খুন্দা এটা মাৰি দিলে। তাই থৰকবৰক কৰিলে, কিন্তু মূৰ দাঙি আকৌ যাবলৈ ধৰিলে।

বিষাদ নিৰৱতা লৈ জনতা লাহে লাহে ঘৰাঘৰি গ’ল। ফেল্ডৱেবেলৰ দীঘল খোজৰ লগত সমানে যাবলৈ চেষ্টা কৰোঁতে গেপলিকে প্ৰায় লৰি যাবলগীয়া হৈছিল। জগতৰ কোনো বস্তুৰে বিনিময়ত সি এই মুহূৰ্ত্তত অকলে থাকিব নোখোজে। আচলতে, ইমান নিষ্পত্তিকৈ কাম কৰা আৰু দেখাদেখিকৈ গাৱঁৰ বিপক্ষে আক্ৰমণমূলক হুকুম ৰাইজৰ আগত ঘোষণা কৰা, তাক গাওঁবুঢ়া পতা দিনৰ পৰা এয়ে প্ৰথম। খেতিয়কৰ মুখবোৰ মনত পৰাত তাৰ গা কঁপি উঠিল। তথাপি সি কেপ্তেইন ৱাৰ্ণাৰক তাতোকৈ বেছি ভয় কৰে; অকৃতকাৰ্য্য হ’লে তাক কেনে আচৰণ কৰিব, সেইকথা কৈ ৰাতিপুৱা ৱাৰ্নাৰে যি ভাবুকি দিলে তালৈকো তাৰ ভয়। গাওঁ গাৱেঁই—তাত আছে বুঢ়া, তিৰোতা আৰু লৰাছোৱালীৰ দল।’ কিন্তু ইপিনে কেপ্তেইন ৱাৰ্নাৰ হৈছে—জাৰ্ম্মান কৰ্ত্তৃপক্ষৰ প্ৰতিনিধি আৰু তেওঁৰ কথাৰ লগত ৰাইফ্‌ল আৰু সঙ্গীনৰ সংযোগ আছে। পোনতে গেপ্‌লিকে লেভুসেভু হৈ দেখুৱাই টেঙৰালি কৰিছিল, কিন্তু ৰাতিপুৱা সাক্ষাত কৰাৰ পিচত সি ভালকৈ বুজিলে যে আৰু বাগিবুগা দিয়া অসম্ভৱ—তাৰ ভৱিষ্যত দুৰৱস্থা পূৰ্ণ হৈ আহিল। সি ভাবিলে—কি কুক্ষণত সি সেইদিনা পিচ-ইহকি যোৱা জাৰ্ম্মানবোৰৰ সৈতে বোস্তভৰ পৰা গুচি আহিছিল! সি লুকাই থাকি পিচত ক’ৰবালৈ গুচি যোৱাহেঁতেনেই ভাল আছিল। কোনো ৰকমে সি চলিব পাৰিলেহেঁতেন। সিয়েই

যে জাৰ্ম্মানবোৰক নিজ গাৱঁলৈ আদৰি নিলে আৰু সিয়েই সিহঁতক পিতনিৰ মাজেদি বাট দেখুৱাই লৈ গ'ল—এইবোৰ কথা প্ৰমাণ কৰা এই যুদ্ধৰ দিনত সিমান উজু নহ'লহেঁতেন !

সি নিজকে আশ্বাস দিছিল—"জাৰ্ম্মানবোৰ জিকিব।" তথাপি যিমান দিনলৈ সি এই গাৱঁত থাকিব লাগিব সিমান দিনলৈ ই এটা টুলুঙা বুজনি। তিনিশ পৰিয়াল থকা এই গাওঁখনৰ সকলোৱে তাক অন্তৰৰ সৈতে ঘিণ কৰে। ইয়াৰ যেই কোনো ঘৰতে তাৰ হত্যাকাৰীৰ বাসস্থান হ'ব পাৰে; সুবিধা পালেই তাক মাৰিবলৈ অলপো পিচ সুহুঁহকিব।

সি দীঘল হুমুনিয়া এটা কাঢ়িলে আৰু সভাখনৰ খবৰ দিবলৈ সেনাপতিৰ ওচৰলৈ গ'ল। খেতিয়কবোৰো নিজৰ ঘৰলৈ উভতিল। মেলিয়াচিখাই উত্তেজনাত ধৰ্‌ফৰাই থাকিল। পৃথিবীখন ওপৰলৈ উঠি যোৱা যেন লাগিল। বুকুখন যেন পুৰি ছাই হৈ গ'ল। জুহালৰ কাষত মাৰিৰে ছবি সাজি চাছাই জিনাক ওমলাই আছিল। ল'ৰাছোৱালীকেইটাৰ শুৱনী মুখকেইটাত চকু পৰি তাইৰ বুকুৰ পোৰণি আৰু বেছি হৈ উঠিল।

"হয়নে, তইঁতে কি কৰিছিলি ? জিনাই আমনি কৰিছিল নে কি ?

"নাই কৰা... ..সভা শেষ হ'ল নে ?'

"শেষ হ'ল......খন্তেকৰ কাৰণে মই লৰ মাৰি মেৰিয়াৰ তাৰ পৰা আহেঁা...তাৰ পৰা পোনে পোনে উভতি আহিম।"

"মেৰিয়াৰ ঘৰলৈ কেলৈ যাব খুজিছা ?"

"মেৰিয়াক জাৰ্ম্মানে গ্ৰেপ্তাৰ কৰিলে। আমিয়েই ল'ৰা-ছোৱালী কেইটাক ৰাখিব লাগিব।"—তাই ধীৰভাৱে ক'লে।

চাছাই মাৰিবোৰৰ পৰা মূৰ তুলি চালে।

"গ্রেপ্তাৰ কৰিলে? কিয়?"

মাকে থোৰতে কৈ থ'লে—"তই এতিয়াও জাৰ্ম্মানক চিনি নেপালি নে?" তাকে কৈ তাই ওলাই গ'ল।

মেৰিয়াৰ সৰু ল'ৰাছোৱালী তিনিটা লৈ তাই বেগেতে উভতি আহিল। ডাঙৰটো চাছাৰ সমনীয়া—প্ৰায় ৮ বছৰীয়া।

তিনিবছৰীয়া নাইনাই কান্দিলে—"মা...মা...!"

মানুহজনীয়ে নিচুকালে—"নেকান্দিবা, মা এতিয়াই আহিব। তেওঁ আহিব নহয়! মইনাহঁত, বহা দেই। মই তোমালোকক কিবা খাবলৈ দিম।"

জুহালৰ তলত লুকাই থোৱা আলুকিছুমান উলিয়াই তাই ধুবলৈ ধৰিলে; পেলনি যায় বুলি বাকলি নুগুচুৱাকৈ আলুবোৰ উতলালে। এই আলুকেইটা আৰু চাঙৰ ওপৰত তুলি থোৱা আটাগুৰি অলপৰ বাহিৰে ঘৰত আৰু একো নাই। ধান-চাউল, আলু, গাহৰিৰ শুকান মঙহ, মৌ—এই সকলোবোৰ ঘৰৰ পৰা বহুত দূৰত মাটিৰ তলত পুতি থৈছিল; এতিয়া সেইবোৰৰ ওপৰত বৰফ পৰি দ'ম বান্ধিলে—তাৰ মাজৰ পৰা বস্তুবোৰ উলিওৱা অসম্ভৱ।

"আন একো নাই। আলুকে অলপ খাহঁত। আমাৰ মানুহবোৰ উভতি আহিলে ৰুটি কৰি দিম।"

জিনাই বেজাৰত পেনপেনাবলৈ ধৰিলে—"কেৱল আলু। আৰু একো নাই!"

মাকে তাইক গালি পাৰিলে—"আৰু কি লাগে? তহঁতৰ ভাগ্য ভাল বুলিহে আলুকেইটামান আছে......তোক আৰু কি লাগে!

জীয়েকলৈ তাই খণ্ডেৰে চাবলৈ ধৰিলে। হঠাৎ ছোৱালী-জনীৰ খীণ হাতকেইটা আৰু দুখলগা শুকান মুখখন চকুত পৰাত তাইৰ মণটো অসহনীয় দুখেৰে ভৰি পৰিল।

"নেকান্দিবি। আমাৰ মানুহ আহিব, তেতিয়া সকলো ঠিক হ'ব। আমি তেতিয়া ৰুটি কৰিম আৰু তাৰ ওপৰত মৌ সানি দিম। তেতিয়া তইঁতে খাবি দেই। এতিয়া বাৰু আলুকে খা..."

চাছাই সমৰ্থন কৰি ক'লে—"এৰা, হয় এয়ে বহুত।"

আৰু জিনাই তাকে দোঁহাৰি ক'লে—"এৰা বহুত।"

জুহালৰ জুইকুৰা বঢ়াই দি মেলিয়াচিখাই লৰাছোৱালীবোৰৰ লগত কথা পাতি আছিল। কিন্তু তাইৰ বাঢ়ি যোৱা অস্থিৰতাক তাই লুকাই ৰাখিব পৰা নাছিল। হাতৰ পৰা বস্ত্ৰ সৰি পৰিছিল। কি কথা পাতিছিল তাকে পাহৰি গৈছিল। এবাৰ জেনালৈ ভুলত আলু বাকলি এথালকে আগবঢ়াই দিলে। পানী আগবঢ়াই দিওঁতে ঢোলোকনি খাই বাগৰি পৰিছিল।

মূৰকত চাছাই সুধিলে—"মা, তোৰ কি হৈছে?"

তাই পুতেকৰ পিনে ভয়ে ভয়ে চালে।

"একো নাই, সোণ মোৰ আকৌ কিটো হ'ব!"

"তোৰ মূৰ কামুৰিছেনে কি?"

"মূৰৰ কামোৰ? কেলেই...অ' হয়"—এইটো উপলক্ষ্যে তাই সহায় ল'লে আৰু টপৰাই মাত লগালে—"হয়, মোৰ মূৰ কামুৰিছে।" চাছাই গহীনাই মাত লগালে—"সভালৈ যোৱাৰ বাবতে মূৰ কামুৰিছে।"

"এৰা, সেইবাবেই।...বহুত মানুহ হৈছিল; গোটেই ঠাই খাই পৰিছিল। মোৰ মনেৰে সেইবাবেই মূৰ কামুৰিছে।"

ল'ৰাছোৱালীবোৰে তাইৰ যুক্তি মানে ল'লে। নিজ নিজ কামত সিহঁত আকৌ ব্যস্ত হৈ পৰিল। মৌলয়াচিখাই থালবোৰ ধুলে আৰু মাজে মাজে জুহালৰ কাষত খেলি থকা ল'ৰা-ছোৱালীবোৰলৈ লুকাই চাবলৈ ধৰিলে। তাইৰ হাত দুখন চেঁচা পৰি গৈছিল; কষ্টত তাইৰ অন্তৰখন ফাটি যোৱা যেন হ'ল। ল'ৰাছোৱালী তিনিটা—৩ বছৰীয়া নাইনা, ৫ বছৰীয়া অস্কা আৰু ৮ বছৰীয়া চনিয়া। অকণ অকণ ল'ৰাছোৱালী... ইপিনে চেকৰ সৈন্যবাহিনীত। বেদনাত তাইৰ ছাটিফুটি লাগিল; তাইৰ অন্তৰ দেইপুৰি নিলে। মাজে মাজে তাই খিৰিকীৰ মুখলৈ যায় আৰু বাহিৰৰ পিনে চাবলৈ ধৰে।

"কোনোবা আহিছে নে কি ?"

"নাই, সোণ, কোনো অহা নাই। পিচে, মই অলপ ওলাই যাম...মোৰ বেলি নহয়..."

জিনাই কন্দনামুৱা হৈ ক'লে—"তই মাথোন অনবৰত ঘূৰি ফুৰিবি।" "মই ফুৰিলেনো কি হ'ল ? যাব লগা থাকিলে যামেই। বিনা কাৰণত মই গাৱঁত ঘূৰি নুফুৰোঁ।"—তাই গোঙোৰা মাৰি ক'লে।

কোট বা আলোৱান একো নোলোৱাকৈ, যেনে আছিল তেনে ভাবেই, তাই দুৱাৰমুখ পালেগৈ ; তাকে দেখি চাছাই সোঁৱৰাই দিলে—"আলোৱানখন লৈ যা।"

বহুত দূৰত গ্ৰখেচহঁতৰ ঘৰ। এচাটি বতাহ মাৰিলে; বৰফৰ কণিকাবোৰে তাইৰ গাল দুখন টুকুৰা আয়নাৰ দৰে বিন্ধিবলৈ ধৰিলে। সেই ঠাই পায়গৈ মানে তাই কঁপাবলৈ ধৰিলে। দুৱাৰমুখতে বৈ তাই ভাবিলে যে সেইদৰে উধাতু খাই ঘৰৰ ভিতৰলৈ যোৱা অনুচিত। কিন্তু আচলতে তাই

গ্ৰখেচ-পৰিয়ালৰ আগত সম্মুখীন হোৱা মুহূৰ্ত্তটো বহুত আঁতৰ কৰি ৰাখিবলৈ বিচাৰিছিল। গ্ৰখেচৰ ডিঙি কাঁচীৰ খোৰোচাত লাগি থকাৰ নিচিনা হৈছে; তাৰ ঘৈনীয়েক আৰু জীয়েক দুজনীয়ে বোধহয় এতিয়া উদং পজাটোত বহি খুব কন্দা-কটা লগাইছে!

হঠাৎ চোতালত কৰত মৰা শব্দ তাইৰ কাণত পৰিলহি। মেলিয়া আচৰিত হ'ল। এনে এটা দিনত কোনে গ্ৰখেচহঁতৰ ঘৰত কাম কৰিব পাৰে বাৰু?

গ্ৰখেচৰ ঘৈনীয়েক আৰু বৰ জীয়েক ফ্ৰুচিয়াই চালিৰ কাষত কৰতেৰে কাঠ ফালি আছিল; সিহঁতো গেলিয়াক দেখি আচৰিত হ'ল। আজিকালি মানুহৰ ফুৰাচকা বৰ কম। সকলোৱে নিজৰ ঘৰত সোমাই থাকে; সকলোৰে চিন্তা—ইয়াৰ পিচত বা জাৰ্ম্মানে কি কৰে!

"তোমাৰ লগত অলপ কথা আছিল......"

পোন হৈ ঠিয় দি সিজনীয়ে ক'লে—"ভাল কথা। ব'লা ভিতৰলৈ যাওঁ।

গ্ৰখেচৰ সৰু ছোৱালীজনী খিৰিকীৰ কাষত বহি আছিল, মেলিয়াচিথাই কেৰাহিকৈ তাইলৈ চালে। "মই তোমাক অকলে লগ পাব খুজিছিলোঁ।"

আচৰিত হৈ গ্ৰখেচিকাই সুধিলে—"অকলে? কিহৰ বাবে? বাৰু, তেনেহ'লে। লাইডা, তই বাহিৰলৈ যা; কাঠকে ফালগৈ। আমি ইয়াত অলপ কথা পাতোঁ।"

ছোৱালীজনীয়ে টাপলি মাৰিবলৈ লোৱা কামিজটো সামৰি থ'লে! ডাঠ কাপোৰ এটুকুৰাত বেজিটো খোঁচ মাৰি থৈ

তাই লাহে লাহে কোঠাৰ পৰা ওলাই গ'ল। কান্দোতে কান্দোতে তাইৰ চকুৰ বাহুকেইটা উখহি গৈছিল।

মেলিয়াচিখা বেঞ্চ এখনত বহিলগৈ ; বিমোৰত পৰি তাই আঙুলিৰ গাঁঠিবোৰকে ফুটাবলৈ ধৰিলে। ইপিনে ঘৰৰ গৃহস্থনীয়ে কোনো কথা নোকোৱাকৈ তাইলৈ চাই থাকিল।

শেহত তাই ক'লে—"বাহিৰত বৰ শিল-ধুমুহা!"

আকৌ দুয়োজনী নিমাত হৈ পৰিল।

বিচনাৰ সিফালে গজাল এটাত গ্ৰেখেচৰ চোলাটো ওলোমাই থৈছিল। মেলিয়াচিখাই চোলাটোলৈ চালে। এটা জেপ ফটা আৰু আগে পিচে বহুত টাপলি। বুটাম এটা সূতাত লাগি ওলমি আছিল। সেইটো তাৰ কাম কৰা চোলা।

"তুমি কি ক'ব খুজিছিলা ?"

মেলিয়াচিখাই তাইলৈ বেজাৰৰ চকুৰে চালে। তাৰ পিচত ফুচফুচাই ক'লে—"সিহঁতে তোমাৰ ঘৰৰ মানুহক ধৰি নিলে..."

সিজনীৰ খং উঠিল।

"হয় নিলে...পিচে, আমি কি কৰিম ?...বোধহয় এয়ে আমাৰ কপাল। তেওঁ বোধহয় উভতি আহিব। তুমি সেই কথাকে কব খুজিছিলা নে কি ?"

"এৰা...পিচে...নহয়..."

"সেই বিষয়ে কবলৈ কিটো আছে ? প্ৰথমে মই ইমান হতাশ হৈছিলোঁ যে থিতাতে পৰি মৰিম যেন লাগিছিল। পিচত ঘৰলৈ আহি ভাবিলোঁ—এৰা, আই, কোনো কামত ধৰাহে ভাল ; তেতিয়া সহ্য কৰিবলৈ সহজ হ'ব। সেইদেখি ক্ৰুস্কাৰ সৈতে কৰত মাৰিবলৈ লাগিলোঁ। বেৰত খুন্দিয়াই মুৰ ফালিলে

কি হ'ব ? বহি বহি কান্দিকাটি থাকিলে নচলে। আজি তেওঁৰ পাল, কাইলৈ অইন এটাৰ হ'ব। এইদৰে বেছি দিন' চলিলে এই গাৱঁত আৰু কোনো বাকী নেথাকিব, সেইটো ধ্ৰুব জানিবা। এটা এটাকৈ আমাৰ সকলোকে সিহঁতে বধ কৰিব।"

"কিজানি এইবোৰ বেছি দিন নচলিবও পাৰে।"

"চলিবলৈ হ'লে মই কোৱাৰ 'অৱস্থাই হ'ব। এতিয়ালৈকে একো শুনা নাই। খিৰিকখাৰাক শব্দ হ'লেই মই গুলীৰ শব্দ শুনা যেন পাঁও, আমাৰ মানুহ আহিছে যেন লাগে। কিমান দিন হৈ গ'ল ? এমাহকে এবছৰ যেন লাগে। আৰু অতবোৰ মানুহ মৰিল !......আমাৰ ঘৰৰ মানুহৰ নামটো মাত্তি গাওঁবুঢ়াই মোৰ পিনে চাইছিল। মই মনতে ভাবিছিলোঁ ঃ মই কন্দা চাবলৈ তই বৰ হেঁপাহ কৰিছ ! কিন্তু এই জনমত মই কন্দা চাবলৈ তই নেপাৱ, কেতিয়াও নেপাৱ। তোৰ আগত - তোৰ নিচিনা ভতুৱা কুকুৰ এটাৰ আগত—মই কেতিয়াও নেকান্দো। এদিন সময় আহিব ; তেতিয়া তইহে কান্দিব লাগিব—তেজৰ চকুলো বৈ যাব। আমি গাৱঁলীয়া তিৰোতাবোৰ গজালৰ দৰে টান। আমাৰ পৰা তইঁতে একো নেপাৱ ....."

"কিন্তু......"

"কি হৈছে ?"—তাই সুধিলে।

মেলিয়াচিখা বেঞ্চৰ পৰা উঠিল আৰু গ্ৰেখেচিখাৰ আগত আঁঠু কাঢ়ি বহিল।

"তুমি বলিয়া হ'লা নে কি ? কিখন কৰিছা ?"

"যোৱা নিশা জাৰ্ম্মানে মোৰ মিস্কাক গুলীয়াই মাৰিলে"...

"মিস্কাক ?"

"মইহে ৰাতি ওলাই গৈ তাক খালৰ পৰা দাঙি আনি কবৰ দিলোঁ...মোৰ বাবেই জাৰ্মানবোৰে তোমাৰ ঘৰৰ মানুহ আৰু লগৰ আন মানুহবোৰক গ্ৰেপ্তাৰ কৰিলে।"

তাইৰ শৰীৰৰ শিৰা-উপশিৰা পৰ্য্যন্ত কঁপিবলৈ ধৰিলে। ভৰিকেইটা পিচলি যাব খুজিলে। কিন্তু হঠাৎ তাই সকাহ পালে। কিয়নো, তাই কথাটো শেহত ক'ব পাৰিলে। গ্ৰেথেচৰ ঘৈনীয়েকে কঁকাল চাপৰাই ভলমুৰা হ'ল আৰু তাইক কবলৈ ধৰিলে ঃ—"মোক সেই কথা কিয় কৈছা ? আনে এই কথা কিয় জানিব লাগিছে ?"

মেলিয়াচিথাই তাইৰ কথা নুবুজিলে।

"কিয় ! তোমাৰ ঘৰৰ মানুহক সেইবাবেই ধৰি নিলে... মোৰ মনেৰে মই গৈ সিহঁতৰ কেপ্তেইনক সকলো কথা কওঁ গৈ। তেতিয়া সিহঁতে মানুহবোৰ এৰি দিব।"

গ্ৰথেচিথা জাপ মাৰি উঠিল।

"একেবাৰে বলিয়া হ'লা নে কি ? কি বলকিছা ? কাণ্ডজ্ঞান নোহোৱা হ'ল নে ? তুমি জাৰ্মানৰ ওচৰলৈ যাব খুজিছা ?" "আচল ঘটনাটো কবলৈ...মানুহবোৰ দায়ী নহয়..." "আৰু তুমি হ'বলা দায়ী ? ল'ৰাটোক সিহঁতৰ হাতত এৰি থৈ অহাটো উচিত বুলি ভাবিলা নে কি ? কথাটো চোৱাঁ ! ভুল-শুদ্ধ বাচিবৰ জ্ঞানো নোহোৱা হ'ল নে ? খেতিয়কৰ মুখত—আৰু নাৰীৰ মুখত—এনে কথা নুশুৱায়। এইবোৰ গাওঁবুঢ়াৰ হাতৰ পুতলা খেলা মাথোন। সিহঁতে মাথোন পাঁচটা মানুহ ফাটেকত সুমাবলৈহে পালে, ইপিনে সিহঁতে বিচৰা আচল দোষী আছি একেবাৰে আগতে ওলালহি !

ভাল আঁকবীজনী ! ইয়াৰ ফল কি হ'ব, ভাবিছানে ? আমাক পাকত পেলোৱা উপায় সিহঁতক দেখুৱাই দিব খুজিছা হ'বলা ? আজি তুমি সিহঁতৰ ওচৰলৈ যোৱাঁ আৰু কাইলৈ কি হয় চাবা—তেতিয়া পাঁচোটাৰ সলনি পঞ্চাচটাক সিহঁতে আটক কৰিব। এনে কথা মই কেতিয়াও শুনা নাই। এতিয়ালৈকে আমাৰ কোন চহা মানুহেই জাৰ্ম্মানৰ ভৰিত পৰাগৈ নাই আৰু এতিয়া তুমি গৈ সিহঁতক এই বুধি শিকাই দিয়াঁ।…"

"মোৰ বাবতে মানুহবোৰ বন্দী হৈ আছে, মোৰ বাবতে সিহঁত ....."

"তোমাৰ বাবত নহয় ! আমাৰ দুখ আৰু দুৰ্ভাগ্যৰ বাবত, যুদ্ধৰ বাবত আৰু মূৰ্খ জাৰ্ম্মানবোৰৰ বাবত তেওঁলোক ফাটেকত আছে। সিহঁতে মিস্কাক গুলীয়াই মাৰিলে · লৰাছোৱালীক গুলীয়ায় !—কুকুৰ সিহঁত !"

হতবিম্ব হৈ মেলিয়াচিখা তাতে ঠিয় হৈ থাকিল।

"তেনে হ'লে, তুমি ভাবা…"

"ভাবোঁ ! ভাবিবলৈ কিটো আছে ! আইটি, ঘৰলৈ যোৱাঁ আৰু এই বিষয়ে এটা কথাও কাকো ন'কবা। যদিও আমি সকলোবোৰ নিজৰে মানুহ, তথাপি কেলৈনো মানুহৰ মনত প্ৰলোভন জন্মাব খুজিছা ? এইবোৰ কথা জানিবৰ কাৰো আৱশ্যক নকৰে। আমাৰ চেলবেলিয়া মুখৰ বাবতে জাৰ্ম্মানে সুবিধা পাইছে আৰু আগলৈকো পাব। ঘৰলৈ গৈ কামবনত মন দিয়া ; এইদৰে বলিয়ালি কৰি ফুৰিব নেলাগে।"

"কিন্তু তোমাৰ ঘৰৰ মানুহ যে…"

"সেয়া, নকলোঁনে মই তোমাক ! তেওঁ মোৰ ঘৰৰ মানুহ নে তোমাৰ ? মই দেখোন থিৰেৰে ·ঘৰত মনে মনে বহি

আছোঁ। তেওঁৰ যি হ'ব সেয়া আছে হ'ব। আৰু যদি গতি এনেকুৱা পিনে ঢাল লয় যে আমি সদায় জাৰ্ম্মানৰ তলত থাকিব লাগিব, তেতিয়া সোনকালে মৰি থকাই ভাল..."

"আমি চিৰদিনৰ কাৰণে জাৰ্ম্মানৰ তলত থাকিবলগীয়া নহয়।"

"আইটি, সেইকণ আশাকে যদি খন্তেকৰ বাবেও মনৰ পৰা এৰি দিলোহেঁতেন, তেতিয়া কেতিয়াবাই ডিঙিত ফাঁচ লগাই সৌ গজালটোত ওলমি থাকিলোহেঁতেন। মই মাথো এটা কথা জানোঁ যে এতিয়া আমাৰ বেয়া সময় আহিছে, কিন্তু সিহঁতৰো এদিন বেয়া সময় আহিব। উস্! সেইদিন আহিবলৈ কিমান দিন আছে বাৰু ?"

মানুহজনীৰ মুখখন ৰঙা পৰি গৈছিল ; চকুকেইটা উলাহত জ্বলি উঠিছিল।

মেলিয়াচিথাই হুমুনিয়া কাঢ়িলে।

"তুমি মোৰ সকলো কথা খেলিমেলি লগাই দিলা—"

"মোৰ মনেৰে বহুত দিনৰ আগৰ পৰাই তোমাৰ খেলিমেলি লাগিছে...তোমাৰ ভগৱানে দিয়া বিবেক আছে, তথাপি মূৰ্খালি কৰি দেখুৱাইছা। তুমি নিজৰ কথা নেভাবিবা ; মুঠতে নিজক নেভাবি সকলোৰে কথা ভাবা। যেতিয়া সকলোৰে কথা ভাবিবা, তেতিয়া বুজিবা যে তোমাৰ কৰবলৈ একো অধিকাৰ নাই। আপোন ইচ্ছামতে জাৰ্ম্মানৰ ফান্দত ডিঙি মেলি দিবলৈ তোমাৰ কোনো অধিকাৰ নাই। কৰিব নোৱাৰিছে সিহঁতে অত্যাচাৰ! তথাপি আমাক একো কৰিব নোৱাৰে। দিয়ক ফাঁচী!......যিমান পাৰে গুলীয়াই মাৰক। ......মুই এটা মৰিম। কিন্তু আমাৰ সকলোকে

মাৰি শেষ কৰা সিহঁতৰ কাৰণে অসম্ভৱ...আমাৰ মানুহবোৰ ঘৰলৈ নহালৈকে আমি সহিব লাগিব, দেহে কেহে সেই দিনলৈ বাট চাব লাগিব ..”

মেলিয়াচিথাই এনেয়ে মুৰ জোকাৰিলে। এটা প্ৰবল দুৰ্ব্বলতাই তাইক আৱৰি ধৰিলে। তাইৰ সকলো শক্তি দূৰ হ’ল। তাই বহিব খুজিলে—তাই যেন মাটিত পৰি কান্দিবলৈ ধৰিব। মিছুট্‌কাৰ কাৰণে তাইৰ কান্দিবৰ মন গ’ল। গ্ৰেখেচৰ কাৰণে তাইৰ বেজাৰ লাগিছিল। চাছাক চাবলৈ কৈ ঘৰত এৰি থৈ অহা সৰু ল’ৰাছোৱালীকেইটাৰ কাৰণেও তাইৰ শোকে খুন্দা মাৰি ধৰিলে। খালত বৰফৰ মাজত পৰি থকা ভেচিয়া ক্ৰেভচাকৰ কাৰণে, খালটোৰ কাষত জাৰ্ম্মানে গুলীয়াই মৰা ডেকা পেছ্‌চাকৰ কাৰণে, ফাঁচীকাঠত ওলমি থকা ল’ৰাটোৰ কাৰণে, গোটেই গাওঁখনৰ কাৰণে আৰু যিবোৰে এমাহৰ আগতে গাওঁখনৰ কাৰণে যুজি টেঙ্কৰ আগত পিচ হুঁহকি গুচি যাবলৈ বাধ্য হ’ল এই সকলোবে কাৰণে তাইৰ কান্দিবৰ মন গ’ল।

গ্ৰেখেচিথাই অলপ টানকৈ ক’লে—“হাতত কাম লোৱা, নহ’লে কোনো কামৰ উপযোগী নহ’বা।”

মেলিয়াচিথাই তাইক নিৰৱে বিদায় জনাই গুচি গ’ল। লিডিয়া আৰু ফ্ৰচিয়াৰ সৈতে কথা হবলৈ তাই মনটোকে স্থিৰ কৰিব নোৱাৰিলে; সিহঁতে তেতিয়া চোতালত কৰত মাৰি আছিল। গ্ৰেখেচৰ ঘৈনীয়েকৰ ককৰ্থনা তেতিয়াও তাইৰ কাণত বাজি আছিল। তাইৰ হৈ মাতোতা মানুহ এজনী ওলাল ......সকলোৱে জানে যে গ্ৰেখেচিথা এজনী খঙাল তিৰোতা; তাই দন্দ-ছাই কৰি চিঞৰিবলৈ ভাল পায় আৰু কাকো তাইক

মাত এষাৰ নিদিয়ে। পিচে এতিয়া...কেনেকুৱা মানুহজনী কেনেকুৱা হ'ল !...

চাছাই ঘৰত মাৰিৰে চোতাল-ঘৰ সজাত ব্যস্ত ; গোহালীত আৰু আস্তাবলত গৰু, ঘোঁৰা ৰখাব। নাইনায়ো কন্দা নাছিল ; তাই মনযোগ দি চাই আছিল।

"আৰু ইয়াত কি ৰাখিবা ?"

"ইয়াত নতুনকৈ অনা ভেৰাবোৰ ৰাখিম।"

"আহা !"

"এঙাৰ এটুকুৰা দে। তাৰে ক'লা ভেৰা কৰিম। আৰু এটুকুৰা দে ; বহুত ভেৰা ৰাখিম।"

নাইনাই সুধিলে—"মেকুৰী ক'ত ?"

জিনাই বুজাই ক'লে—"মেকুৰী ওলাই গ'ল ; মেকুৰী সদায় ঘুৰিহে ফুৰে।" নাইনা সেই কথাত সন্তুষ্ট হ'ল।

বৰ ব্যস্ততাৰ সৈতে অচিয়াই আদেশ দিলে—"জাৰ্মান আহিছে, আমি জন্তুবোৰ আঁতৰাই নিব লাগিব।"

"ঠিক কথা, পিচে সিহঁতক খেদি নিব কোনে ?"

নাইনা আগবাঢ়িল—"মই নিম।"

অচিয়াই ঠিৰাং কৰিলে—"মই গৰিলাবোৰৰ লগত থাকিম। আহাঁ এতিয়া, আমি জাকটো খেদি নিম।"

কাঠৰ টুকুৰাকণেৰে জপনা সাজিছিল ; সিহঁতে সেই টুকুৰা কাঠ আঁতৰাই দিলে। বগাঠাল আৰু এঙাৰবোৰেই সিহঁতৰ সমূহীয়া পামৰ বয়বস্তু। সিহঁতে মুকলি পথাৰলৈ সকলোবোৰ উলিয়াই দিলে ! "এইজাক ক'লৈ খেদি নিম ?"

"সৈন্যবাহিনীৰ ওচৰৰ পৰা নৈৰ পাৰকৈ দূৰলৈ খেদি নিম আমাৰ মানুহে জাৰ্মান নদী পাৰ হবলৈ নিদিয়ে।"

অচিয়াই ক'লে –"পিচে সিহঁতে নৈত বোমা দিব পাৰে।"

চাছাই ক'লে—"কোনো কথা নাই, আমি নৈ পাৰ হৈ যাম। সেই তক্তা চটা দে। সেইখনেই নৈ হ'ব।"

হঠাৎ দুৱাৰখন মেল খালে। সিহঁত পাঁচোটাৰ চকু সেইপিনে গ'ল। চাছাই লৰচৰ কৰিব নোৱাৰা হৈ পৰিল।

দুৱাৰমুখত এটা জাৰ্ম্মান সৈনিক। মূৰটো ফটাকানিৰে বন্ধা; তাৰ তলেদি তাৰ ৰঙা চকুজোৰে ল'ৰাছোৱালীবোৰলৈ চাবলৈ ধৰিলে। তাৰ গোটেই গাতে বৰফ লাগি আছিছিল। ঘৰৰ কেওপিনে চাই, কোনো ডাঙৰ মানুহ নেদেখি, সি জুহালৰ কাষৰ ল'ৰাছোৱালী পাঁচোটালৈ চালে। চাছাই প্ৰথমে তাৰ কথা বুজিব পৰা নাছিল। মানুহটো মিছাৰ ঘটনাটোৰ বাবেই আহিছে বুলি সি খাতাংকৈ ধৰি লৈছিল; সি ভাবিছিল—জাৰ্ম্মানবোৰে সকলো কথা গম পালে, সিহঁতে তাৰ মাকক গ্ৰেপ্তাৰ কৰিলে আৰু এতিয়া, এই সেউজীয়া কোট পিন্ধা মানুহটোৱে চোতালত তাৰ ককায়েকৰ কবৰটো খান্দিব! সৈন্যটোৱে তাৰ কথাটো কেবাবাৰো কোৱাৰ পিচতহে চাছাই গাখীৰৰ ৰাচিয়ান শব্দটোৰ ভুল উচ্চাৰণটো বুজিব পাৰিলে। "গাখীৰ, গাখীৰ..."

চাছাই খেঁহাই ক'লে—"আমাৰ অলপো গাখীৰ নাই।"

সৈন্যটো নেৰানেপেৰাকৈ লাগি থাকিল।

"গাখীৰ, গাখীৰ দে..."

চাছা ঠিয় হ'ল আৰু সৈন্যটোৰ পৰা সম্মুখি চকু নাতৰাই চালিৰ তললৈ গ'ল। চালিয়েদি যাওঁতে ভৰিৰ তলত থকা ককায়েকৰ সমাধিৰ কথা তাৰ মনত পৰিছিল; তাতে মাটিৰ তলত মিক্কা পৰি আছিল। সৈন্যটো তাৰ পিচে পিচে

বেগাই গ'ল। চাছাই গোহালীৰ দুৱাৰখন খুলি দিলে আৰু অঙ্গিভঙ্গিৰে তাত একো নাই বুলি বুজাবলৈ চেষ্টা কৰিলে। আৰু সঁচাকৈ, থাকিবনো কেনেকৈ? কাৰণ জাৰ্ম্মানবোৰে অহাৰ দিনাই সিহঁতৰ গৰুজনী ধৰি নি সেনাপতিৰ ঘৰৰ আগতে কাটিলেগৈ।

সৈন্যটোৱে উদং গোহালীটোৰ কেওপিনে চালে। মাটিৰ তলত অলপ খেৰ আৰু গোবৰ পৰি আছিল; সেইদেখি তেতিয়াও সেইটো গোহালী যেনেই দেখা গৈছিল; কিন্তু দানা দিয়া পাত্ৰটো বৰফ যেন চেঁচা—উদং হৈ পৰি আছিল। এইবোৰে স্পষ্ট প্ৰমাণ দিলে যে তাত গাখীৰ পোৱা নেযায়।

ইপিনে জেনাই খুব চিঞৰিবলৈ ধৰিলে। মাক নাই, তদুপৰি চাছা ও জাৰ্ম্মানটোৰ সৈতে গোহালীলৈ গ'ল। সেইদেখি তাইৰ ভয় লাগিল। নাইনাই এনেয়ে অলপতে কান্দে, তায়ো কান্দিবলৈ ধৰিলে।

সৈনিকটো আকৌ ঘৰলৈ উভতি আহিল আৰু ল'ৰা-ছোৱালীবোৰলৈ চাই হাহিবলৈ ধৰিলে। ক'লা, ক্ষয় যোৱা দাঁতবোৰ নিকটাই জাৰ্ম্মানটোৱে ক'লে—"নেকান্দিবি।"

ভয়ত জেনাই আৰু ডাঙৰকৈ কান্দিবলৈ ধৰিলে। জাৰ্ম্মান-টোৱে তাইৰ পিনে ৰাইফ্লটো টোঁৱাই দেখুৱালে। চাছাই জীৱনৰ সংশয় এৰি জাপ মাৰি ভনীয়েকৰ সমুখত আগভেটি ঠিয় দিলে। সি হাতদুখন দাঙি ধৰিলে আৰু জাৰ্ম্মানটোৰ ৰঙা চকুকেইটালৈ চাই থাকিল। জাৰ্ম্মানটোৰ মূৰত ফটাকানিৰে বন্ধা, তাৰ ওপৰত এটা টুপী; সিও চাছাৰ পিনে চাই আছিল।

"হো...হো..." সৈন্যটোৱে ভেঙুচালি কৰি বন্দুকৰ নলটো

নাইনাৰ পিনে ঘূৰাই ধৰিলে। বেচেৰী নাইনাজনীয়ে কি হৈছে একো নুবুজিলে; তাই মাথোন কান্দোন বন্ধ কৰি এই অদ্ভুত মানুহটোলৈ—টেলেকাচকুৰা জাৰ্ম্মানটোলৈ—চাবলৈ ধৰিলে। তায়ো জানিছিল যে সেই মানুহটো জাৰ্ম্মান।

সৈন্যটোৱে ক'লে "মই গুলীয়াম।" তাই কথাটো নুবুজিলে, তথাপি সি ভয়ঙ্কৰ কিবা কথা এটা কৈছে বুলি ভাবি ল'লে। জিনাও মনে মনে থাকিল। চাছাই একেথৰে নলটোৰ ক'লা বিন্ধাটোলৈ চাই থাকিল।

নলৰ এই ক'লা বিন্ধাটো বেছি ওপৰলৈ উঠা নাছিল; এবাৰ এটাৰ মূৰৰ ওপৰত আৰু এবাৰ আন এটাৰ মূৰৰ ওপৰত লক্ষ্য ৰাখি নলটো ঘূৰি আছিল।

হঠাৎ চাছাৰ মনত খেলালে: সি যদি জপিয়াই পৰি বন্দুকটো থাপ মাৰি কাঢ়ি আনে? তাৰে বাৰু সি গুলীয়াব কেনেকৈ? আৰু জাৰ্ম্মানটোক মৰাৰ পিচত কি হ'ব? তাতোকৈ প্ৰধান কথা হৈছে—তাৰ হাতৰ পৰা সি ৰাইফ্‌লটো আনিব পাৰিব জানো?

ক'লা দাঁতবোৰ উলিয়াই জাৰ্ম্মানটোৱে হাঁহিবলৈ ধৰিলে। এই ধেমালিখন তাৰ ভাল লাগিছিল—ল'ৰাছোৱালীবোৰৰ চকুত ভয়, সিহঁতৰ গালৰ তেজ নাইকিয়া হৈ গৈছিল; আটাইতকৈ ডাঙৰ লৰাটোৰ মুখত এটা চিন্তাশীল ভাবে দেখা দিছিল। চাছাই শেহত বুজিলে, সৈন্যটোৱে ধেমালিহে কৰিছে। মেকুৰীয়ে নিগনিৰ সৈতে ধেমালি কৰাদি সিও ধেমালি কৰিছে। এৰা, সঁচাকৈ সৈন্যটোৱে নিজকে আমোদ দিবৰ চেষ্টা কৰিছিল। ৰাইফ্‌লৰ ক'লা নলটো এবাৰ তললৈ, এবাৰ ওপৰলৈ, উঠা নমা কৰি আছিল। চাছাৰ এনে লাগিছিল যেন

সৈন্যটোৱে গুলীয়াই দি হ'লেও সোনকালে এই ধেমালিখনৰ সামৰনি পেলাওক।

সি ভাবিছিল জাৰ্মানটোৱে প্ৰথমে তাকেই গুলীয়াব, কাৰণ সিয়েই আটাইতকৈ ডাঙৰ আৰু সেইদেখি বৰ উৎসাহেৰে সৈতে সি নলটোৰ সমুখত ঠিয় দিছিলহি। তাক বেগেতে গুলীয়াওক আৰু এইবোৰৰ ওৰ পৰক।

শেহত সৈন্যটোৰ এই ধেমালি আমনি লাগিল; ধেক্‌ধেকাই হাঁহি মাৰি সি যাবলৈ ওলাল। ৰাইফ্‌লটো কান্ধত ওলোমাই সি ওলাই গ'ল; যাওঁতে পিচলৈ এবাৰ উভতিও নেচালে। লৰাছোৱালীকেইটা তাতে তধা লাগি ৰ'ল; সিহঁতে একেথৰে দুৱাৰৰ পিনে চাই থাকিল। চাছাই অলপ পৰ বাট চালে —কিজানি জাৰ্মানটো দুৱাৰৰ চুকতে লুকাই আছে, কিজানি সি চাইহে আছে আৰু সিহঁতৰ কোনোবাই লৰচৰ কৰিলেই সি দুৱাৰখন মেলি গুলীয়াই দিব।

আনকি নাইনায়ো নিগনিটোৰ দৰে একেথৰে বৈ থাকিল। এনেতে হঁঠাতে সিহঁতে খোজৰ শব্দ শুনিলে—বাৰান্দাত কাৰোবাৰ খোজৰ শব্দ! দুৱাৰখন মেল খালে, সিহঁতৰ মাকে দুৱাৰমুখত দেখা দিলেহি।

তেতিয়াহে সকলো ৰুদ্ধ অনুভূতি প্ৰকাশ হ'ল। জেনাই টেঁটুকালি কান্দিবলৈ ধৰিলে। নাইনাৰ চকু পানী বৈ গ'ল, আৰু অচিয়া, চনিয়ায়ো কান্দিবলৈ ধৰিলে। কেৱল চাছাইহে মাকৰ আগত নিৰৱে ঠিয় হৈ থাকিল।

"কি কথা? হ'ল কি?"—তাই ভয়ে ভয়ে সুধিলে।

চাছাই উত্তৰ দিলে—"ইয়ালৈ জাৰ্মান এটা আহিছিল।"

"জাৰ্মান! কি বিচাৰিছিল সি?"

"একো নাই। সি গাখীৰ খুজিছিল।"

"বাৰু, তাৰ পিচত ?

"আমাৰ গৰু নাই বুলি তাক দেখুৱাই দিলোঁ।"

"আৰু সি হ'বলা গুচি গ'ল ?"

"হয়।"

"তেনে তইঁতে ৰাউচি জুৰিছ কেলৈ ? সি গুচি গ'ল, ভাল হ'ল। তইঁতক সি মৰিয়ালে নে কি ?"—তাই খুড়শুৰাকৈ সুধিলে। চাছাই গহীনাই উত্তৰ দিলে—"নাই, সি আমাক মৰা নাই।" তাই অলপ তত পালে ; ঘৰৰ ভিতৰত পৰে বুলি চালিৰ তললৈ গৈ আলোৱানৰ পৰা বৰফবোৰ মোহাৰি পেলাই দিলে।

"ইমান বতাহ ! সমূলি নকমে যেন লাগিছে।"

দূৰনিৰ পৰা চিঞৰৰ শব্দ এটা আহিল ; "সেইটো কি ?" "একো নহয়…অ'লেনাৰ প্ৰসৱ হৈছে।"—খুড়েৰে মেলিয়াচিখাই ক'লে। ল'ৰাছোৱালীবোৰে একমনে শুনিবলৈ ধৰিলে। তলা মৰা চালিখনৰ পৰা এটা দীঘলীয়া চিঞৰ শুনা গ'ল। মাজে মাজে শব্দটো ডাঙৰ হৈ যায়, আকৌ সৰু হৈ পৰে আৰু খন্তেক মাৰ যায় ; তাৰ পিচত আকৌ ডাঙৰকৈ চিঞৰ আৰম্ভ হয়।

৪

সেনাপতিৰ অফিচৰ কামৰ কোঠা এটা। চাৰিও পিনে বেৰ দিয়া আৰু মজিয়াখন উদং। আগেয়ে ইয়াত এটা কিতাপৰ আলমাৰি আছিল; গাৰ্ৰ্‌ৰ চভিয়েটৰ আৰু সমূহীয়া পামৰ কিতাপ-পত্ৰ থকা দেৰাজ এটাও আছিল।

সেই পুৰণি ঘৰটোৰ বেৰবোৰ সাজিছিল শকত কাঠৰ টুকুৰাৰে। খিৰিকীত তক্তা লগাই জাৰ্ম্মানবোৰে কোঠাৰ ভিতৰখন এন্ধাৰ কৰি পেলালে। বখীয়াকোঠাৰ পিনে থকা দুৱাৰখনৰ মাজেদিহে পোহৰ অলপ আহিছিল; তাত চাকি এটা জ্বলি আছিল। বন্দী পাঁচটাক এই এন্ধাৰ কোঠাটোলৈ লৈ আহিল। চাবিটো তলাৰ ভিতৰত ঘূৰা শুনা গ'ল—এবাৰ; আকৌ এবাৰ শুনিলে আৰু তাৰ পিচৰ পৰাই সিহঁত চাৰিবেৰৰ মাজত, এন্ধাৰত পোত গ'ল, তাতে সোমাই থাকিল। তাত বহিবলৈ আসন নাছিল। লাহে লাহে সিহঁতৰ কাৰণে এন্ধাৰ সহজ হৈ পৰিল। সিহঁত মাটিতে বহিল, বেৰত আঁউজি ল'লে। গ্ৰখেচ মাটিত দীঘল দি পৰিল, হাতৰ মুঠিতে মূৰটো থৈ তৎক্ষণাৎ টোপনিত লালকাল হৈ পৰিল।

আনবোৰে কিন্তু শুব পৰা নাছিল। অ'লগা পেলেন্চাক

চেকৰিথাৰ কাষ চাপি গ'ল। তাইৰ ভয় লাগিছিল। তাই কোঠাটোলৈ ভয় কৰিছিল, এন্ধাৰত থাকিও তাইৰ ভয় লাগিছিল আৰু দুৱাৰৰ পিচ পিনৰ পোহৰটো দেখিও তাইৰ ভয় লাগিছিল। সিহঁতৰ কি হ'ব, সেইকথা ভাবিও তাইৰ ভয় লাগিছিল। চেকৰিথাই তাইক এহাতেৰে সাবটি ধৰিলে; সেইদৰে সাবটাসাবটি কৰি সিহঁত বহি থাকিল।

কেৱল মালাছাহে দলটোৰ মাজলৈ কাষ চাপি নাহিল। তাই এচুকত অকলশৰে আঁঠুকেইটা সাৱটি বহি থাকিল; বেৰত আঁউজি একেথৰে এন্ধাৰৰ পিনে চাই থাকিল। লগৰীয়া বন্দীবোৰে যি কথা ভাবিছিল তাই সেইবোৰ ভবা নাছিল। অচল ভাৱে, পচাৰ আৰু উশাহ নসলোৱাকৈ তাই এক মনেৰে শুনি থাকিল। কাষৰ কোঠাটোৰ পৰা অহা ক্ষীন কথাবোৰৰ অৰ্থ নিৰ্ণয় কৰিবলৈ বা বেৰৰ সিপাৰে গাৱঁৰ মাজত কিহৰ শব্দ হ'ল, তাক শুনিবলৈ তাই চেষ্টা কৰা নাছিল। চকু ঘোপা কৰি তাই নিজৰ দেহাৰ ভিতৰৰ কিবা শব্দ এটা শুনিবৰ চেষ্টা কৰিলে। এসপ্তাহ হৈ গ'ল—নহয়, আৰু বেছি—দহ দিন হৈ গ'ল। তথাপিও একো নহ'ল। দুখ মনেৰে তাই সেই আপদীয়া কথাকে ভাবি থাকিল। হয় নে নহয়? হয় নে নহয়? তাইৰ মুৰটো গধুৰ লাগিল, বুকুখন ধপ্‌ধপাবলৈ ধৰিলে। তাইৰ এনে লাগিছিল যেন শিৰৰ মাজেদি তেজ বৈ যোৱা তাই শুনিছিল; তাইৰ শিৰৰ মাজেদি গৈ গোটেই শৰীৰত তেজবোৰ টোপাটোপে অকাই পকাই ফুৰা যেন লাগিল। হাতৰ মুঠিকেইটাৰ ওচৰত যেন কোনোবাই হাঁতুৰীৰেহে মাৰিছে। তাই কেনেকৈ জানিব? কেনেকৈ সঠিক হ'ব পাৰিব।

আকৌ তাই দিন লেখিবলৈ ধৰিলে, কিজানি, তাইৰ ভুল হৈছে। কিন্তু বাৰে বাৰে দহ দিনহে হয়গৈ। আৰু হোৱাৰ কাৰণো আছে……কাৰণ …আচলতে দহ দিনেই হৈছে। এই দহ দিনৰ ওপৰতে তাইৰ চিন্তা আৱদ্ধ হৈ নেথাকিল, ই আৰু দূৰলৈ গ'ল। যি দিনটোৱে তাইৰ জীৱনটো কাটি ছুটুকুৰা কৰিলে, সেই দিনলৈকে তাই এদিন এদিনকৈ পিচুৱাই লেখি গ'ল। তাইৰ চিন্তা গৈ সেই দিনটো পাওঁতে তাই শৰীৰত আঘাত পোৱা যেন পালে, মনৰ পোৰণি অসহ্য হৈ উঠিল। তলুৱাত নখবোৰ সোমাই যোৱাকৈ তাই হাতৰ মুঠিকেইটা খামুচি ধৰিলে; আঁঠুকেইটা বুকুৰ একেবাৰে কাষলৈ চপাই আনিলে। এই চাটিফুটি লগা কষ্টৰ চকৰিৰ তলত তাইৰ হাড় পৰ্য্যন্ত ভাগি যোৱা যেন লাগিছিল। তাই যেন আৰু এক মুহূৰ্ত্তও সহ্য কৰিব নোৱাৰে; যেন বনৰীয়া জন্তুৰ দৰে তাই চিঞৰি দিব। তাইৰ টেঁটু ফালি চিঞৰি কান্দিবৰ মন গ'ল; চুলিবোৰ চিঙি পেলাব খুজিলে। তাই চিঞৰিয়েই যেন সেই দিনটো আৰু এই একেবাৰে লেখি থকা দিন দহোটাক নাইকিয়া কৰি দিব! অনবৰত তাই এই দহ দিনৰ হিচাব মিলাইছে আৰু পুনৰ তাকে লেখিছে; কিন্তু বাৰে বাৰে ই একেই হৈছে……তাই চিঞৰিয়েই যেন এই সকলো-বোৰ মনৰ পৰা মুচি পেলাব……

গাটো যাতনাত কঁপিবলৈ ধৰিলে। তাই ভাবিলে, তাই আৰু সহ্য কৰিব নোৱাৰে—তাই যেন সেই ঠাইতে পৰি মৰি থাকিব। কিন্তু মৃত্যু নহ'ল; মৰিবলৈ ইমান সহজ নহয়। এন্ধাৰত বহি বহি তাই মানুহৰ উশাহ সলোৱা শব্দ শুনি থাকিল আৰু মনতে ভাবিগুণি থাকিল। মুহূৰ্ত্তৰ বাবেও তাই

ভাবিবলৈ এৰা নাছিল যে তাই—মালাছা—অভিশপ্তা আৰু ঘিণ লগা জীৱ ; চিৰকাললৈ আন মানুহৰ পৰা তাই আঁতৰ হ'ল ; গাওঁখনৰ পৰা তাই আঁতৰত ; আনকি অলপ দিনৰ আগলৈকে তাইৰ নিজৰ জীৱনটোৰ নিচিনা বুলি ভবা সকলো বস্তুৰ পৰাই তাই আজি আঁতৰত। কিন্তু, কিয় ? কিহৰ কাৰণে এনেকুৱা হ'ল ? গাৱঁৰ অতবোৰ ছোৱালীৰ মাজত তাইৰহে এই ঘটনা হ'বলৈ পালেনে ?

তাই সমুখত অন্ধকাৰ দেখা নাছিল ; দেখিছিল—তাইৰ ওপৰত হালি পৰা সেই মুখ তিনিখন, সেই ঘিণ লগা মুখ তিনিখন। তাইৰ স্মৃতিত ছবিৰ দৰে চিৰদিনৰ বাবে সেই-বোৰৰ সাঁচ বৈ গ'ল। সদায় চকুৰ আগত সেইবোৰেই ভাহি থাকিল। তাইৰ স্মৃতিৰ পটৰ পৰা একোৱে সেইবোৰ মুচি পেলাব নোৱাৰে আৰু তাইৰ মনৰ পৰা একোৱে সেইবোৰ আঁৰ কৰি ৰাখিব নোৱাৰে। তিনিখন মুখ—দাড়ি খুৰুৱা নাই, ৰঙা নোমেৰে ভৰা ; চকুকেইটা বৰ্ব্বৰ যেন দেখি ; ফটা ওঁঠকেইটাৰ মাজেদি সিহঁতৰ দাঁতবোৰ বনৰীয়া জন্তুৰ দাঁতৰ দৰে ওলাই পৰিছিল।

কেইমাহ মানৰ আগতে তাই ইভানৰ সৈতে সেই একেটা কোঠাতে আছিল। একে কোঠা আৰু একে বিচনা। কিন্তু ছিটাছিট হৈ পৰা গাৰুটোৰ পৰা আৰম্ভ কৰি সকলোবোৰ এতিয়া শূন্য। মাটিত খেৰবোৰ সিচৰতি হৈ আছিল, খিড়িকীৰ বাতামৰ পৰা সুগন্ধ গোলাপৰ ফুলদানিবোৰ মাটিত সৰি পৰিল আৰু তাৰ ভগা টুকুৰাবোৰ জাৰ্ম্মানৰ বুট জোতাৰ গচকনিত গুৰি হ'ল। তাই এইবোৰ কথা ভাবিব খোজা নাছিল—আৰু তাই ভাবিবও নোৱাৰে। তথাপি সেই কথাটোৱেই

তাইৰ মনত বাঁহ লৈছিল আৰু খন্তেকৰ বাবেও তাইক শান্তি নিদিছিল। আকৌ সিহঁত তিনটাৰ মুখকিখনলৈ তাইৰ মনত পৰিল; সিহঁতে দাঁড়িবোৰ খুৰুৱা নাছিল; থুতৰিত এথোপা ৰঙা দাঁড়ি। সিহঁতৰ ঢেকুঢেকনি আৰু চিঞৰকেইটালৈ তাইৰ মনত পৰিল। তাইৰ হাত-ভৰিত সিহঁতে বৰফ যেন চেঁচা হাতেৰে কটকটীয়াকৈ খামুচি ধৰিছিল। তাৰ পিচত সিহঁত গুচি গ'ল, দুৱাৰখন কেৰ্‌কেৰাই উঠিল। এচমকা ধোঁৱা-বৰণীয়া বাষ্প কোঠাটোৰ ভিতৰ সোমাল। আৰু তাৰ পিচত? তাৰ পিচৰ পৰাই এই দীঘলীয়া, হৃদয়-বিদাৰক, অসহ্য দুঃস্বপ্নৰ আৰম্ভণি। আৰু তাতো কৈ অসহনীয় হ'ল—এই শেহৰ দিন দহোটা। পুৱাৰ পৰা গধূলিলৈকে আৰু নিতৌ নিশা এবাৰো চকু-টিপ নেমাৰি তাই কেৱল নিজ শৰীৰৰ ভিতৰৰ কিবা শব্দ এটা শুনিবলৈ চেষ্টা কৰে আৰু এদিন এদিনকৈ দিনবোৰ লেখি যায়; এই হিচাব কৰি কৰিয়েই তাই বলিয়া হ'বলগীয়া হ'ল। দিনৰ পিচত দিন লগ হৈ এতিয়া দহত সোমাইছেহি।

অৱশ্যে গাঁৱৰ মানুহো ধ্বংস হ'ল; বহুতৰ চিনচাব নোহোৱা হৈ পৰিল। লেভ'নিয়াকৰ শটো ফাঁচী কাঠত ওলমি আছিল। গা-নৰিয়া অৱস্থাতে অ'লেনাই চালিৰ তলত জাৰ্ম্মানৰ নিৰ্য্যাতন ভুগিছিল। কিন্তু কেৱল তাইৰ বাহিৰে আন কোনেও সিহঁতৰ শৰীৰত জাৰ্ম্মানৰ সন্তান বহন কৰিবলগীয়া হোৱা নাছিল। মৰিহাজি যোৱাবোৰৰ আৰু নিৰ্য্যাতিত হোৱা বোৰৰ মাজতো কোনেও নিজ শৰীৰত শত্ৰুক ভাৰ বৰলগীয়া হোৱা নাছিল।

আন এচুকত অলগা পেলেনচাক কেচুৱাৰ দৰে উচুপি

আছিল। হঠাৎ মালাছাৰ বৰ খং উঠিল, এটা অবৰ্ণনীয় ঘৃণা জন্মিল। এই মূৰ্খজনীয়ে কান্দিছে কেলৈ? কান্দিবলৈ তাইৰ কি কাৰণটো আছে? জাৰ্ম্মানে তাইৰ ধৰ্ম্ম নষ্ট কৰা নাই। মানুহৰ জীৱনত ঘটিব পৰা, সম্ভৱ আটাইতকৈ ভয়ানক, ঘটনাটোৰ বিষয়ে তাইৰ কোনো অভিজ্ঞতা নাই। তাই আকৌ ভয় কৰিছে কিয়? তাইক সিহঁতে গুলীয়াই মাৰিব বুলি নে কি? গুলীয়াই মাৰিব বুলি মালাছাই কেতিয়াও বিশ্বাস নকৰে। শত্ৰুৰ হাতত অকল মৃত্যু হোৱাটো বৰ ডাঙৰ কথা—ই এটা ডাঙৰ ভাগ্য। নাই, তাই কেতিয়াও এই কথা বিশ্বাস কৰিব নোৱাৰে। সিহঁতক বোধ হয় আটক কৰি ৰাখিব; সম্ভৱ জাৰ্ম্মানবোৰে সিহঁতৰ কাৰণে মৃত্যুতকৈও বেছি ভীষণ কিবা এটা ভয়ানক ব্যৱস্থাৰ চিন্তা কৰিব। কিন্তু সিহঁত নমৰে; জাৰ্ম্মানৰ হাতত মানুহৰ কেতিয়াও একো ভাল নহয়। সিহঁতে জাৰ্ম্মানৰ পৰা কেতিয়াও সৌভাগ্য নেপায়। আৰু মৃত্যু হোৱাটো এটা সৌভাগ্য। আকৌ তাই দিন লেখিবলৈ লাগিল—এক, দুই, তিনি...... তাই দহ পালেহি আৰু কষ্টত চটফটাবলৈ ধৰিলে। তাইৰ এনে লাগিছিল যেন অন্তৰ ফাটি যাব, তাই আৰু এক মুহূৰ্ত্তও সহ্য কৰিব নোৱাৰিব। কিন্তু তাইৰ অন্তৰ নেফাটিল। কুমকিটাত সৰু হাঁতুৰীৰে পিটাৰ দৰে হুতুৰ্ হুতুৰ্ মাৰিবলৈ ধৰিলে। এন্ধাৰৰ পিনে একেথৰে চাই তাই দিনবোৰ লেখিবলৈ ধৰিলে। মালাছাই ভাবিলে, এদিন এদিনকৈ শেষ নোপোৱালৈকে তাই দিনবোৰ লেখি যাব; মূৰকত নিৰ্দ্দিষ্ট সময় পাবহি আৰু তাই—মালাছাই, ৰেড্ সৈনিকৰ স্ত্ৰীয়ে—এদিন বিজাতীয়া জাৰ্ম্মান এটাক জন্ম দিব।

তাই কেৱল শুনি থাকিল। কুমৰ আৰু হাতৰ গাঁঠিৰ শিৰবোৰে হাঁতুৰী মৰাদি মাৰিবলৈ ধৰিলে। তাই পেটত হাত দিলে। তাতো শিৰবোৰে হাঁতুৰী মৰাদি ধিপ্‌ধিপাই আছিল। নিজ শৰীৰৰ প্ৰতি তাইৰ অদম্য ঘৃণা জন্মিল। তাইৰ গাত ঠাই ল'লে এটা জাৰ্ম্মানে; বৰ্ত্তমান সি নাই যদিও তাৰ অস্তিত্ব আছে। যদি তাই খায়, তেন্তে সেই খাদ্য তাই খাবলৈ নেপায়—ভিতৰৰ জাৰ্ম্মানটোৱেহে খায়। সি সকলো বস্তু খাব, লাহে লাহে বাঢ়ি যাব আৰু শেহত কটা ঘাত চেঙা তেল দিয়াদি এদিন তাইৰ দুৰ্ভাগ্যৰ ওপৰত কলঙ্ক জাপি দিব। যেতিয়া তাই শোৱে, টোপনিয়ে তাইক শক্তি নিদিয়ে; এই জিৰণি তাইৰ নহয়—ই সেই জাৰ্ম্মানটোৰহে। সন্তানৰ নিচিনাকৈ তাই তাক ভাবিব নোৱাৰিলে। সন্তান বুলিব পাৰি অ'লেনাৰ কেঁচুৱাটোক; ডাঠ কাঠেৰে সজা এই বন্ধ ঘৰটোৰ ভিতৰলৈকে মাজে মাজে তাৰ কান্দোন শুনা গৈছিল। সেইদিনা ৰাতি সিহঁতে গুলীয়াই মৰা সেই অপৰিচিত ল'ৰাটোক সন্তান বুলিব পাৰি; চেকৰিথা আৰু মেলিয়াকইঁতৰ লৰা-ছোৱালীক সন্তান বুলিব পাৰি। মুঠতে, যিবোৰ ল'ৰাছোৱালী গাৱঁতে উপজি ডাঙৰ দীঘল হৈছে আৰু জাৰ্ম্মানবোৰ অহাৰ লগে লগে যাৰ প্ৰাণত সুনিশ্চিত মৃত্যুৰ ভয় সঞ্চাৰ হৈছে, সেইবোৰেই সন্তান। আন তিবোতাৰ ল'ৰাছোৱালী হয়—কিছুমানৰ চুলি ৰঙা, কিছুমানৰ ক'লা; চকুৰ ৰঙ কোনোটোৰ পাতল আৰু কোনোটোৰ ডাঠ; কোনোবা পেনেৰা আৰু কোনোবা ৰঙিয়াল; দোলনাত শুই থাকোতে কিছুমান শান্ত হৈ থাকে আৰু কিছুমানে কল্‌কলাই থাকে। মাকইঁতে গৰ্ভধাৰণ কৰে, জন্ম দিয়ে

আৰু সন্তানৰ প্ৰতিপালন কৰে। 'কিন্তু, তাই যাক ধাৰণ কৰিছে আৰু যাক তাই জন্ম দিব—সি তাইৰ সন্তান নহয়। সি এটা কুকুৰৰ পোৱালী, এটা জাৰ্ম্মান। তাই আতঙ্কৰ সৈতে ভাবিলে, যি ঘটনা হৈ গল তাক আৰু সলনি কৰিব নোৱাৰি। সি যদি মৰিও থাকে—আৰু যদি তাই নিজ হাতেৰেই তাক টেঁটু চেপি মাৰে—তথাপি একো ফল নহয়। তথাপি অনন্ত কাললৈকে তাই ঘৃণা আৰু অনিচ্ছাৰ সৈতে সুঁৱৰি থাকিব যে তাই জাৰ্ম্মান এটাক জন্ম দিছিল আৰু নিজৰ তেজেৰে তাই তাক পালন কৰিছিল। তাইৰ উখহা পেটটোলৈ আৰু তাইৰ গৰ্ভাৱস্থাৰ কষ্টকৰ খোজটোলৈ মানুহে লক্ষ্য কৰিব। প্ৰত্যেকে তাইক বাট এৰি দিব—কিন্তু তাই সহজে পাৰ হৈ যাবলৈ সুবিধা কৰি দিবৰ কাৰণে নহয়, উৎকট ঘৃণাৰ বাবতহে সিহঁতে বাট এৰি দিব। জানোচা জাৰ্ম্মানৰ শয্যাশায়িনীক—জাৰ্ম্মান-সন্তানক বহন কৰা এই মানুহজনীক—সিহঁতে চোৱে।

অৱশ্যে গাৱঁৰ মানুহবোৰে জানে। সকলোৱে তাইৰ প্ৰতি দুখ প্ৰকাশ কৰে, জাৰ্ম্মানবোৰক শাও দিয়ে আৰু সিহঁতে কোৱাকুই কৰে যে এদিন এই সকলো অত্যাচাৰৰ বাবে সিহঁতে প্ৰতিশোধ লব। কিন্তু মালাছাই জানে—ই ইমান সহজে সমাধান নহয়। পেছ্‌চাক, লেভ'নিয়াক, অ'লেনা, উচ্ছন্ন ঘৰবাৰী আৰু সিহঁতৰ মৰা লৰাছোৱালী ইত্যাদি সকলোৰে বাবত প্ৰতিশোধ লব পাৰিব। কিন্তু কোনেও কেতিয়াও তাইৰ ঘটনাটোৰ প্ৰতিশোধ লব নোৱাৰে। ইয়াৰ কোনো প্ৰতিবিধান নাই। যদিও এই বিষয়ে কোনেও একো কথা তুলিয়ায়, তথাপি তাই মন কৰিছিল যে তিৰোতাবোৰে তাইৰ

চকুলৈ নেচাইছিল আৰু মানুহে তাইক প্লেগ বেমাৰীৰ দৰে ভয় কৰি তাইৰ পৰা আঁতৰি গৈছিল। যি দিনা সিহঁত তিনটা তাইৰ ঘৰ ভাঙি ভিতৰ সোমাল, সেই দিনটোৱেই তাইৰ আৰু গাৱঁৰ মাজত এটা দুৰ্জ্জয় অন্তৰায় হিচাবে থিয় দিলে। সেইদিনা তাইৰ ধৰ্ম্ম নষ্ট হ'ল; কিন্তু সাধাৰণতে সিহঁতৰ ভোগৰ বলিক গুলীয়াই মৰাদি তাইক সিহঁতে গুলীয়াই নেমাৰিলে। নিকাৰ ভুগিবলৈ তাই জীৱিত জগতৰ মাজত থাকি গ'ল। আৰু এয়ে যেন যথেষ্ট নহ'ল; তাইৰ মৰ্য্যদা হানি কৰিয়েই সিহঁত ক্ষান্ত নহ'ল। সেইদেখি সিহঁতে সমাজৰ চকুত তাইৰ অৱস্থা এটুকুৰা পেলনি যোৱা ফটাকানিৰ নিচিনা কৰিলে। এতিয়া তাই কেবল দিন লেখে আৰু মুৰকত মুঠ সংখ্যাটো একেই পায়। তাই উপায়হীন ভাৱে কল্পিত আশাৰ কণাত খামুচি ধৰে; ভুল হৈছে বুলি মৰিচিকাৰ দৰে ভাব এটা লয়। সকলো কথা তাই মিছা বুলি ভাবে; কেতিয়াবা এনে হ'লেও কোনো হৈ-চৈ নহয় বুলি তাই নিজক আশ্বাস দিয়ে। তাই ভাবে—আৰু দুই এদিন গ'লে সকলো ভাল হৈ যাব। কিন্তু সকলো বুজনি মিছা হৈ পৰে; কাৰণ অন্তৰৰ এচুকৰ পৰা তাই উপলব্ধি কৰিছিল যে সঁচাকৈ তাই গৰ্ভৱতী; একোৱেই ইয়াক পৰিবৰ্ত্তন কৰিব নোৱাৰে।

গ্ৰীষ্মৰ দিনকিটালৈ তাইৰ মনত পৰিল—কেনে উজ্বল, ফুলেৰে জাতিষ্কাৰ আৰু গোন্ধত আমোলমোলাই আছিল সেই দিনবোৰ! নিয়ৰৰ টোপালে নিশাবোৰ ৰূপোৱালি কৰি তুলিছিল; ধাঁহবোৰ ককালৰ কাষলৈকে ওখ হৈছিল; নৈৰ বুকুত খেৰ শুকুৱা মানুহে বহা পাতিছিল; তৰাৰ চিকমিকনি আৰু খেৰৰ সুগন্ধিৰ মাজত তন্মুত কটোৱা নিশাবোৰ উন্মাদনা ভৰা

পচোৱাৰ নিচিনা। এনেবোৰ চেনেহৰ মাজত তাইৰ কোনো কেঁচুৱাৰ জন্ম হোৱা নাই। সেই নিশাবোৰ মধুৰ আৰু সুখৰ—ওঁঠে ওঁঠে লগালগি, হিয়াত উলাহ ভৰা কঁপনি! এই সকলো এতিয়া শেষ হ'ল। তাৰ আৰু একো চিনচাব নেথাকিল। এইবোৰ যেন কেতিয়াও হোৱাই নাছিল। ইপিনে গোটেই গ্ৰীষ্মকাল জুৰি তেনেকুৱা কত নিশা সিহঁতৰ জীৱনৰ মাজেদি পাৰ হৈ গ'ল! প্ৰবল প্ৰেমৰ উন্মাদনাত তাই নিজক সমৰ্পণ কৰি-ছিল; কিন্তু পিচত তাৰ কোনো ফল হোৱা নাছিল। তথাপি কোনো দন্দ-হাই নকৰাকৈ সিহঁতে বিদায় লৈছিল।

আৰু এতিয়া আছিল কেৱল এক মুহূৰ্ত্ত, ভয়ঙ্কৰ আধাঘণ্টা সময়! কিন্তু এই আধাঘণ্টায়েই তাইৰ জীৱন বিষাক্ত কৰি তুলিব; ইয়েই তাইৰ জীৱনত এটুকুৰা পকনি ধৰা ঘাৰ নিচিনা হ'ব আৰু চিৰদিনলৈ তাৰ পৰা দুৰ্গন্ধ আৰু বিষাক্ত পুঁজ নিজৰি ওলাই থাকিব।

তাই ইভানৰ কথা ভাবিলে। সঁচাকৈ, তাইৰ বিবাহিত জীৱনৰ দিনকেইটা বৰ চমু। সেই নিশাবোৰ কেনে অময়া সুখেৰে ভৰা! চালিৰ জলঙাইদি তৰাবোৰে ভুমুকিয়াই চাইছিল; জুন মাহৰ নিশা গ্ৰীষ্মকালৰ তপত বতাহ এছাটি বৈছিল। গিৰিয়েক যুজলৈ যোৱাৰ আগতে এনেকুৱা এটা সময় আছিল; কিন্তু এতিয়া এনেকুৱা নাই।

গহীন খোজেৰে তাই গাৱঁৰ মাজেদি গৈছিল। তাইৰ বুকুখন কুমাৰী ছোৱালীৰ দৰে; কঁকালটো লাহি। সকলো ল'ৰাই তাইলৈ চাইছিল আৰু তাইৰ লগত কথা পাতিছিল। সিহঁতে পাহৰি গৈছিল যে তাই এতিয়া বিবাহিতা আৰু তাইৰ ইভানৰ স্থান কাৰো লগত সলনি হ'ব নোৱাৰে। তাইৰ চিক-

মিকাই থকা দাঁতকেইটা চাবলৈ সিহঁতে হেঁপাহ কৰিছিল, তাইৰ উলাহ ভৰা হাঁহিটো শুনিবৰ আশা কৰিছিল আৰু তাইৰ ক'লা চকুজোৰৰ ৰঙিয়াল, পিৰিকপাৰাক চাৱনিটোলৈ সিহঁতৰ বৰ ধাউতি আছিল।

কেৱল আধাঘণ্টা! কিন্তু এই ধ্বংসকাৰী আৰু সপোনৰ দৰে সময় কণেই সকলো পৰিবৰ্ত্তন কৰি দিলে। এতিয়ালৈকে কোনেও নেজানে, এতিয়ালৈকে ই কাৰো দৃষ্টি আকৰ্ষণ কৰা নাই। কিন্তু সেই দিন আহিব, যিদিনা তাইৰ দুৰ্দ্দশা সকলোৱে চকুত পৰিব। মুচিব নোৱাৰা অপমানৰ চেকাৰে তাইক কলঙ্কিত কৰিও যেন যথেষ্ট নহ'ল। সেয়ে যথেষ্ট নহ'ল বাবে তাই এতিয়া জাৰ্ম্মানটোক পেটত ভাৰ বৈ ফুৰিব লাগিব; তাক যন্ত্ৰণাৰ মাজত জন্ম দিব লাগিব। কোনে তাইক সহায় কৰিব? আৰু তাইৰ আৱশ্যকৰ বেলিকা কোনে তাইৰ কাষত থাকিব খুজিব? কুকুৰনেচীয়া বাঘৰ পোৱালীটোক—ৰঙাচুলিয়া খুনীৰ পোৱালীটোক—স্পৰ্শ কৰি কোন তিৰোতাই নিজৰ হাত কলুষিত কৰিব? অলগাই মৃত্যুৰ ভয়ত কান্দিছে। কিন্তু মালাছাৰ বিশ্বাস যে মৃত্যু নহয়। সিহঁত কেনেকৈ ৰক্ষা পৰিব, সেই কথা তাই নেজানে। মৰা লৰাটোক বা জাৰ্ম্মানৰ হাতৰ পৰা তাৰ শটো কাঢ়ি নিয়াবোৰক কোনোবাই আনি সমৰ্পণ কৰাৰ সম্ভাৱনা আছে বুলিও তাই ভৰা নাই। আৰু নিশ্চয় জাৰ্ম্মানক কোনেও ধান চাউল নিদিয়ে। ই কেনেকৈ ঘটিব পাৰে আৰু কেলৈ ঘটা উচিত, সেইবোৰ তাই নেজানে। কিন্তু তাই নিশ্চিত আছিল যে তাই নমৰে, সিহঁতে তাইক বধ নকৰে। আৰু তাইক বধ নকৰে যেতিয়া আনবোৰো জীয়াই থাকিব।

প্ৰথমে চেকৰিথাই অলগাৰ হাতত লাহে লাহে হাতফুৰাই দিছিল ; কিন্তু অলগাই কান্দোন বন্ধ নকৰা দেখি তাইৰ ধৈৰ্য্য হেৰাল।

"কান্দিছা কেলৈ ? যি হ'ব লগা আছে হ'বই। কান্দিবলৈ তোমাৰ লাজ লগা উচিত আছিল।"

"মই কান্দিব খোজা নাই, কিন্তু কান্দোনহে বন্ধ কৰিব পৰা নাই।"—সৰু ছোৱালীৰ দৰে, অসহায় ভাৱে, অলগাই উচুপি ক'লে। চেকৰিথাৰ কাণত তাইৰ জীয়েক নাইনাৰ মাতৰ দৰে বাজিল। তাইৰ মনটো কুমলি গ'ল।

"সেয়া! হৈছে থোঁৱা। সেই দৰে কান্দি নেথাকিবা ...কি হয় আমি এতিয়াও দেখোন একো জনাই নাই।" মালাছাই তাইৰ এন্ধাৰ চুকটোৰ পৰা ঘৃণাৰ হাঁহি এটা মাৰিলে। কি হ'ব, তাই ভালকৈ জানে। মৃত্যুৰ কোনো আশাই নাই।

"ঘৰত মই তিনটা ল'ৰাছোৱালী এৰি থৈ আহিছোঁ ; সিহঁতৰ বা এতিয়া কি হৈছে ?...তথাপি দেখোন মই কান্দিকাটি থকা নাই..."—হঠাৎ ল'ৰাছোৱালীকেইটাৰ বাবে চেকৰিথাৰ এটা অতৃপ্ত হেঁপাহ জন্মিল। যদি এক মুহূৰ্ত্তৰ বাবেও তাই সিহঁতক দেখিবলৈ পালেহেঁতেন! সিহঁতে কি কৰিছে, কেনেকৈ চলিছে ? মেলিয়াচিথাই সিহঁতক তাইৰ ঘৰলৈ নিলে নে নাই ? কি জানি সিহঁত অকলশৰে আছে ? সিহঁতে চাগৈ নিশা হৈ অহাৰ লগে লগে ভয়ত কঁপিবলৈ ধৰে ; বাটত খোজৰ শব্দ শুনিলে বোধ হয় উচাপ খাই উঠে ; কাৰণ জাৰ্ম্মানবোৰ আহি সিহঁতক ঘৰৰ পৰা খেদি দিয়াৰ দিনৰে পৰা সিহঁতৰ আজি-কালি সকলোলৈকে বৰ ভয়।

ল'ৰাছোৱালীকেইটা যাতে জাৰত ঠেৰেঙা নেলাগে তাৰ বাবে ঘৰৰ পৰা ওলাই যাবৰ সময়ত তাই ফটা কানিকাপোৰ দুখন মান লব খুজিছিল। ওখ ফেল্ডৱেবেলটোৱে ধমকি দি ক'লে—"স্ক্ৰেম!" আৰু তাইক বন্দুকৰ কুন্দাৰে খুন্দিয়াই দিলে। আকৌ চিঞৰি ক'লে—"স্ক্ৰেম!" লৰা ছোৱালী-কেইটাই ভয়ত বিহ্বল হৈ ঘৰৰ পৰা ওলাই বৰফৰ মাজলৈ লৰ ধৰিলে। চনিয়াৰ গাত তেতিয়া সৰু চোলা এটাহে আছিল।

কিন্তু জাৰ্ম্মানবোৰে ঘৰটোত থাকি সুবিধা নেপালে; সেইদেখি সিহঁত আন এটা ঘৰলৈ গুচি গ'ল। তেতিয়া চেকৰহঁত ঘৰলৈ আকৌ উভতি আহিল। কিন্তু সিহঁতে আহিয়েই প্ৰথমে দুৱাৰমুখখন আঁতাই লব লগা হৈছিল। এটা কথা দেখা গল যে জাৰ্ম্মানবোৰে বৰফৰ মাজত বাহিৰলৈ ওলাই যাবলৈ টান পাইছিল। সেইদেখি সিহঁতে দুৱাৰমুখতে ময়লাৰে ভৰাই পেলালে। ঘৰৰ ভিতৰ সোমাওঁতে সিহঁতে যে সেই ময়লাবোৰ গচকি আহিব লাগিব আৰু ঘৰৰ ভিতৰ খনত দুৰ্গন্ধ উঠিব, সেইবোৰ কথালৈ সিহঁতৰ চিন্তা নাছিল। ওকালিত পেট আঙোৰপাঙোৰ কৰাত তাই দাঁত কামুৰি লৈছিল। সন্দেহত তাই ঘৰৰ ভিতৰখনো ভালকৈ পৰীক্ষা কৰিলে—জানোচা সিহঁতে ইয়াতো লেতেৰা কৰিলে। ঘৰটো ভাল নেপাই সিহঁতে এৰি থৈ গ'ল; সেই আখেজতে ঘৰটো এইদৰে লেতেৰা কৰিলে বুলি তাই পোনতে ভাবিছিল। কিন্তু পিচত দেখিলে যে সিহঁতে সকলোতে সেই একে ব্যৱহাৰকে কৰিছিল; আৰু চেকৰহঁতৰ বেলিকাও এই নীতিৰ লৰচৰ নহ'ল।

মেলিয়াচিখাৰ তাত ল'ৰাছোৱালীবোৰ কেনেকৈ থাকিব? অঙ্কাটোৱে যদি চাছাব লগত দন নকৰাকৈ থাকে। সি সৰু,

ইপিনে দুৰ্ব্বল ; কিন্তু ইমান দন্দুৰা যে সি সদায় অশান্তিৰ বাঁহ। সদায় মাৰ খায়, আৰু এসোপা ঘা লগাই ঘৰলৈ উভতি আহে। সি সদায় তাতকৈ ডাঙৰ ল'ৰাৰ লগত মাৰপিট কৰি ফুৰে। চনিয়া ধীৰ আৰু তাই বয়স অনুসৰি টনকিয়ালো। কিন্তু বাকী দুটা—অস্কা আৰু নাইনা……অত জাক ল'ৰা-ছোৱালীক মেলিয়াই চম্ভালিব কেনেকৈ ? তাইৰ নিজৰে আকৌ দুটা ! এই অভাৱৰ দিনত তাইনো অতবোৰক খুৱাব কেনেকৈ ?

সিটো চুকত জেভড'কিয়ে হুমুনিয়া কাঢ়িলে ঃ "গ্ৰখেচ কেনেকৈ শুই আছে চোঁৱা…… ।"

নাকৰ ঘোঁটঘোঁটনি একেৰাহে চলি আছিল ; যেন এন্ধাৰত ঠেকা খাই ডাঙৰকৈ প্ৰতিধ্বনিত হৈছিল। .

মনৰ চিন্তাবোৰ আঁতৰ কৰি ৰাখিবৰ মনেৰে চেকৰিখাই সুধিলে—"আপুনি একা, ককা ! আপুনি নোশোৱে নে কি ?"

"আজিকালি মই বেছিকৈ শুব নোৱাৰোঁ। শুব খোজোঁ, কিন্তু আজি বহুত দিনৰ পৰা মোৰ টোপনি নহা হ'ল।…… দুঘণ্টা বা তিনিঘণ্টা, তাতকৈ জীৱন গ'লেও মই বেছি পৰ শুব নোৱাৰোঁ……দিনো বৰ দীঘল হৈছে .."

হঠাৎ অলগাই সুধিলে—"আমি ইয়াত বহুত পৰ আছোঁ নে কি ?"

"কব নোৱাৰোঁ। এই দৰে বহি থাকিলে সময় নেযায় সুপুৱায় যেন লাগে…… এতিয়া গধূলি হৈছে যেন লাগিছে। সৌৱা চোৱাঁ ! সিটো কোঠাত লেম্প এটা জ্বলিছে। মোৰ মনেৰে গধূলি হৈছে…"

অলগাই হতাশ ভাবে সুধিলে—"গধুলিহে হৈছে? মোৰ আকৌ কিমান সময় হৈ যোৱা যেন লাগিছিল।"

"এয়া দেখিছা! আইটি, ইমান বিতত নহ'বা। আমি ইয়াত আৰু কিমান দিন থাকিব লাগিব, তাৰ কি ঠিকনা আছে?"

"তাই ছোৱালী হৈ আছে। ডেকা মানুহৰ সদায় খৰ্‌খেদা।"

—জেভড'কিমে হুমুনিয়া কাঢ়ি ক'লে।

চেকৰিথাই এন্ধাৰত তাৰ পিনে চালে। তাইৰ কাৰণে এন্ধাৰেই সহজ হৈ পৰিছিল; দুৱাৰৰ তলৰ সৰু ফাঁট এটাইদি কোঠাটোৰ ভিতৰলৈ অলপ পোহৰ আহিছিল। বেৰত আঁউজি থকা বুঢ়া মানুহটোৰ বগা মূৰটো অস্পষ্টভাৱে দেখা গৈছিল।

"খৰ্‌খেদা নো কিহলৈ ককা? আমাৰ এতিয়া কলৈকে খৰখেদাকৈ যাবলৈ নাই......ইয়াত বহি থকা সময়কণ আমাৰেই। আৰু তাৰ পিচত কি হ'ব, সেইবোৰ পিচৰ কথা... এৰা .."

ভয়ে ভয়ে অলগাই ক'লে—"আৰু 'যদি আমাৰ মানুহবোৰ আহে?" সিহঁত অহাৰ আশা নাই বুলি তাই ভাবিব নোৱাৰিলে; তাই কোনোমতে ভাবিব নোৱাৰিলে যে মৃত্যুৰ কাৰণেহে এই এন্ধাৰ গুদাম-ঘৰটোৰ দুৱাৰ মেল খাব।

"তুমি আকৌ পাহৰি নেযাবাযে জাৰ্ম্মানে আমাক কেৱল তিনদিনহে সময় দিছে।"

"কেলেই, এই তিনদিনৰ ভিতৰতে?"

"ইমান বৰফ ধুমুহাত? ইমান সহজ কথা নহয়। সিহঁত মেচিনগান, বৰতোপ লৈ আহিব কেনেকৈ? এনেকুৱা ভয়ানক

বৰফ ধুমুহাত তুমি নিজৰ নাকটোকে নেদেখা। ক'ৰবাত খালে জেওঁ পৰি বৰফত পোত যাব লাগিব..."—চেকৰিখাই ধীৰ ভাৱে কথাখিনি ক'লে; হঠাৎ তাই উপলব্ধি কৰিলে যে নিজৰ কথাকে তাই নিজে বিশ্বাস কৰিব পৰা নাই।

অৱশ্যে বৰফ আছে; তথাপি সিহঁতে অটল বিশ্বাস লৈ সেইদৰেই অপেক্ষা কৰি আছে। কিয়! সিদিনা ৰাতিপুৱাও দেখোন সিহঁত আহিছে বুলি তাই ভাবিছিল। ভাবিছিল—ৰেডসৈন্য আহি বোধহয় এতিয়া মানে লেছ্‌চেন পৰ্য্যন্ত পালেহি; কিজানি খালে খালে আহি পাহাৰী বাটেদি আগ বাঢ়িছে। তেনেহ'লে এতিয়ানো সিহত নাহিব কিয়? কালি আৰু পৰহি বৰফ-ধুমুহা হৈছিল—কিন্তু সিহঁতে বৰফ ধুমুহালৈ কি ভয় কৰিব? সেই ঠাইৰ সকলো বাট ঘাট সিহঁতে চিনি পায়; হেজাৰ হওক, এইখন সিহতৰ নিজৰ দেশ। ধুমুহা, বৰফ—এইবোৰ সিহঁতৰ কাৰণে সহজ হৈ পৰিছে। এইবোৰৰ সম্মুখীন হোৱা সিহঁতৰ কাৰণে একো নতুন কথা নহয়... ..

হয়, অলগাই ঠিকেই কৈছে। সিহঁত আহিব পাৰে। মৃত্যুৰ সমুখত মাথোন তিনটা দিন; তাৰ যেই সেই এদিনতে সিহঁত আহিব পাৰে। হঠাৎ দুৱাৰ মেল খাব, গুলীৰ শব্দ ভাহি উঠিব আৰু সিহঁত গুদামঘৰৰ অন্ধকাৰৰ মাজৰ পৰা ওলাই গৈ মুকলি ঠাই টুকুৰা পাবগৈ। নিজৰ সৈন্যবোৰক দেখা পাব আৰু তাৰ পিচত ল'ৰা ছোৱালী কেইটাক বিচাৰি মেলিয়াকহঁতৰ ঘৰলৈ বেগ দিব......

বোধহয় সিহঁত আহিছেই—নিশাৰ এন্ধাৰত গা ঢাকি আহিছে; কিজানি বৰফ-ধুমুহাৰ মাজত আঁৰ হৈ আহিছে, ধুমুহাৰ শব্দই আন সকলো শব্দ মাৰ নিয়াইছে। সিহঁতে

এতিয়া গাঁৱৰ পিনে মনে মনে বগাই আহিছে। তাৰ পিচ ত হঠাৎ বিজুলীৰ দৰে গাওঁখন আক্ৰমণ কৰিব।...গাওঁখনৰ বুকুত বহি জাৰ্ম্মানে গাঁৱৰে তেজ শুহি খাইছে; সিহঁতে এই জাৰ্ম্মান দস্যুদলক কাকতী ফৰিঙৰ দৰে এফালৰ পৰা কাটি মাৰি ধ্বংস কৰি নিব।

তাই ডাঙৰকৈ ক'লে—"এৰা, সিহঁত আহিব পাৰে; আমি বোধহয় সিহঁতক দেখিবলৈ পাম।"

অলগাৰ ধাতু আহিল—"তুমিও ভাবা? সিহঁত আহিব বুলি তুমিও ভাবা?"

জেভড'কিমে সকৈকে ক'লে—"আহিব পাৰে। উস্ এতিয়ামানে সিহঁত পাবহি লাগিছিল, যথেষ্ট সময় হ'ল!"

অলগাই থোকাথুকি মাতেৰে কলে—"সিহঁতে আমাক ভাল অৱস্থাতে পাবহি। আমাক ক'ত বন্ধ কৰি ৰাখিছে সেই কথা সকলোৱে জানে।" এই কথাকিটাকে তাই সেই মুহূৰ্ত্তত বৰ জৰুৰী কথা বুলি ভাবিছিল। তেতিয়া সিহঁত আৰু এক মুহূৰ্ত্তৰ বাবেও তাত বহি থাকিব নেলাগে। সিপিনে ৰেড্‌বাহিনীৰ সঙ্গীনৰ খোঁচাত জাৰ্ম্মানবোৰে গাঁৱৰ পৰা প্ৰবল বৰফ-ধুমুহাৰ মাজলৈ লৰ ধৰিব লাগিব।

চেকৰিথাই শান্তনাৰ সুৰত ক'লে—"তাকে ভাবি নুৰ ঘমাব নেলাগে। সিহঁত আহে যদি আহিব। তুমি যিদৰে কৈছা, সিহঁত যেন ইতিমধ্যে আহি গাওঁ পালেহিয়েই।"

"সঁচাকৈ জানো পাবহি নোৱাৰে?"

উপায়হীন ভাৱে আঙুলিবোৰ টানি চেকৰিথাই ক'লে...
"পাবহি পাৰে।"

তেতিয়াও মালাছাই এন্ধাৰৰ পিনে চাই আছিল। এৰা, সিহঁতে আশা কৰিব পাৰে—এই দৰে জীৱন ৰক্ষা কৰিবলৈ সিহঁতে আশা কৰিব পাৰে—কিন্তু তাইক কোনেও সহায় কৰিব নোৱাৰে, কোনেও ৰক্ষা কৰিব নোৱাৰে। সিহঁতৰ সৈন্যবাহিনী আহিব। কিন্তু তাৰ পিচত কি হ'ব ? সিহঁতক আদৰি আনিবলৈ বা সিহঁতৰ সুখৰ ভাগী হবলৈ তাই যাব নোৱাৰিব। তাই সিহঁতক এটোপা পানীও যাচিব নোৱাৰিব। নাইবা, সিহঁতক তাইৰ ঘৰলৈ মাতি আনিবও নোৱাৰিব। কোন তাই ? তাই জাৰ্ম্মানৰ শয্যাশায়িনী। তাইৰ গৰ্ভত জাৰ্ম্মানৰ সন্তান। তাই অনন্ত কালৰ কাৰণে অভিশপ্তা। সিহঁতৰ সৈন্যবাহিনী আহিব ; গাৱঁৰ জীৱন আকৌ উভতি আহিব ; আকৌ বাটত ছোৱালীবোৰে গান গাবলৈ ধৰিব আৰু ৰেড্-বাহিনীক দেখি মিচিকিয়াই হাঁহিব। ঘৰে ঘৰে প্ৰেমৰ বুৰঞ্জী আৰম্ভ হ'ব ; কোনেও সেই কথাত গৰিহণা নিদিয়ে—কাৰণ, সেইবোৰ সিহঁতৰ নিজৰ মানুহ নহয় জানো ? ছোৱালীবোৰে নো সিহঁতক চুমা এটাৰ পৰা বঞ্চিত কৰিব কিয় ? কিয়নো সিহঁতৰ কোনটো কেইদিনলৈ জীয়াই থাকে সেই কথা কোনে জানে ? তাইকহে কোনেও নেগাবই ; তাইৰ ওচৰৰ পৰা সকলো আঁতৰি যাব। আৰু যদি যুদ্ধও শেষ হয় আৰু ইভান উভতি আহে, তেতিয়া সিও তাইৰ কাষলৈ নাহে। সিহঁতে তাক কৈ দিব ; সি ঘৰৰ পৰা আঁতৰি থাকিব আৰু তাইক বাটত লগ পালে অচিনাকি মানুহৰ দৰে কাষেদি গুচি যাব ; আনকি ঘৃণাত মাটিত থু পেলাবও পাৰে।

ইটো চুকত অলগাই ফুচফুচাই কথা কৈ থকা তাই শুনি আছিল। তাইৰ খং উঠিল—"সিহঁত মোৰ পৰা যিমান পাৰে

সিয়ান দূৰত বহিছে।” কিন্তু তাই পাহৰি গ'ল যে সিহঁত সকলোৱে নবহালেকে তাই নিজেই বাহিৰত বৈ আছিল আৰু তাৰ পিচত তাই সিহঁতৰ পৰা আটাইতকৈ নিলগৰ চুকটোত বহিলগৈ। এৰা, অলগাই বাট চাব পাৰে। অলগাৰ মৃত্যুলৈ ভয় কৰিবৰ কাৰণ আছে—জীয়াই থাকিবলৈ অলগাৰ সম্বল আছে। অস্তাপ যুদ্ধৰ পৰা উভতি আহিলে সিহঁতৰ বিয়া হ'ব। আনৰ দৰে সিহঁতেও জীৱন কটাব, কাম-বন কৰিব। অস্তাপৰ সন্তানক তাই জন্ম দিব। কিন্তু কেৱল তাইহে যুদ্ধৰ আগতে যেনেকুৱা আছিল তেনেকুৱা আৰু কেতিয়াও নহয়; ইপিনে মালাছায়েই এসময়ত গাৱঁৰ ভিতৰত শ্ৰেষ্ঠা কৰ্ম্মী আৰু আটাইতকৈ সৰবৰহী ছোৱালী বুলি পৰিগণিত আছিল।

ফেডচিয়াই ভেচিয়াৰ শোক পাহৰিব; শেহত সময়ৰ লগে লগে তাই পুতেকৰ কথা শান্ত ভাৱে সুঁৱৰিব। মুঠতে, দেশৰ বাবে প্ৰাণ ত্যাগ কৰা সিয়েই প্ৰথম বা শেহ নহয়। লেভ-নিয়াকৰ মাক বাপেকেও পাহৰি যাব। সিহঁতৰ আৰু দুটা ল'ৰা আছে, দুজনী ছোৱালী আছে। ল'ৰা দুটা যুদ্ধৰ পৰা উভতি আহিলে ঘৰ আকৌ ভৰি পৰিব। জাৰ্ম্মানে ভঙা ঘৰবোৰ মানুহে আকৌ সাজিব; ফুলনিৰ যিবোৰ গছ জাৰ্ম্মানে নিৰ্দ্দয় ভাৱে কাটি পেলালে, সেইবোৰৰ ঠাইত নতুন গছ কৰ। মানুহৰ গাৰ ঘাবোৰ শুকাই যাব আৰু সকলো আগৰ দৰে হ'ব। কেৱল তাইৰহে আশা কৰিবলৈ একো নাই; একো উভতি নাহে, একো পাহৰি নেযায়। সকলোৰে সমুখত একোটা পথ মুকলি হৈ আছে; কিছুমানৰ কঠিন, কিছুমানৰ সহজ। তাইৰ সমুখতহে কোনো পথ নাই।

গাঁৱৰ ভিতৰত তায়েই আটাইতকৈ ধুনীয়া ছোৱালী। সমূহীয়া পামৰ সকলো ছোৱালীতকৈ তাইৰ কামেই ভাল। একুৰি ছোৱালীৰ মাজত থাকিলেও সকলোৰে চকু পৰে তাইৰ ওপৰতহে ; সিহঁতে গান গাওঁতে আনবোৰতকৈ তাইৰ মাত-টোহে বেছি স্পষ্ট আৰু শুদ্ধ হয়। কাৰো এনে বেণী, এনে চকু আৰু এনে ঠেক, ধেনুভিৰীয়া চেলাউৰি নাই। এইবোৰৰ বাবে এসময়ত তাই কিমান ৰং পাইছিল! নিজৰ ৰূপৰ গৌৰৱত তাই শিৰ তুলি ফুৰিছিল।

কিন্তু ইয়েই শেহত তাইৰ দুখ আৰু দুৰ্দ্দশা চপাই দিলে। বুঢ়ী মাৰফাৰ দৰে তায়ো সোতোৰা পৰা আৰু লেৰেলী হোৱা হ'লেই ভাল আছিল। খোৰা উষ্টিয়াৰ দৰে কুঁজী বা বঙাচুলীয়া হোৱাহেঁতেন ভাল আছিল। তাই যদি ক্লেভাৰ দৰে কুৎসিৎ হ'ল হেঁতেন! তাই ইহঁতবোৰৰ নিচিনা নাছিল, সেইবাবেই সিহঁত তিনটাৰ তাইৰ ওপৰত চকু পৰিল। সেয়ে তাইৰ ধ্বংস চমুৱাই আনিলে।

মাজে মাজে দুৱাৰৰ ফাঁকেদি মানুহৰ মাত আৰু খোজৰ শব্দ আহিছিল। জাৰ্ম্মানবোৰ তাতে আছিল। সিহঁতে গাঁৱৰ চভিয়েট বহা ঘৰটোত যিদৰে ৰবমতা বোলাই ফুৰিছিল, যেন সিহঁত নিজৰ ঘৰতহে আছে। সিহঁতে নিজক তাৰ গৰাকী বুলি ভাবিছিল। মালাছাৰ হাতৰ মুঠিকেইটা টান হৈ পৰিল। সিহঁত কেৱল তাতেই নাছিল ; থেইভতো আছিল—তালৈ তাই এখন মেলা চাবলৈ গৈছিল। থেইভৰ বহল বাটত সিহঁতে খোজ কাঢ়ি ফুৰিছিল ; থেইভৰ সোণালী দ'লকিটা পাৰ হৈ দীঘল দীঘল খোজেৰে বাটত ঘুৰি ফুৰিছিল। খাৰকোভৰ বাটতো সিহঁতৰ বুটৰ গচক পৰিছিল। সৈনিকৰ বুট কিছি

সিহঁতে ইউক্রেনৰ মাটিত সদৰ্পে ডেও দি ফুৰিছিল। কেৱল মালাছাই নহয়, ইউক্রেনৰ মাটিও আজি ভ্রষ্টা, অপমানিতা আৰু কলঙ্কিতা। নগৰবোৰ এৰা পৰিল, ভস্মীভূত গাৱঁৰ ছাই বতাহত উৰি গ'ল। নোপোতা শবোৰ মাটিত পৰি থাকিল আৰু ফাঁচীকাঠত মৰা শ ওলমি থাকিল। পৃথিবী তেজেৰে তিতি গ'ল, চকুলোৰে ডোঙা বান্ধিলে।

কিন্তু সেই দিন আহিব, যিদিনা মুক্ত দেশক সোণালী ৰ'দে আকৌ ছাটি ধৰিব। আকৌ নিপৰ নৈ, মুক্ত হৈ, আপোন পথেদি বাগৰি যাব। ভৰ ছক্লা, লপান আৰু চিল আকৌ সশব্দে বৈ যাব। নৈৰ কোৱাল সোঁতে দেশ ধুই নিব; দেশৰ সকলো কলঙ্কৰ চেকা আৰু আবৰ্জ্জনা ধুই নিব। তেজেৰে তিতি যোৱা মাটিত খেতি শতগুণে উপচি পৰিব। ঘেঁহুৰ পাতবোৰে বতাহত অসীম সাগৰৰ দৰে ঢৌ খেলিব। ধানৰ পথাৰবোৰ সোণৰ দৰে জিলিকি উঠিব। ফুলনিত আকৌ 'হলিহুক' ফুল ফুলিব আৰু বিলাহীৰ ৰঙা গুটিবোৰ কেউপিনে উপচি পৰিব। দেশ আকৌ পৰিষ্কাৰ হৈ উঠিব আৰু ফলে-ফুলে জাতিষ্কাৰ হৈ সম্পদেৰে উপচি পৰিব।

কিন্তু মালাছাৰ যি পৰিবৰ্ত্তন হ'ল, ই চিৰদিনলৈ থাকি যাব; তাইৰ দৰে দুৰ্ভগীয়া পৰিত্যক্তা এজনীৰ কাৰণে সকলো পথেই ৰুদ্ধ। তাইৰ বুকু ফালি আপোনা আপুনি এটা কেঁকনি ওলাই পৰিল।

চেকৰিখাই সুধিলে—"মালাছা, তুমি শোৱা নাইনে কি?"

মালাছা উচাপ খাই উঠিল। মানুহজনীৰ মাতত তাই অনিচ্ছাৰ ভাব থকা যেন পালে। সেই বাবে তাইৰ খং উঠিল। মন নাই যদি কথা নেপাতিবি! ভাও ধৰ কিয়?

তাই খেচ্‌খেচাই উঠিল "নাই শোৱা। পিচে তোমাৰ কি হ'ল ?"

"সুধিছোঁহে।"

"সুধিবৰ আৱশ্যক নাই। মোৰ কাৰণে ইমান উচ্‌পিচনি লগাব নেলাগে।"

"খং কৰিছা কেলৈ ? আমাৰ সকলোৰে একে অৱস্থা।"

বিৰক্তিৰ হাঁহি মাৰি মালাছাই ক'লে—"সকলোৰে একে অৱস্থা ? নহয়, মোৰ বেলেগ।"

"সেইটো এটা দুৰ্ভাগ্য ..."

"তুমি দেখিছোঁ, দুৰ্ভাগ্যৰ বিষয়ে বহুত কথা জানা ?"—তাইৰ মনত প্ৰবল বিদ্ৰোহ জাগিছিল আৰু তাকে কাৰোবাৰ ওপৰত তাই জাৰিবলৈ বিচাৰিছিল—"তুমি নিজে ঠিক থকালৈকে অন্ততঃ তাতে মনে মনে বহি থকাই ভাল। আন নহলেও গ্ৰখেচৰ নাকৰ ঘোঁট-ঘোঁটনিকে শুনি থাকিব পাৰা।"

চেকৰিখাৰ চোলাৰ হাতটো টানি অলগাই ক'লে—"তাইৰ লগত কথা নেপাতিবা ; তাই বৰ খঙাল।"

কথাষাৰ মালাছাৰ কাণত পৰিল।

"ঠিক কথা। তোমালোকে মোৰ লগত কথা পাতিব লাগিছে কিয় ? মই খঙাল, নীচ—সকলোৱে সেই কথা জানে। পিচে তোমাৰ কথাত তেনেহ'লে মৌ বৰষে নহয় নে ?"

মানুহকিজনায়ে কথা বন্ধ কৰিলে। মালাছাই ঘনাই উশাহ লৈ এন্ধাৰৰ পিনে চাই থাকিল।

খেতিৰ সময়ত বাতৰি কাগজত তাইৰ বিষয়ে লিখা কথা-বোৰলৈ তাইৰ মনত পৰিল। আহ! তেতিয়া তাই খঙাল

নাছিল। লগৰ ছোৱালীবোৰে আৰু আন তিৰোতাবোৰে তাইক সাবটি ধৰিছিল। কাগজত তাইৰ ছবি ওলাইছিল। 'ফটো'ত মালাছাক বৰ ভাল দেখা নাছিল। হাঁহোতে তাইৰ দাঁতবোৰ বৰকৈ চিকমিকাই ওলাই পৰিছিল; ইপিনে তাইৰ মুখখন এন্ধাৰত নেদেখা হৈছিল। তথাপি, তাইৰ ছবি কাগজত ওলাইছিল আৰু তলত তাইৰ বিষয়ে এশাৰী কথাও লিখা আছিল—আদৰ্শ যৌথ খেতিয়ক, মালাছা। তেতিয়া তাইৰ বিষয়ে এষাৰ কথা লিখিবলৈকো আছিল!......আৰু এতিয়া? সেই আদৰ্শ যৌথ খেতিয়ক, মেলেনিয়া ভিছনেভাই আজি এটা ওকণীয়ে খোৱা জাৰ্ম্মানৰ সন্তানক ভাৰ বৈ ফুৰিছে!

বাহিৰত হোহোৱাই বতাহ। ডাঠ বেৰৰ মাজতো সেই শব্দ শুনা গৈছিল। হঠাৎ গ্ৰখেচৰ টোপনি ভাগিল, সি ভাওৰকৈ হামি এটা মাৰিলে।

খিয়ালত বুঢ়া জেভডকিমে ক'লে—"সঁচাকৈ, তুমি হ'লে বৰ শুব পাৰা।"

"কেলৈ নোৱাৰিম? এঘুমটি মাৰিলে একো অপকাৰ নহয়। পিচত কি হয় কোনে জানে?"

"কিটো হ'ব? কি হ'ব আমি জানোঁ।"—টপৰাই অলগাই মাত লগালে—"বোধহয় আমাৰ মানুহ পাবহি।" সিহঁত আহিব বুলি গ্ৰখেচে যেন সমৰ্থন কৰে, তাই তাকেই আশা কৰিছিল।

"নিশ্চয় আহিব পাৰে......কিন্তু এই তিনদিনৰ ভিতৰতে যে আহিব, তাৰ কোনো অৰ্থ নাই..... "

"নহ'লে আমাৰ গৰিলাবোৰো আহিব পাৰে।"

"খেতিয়কটোৱে বাধা দি ক'লে—"সেয়া দুৰাশা। সিহঁত

ইয়ালৈ কেনেকৈ আহিব ? সিহঁত বহুত দূৰত হাবিৰ মাজত আছে। এনে বৰফৰ মাজত সিহঁত ইয়ালৈ অহা কথা ভাবিবও নোৱাৰি। জাৰ্ম্মানে সিহঁতক খেদি খেদি মাৰিব। গৰম দিনত অৱশ্যে বেলেগ কথা। তেতিয়া যলৈকে ইচ্ছা, তালৈকে যাব পাৰি। প্ৰত্যেক জোপাটোৱে ৰক্ষা কৰিব, লুকাবলৈ ঠাই দিব। কিন্তু এনে বতৰত মুকলি ঠায়েদি কেতিয়াও যাব নোৱাৰি।"

"আৰু সৈন্যবাহিনী একা ?"

"সেনাবাহিনীৰ কথা বেলেগ। সিহঁতে যুজি বাট উলিয়াব।"

অলগাই হুমুনিয়া পেলালে।

"কেনেকৈ বতাহ বলিছে !......"

জেভডকিমে ক'লে—"এনে নিশাত মৃত্যুৱে ডেও দি নাচি ফুৰে বুলি মানুহে কয়।"

অলগাৰ গোটেই শৰীৰ কঁপি উঠিল। এনেয়ে গুদাম-ঘৰটোত ভয় লগা এন্ধাৰ। তাতে আকৌ বুঢ়াই এনেকোৰ কথা পাতিছে কিয় ?

চেকৰিখাই গহীনাই সমৰ্থন কৰি ক'লে—"সঁচাকৈ মৰণে আমাৰ দেশত জপিয়াই ফুৰিছে......"

সিহঁত নিৰৱে থাকিল ; যেন ডাঠ বেৰৰ মাজেদি সিহঁতে মৃত্যুৰ পদ-ধ্বনিহে শুনিছে। সিহঁতে যেন বাটত ঘূৰি ফুৰা মৃত্যুকহে চাইছে।

বুঢ়াই ক'লে—"আজিকালি মৃত্যু দুটা।"

"কেনেকৈ দুটা মৃত্যু হ'ল ?"

"অতি সহজ কথা। দুটা......এটা হৈছে, জাৰ্ম্মান-মৃত্যু ;

সি নিয়ে আমাৰ মানুহবোৰক। আনটো হৈছে, জাৰ্ম্মানবোৰৰ কাৰণে অপেক্ষা কৰি থকা মৃত্যুটো।”

অলগা চেকৰিথাৰ কাষ চাপি গ’ল।

“ককা! তুমি এনে কথা পতা উচিত নহয়······বৰ ভয়ানক কথা······”

গ্ৰেখেচে টান মুখেৰে ক’লে—“ভয়ানক কথালৈ তুমি ভয় কৰা অনুচিত। আজিকালি জগতখনেই ভয়ানক; তোমাক কি লাগে তাকেই তুমি জনা উচিত; আৰু আন একোলৈ ভয় কৰিব নেলাগে। সিহঁতে তোমাক এবাৰ যদি ভয় খুৱাই লব পাৰে, তাৰ পিচত যি ইচ্ছা তাকে কৰিব পাৰিব।”

“কোনে কৰিব?”

“কোনে? কেলৈ! জাৰ্ম্মানে······কেনেকৈ মানুহৰ মনত ভয় সুমাব পাৰে তাকে সিহঁতে প্ৰধানকৈ চেষ্টা কৰিছে। যদি সিহঁতলৈ তুমি এবাৰ ভয় কৰা, তেতিয়া তোমাৰ পিনে আধ্যা পৰিল। কিন্তু তুমি যদি ভয় নোখোৱা, তেনেহ’লে জাৰ্ম্মানে তোমাক একো কৰিব নোৱাৰে।”

“ভেস্কাই সিহঁতলৈ ভয় কৰা নাছিল; তথাপিও তাক দেখোন গুলীয়াই মাৰিলে। আৰু পেছ্‌চাক······”

“সিহঁতে গুলীওৱা নাছিল বুলি মই ক’লোঁনে? গুলীয়াবৰ কাৰণেই সিহঁতৰ হাতত ৰাইফ্‌ল আৰু সিহঁত জাৰ্ম্মান বুলিয়েই সিহঁতে গুলীয়ায়। মই সেই কথা কোৱা নাছিলোঁ; শক্তি তাত নেথাকে...”

“তেনে ক’ত থাকে নো?”

“তুমি নিজে নেজানা নে কি?”

তাই উত্তৰ নিদিলে; কি ক’ব ভাবি নেপালে।

"বন্দুক হাতত লৈ থকাতহে শক্তি থাকে, কিন্তু বন্দুকৰ ওচৰত বশ্যতা স্বীকাৰ কৰাত শক্তি নেথাকে। তুমি লুকাই ৰাখিব খুজিলে শক্তিও লুকাই থাকিব; আৰু সিহঁতে তোমাৰ পৰা একো সঁহাৰি নেপায়। কিন্তু নিশ্চয় এইবোৰৰ ওৰ পৰিব; সিহঁতৰ এটাও জীৱিত অৱস্থাত ইয়াৰ পৰা সাৰি যাব নোৱাৰে। আৰু সিহঁতে যদি গুলীয়াই মাৰে?......আহ! তুমি এতিয়াও সৰু হে আছা.. ..যোৱা যুদ্ধত আৰু গৃহযুদ্ধত কিমান মানুহ মৰিল!. ...১৯১৮ চনত জাৰ্ম্মানে আমাৰ কি নকৰিছিল, সেই কথা ভাবি চোঁৱাছোন। তথাপি তাৰ ফল কি হ'ল? তাৰ একো চিনচাব নেথাকিল, থাকিলো আমিহে। দেশখন থাকি গ'ল আৰু থাকিল তাৰ মানুহবোৰ—তাৰ মানে সকলো থাকিল।"

"আস্! কিন্তু এতিয়া সিহঁতে ১৯১৮ চনতকৈ বহুত বেছি মানুহ মাৰিছে; এফালৰ পৰা কেৱল ধুই নিছে।"

"এৰা, বেছিকৈ মাৰিছে। কিন্তু সিহঁতে আমাৰ সকলোকে মাৰিব নোৱাৰে। দেশ নতুনকৈ গঢ়ি তুলিবলৈ কোনোবা জাঁয়াই থাকিব। অলপ বাট চোৱাঁ, জীয়াই থাকিলে আমিয়েই দেখিম; আমি মৰিলেও আনে কি হয় দেখিব। যুদ্ধৰ পিচত দেশ আগতকৈ চহকী আৰু উন্নত হ'ব.."

অলগাই হুমুনিয়া কাঢ়ি ক'লে—"এইবোৰ নিজে দেখা পোৱা হ'লে কিমান ভাল লাগিলহেঁতেন!"

"কেলৈ নেদেখিবা! তোমাৰ বয়স বাৰু কিমান?"

"উনৈচ!"

"উনৈচ .....ককা, আমি উনৈচৰ ডেওনা পাৰ হোৱা কিমান দিন হ'ল?"

জেভড'কিমে চিঞৰি ক'লে—"সেয়া, দেখিছা! তুমি মেজৰ অন্ত চুঁচৰি ফুৰা সময়তে মোৰ দাঁড়ি পকিবলৈ আৰম্ভ কৰে।"

"হব পাৰে। কিন্তু তাইৰ তুলনাত মই বুঢ়ী। নিজ চকুৰে দেখা পাবলৈ তুমি ইচ্ছা কৰিবই লাগিব, মইনা! ... ..কেৱল উনৈচ বছৰীয়া ছোৱালী ..আহ-হা! ককা আৰু মই তোমাতকৈ বহুত ডাঙৰ, তথাপি আমি সেই দিন নিজ চকুৰে দেখা পাবলৈ জীয়াই থাকিম বুলি আশা কৰোঁ।... .."

অলগাই হুমুনিয়া কাঢ়ি ক'লে—"যুদ্ধৰ পিচত দেশৰ কি হয়, কেৱল তাকে চাবৰ ইচ্ছা হয়।"

হঠাৎ গ্ৰেথেচ জাপ মাৰি উঠিল।

"নহয়, মই কেৱল তাকে চাব খোজা নাই। জাৰ্ম্মানৰ শেহৰ মানুহটোও যেন আমাৰ এই গাওঁতে মৰে, তাকে মোক চাবলৈ লাগে। যেইভত বাকী বোৰা শেহৰ জাৰ্ম্মানটো ফাঁচী কাঠত ওলমি থকা চাবলৈ মোক লাগে। নিপৰৰ ওপৰৰ পাহাৰটোত ফাঁচী কাঠ বহুৱাই তাত শেহৰ জাৰ্ম্মানটোক ফাঁচী দিবলৈ মোক লাগে। যি বোৰ জাৰ্ম্মানে সিহঁতৰ ঘৰত বহি আমাৰ ডিঙিত ফাঁচ লগাবৰ ব্যৱস্থা কৰিছিল, সেইবোৰক সিহঁতে ইয়ালৈ লৈ অহা চাবলৈ মোক লাগে। সিহঁতৰ হতুৱাই ভস্মীভূত গাওঁবোৰ আৰু ধ্বংসপ্ৰাপ্ত নগৰবোৰৰ প্ৰতি গাঁথনিকে নতুনকৈ গঢ়ি তোলা চাবলৈ মোক লাগে। বাতৰি কাকতত কি কৈছিল, মনত আছেনে?—প্ৰতি গাঁথনিকে গঢ়ি তুলিব লাগিব।"

চেকৰিথাই মাত লগালে—"সিহঁতক আকৌ ইয়াত দেখাতকৈ আমি নিজেই এইবোৰ কাম কৰা ভাল হ'ব।"

জেভড'কিমে হুমুনিয়া কাঢ়ি ক'লে—"আমাৰ মানুহবোৰ আত মৰমিয়াল। আহ! অতি মৰমিয়াল.....আজি সিহঁতৰ

খং উঠিছে, কিন্তু কাইলৈ সিহঁতে সকলো পাহৰি যাব……
আমাৰ মানুহে অন্তৰত হিংসা পুহিব নেজানে।”

“ককা, চিন্তা নকৰিবা। সিহঁত সবলচিতীয়া হ'ব পাৰে; কিন্তু যেতিয়া কলিজাত কটাৰীৰ খোঁচ পৰে, তেতিয়া চাবা! আৰু এতিয়া কলিজাত লাগিছেও……সিহঁতে পাহৰিব কেনেকৈ? মৃত্যুৰ সময়লৈকে মানুহে এই কথা পাহৰিব নোৱাৰে। কে—তি—য়া—ও!”

চুকত বহি মালাছাই সিহঁতৰ কথাকে শুনি আছিল। গ্ৰেথেচৰ কিছুমান কথা তাইৰ নিজৰ ভাবৰ প্ৰতিধ্বনি যেন লাগিছিল। এৰা, ফাঁচীকাঠত শেহৰ জাৰ্মানটো ওলমি থকা চাবলৈ, ঘামৰ নৈ বৈ যোৱাকৈ সিহঁতে কাম কৰা চাবলৈ তায়ো বিচাৰে…. কিন্তু সেইবোৰে তাইক শান্তি নিদিয়ে। সকলোৱে প্ৰতিশোধ লৈ অন্তৰ শাঁত পেলাব, কিন্তু তাইৰ অন্তৰ খনহে কেতিয়াও শাঁত নপৰে। পুৰণি স্মৃতিয়ে তাইক সদায় আমনি কৰি থাকিব; ৰক্তপাত, প্ৰতিহিংসা বা সময়ৰ সোঁতে সেই স্মৃতি ধুই নিকা কৰিব নোৱাৰে।

গ্ৰেথেচৰ শেহৰ কথাকেইটা তেতিয়াও বতাহত ভাহি থকা যেন লাগিল। জুইৰ আখৰৰ দৰে সেইবোৰে আটালৰ ক'লা চ'টিবোৰত যেন অগনি জ্বলাই দিছে—“মৃত্যুৰ দিনালৈকে মানুহে এই কথা কেতিয়াও নেপাহৰে।” আৰু মালাছায়ো তাৰে প্ৰতিধ্বনি তুলিলে—“কেতিয়াও নেপাহৰে।”

মলগাই ফুচফুচাই ক'লে—“মোৰ পিয়াহ লাগিছে।”

গ্ৰেথেচে ক'লে—“সেইবোৰ কথা নেভাবিবা। সিহঁতে আমাক এটোপাও পানী নিদিয়ে। তিনি দিন পানী নোখোৱাকৈ তুমি চলিবই লাগিব। ইয়াত গৰম নহয়; আৰু

একো কাম কৰিবও নেলাগে। কেৱল বহিহে থাকিব লাগে। সহ্য কৰিব পাৰিবা। তুমি মাথোন এইবোৰ কথা নেভাবিবা, নহ'লে তোমাৰ পানী খাবৰ মন যাব।"

"আ—হ!"

চেকৰিখাই মাত লগালে—"আইটি, তোমাৰ লাজ লাগিব লাগিছিল। সেইদৰে হাঁ-হুমুনিয়া কাঢ়ি থাকেনে? তুমিহে কষ্ট ভোগ কৰিছা বুলি ভাবিছা নে কি? গাৱঁৰ কোন নো ভাল অৱস্থাত আছে?"

"কিন্তু আমি জামিনৰ মানুহহে ....'

"হব নোৱাৰিছোঁ! সিহঁতে তিনদিনৰ মূৰত আমাক গুলীয়াব বুলি কৈছে। পিচে, কিটো হ'ল? তুমি নিজে শুনা নাছিলা জানো? শস্য উলিয়াই দিবলৈ আমাক হুকুম দিছিল, গুলীয়াব বুলি ভয় দেখুৱাইছিল। কিন্তু কোনোবাই সিহঁতক কিবা দিবহি বুলি ভাবা নে? আজিকালি সকলোৰে পিচে পিচে মৃত্যু লাগি ফুৰিছে......"

সকলো নিমাত হ'ল। অলগাই মনযোগেৰে শুনিলে; যেন তাই গাৱঁৰ মাজত ঘূৰি ফুৰা মৃত্যুৰ খোজৰ শব্দহে শুনিবলৈ চেষ্টা কৰিছে।

বাহিৰত হোহোৱাই বৰফ-ধুমুহা। বৰফবোৰ উফৰি পৰিছিল; দেখাত গাওঁখন নিটাল মাৰি শুই থকা যেন লাগে। ঘৰবোৰ বৰফত পোত খালে। বতাহৰ সোঁসোঁৱনিৰ মাজত অলেনাৰ চিঞৰ মাৰ গ'ল। এতিয়াও তাইৰ সন্তান জন্ম হোৱা নাই। তাইৰ চিঞৰৰ বাহিৰে একো শব্দ শুনা নেযায়—যেন গোটেই গাওঁখন টোপনিত লালকাল হৈ পৰিল।

কিন্তু গাৱঁৰ মানুহবোৰ শোৱা নাছিল। গাৱঁত ঘূৰি ফুৰা যি মৃত্যুৰ কথা জেভড’কিমে কৈছিল, সকলোৱে সেই মৃত্যুৰে পদধ্বনি শুনিছিল। বাটৰ ওপৰত মৃত্যুৱে বৰফৰ চাকনৈয়া পাতিছিল; ঘৰৰ ওপৰেদি পচোৱাৰ লগত মৃত্যু উৰি ফুৰিছিল; ভুতৰ দৰে মৃত্যুৱে বেৰৰ জলঙাইদি বগাই আহিছিল। ঘৰৰ মূধচ উৰাই নিছিল আৰু জাৰ্ম্মান কুঠাৰৰ কোব নপৰা, বাটৰ কাষৰ নেমু গছ কেইজোপা বতাহে উভালি নিয়ে যেন কৰিছিল। মৃত্যুৱে যেন তাৰ বৰফৰ বুকুখনেৰে সৈতে পৃথিবীলৈ নামি আহিছে আৰু প্ৰকাণ্ড পাখি দুখনেৰে দেশ ছাটি ধৰিছে!

খালত মৰা মানুহবোৰ পৰি আছিল। মৃত্যুৱে বৰফ বগৰাই দি সিহঁতৰ শৰীৰ আৰু কাপোৰৰ অৱশিষ্ট অংশ ঢাকি পেলালে। হোহোৱাই গৈ মৃত্যুৱে ভেচিয়া ক্ৰেভচাকৰ ক’লা মুখখন ঢাকি পেলালে; সেইখন মুখকে তাৰ মাকে আজি ইমান দিন লেতেৰা হ’বলৈ নিদি যত্নেৰে ৰাখিছিল। এমাহৰ আগৰ পৰা গাৱঁৰ ওচৰত পৰি থকা ৰেড্‌ফৌজৰ মানুহবোৰৰ ওপৰত মৃত্যুৱে নতুনকৈ এদম বৰফ ছাটিয়াই দিলে। ইয়াত এই খালটোৱেই মৃত্যুৰ ৰাজ্য; ইয়াতে মৰা শবোৰ শিল যেন হৈ ববফৰ মাজত দ’ম বান্ধি পৰি আছে।

লেভ’নিয়াক গৰিলাৰ দললৈ যাব খুজিছিল; আজি মৃত্যুৱে তাৰ ওলমি থকা শটোৰে দোলন খেলিছে। এই শটোও ক’লা হ’ল আৰু শিল যেন টান হৈ প’ৰিল। ৰচিদাল কেৰ্‌কেৰাই উঠে, বতাহ বলিলে শটো বৰকৈ দুলিবলৈ ধৰে। ল’ৰাটোৰ ভৰিকিটাই খুটিটোত খুন্দা মাৰেগৈ; থেপেক্‌কৈ গধুৰ শব্দ এটা উঠে।

উন্মাদৰ দৰে গকাই পকাই আহি মৃত্যুৱে চালিখনৰ দুৱাৰত খুন্দিয়ালে ; সেই চালিখনৰ তলতে খেৰৰ ওপৰত অলেনাই প্ৰসৱ কৰিছিল।

হাঁহিৰে হোহোৱাই মৃত্যুৱে তাৰ সময়ৰ কাৰণে বাট চাই আছে। বিকট হাঁহি মাৰি গাৱঁৰ ওপৰেদি পাৰ হৈ গৈছে। মানুহে সেই শব্দ শুনিছিল। সিহঁত ঘৰত শুই থকা নাছিল। বিচনাত দীঘল দি সিহঁতে আটালৰ পিনে একেথৰে চাই আছিল। সিহঁতে এন্ধাৰৰ মাজত মৃত্যুৰ মাতকে শুনিছিল। এই হুৰহুৰণিৰ মাজত সিহঁতে জাৰ্ম্মান-মৃত্যুৰ মাত শুনিছিল। আনন্দত মতলীয়া হৈ মৃত্যুৱে ঢেক্‌ঢেকাই হাঁহিছিল ; চিকাৰৰ আশাত তাৰ হাঁতোৰাৰ নখবোৰ চোকা কৰি লৈছিল— মৃত্যুৱে প্ৰচুৰ শস্য চপাৰৰ আশা কৰিছিল। কেৱল খালত গুলীয়াই মৰা পেছ্‌চাক আৰু জাৰ্ম্মানৰ ফাঁচত ওলমি থকা লেভেনিয়াকেই যথেষ্ট নহয়। সকলোৰে ওপৰত জাৰ্ম্মানৰ ফাঁচ ওলমি আছিল ; ৰাইফ্‌লৰ ক'লা নলটোৱে সকলোৰে বুকুলৈ লক্ষ্য ৰাখিছিল।

*　　*　　*　　*

গুদাম-ঘৰটোত থকা মানুহবোৰেও সকলোৰে মনত খেলোৱা কথাবোৰকে পাতিছিল। ধুমুহা আৰু মৃত্যুৱে হোহোৱাই থকা এনে নিশাও সেই ভাববোৰেই কাৰো চকুত টোপনি নোহোৱা কৰিলে। বুঢ়া জেভড'কিমে সেই দীঘলীয়া নিস্তব্ধতা ভাঙিলে।

"কেতিয়াও সিহঁতে সকলোকে গুলীয়াই মাৰিব নোৱাৰে ......কেনেকৈ পাৰিব ? গোটেই গাওঁখন উজাৰ কৰি দিব পাৰিবনে ? কোনেও সিহঁতক ধান-চাউল নিদিয়ে।"

প্ৰথেচে হুটা হাঁহি এটা মাৰি ক'লে—“সেইটোনো সিহঁতলৈ কি কথা ? কিবা এইবাৰেই প্ৰথম নে ? লেভেনে-ভ্‌কাত সিহঁতে কি কৰিলে ? চাহডিত কি কৰিলে ? আৰু কষ্টিনকাত ?”

বৰ্ত্তমান ধ্বংসৰ স্তুপত পৰিণত হোৱা সেই গাওঁকেইখনৰ প্ৰেতাত্মা সিহঁতৰ চকুৰ আগত ভাহি উঠিল। লেভেনেভ্‌কা মাটিৰ লগত মিলি গ'ল। জাৰ্ম্মানবোৰে গাঁওখনৰ কেওপিনৰ পৰা জুই লগাই দিলে আৰু জুইৰ মাজৰ পৰা পলাই যোৱা খেতিয়ক-বোৰক গুলীয়াবলৈ ধৰিলে। মাকহঁতৰ চকুৰ আগতে লৰা-ছোৱালীক দপ্‌দপাই জ্বলি থকা জুইৰ মাজলৈ দলিয়াই দিলে। জাৰ্ম্মান সৈন্য এটালৈ কোনোবাই গুলীয়াইছিল ; সেয়ে সকলোৰে মৃত্যু।......তাৰ পিচত সিহঁতে দেখিলে চাহডিৰ প্ৰেতাত্মা। সমুদায় দেৰশ অধিবাসীক খাল এটাৰ পিনে খেদি নিলে ; সেই খালটোৰ পৰাই এসময়ত ইটা তৈয়াৰ কৰা মাটি যোগোৱা হৈছিল। তাতে সেই মানুহবোৰক হাত-বোমাৰে ধ্বংস কৰিলে। আৰু কষ্টিনকাত ? তাত সিহঁতে মানুহবোৰক ফাঁচী দিলে ; নাঙঠা তিৰোতাবোৰক আৰু লৰাছোৱালীবোৰক ৪০ ডিগ্ৰিৰ বৰফৰ মাজলৈ খেদি নিলে। সাহায্যৰ আশাত দূৰৰ চুবুৰীয়া গাঁওখনলৈ যাওঁতে বাটতে সিহঁত মৰিহাজি নাইকিয়া হ'ল।

“চাহডি, লেভেনেভ্‌কা, কষ্টিনকা......সেইবোৰ হৈছে আমাৰ জিলাত। পিচে, আন ঠাইত কি হৈছে ? খেইভ্‌, অডেচা আৰু আন আন নগৰবোৰত সিহঁতে কি কৰিলে ? আমাৰ সকলুৰা নগৰ আৰু গাঁওবোৰৰ কি অৱস্থা কৰিলে ? ১৯১৮ চনত কি হৈছিল ? উস্‌, ককা, মানুহে ভাবিব আপুনি এই প্ৰথম এইবোৰ কথা শুনিছে আৰু দেখিছে।”

অলগাই নিৰৱে তাইৰ হাতদুখনেৰে চকুকেইটা ঢাকিলে। অলপ আগতে তাই সকলো কথা সহজ বুলি ভাবিছিল। তাই ভাবিছিল, অলপতে গুলীৰ শব্দ শুনিব আৰু তাৰ পিচত সেই চিৰপৰিচিত জয়ধ্বনি উঠিব; দুৱাৰ মেল খাব ... ..মুক্তি......সিহঁতে জীৱন ঘূৰাই পাব! কিন্তু ইপিনে সিহঁতে কেৱল মৃত্যুৰ কথা পাতিছে, যেন সিহঁতৰ নিশ্চয় মৃত্যু হ'ব—মৃত্যু যেন অনিবাৰ্য্য। সিহঁতে কথাবোৰ নিচেই সামান্য কথাৰ দৰে গহীনাই কোৱা শুনি তাইৰ অন্তৰ আতঙ্কত শিয়ঁৰি উঠিছিল। তাই দুখেৰে ভাবিবলৈ ধৰিলে—"সিহঁতৰ কাৰণে মৃত্যু ভাল হ'ব পাৰে। যিমান বছৰেই নহওক, জেভড'কিম বহুত দিন জীয়াই থাকিল। কোৱা শুনিছোঁ বোলে আশী বছৰ হৈছে। সেই বয়সত মৰিবলৈ উজু।...গ্ৰখেচ...১৯১৮ চনৰ যুদ্ধত সি আছিল। তাৰ ছোৱালী কেইজনী ডাঙৰ হ'ল; ঘৈণীয়েক জনী খিংখিঙীয়া। তাৰ কাৰণে মৰিবলৈ নো কি কথা? চেকৰিখা.. ." অলগা অলপ বিমোৰত পৰিল, তাইৰ খোকোজা লাগিল। "অ', হয়, চেকৰিখাৰ তিনটা ল'ৰাছোৱালী আছে আৰু তাইৰ গিৰিয়েক এতিয়া যুদ্ধত। কিন্তু তথাপিও তাইৰ গিৰিয়েক আছে, তিনটা ল'ৰাছোৱালী আছে। আৰু মই? মই জীৱনৰ কিমান দূৰ দেখিলোঁ? সিহঁতে কবলৈ ভাল ..."

জেভড'কিমে ক'লে—"তথাপি কোনেও সিহঁতক খুদ-কণা এটাও নিদিয়ে।"

চেকৰিখাই হয় দিলে—"নিশ্চয় নিদিয়ে।"

খালৰ কাষৰ এমূৰৰ শেষ পঁজাটোলৈকে গাৱৰ সকলোৱে সেই একে কথাকে ভাবিছিল। ধান চাউল সাৱধানে মাটিৰ

তলত পুতি থোৱা আছে। দুবৈৰ পথাৰত আৰু বৰফ গোট মাৰি শিল যেন হোৱা মাটিৰ তলত এইবোৰ পুতি থোৱা আছে। সোণালী ৰঙৰ ধেঁহু, সৰিয়হ যৱ মাটিৰ তলত পুতি থৈছিল। ৰেড্‌বাহিনীৰ হাতত শোধাই দিব নোৱাৰা বস্তুবোৰ সিহঁতে মাটিত লুকাই থৈছিল। মুঠতে, যোৱা শৰৎ কালত চপোৱা সোণালী ৰঙৰ প্ৰচুৰ খেতিৰ অৱশিষ্ট ভাগটো মাটিৰ তলত পুতি থোৱা হৈছিল। বৰফৰ ডাঠ আৱৰণৰ তলত আৰু বতাহে উৰাই আনি দ'ম বন্ধা বৰফৰ তলত সোণালী শস্যবোৰ ঢাক খালে। কোনেও সেইবোৰ উলিয়াব নোৱাৰে। ক'ত আছে তাকে কোনেও অনুমান কৰিব নোৱাৰে। জাৰ্ম্মানবোৰে শ শ ক্ৰোশ জুৰি মাটি খান্দিব নে ?

মাটিৰ তলত পুতি থোৱা সোণালী শস্যবোৰ গাওঁখনৰ কেৱল অন্ন যোগোৱা ব্যৱস্থা হিচাবেই পৰিগণিত হোৱা নাই। নিজৰ জীৱন ধাৰণাৰ বাবে সিহঁতে কটি নেখায়ো থাকিব পাৰিব। কিন্তু দেশৰ সোণালী অন্তৰখনহে সিহঁতে মাটিৰ তলত, জাৰ্ম্মানৰ ক্ষুধিত চকুৰ আঁৰত, লুকাই থ'লে। সোণ বৰণীয়া গুটিবোৰেই এই মাটিৰ দান; খেতিয়কবোৰে এই মাটিৰ পৰা চপোৱা শস্যবোৰ তাতে লুকাই থৈছিল। এই শস্য সমৰ্পন কৰাই হৈছে—জাৰ্ম্মান বাহিনীক কটি যোগোৱা। এই শস্য সমৰ্পন কৰাৰ অৰ্থ হৈছে—ওকণীৰে ভৰা জাৰ্ম্মানবোৰক খাবলৈ দিয়া; সিহঁতৰ উদং পেট ভৰিবলৈ দিয়া; ঘা লগা, ঠেৰেঙা দিয়া শৰীৰত তাপৰ যোগান ধৰা। শস্যখিনি শোধাই দিয়াটো হৈছে—যিবোৰে ইমান নিস্বাৰ্থভাৱে,, দেহেকেহে, বীৰত্বৰ সৈতে শত্ৰুৰ লগত এনে

ৰৰফ ধুমুহাৰ মাজত যুঁজ কৰিছে, সিহঁতৰ অন্তৰত আঘাত দিয়া। শস্য সমৰ্পন কৰাৰ অৰ্থ হ'ব—দেশখনক শত্ৰুৰ হাতত তুলি দি বিশ্বাসঘাতকতা কৰা; নিজৰ মানুহৰ প্ৰতি বিশ্বাসঘাতকতা কৰা; জাৰ্ম্মানক ইউক্ৰেনৰ সোণ ফলোৱা মাটিৰ গৰাকী বুলি সদৌ জগতৰ আগত স্বীকাৰ কৰা। শস্য শোধোৱাৰ অৰ্থ—নিজক আৰু নিজৰ মানুহৰ প্ৰতি বিশ্বাসঘাতকতা কৰা; গাৱেঁ গাৱেঁ বিয়পি পৰা আদেশটো অৱমাননা কৰা; 'শত্ৰুক এটুকুৰা কটিও নিদিবা'—এই আদেশ সকলোৰে কাণত পৰিছিল আৰু ই সকলোৰে অন্তৰত এটা ছাব বহুৱাই দিছিল। এই শস্য সমৰ্পণ কৰাব অৰ্থ —নিজ দেশক পৰিত্যাগ কৰা; নিজক শত্ৰুৰ ওচৰত বিক্ৰী কৰা; এই যুদ্ধত, গৃহযুদ্ধত আৰু ১৯১৮ চনৰ যুজত দেশৰ কাৰণে প্ৰাণত্যাগ কৰা মানুহবোৰৰ প্ৰতি বিশ্বাসঘাতকতা কৰা। আৰু তাতোকৈ, যি বোৰে মানৱৰ মুক্তিৰ বাবে যুজিলে, যিবোৰে নিজৰ তেজৰ বিনিময়ত মুক্তি আনিলে, সেইবোৰৰ প্ৰতি বিশ্বাসঘাতকতা কৰা হ'ব।

গাওঁখনৰ ভিতৰত এখন হিয়াও নলবিল। পূৰ্ব্বৰ পামৰ শ্ৰমিকবোৰেই এতিয়া ইয়াত নিজৰ উন্নত সমূহীয়া পামত বাস কৰিছে। তিৰোতাবোৰে উপায় বিচাৰিলে; সিহঁত নেথাকিলে কেনেকৈ কাম-বন চলিব, তাৰেই চিন্তা কৰিলে।

আদবয়সীয়া কভেলচাকে এন্ধাৰত শুই শুই তাইৰ লম্বাছোৱালী আঁঠটাই উশাহ সলোৱা শুনি আছিল। সিহঁতৰ কিছুমান বিচনাত আৰু কিছুমান জুহালৰ ওপৰৰ খলপাকিটাত শুই আছিল। তাই ভাবিলে—লেনা ডাঙৰ ছোৱালী; তাই ইবোৰক তদাৰক কৰিব পাৰিব, সিহঁতৰ ধোৱা-মেলা কাম কৰিব পাৰিব। ৰেড্ বাহিনী উভতি আহিলে মাটিৰ তলৰ পৰা

সকলোৱে খাবৰ কাৰণে যথেষ্ট বস্ত্ৰ পাব। তেতিয়ালৈকে কোনো মতে আনবোৰৰ দৰেই থাকিব।

ভিছেঙ্কভাই এন্ধাৰত তাইৰ কেচুৱাটোৰ দোলনাখনৰ ওপৰত হাঁলি পৰি ভাবিবলৈ ধৰিলে—কোনে তাইৰ কেচুৱা-টোক খুৱাব? এতিয়া তায়েই তাৰ যত্ন লৈছে। কিন্তু তাই নিশ্চিত আছিল যে সিহঁতে তাক মৰিবলৈ এৰি নিদিয়ে। নিজৰ পিয়াহৰ গাখীৰ খুৱাবলৈ তাৰ মাক এজনী ওলাব।

গ্ৰেথেচিখায়ো তাকে ভাবি এন্ধাৰৰ পিনে চাই থৰ লাগিল। গ্ৰেথেচক জামিনত বন্ধ কৰি ৰাখিলে। তেনেহ'লে সিহঁতে শস্য নোশোধোৱাৰ বাবে কোন জগৰীয়া হ'ব? সি নে তাই—তাই ভাবি থৰাং কৰিলে যে তায়েই জগৰীয়া হ'ব। কিন্তু সেইবাবে তাই চিন্তিত হোৱা নাছিল। তাইৰ সৰু ল'ৰা-ছোৱালী নাই, ছোৱালীবোৰ ডাঙৰ হ'ল। সিহঁত চলিব পাৰিব।

গাভক ভেনিয়াকে ভাবিলে, তাই আৰু কেতিয়াও গিৰিয়েকক নেদেখে। বেজাৰত তাইৰ হিয়াখন ফাটি যোৱা যেন হ'ল। এমাহৰ আগতে সি তাইলৈ চিঠি এখন দিছিল। আহত হৈ হাস্পতালত পৰি আছে বুলি লিখিছিল। তাৰ পৰা বেহাই দিলে কেইদিন মানৰ ছুটী লৈ ঘৰলৈ অহাৰ সম্ভাৱনা আছে বুলি জনাইছিল। এমাহ হ'ল; ইপিনে জাৰ্ম্মান আহি গাৱঁত সোমাল। যেতিয়া সিহঁতৰ নিজৰ সৈন্য-বোৰ আহিব, তেতিয়া তাই আৰু নেথাকিব। নিজৰ বাবে আৰু গিৰিয়েকৰ বাবে তাইৰ দুখ লাগিছিল। তেওঁ শান্ত, সহায়হীন মানুহ; অকলে বৰ অসুবিধা পাব।

এন্ধাৰত শুই শুই সকলোৱে ভাবিছিল। সকলো নিজৰ ভাৱত বিভোল। প্ৰত্যেকে নিজৰ মানুহবোৰৰ কথা ভাবিছিল।

সিহঁতে শস্যৰ কথা ভাবিছিল। ভৰা ঢলত বৰফৰ পাহাৰ খহাদি, পৃথিবীৰ এই সোণোৱালী তেজ সোণালী সোঁতেৰে সকলোৰে মনৰ মাজেদি বৈ গৈছিল। নিজৰ মানুহবোৰ উভতি অহা শুভদিনলৈকে বস্তবোৰে মাটিৰ তলত পৰি বাট চাই থাকিব। মানুহবোৰ বিচনাত পৰি আছিল; সিহঁতৰ ইটো সিটোৰ মাজৰ অলপো সাদৃশ্য নাই। কিন্তু সেই নিশা সিহঁত সকলোৱে কেৱল এটা কথা ভাবিছিল। সিহঁতে এই বিষয়ে আনৰ লগত তৰ্ক-পৰামৰ্শ একো কৰা নাছিল। প্ৰত্যেকে নিজে নিজে দৃঢ়ভাৱে থিৰাং কৰিলে যে শস্যবোৰ মাটিৰ তলতে থাকিব; ই জীৱনতকৈও বেছি আৱশ্যকীয়। লুকাই থোৱা গাঁতৰ পৰা জাৰ্মানক এইবোৰ খান্দি উলিয়াবলৈ দিব নোৱাৰি।

আৰু হিল-দ'ল ভাঙি অহা ধুমুহাৰ বোকোচাত উঠি জাৰ্মান-মৃত্যুৱে গাৱঁৰ ওপৰেদি ঘূৰি ফুৰিলে; হাঁহি, কেঁকনি আৰু চিঞৰৰ শব্দ ভাহি উঠিল। বলিৰ আগত এয়ে মৃত্যুৰ হুতাহ-ভৰা, নিষ্ঠুৰ আৰু বিকট হাঁহি। প্ৰত্যেক ঘৰৰ পৰা এই হাঁহি শুনিলে।

সেই ৰাতি ৰখীয়া থকা জাৰ্মান সৈন্যবোৰ সিহঁতৰ ঠাইত ঠেৰেঙা লাগি থিয় দি থাকিল। ভয়ত কঁপিজপি ইপিনে সিপিনে চায়, বৰফৰ ওপৰেদি লাহে লাহে খোজ কাঢ়িবৰ চেষ্টা কৰে। সিহঁতেও মৃত্যুৰ আহ্বান শুনিছিল। মৃত্যু সিহঁতৰ আঁৰে আঁৰে থকা যেন লাগিছিল; ই মনে মনে গৈছিল আৰু সিহঁতৰ একেবাৰে কাষেদি যাওঁতে সিহঁতৰ মুখত নিৰৱ, বৰফ যেন চেঁচা উশাহ পেলাই গৈছিল। মৃত্যু খালত লেপেটা কাঢ়ি বহি থকা, ঘৰৰ চুকত মৃত্যুৱে চোপ লৈ থকা আৰু যুধচৰ খেৰৰ

ওপৰত নিঃশব্দে বগাই ফুৰা সিহঁতে অনুভৱ কৰিলে। মৃত্যুৱে সিহঁতলৈ হেজাৰ-হেজাৰ ঘোপা চকুৰে চাইছিল আৰু ওঁঠে ওঁঠে চেপি ধৰি, নিমাত ভাবে, সিহঁতৰ ওপৰত দণ্ডৰ বিধান দিছিল। মৃত্যুৱে নিৰৱে গাৱঁৰ জেওৰাৰ ওপৰেদি পাৰ হৈ গৈছিল, চকোৱাৰ দাঁতিত থিয় হৈ কুঁৱাৰ ওপৰেদি জুমি চাইছিল। ই সকলো ঠাইতে আছিল আৰু জাৰ্ম্মান সৈনিকে সকলো ঠাইতে মৃত্যুৰ উপস্থিতি অনুভৱ কৰিছিল। গাৱঁৰ বাটত মৃত্যুৱে সিহঁতৰ কাষেদি ডেও দি ফুৰিছিল, ঘৰবোৰৰ ওচৰত সিহঁতৰ লগত মনে মনে থিয় দি আছিল আৰু ঘৰলৈ উভতি যাওঁতে সিহতৰ লগ লৈছিল। মৃত্যুৱেই সিহঁতৰ চকুৰ ওপৰত গভীৰ টোপনিৰ ক'লা ওৰণিখন টানি ধৰিছিল। সিহঁতৰ ওপৰত তাৰ ঘোপা চাৱনিটো সিহতে অনুভৱ কৰিছিল। মৃত্যুৰ অদৃশ্য দৃষ্টিয়ে সিহঁতক ভেদ কৰি গৈছিল আৰু মৃত্যুৰ অদৃশ্য মুখৰ উশাহৰ আগত সিহত ঠৰেঙা লাগিছিল। ইউক্ৰেনৰ এই নিৰৱ আৰু নিৰ্দ্দয় মৃত্যুৱে সিহঁতৰ হাড়ৰ মজ্জালৈকে ভেদ কৰিলে। মৃত্যুৱে ক্ষীণ হাতৰ আঙুলিৰ পাবত সিহঁতৰ লেখ লৈ আছিল।

হুবহুৱাই বতাহ বলিল । চালিখন কঁপিবলৈ ধৰিলে; যেন হঠাৎ ভাগি খালত পৰিবগৈ। চ’টিবোৰ কেৰকেৰাবলৈ ধৰিলে আৰু খেৰৰ মুঠিবোৰ আজুৰি উৰাই নিওঁতে মূধচটো খৰখৰাই উঠিল। খেৰবোৰ গাৱঁৰ বহুত দূৰলৈ, বৰফে ঢকা মুকলি পথাৰৰ পিনে, উৰি গৈ বৰফৰ ছিটিকনিৰ আঁৰত নেদেখা হ’ল।

অ’লেনাই চিঞৰিলে। টেট্ৰুফাল্লি তাই চিঞৰিলে। অসহ্য বিষত তাইৰ শৰীৰ অৱশ হৈ পৰিল। কেৱল প্ৰসৱৰ বেদনাই নহয়; এতিয়া তাই ৰাইফ্‌লৰ কুন্দাৰ খুন্দা, সঙ্গীনৰ খোঁচ আৰু বাটেদি সৈন্যবোৰে খেদাই লৈ যাওঁতে লুটি খাই পৰাৰ পৰিণাম ভোগ কৰিবলৈ ধৰিলে। ভোক, পিয়াহ আৰু জাৰৰ পৰিণতি অনুভৱ কৰিলে। এজাক ভোকাতুৰ কুকুৰ-নেচীয়াৰ দৰে সকলো এতিয়া তাইৰ ওপৰত জপিয়াই পৰিল; তাইক যেন নেফানেফ্‌ কৰিলে; যেন সিইতৰ লুভীয়া দাঁতে তাইক চোবাবলৈ ধৰিলে। শৰীৰটো চিগি টুকুৰাটুকুৰ হোৱা যেন লাগিল; গাটো যেন জুয়েহে পুৰিছে। হেজাৰ হেজাৰ বিষাক্ত কটাৰী যেন তাইৰ গাত সুমাই দিলে।

অ’লেনাই চিঞৰিলে। তাই এতিয়া চিঞৰিব পাৰিছিল। তাইৰ প্ৰসৱ হৈছে; আৰু এতিয়া তাই ৰুদ্ধ নিস্তব্ধতা ভাঙি দিব পাৰিব। এই নিস্তব্ধতাই তাইৰ মনৰ বলকো বিচলিত কৰি তুলিছিল। ঘৰৰ পৰা জাৰ্ম্মানবোৰে তাইক টানি নিয়াৰ পৰা আৰম্ভ কৰি অতবোৰ হোৱা সত্ত্বেও তাইৰ প্ৰসৱ হৈছে বুলি উপলব্ধি কৰা মুহূৰ্ত্তলৈকে, তাই নিৰবে আছিল। ৰাই-ফ্‌লৰ কুন্দাৰ মাৰ, বৰফত পিচলি পৰা আৰু চেঁচা বৰফ—

এইবোৰৰ একোৱে তাইৰ গৰ্ভৰ সন্তানটোক বধ কৰিব নোৱাৰিলে। সি জীয়াই থাকিল আৰু জগতলৈ আহিবলৈ খুজিলে; নিজ পথেদি বলেৰে পোহৰলৈ আহিবলৈ চেষ্টা কৰি তাইৰ শৰীৰত নিকৰুণ ভাৱে আঘাত দিবলৈ ধৰিলে।

তাই জন্তুৰ দৰে অমানুষিক ভাবে চিঞৰিলে; চিঞৰি তাই শান্তি পাইছিল। চিঞৰৰ মাজত তাইৰ গাৰ বিষ মাৰ গৈছিল, জাৰ আঁতৰিছিল আৰু বাহিৰত হোহোৱাই থকা বতাহৰ কথা তাই পাহৰি গৈছিল।

জুপুৰীৰ দুৱাৰখন কেৰকেৰাই উঠিল। তাই নেচালেই। বিষ ক্ৰমে বাঢ়িবলৈ ধৰিলে; নিৰ্য্যাতিত শৰীৰৰ দাবি অনুসৰি তাই কেৱল ইচ্ছামতে চিঞৰি থাকিল।

সৈন্যটো দুৱাৰ মুখত থিয় দিলেহি আৰু তাইক দাবি দিব খুজিলে; কিন্তু সি বুজিলে যে মানুহজনীয়ে প্ৰসৱ কৰিলে। খন্তেকৰ পিচতে আৰু এটা সৈন্য আহিল। সিহঁতে দাঁত নিকটাই চাই থাকিল আৰু ইটোৱে সিটোৱে কিবাকিবি ক'লে। তাই যে নাঙঠ হৈ খেৰৰ ওপৰত পৰি আছে, অচিনাকি মানুহৰ নিলাজ চকুৱে তাইলৈ চাই আছে আৰু তাইৰ কথা লৈ সিহঁতে চুপতি কৰিছে, এইবোৰলৈ তাই লক্ষ্য কৰা নাছিল। এতিয়া তাই সন্তান জন্ম দিছে; সেয়ে জাৰ্ম্মানে শাসন কৰা পৃথিৱীৰ পৰা তাইক আঁতৰাই নিছিল, সিহঁতৰ নিলাজ চাৱনিৰ পৰা তাইক আঁৰ কৰি ৰাখিছিল আৰু সিহঁতৰ অৰ্থহীন হাঁহিৰ পৰা তাইক বৰ্ম্মৰ দৰে ৰক্ষা কৰিছিল। সিহঁতে তাইক প্ৰসৱ কৰিবলৈ অনুমতি দিয়া যেন দেখা গ'ল, কাৰণ সিহঁত সোমাই নাহি দুৱাৰমুখতে অপেক্ষা কৰি ৰ'ল।

তাই বেছিকৈ চিঞৰিবলৈ ধৰিলে। ওচৰচুবুৰীয়া তিৰোতা-বোৰে নিজৰ বুকুত 'ক্ৰছ' চিন আঁকি বৰফ-ধুমুহাৰ মাজলৈ জুমিবলৈ ধৰিলে; সকলোৰে চকুত আতঙ্ক ভৰা। অ'লেনা কষ্টিয়াকে অকলশৰে উদং চালিখনত প্ৰসব কৰিছে; কোনো সহায় নাই, ইপিনে জাৰ। সিহঁতে ভাবিছিল—তাই কেতিয়াবাই মৰিল, কেতিয়াবাই বৰফৰ মাজত তাই ধ্বংস হ'ল, তাইৰ গৰ্ভৰ সন্তানটো বহুত আগতে মৰিল। কিন্তু তাই এতিয়া প্ৰসব কৰিছে; কাষত কোনো নাই, এটোপা পানী দিওঁতা নাই; তাইৰ শুকান ওঁঠকিটা তিয়াই দিবলৈ বা মূৰৰ তলত গাৰু এটা দিবলৈ কোনো নাই। তাইক সহায় কৰিবলৈ এজনী লগৰীয়া নাই। নাওঠ হৈ বৰফৰ মাজত, চালিৰ তলৰ উদং মাটি খনত তাই যি অৱস্থাত প্ৰসব কৰিছে, সেইদৰে গাঁৱত কোনেও কেতিয়াও সন্তান জন্ম দিয়া নাই। তিৰোতাবোৰে বুকুত 'ক্ৰছ' আঁকি, ওঁঠ চেপি ধৰি, থিয় দি আছিল; সিহঁতে কাণত হাত দিয়ে; কিন্তু কৌতূহলৰ বল বাঢ়ে আৰু শুনিবলৈ সিহঁত আকৌ বাধ্য হয়। তাই আকৌ চিঞৰিব নেকি? সেয়া, তাই আকৌ চিঞৰিছে, এইবাৰ বেছি, কাণ তাল মাৰি গৈছে। কেনেকৈ সেই ক্লান্ত, ভগ্ন আৰু লাঞ্ছিত শৰীৰটোৰ পৰা এনে চিঞৰ ওলাব পাৰে?

এবাৰ তাই বিকট চিঞৰ এটা মাৰিলে; তাৰ পিচত নিৰৱে থাকিল। মেলিয়াচিখাই ফুচফুচাই ক'লে—"তাইৰ প্ৰসৱ হ'ল।" তাইৰ ঘৰটোৰেই আটাইতকৈ ওচৰত; বেঞ্চৰ ওপৰত তাই বহি পৰিল।

অকণমাণি জেন্নাই তাকে ক'লে—"তাইৰ প্ৰসৱ হ'ল।"

খণ্ডেকৰ বাবে অ'লেনা অচেতন হৈ পৰিল আৰু তাইৰ সন্তানটো তাতে পৰি থাকিল। ইমান কাণ্ড হোৱা সত্ত্বেও সি পৃথিবীলৈ আহিল। বাপেক মৰিল আৰু তাৰ মাকো প্ৰকৃততে মৰাৰ তুল্য হ'ল। তাইৰ ল'ৰা হ'ল; এটা অকণ্‌-মাণি ৰঙা কেচুৱা।

তাক তাই কোলাত তুলি ল'লে। ধাই এজনী নাই; আৱশ্যকীয় কামবোৰ কৰিবলৈকে কোনো নাই। তাই, কুকুৰৰ দৰে নাইটো কামুৰি চিঙি দিলে আৰু এটুকুৰা ফটা-কানিৰে বান্ধি দিলে; ইয়াত প্ৰথম দিনা পৰি থাকোতেই তাই এই টুকুৰাকণ শ্বালৰ পৰা ফালি থৈছিল। বৰফ যেন চেঁচা হাতেৰে তাই কেচুৱাটোক মোহাৰি দিলে। তেতিয়া তাই ভাবিছিল এঘটি পানীৰ কথা; অন্ততঃ তাৰ মুখখন ধুৱাই দিবলৈকে তাই যদি কেইটোপামান পানী পালেহেঁতেন!

স্বাস্থ্যৱান কেচুৱাৰ স্বাভাৱিক সবল মাতেৰে সি চিঞৰিলে। অ'লেনাই নিশ্বাস নেপেলোৱাকৈ লৰাটোলৈ চাই থাকিল। ই তাইৰ প্ৰথম সন্তান; ৪০ বছৰ বাঁজী হৈ থকাৰ পিচত এয়ে তাইৰ শৰীৰৰ প্ৰথম ফল; আৰু অত বাধা বিঘিনি থকা সত্ত্বেও সি জন্মিল।

গিৰিয়েকক সন্তোষ দিবলৈ আৰু তাৰ চেনেহৰ প্ৰতিদান স্বৰূপে, তাইৰ ক'বৰ মন গৈছিল—"মিকলা, ল'ৰা হ'ল।" সি ল'ৰা এটা বৰকৈ আশা কৰিছিল। তথাপি ইমান বছৰৰ ভিতৰত এদিনলৈকো সি তাইৰ কোনো জগৰ লগোৱা নাছিল, এদিনলৈ গালি পৰা নাছিল, বাঁজী তিৰোতাৰ সৈতে সংসাৰ কৰা বুলি তাইক শাওশপনি দিয়া নাছিল, বাহিৰে দেখাত সবল, স্বাস্থ্যৱতী কিন্তু ভিতৰি বেমাৰী বুলি কোৱা নাছিল।

আন তিৰোতাই গৰ্ভ ধাৰণ কৰে, সন্তান জন্ম দিয়ে, আৰু প্ৰতিপালন কৰে; কেৱল তাইহে সিহঁতৰ নিচিনা নহ'ল— সেইবুলি সি এদিনো কোৱা নাছিল।

হঠাৎ তাই যেতিয়া গাত সন্তান থকা গম পালে, সেই কথা তাই প্ৰথমে বিশ্বাস কৰিবলৈকে টান পাইছিল। তাই বুঢ়ী হ'লেই; ৪০ বছৰ হ'ল। কিন্তু তথাপি ই সঁচা কথা।

তাৰ পিচত মিকলা যুজলৈ গ'ল। সি তাইৰ বিদায় ল'লে; তাই জানিছিল যে তেতিয়াও জন্ম নোহোৱা সন্তানটোৰ ওচৰত বিদায় লোৱা কামটোৱেই তাৰ কাৰণে আটাইতকৈ কঠিন হৈ পৰিছিল।

এতিয়া মিকলা নাই; পণথলিতে সি ঢুকাল। আৰু সি আশা কৰা মতে ল'ৰাই ওপজিল। জাৰ্ম্মান-কাৰাগাৰত তাৰ জন্ম হ'ল—জাৰ্ম্মান সৈন্যবোৰৰ নিলাজ চকুৰ আগত অশৌচ লগা মানুহৰ প্ৰতিও সিহঁতৰ শ্ৰদ্ধা নাই। সিহঁতৰ নিলাজ কিৰিলিৰ মাজত তাৰ জন্ম হ'ল।

তিতা আৰু চেঁচা খেৰবোৰৰ ওপৰত কেচুৱাটো পৰি থাকিল। নাওঠ সৰু গাটো দাঙি ধৰি তাইৰ পিয়াহৰ মুখত চেপি ধৰিলে; তাক তপত সেক দিবৰ মনেৰে তাই তাৰ গাৰ ওপৰত উশাহ ল'লে। তাইৰ মনত এটা চিন্তা সোমাল; প্ৰকাশ কৰিব নোৱাৰা আতঙ্ক এটাই আৱৰি ধৰিলে—ইমান বিপৰ্য্যয়ৰ মূৰত জন্ম ধাৰণ কৰিও, শেহত সি এতিয়া পাখি নোহোৱা চৰাই পোৱালীৰ দৰে, কণা মেকুৰী পোৱালীৰ দৰে জাৰত ঠেৰেঙা লাগি মৰিব। তাক নিজৰ গাৰ তাপ দিবলৈ তাই চেষ্টা কৰিলে;

কিন্তু তাই নিজৰ হাত দুখনকে বৰফ যেন পালে। আৰু তাইৰ গা সৰকি গৈছিল, যেন তাইৰ শিৰৰ তেজ গোট মাৰিলে। দুৱাৰমুখত সৈন্যকিটাই কোৰাকুই কৰিলে। তাৰ পিচত এটা গুচি গ'ল আৰু অলপ পিচতে উভতি আহিল।

"এয়া"—উথৰা মাতেৰে সি ক'লে।

খেৰৰ ওপৰত এটা চোলা, ব্লাউজ আৰু এখন কাপোৰ পেলাই দিলে। সেইবোৰ তাইৰে কাপোৰ; সিহঁতে বাটলৈ খেদি নিয়াৰ আগতে সেইদিনা গধূলি সেইবোৰ তাইৰ পৰা কাঢ়ি লৈছিল। অ'লেনাই সৈন্যকিটালৈ সন্দেহৰ চকুৰে চালে। সি লাজকুৰীয়া হাঁহি এটা মাৰিলে। কঁপা হাতেৰে চোলাটো লৈ তাই লৰাটোক ভালকৈ মেৰাই দিলে। কাপোৰৰ মাজত তাৰ সৰু মুখখন দেখিবলৈ বৰ হাঁহি উঠা হৈছিল; ঠিক পুতলাৰ দৰে; পাতল নীলা ৰঙৰ চকুকিটা কুকুৰ পোৱালীৰ নতুনকৈ মেলা চকুৰ নিচিনা। আনন্দত তাই খেঁকুৰি পেলালে। যাহওক, কেচুৱাটোক মেৰাবলৈ তাই কিবা এখন পালে। এইটোৱেই আটাইতকৈ ডাঙৰ কথা হৈ পৰিছিল; তাই সেই সময়ত আন সকলো কথা পাহৰি গ'ল। সকলো কথা ঠিক হব যেন লাগিল দুঃস্বপ্নৰ যেন অৱসান হ'ল। ব্লাউজ আৰু চাদৰখন পিন্ধিবৰ সময়ত তাইৰ হাত কঁপিছিল। কাপোৰে তাইক উম দিয়া নাছিল; নাঙঠা, লাঞ্ছিতা শৰীৰটোক ফটাকানি বোৰেৰে ঢাকিবলৈ পাই তাই শান্তি পাইছিল......অফিচ-বৰত এৰি থৈ অহা কোটটো আৰু শালখন তাই যদি পালেহেঁতেন.....কিন্তু তাই বলেৰ নিজক নিৰৱ কৰি ৰাখিলে। যি আছে তাকেই

তাইৰ চলিব। কেচুৱাটো নিকা কাপোৰেৰে মেৰোৱা আছে; এতিয়াও জাৰত তাৰ জীৱন বিপন্ন হৈ উঠা নাই। তাক আঁঠুৰ ওপৰলৈ তুলি তাই চোলাটো ভালকৈ মেৰাই দিলে। জাৰ নোপোৱাকৈ তাক শুবলৈ দিব পাৰিছে যেতিয়া তাইক আৰু তাতকৈ কি লাগিছে? কিছুমান কাপোৰ ওভোতাই দিয়াত তাই বৰ অদ্ভুত কথা যেন পাইছিল; তাৰ কাৰণ তাই বুজিব পৰা নাছিল। জাৰ্ম্মান সৈনিকটোৱে কাপোৰবোৰ দলিয়াই দিয়া তাই দেখিলে; কিন্তু তাই একো বুজিব নোৱাৰিলে। কাপোৰবোৰ যেন চিলিঙিয়েদিহে সৰি পৰিল; নহ'লে কিজানি বতাহেহে বৰফ-ভৰা পথাৰৰ পৰা উৰাই আনি চালিৰ তলত পেলালেহি।

দুৱাৰ বন্ধ হ'ল। বেৰত আঁউজি তাই কল্-মটিয়াবলৈ ধৰিলে। তাইৰ গোটেই গা কঁপি উঠিল; থিতাতে গৰম, থিতাতে জাৰ লাগে। এইদৰে কল্মটিয়াই থাকোতেই তাই সপোন দেখিবলৈ ধৰিলে। বাটেদি মিকলাক অহা দেখিলে; সিপিনে অফিচাৰৰ সেই ৰক্ষিতাজনী থিয় দি আছিল; মিকলাই কিবা এটা ক'লে; অ'লেনাৰ অসহ্য হ'ল, খিয়ালত হিয়াখন জ্বলি উঠিল। গা কঁপি গ'ল; তাই সাৰ পালে আৰু থতমত খাই কেউপিনে চাবলৈ ধৰিলে। ক'তা, মিকলাও নাই, অফিচাৰৰ মানুহজনীও নাই। আছিল কেৱল চালিখন, এবোজা খেৰ আৰু তাইৰ বাহুৰ মাজৰ কেচুৱাটো। শুই থাকোতে লৰাটোক পেলাই দিয়ে বুলি তাইৰ ভয় লাগিল; তাই বেছিকৈ বেৰৰ কাষ চাপি গ'ল। আকৌ মূৰ দুপিয়াবলৈ লাগিল।

পুৰণি অ'ৰ ত'ৰ কথাবোৰ লেথাৰি নিচিগাকৈ মনলৈ আহি খেলিমেলি লগাই দিলে। তাই চকিদাৰটোৱে চিঞৰা শুনিলে . . .কিন্তু ই সম্ভৱ জানো? তাক দেখোন কেতিয়াবাই বাইচেৰে গ'ৰয়াই মাৰিলে। তথাপি সি সোঁৱা থিয় দি আছে আৰু ৰেড্‌ফৌজ তাৰ কাষেদি যাব লাগিছে। কিন্তু তাত মিক'লা নাই, কালিহে আছে। কালিয়ে হাত জোকাৰিলে। গাৱঁৰ মাজেদি যাওঁতে তাৰ হাতত থকা কাপোৰৰ নুৰাটোৰ মেৰ স্নলকি ওৰে বাটটোত পৰি গৈছিল; আগ গুৰি নেদেখা হৈছিল আৰু এই ঠেক বগা বাটটোৱেদি তাইৰ নতুন কেচুৱাটো ধপলিয়াই ফুৰিছিল। আচৰিত হৈ ফেডচিয়া ক্ৰেভচাকে কৈছিল—"চোঁৱা, সি দৌৰিব পৰা হ'লেই।" অ'লেনা বিচূৰ্তি হ'ল আৰু আকৌ সাৰ পালে।

পিয়াহত অণ্ঠকণ্ঠ শুকাই গ'ল। জিভাখন নিসাৰ হৈ পৰিল; খহটা হৈ যোৱাত মুখৰ লগত খঁহনি খাবলৈ ধৰিলে। সেইখন যেন তাইৰ নিজৰ জিভা নহয়েই। ওঁঠকিটা ফাটিল; হাতেৰে চুলে আঙুলিত তেজ লাগি আছে। কাণ তাল মাৰিলে; হাড়বোৰ বিষাবলৈ ধৰিলে। তাই ভাগৰত অৱশ হৈ পৰিল। কেচুৱাটোৰ কপালত হাত দি তাই বৰফ যেন চেঁচা পালে; ইপিনে জ্বৰত তাইৰ গা ভো ভোৱাই আছে। আকৌ তাই কল্‌মটিয়াবলৈ ধৰিলে। তাই কেৱল পানীৰ সপোন দেখিলে; এখন নৈ বৈ গৈ হ্ৰদ এটাত পৰিছে; কিন্তু তাইৰ বাল্টিকেইটা ফুটা; সেইবাবে তাই এটোপা পানীও তুলিব নোৱাৰিলে। তাই আঁঠু কাঢ়িলে; বাস্তৱতকৈও স্পষ্টভাৱে বৰফৰ মাজত এটা গাঁত দেখিলে। দাঁতি কিটাৰ

বং সেউজীয়া; জীৱন্ত প্ৰাণীৰ দৰে কল্‌কলাই পানী বৈ গৈছে আৰু মুকলি ঠাইত জমা হৈছেগৈ; কিন্তু বৰফে আকৌ পানীখিনি ভিতৰলৈ সুহি নিছে—তাৰ পিচত, তলে তলে ইয়াৰ অবিৰাম গতিৰ যাত্ৰা আৰম্ভ হ'ল! কেওপিনে বৰফৰ ডাঠ আৱৰণ; ঠায়ে ঠায়ে, কলঘৰৰ ফুটাইদি ময়দা সৰি পৰাৰ দৰে, একো ছাটি পাতল বৰফ পানীলৈ ছিটিকি পৰিছিল। পানীত পৰি বৰফবোৰ সেউজীয়া হৈ উঠে; চাকনৈয়াত পৰি ঘূৰি ঘূৰি থুপ খাই যায়। এই বৰফৰ থুপটো তুলিবলৈ অ'লেনাই চেষ্টা কৰিলে; তাইৰ শুকান ওঁঠকিটাৰ মাজত তাকে তাই চেপি ধৰিব খুজিলে। কিন্তু পানীয়ে থুপটো তললৈ লৈ গ'ল আৰু বৰফৰ মাজত নেদেখা হ'ল।

হঠাৎ গাঁতৰ মুখত এটা ডাঙৰ শব্দ হ'ল আৰু বৰফবোৰ ভাগি-চিগি গ'ল। অ'লেনাই যেন থৰকবৰককৈ একাঠু পানীৰ মাজত খোজ কাঢ়ি গৈছে। তাই সাৰ পালে; কিন্তু মূৰ দাঙিবৰ শক্তি নেথাকিল। পুতেকৰ ধাৰ উশাহটো তাই শুনি থাকিল। তাক খাবলৈ একো নেলাগে যেন লাগিল; কিন্তু সি বিচাৰিলে তাইৰ পিয়াহত গাখীৰ ওলাব জানো? তাই যেন অনন্ত কাল জুৰি একোকে খোৱা নাই। জাৰ্ম্মান কিটাই নেদেখাকৈ যি দুই এমোকোৰা বৰফ মুখত ভৰাইছিল, তাক লেখত লব নোৱাৰি। উস্, ইমান পিয়াহ লাগে! ওঁঠ, জিভা, মুখ বিষাবলৈ ধৰিলে; ডিঙিটো জঠৰ কৰি পেলালে; হিৰ্কটিত গা জোকাৰ খাই গ'ল। তাইৰ কলাঘুমটি আহিল; আকৌ, গৰম দিনৰ নৈৰ বালিৰ দৰে, বগা বালিবোৰ উৰি ফুৰা দেখিলে। যেন কলঘৰৰ ফুটাইদি ময়দাহে সৰি পৰিছে। বগা ময়দা গুৰিয়ে গোটেই থন ছাটি ধৰিলে। তাই উশাহ লব

নোৱাৰা হ'ল। বগা ধূলিৰে মুখ পোত খালে; তথাপিও তাই, যেনেতেনে, সেই ধূলিময় বাটেদি আগবাঢ়িব লগা হ'ল; তাই লৰালৰিকৈ যাবই লাগিব, এক মুহূৰ্ত্তও নষ্ট কৰিব নোৱাৰে। তাইৰ ভৰি বালিৰ ওপৰেদি চুঁচৰি গল; মুখত ৰ'দৰ নিকৰুণ তাপ লাগিল। গাৱঁত জুই লাগিল—ঘৰবোৰ দপ্‌দপাই জ্বলি উঠিল। সকলো বাধা অতিক্ৰম কৰিও তাই কেচুৱাটোক জুইৰ মাজৰ পৰা ৰক্ষা কৰিব লাগিব। এছাটি বতাহ মাৰিলে আৰু ফিৰিঙটিবোৰ কেওপিনে ছিটিকি পৰিল। ইতিমধ্যে তাইৰ চাদৰ আৰু শ্বালখন উমি উমি জ্বলিবলৈ ধৰিলে। এই গৰমত তাইনো কোটটো আৰু শ্বালখন লৈছিল কিয়? এতিয়া আৰু খুলিবৰ সময় নাই; তাই পাৰেমানে দৌৰিব লাগিব। তেহে তাইৰ কেচুৱাটোক জুয়ে স্পৰ্শ কৰিব নোৱাৰে। উস্, সোৱা দলংখন পুৰিলে, জুইৰ শিখাবোৰ আকাশ পালেগৈ। সকলোবোৰ ধুপুচ্‌কৈ তললৈ সৰি পৰিল ......তেনেহলে, তাইৰ বহুত পলম হ'ল; তাই সময়মতে পলাব নোৱাৰিলে। আৰু এতিয়া সকলোবোৰ তাইৰ গাৰ ওপৰতে যেন ভাগি পৰিল। হতাশভাৱে তাই কেচুৱাটোক চাবলৈ ধৰিলে—সি তাইৰ হাতৰ পৰা সৰি পৰিল আৰু জ্বলি-পুৰি ভাগিপৰা দলংখন তাৰ ওপৰতে পৰিল। হাবিৰ পৰা তাই জাৰ্ম্মানবোৰক পোৰা দলংখনৰ কাষত কোৱাল লগাই থকা দেখিলে।

সিহঁতৰ চিঞৰত তাই সাৰ পালে। জাৰ্ম্মান এটা তাইৰ কাষত থিয় দি আছে। সি বুটেৰে তাইক ঠেলা মাৰি দিলে।

তৎক্ষণাৎ তাইৰ জ্ঞান আহিল। জাৰ্ম্মানটোৱে তাইক অঙ্গিভঙ্গিৰে উঠিবলৈ বুজালে। নিজৰ দুৰ্ব্বলতা ঢাকিবলৈ

তাই উংকট চেষ্টা কৰিলে ; কেচুৱাটোক বুকুত লৈ প্ৰথমে আঁঠুত ভৰ দি উঠিল আৰু পিচত কোনোমতে থিয় দিলে। বন্দুকৰ কুন্দাৰে ঠেলি সৈনিকটোৱে তাইক দুৱাৰৰ পিনে লৈ গ'ল। সমুখত বগা বৰফময় পৃথিবীখন দেখি তাইৰ চকু কাণিমুনি লাগিল। মদপী মানুহৰ দৰে থৰকবৰককৈ, তাই সৈনিকটোৰ আগে আগে বাধ্য ভাৱে যাবলৈ ধৰিলে। তাই বুজিলে—আকৌ জেৰা কৰিবলৈ নিছে।

ঝাৰ্ণাৰে ঘৃণাৰে তাইলৈ চালে। দেখিবলৈ তাই জঘন্য হৈ পৰিছে। মুখখন ভূতৰ দৰে ; ইমান সেঁতা পৰিছে যে দেখিলেই ভয় লাগে। তেজৰ খীন ধাৰা এটা ফটা ওঁঠৰ পৰা বৈ গৈ থুতৰীৰ ওপৰত কৰাল মাৰিছে। চকুৰ তলত এটুকুৰা প্ৰকাণ্ড ক'লা ঘা বিয়পি পৰিছে। এটা চকু উখহি ওপৰলৈ উঠি যোৱা যেন হৈছে। সোমাই যোৱা মুখখনৰ দুয়োকাষে জপৰা চুলিবোৰ বাগৰি পৰিছিল। ভৰি কিটা উদং ; উখহি লাহে লাহে ক'লা পৰি গৈছিল।

অফিচাৰে মেজৰ ওপৰত টুকুৰিয়াবলৈ ধৰিলে আৰু মানুহজনীৰ কাৰণে চকি এখন দিবলৈ সৈন্যটোক ইঙ্গিত কৰিলে। তাই আচৰিত হ'ল ; অনুমতিলৈ বাট নেচাই তাই খপ্‌কৈ বহি পৰিল আৰু সেই চকচকীয়া চকুহাললৈ চাই থাকিল। কেচুৱাটোৰ পিনে মুৰ দুপিয়াই সি হঠাৎ সুধিলে—

"ল'ৰা নে ছোৱালী ?"

দুৰ্ব্বল, হুটামাতেৰে তাই ক'লে—"ল'ৰা।" সি কিবা এটা হুকুম দিলে আৰু সৈন্যটোৱে এঘটি পানী আনিলে। অ'লেনাৰ স্বপ্ন যেন লাগিল। তাই ঘটিটো ধৰিলে আৰু আকলুৱা ভাৱে, ততাতৈয়াকৈ চেঁচা পানীবোৰ পিবলৈ ধৰিলে।

বিধোৰা ওঁঠকিটা, শুকান জিভাখন আৰু দেই-পুৰি নিয়া ডিঙিটো আকৌ সেমেকি গ'ল।

ৱাৰ্ণাৰে ক'লে—"হৈছে।" সৈন্যটোৱে তাইৰ হাতৰ পৰা ঘটিটো কাঢ়ি নিলে।

তাই উদ্বিগ্ন আৰু হতাশ ভাবেৰে চাই থাকিল। এতিয়া আৰু তাইৰ হাতত পানীৰ ঘটিটো নাই; মেজৰ ওপৰতহে আছে। তাইৰ কাষতে ঘটিৰ চেঁচা পানী টোপা তেতিয়াও বতাহত লৰি আছিল। ওঁঠকিটা আগতকৈও বিষাবলৈ ধৰিলে; তাই সেপ ঢুকিলে। তাইৰ কিজানি আগতকৈ বেছিহে পিয়াহ লাগিল।

"তেনেহলে, ল'ৰা……" সুৰ লগাই কেপ্তেইনে ক'লে। তাৰ কথা শুনিবলৈ অ'লেনাই নিজক সাজু কৰিলে।

কোঠাটোত সোমালেই তাইৰ ভয় লাগে; কোঠাটোৱে তাইক কিবা বিপদৰ ভয় দেখুৱায়; কেনে ধৰণৰ বিপদ, তাক তাই কল্পনা কৰিবলৈকো সাহ নকৰিলে। যি কেই ঢোকা পানী খাবলৈ তাইক অনুমতি দিলে, যি চকিখনত তাইক বহিবলৈ দিলে আৰু কেপ্তেইনে—স্বভাৱতে মানুহে সোধা—যি প্ৰশ্নটো সুধিলে—এই সকলোবিলাকে তাইৰ প্ৰাণত আশঙ্কাৰ সঁহাৰি দিলে। তাইৰ গোটেই গা শিয়ৰি উঠিল। কেপ্তেইনৰ মুখলৈ তাই একেৰাহে চাই থাকিল।

সি আকৌ ক'লে—"তেনেহলে তোৰ ল'ৰা হ'ল…বঢ়িয়া ল'ৰা দেখোন……"

আৰু কি কয় তালৈ তাই বাট চাই থাকিল।

"বাৰু, আশাকৰো এতিয়া তোৰ মতি-বুদ্ধি হব। এতিয়া কেৱল তোৰ নিজৰ প্ৰশ্ন নহয়। এতিয়া তই—পুতেৰক ৰক্ষা

কৰিব পাৰ, নতুবা ধ্বংস কৰিব পাৰ। নহয় জানো ? হয় ৰক্ষা কৰ, নহয় ধ্বংস কৰ।"—সি লাহে লাহে আৰু দৃঢ়তাৰে ক'লে।

আপোনা আপুনি তাই কেচুৱাটো বুকুলৈ চপাই ধৰিলে। কেপ্টেইনে তাইলৈ বৰ তীক্ষ্ণ ভাবে চালে ; তাইৰ ভাব-গতিৰ প্ৰত্যেক পৰিবৰ্ত্তনলৈ লক্ষ্য কৰিলে।

"যোৱা ৰাতি কোনোবাই তোক ৰুটি পাৰ কৰি দিব খুজিছিল। কোন বাৰু ?"—সি প্ৰশ্নটো লাহেকৈ যিদৰে সুধিলে তাৰ যেন কোনো গুৰুত্বই নাই।

"মই নেজানো।"

"কিয় ? তই নেজাননেকি ?"

তাই আকৌ ক'লে—"মই নেজানোঁ।" তাৰ চকুলৈকে তাই চাই থাকিল ; যি ভাৱে তাই কথাটো ক'লে, তালৈ লক্ষ্য ৰাখি সি বিশ্বাস কৰিলে। তাই নজনাটো নিশ্চয় সম্ভৱপৰ।

"তোৰ চুবুৰীয়া কাৰ কাৰ লৰাছোৱালী আছে ?"

"লৰাছোৱালী ?—তাই আচৰিত হৈ সুধিলে "সকলোৰে আছে। নেথাকিব কেলৈ ?"

এৰা, তাইৰ বাহিৰে সিহঁত সকলোৰে লৰাছোৱালী আছে। এতিয়া তাইৰো লৰা এটা হৈছে—তাইৰ বাহুৰ মাজত, মাকৰ চোলাৰ মেৰৰ মাজত, জাৰ্ম্মান সেনাপতিৰ অফিচত গভীৰ টোপনিত সি লালকাল। জাৰ্ম্মান নো কি সি তাকে নেজানে ; নাই, সি এতিয়াও জনা নাই।

"কোনে ৰুটি আনিব পাৰে বুলি তই ভাব বাৰু ? কোনে বাৰু ১০-১১ বছৰীয়া ল'ৰা এটা পঠাব পাৰে ?"

সকলো চুবুৰীয়াৰ কথা তাই মনতে ভাবি চালে। তাই

উত্তৰ দিব খোজা নাই, কেৱল নিজে জানিব খুজিছে—কোনে তাইৰ নিতান্ত প্ৰয়োজনৰ বেলিকা তাইক সহায় কৰিব খুজিছিল ? কোনে তাইক আহাৰ যোগাবৰ কাৰণেই নিজৰ জীৱন জাৰ্ম্মানৰ গুলীৰ আগত বিপন্ন কৰি তুলিলে। সকলোৰে লৰাছোৱালী আছে আৰু গাৱঁত ১০-১১ বছৰীয়া লৰা বহুত আছে। তাই নিজেই একো অনুমান কৰিব নোৱাৰিলে। "মই নেজানো, গাঁৱত বহুত লৰা আছে। প্ৰত্যেক ঘৰতে লৰাছোৱালী আছে......"

ৱাৰ্ণাৰৰ খং উঠিল ; সি বুজিলে যে তাই নেজানে।

"বেছ, তেনেহলে......বাৰু, এতিয়া ক, কালি এতিয়া ক'ত থকা সম্ভৱ ?"

অ'লেনাৰ গা চেঁচা পৰি গ'ল। তেনেহলে আকৌ সেয়ে আৰম্ভ হ'ল ! পুতেকৰ তপত গাটো তাইৰ কোলাত অনুভৱ কৰিলে ; তাই মনত বল আৰু সাহ পালে। জাৰ্ম্মানৰ জাউৰিয়ে জাউৰিয়ে প্ৰশ্নৰ আগত তাই এতিয়া অকলে থিয় দি থকা নাই। এতিয়া তাইৰ লগত পুতেকো আছে। চালিৰ তলৰ উদং মাটিতে, কষ্টৰ মাজত তাইৰ এই লৰাটোৰ জন্ম হৈছে ; কুৰি বছৰৰ প্ৰতীক্ষাৰ মূৰত তাই এই সন্তানক পাইছে।

সি তাইৰ লগতে আছে—মনে মনে শুই আছে আৰু তাৰ সৰু বুকুখনে, চৰাইৰ বুকুৰ দৰে, তাইৰ হাতৰ তলত থকাকৈ ধিপধিপাই আছে। মুখখন সৰু, ঘূৰণীয়া আৰু ৰঙা ; চেলাউৰি-জোৰ পাতল ; নাকটো অকণমান—সিয়েই তাই দেখা কেচুৱাৰ ভিতৰত আটাইতকৈ ধুনীয়া। পুতেক লগত আছে যেতিয়া কোনেও তাইক একো কৰিব নোৱাৰে ; এই ভাবটোৱে তাইৰ মনলৈ অপাৰ শান্তি আৰু অটল বিশ্বাস আনিছিল।

ৱাৰ্ণাৰে আকৌ ভাবুকিৰ সুৰত লাহে লাহে সুধিলে—“এতিয়া সি বাৰু ক’ত থকা সম্ভৱ ?

তাই মূৰ জোকাৰিলে—“মই নেজানোঁ।”

“নেজান ? .. ...গাৱঁলৈ উভতি অহাৰ আগতে বাৰু তই ক’ত আছিলি ?

“মই নেজানোঁ......হাবিত......”

“কোনখন হাবিত ?”

তাই কান্ধ জোকাৰিলে—“হাবিত......”

তাইৰ উত্তৰত সি একো সন্তেদ নেপালে। গাৱঁৰ কেওপিনে বিয়পি থকা এই বগা সমতলবোৰ হাবিৰে ঠাহ খাই আছে। কেওপিনে হাবিয়ে জুৰি আছে। জিলাৰ এই অঞ্চলতহে মাথোন কাঠনি নাই আৰু সেইবাবেই ৱাৰ্ণাৰৰ ৱাহিনীটোৱে গাৱঁত ইমান শান্তিৰে থাকিবলৈ পাইছিল। কিন্তু আন বাহিনীবোৰ অতৰ্কিত আক্ৰমণত জুৰুলা হৈ পৰিছিল; সেইবাবেই কাৰ্লি আৰু তাৰ গৰিলাদলৰ কোনো সন্তেদ উলিয়াবলৈ সদৰৰ কৰ্ম্ম-কৰ্ত্তাসকল বাধ্য হৈছিল।

“ইয়াৰ কেওপিনে গোটেই খন হাবিময় . ...কোন পিনৰ পৰা গাওঁ সোমালি ?”

“মোৰ মনত নাই, মই নেজানোঁ......কেওপিনে বৰফ আছিল। কোনোবা এপিনেদি আহি বাট ওলালোঁ, সিমানকে জানোঁ... .” “তেনে কোন বাটেদি আহিলি ?”

“মোৰ মনত নাই।”

“ইমান বেগেতে পাহৰিলি নে ? তোৰ গাৱঁলৈ অহা চাৰি দিনহে হৈছে।”

ভয়ে ভয়ে তাই মনত পেলালে; তাই গাৱঁলৈ অহা

আচলতে ৬দিন হ'ল। তেনেহলে ৰাৰ্ণাৰে সেই ছুদিনৰ কথা একোকে নেজানে। এই ৬ দিনতে তাইৰ এনে লাগিছিল যেন হাবিৰ খোৰোঙৰ পৰা মনে মনে গুচি অহা এটা জীৱনৰ আগৰ কথা।

ৰাৰ্ণাৰে লাহে লাহে চিগাৰেট এটা পকালে। তাৰ পিচত সেই খীণ, ঘা-ভৰা মুখখনলৈ মূৰ দাঙি চালে।

"শুন, তই এতিয়া ল'ৰাৰ মাক......"

আকৌ সেই শব্দ। এৰা, এতিয়া সঁচাকৈ তাইৰ কোলাত সন্তান এটা আছে ; তাৰ জন্ম হ'ল চালিৰ তলৰ মাটিত আৰু সি এতিয়া মাকৰ চোলাৰ মাজত মেৰ খাই আছে।

"তোৰ ল'ৰা হ'ল।"

অন্তৰৰ মাজৰ পৰা ওলোৱা হাঁহি এটা তাইৰ মুখত বিৰিঙি উঠিল। হয়, তাইৰ পুতেক আছে .....।

"পুতেৰ জীয়াই থকাটো তই নিবিচাৰ জানোঁ ? সি ডাঙৰ হৈ উঠা তই চাব নোখোজনে ?"

অ', পুতেক জীয়াই থকা আৰু নিৰাপদে থকা তাই কিমান আশা কৰে।......সি নিজে উঠিব পৰা হব। ঘৰৰ কেওপিনে থৰকবৰককৈ ঘূৰি ফুৰিব, দুৱাৰদলিয়েদি বগাই ফুৰিব। সৰু হাতখনেৰে চামোচখন টেবুলৰ পৰা থাপ মাৰি আনিব। মেকুৰী-কুকুৰবোৰ সি খেদি ফুৰিব। শাকনিলৈ গৈ নিজে গাজৰ চিঙিবগৈ। তাৰ পিচত আৰু ডাঙৰ হ'লে স্কুললৈ যাব; গহীন হৈ কিতাপৰ মোনাটো তুলি ল'ব। আৰু তাৰ পিচত ? তাৰ পিচত কি হব তাই আৰু কল্পনা কৰিব নোৱাৰিলে। তাই কল্পনা কৰিব নোৱাৰিলে যে তাই কোলাত লৈ থকা সেই অকণমান কেচুৱাটো ডেকা হ'ব, সি বিয়াবাৰু কৰাব আৰু তাৰ নিজৰ লৰাছোৱালী হ'ব ...... ।

"তাক ৰক্ষা কৰিবলৈ তোৰ এটা সুযোগ আছে। তোৰ আৰু তোৰ পুতেৰৰ জীৱন ৰক্ষা কৰিবলৈ কেৱল এটা সুযোগ আছে। মই তোক সেই সুযোগ দিছোঁ। মূৰ্খৰ দৰে নকৰিবি, সুবিধা ল।"

অ'লেনাই উত্তৰ নিদিলে। জাৰ্ম্মানটোৱে কিহৰ পিনে ঢাল লৈছে, তাক তাই ভালকৈ বুজিব নোৱাৰিলে; কিন্তু আকৌ তাইৰ মনলৈ অস্থিৰতা আহিল, গা কঁপি উঠিল। তাক কি লাগে? সি কিয় ইমান ধীৰ ভাবে, গহীনাই আৰু বিশ্বাসৰ ভাৱ লৈ কথা পাতিছে? সি যেন তাইক চিনিহে পাইছে; মানুহৰ লগত মানুহে সাধাৰণতে কথা পতাদি সি কথা হ'ব খুজিছে।

"আমি যেনে তেনে তাক উলিয়াম। তুই এদিন অগাপিচা হব পাৰে। মনত ৰাখিবি, আমাৰ হাতত সকলো আছে। ৰেড্ বাহিনী ধ্বংস হ'ল—সকলো শেষ। সেইদেখি এতিয়া আৰু আমঠালি কৰি মূৰ্খালি কৰিছ কিয়? তইঁতৰ মানুহবোৰ হাবিত আছে; ক'ত কি হৈছে সিহঁতে একো নেজানে। কেওপিনে সিহঁতক ঘেৰাও কৰি ৰাখিছে; পলাবলৈ এটা পথো নাই। আজি নহলেও কাইলৈ আমাৰ হাতত পৰি সিহঁতে শাস্তি ভুগিব লাগিব। কিন্তু সিহঁতৰ দলত পৰি যি দোষ কৰিলি, তাক ক্ষমা কৰিবলৈকো মই সাজু আছোঁ। সিহঁতে তোক ফুচুলালে, ঠগিলে। তেতিয়া তোৰ ল'ৰা নাছিল...... তই দলংখন জ্বলোৱা কথাটোও আমি ক্ষমা কৰিম। শান্তিৰে গাৱঁত বাস কৰিব পাৰিবি আৰু তোৰ লৰাটোক তুলিতালি ডাঙৰ কৰিব পাৰিবি...... ।"

তাৰ পৰা অলপো চকু নাতৰাই, তাই একমনে শুনি থাকিল।

"মোক জন্তু বা ভূত বুলি নেভাবিবি। কি কৰিম, ই যে কৰ্ত্তব্য! ......সৈন্য হিচাবে মোৰ যি কৰ্ত্তব্য, দেশৰ প্ৰতি মোৰ যি কৰ্ত্তব্য, তাকে মাথোন কৰিছোঁ......মই তোৰ লৰাটোৰ কাৰণে দুঃখিত। নিজৰ প্ৰতি ইচ্ছা নেথাকিলেও অন্ততঃ পুতেৰৰ প্ৰতি অলপ পুতৌ দেখুওৱা। তই তাৰ জীৱন দিলি; সেইবুলি তাৰ জীৱন কাঢ়ি লবলৈ তোৰ কোনো অধিকাৰ নাই।"

যন্ত্ৰচালিতৰ দৰে তাই কৈ পেলালে—"তাৰ জীৱন কাঢ়ি লম ?" তাই যেন আন কিবা কথা এটাহে ভাবি আছিল।

অস্থিৰ হৈ ৱাৰ্ণাৰে মেজৰ ওপৰত চিগাৰেটটোৰে টুকুৰিয়াবলৈ ধৰিলে।

"মই কি কৈছোঁ তই ভালকৈ বুজিছ! তই বুজিছ যে মোৰ কথাৰ উত্তৰ নিদিয়াৰ অৰ্থ তই পুতেৰক মৃত্যুদণ্ড দিছ। ভাবি চা অলপ, মই লাগিলে ৰওঁ। তই কবি নে নকৱ ? আশাকৰো এই বিষয়ে তোৰ অলপ জ্ঞান হ'ব। কোনেও গৰিলাবোৰক কোনো উপায়েৰে ৰক্ষা কৰিব নোৱাৰে; তোৰ আৰু কেচুৱাটোৰ জীৱন তই ৰক্ষা কৰিব পাৰিবি।"

সি দেৰাজৰ পৰা ধপাত আৰু চিগাৰেটৰ কাগজ উলিয়ালে; আকৌ চুৰট এটা পকালে। অ'লেনাই তাৰ আঙুলিকিটালৈ লক্ষ্য কৰিলে। সৰি পৰা ধপাতৰ টুকুৰাবোৰলৈ আৰু বগা কাগজৰ জাপটোলৈ তাইৰ চকু গ'ল। জুইশলাডাল জ্বলিল; নীলা ধোঁৱাবোৰ আটালৰ পিনে পাক খাই উঠি গ'ল।

"কি ?"

তাই কান্ধ জোকাবিলে।

"তই উত্তৰ নিদিয় ?"

"মই একো নেজানোঁ।"

সি থিয় দিলে ; মেজৰ ওপৰত ভৰ দি তাইৰ পিনে চালে। খণ্ডত মুখখন বিকৃত হৈ পৰিল।

"তেনেহলে তই মোৰ কথা শুশুন নহয়নে ? ইপিনে মই তোক মানুহৰ দৰে ব্যৱহাৰ কৰিছোঁ ; আৰু তই......বাৰু ৰ, দেখুৱাম তোক ! ......হেন্স !"

দুৱাৰমুখত সৈনিক এটাই দেখা দিলেহি।

"দুয়োটা আহ।"

সশস্ত্র সৈনিক দুটা সোমাই আহিল। তাই সিহঁতক চিনি পালে। সিহঁতেই চালিৰ তলত পহৰা দিয়া চন্তৰী কেইটা ; সিহঁতেই তাইৰ প্ৰসৱৰ সময়ত ঢেকঢেকাই হাঁহি চাই আছিল।

"তাইক ধৰ। মোক সেই পাতক দে !"

কি হৈছে তাই নৌ বুজোতেই এটা সৈন্যই কেচুৱাটো কাঢ়ি নিলে। তাই জাপ মাৰি উঠিল ; কিন্তু লো যেন হাতকিখনে তাইক খামুচি ধৰি থাকিল। তাইৰ উন্মাদ চকুযোৰ কেচুৱাটোৰ পৰা লৰচৰ নহ'ল। সৈন্যটোৱে জধলা ভাৱে কেচুৱাটোৰ হাতখনত ধৰিছিল ; সেইদেখি সি তাক পেলাই দিয়ে বুলি তাইৰ ভয় লাগিছিল।

"তাক মেজৰ ওপৰত থ।"

তাইৰ আৰু জাৰ্ম্মানটোৰ মাজত লৰাটো পৰি থাকিল। সৈন্যকইটাৰ হাতকিখন তাইৰ কান্ধৰ মঙহৰ মাজলৈকে সোমাই যোৱা যেন লাগিছিল আৰু তাই বুজিছিল যে তাৰ পৰা এৰাই যোৱাটো অসম্ভৱ।

তাতে কেচুৱাটো পৰি থাকিল আৰু কাপোৰৰ মাজত কেৱল তাৰ সৰু মুখখনহে দেখা গ'ল। নিশ্চিন্ত ভাৱে শুই থকা সেই

কেঁচুৱাটোলৈ ৰাৰ্ণাৰে ঘৃণাৰ চকুৰে চালে। কুঁৱলীৰ দৰে নীলা চকুযোৰ হঠাৎ মেল খালে। সৰু থুঁতৰীটো কঁপি উঠিল। অ'লেনাৰ অন্তৰ চাটিফুটি লাগিল। তাইৰ কেঁচুৱাটিয়ে অসহায় ভাৱে কান্দিবলৈ ধৰিছে। তাৰ সৰু মুখখন মেল খাই গ'ল, কপালখন বেছিকৈ ৰঙা পৰিল আৰু তাৰ চেলাউৰি যোৰ তুদাল বগা ৰেখাৰ নিচিনা হ'ল।তাই তাৰ ওচৰলৈ যাব খুজিলে; কিন্তু শকত হাত কেইখনে তাইক হেচা মাৰি ধৰি ৰাখিলে।

ৰাৰ্ণাৰে ছুটা মাতেৰে ক'লে "কেচুৱা নিচুকাবলৈ মই তোৰ লিগিৰী হবলৈ নেযাওঁ। বাৰু, এতিয়া কবিনে নকৱ?"

তাই তাৰ পিনে নেচালেই; তাইৰ চকু লৰাটোৰ ওপৰত। পোৱালী কুকুৰৰ দৰে সি কেঁকেঁৱাই আছিল। তাই যদি তাক বুকুৰ মাজলৈ তুলি ধৰিবলৈ পালেহেঁতেন। জোকাৰি, নিচুকাই শুবাৱলৈ পালেহেঁতেন... ।

"মই তোক কি কৈছোঁ শুনিছনে? কবিনে নকৱ? শেষ বাৰলৈ সুধিছোঁ।"

কেচুৱাটোৰ পৰা চকু যোৰ আঁতৰাই আনি তাই স্পষ্টভাৱে ক'লে—"নাই, মোৰ কবলৈ একো নাই......।"

মেৰাই থোৱা চোলাটো কেপ্তেইনে টান মাৰি খুলিলে। মেজৰ ওপৰত তাইৰ নাঙঠা পুতেক কান্দি কান্দি পৰি থাকিল— তাৰ পেটটো সোমোৱা, সি হাতৰ মুঠি কেইটা খামুচি ধৰিছে আৰু ভৰিকেইটা মেলি দিছে। কুকুৰ পোৱালীটো ধৰাদি ৰাৰ্ণাৰে কেচুৱাটোৰ গলধনত আঙুলি ছুটাৰে ধৰি ওপৰলৈ তুলিল'লে। তাৰ সৰু ভৰি কেইটা ওপৰত ধৰফৰাবলৈ ধৰিলে—নখবোৰ ৰঙা আৰু আঙুলিবোৰ ফুলৰ পাপৰিৰ নিচিনা।

"এতিয়া?"

বৰ লাহে লাহে সি ৰিভলভাৰটো ওপৰলৈ দাঙিলে।

অ'লেনা শিল যেন জঠৰ হৈ পৰিল। তাইৰ হাতভৰিবোৰ বৰফৰ টুকুৰা যেন হ'ল। কোঠাটো বহল হৈ গ'ল আৰু জাৰ্ম্মানটো বৰ ওখ হৈ যোৱা যেন লাগিল। অলপ আগতে কথা পাতি থকা সমুখৰ মানুহটো এতিয়া ভয়ানক ওখ হৈ আকাশ পালেগৈ আৰু এই বিৰাট শূন্যৰ মাজত তাইৰ অকণমান, ৰঙা, নাওঠা কেচুৱাটো ওলমি থাকিল।

টানি ধৰা চালখনে তাৰ টেটুটো চেপা মাৰি ধৰা যেন লাগিল৷ সি এতিয়া কন্দা নাছিল আৰু একো শব্দকে কৰা নাছিল। কেৱল ভৰিকেইটা ওপৰত পকোৱাপকি কৰি আৰু তাৰ হাত দুখনৰ মুঠিকেইটা খোলা-মেলা কৰি থাকিল।

"এতিয়া বাৰু দেখিম, তই বলশ্বেভিকৰ জঁকা নে সন্তানৰ জননী!"

অলেনা সংযত হ'ল। কেপ্তেইনক এতিয়া আৰু পৰ্ব্বতৰ দৰে অতি ওখ যেন নলগা হ'ল। কোঠাটো আকৌ স্বাভাবিক আকাৰৰ হৈ পৰিল।

"উত্তৰ দে!"

ৱাৰ্ণাৰে "মই সন্তানৰ জননী!" হাবিত সিহঁতে দিয়া নামটোকে কৈছিল। তাইৰ আগ্ৰহৰ বাবে, মৰমিয়াল মাতকিটাৰ বাবে, সিহঁতৰ ভাত-পানী বন্ধা আৰু কাপোৰ ধুই দিয়াৰ বাবে, ধন্যবাদ স্বৰূপে সিহঁতে আই বুলি মাতিছিল।

"তেনেহ'লে সিহঁত ক'ত আছে তই কবি?"

তাই ল'ৰাটোলৈ নেচালে; ৱাৰ্ণাৰৰ চকুৰে চকুৰে চাই থাকিল।

"মই একো নকওঁ, একোকেই নকওঁ...... ।"

ৰিভলভাৰৰ নলটো সৰু মুখখনৰ আৰু ওচৰ পালেহি। নাচোৱাকৈয়ে তাই এই কথা দেখিলে।

ৱাৰ্ণাৰে সুধিলে—"এইটো তোৰ প্ৰথম সন্তান, নহয়নে ?"

তাই নহয় বুলি মূৰ জোকাৰিলে।

"নহয়......।"

ৰিভলভাৰটো ধৰি থকা হাতখন ওপৰতে থৰ লাগিল। "কি ? তোৰ আৰু লৰাছোৱালী আছে নেকি ? লৰা নে ছোৱালী ? এই গাৱঁতে নেকি "

তাইৰ উখহা, ফটা আৰু শুকান ওঁঠকিটাৰ মাজত হঠাৎ এটা হাঁহি বিৰিঙিল।

"ল'ৰা......কেৱল ল'ৰা......বহুত ল'ৰা ; সৌ তাত, হাবিত আছে......কালি আৰু সিহঁত, হাবিত থকা বোৰ...... ।"

গুৰুমকৈ শব্দ এটা হ'ল। ঠিক সৰু মুখখনতে। থাৰ আৰু ধোঁৱাৰ গোন্ধ ওলাল। অ'লেনাক ধৰি থকা সৈন্যকেইটা শিয়ৰি উঠিল। কেপ্তেইনে সৰু মৃতদেহটো জোকাৰি ক'লে —"এইয়া .. . মাতৃদেৱী... .. ।"

সৰু ভৰিকেইটা আৰু মুঠি মাৰি ধৰা হাতকেইখন অসাৰ হৈ পৰিল। এতিয়া আৰু মুখ বুলিবলৈ একো নাই......আছে কেৱল, তেজেৰে বাওলী, মেলা ঘা এটুকুৰা।

ৱাৰ্ণাৰে ক'লে "তই পুতেৰৰ এই অৱস্থাকে কৰিলি।"

তাই মূৰ জোকাৰিলে ; তাইৰ মন তেতিয়া দূৰণিৰ হাবিত।

সিহঁতে এতিয়া বাৰু কি কৰিছে ? জুই ফুৱাই আছে নে হাবি-বাটেদি জাৰ্মান ফৌজৰ পিনে বগুৰা বাইছে ? জাৰ্মানৰ সদৰ অফিচ বহা ঘৰটো সিহঁতে অৱৰোধ কৰিলেনে ? নে আহতবোৰক লৈ সিহঁত হাবিলৈ উভতি গ'ল ? সৈন্যবোৰে

তাইলৈ ভৌতিক ভয়েৰে চাবলৈ ধৰিলে। কেপ্তেইনে দেখিলে যে লবাটোৰ গাৰ পৰা মাটিত তেজ পৰিবলৈ ধৰিছে। ঘৃণাত তাৰ গা শিয়ৰি উঠিল।

"এই পাৰ্তক লৈ যা।"

সৈন্যটোৱে কেৰ্ষেহালে।

কেপ্তেইন সাপৰ দৰে ফোঁচফোঁচাই উঠিল—"তোক আকৌ কিহে পালে?" ততালিকে সৈন্যটোৱে লবাটো থাপ মাৰি নিলে।

"শেষ বাৰলৈ সুধিলোঁ, কবি নে নকৱ?"

অ'লেনাই উত্তৰ নিদিলে; তাই শুনাই নাছিল। খিড়িকীয়েদি তাই বাহিৰৰ বৰফ-ধুমুহালৈ চালে।

"উত্তৰ নিদিলে তোকো শেষ কৰিম।"

তাৰ কথালৈ তাই কাণ নকৰিলে; উত্তৰ নিদিলে। সকলো অন্ত পৰিল। কুৰি বছৰৰ প্ৰতীক্ষাৰ মূৰত হোৱা লবাটো এতিয়া নাই। অন্তৰখন নিসাৰ হৈ পৰিল; তাৰ মাজত এটা ভয়হীন, স্পন্দনহীন, বিৰাট শূন্যতা বিয়পি পৰিল।

অ'লেনাৰ শূন্য চাৱনি কেপ্তেইনৰ ওপৰতে থৰ লাগিল। তাই অৰ্থহীন ভাৱে চাই আছিল। তাই যেন কিবা নিৰ্জীৱ বস্তুলৈ—কাঠৰ টুকুৰা বা শিললৈ—চাই আছিল।

"তাইক লৈ যা; শেষ কৰি পেলাগৈ।" কেপ্তেইনে হুকুম দিলে"—ঘৰৰ ওচৰত নহয়; ইয়াত যথেষ্ট হাড়-মূৰ গোট খাইছে। নৈতে আটাইতকৈ ভাল হব।"

বন্দুকৰ কুন্দাৰে খুন্দিয়াই সিহঁতে যি পিনে লৈ যায়, তাই সেই পিনেই বাধ্যভাৱে যাবলৈ ধৰিলে। এবা, এই গাৱঁতে তাইৰ জন্ম, ইয়াতেই তাই ডাঙৰ হ'ল; ইয়াতে তাইৰ বিয়া

হ'ল। ল'ৰাৰ মুখ দেখিবলৈ তাই বিফলভাৱে বাট চাই আছিল; শেহত সি আহি কেৱল কেইঘণ্টা মানৰ কাৰণে তাইৰ কাষত থাকি গ'ল। তায়ে তাক মৃত্যুৰ মুখলৈ আগবঢ়াই দিলে। বিভলভাৰৰ নলটো কেনেকৈ ক্ৰমে তললৈ নমাই আনিছিল তাক তাই নিজ চকুৰে দেখি আছিল; কিন্তু যি কথাই বিভলভাৰ আঁতৰাই নিলেহেঁতেন, তাই সেই কথা নকলে।

"নহয়, সোণ, মই কব নোৱাৰোঁ"—তাই ফুচফুচাই ক'লে, যেন মৰা কেচুৱাটোৱে তাইৰ কথা শুনিবহে।

তাই ঘূৰি চালে; সৈন্যটোৱে লৰাটোক আঁতজাকৈ, ঘৃণাৰে, মুৰ ওলোমাই লৈ যোৱা তাই দেখিলে। অ'লেনাই কোলা পাতি ধৰিলে। সৈন্যটোৱে খন্তেক কেৰে'হালে। তাৰ পিচত মৰা ল'ৰাটো মাকৰ হাতত দিবলৈ নিজ দায়িত্বৰ ওপৰত থিৰাং কৰিলে। সি তাক লৈ যাবলৈ বৰ অসুবিধা পাইছিল। শটো তাই বুকুৰ মাজলৈ চপাই ল'লে। তেতিয়াও তাৰ গা তপত; তেতিয়াও হাত ভৰি ঠৰঙা হৈ উঠা নাই। মুখখনৰ ঠাইত সেই জঘন্য ফুটাটো নথকাহেঁতেন মানুহে কেচুৱাটো শুই থকা বুলিহে ভাবিলেহেঁতেন।

ক'লৈ নিছে তাক নভবাকৈ অ'লেনাই সৈনিক দুটাৰ মাজে মাজে যাবলৈ ধৰিলে। হুকুম দিছিল জাৰ্ম্মান ভাষাত, সেইবাবে তাই একো নুবুজিলে। তাই মাথোন জানিছিল, এয়ে শেষ। কিন্তু সেই চিন্তাই তাইক ব্যাকুল কৰি তোলা নাছিল। পুতেকৰ মৃত্যুৰ লগে লগে তাইৰ সকলো শেষ হ'ল।

বতাহত বৰফৰ সৰু কণিকাবোৰ উৰি আহিছিল। বৰফ গোট মৰা খিড়িকীবোৰৰ পিনে অ'লেনাই চালে। কাকো

নেদেখিলে। অকলশৰে তাই তাইৰ শেষ পথেদি মৃত্যুৰ অভিমুখে যাত্ৰা কৰিলে। কোনেও দুৱাৰমুখেদি চোৱা নাই। ক'তো কাকো দেখিবলৈ নাই। ঘৰবোৰ নিসাৰ। অ'ত ত'ত জাৰ্ম্মানবোৰে কিবাকিবি কৰি আছে; কিন্তু বন্দীলৈ সিহঁতে মন কৰা নাছিল।

ৰাইফ্‌লৰ খুন্দা খাই তাই বাটৰ পৰা লুঙ্‌লুঙীয়া পথলৈ নামিল। তাই অলপ আচৰিত হ'ল; কিন্তু ঠেলি নিয়া পিনেই যাবলৈ ধৰিলে। গিৰ্জ্জাৰ সমুখৰ মুকলি ঠাই টুকুৰালৈকে তাইক নিছে বুলি ভাবিছিল। জাৰ্ম্মান কৰ্ত্তৃপক্ষই নিষেধ কৰা সত্ত্বেও সিহঁতে সেইখিনিতে মানুহ ফাঁচী দিয়ে। বাটটো কিন্তু মানুহৰ ঘৰৰ পিনে যোৱা নাই; খালৰ পিনেহে গৈছে। ইয়াত বতাহ নাই; কাৰণ খালটো বৰফেৰে ঢাক খাই আছে।

বৰফ গোট মৰা বাটটোৱেদি অ'লেনা যাবলৈ ধৰিলে; তাই যেন ভগা আয়নাৰ ওপৰেদিহে খোজ কাঢ়ি গৈছে। সেই চাৰিদিনৰ ভিতৰতে তাইৰ ভৰিকেইটা ঘাৰে ভৰি পৰিল। এতিয়া ভৰিকেইটা তেজ বৈ থকা মঙহ কিছুমানৰ নিচিনা হৈ পৰিল - চালবোৰ তাৰ পৰা ওলমি পৰিল। তিৰোতাবোৰে এই বাটেদি পানী নিয়ে; বাগৰি পৰা পানীয়ে বাটটোত বৰফৰ আৱৰণ পিন্ধাই দিলে। তাইৰ ফটা ভৰিকেইটা বৰফত পিচল খাই যায়; বৰফৰ টুকুৰাবোৰ উথহা মঙহৰ মাজলৈ সোমাই যায়। অ'লেনাৰ খোজ ক্ৰমে বেছি থৰকবৰক হবলৈ ধৰিলে। পেটৰ তলচোৱাত অসহ্য বিষ হ'ল। ভৰিদুটাৰ মাজেদি তপত তেজ বৈ যোৱা তাই অনুভৱ কৰিছিল।

তলত নৈ থনে এটা পাক লৈছে। বৰফৰ ডাঠ আৱৰণটোৱে নৈৰ ওপৰখন ঢাকি ৰাখিছে; কেৱল বৰফৰ মাজত থকা গাঁতটোৱেদিহে যি অলপ দেখা যায়; গাৱঁৰ এই ফালৰ

মানুহে ইয়াৰ পৰাই পানী নিয়ে। নিতৌ মানুহে ভাঙি দিয়া, দূৰৰ সেই ক'লা গাঁতটোলৈ অ'লেনাই চালে। তাইক ক'লৈ নিছে.একো গম ধৰিব নোৱাৰিলে। আৰু অলপ দূৰতে খালটো; তাতে জাৰ্ম্মানে পুতিবলৈ অনুমতি নিদিয়া মৰা মানুহবোৰ পৰি আছে। নিশ্চয় সিহঁতে তাইক তাত গুলীয়াব খোজা নাই! তাই এজনী সাধাৰণ তিৰোতা; তাইকনো বাৰু যুদ্ধত মৰা ৰেড্ সৈনিকৰ লগত সমানে পেলাই থবনে?

"হেই, ক'লৈ গৈছ বুলি ভাবিছনো?"

কথাকেইটা নুবুজিলে যদিও ৰাইফলৰ খুন্দাই তাইক তাৰ অৰ্থ বুজাই দিলে। আৰু আওচলীয়া পথেদি বাধ্য ভাৱে তাই যাবলৈ ধৰিলে। সৈন্যদুটাই তাইক বৰফৰ ক'লা গাঁতটোৰ কাষলৈ লৈ গ'ল।

এটাই—"কুকুৰটোক দে' বুলি কেচুৱাটোৰ পিনে হাতখন আগবঢ়ালে। ভয়ত তাই মৰাশটোক বুকুলৈ চপাই ধৰিলে— যেন সিহঁতে এতিয়াও তাৰ কিবা অপকাৰ কৰিব পাৰে।

"দে! দে!"—ধমকি দি সি ক'লে; আৰু তাইৰ কোলাৰ পৰা কাঢ়ি নিলে। অকণমান দেহটো বৰফৰ ওপৰত সৰি পৰিল। অ'লেনা তাৰ কাষত উবুৰি হৈ পৰিল। বাটতে তাৰ হাত-ভৰিবোৰ নীলা হৈ গ'ল আৰু চালৰ গোলাপী ৰঙটো নোহোৱা হ'ল। মুখৰ ওপৰৰ তেজবোৰ ক'লা হৈ চপৰাচপৰে কৰাল মাৰিলে।

তাই সেই সৰু দেহটো তুলি লবলৈ নৌ পাওঁতেই, এটা সৈন্যই সঙ্গীনেৰে খুচি দলি মাৰি পঠিয়ালে। কেচুৱাটো গাঁতৰ কাষৰ বৰফৰ ওপৰতে পৰিলগৈ। ইটো সৈন্য দৌৰ মাৰি গ'ল; তাক সঙ্গীনৰ আগত তুলি আকৌ দলিয়াই দিলে। এইবাৰ

ঠিক ঠাইতে পৰিল—পানীবোৰ ছিটিকি পৰিল; ফুটামান বুৰবুৰণি উঠিল আৰু সোঁতে শটো বৰফৰ তললৈ লৈ গ'ল।

অ'লেনা আঁঠুকাঢ়ি অচল ভাৱে বৈ থাকিল। তাইৰ সপোনৰ অৰ্থ এতিয়াহে বুজিলে। ঠাইডোখৰ আৰু বৰফৰ মাজৰ ক'লা গাঁতটো তাই চিনি পালে। বৰফৰ দাঁতিকেইটা সেউজীয়া; আৰু ক'লা পানীবোৰ কলকলাই, জীৱন্ত প্ৰাণীৰ দৰে জপিয়াই বৈ গ'ল। বৰফৰ মাজৰ মুকলি ডোখৰত পানীয়ে ভোঙা বান্ধিলে আৰু পিচত বৰফৰ মাজলৈ সোমাই গ'ল। তাৰ পিচত তলেতলে অসীমৰ পথেদি যাত্ৰা আৰম্ভ কৰিলে। নৈৰ পাৰত আৰু ওপৰত—কেওপিনে—বৰফৰ ডাঠ আৱৰণ। কেৱল পানীৰ গাঁতটোৰ ওচৰত লৰাটোৰ শটো পৰা ঠাইত ৰঙা চেকা এটা ছাব মৰাৰ দৰে বৈ গ'ল।

লাহে লাহে নিজৰি থকা ক'লা পানীবোৰলৈ অ'লেনাই একেথৰে চাই থাকিল। সৰু দেহটো নৈয়ে উটাই নিলে; তাইৰ পুতেক আৰু নাই। বৰফৰ ওপৰৰ ৰঙা বোলটোতে তাৰ অস্তিত্বৰ একমাত্ৰ চিন ৰ'ল। মৃতকক ঢাকি থোৱা বৰফৰ বগা কাপোৰখনৰ ওপৰত এটা ছাব মাৰি থোৱাৰ নিচিনা হ'ল। পানীয়ে তাক অসীমৰ পিনে লৈ গ'ল। পানীয়ে তাক বৰফৰ তলেদি ঠেলি নিছে, তললৈ হেচা মাৰি দিছে; সময়ত তাক নি শিলত খুন্দিয়াই দিছে, আকৌ ওপৰলৈ ওপঙাই আনি তাক বৰফত খুন্দা খুৱাই দুখ দিছে! নহয়, এনে হব নোৱাৰে বুলি তাইৰ অটল বিশ্বাস; তাই যেন বৰফৰ মাজেদি দেখিছেহে! তাই জানে যে সিহঁতৰ নিজৰ নৈ খনে তাৰ এখানি দেহটোক আলফুলকৈ, মিহি চোবোৰেৰে ঢোকি, মাকৰ দৰে ৰক্ষা কৰি লৈ যাব। তাৰ তেজবোৰ, খাৰে পোৰা ঘাবোৰ আৰু জাৰ্মানৰ

পুচিয়া চকু থিয় কৰি, শুনিবলৈ বৈ থাকিল। "তোমাৰ সেই বায়েৰজনীৰ লগত কথা পাতিব নোৱাৰানে ?"

তাই হঠাৎ উভতি চালে ; পানীবোৰ মাটিত ছিটিকি পৰিল। ঠিক সেই সময়তে ফেডচিয়া বাস্কেটটো লৈ সোমাই আহিছিল।

সি খঙেৰে ক'লে—"তই হবলা এইখনত পিতপিতাই ফুৰিছ ?"

মানুহজনী উচাট মাৰি ওলাই গ'ল ; সি দুৱাৰখন জপাই থৈ গ'লহি।

"বাইদেউৰ লগত কথা পাতিম ?"

সি খঙেৰে ক'লে—"হয়, শুনা নাই নেকি ?" চকুকিটা বৰকৈ মেলি আৰু গাটো ভাঙি তাই ক'লে—কেলৈ পাতিম ?"

"তুমি মোক সহায় কৰিব লাগিব। ইয়াৰ বাবে কিটো আছে ? তুমি সেই শিক্ষয়িত্ৰীজনীৰ লগত কথা পাতিব লাগিব। বুজিছা, মই বিচৰা বহুত খবৰ তাই জানে।"

পুচিয়াই 'স্পঞ্জ'টো পানীলৈ পেলাই দিলে ; আকৌ তুলি আনি চেপিবলৈ ধৰিলে।

"তাই মোক একোকে নকয়· ...."

"তাই যাতে কিবা কয় তেনেভাৱেই তুমি কথা কব লাগিব। ......বুজাই ক'বা, ক'বা যে এইবোৰ ধেমালিৰ ফল বেয়া হবগৈ ; এতিয়ালৈকে মই ঢিলাই দিছোঁ ; কিন্তু অধৈৰ্য্য হ'লে......"

"কি ধেমালিৰ কথা কৈছে ?"

সি চিঞৰি ক'লে—"উস্, তুমি দেখিছো বৰ মুৰ্খ।"

পুচিয়াৰ খং উঠিল ; মুখ ওকোন্দাই পেলালে আৰু গাৰ বলেৰে ভৰিকিটাত চাবোন ঘঁহিবলৈ ধৰিলে।

"তাইক বুজাবা যে আমাৰ লগত কাম কৰাটোৱেই তাইৰ পক্ষে মঙ্গল। সিহঁত উভতি আহিব বুলি আশা কৰি থাকিবলৈ নিশ্চয় তাই সিমান মূৰ্খ নহয়, নহয়নে ?"

তাই উত্তৰ নিদিলে ; এতিয়াহে সি তাইৰ মুখত ওফোন্দ লগা ভাবটো দেখা পালে।

"বাৰু, তোমাৰ হৈছে কি ?

"মই মূৰ্খ, তাইক কেনেকৈ এইবোৰ কথা বুজাই ক'ম ?"

"অ' জগৰ লাগিল হব পায় ? শুনা, মোৰ সঁচাকৈ ভাগৰ লাগিছে। আজি দিনটো বৰ কষ্ট কৰিব লগা হ'ল। গোঙোৰা মাৰি নেথাকিবা ; সেইবোৰ বেয়া কথা। তুমি তাইৰ সৈতে কথা হবা, নহয়নে ?" ·

"তাই মোৰ সৈতে কথাকে নেপাতে।"

"কেলৈ ?

তাই তাৰ পিনে চালে আৰু কান্ধকেইটা জোকাৰিলে।

"আপুনি দেখা নাইনেকি ? ইয়াৰ কোনেও মোৰ লগত কথা নেপাতে। মই কুষ্ঠ বেমাৰী হোৱা হ'লেও ভাল আছিল ……আপোনাৰনো কি গাত লাগিব ?……সদায় দেখোন মোক অকলে এৰি গুচি গৈছে…… …"

"একেপাত কথাকে ৰেপি আছা কেলৈ……থোৱা সেইবোৰ। মই এতিয়া দৰ্কাৰী কথা কৈছোঁ।"

কপালৰ গাঁঠিটো দেখি পুচিয়াৰ ভয় লাগিল। 'অ' বাৰু ! তাইৰ লগত কি কথা পাতিম ?"

সি দুৱাৰৰ পিনে চালে—"আমলৈ [illegible] আহিছে বোলে তাই গৱিলাৰ লগত যোগ আছে। সিহঁত ক'ত লুকাই আছে, আমি তাইৰ পৰা সেই কথা উলিয়াব লাগিব ; বুজিছা ?"

"তাই মোক একো কে নকয়।"

"নকয় বুলি আগতে ভাবি লবা কিয় ? তুমি যদি টেঙবালি কৰি কথা হোৱা, তাই তেতিয়া নিশ্চয় ক'ব।"

পানী চেচঁা হৈ আহিল। পুচিয়াই যত্নেৰে গাটো টুকিলে। হাত মেলি ৰাতি পিন্ধা সাজটো চকিখনৰ পৰা আনিলে। মিহি পাতৰ কাপোৰবোৰত আঙুলি বুলাই তাইৰ ভাল লাগিছিল। সাজটো পাতল নীলা ৰঙৰ আৰু হাতেৰে বন-কৰা। মাৰ্থাই ফ্ৰান্সৰ পৰা এইটো আনিছিল; কিন্তু আহোঁতে বাটত বৈণীয়েকক দিবলৈ সময়কে নেপালে। সেইদেখি এতিয়া পুচিয়ায়েই সেইটো পিন্ধিবলৈ পালে। পাতৰ কাপোৰখনৰ মিহি কোঁচবোৰ তাইৰ গাৰ কেওপিনে ওলাই পৰিল; কাপোৰৰ কোমল পৰশটো তাই ভালকৈ অনুভৱ কৰিলে। গা ধুই ভাগৰ লগাত তাইৰ শুবৰ মন গ'ল।

তাই লেনিয়াই সুধিলে "আপুনি কাপোৰ নসলাই কিয় ?"

"শুবলৈ মোৰ সময় নাই......বাৰু, শুনা, সেই শব্দিলা-বোৰৰ কথা মই যেনেতেনে জানিবই লাগিব।"

পুচিয়া আহি তাৰ কাষত বহিল আৰু তাইৰ গালখন তাৰ কামিজটোত ঘঁহাই দি মাতিলে—"কাৰ্ট" ; অধৈৰ্য্যভাবে কাৰ্ট আঁতৰি গ'ল।

"সঁচাকৈ, তোমাৰ লগত দেখিছো গুৰুত্বপূৰ্ণ কথা পতাই অসম্ভৱ।"

তাই থোনথোনাই ক'লে—"ৰাতি কথা পাতিবৰ সময়ো নহয়" ; কাণৰ কাষলৈ চুলি কোচা সাৰবি থ'লে। কিন্তু তাৰ খং উঠা যেন দেখি ধপৰাই ক'লে "বাৰু তেনে ; কিন্তু তাই কিবা জানে বুলিনো আপুনি কেনেকৈ গম পালে ?"

"যেনেকৈয়ে হওক, জানিলোঁ। তুমি বাক সেইবাবে মুৰ ঘমাব নেলাগে। তাইক ক'ব পাৰা যে মই সকলো জানোঁ। আৰু তাই কথা নকলে মই তাইক গ্ৰেপ্তাৰ কৰোৱাম।"

"আ-হা।"

"তুমি কি বুলি ভাবিছিলা নো? তোমাৰ বায়েৰ বুলিয়েই হবলা তাই আমাৰ বিৰুদ্ধে কাম কৰিব আৰু আমি হাত সাবটি ৰহি থাকিম?"

পুচিয়াই মুৰ জোকাৰিলে।

"তাইক গ্ৰেপ্তাৰ কৰিলেই বা নাই, মোৰ কিটো হ'ব? মই তাইৰ লগত কথা হ'ব পাৰিম; কিন্তু চাব বাৰু, তাই মোক ঘৰ সোমাবলৈকে নিদিয়ে।"

"বাৰু। চেষ্টা কৰি চোৱা।"

ভালৰি বোলাই তাই ক'লে "মই চেষ্টা কৰিম।" ভাবিলে এইবোৰ দেখোন পিচ দিনাৰ কথা, এতিয়া এই ৰাতিখন কাৰ্টৰ সৈতে সেইবোৰ লৈ দন-হাই কৰিবৰ সময় নহয়।

"আহক, শোঁওগৈ ....."

উঠি ম্যাওঁতে সি চৰিয়াটোত উজুটি মাৰি দিলে। "মানুহজনী কলৈ গ'ল? আৰু তুমিয়ো দেখোন বান্ধনি ঘৰতে গা ধুব পাৰা।"

"বান্ধনিঘৰত? তাইৰ কোঠাত?"—বিৰক্তিত তাইৰ গা শিয়ৰি উঠিল।

মাৰ্ণাৰে হাত দাঙি বাধা দিলে; ফেডচিয়াই চৰিয়া-বাল্টিবোৰ আঁতৰাই নি মজিয়াখন সাৰি পেলালে। পুচিয়াই, তৃপ্তিৰে সৈতে, বিচনাৰ পৰা তাইৰ পিনে চালে। তাই এতিয়া ভেচিয়াৰ কথা ক'ব নেকি? নহয় বুঢ়ীয়ে আৰু অলপ কষ্ট ভোগক। ...ই আঁত অলপ বাট চাব; চেলু এটা সদায় ওলাবই।

* * * *

দুৱাৰ বন্ধ হ'ল। ৰার্ণাৰে কামিজটো খুলিলে। বুটজোৰ পেলাই দিওঁতে জনক্ৰৈক উঠিল। চাকিটো নুমাল। কেভচিয়াই চৰিয়াৰ পানীখিনি বাঁ ল্টকিটাত ঢালিলে আৰু পেলাই দিবৰ কাৰণে তাই বাহিৰলৈ গ'ল। এচাটি বতাহ মাৰিলে। চন্দ্ৰবীটোৱে ঘূৰি চালে, কিন্তু তাইৰ হাতত বাণ্টিছুটা দেখি একো নকলে। ঘৰৰ মূধেদি গৈ তাই ভৰালৰ কাষৰ গোবৰৰ দ'মটোৰ ওচৰ পালেগৈ। পানী ঢালি দিওঁতে তাই ওচৰতে ফুচফুচনিৰ শব্দ শুনিলে।

"আই।"

তাই উচাপ খাই উঠি বাণ্টিছুটা থ'লে। ৰবৰৰ বাবতে ৰাতিও বৰ পোহৰ হৈছিল ; বগা বৰফৰ মাজত তাই ভৰালৰ মুখত এটা ছাঁ দেখিলে। পৰিচিত টুপিটো দেখি তাই উশাহ সলাবলৈকো পাহৰিলে।

জানিলে যদিও তাই ফুচফুচাই ক'লে—"কোন সেয়া ?" তাই আঁঠুকাঢ়ি পৰিল আৰু হাত মেলি তাৰ সেই কোটটো আৰু পেটিদাল স্পর্শ কৰিলে। তাৰ ধোঁৱাবৰণীয়া নোমাল টুপিটোত স্পষ্টভাৱে ৰঙা তৰাটো ওলাই আছিল। তাই উচুপিবলৈ ধৰিলে। বেড্ সৈনিকটোৱে ভয় খালে।

"আপোনাৰ কি হৈছে ?"

তুমি……তুমি……তুমি……" প্ৰলাপ বকাৰ দৰে তাই সেইকথাকে ফুচফুচাই থকিল ; ওঁঠদুটা কঁপি উঠিল। তাইৰ সপোন দেখা যেন লাগিল। আনন্দত বুকুৰ থিপ্থিপনি উঠিল।

"তুমি……তুমি……"

সি হালি গৈ তাইৰ কান্ধটো লাহেকৈ জোকাৰি দিলে।

ৰবৰুৰ পৰা প্ৰতিবিম্বিত হোৱা পোহৰত সি তাইৰ চকুলো ভৰা মুখত এটা হাঁহি বিৰিঙি উঠা দেখিলে।

"কি হৈছে ?"

"একো নাই, একো নাই।" অতি কষ্টেৰে ফেঁভচিয়াই আত্ম-সম্বৰণ কৰিবলৈ চেষ্টা কৰিলে। হঠাৎ তাইৰ চস্তৰীটোৰ কথা মনত পৰিল। ৰেড সৈনিকটোৰ চোলাৰ আগত ধৰি তাই ক'লে—"মোৰ ঘৰত জাৰ্ম্মান আছে! গাঁৱতো জাৰ্ম্মান আছে।"

"মই জানোঁ। আপোনাৰ সৈতে কথা হব খুজিছোঁ, আই। আপুনি ইয়াৰে নেকি ?"

"নিশ্চয়, এই গাৱঁৰে মই……"

"আপুনি মোক কব লাগে—কি কি আৰু কেনেকৈ…" "শুনা বোপাই, মোৰ ঘৰৰ মুখত চস্তৰী এটা আছে; মই বেছি সময় কৰিলে সি মোক বিচাৰি আহিব। তুমি খন্তেক ৰোৱা আৰু মই দৌৰ মাৰি ঘৰৰ পৰা আহোঁ। ওলাই আহিবলৈ আন এটা বাট আছে; সেইপিনে মই ততালিকে উভতি আহিম। তুমি বৰং আৰু অলপ আঁতৰি যোৱা; ভৰালৰ মুধৰ চালিৰ তলতে থাকাগৈ। তাত খেৰ আছে আৰু সিমান বতাহো নাই।"

হঠাৎ তাৰ সন্দেহ জন্মিল; সন্দেহজনক ভাৱে তাইলৈ চালে। তাই কথাটো গম ধৰিলে।

"সোণ, কি হ'ল ? কোনো ভয় নাই;' মই এই গাৱঁৰে সমূহীয়া পামৰ মানুহ……মোৰ লৰাটো সৌ তাত খালত পৰি আছে। সি ৰেড সৈনিক আছিল……তাতে সি এমাহ ধৰি পৰি আছে। পুতিবলৈকো সিহঁতে তাক মোক অনুমতি নিদিয়ে। ……পাহৰিহঁতে তাক নাঙঠা কৰি পেলালে……"

কথাবোৰতকৈও তাইৰ প্ৰকাশৰ সুৰটোৱেহে লৰাটোৰ মনত দৃঢ়ভাৱে বিশ্বাস জন্মালে; সি নিজে নিজে লাজ পালে।

"আই জানেই নহয়। কত ধৰণৰ মানুহ আছে "তুমি যোঁৱা; মই এতিয়াই উভতি আহিম।"

কঁপা হাতেৰে বাণ্টিকিটা তুলি লৈ তাই ঘৰলৈ উভতিল। চন্তৰীটোৰ কাষেদি যাওঁতে তাই কোনোমতেহে হাঁহিটো সামৰিলে। পালেগৈ আৰু! তই বাৰু গোৰোহণি মাৰি ঘূৰিয়েই থাক! ইপিনে আমাৰ মানুহ আহি গাঁও সোমালহি। তই বাৰু অফিচাৰটোৰ ৰচকী জনীক আৰু তাৰ বিচনাখনকে ৰখি থাক। সিপিনে যে ভৰালৰ মূখতে বেড্‌সৈনিক এটা আছেহি, তাৰ তই কি গম পাবি? ভালকৈ পৰ দে! তইঁতৰ দিন চমু চাপি আহিছে............

চালিৰ তলৰ দুৱাৰ খন তাই সাৱধানে বান্ধিলে আৰু শুবলৈ আয়োজন কৰা যেন দেখুৱাই ৰান্ধনি ঘৰৰ বেঞ্চখন টানি আনিলে। শোৱনিঘৰৰ পৰা জাৰ্ম্মানটোৰ নাকৰ ঘোট-ঘোটনি শুনিলে। ফেডচিয়া মনে মনে চালিৰ তললৈ গ'ল। ওপৰৰ কোঠাটোত এচটা তক্তা ঢিলা হৈ আছিল। তাই সাৱধানে তক্তা চটা খুলিলে আৰু ঘৰৰ চুকেদি তললৈ নামি আহিল। আহোঁতে দীঘল আচলখনৰ বাবত অসুবিধা পাইছিল। তাইৰ দৰে বুঢ়ী এজনীয়ে মেকুৰীৰ দৰে বগুৱা বাই ফুৰা কথাটো ভাবিলেও হাঁহি উঠে।

খেৰৰ মুধচটো ৰতাহত খৰখৰাই আছিল; সেইদেখি চন্তৰীটোৱে বাহিৰৰ পৰা একো নুশুনিলে। মাটিলৈ নামি আহি -লত তাইৰ বুকুখন ৰৰকৈ খিপখিপালে তাই খন্তেক ৰৈ

শুনিবলৈ ধৰিলে। নহয়, ঘৰৰ পিচপিনে কিবা হৈছে বুলি সি কেতিয়াও নেভাবে। পিচফালে কেৱল বেৰখনহে আছে; সি সন্মুখৰ পিনে খিড়িকীৰ কাষেদি অহাযোৱা কৰিছে। হঠাৎ তাইৰ মনত খেলালে—তাই দেখোন ইয়াৰ পৰাই ঘৰৰ ভিতৰ সোমাব পাৰিব। মনত উলাহ লাগিল।

ভৰালৰ কাষেদি তাই মেকুৰীৰ দৰে চুচঁৰি গ'ল। কিন্তু বাটতে থতমত খাই বৈ গ'ল; তাত কাকো নেদেখিলে। চালিখন উদং। তেনেহলে তাই সপোন দেখিছিল নেকি? কিজানি হেঁপাহ আৰু কষ্টৰ ফলত তাই ভ্ৰমৰ মৰীচিকাকে দেখিলে? নহয়, ই হ'বই নোৱাৰে .....

তাই ফুচফুচাই ক'লে—"ক'ত আছা?"

খেৰত খচখচনি উঠা শুনি তাইৰ মুখখন উজ্জ্বল হৈ উঠিল। সি তাতে আছিল আৰু অকলেও নহয়।—সিহঁত তিনিটা; সিহঁত চালিৰ দুৱাৰখনৰ মুখত বহি আছিল; ফেডচিয়াও সিহঁতৰ কাষতে বহিলগৈ।

এটা মানুহৰ হাতখন চপৰিয়াই তাই লাহেকৈ ক'লে "আমি তোমালোকলৈ কিমান আশা কৰি আছোঁ। দিনে নিশাই তোমালোকলৈ বাট চাই থাকো। শেহত তাকেই নিজ চকুৰে দেখা পালোঁ... ..

"সেইটো হয়, আই। কিন্তু আমি আগতে কথাটো শেষ কৰি লওঁ।"

তাই সিহঁতৰ ভোক লাগিছে নেকি সুধিলে। বেস্ত সৈনিক কিটাই হাঁহিলে।

"নাই, ধন্যবাদ, আমি ইয়ালৈ খাবলৈ অহা নাই।"

"বাৰু তেনে, কি জানিব খোজা সোধা।"

"আপুনি এই গাৱঁৰে নহয়নে ?"

আচৰিত হৈ ফেডচিয়াই ক'লে—"নিশ্চয়, আৰু মো ক'ব হ'ম ? মই ইয়াৰে ; ইয়াতে উপজিছোঁ ; ইয়াতে বাস কৰিছোঁ।"

"আমাক কেইটামান কথা লাগে........জাৰ্ম্মানবোৰ ক'ত ক'ত আছে ? ইয়াত সিহঁতৰ কি আছে ?"

কাকুতি কৰাৰ দৰে তাই হাতযোৰ কৰিলে।

"আমাৰ সৈন্য গাৱঁলৈ আহিব ?

"সকল আহিব......কেৱল, ক'ত কি আছে সেইকথাহে আগতে জানিব লাগিব।"

তাই হাতদুখন চপাই বহিল আৰু তাৰ পিচত আৰম্ভ কৰিলে "বাৰু, ... আমাৰ গাঁওখন অলপ ডাঙৰ ; তিনিশ ঘৰ মানুহ আছে। দুটা বাট আহি ইয়াতে লগ হৈছেহি। চাৰি আলিটোতে এটুকুৰা মুকলি ঠাই আছে। আগতে তাত এটা গিৰ্জ্জা আছিল ; এতিয়া তাৰ ধ্বংসাবশেষহে আছে।"

"অকনমান ৰব, আই।"

সিহঁতে মেপ এখন উলিয়ালে আৰু তাৰ ওপৰত জুপিবলৈ ধৰিলে ; টিপচাকিটো কোটটোৰে ঢাকি ল'লে।

"এইটো, ইয়াতে চাৰি আলি ; মাজতে সেইখন মুকলি ঠাই।"

"গিৰ্জ্জাৰ ওচৰৰ মুকলি খনতে সিহঁতে কামান বহুৱাইছে।"

"কামান বহুত আছে নেকি ?"

ফেডচিয়াই খন্তেক ভাবি ল'লে—"ৰবা... .. অ' হয়, চাৰিটা আছে। গিৰ্জ্জাৰ সোঁহাতে ডাঙৰ ঘৰ এটা আছে। আগেয়ে ইয়াতে গাঁৱৰ চভিয়েট বহিছিল ; এতিয়া সেই

সিহঁতৰ সদৰ। তাতে কাটেক-ঘৰ এটা আছে; সিহঁতে তাত পাঁচটা মানুহক জামিনত বন্ধ কৰি ৰাখিছে।"

"আৰু জাৰ্ম্মানবোৰ ক'ত আছে?"

"মুকলি ঠাই ডোখৰত আছে আৰু কবলৈ গ'লে প্ৰত্যেক ঘৰতে আছে। মোৰ ঘৰৰ সৈতে এই গোটেই অঞ্চল গাঁৱৰ এমূৰত পৰিছে; ইয়াত বেছি নহলেও অলপ আছে। সেমুগছবোৰৰ তলতহে বহুত বন্দুক আছে; গাঁৱৰ পৰা ওলাই গ'লেই দেখিবা। কিন্তু সেইবোৰ বেলেগ, অলপ সৰু......"

"বিমান-ধ্বংসকাৰী বন্দুকনেকি?"

"জানো, হব পাৰে......ঠিয় দি থাকে, দীঘল আৰু লিতা"

"বুজিলো। মেচিনগান দেখিছেনে ক'ৰবাত?"

"হয়। মেচিনগানো আছে...... গাঁৱৰ সিটো মূৰত আছে। ইয়াৰ পৰা ঠিক পোনে পোনে গৈ বাঁওহাতলৈ দেখিবা। সেইপিনৰ ঘৰৰ বেৰবোৰ ফুটাই সিহঁতে মেচিনগান পাতি থৈছে।"

ৰেড্ সৈনিককিটাই মেপত জুমিবলৈ ধৰিলে; আৰু কেইটামান কটা চিন আৰু বৃত্তৰ দাগ দিলে।

"সেইবোৰ ঘৰৰ পৰা সিহঁতে মানুহক খেদাই দি নিজে থাকিবলৈ ল'লে। ৰবা, তাত বাৰু কিমান ঘৰ আছে?... ...এক...তিনি...হয়—পাঁচোটা আছে। মুকলি ঠাইডোখৰতো এটা ঘৰ আছে।"

"বহুত জাৰ্ম্মান আছে নেকি?"

"সেইটো কব নোৱাৰি। সিহঁত অহাযোৱা কৰি থাকে; কেৱল কেণ্ডেইনটোহে ঘূৰি দুহুৰে। কোৱা শুনো প্ৰায় জাৰ্ম্মান আছে।"

"চন্তৰী বহুত আছে নেকি ?"

"অ, মোৰ ঘৰৰ মুখত থকাটোৰ দৰে সিহঁতে কেৱল ঘূৰি ফুৰে। সিহঁতলৈ কোনো ভয় নাই ; ৰাতি ভয়ত গোটেইখনৰে গাত তত নেথাকে। কবলৈ গ'লে, দুৰ্বলৈ নেযায়েই আৰু গ'লেও সদায় জোৰ পাতিহে যায়। দিনত সিহঁতৰ সাহ থাকে ; কিন্তু ৰাতি হ'লেই ভয়। ইপিনে আকৌ হুকুমজাৰি কৰি থৈছে যে গধূলিৰ পিচত আমি কোনো বাহিৰ ওলাব নোৱাৰোঁ ; যদি কাৰোবাক দেখে, তেনে কোনো প্ৰশ্ন নাই, পোনেই গুলিয়াই দিব।"

"বাটৰ মাজত দলং আছে নেকি ?"

"নাই। এইটো সৰু বাট।"

"হাবি একা ?"

"সমুলি হাবি নাই। যিবা ফুলনিৰ গছকেদাল আছিল, তাকো গাহৰীহঁতে কাটি থৰি থালে। সিহঁতে গৰম ভাল পায়। মুকলিডোখৰৰ সিফালে কেইজোপামান নেমু এতিয়াও আছে। কিন্তু ক'তো হাবি নাই ; কেইবা মাইল জুৰি মুকলি পথাৰ। থালটোতো জোপোহা কেইজোপা মানৰ বাহিৰে একো নাই। আমাৰ থৰিৰ বৰ অভাৱ ; গোবৰৰ খুটিহে পোৰো।"

ব্যাকুলভাৱে তাই ইফালে সিফালে চালে।

"কি হ'ল ?"

"মই অকনমান কেওপিনে চাই আছোঁ। কিজানি চোতালত কিবা হৈছে বুলি চন্তৰীটোৱে চাবলৈ আহে।" মনে মনে ওলাই গৈ তাই কেওপিনে চালে। হুৰহুৰাই বতাহ বলি আছে। এবাৰ থন্তেকৰ কাৰণে বতাহ মাৰ গ'ল ; ঘৰৰ

সমুখত চত্বৰীটোৰ খোজৰ মাত তাই শুনিবলৈ পালে। কেৰেচিয়া উভতি আহিল।

"একো নাই। সি এতিয়াও তাতে টহলি আছে।"

বেডসৈনিককিটাই মেপখন সামৰিলে।

"বাৰু, আমি যাঁও; ধন্যবাদ আই।"

"ধন্যবাদ দিবলৈ কিটো আছে মোৰ ভেচিয়াও ৰেডবাহিনীতে আছিল। সিহঁতে তাক মাৰিলে; এইখন গাঁৱৰ মূৰতে সি পৰি আছে।"

টিপচাকি সুমাল।

"আমি তোমালোকক কেতিয়ামানে দেখা পাম ?",

"এৰা এতিয়া ক'ব নোৱাৰি। সেনাপতিয়ে কি ঠিক কৰে তাৰ ওপৰতহে নিৰ্ভৰ কৰে। তদুপৰি কামটো ঠিক মতে সমাধা কৰিব পাৰোনে নোৱাৰো, তাকো চাব লাগিব।"

"কেলৈ কৰিব নোৱাৰিবা। কেৱল খৰখেদা কৰা; যথেষ্ট সময় হল। আমি এমাহ বৈ আছোঁ। বাট চাই থাকোতে শেহত কণাহে হব লাগিব।"

"ইমান সহজ কথা নহয়, আই।"

"সহজ নহয় বুলি জানোঁ। কিন্তু ইয়াতো আমাৰ পক্ষে সহজ নহয়। চেষ্টা কৰা, লৰাহঁত। ভালকৈ লাগি যোৱা।"

হঠাৎ কথা এটা তাইৰ মনত খেলালে।

"ৰবা, আৰু এটা কথা আছে।"

"কি ?"

"সিহঁতৰ দলপতিটো। সি সেনাপতিৰ নিচিনাই। মোৰ ঘৰতে আছে......আন কোনো নাই। কেৱল ঘৰৰ মুখত চত্বৰীটোহে আছে। সেনাপতিটো কাঠ পৰাদি শুই আছে;

লগতে ছোৱালী এজনীও আছে। তোমালোকে চন্তৰীটোক মাৰিব পাৰিবা। নহয়, মই মুখচেদি তোমালোকক ভিতৰলৈ নিব পাৰিম। তোমালোকে কান্দত এন্দুৰ ধৰাদি তাক ধৰিব পাৰিবা।”

আটাইতকৈ সক বেড্‌সৈনিকটোৰ চকুকিটা উৎসাহত ভিৰবিৰাই উঠিল।

“লবাইঁত! কেনে দেখা?”

“ৰব অলপ। ভাবি চাব লাগিব।”

“ভাবিবলৈ কিটো আছে? কেৱল গলধনত ধৰি সেই লাঠুৱাটোক চোঁচোৰাই আনিবা। এইটোনো কি কথা?”

“অ’, হয়নেকি? জধেমধে কিবা এটা কৰি পেলাবলৈ সদায় সহজ। বাক, আপুনি যেনিবা তাক শেষ কৰিলে, তাৰ পিচত কি হব? বাতিপুৱা হলস্থুল হব; সদৰলৈ খবৰ পঠাব; সিহঁতে আৰু বহুত সৈন্য পঠাই দিব। তেতিয়া আমি একোকে কৰিব নোৱাৰোঁ।”

“তেনেহলে গণ্ডগোল অলপ আছে.....”

“তেতিয়া আমাৰ এই চোৰাং কাৰবাৰৰ ভিকাচন ভাগিব। এতিয়া, ঈশ্বৰৰ কৃপাত, সিহঁত নিৰাপদ মনেৰে আছে। দেখিছেই নহয়, কেপ্তেইনৰ ঘৰৰ মুখত কেৱল এটা চন্তৰী ৰাখিছে। ভয় খুৱালেই সকলো নষ্ট হ’ব।”

“কিন্তু সেই পাতক চোঁচোৰাই আনিবলৈ মোৰ মন নেযায় জানোঁ?”

“বাট চাওক, আন এসময়ত হব। এতিয়া ঘৰলৈ যাঁও।”

আচৰিত হৈ ফেডচিয়াই সুধিলে—“তোমালোকৰ ঘৰ ইয়াতে আছেনে?”

"আই সেইটো কথাৰ চলতে কৈছোঁহে। আমাৰ ঘৰ বহুত দূৰত। কিন্তু যুদ্ধৰ দিনত য'তে সৈন্যবাহিনী থাকে তাতে আমাৰ ঘৰ, আপুনি মাথোন কওক, ইয়ালৈ কেনি আহিব লাগে। আমি আহোঁতে ৰবকত পোত যাওঁ যেন হৈছিলোঁ।"

"মই দেখুৱাই দিম। এয়া, পোনে পোনে খাললৈ নামি যোৱা আৰু ওৰে বাটটো নৈৰ পাৰে পাৰে যাবা। তাত কেৱল আমাৰ লবাবোৰৰ নোপোতা শবোৰহে আছে,—সেইদেখি সাৱধানে যাবা। নৈয়ে আনি মুকলিত উলিয়াবহি; তাৰ পৰা তোমালোকে ওখাবি আৰু জেলেনষ্টি দেখা পাবা। তাতো কিন্তু জাৰ্ম্মান আছে।"

"জানোঁ। ঘাই কথা হৈছে—ইয়াত যাতে কাৰো আগত আমি ওলাই নপৰোঁ।"

"চিন্তাৰ কোনো কাৰণ নাই। কেৱল চন্তৰী এটাহে মোৰ ঘৰৰ মুখত আছে; আৰু কোনো নাই। লাহে লাহে গৈ থাকা আৰু যেতিয়া বতাহ এৰিব, তেতিয়া ব'বা। নহলে সি বৰফ ভগা শব্দ শুনিব।"

বগুৱা বাই মানুহৰ মূৰ্ত্তি তিনিটাই তাইৰ পিচে পিচে যাবলৈ ধৰিলে; তাই ব'লে সিহঁতো বয়।

"সেইটোৱেই খাল। পোনেই তললৈ নামি যোৱা; পিচে পিচল আকৌ। সাৱধানে নামিবা।"

"বিদায় আই। ধন্যবাদ; আপুনি বৰ সৰবৰহী মানুহ।"

"লবাইঁত, শুভইচ্ছা জনালোঁ। কিন্তু লবালবিকৈ আহিবা।"

"আমি পাৰোঁমানে চেষ্টা কৰিম। সেই বিষয়ে চিন্তা নকৰিব। বৰ ঠাণ্ডা পৰিছে; আপুনি ঘৰলৈ যোৱাই ভাল হ'ব।"

"কোনো কথা নাই। মোৰ অভ্যাস হৈ গৈছে।"

ফেডচিয়াই খালৰ পাৰত ঠিয় দি চাই থাকিল। সিহঁত বেগাই গৈছিল আৰু বৰফৰ মাজত সিহঁতৰ বগা কাপোৰ পিন্ধা প্ৰতিমূৰ্ত্তিবোৰ ক্ৰমে চিনিবলৈ টান হৈ পৰিছিল। অৱশেষত নিশাৰ অন্ধকাৰৰ মাজত সিহঁতক নেদেখা হ'ল। জগতৰ বুকুত হুৰহুৰাই থকা বৰফ-ধুমুহাই সিহঁতক ছাটি ধৰিলে। এতিয়া সিহঁতক একেবাৰে নেদেখা হ'ল। ফেডচিয়া ঘৰলৈ উভতিল। এখোজদুখোজকৈ তাই যাবলৈ ধৰিলে। তাইক যেন খন্তেকৰ বাবে কৰাগাৰৰ পৰা মুক্ত কৰি দিছিল; যেন খন্তেক সময় তাই প্ৰাণভৰাই মুক্তবতাহত উশাহ সলাবলৈ পাইছিল; আৰু এতিয়া তাই নিজমনেৰে সেই বন্ধনৰ মাজলৈ আকৌ উভতি আহিছে। নিজৰ ঘৰৰ ছাঁটোৰ পিনে তাই ঘৃণাৰ চকুৰে চালে। তাতে সেই জাৰ্ম্মানটোৱে তাৰ বন্দীতা-জনীৰ লগত শুই আছে। তালৈ গৈ তাৰ নাকৰ সেই জঘন্য ঘোটঘোটনিকে তাই আকৌ শুনিবগৈ লাগিব।

সি ঘোটঘোটাই শুই থাকিল; ইপিনে মানুহজনীয়ে টোপনিতে কিবা ভোৰভোৰালে। ফেডচিয়াই হাঁহি এটা মাৰিলে। প্ৰতিহিংসাৰ কঠোৰ হাঁহি।—ৰবি বাক, তহঁতৰ সকলো শেষ হ'ব। ৰেড্ বাহিনী আহিব লাগিছে আৰু সিহঁতে পোনেই শোৱনি কোঠালৈ গৈ তহঁতক কোমল বিচনাৰ পৰা টোচোৰাই আনিব।

সিহঁত বগাই উঠি আহোঁতে তাই শুনিবনে? নে সিহঁত ঘৰ সোমালেহে তাই সাৰ পাব? নহয়, তাইৰ টোপনি নাছে বুলি পূৰা বিশ্বাস; সিহঁত নহালেকে, গাওঁখনৰ মুক্তি নোহোৱালৈকে তাইৰ চকুলৈ টোপনি নাহে।

চন্ত্রবীৰ খোজৰ ভৰত বৰক ভগা শব্দ উঠিল আৰু ম্যাৰ্ণাৰ নাক বজাই শুই থাকিল। সকলো আগৰ দৰেই আছে। তথাপি সকলো বেলেগ যেন লাগিল। ভেচিয়া মৰাৰ পৰা এমাহৰ মূৰত, সেইদিনাই তাইৰ অন্তৰত আনন্দই প্ৰথম দেখা দিলে; হিয়াত আনন্দৰ বন্তি জ্বলি পোহৰ আৰু তাপ বিলালে। আনন্দৰ অগ্নিশিখাই তাইক বাহু মেলি আৱৰি ধৰিলে। যাতে গোটেই জগতে শুনাকৈ এই আনন্দৰ বাতৰিটো তাই চিএৰি নিদিয়ে, তাৰ বাবে তাই হাতদুখনেৰে মুখখন জোৰেৰে চেপি ধৰিলে। গাঁৱৰ ভিতৰত কেৱল তাইহে এই কথা জানে। কেৱল তাইহে জানিলে যে এতিয়া সিহঁতে আগৰ দৰে অপেক্ষা কৰিব নেলাগে; আগতে সিহঁতে কিমান দিনলৈ বাট চাব লাগিব সেইকথা জনা নাছিল। কেৱল বুকুত সৱল বিশ্বাস বান্ধি, সিহঁতে বাট চাই আছিল। এতিয়া তাই সেইকথা কব পাৰিব। দলটোৰ ওচৰ পাবলৈ সিহঁত তিনিটাৰ কিমান দিন লাগিব? আৰু দলটো ইয়ালৈ আহোঁতে কেইদিন লাগিব? এদিন, দুদিন, নে তিনিদিন? তিনি দিনতকৈ বেচি বুলি তাই জানে। নিশ্চয় সেনাপতিৰ অফিচৰৰত জামিনত বন্দী হৈ থকা মানুহ পাঁচোটাৰ প্ৰাণনাশৰ নিচিনা নিষ্ঠুৰ, কাণ্ডজ্ঞান বিহীন ঘটনা এটা কেতিয়াও ঘটিব নোৱাৰে।

ম্যাৰ্ণাৰে সিহঁতক তিনিদিন সময় দিছে। হঠাৎ তাই ভাবিলে যে এই তিনিদিনীয়া সময়টোৰ লগত জামিনৰ মানুহ কিটাৰ কোনো সম্পৰ্ক নাই। এই তিনিদিনৰ ভিতৰতে জাৰ্মানবোৰৰ সমুখত নৰককুণ্ডৰ উদয় হব। জাৰ্মানে বেত্‌-টালিকৰ নিষ্ঠুৰ মুখ দেখা পাব; মৃত্যুৰ আগত তেতিয়া জাৰ্মানৰ ভেঁটাভেঁটি হব।

গাঁৱত তিনিশ ঘৰ মানুহ; যি কেইঘৰৰ পৰা জাৰ্ম্মানে বায়তক খেদাই দিলে, সেই কেইঘৰৰ বাহিৰে আন-বোৰৰ প্ৰতি ঘৰতে মানুহে কষ্ট, প্ৰতীক্ষা আৰু কান্দোনৰ মাজত দিন যাপন কৰিছে। 'আমাৰ সৈন্যবোৰ আহিব'—ইন্দ্ৰজালৰ দৰে এই শব্দকেইটাই সিহঁতৰ শৰীৰত শক্তি চপাই দিছে; মনত অটল বিশ্বাস জন্মাই সিহঁতক সান্ত্বনা দিছে। এতিয়া গাৱঁৰ ভিতৰত কেৱল তাইহে সঠিককৈ জানে যে সৈন্যবোৰ আহিব; অৱশ্যে এই কথা তাই আগেয়েও কেতিয়াও সন্দেহ কৰা নাছিল। অকল সেয়ে নহয়, তাই ইয়াকো জানে যে সিহঁতে আহিবলৈ আৰম্ভ কৰিলেই। জাৰ্ম্মাণ দস্যুদলৰ ওপৰত মৃত্যুদণ্ডৰ যি আজ্ঞা হ'ল, তাৰ আৰু লৰচৰ নাই। অ'লেনাই এই কথা নেদেখিলে; কিন্তু সেনাপতিৰ অফিচৰ বন্দা পাঁচটাই যে ইয়াক দেখিব, সেইটো তাইৰ কাৰণে সুনিশ্চিত হৈ পৰিছি'ল।

* * *

সেই নিশা গাওঁবুঢ়া বহুত সময়লৈকে সেনাপতিৰ অফিচত আছিল। প্ৰত্যেক খেতিয়কে কিমান শস্য দিব লাগিব তাক, সমূহীয়া পামৰ হিচাব-পত্ৰ চাই, বৰ কষ্টেৰে হিচাব কৰিবলৈ লাগিল। কপালত ঘামৰ টোপালে দেখা দিলে; বাৰে বাৰে সি ভুল কৰিবলৈ লাগিল। তেলৰ চাকিটো ধোৱাই আছিল। সৈন্যকেইটাই, টোপনি ধৰা চকুৰে, মেজৰ কাষত বহি থকা মানুহ দুটালৈ চাই আছিল। গেপলিকে হিচাবত বাৰে বাৰে ভুল কৰে—আৰু ফেল্ডৱেবেলৰ ধমকি খায়।

গেপলিকে কোনোমতে মনযোগ দিব নোৱাৰিলে। এই সংখ্যাৰ গণনা যে কোনো কামত নাহে—সেই ভাৱটো সি মনৰ পৰা আঁতৰাব পৰা নাছিল। কাগজত গণনা কৰিবলৈ

সহজ ; প্ৰত্যেকে জাৰ্ম্মাণ গৱৰ্ণমেণ্টক কিমান শস্য দিব লাগিব, তাৰ সঠিক হিচাব এটা প্ৰত্যেকৰ হাতে হাতে দিবলৈ আৰু সহজ হব। কিন্তু সেয়ে যথেষ্ট নহয়। কাগজে কেপ্তেইন বা সদৰৰ কৰ্তৃপক্ষক সন্তুষ্ট নকৰে, সিহঁতক লাগে শস্য। সিহঁতক কাগজো লাগে, শস্যও লাগে ; সিহঁতৰ এটায়ো যে জাৰ্ম্মাণক শস্য দিব—গেপালিকৰ এই কথাত সন্দেহ হৈছিল। মূৰকত গেপলিকেই জগৰীয়া হবগৈ। কেপ্তেইনে তাক খাটাংকৈ ভাবুকি দেখুৱাইছে—আৰু গাঁওবুঢ়াই জানে যে সেই জাৰ্ম্মাণটোৱে যি কোনো মুহূৰ্ত্ততে তাৰ ভাবুকিক কাৰ্য্যলৈ পৰিণত কৰিব পাৰে।

ইপিনে গেপলিকে মানুহবোৰৰ জামিন লোৱাতো এতিয়ালৈকে একো ভাল ফল নধৰিলে। সিহঁতক সিপিনে তলা মাৰি থৈ দিছে ; কিন্তু এতিয়ালৈকে দেখোন কোনেও জগৰীয়া লৰাটোৰ খবৰটোকে সেনাপতিৰ অফিচত নজনালেহি। আকৌ তাৰ গাতে দোষ পৰিব। কেপ্তেইনক ইপিনে দোষী মানুহটো লাগেই ; তেহে তেওঁ কৰ্ত্তৃপক্ষৰ কাষত কাৰ্য্যদক্ষতা দেখুৱাবলৈ পাব। শেহত দোষত পৰিব গেপলিকেই।

ফেল্ডৱেবেল গোৰগোৰাই উঠিল "তই সেয়া কি কটাকুটা কৰি আছ ? সকলোবোৰ লেতেৰা কৰি পেলালি। আকৌ গোটেইখন কৰিব লাগিব। বাৰু, তই কি ভাবি আছ, হয়নে ?"

কাঁওবাঁও কৰাৰ দৰে গেপলিকে হাঁহি এটা মাৰিলে। সি কি ভাবিছে ? নহয়, ফেল্ডৱেবেলক সেইকথা কব নোৱাৰি। সি কাগজখনৰ ওপৰত আকৌ উবুৰি হৈ পৰিল আৰু আগতকৈও বেছি কটাকুটা কৰিবলৈ ধৰিলে।

শেহত সকলো হিচাব শেষ হ'ল। বাহিৰত ঘোৰ অন্ধকাৰ।

হোহোৱাই বতাহ বলিছে। গাঁওবুঢ়াই লাহে লাহে ভেৰাচালৰ চোলাটোৰ বুটাম মাৰিবলৈ ধৰিলে।

শেহত ক'লে "কোনোবাই মোক ঘৰত থৈ অহাহেঁতেন!" অৱশ্যে তাৰ ঘৰৰ মুখত চন্তৰী এটা আছে; কিন্তু আত্মৰক্ষাৰ বাবে তাৰ ৰাইফ্‌লৰ সহায় লবলৈ সি বহুত দূৰ বাট যাব লাগিব। ফেল্ডৱেবেল উচাট মাৰি উঠিল।

"তোৰ নো হৈছে কি? অকলে ঘৰলৈ যাব নোৱাৰনেকি? কেপ্তেইনৰ হুকুম নোহোৱাকৈ মই কোনো সেনিকক পঠাব নোৱাৰোঁ।"

ভয়ে ভয়ে গেপলিকে দিহা দিলে—"আৰু আপুনি একা?"

ফেল্ডৱেবেলে মেজত ঢকিয়াই ক'লে—"বাটত কিটো ওলাব বুলি ভাবিছনো? সদৰৰ পৰা হঠাৎ বিচাৰিব পাৰে; ইপিনে তই ভাব, মই কামবন দলিয়াই পেলাই চাকৰণীজনীৰ দৰে তোক ঘৰত থৈ আহিমগৈ। তোৰ বাৰু ভয়টো কিহৰ? ৰাতি ইয়াত ঘূৰি ফুৰিবলৈ কোনেও সাহ নকৰে।"

গাঁওবুঢ়াই একো উত্তৰ নিদিলে; দুৱাৰখন ঠেলা মাৰি ওলাই গ'ল। দুৱাৰদলিলৈ আহি থতমত খালে—পোহৰৰ পৰা আহি অন্ধকাৰত যাবই নোৱাৰা যেন লাগিল। আলকাতৰাৰ দৰে এন্ধাৰৰ ডাঠ আৱৰণ খন যেন হাতেৰে চুই অনুভৱ কৰিব পাৰি। খন্তেক ৰোৱাৰ পিচতহে সি অন্ধকাৰৰ মাজত বাটটো চিনি পালে। চোলাৰ ডিঙিটো তুলি ঘৰলৈ খোজ দিলে। সি খঙত ভাবি গ'ল—সিহঁতে তাক ফাপৰে ধৰা ভতুৱা কুকুৰৰ দৰে ব্যৱহাৰ কৰিলে। তাক ধমকি দিবলৈ সকলোৰে ক্ষমতা আছে; সকলোৱে তাৰ ওপৰত সিহঁতৰ খং-বিষ সাৰিব পাৰে। কেপ্তেইন, ফেল্ডৱেবেল—আনকি

সাধাৰণ সৈন্য এটায়ো নিজক তাতকৈ ডাঙৰ বুলি ভাবে। ইপিনে সি, সমুখত জীৱনৰ শঙ্কা লৈ, গাধৰ দৰে দাসত্বৰ বোজা বব লাগে। সি শঙ্কিত ভাবে কেওপিনে চালে।

হুকুম ঠিকেই থাকে; পিচে এই আপদীয়া গাওঁখনত সকলো ঘটিব পাৰে। ফেল্ডৱেবেলৰ নিজৰে ওলাবলৈ ভয়। টেলিফোনৰ কথা নহয়; আচলতে সি নিজেই ভয়ত শেঁতা পৰি গৈছিল। তথাপি সি গেপলিকক ঘোপমৰা আন্ধাৰ নিশা খেদাই পঠালে; আৰু বিপদে তাৰ খোজে খোজে পিচ ল'লে।

সি গাৱঁৰ মাজেদি মনেমনে চুঁচৰি যাব খুজিলে। কিন্তু খোজৰ ভৰত বৰফ ভাগি মৰমৰাই উঠিল। মাজে মাজে বতাহো শাম কাটে; যেন তাৰ প্ৰতি আখেজৰ বাবতে এনে কৰে। কিয়নো বতাহ নবলিলে তাৰ খোজৰ শব্দ বোধ হয় গোটেই গাৱঁৰ মানুহে শুনিবলৈ পায়। হঠাৎ বাটৰ মেৰটোৰ কাষত সি কাৰবাক থিয় দি থকা যেন দেখিলে। সি ভয়ত পেপুৱা লাগিল। ছাঁটো লৰচৰ নকৰিলে; কি ঘটে তালৈ সি বাট চাই থাকিল।

তাৰ মনত খেলালে যে উভতি গৈ সি দেখোন নিশাটো অফিচতে কটাব পাৰে। অন্ততঃ ৰাতিপুৱালৈকে তাত বহি থাকিব পাৰিব। কিন্তু উভতিবলৈ সাহ ন'হল; কিজানি সেইটো গাতে জপিয়াই পৰে......

নিৰাশাৰ সঙ্কল্প লৈ সি আগবাঢ়িল। বাটৰ মেৰটোতে আকৌ জোপা এটাও আছিল। সিতো সেই জোপাটোৰ কথা কেতিয়াও পাহৰিব নোৱাৰে। দিনত কিমানবাৰ সি তাৰ কাষেদি গৈছে!

মুহূর্ত্তে ভয়ানক কিবা এটা ঘটিছে বুলি সি অনুভৱ কৰিলে। সি সেপ ঢুকিবলৈ ধৰিলে। কিহবাই তাৰ চকু মুদাই ধৰিলে, মুখত সোপা দিলে আৰু গোটেই মূৰটো বান্ধি পেলালে। সি চিঞৰি দিলেহেঁতেন ; কিন্তু এভুকু খাই পৰি গ'ল। তাক দাণ্ডি ভাৰ বৈ লৈ যোৱা সি অনুভৱ কৰিলে। বৰফ ভগা শব্দ আৰু ঘন উশাহ লোৱাৰ শব্দ শুনিলে। এখন দুৱাৰ কেৰ্‌কেৰাই উঠিল। তাক দলি মাৰি মাটিলৈ পেলাই দিলে। সি গাত কাৰবাৰ পৰশ অনুভৱ কৰিল ; বুজিলে যে কোনোবাই বান্ধিছে। শেহত মূৰটো ঢাকি থোৱা কাপোৰখন আঁতৰাই দিলে। সি চকু পচাৰিলে। সৰু চাকি এটাৰ টিমিকঢামাক পোহৰত ঘৰৰ ভিতৰখন আৰু তাত থকা মানুহবোৰ দেখা গ'ল। সি লেঙেৰা আলেকজেণ্ডাৰ আৰু ফ্রচিয়া গ্রখেচক চিনি পালে। তাৰ গোটেই গা কঁপিবলৈ ধৰিলে। তপা মূৰটো ইমান থৰকবৰক কৰিবলৈ ধৰিলে যে সি গাৰ কঁপনিটো কোনোমতে বন্ধ কৰিব নোৱাৰিলে।

গেপলিকে আগেয়ে নেদেখা, সোতোৰা পৰা মুখৰ, বুঢ়ী এজনীয়ে আদেশ দিলে – "আলেকজেণ্ডাৰ, বহা। তুমি লিখি যাবা ; সকলো কথা নিয়মমতে লিখি থব লাগিব।"

মেজৰ কাষত সিহঁত বহিলগৈ। বেৰত আঁউজি গেপলিকে ভয়ত ইপিনেসিপিনে চাবলৈ ধৰিলে। তলৰ কেৰাচিনৰ চাকিটোৱে টিমিকঢামাক কৰি মাজে মাজে সিহঁতৰ মুখত ছাঁ পেলাই দিছিল।

শকত মানুহজনীয়ে ক'লে—"থিয় হ ; বিচাৰ বহিছে দেখা নাই নেকি ?"

সি কোনোমতে থিয় দিলে।

"এই বান্দৰ, ইয়াত থিয় হ। কুচিমুচি আছ কেলৈ? মানুহৰ দৰে থিয় দে।"

ফ্ৰচিয়াই ক'লে "টাৰপিলিখা, তুমি তাৰ পৰা বহুত বেছি বিচাৰিছা।"

টাৰপিলিখাই তাইৰ কথা নুবুজি ক'লে—"সি ভালকৈ থিয় দিবই লাগিব। বিচাৰ-সভা যেতিয়া বিচাৰ-সভা-ই! তাক বাটতে শেষ কৰিব লাগিছিল। কিন্তু আমি আকৌ তাক নিয়মমতে বিচাৰ কৰিবলৈ আনিলোঁ। সেইদেখি সি উচিত আচৰণ দেখুৱাবই লাগিব।"

ভয়ত গেপলিকৰ তেজ চেচা পৰিল। যিটো ঘৰত সি আজি আছে, তাৰ কোনো অস্তিত্বকে সি ইমান দিনে জনা নাছিল। ইপিনে জাৰ্ম্মাণৰ ঘাই অফিচৰ কাষতে আৰু জাৰ্ম্মাণবোৰে এই এমাহ ধৰি দখল কৰি থকা গাওঁখনৰ মাজতে ঘৰটো আছে। বন্ধা হাতেৰে সি থিয় দি থাকিল আৰু মেজৰ কাষত বহিল কিছুমান তিৰোতা আৰু খোৰা চহিচটো। সিহঁতৰ মানুহবোৰৰ দ্বাৰা এখন বিচাৰ সভা গঠিত হ'ল বুলি পৰিগণিত হ'ল আৰু তাৰ ওপৰত দণ্ডৰ বিধান দিবৰ আয়োজন কৰিলে; ইপিনে সিয়েই জাৰ্ম্মাণ কৰ্ত্তৃপক্ষই নিয়োগ কৰা গাওঁবুঢ়া এটা। কিন্তু ই দুঃস্বপ্ন নহয়, ই হৈছে কঠোৰ বাস্তৱ।

টাৰপিলিখাই সুধিলে "পিচে, তোৰ নামটো কি? হেৰ, ওকনীয়ে খোৱা?"

গেপলিকে উত্তৰ দিব খুজিলে। কিন্তু মাত নোলাল; ওলাল এটা আধাফুটা কেঁকনি।

চোৰাছোন তালৈ। পিচে বোবা হৈ দেখুৱাব নেলাগে, উত্তৰ দে! অনৰ্থক হৈচৈ লগাই থাকিবৰ আমাৰ সময় নাই। হেৰা আলেকজেণ্ডাৰ, তুমি সকলোবোৰ লিখি থোৱা। ক এতিয়া, তোৰ নাম কি?"

"কেলৈ, নিজেই জানা দেখোন।" খণ্ডত মোকমোকাই ক'লে।"

"মই জানো নে নেজানো, সেইটো তোক সোধা নাই, বুজিছ? তই চুকতে থাকি বুকতে খোৱা মানুহ। আদালতত সেইবোৰ নচলে; কিবা এটা সুধিলে উত্তৰ দিবই লাগিব। তোৰ নাম?"

"গেপলিক, পিটৰ।"

"চোৱাঁ—পিটৰ! মোৰ দেউতাৰ নামো পিটৰ আছিল। তই যে মানুহ, আচল মানুহৰ নাম এটাকে দি হলেও তাৰ নমুনা দেখুৱাব লাগিবতো......"

"বুঢ়ী আই, অলপ ৰবা। মই এইবোৰ লিখিব লাগিব।"

"লিখা, ভালকৈ লিখি যোৱা......তাৰ পিচত কি? অ', হয়! তোৰ বয়স কিমান?"

"৪৮ বছৰ।"

"৪৮ বছৰ!......৪৮ বছৰ জুৰি পৃথিবীয়ে এনে আবৰ্জ্জনা এটাক কেনেকৈ ভাৰ বৈছিল। লিখা, আলেকজেণ্ডাৰ।"

"কেতিয়াবাই লিখিলোঁ। সুধি যোৱা।"

"আহ......আৰু কি? অ'...তই গাওঁবুঢ়া নহয় নে?"

গোমোঠাভাৱে শলাগি সি ক'লে "হয়, গাওঁবুঢ়া।"

"হয়, গাওঁবুঢ়া! নিশ্চয় সি কিবা এটা হবলৈ বিচাৰি ফুৰিছিল......পিচে আগতে কি আছিলি নো?"

গেপলিক তলমুৰাকৈ মনেমনে থাকিল।

"উত্তৰ নিদিয় কিয় ? লাজ লাগিছে নেকি ? গাওঁবুঢ়াতকৈ কিবা তলখাপৰ এটাত আছিলি হব পায় ?"

আকৌ সি নিৰৱ ; চকু জোতাৰ ওপৰত।

"হেই ! ঘোচা খালেহে মুখ খোল খাব হব পায়। ভালে ভালে উত্তৰ দে।"

আলেকজেণ্ডাৰে ক'লে "অলপ ৰবা, আইতা ; মই সোধো।" বাধা দিবলৈ তাই মুখ মেলিলে কিন্তু ভাবিচিন্তি মান্তি হ'ল।

"সোধা, তুমি কথা উলিয়াব পাৰানে আমি চাওঁ।"

গাওঁবুঢ়ালৈ ভালকৈ লক্ষ্য ৰাখি, চহিচটোৱে গহীনাই ক'লে— "তই ফাটেকত আছিলি, নহয়নে ?"

গাওঁবুঢ়াই জোতাৰ পৰা চকু নুতুলিলে।

"বহুত দিন আছিলি নেকি ?"

"বহুত দিন......"

"কিমান দিন ?"

নিৰুত্তৰ।

"তোক কেলৈ ধৰি ৰাখিছিল ?"

আকৌ নিৰৱ।

"আগতে তই কি আছিলি ?" খেতিয়ক, শ্ৰমিক, নে জমিদাৰ ?"

টাৰপিলিথাই আৰু কিবা এটা তাৰ লগতে যোগ দিব খুজিছিল ; এনেতে হঠাৎ গাঁওবুঢ়াই মাত লগালে —"খেতিয়ক ....."

টাৰপিলিখাই চিঞৰি ক'লে "তেনে সি 'কুলাক' ? সি আকৌ কিছুমান খেতিয়কৰ তেজ পিবলৈ বিচাৰিছিল।"

"আইতা, অলপ ৰবা……"

"কেলৈ ৰ'ম ? এইখন বিচাৰ সভা হয় নে নহয়! মোৰ কথা কবলৈ তোমাৰ সমানেই স্বত্ব আছে! বৰং বেছিহে।"

"ঠিক কৈছা। কেৱল অলপ সময় ৰবা। মই তাক কথা এটা সুধিব খুজিছিলোঁ।"

"সোধা তেনে।"

"তেনেহলে তই 'কুলাক' আছিলি ? . . .বাৰু ফাটেকৰ পৰা পলালি কেতিয়া ?"

"যুদ্ধ হোৱাৰ লগে লগে।"

"অ' বুজিলোঁ। আৰু তাৰ পিচত ঘৰলৈ গলিনে কি ?"

"হয়।"

"ঘৰ ক'ত ?

"ৰস্তভৰ ওচৰত।"

"তেনে, ৰস্তভৰ ওচৰত!·· ···জাৰ্ম্মাণক লগ পালি ক'ত।"

"তাতে, ৰস্তভৰ ওচৰতে।"

"তাৰ পৰাই সিহঁতে তোক ভৰ্ত্তি কৰি ল'লে নে কি ?

"হয়।"

"ৰবা আলেকজেণ্ডাৰ, তাক কেলৈ ফাটেকত দিলে সেই কথা এতিয়াও সুধিবলৈকে আছে।"

গেপলিকৰ মুখত ভয়ঙ্কৰ আমঠালিৰ ভাৱ এটাই দেখা দিলে।

"কেলৈ ফাটেকত আছিলি আমাক নকৱ নেকি ?"

নিৰুত্তৰ।

"আমি 'কুলাক' বোৰক ধ্বংস কৰাৰ আগৰে পৰা তই ফাটেকত আছিলি নহয় নে ?"

"হয়"।

"সেয়া তেনেহলে……তই পেট্লুৰাৰ দলত আছিলি নহয় ?"—আলেকজেণ্ডাৰৰ এই অতৰ্কিত প্ৰশ্নই গেপলিকক বিমোৰত পেলালে।

"হয়, মই আছিলোঁ।"

আলেকজেণ্ডাৰে আৰম্ভ কৰিলে—"ফট্ফটীয়া ভাৱে ওলাই পৰিছে। 'কুলাক', ডকাইত, পেট্লুৰাৰ দলৰ ঠগ। ছুভিয়েট শক্তিৰ বিপক্ষে তই আদিৰে পৰা থিয় দিছ, নহয়নে ?"

সৰু মাতেৰে গেপলিকে সমৰ্থন কৰিলে "আদিৰ পৰা আছোঁ।"

মেজৰ পৰা জাপ মাৰি উঠি টাৰপিলিখাই ক'লে "আৰু শেহত জাৰ্ম্মাণৰ চাকৰ হলিহি……"

"তাৰ দোষতে লেভনিয়াকৰ ফাঁচী হ'ল। তাৰ দোষতে ফাঁচীৰ অপেক্ষাত সেনাপতিৰ অফিচত ৫টা মানুহ আবদ্ধ হৈ আছে। জাৰ্ম্মাণৰ লগত ঘূৰি সিয়েই গোহালিৰ পৰা গৰুবোৰ খেদি লৈ গ'ল; মোৰো শেষ গৰুজনী নিলে। কেচুৱাবোৰ ভোকত মৰিলেই যেনিৱা, তালৈ ভাবিবৰ তাৰ কি দৰ্কাৰ ? কেলেচিয়াকৰ যি এজনী গৰু বাকী ৰৈছিল, তাকো সি লৈ গ'ল। মিগৰহঁতৰ আৰু কেচুৰহঁতৰো নিলে।"

ক্ৰচিয়াই লগতে যোগ দিলে—"আৰু লিছ, স্মলিয়াচেঙ্ক হঁতৰো নিলে।"

"জাৰ্ম্মাণৰ লগ হৈ সি গাওঁখন লুটি পেলালে।"

"আৰু কবলৈ কিটো আছে ? সি কেনে ধৰণৰ মানুহ তাক

আমি ভালকৈ জানো—সদায় দেখি আছো। সদায় তাৰ বাবতে মানুহ মৰিব লাগিছে; সদায় চকুলো আৰু তেজৰ সোঁত বৈছে......”

টাৰপিলিখাই গহীনাই সুধিলে “তেনে তুমি কি প্ৰস্তাৱ কৰিব খোজানো?”

“এই জাৰজটোক শেষ কৰিব লাগে।”

“এৰা, শেষ কৰিব লাগে।’

“কমৰেডসকল, এই জাৰজক বধ কৰাৰ প্ৰস্তাৱ দাঙি ধৰা হ’ল। সকলো মান্তি নে?’

সকলোৱে হাত দাঙিলে।

“কোনোবা ইয়াৰ বিৰুদ্ধে আছে নেকি? কোনোবাই ভোট নিদিলেকি?

“কোনো নাই।”

“আলেকজেণ্ডাৰ, সকলো লিখি এবাৰ পঢ়ি শুনোৱা।” লিখা হ’লত সি থিয় দিলে।

“আলেকজেণ্ডাৰ অ’ভ্‌চে, গৰ্‌পিনা টাৰপিলিখা, জেফ্ৰচিনা গ্ৰথেছ, নেটেলিয়া লেমেজ, পেলেজিযা পুজিয়াৰ—এই কেইজনৰ দ্বাৰা সংগঠিত এখন বিচাৰ সভাই আচাৰ্য্য পিটৰ গেপলিকক জেৰা কৰি ‘কুলাক’, অপৰাধী আৰু জাৰ্ম্মাণ গাওঁবুঢ়া বুলি সাব্যস্ত কৰি সৰ্ব্বসম্মতিক্ৰমে মৃত্যুদণ্ড দিবলৈ থিৰাং কৰে।”

গেপলিক শেঁতা পৰি গ’ল। কেওপিনে যিদৰে চাবলৈ ধৰিলে যেন চকুকিটা ওলাই পৰিব। টাৰপিলিখাই ক’লে—“বেছ, সকলো নিয়াৰিকৈ হৈছে”। ফ্ৰচিয়াই বাধা দি ক’লে—“ৰ’বা, আমি তাক দণ্ড দিলো হয়, পিছে মাৰিম কেনেকৈ?”

বিমোৰত পৰি ইটোৱে সিটোলৈ চালে।

"এৰা হয়, কেনেকৈ কি কৰা যায় ?"

পেলেজিয়াই ক'লে "তাক ফাঁচী দিয়াই ভাল।"

"ক'ত দিবা ফাঁচী ? এই ঘৰৰ ভিতৰতে নে ?"

"তুমি যিহকে তিহকে কৈছা। কুঠাৰেৰ এঘাপ দিলেই সকলো ঠিক হৈ পৰিব।"

"আমি গুলীয়াব নোৱাৰোঁ........."

"তাকেহে লাগে। গণ্ডগোলত যেন গোটেই জাৰ্ম্মাণ-সোপা লৰি আহে......"

গেপলিকৰ গা শিয়ৰি গ'ল; সি কঁপিবলৈ ধৰিলে। সিহঁতে তাৰ বিষয়ে কথা পাতিছে; তাক কেনেকৈ মাৰিব তাৰ আলোচনা কৰিছে; সমুখত সি যেন নায়েই, সি যেন কাঠৰ টুকুৰাহে। সি চটফটাবলৈ ধৰিলে। নিৰাশাই হেচা মাৰি ধৰিলে। আঠুৰ মাজত মূৰ গুজি সি বহি পৰিল।

"দেৱতাসকল, মোক পুতৌ কৰক! মই আপোনালোকৰ দোষ কৰিলোঁ; কিন্তু আগলৈ কেতিয়াও নকৰোঁ।"

আঠু কাঢ়ি চুঁচৰি গৈ সি তিৰোতাবোৰৰ ভৰিৰ ওচৰত মূৰ দোঁৱালে। সিহঁত পিচ হুঁহকি গ'ল—যেন জুয়েহে পুৰিলে।

"হেই বিশ্বাসঘাতক, আঁতৰি যা।"

গেপলিকে কান্দিবলৈ ধৰিলে।

"দয়ালুসকল, মই আপোনালোকৰ ওচৰত প্ৰতিজ্ঞা কৰিছোঁ; আপোনালোকৰ লৰাছোৱালীৰ শপত!"

"আমাৰ লৰাছোৱালীৰ! তোৰ নিচিনা শিয়াল এটাৰ বাবতে দেখোন আমাৰ লৰাছোৱালী মৰিছে! কেৱল তোৰ বাবতে!"

হতাশভাৱে গেপলিকে ইনাইবিনাই ক'লে—"

"সিহঁতে এই কাম কৰিবলৈ মোক বাধ্য কৰিছিল। শক্তি প্ৰয়োগ কৰিছিল।"

"তোৰ ৰাউচি বন্ধ কৰ।.নহলে তোৰ লাওখোলাত টোকোন ফালিম······শুনা তাৰ কথা! বেচেৰা সৰু লৰাটিক সিহঁতে বাধ্য কৰিলে···আৰু তই সেইবাবে ৰস্তভত সিহঁতক বিচাৰি ধাপলি মেলি ফুৰিছিলি!"

"মোক দয়া কৰক, ক্ষমা কৰক"—সি মাটিত বাগৰি বিনাবলৈ ধৰিলে।

সিহঁতে ঘৃণাৰে তাৰ পিনে চালে।

"উস্, তোক দেখিলেই মোৰ বিতৃষ্ণা লাগে। তই মানুহৰ দৰে জীয়াই থাকিব নোৱাৰিলি আৰু এতিয়া মানুহৰ দৰে মৰিবও নোৱাৰ"—পেলেজিয়াই খঙেৰে ক'লে।

"শুনা, আমি তাক লৈ মূৰ্খালি কৰি ইমান পৰ বৈ থাকিব নোৱাৰোঁ; তাৰ ডেডাউৰিত জাৰ্ম্মাণবোৰ আহি এইখিনি ওলাবহি।"

আলেকজেণ্ডাৰ তাৰ পিচপিনে গ'ল আৰু তাৰ ডিঙিয়েদি ৰচি এদাল মেৰাই দিলে; সি মাটিত পৰি গ'ল।

নিজৰ হাতত থুৱাই সি ক'লে—"এটা পবিত্ৰ কাম কৰিছোঁ।"

গেপলিকৰ আঙুলিবোৰে হাতোৰাৰ দৰে মাটিত খামুচি ধৰিলে। ভৰিৰ কঁপনি উঠিল; আৰু লাহে লাহে শিথিল হৈ পৰিল। গাওঁবুঢ়া মৰিল।

"মোক অলপ ধৰি দিয়া ..ফ্ৰচিয়া!"

আগছোৱাত সি ধৰিলে আৰু ভৰিকিটাত ধৰিলে ফ্ৰচিয়াই। টাৰপিলিখাই সাৱধানে চোতালৰ পিনে চালে।

বতাহৰ হোহোৱনিৰ বাহিৰে সকলো নিৰব ; গোটেইখন বৰফে ঢাকি পেলাইছে।

“আহা, বেগেতে, তাক নাদলৈ লৈ যাঁও...”

চোতালত পানী নোহোৱা, পুৰণি নাদ এটা আছিল। এতিয়া ইয়াৰ আধা বৰফেৰে পোত খাই আছে। এই নাদতে সিহঁতে শটো পেলাই দিলে। আলেকজেণ্ডাৰে কোৰেৰে বৰফ চপাই দিলে। পিচত নাদৰ কাষৰ বৰফবোৰ লৰালৰিকৈ সাৰি পেলালে।

“[illegible] কাললৈকে সি তাত পৰি থাকক ; পিচত আমি তাক তুলি পেলাম। ৰাতিপুৱাই মানে গোটেইখন বৰফত পোত যাব আৰু একোৰে চিন নেথাকিব।”

“এতিয়া ঘৰ ওলামগৈ কেনেকৈ ?”

“ৰব লাগিব ; ৰাতিখন শব্দ নকৰাকৈ মনেমনে যাব নোৱাৰা। এবাৰ পাৰিলা ; সেইবুলিয়েই যে আকৌ যাব পাৰিবা তাৰ কোনো অৰ্থ নাই। মোৰ ইয়াত বহুত কোঠা আছে। ৰাতি নুপুৱালৈকে ইয়াত শুই থাকা আৰু পিচত মনেমনে গুচি যাব পাৰিবা।”– আলেকজেণ্ডাৰে ক’লে।

বেঞ্চে, মাটিয়ে, ম্লেয়ে যেনেকৈ পাৰে, দীঘল দিলে ; কিন্তু কোনেও শুব নোৱাৰিলে।

“আলেকজেণ্ডাৰ, চাবা যাতে বিচাৰৰ কাৰ্য্যবিবৰণীখন ভালকৈ লুকাই ৰখাব পাৰা ; আমাৰ মানুহবোৰ আহিলে এইখন সিহঁতক দিব লাগিব।”

“চিন্তা নকৰিবা। এনে ঠাইত লুকাই থম, কোনেও বিচাৰিকে নেপায়।”

টাৰপিলিখাই আকৌ আগৰ কথাটোকে ক'লে' 'শুনা, আলেকজেণ্ডাৰ সি নিজ কামৰ ফল পালে।''

কেঁচা টোপনিৰ মাজতে সি খকৃমকাই ক'লে—

"কেলৈ নেপাব।"

৭

দুৱাৰখন ধুমুকৈ উঠিল। যে ডাচিয়া উচাপ খাই গ'ল; বাল্টিটো সৰি পৰিল আৰু ৰান্ধনি ঘৰখন গোটেই পানীময় হ'ল।

"তোৰ হৈছে কি? গোটেই মাখনৰ হাত্ত, নহয়?"

—খণ্ডত ৱাৰ্ণাৰে চিঞৰি উঠিল। চিঞৰাহা দিয়া বুটজোৰত কেনেবাকৈ লেতেৰা পানী লাগে বুলি জাপ মাৰি পিচুৱাই গ'ল।

তাই উত্তৰ নিদিলে; বুকুৰ মাজত তীব্ৰ বেদনা জাগি উঠিল। পানীবোৰ তাই মুচি পেলালে; কিন্তু হাতদুখন তেতিয়াও কঁপি আছিল। আজি তাই একোকে কৰিব নোৱাৰিলে। প্ৰতি শব্দ, প্ৰতি খচমচনিতে তাইৰ গাটো বেতৰ কোব পৰাৰ দৰে কুচিমুচি যায়। তাই আশাতে ওপঙি ফুৰিছিল। সিহঁত আহিব লাগিছে; যি কোনো মুহূৰ্ত্ততে সিহঁত পাবহি পাৰে! গোটেই গাৱঁৰ ভিতৰত কেৱল যে তাইহে জানে—এই কথাই তাইৰ মনত দায়িত্ব বঢ়াই দিলে। অৱশ্যে আন কোনেও নজনা ভাল কথা; তথাপি অকলে বাট চাই থাকিবলৈ কিমান কষ্টকৰ! তাইৰ অন্তৰ স্পন্দনহীন হৈ উঠে আৰু তাই ফোঁপাবলৈ ধৰে; যেই কোনো মুহূৰ্ত্ততে সিহঁত এইখিনি পাবহি পাৰে···

পুচিয়া তেতিয়াও শুই আছিল; ৱাৰ্ণাৰে উভতি চাই ক'লে—"এই কামটোত কোনেকৈ আগ-বাঢ়িবা, তাক আগতে

ভাৰি চোঁৱা।" সি ওলাই গ'ল; দুৱাৰ খোলা শব্দ শুনি ফেডচিয়া আকৌ উচাপ খাই উঠিল।

দুই হাতেৰে মুৰটো চেপি ধৰি আৰু ওঁঠ কামুৰি, পুচিয়া পৰি থাকিল। সি কথাটো কেনেকৈ ক'লে! তাই যেন নিকিনা গোলামহে। সৈন্য, টেলিফোন আদি জগতৰ সোপাকে ৰাখিও সি গৰিলাবোৰ বিচাৰি নেপালে আৰু এতিয়া তাইহে সিহঁতৰ খবৰ উলিয়াই দিব লাগে। সিফালে আকৌ গাৱঁৰ কোনেও তাইৰ লগত কথাকে নেপাতে। খঙত তাই গুজৰি থাকিল। সি তাইৰ পৰা বহুত আশা কৰিছে। পাতৰ চোমিজ আৰু আপুৰুগীয়া মোজাকিজোৰ দিছে বুলিয়েই সি তাইৰ ওপৰত খুচি মতে হুকুম চলাই থাকিব পাৰিব বুলি ভাবেনেকি?

তাই জানিছিল যে বায়েকৰ সৈতে কথা পাতি একো ফল নেপায়, একেবাৰে আশা নাই। যুজৰ আগৰে পৰা সিহঁতৰ মাতবোল নাই। অলগা প্ৰায়ে পুচিয়া থকা নগৰখনলৈ গৈছিল আৰু তাত ৰাজনৈতিক সভা আৰু শিক্ষকৰ বক্তৃতাত উপস্থিত হৈছিলগৈ; কিন্তু তাইক এবাৰ দেখা কৰিবলৈকো চেষ্টা কৰা নাছিল। নিশ্চয় তাই ভাবিছিল যে পুচিয়া দেখা-সাক্ষাৎ কৰাৰ উপযুক্ত নহয়। কেলেইনো নেভাবিব! পুচিয়াই কাম নকৰে, কাপোৰ ধুই তাইৰ হাতদুখন নষ্ট নকৰে, ঠাই নেসাৰে; ট্ৰেক্টাৰ চলাবলৈ নিশিকে; এইবোৰ তাইৰ মতেৰে দোষ। অলগাই সকলো তাইৰ দৰে হোৱাকে বাঞ্ছা কৰে। তাই পাহৰি যায় যে তাই ষাঁড় গৰুৰ দৰে বলী; ইপিনে তাইৰ ভনীয়েক হৈছে আলসুৱা। নিজৰ চেহেৰাৰ পিনে অলগাৰ কাণসাৰ নাই; যেনেতেনে শকত বেণাদালেৰে

খোপাটো বান্ধি থব। জাৰকালি সদায় তাইৰ হাতৰ কটুৱাই ফাটিব আৰু সদায় গৰগত অঘৰী মানুহৰ দৰে তাইৰ গা ক'লা পৰিব। বিচনাৰ দাতিত ওলমি থকা আয়নাখনলৈ পুচিয়াই হাত মেলিলে; সূক্ষ্মভাৱে তাইৰ মুখখনলৈ চালে—তাইৰ চেলাউৰিজোৰ কোমল; ক'লা কেকোৰা চুলি; চকুৰ নোমবোৰ ক'লা আৰু চকুকিটা ঘূৰ্ণীয়া; পাতল ওঁঠকিটাৰ মাজত জোঙা, তিনিভুজীয়া দাঁতবোৰ চকচকাই আছে। নহয় অলগাই কৰা কামবোৰৰ কাৰণে তাই উপযোগী নহয় আৰু তাৰ কোনো আৱশ্যকো নাই। চেৰিওঝা অফিচাৰ আছিল—আৰু সি যথেষ্ট ধন ঘটিছিল; তাৰে তাই সেই ঠাইত সকলো কিনিব পাৰিছিল। অলগাই সেইটো কেতিয়াও বুজা নাছিল। তাই চেৰিওঝাক সদায় দুৰৱস্থাত থকা বুলি ভাবিছিল। কিয় বাৰু? সিহঁতে যি দুই এখন ফটা কানিকাপোৰ গোটাইছিল, তাৰে তাৰ ঘৈণীয়েকে ভালকৈ পিন্ধিব জানিছিল। তাইৰ চুলিকোঁচা সদায় তেনেকুৱাই; তাই হাতদুখনৰ যত্ন লৈছিল আৰু দেখিবলৈ আন স্থানীয় জধলাবোৰতকৈ বহুত ভাল আছিল। সিহঁতৰ সদায় খৰখেদা—কিবা এটা কৰিবলৈ সদায় উতনুৱা। পুচিয়াহঁতৰ লৰাছোৱালী নাই, পুচিয়াৰ তাৰ বাবে ইচ্ছাও নাই। সেইবিষয়ে আৰু কবলৈ একো নাই। আনৰ লৰাছোৱালীবোৰেই আঁতিছে। চেৰিওঝাই লৰাছোৱালী বিয়া কৰোৱা নাই, কৰাইছে তাইক; আৰু বিয়া কৰাবৰ সময়তো সি লৰাছোৱালীৰ বিষয়ে একো উলিওৱা নাই। এইবোৰেই অলগাক তাইৰ ভনীয়েকৰ প্ৰতি বিৰুদ্ধ-ভাবাপন্ন কৰি তুলিবলৈ যথেষ্ট কাৰণ হৈ উঠিছিল। তেনেহলে এতিয়া তাই পুচিয়াৰ বিষয়ে কি ভাবিব? তদুপৰি,

তাই বাৰু পুচিয়াৰ পৰা কি আশা কৰিছিল ? পাঁচমাহ হৈ গ'ল, তথাপি ৰণভূমিলৈ যোৱা দিনাৰে পৰা আজিলৈকে চেৰিওঝাৰ আখৰ এটাও নাই ! হয় সি মৰিল, নহয় তাক বন্দী কৰিলে। নহলে পাঁচ মাহ ধৰি চিঠি এখন নিদিয়াৰ কি অৰ্থ হব পাৰে ? কিমান দিন যুদ্ধ চলিব, কোনে জানে ? তাই কি কৰিব ? বছৰে বছৰে অপেক্ষা কৰি, শেহত খাবলৈ নেপাই শুকাই মৰিব নে ? নহয়, তাই তাতকৈ বুধিয়কৰ পথ বাছি ল'লে। আৰু কার্ট হ'লেই বা জাৰ্ম্মাণ ! কিহৰ হানি নো ? এতিয়াতো জাৰ্ম্মাণেই গৰাকী ; সিহঁতেই শাসনকৰ্ত্তা, আগলৈকো শাসন কৰিব। এইটো ঠিক যে বলশ্বেভিক্‌বোৰ বিনাশ হ'ল। তাইৰ নতুন সংসাৰত সকলো ঠিক হ'লহেঁতেন —কেৱল যদি কিছুদিনৰ আগৰ পৰা কার্ট ইমান খিঙ্‌খিঙীয়া আৰু উগ্ৰমূৰ্ত্তিৰ হৈ নুঠিলহেঁতেন। সি ইমান কৰ্কশভাৱে তাইক কথা কয়। তদুপৰি সি এতিয়া তাইক অলগাৰ সৈতে সাক্ষাৎ কৰিবলৈ বল কৰিছে। পুচিয়াই জানে, বায়েকক দেখা কৰিবলৈ তাই নিজকে মান্তি কৰিব নোৱাৰে ; কিন্তু তাই কেনেকৈ ইয়াৰ পৰা হাত সাৰিব ? বাৰু যেই হওক, অলগা তাইৰ বায়েক বুলিনো তাক ক'লে কোনে ?

তাই বৰ খেলিমেলিকৈ কানিকাপোৰ পিন্ধিলে। কার্টে তাইৰ ওচৰত দাবি কৰিছে ; এতিয়া এয়ে তাৰ শেষ উপায় ! ইপিনে তাই ভাবিছিল কার্ট'ৰ চৰিয়া-চোৰাংচোৱা ভৰি আছিল।

পুচিয়াই বিচনাৰ ওপৰত জধেমধে ঢাকনি কাপোৰখন পাৰি থ'লে আৰু দাঁৰত থবলৈ বুলি চকিৰ পৰা ষ্টাৰ্ণাৰৰ চোলাটো তুলি ল'লে ; জেপত কিবা কাগজ এখন খচ্‌মচাই উঠিল। তাই দুৱাৰমুখৰ পিনে উভতি চালে আৰু লৰালৰিকৈ

কাগজখন উলিয়াই ল'লে। দীঘল নীলা খামৰ ভিতৰত জাৰ্ম্মাণ ভাষাত লিখা এখন চিঠি। জাৰ্ম্মাণ পঢ়িব নেজানে যদিও তাই চিঠিখন খুলিলে। নীলা খামটোৱেই সন্দেহজনক বুলি তাইৰ মনত ধাৰণা জন্মাই দিছিল।

সৰু সৰু আখৰেৰে পৰিপাটিকৈ লিখা চিঠিখন নীলা কাগজৰ চাৰিপিঠি জুৰি পৰিছিল। প্ৰথম পাতত লগোৱা আছে এটা চেপা মৰা ফুল। নাকৰ কামলৈ পুচিয়াই চিঠিখন দাঙি ধৰিলে। তাইৰ সম্পূৰ্ণ অপৰিচিত সুগন্ধি বস্তু এটাৰ অলপ গোন্ধ পালে। চিঠিখন যে কোনোবা তিৰোতাৰ হাতৰ--তাৰ কোনো সন্দেহ নাই। পুচিয়াই ওঁঠ কামুৰি ভাবিবলৈ ধৰিলে। জাৰ্ম্মেণীৰ পৰা কোনোবা তিৰোতাই কাৰ্টলৈ লিখিছে। দামী চিঠিলিখা কাগজ আৰু সৰু সৰু পৰিপাটি আখৰ। অৱশ্যে চিঠিখন তাৰ মাকৰ পৰাও হব পাৰে; কিন্তু ফুলটো?

তাই যদি চিঠিখন পঢ়িব পাৰিলে হঁতেন! এই অপৰিচিতা মানুহজনীয়ে কাৰ্টলৈ কি লিখিছে তাক যদি জানিব পাৰিলে-হেঁতেন। তাই তাৰিখটোলৈ চালে। চিঠিখন অলপতে আহিছে। নিশ্চয় কালি পাইছেহি। আজি কাৰ্ট আন এটা চোলা পিন্ধিলে আৰু চিঠিখন ইয়াৰ পৰা নিবলৈ পাহৰিলে। ইয়াৰ আগলৈকে তাই তাৰ হাতত চিঠি বা ফটো একোকে দেখা নাছিল।

একো দেখা নাই নে? তাই ভালকৈ ভাবিবলৈ ধৰিলে। তেনেহলে, সি কেতিয়াও হাতৰ পৰা নেৰা, আৰু তাইক চুবলৈকে নিদিয়া, সেই সৰু বহীটোত নো কি আছে? সেই বহীটোত নো তাৰ কিটো আছে? তদুপৰি তাৰ ডাকবোৰ ঘৰত নিদি অফিচতহে দিয়ে। সি দেৰাজত চিঠি আৰু ফটোবোৰ ৰাখিব পাৰে; কিয়নো, সদায় ওলাই

যাওঁতে সি সাৱধানে সেইটো চাবি মাৰি থৈ যায়। মুঠতে, তাইনো বাৰু তাৰ কি কথাটো জানে? কেৱল সি নিজে যি কয়, সেয়ে। পোনতে যেতিয়া তাই তাৰ লগত আহিবলৈ মান্তি হয়, তেতিয়া সি কথা দিছিল যে তাইক ড্ৰেচডেনলৈ লৈ যাব আৰু তাত তাইক বিয়া কৰাবগৈ। ইয়াত বিয়াৰ উৎসৱ পাতিবলৈ ঠাই নাই। তাই ভালকৈ বুজিছিল, সেইদিনলৈ যথেষ্ট বাট চাব লাগিব। কিন্তু সেইবোৰ তেতিয়া সিমান লাগতিয়াল কথা নাছিল।

অলপ আগলৈকে তাই নিশ্চিন্ত আছিল; কাৰণ তাই ভাবিছিল কাৰ্টে তাইক ভাল পায়। অলগাৰ সৈতে কথা হবলৈ কাৰ্টে তাইক বল কৰাতহে এতিয়া তাইৰ মনত এইবোৰ চিন্তা সোমাল আৰু তাই কিছুমান কথা নতুন চকুৰে চালে। সি বাৰু আজিকালি ড্ৰেচডেনৰ কথা ইমান কম উলিয়াই কিয়? আৰু এই বিষয়ে উল্লেখ কৰিলেই সি বাৰু ইমান অনিশ্চ দেখুৱাই কিয়? সদায় ইমান ব্যস্ত কিহত? কিয় ইমান খঙাল? নিশ্চয় তাইৰ কোনো সলনি হোৱা নাই; তাই আগৰ দৰেই আছে। কেৱল কাৰ্টহে সলনি হৈছে; আৰু এতিয়া প্ৰধানকৈ চিঠিখন ওলাইছে যেতিয়া... . . .

হাতত চিঠিখন লৈ সেইদৰে বহি থকা উচিত হোৱা নাই। তাই চিঠিখন পঢ়িবই নোৱাৰিলে, তেনেহলে কাৰ্ট আহি দেখিলে মিছাকৈ হুলস্থুল এটাৰ সৃষ্টি কৰাৰ কি দৰ্কাৰ? সি সদায় কৈ থাকে যে তাই যেন তাৰ কোনো কাগজ পত্ৰ নোচোৱে।

চিঠিখন খামত ভৰাই পুচিয়াই চোলাটো আঁৰি থ'লে। কাৰ্টৰ ওপৰত চকু ৰাখিবলৈ তাই থিৰাং কৰিলে। কোনে তালৈ চিঠি দিছে, সেইকথা তাই যেনেতেনে উলিয়াব।

আৰু তাইৰ প্ৰতি কাৰ্টৰ এই কঠুৰ৷ ব্যৱহাৰ তাৰ ক্লান্তি আৰু মনৰ উত্তেজনাৰ বাবত নে আন কিহবাৰ বাবত—এই কথা তাই উলিয়াবই ।

পাকঘৰত ফেডচিয়াই কেৰাহীত কিবা ৰান্ধি খৰখৰাই আছিল ; গণ্ডগোল শুনি পুচিয়াৰ খণ্ডে মূৰৰ চুলি পালেগৈ। তাই চিঞৰি ক'লে—"অলপ মনেমনে থাকিব নোৱাৰনে ?

খোলা দুৱাৰেদি ফেডচিযাই তাইলৈ চালে ; পুচিযাই তাইৰ মুখত এটা আচৰিত অভিব্যক্তি দেখিলে। তাই সেই মানুহ-জনীৰ মুখত সদায় থকা বিদ্বেষ আৰু ঘৃণাৰ ভাবটো নেদেখিলে। চকুকিটাত জযৰ ভাব বিৰিঙি উঠিছে, যেন এটা অপূৰ্ব্ব আনন্দৰ সঁহাৰি দিছে। পুচিয়া খণ্ডত জ্বলি উঠিল। কিহৰ বাবত তাইৰ ইমান ৰং ? নিশ্চয় তাই দুৱাৰেদি শুনি আছিল আৰু কাৰ্টে তাইক কেনেকৈ কথা কৈছিল, সেইবোৰ তাই শুনিলে। এই মানুহজনীযেও সই কথা লক্ষ্য কৰিলে ! হিংসাপূৰ্ণ আনন্দত তাইৰো অন্তৰ ভৰি পৰিছে।

তাইৰ মনত পৰিল তায়ো বুঢাৰ ওপৰত প্ৰতিশোধ লব পাৰিলেহেঁতেন। তাই এতিয়াও কাৰ্টক কোৱা নাই যে ফেডচিয়াৰ পুতেক খালত পৰি আছে। ফেডচিয়াৰ কষ্ট বঢ়াবৰ বাবেই তাই ইচ্ছাপূৰ্ব্বক দুদিন ধৰি এই কথা কোৱা নাই। তাৰ পিচত কাৰ্টে তাইক অলগাৰ লগত কথা পাতিবলৈ জোৰ কৰি আমনি কৰি থকাৰ সময়ত তাই এইকথা একেবাৰে পাহৰিলে। এতিয়া সেই পোতক তুলিবলৈ তাই সাজু হ'ল। তাই ভয় দেখুৱালে—"ৰ বাৰু, মোৰ স্বামী উভতি আহিলেই মই কৈ দিম।"

কুটিল হাঁহি মাৰি ফেডচিয়াই পুচিয়াৰ মুখৰ পৰা ভৰিলৈকে চাবলৈ ধৰিলে।

"কিহৰ ভয় কৰিছোঁ! কগৈ তোৰ 'স্বামীক'!"—'স্বামী' শব্দটোত তাই এটা বিদ্রুপৰ সুৰ জুৰি দিছিল। "কগৈ। তোৰ লাভ হয় যদি মই নিজেই ক'ব পাৰোঁ। যা, এশবাৰ কগৈ! লৰ মাৰ, কানিকাপোৰ পিন্ধি অফিচতে কগৈ।"

"মই জৰুল ক'মেই।"

"মই তোক তাকেহে কৈছোঁ। কগৈ যা। তই কেৱল মোক ভাবুকি দিয়। সেইদৰে মোক ভয় খুৱাব নোৱাৰ।"

"সিহঁতে তোৰ কামৰ পৰা তাক লৈ যাব।"

"নিয়ক। সিহঁতে এমাহৰ আগতে তাক মোৰ পৰা নিলে। এতিয়া আকৌ নিব নোৱাৰে।"

"তেন্তে, তালৈ সদায় যাব কিয়?"

"মন যায় দেখি যাওঁ। সিহঁতে তাক লৈ গ'লে মধ্যো যোৱাটো বন্ধ কৰি দিম।"

"কাটে তোক গ্রেপ্তাৰ কৰিব। তই ভালকৈ জান যে তাত ঘূৰি ফুৰিবলৈ নিষেধ কৰিছে।"

"বৰ ভয়টো দেখুৱাইছ। মই গ্রেপ্তাৰলৈ ভয় কৰা মানুহ নহয়। তোৰ কথাত মোৰ গাৰ কঁপনি উঠা দেখিবলৈ নেপাব..."

ফেডচিয়া কোঠালৈ সোমাই গ'ল। তাই এতিয়া হঁহা নাছিল। ' ক'লা চকুজোৰ দেখিবলৈ ভীষণ হৈ উঠিল।

"শুনিছনে? তইহে ভয় কৰিব লগা উচিত; ভয়ত কঁপিজপি যাবি" পুচিয়া বেঞ্চত বহিল।

"কি কৈছ? মোৰ ভয় কৰিবলৈ কি হৈছে?"

"তই ভয় কৰিবলৈ যথেষ্ট কাৰণ আছে। মানুহবোৰলৈ

তই ভয় কৰিব পাৰ—সিহঁতে তোক শুদাই নেৰে! পানীলৈ তই ভয় কৰিব পাৰ—কাৰণ তই পানীত বুৰি মৰিব খুজিলেও পানীয়ে আকৌ তোক ওপঙাই তুলি দিব। তই মাটিত লুকাব খুজিলেও মাটিয়ে তোক নুলুকায়। খালত পৰিও মোৰ ভেচিয়া ভালকৈ আছে। ফাঁচত ওলমিও লেভনিয়াক ভালকৈ আছে। জাৰ্ম্মাণ-সঙ্গীনৰ খোঁচা খাই, বৰফৰ মাজত নাঙঠা হৈ ল'ৰি ফুৰিছিল যদিও, অ'লেনাৰ অৱস্থা তোতকৈ ভাল আছিল। তই থকাতকৈ সিহঁত সকলো ভালকৈ আছে! সময়ত সিহঁতৰ অৱস্থাৰ বাবে তোৰ হিংসা উপজিব! সিহঁতৰ শাৰীত নথকা বাবে এদিন তই তেজৰ চকুলো বোৱাই কান্দিব লাগিব! ফাঁচী কাঠত ওলমি মৰা ভাল আছিল বুলি, সঙ্গীনৰ খোঁচাত ল'ৰি ফুৰা ভাল আছিল বুলি আৰু গুলী খাই মৰা ভাল আছিল বুলি—এদিন তই শতগুণে হাম-ৰাও কাঢ়ি ফুৰিবি!"

খঙ আৰু ঘৃণাত তাইৰ উশাহ নিৰোধ হৈ গৈছিল; সিহঁতৰ মানুহবোৰ আহিব লাগিছে, এই কথাৰ বাবত তাইৰ অন্তৰখন এটা নিষ্ঠুৰ আনন্দত উথলি উঠিছিল; যি কোনো মুহূৰ্ত্ততে—আনকি তাই এই বিধৰ্ম্মীজনীৰ লগত কথা পাতি থাকোতেই হব পাৰে—গাওঁৰ সিমূৰৰ পৰা গুলীৰ শব্দ আহিব পাৰে।

খঙত ফোঁপাই পুচিয়াই ক'লে "ইয়াৰ পৰা এতিয়াই ওলাই যা।"

ফেডচিয়াই আকৌ এটা অৱজ্ঞাৰ হাঁহি মাৰিলে।

"মই যাব পাৰোঁ। তোৰ মুখ চাই মোৰ আনন্দ লগা নাই। মোৰ নিজৰ ঘৰৰ পৰা মোক খেদাই দিয়া কথা, এদিন তই সুঁৱৰিব লাগিব।"

তাই ওলাই গ'ল ; তুৰাৰখন ইমান জোৰেৰে জপালে যে বেৰৰ মাটি খহি গ'ল।

জুহালৰ কাষত তাই ভোৰভোৰাই থাকিল—"মই তোক গালি পাৰিছোঁ বুলি তাক লগাগৈ যা। সি আৰু বেছি দিনলৈ তোৰ কথা নেভাবে। ভাবিবলৈ তাৰ নতুন কথা ওলাব— কিজানি এতিয়াই ওলাইছে।"

কাৰ্টে কিন্তু পুচিয়াৰ কথা সমূলি ভবা নাই। খণ্ডমুৰাকৈ গহীনভাৱেৰে সি অফিচ ওলালগৈ।

"সদৰৰ পৰা কিবা কৈছিলনে ?"

"কৈছিল, হেৰ্ কেপ্তেইন।"

"মোক জানিবলৈ নিদিলা কিয় ?"

"কোনো হুকুম নাছিল, হেৰ্ কেপ্তেইন।"

"হুকুম নাছিল মানে ?"

"আপোনাক কব নেলাগে বুলি কৈছিল।"

"তেন্তে সিহঁতে মাতিছিল কিয় নো ?"

"বন্দীয়ে কিবা খবৰ ক'লেনে, তাকে তেওঁলোকে সুধিছিল"

"তুমি কি ক'লা ?"

"তাই একো কোৱা নাই বুলি ক'লো।'

"তাৰ পিচত ?"—কেপ্তেইনৰ মাতত কৰ্কশ সুৰ এটা ফুটি উঠিল।

ফেল্ডৱেবেল শেঁতা পৰি গ'ল।

"আৰু পিচত..... মই......মই জনালোঁ।......"

"কি ? আৰু কি জনালা ?"

"যে......বন্দীক বধ কৰা হ'ল..."

"সেই কথা জনাবলৈ তোমাক কোনে অনুমতি দিছিল ? কোনে হুকুম দিছিল ? মই নে ?''

ৰাৰ্ণাৰ তুখোজমান আগবাঢ়ি গ'ল। ফেল্ডৰেবেলে পিচুৱাই যাবলৈকো সাহ নকৰিলে।

"মই সেই খবৰ দিবলৈ আদেশ দিছিলোঁনে ? তেনে দিহা মই দিছিলোঁনে ?"

"আপুনি দিয়া নাছিল, হেৰ কেপ্তেইন।"

গোটেই গাৰ বল দি কেপ্তেইনে তাৰ গালত এচৰ সোধালে।

ফেল্ডৰেবেলে থৰকবৰক কৰিলে ; কিন্তু লৰচৰ নকৰি ৰাৰ্ণাৰৰ পিনে একেথৰে চাই থাকিল।

ফেল্ডৰেবেলৰ গালত এটা ৰঙা চিন বহিল। কেপ্তেইনৰ আঙুলিয়ে বহুৱা বগা সাঁচটো তৎক্ষণাৎ ক'লা পৰি গ'ল।

"গাওঁবুঢ়া ক'ত ? আজি সি আহিছিলনে ?"

চকুৰ পলক নেপেলোৱা যেনকৈ, ফেল্ডৰেবেলে কেপ্তেইনৰ চকুলৈ চকুৱে চাই থাকিল।

"সি এতিয়াও অহা নাই।"

"সিহঁতে কিমান ধান চাউল দিছে ?"

"এটায়ো দিয়া নাই। এতিয়ালৈকে কাৰো দেখাদেখিয়েই নাই।"

ৰাৰ্ণাৰৰ মুখত গালি ওলাবলৈ ধৰিলে।

"আৰু সেই লৰাটোৰ ঘটনাটো কি হ'ল ?"

"কোনেও একো বাতৰি দিয়া নাই, হেৰ্ কেপ্তেইন।"

উগ্ৰমূৰ্ত্তি ধৰি কেপ্তেইনে চকিখন ঠেলা মাৰি পঠিয়ালে। টোকা কাগজখন দলিয়াই দিলে। ফেল্ডৰেবেলে তৎক্ষণাৎ বুটলি আনি আকৌ সেইখন আগৰ ঠাইতে থ'লে।

"গাওঁবুঢ়াক মাতি পঠিওৱা।"

"জাওহল, হেৰ্ কেপ্তেইন।"

খটক্‌কৈ বুটত মাৰি ফেল্ডৱেবেল কোঠাৰ পৰা ওলাই গ'ল। ৱার্ণাৰে দেৰাজ খুলি সকলো কাগজ-পত্ৰ এছাৰি পেলালে। খণ্ডত সি ধুঁৱলীকুঁৱলী দেখিলে। আপদীয়া মানুহজনীয়ে এটা কথাও নকলে। এবছৰ ধৰি প্ৰশ্ন কৰা হলেও তাই একোকে নকলেহেঁতেন; নোকোৱাকৈ এশবাৰ মৰিবলৈকো তাই সাজু হ'লহেঁতেন! বৰমূৰীয়া সকলে অৱশ্যে সিদ্ধান্ত কৰিব যে সি বৰ উদ্ধত—নিৰ্ব্বোধৰ দৰে তাইক বধ কৰিলে; তাৰ বাবতে গোপন গৰিলাবাহিনীৰ একমাত্ৰ শুংসূত্ৰ-টোও হেৰাই গ'ল। আৰু ইপিনে সেই বুৰ্ব্বকটোৱে, একো নেভাৱি নিচিন্তি, মানুহজনীক সি মাৰিলে বুলি ঘপ্ কৰে কৈ পেলালে। সিহঁতে টেলিফোনৰ কাষলৈ তাক মাতিবলৈ হাক দিলে আৰু তাৰ অনুপস্থিতিত তলতীয়া কৰ্ম্মচাৰীৰ লগত কথা পাতিলে; ইয়াৰ কাৰণ অৱশ্যে স্পষ্টভাৱে ওলাই আছে। সিহঁতে জকল তাৰ বিৰুদ্ধে সকলো চক্ৰান্তৰ আয়োজন কৰিছে। তাতোকৈ চৰা হ'ল, আজিলৈকে অলপো ধানচাউল পোৱা নাই। প্ৰায় ২৪ ঘণ্টা পাৰ হৈ গ'ল; এতিয়ালৈকে কোনেও দেখা দিয়া নাই; ক'ত শস্যবোৰ লুকালে, তাকো স্বীকাৰ কৰা নাই। সেই মূৰ্খ গাওঁবুঢ়াটোক সিহঁতে নিশ্চয় ভয় দেখুৱাই খেদাই দিব......সদৰৰ বৰমূৰীয়াসোপাই 'গাওঁবুঢ়া', 'গাওঁবুঢ়া' কৈ চিঞৰি থাকিলে কিটো হব? ইপিনে গাওঁবুঢ়াই একেবাৰে অকৰ্ম্মণ্য বুলি ইয়াত চিনাকি দিছে; একো এটা কৰিব নোৱাৰে; সাধাৰণ কথা এটাকে উলিয়াব নোৱাৰে। গাৱঁলীয়া মানুহৰ ওপৰত তাৰ অলপো প্ৰভাৱ নাই।

আকৌ দুৱাৰমুখত ফেন্ডেরবেলৰ জোতা খটকৃ কৈ উঠিল।

"কি ?"

"হেৰ কেপ্তেইন, গাওঁবুঢ়া ইয়াত নাই।"

"সেইটো কি কথা ? ইয়াত নাই ! মই মাতি পঠাবলৈ কোৱা নাছিলোঁ নে ?"

"মই নিজে গৈছিলোঁ ; সি ঘৰত নাই।"

ৱাৰ্ণাৰ অতিষ্ঠ হৈ পৰিল।

"কলৈ গ'ল সি ?"

"মই নেজানোঁ।"

ৱাৰ্ণাৰ খঙত উতলি উঠিল।

"তুমি বলিয়া হ'লা নেকি ? তোমাৰ হৈ মই নিজে তাক বিচাৰিবলৈ লাগে নেকি ?

"হেৰ কেপ্তেইন, আমি সকলো ঠাইতে বিচাৰিছিলোঁ। কালি বহুত ৰাতিলৈকে গাওঁবুঢ়া ইয়াত আছিল। আমি গাৱঁৰ শস্য কিমান আছে তাৰ হিচাব কৰিছিলোঁ। মাজ নিশাৰ সময়ত সি ঘৰলৈ গ'ল ; কিন্তু ঘৰ নেপালেগৈ। তেতিয়াৰ পৰা কোনেও তাক দেখা নাই।"

"সকলো ঠাইতে সুধিছিলা নে ?"

"জাওহল্ হেৰ কেপ্তেইন।"

"পলাল নেকি ?"

"জাওহল্ হেৰ কেপ্তেইন, খুব সম্ভৱ সি পলাল।"

পাকতে টেলিফোনটোলৈ চাই কেপ্তেইনে গহীনাই ক'লে "বেছ হৈছে। এতিয়া কি হব তেনে ?"

"কব নোৱাৰোঁ।"

কেপ্তেইন জ্বলি উঠিল "মুৰ্খ ! সেই গাওঁবুঢ়া পাতক

আমি কিহলৈ ৰাখিছিলোঁ ? সি আমাক কিবা তৰাইছিল নে ? কি সুবিধা কৰি দিলে ? হেঁাঃ !”

“সঁচাকৈ, হেৰ-কেপ্তেইন ....”

“বাহ ! সঁচাকৈ !......লিখা সদৰলৈ ; গাওঁবুঢ়া পলাই গ’ল। বুধি থকা এটাক যেন সিহঁতে পঠাই দিয়ে।”

ফেল্ডৰেবেল তাৰ কোঠালৈ গ’ল আৰু গাওঁবুঢ়া পলোৱাৰ সম্বাদটো লিখিলে ; আৰু লগতে আন এখনত কেপ্তেইনে অ’লেনাৰ মৃত্যু সম্বাদটো লুকাই ৰাখিবলৈ চেষ্টা কৰাৰ কথা লিখিলে।

আকৌ কেপ্তেইন ফেল্ডৰেবেলৰ ওচৰ পালেহি। সি দ্বিতীয় কাগজখন তাৰ অভ্যস্ত হাতেৰে দেৰাজত লৰালৰিকৈ ভৰাই থলে।

“যোৱা ৰাতি গাৱঁত কোনে পহৰা দিছিল ? সিহঁতক সুধিছিলা নে ?”

“সুধিছিলোঁ, নেজানে।”

“তেনে, ভাল ধেমালি থন হৈছে ! কোনোবা ঘুৰিফুৰি গাৱঁৰ পৰা ওলাই গলেও চন্তৰীবোৰে গম নেপাব। এদিন আমাৰ সকলো বোৰকে ভেড়া মৰাদি মাৰিব। সিহঁতে একো নজনাৰ অৰ্থ কি ? সিতো উৰি যোৱা নাই, খোজ কাঢ়িহে গৈছে ! সিহঁতে কৰিছিল কি ? শুই আছিল নেকি ?

“ইমান বৰফৰ মাজত সিহঁত শুব নোৱাৰে। কিন্তু ভয়ানক বৰফ-ধুমুহা হৈছিল যদিও এই ঠাইৰ আওভাও ভালকৈ জনা মানুহ চুৰ্চৰি যাবও পাৰে। আমি গোটেই গাৱঁতে চন্তৰী ৰাখিব লাগিছিল।”

"কি কৰিব লাগিছিল, কি নেলাগিছিল তাক মই সোধা নাই! গাওঁ জুৰি ৰাখিবলৈ ইমানবোৰ সৈন্য ক'ত পাবা? তুমিনো নিজে কি ভাবিছিলা? গাওঁবুঢ়াক বিশেষ তত্ত্বাবধানৰ মাজত ৰাখিব লাগিছিল বুলি নেজানানে কি?

গাওঁবুঢ়াই ঘৰত থৈ আহিবলৈ কোৱা কথাটো ফেল্ডৱেবেলৰ মনত পৰিল। নিশ্চয় সি ৰাতি যাবলৈ ভয় কৰে। তেনেহলে? সেইদৰে হ'লে দেখোন ৰাতি পলাই যাবলৈকো তাৰ ভয় লাগিব। কিন্তু এই কথা কৈ সি কেপ্তেইনৰ জ্বলা জুইত ঘিউ ঢালিবৰ ইচ্ছা নকৰিলে। সি নিজৰে দোষ বুলি অনুভৱ কৰিলে; এৰা হয়তো, সি গেপলিকক ঘৰত থোৱাব লাগিছিল।

"তোমাৰ কাম বুলিলেই আধাদুখৰীয়া। গোটেইবোৰ মূৰ্খৰ দল।"—কেপ্তেইন খঙত গুজৰি উঠিল।

ফেল্ডেৱেবেল দুৱাৰ মুখত বৈ আছিল। কেপ্তেইনে তাক ধমকি দি সম্বাদটো আকৌ লিখিবলৈ পঠালে।

ফেলডৱেবেল উভতি গ'ল; কেপ্তেইন ৱাৰ্ণাৰে খঙৰ ভমকত কোৱা কথা কিছুমান সম্বাদটোত নতুনকৈ জুৰি দিলে। মাজে মাজে ভক্‌ভকাই থকা গালখন মোহাৰিলে।

ৱাৰ্ণাৰে কাগজপত্ৰ উলিয়াই ল'লে, কিন্তু দেখিলে যে তাৰ মনৰ অৱস্থা কাম কৰিব পৰাত নাই। ফেল্ডৱেবেলক মাতি আনিলে—"টেলিফোনৰ কাষত থাকিবা। মই অলপ ফুৰি আহোঁ।"

.... বতাহ নাই; কিন্তু বৰফৰ প্ৰকোপ বাঢ়িহে গ'ল। খোজৰ ভৰত বৰফ মৰমৰাই ভাগিবলৈ ধৰিলে। বেলিটো নেদেখি; কিন্তু বৰফৰ চিকমিকনিয়ে চকুত ধৰে।

ডুম্বাৎদলিত থিয় দি ৰাৰ্ণাৰে ঘৃণাভৰা চকুৰে গাওঁখন চাবলৈ ধৰিলে। দেখাত ধীৰ ; বৰফত পোত গৈ, গোটেইখন যেন বিচনাতহে দীঘল দি আছে। মূধচবোৰে যেন ওখকৈ বগা পাগুৰিহে মাৰিছে। দুই এঠাইতহে বতাহে খেৰবোৰ উদং কৰি ৰাখিছে। কেনিও ক'তো জীৱনৰ সঁহাৰি পোৱা নেযায়।

অ'ত ত'ত দুই এটা জাৰ্ম্মাণ সৈনিক ঘূৰি ফুৰিছে ; তাৰ বাহিৰে ক'তো একো শব্দ নাই, একো লৰচৰ কৰা নাই। গোটেইখনতে নিজাঁৱ নিস্তব্ধতা। কুকুৰৰ ভুকনি এটাও শুনিবলৈ নাই। সৈন্যবোৰ আহি পোৱা দিনাই আটাইবোৰ কুকুৰ গুলীয়াই মাৰিলে। কুকুৰবোৰ মানুহবোৰতকৈ কম বৰ্ব্বৰ নহয়—কিয়নো সিহঁতে খেদা মাৰি আহিছিল আৰু জাৰ্ম্মাণবোৰক ঘৰৰ ভিতৰ সোমাবলৈ নিদিছিল !

ৰাৰ্ণাৰে এই সুপ্ত গাওঁখনত অজানিত বিপদে চোপ লৈ থকা যেন পালে। সঁচাকৈ, ইয়াতকৈ ৰণক্ষেত্ৰই ভাল ; তাত শত্ৰুৰ সৈতে মুখামুখি যুদ্ধত সন্মুখীন হব পাৰি। অধিকৃত গাওঁ এখনত শান্তি আৰু শাসন প্ৰতিষ্ঠা কৰাটোকে সিহঁতে আকৌ কয় জিৰণি বুলি ! শান্তি আৰু শাসন কি নেচাবা ! বলশ্বেভিক-বোৰক খেদি দিয়া এমাহ হৈ গ'ল আৰু ইপিনে আজিলৈকে সিহঁতে একো কৰিবই পৰা নাই। সেই অভেদ্য, অবুজ আৰু মৌন বাধাৰ আগত প্ৰাণনাশৰ প্ৰত্যেক আয়োজন আৰু সিহঁতৰ সকলো পৰিকল্পনা, সকলো আদেশ চূৰমাৰ হৈ গৈছে। এই মূৰ্খ মানুহবোৰে কিহলৈ আশা কৰি আছে ? মূৰকত আত্মসমৰ্পণ কৰিবলৈ বাধ্য হব লাগিব বুলি সিহঁতে বুজা উচিত ; সিহঁতৰ প্ৰত্যেক মুখিয়াল মানুহক বিনাশ কৰি হলেও ঘটনাই নিজৰ অব্যৰ্থ পৰিণামৰ পথলৈ ঢাল লব ;

জাৰ্ম্মাণবোৰৰ মূল পৰিকল্পনা কাৰ্য্যত পৰিণত হবই। কিন্তু সিহঁতে এই কথা বুজিবৰ চেষ্টা নকৰে। বলশ্বেভিকৰ জয় হব বুলি সিহঁতৰ দৃঢ় বিশ্বাস।

সি দূৰত এটা ইঞ্জিনৰ মাত শুনিলে। 'কলটো নমাই শুনিবলৈ ধৰিলে। দূৰেদি এখন উৰাজাহাজ গৈছিল। স্তব্ধ বতাহত ইঞ্জিনৰ ভোন্‌ভোননিটো মহৰ গুণগুণনিৰ দৰে শুনা গৈছিল। কিন্তু শব্দটো ক্ৰমে ডাঙৰ হৈ কাষ চাপি আহিল। বৰফৰ পোহৰৰ পৰা চকুকিটা ঢাকি কেপ্তেইনে আকাশলৈ জুপি চালে।

তাক চন্তৰীটোৱে সাহ কৰি আঙুলিয়াই দেখুৱালে— "সৌখন, হে'ৰ্ কেপ্তেইন।"

সি দেখুওৱা পিনে ৱাৰ্ণাৰে চালে। সেইখন পোনতে মহ এটাতকৈ ডাঙৰ নেদেখিছিল; কিন্তু তাৰ পিচত লাহে লাহে ডাঙৰ হৈ আহিল।

অনিশ্চিত ভাৱে কেপ্তেইনে সুধিলে—"আমাৰ ?" চন্তৰী-টোৱে একমনে শুনি আছিল।

"হে'ৰ্ কেপ্তেইন, মোৰ মনেৰে নহয়। ইঞ্জিনটো বেলেগ।" ৱাৰ্ণাৰ বিব্ৰত হৈ পৰিল।

জিলাত পূৰা এমাহ ধৰি এখনো শত্ৰুৰ বিমানে দেখা দিয়া নাছিল। সিহঁতৰ পুনৰ জীৱন সঞ্চাৰ হ'ল নেকি ?

ঘৰৰ পৰা সৈন্যকিছুমান ওলাই আহিল।

"বলশ্বেভিকৰ"—এটাই ক'লে।

বাটটো তেতিয়া আৰু উদং নাছিল। মাটি ফুটি ওলোৱাদি মানুহবোৰ ওলাই আহিল। তিৰোতা বোৰে ঘৰৰ বাহিৰত থিয় দিলেহি; দলে দলে লৰাছোৱালী ওলাই

আহিল। সকলোৱে চকুত হাত দি আকাশলৈ একেথৰে চাবলৈ ধৰিলে।

"আমাৰ!"—চাছাই চিঞৰি ক'লে।

মেলিয়াচিথাই তাৰ কান্ধত হাতখন থৈ সুধিলে—"আমাৰ নেকি?"

তেতিয়া আৰু কোনো সন্দেহ নেথাকিল। উৰাজাহাজখন নিচেই তলেদি উৰি গৈছিল। বৰফৰ চিকমিকনিত সকলোৱে নিৰ্ভুল ভাৱে পাখি কিখনত ৰঙা তৰাৰ চিনটো দেখিলে।

মেলিয়াচিথাই আঠু ল'লে। তাইক দেখি সকলো তিৰোতাই একেলগে আঠু কাঢ়িলে। লৰাছোৱালীবোৰে সকলো পাহৰি গৈ বাটৰ মাজ পালেগৈ আৰু ওপৰলৈ মূৰ দাঙি হাত জোকাৰিলে—"আমাৰ", "আমাৰ"কৈ সিহঁতে উলাহত চিঞৰিবলৈ ধৰিলে। তিৰোতাবোৰে একেথৰে চাই থাকিল; ধীৰ মুখবোৰৰ ওপৰেদি চকুলো বৈ গ'ল। সিহঁতৰ বিমান এখন গাৱঁৰ ওপৰেদি উৰি গৈছে; তাৰ পাখিৰ ৰঙা তৰাই পূৱপিনৰ পৰা আশাৰ বাণী আৰু মুক্তিৰ চিন লৈ আহিছে! পূৰা এমাহৰ মূৰত সিহঁতে এইখনেই প্ৰথম ছভিয়েট বিমান দেখিলে। জাৰ্ম্মাণ বিমানৰ ইঞ্জিনৰ বিকট মৃত্যু-গোঁজৰণি আৰু সেই এৰা-ধৰা শব্দটো মুঠা এইখনেই প্ৰথম বিমান; সেই ক'লা, সাপৰ দৰে মেৰ খোৱা স্বস্তিকা চিনটো ইয়াৰ পাখিত নাই।

লৰাছোৱালীবোৰে চিঞৰা কেপ্তেইনে শুনিলে। সি বাটৰ পিনে চালে আৰু গাৱঁত আগতে কোনো দিন নেদেখা দৃশ্য এটা তাৰ চকুত পৰিল। ঘৰৰ মুখেমুখে তিৰোতাবোৰে আঠুকাঢ়ি আছে; জাকৰুৱা ভাটৌৰ দৰে লৰাছোৱালীবোৰে বাটত জপিয়াই ফুৰিছে; বয়সীয়া মানুহবোৰে ওপৰেদি উৰি

ধোঁৱা বিমান খনলৈ চাই হাতবাউল দিছে। তাৰ খণ্ডে মুখৰ চুলি পালেগৈ।

সৈন্যবোৰক সি চিঞৰিলে :"জুমটো খেদি দে।" কিন্তু সিহঁতে তাৰ কথা নুবুজিলে। ৰাৰ্ণাৰে বিভলভাৰটো দাঙি ল'লে আৰু লৰাছোৱালীবোৰৰ ভিৰৰ মাজলৈ গুলী চলালে। দুগুলী মাৰিলে; কিন্তু গাত নেলাগিল। অপমানত তাৰ হাত কঁপি উঠিল। জাককৰা ভাটোৰ মাজলৈ হঠাৎ শিলগুটি এটা দলি মাৰি দিলে যেনেকুৱা হয়, সেইদৰে লৰাছোৱালীবোৰো যেনিতেনি পলাল। তিৰোতাবোৰো অঁতৰ হ'ল। বতাহে উৰাই নিয়াৰ দৰে পলকতে সকলো নোহোৱা হ'ল। ঘৰৰ দুৱাৰবোৰ তৎক্ষণাৎ বন্ধ হ'ল আৰু ৰাৰ্ণাৰে চাওঁতে নৌ চাওঁতেই গাওঁখন আকৌ মৰাৰ দৰে নিজান হৈ পৰিল। ক'তো কাকো নেদেখা হ'ল।

"মূৰ্খহঁত, মই কি কৈছিলোঁ শুনা নাছিলি ?" পেপুৱা লগা সৈন্যবোৰলৈ চাই সি খেঙখেঙাই উঠিল; সকলোৰে চকুৰ আগত, ইমান কাষৰ পৰা গুলীয়ায়ো সি যে গাত লগাব নোৱাৰিলে সেইবাবে তাৰ বৰ খং উঠিছিল। "থিয়-দঙা দি সমাৰোহেৰে শত্ৰুতাৰ ভাব প্ৰকাশ কৰা চাই থাকিলি ? আৰু বিমান-ধ্বংসী কামানবোৰৰ কি হ'ল, সেইবোৰে কি কৰিছে ?

ঠিক সেই সময়ত কামানৰ গুলী চলিল। এটা গুলী বিমান খনৰ বহুত তলত ফুটিল; চমকাচমকে ক'লা ধোঁৱা দেখা গ'ল। দ্বিতীয়টো আৰু তলত ফুটিল। বিমানখন ওপৰলৈ উঠি দূৰত নেদেখা হৈ পৰিল।

"উস্! বৰ সাৰ পালে। তই কলমতিয়াই আছিলি

হব ·পাৰ্য়াৰ”—তাৰ পিনে.বেগাই অহা ছাৰ্জেণ্ট এটালৈ চাই সি ক’লে।

“হে’ৰ্ কেপ্তেইন, আমাৰ বুলি ভাবিছিলোঁ।..... ...আৰু তেনেতে···।” “গাৱঁৰ তিৰোতাবোৰেই চিনি পালে ; কেৱল তইঁতবোৰৰ মূৰতহে ভাবনাচিন্তা গেলেপা লাগিল! তইঁতক মই শিকাম ৰ······।”

“এইখনেই প্ৰথম বিমান, হে’ৰ্ কেপ্তেইন”—ছাৰজেণ্টে নিজক নিৰ্দ্দোষী বুজাবলৈ চেষ্টা কৰিলে।

“চুপ! মই তোক সোধা নাই। ইস্, ‘প্ৰথম বিমান’! কামানৰ ওপৰত বোমা এটা পেলোৱাহেতেন ‘প্ৰথম বিমান’ৰ ধূন ওলাল হেঁতেন। বুৰ্ব্বকৰ দল!”

খঙত কেপ্তেইন আকৌ অফিচলৈ উভতিল। গোটেই গা খঙত কঁপি উঠিছিল। কি কুলক্ষণীয়া দিন! কেনে কুলক্ষণীয়া মানুহবোৰৰ লগত সং হ’ল!

“বাৰু, গাওঁবুঢ়াক পালানে এতিয়া?

উচাপ খাই ফেল্ডৱেবেল মেজৰ কাষৰ পৰা জাপ মাৰি উঠিল—“হে’ৰ্ কেপ্তেইন, সন্ধান চলাই থাকিবৰ কোনো হুকুম পোৱা নাছিলোঁ।..........”

ফোৰোহনি মাৰি কেপ্তেইন বহি পৰিল। হয়, জধা মুৰ্খ! কোনেও ভাবিব নোৱাৰে........ ইপিনে দায়িত্ব পৰিব কেৱল ৱাৰ্ণাৰৰ ওপৰত। সদৰত তাৰ ‘বন্ধু’ সকলে সেই চেলুলৈ চকু ৰাখিব।

হঠাৎ তাৰ মনত খেলালে, যদি গণ্ডগোল আৰম্ভ হয় তেনে পুচিয়াক লৈ এটা উপকৰা বেমেজালি ঘটিব।

জনসাধাৰণৰ প্ৰতি উদাৰ ব্যৱহাৰ দেখুৱাই বুলি তাৰ

বিৰুদ্ধে যি ঘটনা চলিলে, এই কথাই ই-য়াক বেছিকৈ বঢ়াই তুলিব।

অনিশ্চাসত্ত্বেও সি ভাবিলে—"মই তাইক আঁতৰাব লাগিব।"

তাৰ একোকে কৰিবৰ মন নগ'ল। সি এটা সামৰিক বিষয়া; ইপিনে দেশৰ গোটেই কেৰেণীকামৰ বোজা তাৰ ওপৰত। এই আপদীয়া গাওঁখনত শান্তি আৰু শাসন সংস্থাপনৰ চেষ্টা কৰিবলৈ তাৰ ওপৰত ভাৰ পৰিছে। ইয়াত সি কি কৰিব? যি দ'ম 'ফাইল' আৰু টুকুৰা কাগজৰ মাজত সি পোত গৈ আছে, তাৰ মাজৰ পৰা ওলাবৰ সাধ্য নাই। গাওঁবুঢ়া আৰু ফেল্ডৱেবেলে সদায় সমূহীয়া পামৰ কিতাপ-বহীবোৰ নেফানেফ্ কৰি থাকে, কিন্তু তথাপি একো ফল নধৰে। সৈন্যবিভাগক লাগে শস্য, চৰ্বী, মাংস। কিন্তু চতুৰ বলশ্বেভিক্‌বোৰে যোৱা শৰৎ কালতে গৰু-ম'হৰ পালবোৰ খেদাই লৈ গ'ল। আৰু যি দুই এজনী গৰু পামত থাকিল সেইবোৰ তাৰ নিজৰ ফৌজটোৰ কাৰণেই যথেষ্ট নহয়। সিহঁতে শস্যবোৰ লৈ গ'ল নাইবা ইমান ভালকৈ লুকালে যে তাক কোনো মতে উলিয়াব নোৱাৰি।

"জামিনৰ মানুহবোৰৰ খবৰ কি?"

"সিহঁতক আটক কৰি ৰখা হৈছে, হে'ৰ্ কেপ্তেইন।"

"সিহঁতক খাবলৈ কিবা দিয়া হৈছে নেকি?"

"নাই...না...ই...দি...য়া......একো দিয়া নাই, হে'ৰ্ কেপ্তেইন।"

"পানী-তুনী একো?"

"পানীও দিয়া নাই।"—সৈন্যটোৱে কওঁতে আৰু বেছি খোকোজা লাগিল।

"ঠিক হৈছে।.........এটুকুৰা কটিও, নিদিবি, এটোপা পানীও ,নিদিবি! সিহঁতে আমাক খাবলৈ একো নিদিয়ে যেতিয়া আমিও নিদিওঁ। .....ভোকত শুকাই মৰে যদি মৰক। সিহঁত মৰিলে একো ডাঙৰ লোকচান নহয়।"

মেজৰ কাষত সি বহি থাকিব নোৱাৰিলে। আকৌ ওলাই গ'ল। ঘৰলৈ যাব খুজিলে; কিন্তু পুচিয়া তাত থকাত বিৰক্তি জন্মিল। কামান পোতা ঠাইৰ পিনে সি স্নুৰিলে। তাৰ গোলন্দাজ সৈন্যদল অনিপুণ; অৱশ্যে এই বিষয়ে তাৰো পাৰ্গতালি কম। কামানৰ ৰথীয়াবোৰক অলপ নিচান অভ্যাস কৰিবলৈ দি অন্যমনস্ক হবৰ চেষ্টা কৰিলে।

খন্তেক পিচতে সি চিঞৰবাখৰ লগাই মানুহবোৰক হুকুম দিয়া আৰু গালি পৰা চাবি আলিৰ চুকলৈকে শুনা গ'ল।

ৰথীয়া-ঘৰৰ সৈনিক এটাই ক'লে "তেওঁৰ খং উঠিছে।"

"স্নুঠিবনো কেলৈ.........খুদকণ এটাও পোৱা নাই; তদুপৰি গাওঁবুঢ়াটোও পলাল... ....."

"সি সাতঘাটৰ সৈয়া কণি......"

ফেল্ডৱেবেলে সন্দেহজনক ভাবে তালৈ চালে।

"তইঁতৰ গাওঁবুঢ়ালৈ খিয়াল লাগিছে নেকি?"

সৈন্যটোৱে সৰলভাৱে ফেল্ডৱেবেলৰ চকুলৈ চাই ক'লে —"খিয়াল লাগিবলৈ কি আছে, হে'ৰ্ ফেল্ডৱেবেল। সি বেছি দূৰ যাব নোৱাৰে। আমাৰ মানুহে তাক ধৰি আনিব।"

ইটোৱে ক'লে "যদি সি যুদ্ধক্ষেত্ৰ পালেগৈ।" "আৰু সি যদি সন্মুখৰ পিনে গ'ল, তেনে বলশ্বেভিকবোৰে তাৰ চাল চেলাব। নাই, সঁচাকৈ তাক খিয়াল কৰিবলৈ একো কাৰণ নাই।"

"কিজানি 'মাওজিক' (Mouzhiks) বোৰে তাক ক'ৰবালৈ ধৰি নিলে।"

সেই কথা শুনি ফেল্‌ডৱেবেল শিয়ৰি উঠিল।

"কি পেক্‌পেকাই আছ? 'মাওজিক' বোৰে তাক কেনেকৈ ধৰি নিব? সি ইয়াত বহুত সময়লৈকে বহি আছিল। কিন্তু তাৰ পিচত আৰু সি ঘৰলৈ নগ'ল।"

"ধৰক, যদি বাটতে..."

ফেল্‌ডৱেবেলে টপৰাই মাত লগালে—"ইয়াত ৰাতি কোনো বাহিৰ নোলায়। দস্তুৰমতে হুকুম দিয়া আছে!"

সৈন্যটোৱে তালৈ কেৰাহিকৈ চালে; কিন্তু একো উত্তৰ নিদিলে। এদিনৰ ভিতৰতে ফেল্‌ডৱেবেলে কেতিয়াও পাহৰি যাব নোৱাৰে যে হুকুম থকা সত্ত্বেও—ৰখীয়া থকা সত্ত্বেও—কোনোবা ল'ৰা এটা চালিৰ কাষলৈ চুচঁৰি আহিছিল আৰু তাতোকৈ আচৰিত—সেই শটো আচৰিত ভাবে থিতাতে নোহোৱা হ'ল; শটোৱে জানো নিজে নিজে ঠাই সলাই ফুৰিব পাৰে!

ফেল্‌ডৱেবেলে ধমকি দি ক'লে--"যিয়েই নহওক বাৰু, এইদৰে বেল্‌বেলাই থাকিব লাগিছে কিয়? নিজৰ কাম কৰ।"

সৈন্যবোৰ নিমাত হৈ পৰিল। কেপ্টেইনৰ দৰে ফেল্‌ডৱেবেলেও সিহঁতলৈ খেদা মাৰি যোৱা সম্ভৱপৰ। আৰু যেহেতু সেইদিনা ৰাতিপুৱাই সি ইয়াৰ সোৱাদ পাই থৈছে—গালত এতিয়াও আঙুলিৰ ৰঙা সাঁচ বহি আছে—সেইদেখি সমুখত যাকে পায় তাৰ ওপৰতে খঙৰ পোটক তুলিবলৈ তাৰো যোগ্যতা আছে।

ফেল্‌ডৱেবেলৰ বিৰক্তি লাগিল। নিজৰ কাগজ-পত্ৰত

মন দি, টেলিফোনৰ কাৰণে অপেক্ষা কৰি থাকিল। সি ধাউতিৰে কেপ্টেইনৰ পৰাজয় নিৰীক্ষণ কৰিলে। তাক চৰিয়াবলৈ সহজ; কিন্তু সদৰৰ কৰ্ম্মকৰ্ত্তাবোৰে খোজা মতে ধানচাউল গোটাবলৈ সিমান সহজ নহয়। তদুপৰি গৰিলাবোৰক বিচাৰি উলিয়াবলৈকো সহজ নহয়। কেপ্টেইনে ভাবিছিল ওফাইদাং মাৰি কথা ক'লেই এইবোৰ সকলো হৈ যাব। অৱশ্যে কেপ্টেইনৰ সৈতে ইমানকৈ খাটি সি ভালকৈ বুজিছিল যে আনেও এই কামত সফলতা লভিব নোৱাৰে। সি সন্তোষ পালে; কিয়নো এই কামৰ বাবেই ৱাৰ্ণাৰে শাস্তিমূলক 'কাৱাজ্'ত ক্লান্ত হৈ পৰিব লাগিব।· কামত মিছা হ'লেও সি নিজক বৰটো বোলাই থাকে; সকলো সময়তে সেই মানুহ-জনীৰ লগত থাকিবগৈ। এতিয়া সি এইবোৰৰ ফল পাব। অপ্রকাশিত খণ্ডত ফেল্ডৱেবেলৰ অন্তৰ গুমৰি উঠিল। সিহঁত সেই নগৰখনত সোমোৱা দিনটোলৈ তাৰ মনত পৰিল। এটা মহলাৰ পৰা কোনোবাই জাৰ্ম্মাণ বাহিনীলৈ গুলীয়াইছিল; সেইবাবে সিহঁত বলেৰে তাৰ ভিতৰলৈ সোমাই গল। সোমোৱা সময়ত তাত কোনো নাছিল। কিন্তু ফেল্ডৱেবেলে দঁাৰত ধুনীয়া, ধোৱাবৰণীয়া, নোমাল কোট এটা পালে। তাৰ পিচদিনাই সি এইটো পঠাই দিব পাৰিলে-হেঁতেন; কাৰণ মিট্‌জিয়ে তাক সদায় নোমৰ কোট এটাৰ কথা কৈ আছিল। কিন্তু কেপ্টেইনে তাৰ সেই বান্দবীজনীৰ বাবে এইটো লৈ গ'ল। এতিয়া সিহঁতক গাৱঁত ৰখালে যেতিয়া সি আৰু নোমাল কোট এটা ক'ত পাব? ইয়াত দুৰ্গন্ধ ভেৰাচালৰ চোলাবোৰৰ বাহিৰে একো পোৱা নেযায়। মিট্‌জি কাপোৰৰ কোট পিন্ধি জাৰত ঠেঁঙো লাগে, ইপিনে

কেঁপ্তেইনৰ ৰক্ষিতাজনীয়ে নোমৰ কাপোৰেৰে চালি ধৰি ফুৰি ফুৰিছে। এই কথা ভাবিলেই ফেল্ডৰেবেল খঙত উতলি উঠে; সি কেপ্তেইনৰ বিষয়ে সদৰত কি লগাব পাৰে তাকে সদায় চান্দি থাকে। সিহঁতেও তাক তাত ভাল নেপায়; কাৰণ সি ভেম ধৰি থাকে আৰু নিজক আনবোৰতকৈ ভাল বুলি ভাবে। সিনো কোন বিষয়ত ভাল? ফেল্ডৰেবেল জাওচে কেতিয়াও পাহৰা নাছিল যে ফুহ্ৰাৰ নিজে এসময়ত ফেল্ডৰেবেলহে আছিল। ফেল্ডেৰেবেল জাওচৰ গাত ফুহ্ৰাৰৰ গৌৰবৰ ৰশ্মি প্ৰতিবিম্বিত হৈছিল। তাৰ নোমাল কোটটো কাঢ়ি নিয়াৰ বাবে বা তাক চৰিওৱা বাবত সি কেতিয়াও কেপ্তেইনক ক্ষমা কৰিব নোৱাৰে।

গিৰ্জ্জাৰ কাষত কেপ্তেইনে চিঞৰা ওৰে বাটতে শুনা গৈছিল; জাওচে বিদ্রুপৰ হাঁহি এটা মাৰিলে। চিঞৰি থাক, যিমান ভাল লাগে চিঞৰ!

সৈন্যবোৰে গাৱঁত ভাবুকি দি ফুৰিছিল। জুম পাতি সিহঁতে ঘৰে ঘৰে ঘূৰি ফুৰিছিল। কোনোবাই সিহঁতক ভয়াতুৰ বুলি দোষাৰোপ কৰাহেঁতেন সিহঁতে ভয়ানক উত্তেজিত হৈ উঠিলেহেঁতেন। কিন্তু এই আপদীয়া গাওঁখনত সিহঁতে দিনদুপৰতো নিৰ্ভয় হব পৰা নাছিল আৰু জুম বান্ধি যোৱাই উচিত বুলি বিবেচনা কৰিছিল।

সিহঁতে দুৱাৰত টুকুৰিয়াই দিয়াত গ্ৰেথেচিথাই দুৱাৰ মেলি দিলে; সিহঁতলৈ গহীন ভাৱে সাহসৰ চকুৰে চালে। ছোৱালীবোৰ চুকত লুকাল।

"কি লাগে?"

"কুকুৰা, কুকুৰা দে।"

"এটাও কুকুৰা নাই। তইঁতে সকলো খাই শেষ কৰিলি।"

সিহঁতে তাইৰ ভাষা নুবুজিলে যদিও তাৰ অৰ্থ বুজিলে। কিন্তু তাইক বিশ্বাস নকৰিলে। সিহঁতে চোতালত পিট্‌পিটাই ফুৰিলে ; কুকুৰাৰ গঁৰাল আৰু উদং গোহালিটোত বিচাৰিলেগৈ। ভৰালৰ খেৰবোৰ লুটিয়াই চালে, জানোচা তাত কুকুৰা সোমাই আছে। সিহঁতক কেউপিনে ঢুপ্‌ঢুপাই ফুৰা দেখি তাই অতিষ্ঠ হৈ পৰিল।

খেৰবোৰ উজাৰ কৰি চাই এটাই ক'লে "ইয়াত একো নাই।"

সিহঁত ঘৰে ঘৰে ঘূৰি ফুৰিল—"কুকুৰা দে।"

বেনিয়াচিথাই তাইৰ অৱশিষ্ট কুকুৰাজনীক সৈন্যবোৰে নোপোৱাকৈ জুহালৰ তলত লুকাই থৈছিল ; কিন্তু দুৰ্ভাগ্য-বশতঃ তাই কক্‌ককাই উঠি নিজৰ বিপদ নিজে চপাই আনিলে। জাৰ্ম্মাণবোৰে হৈ-ধ্বনি দি তাইক টানি আনিলে। কুকুৰাজনী সিহঁতৰ হাতৰ পৰা এৰাই ভয়ত খিড়িকীয়েদি বাহিৰ পালেগৈ।

"আহ, এইপিনে আহ।"

কুকুৰাজনীয়ে কক্‌ককাবলৈ ধৰিলে আৰু ধপ্‌ধপাই উৰি গ'ল। চালিৰ তল পাই তাই আকৌ চোতালত পৰিলহি। সৈন্যবোৰে পিচে পিচে খেদি গ'ল। চৰাইজনীয়ে পাখি মেলি লৰ মাৰিলে ; বৰফৰ কণিকাবোৰ ধূলিৰ দৰে উৰিবলৈ ধৰিলে। এটা সৈন্যই বিভলভাৰটো উলিয়াই গুলীয়াই দিলে। চৰাইজনী ৰঙা পাখিৰ থোপা এটা যেন হৈ বৰফৰ ওপৰত সৰি পৰিল। সৈন্যটোৱে জয়ৰ উলাহত তাইক ঠেঙত ধৰি দাঙি ধৰিলে।

সিহঁতে ঘৰেঘৰে একেৰাহে কুকুৰা বিচাৰি ফুৰিলে।

সিহঁতক অহা দেখি মানুহে লৰালৰিকৈ লুকাব পৰা সকলো

বস্তু লুকাই থলে। সিহঁতে কুকুৰাবোৰ জুহালৰ তলত, বিচনাৰ তলত, আৰু ওপৰ চাঙত লুকাই থলে। জাৰ্ম্মাণবোৰে—ভোকাতুৰ কুকুৰে শুঙি ফুৰাৰ দৰে—বিচাৰি পাত পাত কৰিলে। কিন্তু সিহঁতৰ টোপোলা নভৰিল। শেহত, যি দুই এজনী গৰু বাকী আছিল, তাবে এজনী নিবলৈ থিৰাং কৰিলে; অৱশ্যে গৰু নিবলৈ সিহঁতে হুকুম পোৱা নাছিল। লকুটিখাই কান্দিকাটি হাতভৰি এচাৰিবলৈ ধৰিলে। সিহঁতে নিৰ্দ্দয় ভাৱে তাইক ঠেলা মাৰি পঠিয়ালে।

"ফুটী, ফুটী"—তাই মাতিলে।

গৰুজনীয়ে তাইৰ শান্ত আৰু চলচলীয়া চকুহালেৰে তধা লাগি চালে। সিহঁতে তাইক এৰালৰ ৰচিদালত ধৰি টানিবলৈ ধৰিলে; কিন্তু তাই আঁকোৰগোঁজালি মাৰি বৈ থাকিল। বৰফৰ চিকমিকনিয়ে তাইৰ চকু চাঁত মাৰি ধৰিলে। ওখ দুৱাৰ দলিটোৱেদি জাপ নেমাৰি তাই শুই পৰিল। সৈন্য এটাই তাইৰ নেজ পকাবলৈ ধৰিলে আৰু তাই কৰুণভাৱে বেবাবলৈ ধৰিলে।

লকুটিখাই চিঞৰি ক'লে—"তাইৰ পেটত পোৱালী আছে। পেটত পোৱালী আছে। আই ঔ, গোসাঁইৰ শপত, তোমালোকে কি কাম কৰিছা! তাই গাভিনী হৈছে!"

তাই দীঘল চাদৰখনৰ আগটোত উজুটিয়াই লৰিবলৈ ধৰিলে। মুখখন ৰঙা পৰি আৰু চকুলোৰে তিতি গৈছে। জাৰ্ম্মাণবোৰলৈ আৰু কাষৰ সকলো বস্তুলৈ তাই পাহৰি গ'ল; কেৱল লৰিবলৈ ধৰিলে। শেহত এটাই তাইক বলেৰে ঠেলা মাৰি দিয়াত তাই বৰফৰ ওপৰত বাগৰি পৰিল আৰু কেঁকাবলৈ ধৰিলে। চেভকাই বয়সীয়া দৰে মানুহৰ আগবাঢ়ি গৈ তাইৰ কাষ পালেগৈ।

"মা, মই কৈছিলোঁ। নহয়······তাৰ পৰা তোমাৰ কিটো হব? উঠা, মা! উঠা। ইমান বৰফৰ মাজত পৰি থাকিব নেলাগে।

তাই বৰফৰ মাজত মুখ ঢাকিলে; উচুপনিত গোটেই গা জোকাৰ খাই উঠিল। লৰামতীয়া হাতদুখনেৰে চেভ্‌কাই তাইক দাঙিবৰ চেষ্টা কৰিলে।

"এতিয়া আমাৰ কি গতি হব?"

সি জ্বলিপকি উঠিল "আহ! কৈছোঁ নহয় মনে মনে থাকিবলৈ! সিহঁতে সকলোৰে গৰু নিছে, কিন্তু তোমাৰ দৰে কোনেও হুলস্থূল কৰা নাছিল।"

নিজক যুক্তিসঙ্গত বুলি দেখুৱাবলৈ তাই ক'লে "কিন্তু মই যে তহঁত পাঁচোটাক খুৱাব লাগিব।"

"আনৰ দেখোন ৮টালৈকে লৰাছোৱালী আছে······"

"হেৰৌ, দহোকুৰি! তই মোক শিক্ষা দিব নেলাগে। মাকৰ লগত কথা হোৱাৰ ধৰণ সেয়ে নেকি?"

"বাৰু বলা, তুমি বাৰু ঘৰলৈ ব'লা। নায়ুৰকাই চিঞৰত গছৰ পাত সৰাইছে।"

"তাই কান্দিছে নেকি?"

তাই ঘৰলৈ লৰ ধৰিলে; বৰফ গোটমৰা চাদৰৰ পাতলিটো বতাহত সোঁসোৱাই উঠিল। চেভকাই ভাগৰুৱা মানুহৰ দৰে লাহে লাহে তাইৰ পিচ ল'লে।

সৈন্যবোৰো গৰুজনী থেদি নি সেনাপতিৰ অফিচৰ আঁৰ হ'ল। তাৰে চালি এখনত জাৰ্ম্মাণবোৰে এখন সৰুসুৰা 'কচাইখানা' পাতি লৈছিল। অলপ সময়ৰ ভিতৰতে ধোঁৱা দি গৰুজনীৰ মোট গুচাই চ'টিত ওলোমাই ল'লে।

ইতিমধ্যে চিঞ্ৰি আমনি লগাত ৱাৰ্ণাৰ অফিচলৈ উভতি আহিল।

ফেন্দ্ৰেবেলে ক'লে "হে'ৰ্‌ কেপ্তেইন, আমি গৰু এজনী বিচাৰি আনিলোঁ।"

কেপ্তেইনে তাক মনেমনে থাকিবলৈ ইঙ্গিত দিলে। ৰচদ সংগ্ৰহৰ সঙ্কটটোৱে তাক বিৰক্ত কৰি তুলিলে। আজি এটা গৰু, কাইলৈ এটা গৰু! কিন্তু দুদিনমানৰ মূৰত কি অৱস্থা হবগৈ? ইপিনে সদৰৰ পৰা বন্ধা হুকুম আহিছে—সৈন্যবাহিনীক যি গাৱঁত ৰখা যায়, সেই গাৱঁৰ পৰাই সিহঁত চলিব লাগিব। কোনোমতে এমাহ হৈ গৈছেহে, ইপিনে গাৱঁত সকলো উদং হৈ পৰিল। ৰাজহাঁহ, কুকুৰা, পাতিহাঁহ গাহৰী, সকলোবোৰ খোৱা হ'ল। এতিয়া লেৰেলী চেপেটী গৰু দুজনী মানহে বাকী ৰৈছেগৈ। এইবোৰ শেষ হ'লে সিহঁতে ক.ৰিব কি?

"সিহঁতে আমালৈ কিবা খোৰাবস্তু পঠালেনে?"

"মদ আৰু চকলেট পঠাইছে, হে'ৰ্‌ কেপ্তেইন।"

"মদ, চকলেটৰ বাহিৰে আৰু কি?"

"আৰু একো নাই, হে'ৰ্‌ কেপ্তেইন। পৰহি সিহঁতে আকৌ আমাক জনাইছে, বোলে ৰচদৰ বাবে স্থানীয় সামগ্ৰীৰ ওপৰত আমি নিৰ্ভৰ কৰিব লাগিব। মদ অৰু চকলেট আপোনাৰ ঘৰলৈ পঠাই দিম নেকি?"

"পঠাবা; চাবা যাতে বাটতে সেইবোৰ কোনোবাই খাই শেষ নকৰে।"

"নকৰে, সেইবোৰ ভালকৈ বন্ধা আছে।"

ৱাৰ্ণাৰে ডাঙৰ কোটটো খুলিলে; চিগাৰেট এটা পকাই চিন্তাত বুৰ গ'ল।

"অ......'জাওঁচ ....।"

"জাওহল হে'ৰ্ কেপ্তেইন ?

"ৰচদ দিয়া'মেলাত আমাৰ কোনো লাগবান্ধ নাই। আজিৰ পৰা তুমি ৰচদ যোগোৱা কামৰ ভাৰ লবা।"

ফেল্ডৱেবেলে ক'লে "জাওহল হে'ৰ্ কেপ্তেইন।" তাৰ মুখখন খঙত ৰঙা হৈ পৰিল। ৱাৰ্ণাৰ দুৱাৰমুখ পালেগৈ।

"হে'ৰ্ কেপ্তেইন।"

"আকৌ কি হ'ল ?"

"ওচৰৰ গাওঁবোৰৰ পৰা বস্তু গোটাবলৈ আপুনি অনুমতি দিবনে ?"

ৱাৰ্ণাৰ উচাট মাৰি উঠিল।

"গাধৰ দৰে নকবা! তুমি ভালকৈ জানা দেখোন, সইবোৰ গাওঁ আন আন ফৌজৰ ভাগত পৰিছে।

"ইয়াত একো পাবলৈ নাই, হে'ৰ্ কেপ্তেইন।"

"ইয়াত একো নাই—এই কথা কবলৈ পৃথিবীৰ ভিতৰত আটাইতকৈ সহজ। কিবাকিবি বিচাৰি অনাই তোমাৰ কাম—বুজিছানে মোৰ কথা ? বিচাৰি চোৱা। ভালকৈ চালে কিবা পাবা।"

দুৱাৰখন ঠেলা মাৰি সি বাহিৰলৈ ওলাই গ'ল।

ঘৰৰ পৰা ওলাই আহি পুচিয়াই একো খিৰাং কৰিব নোৱাৰিলে; কেওপিনে চাবলৈ ধৰিলে। কথাটো বৰ অলাগতিয়াল যেন লাগিল ; কিন্তু কাৰ্ট নেৰানেপেৰাকৈ লাগি আছিল আৰু শেহত সি কঠুৱা ভাৱেৰে কবলৈ ধৰিছিল।

"হেজাৰ হওক, তাই তোমাৰ নিজৰ বায়েৰ। নিজৰ বায়েকজনীৰ লগত কেনেকৈ কথা পাতিব লাগে, তাক জানিবা। বাৰু ; চাবা তেনে, সময়ত ময়ো কিবা এটা নকৰোঁ..."

পুচিয়াই ভয় খালে। তাই কাৰ্টৰ ওপৰতে সম্পূৰ্ণ নিৰ্ভৰ কৰে। তাইক যদি সি গাৱঁৰ মাজলৈ খেদি দিয়ে! তাত যে সকলোৱে তাইক শত্ৰু ভাব কৰে!

হাতচুখন কোটৰ মাজত সুমাই তাই লাহে লাহে বাটেদি যাবলৈ ধৰিলে। বায়েকৰ লগত কথা পাতি কোনো ফল নেপায়। কাৰ্টক তাই ক'ব নোৱাৰিলে যে আগতে তাই বায়েকৰ সৈতে এবাৰ কথা হৈছিল—অৰ্থাৎ, যদি পুচিয়া গাৱঁলৈ প্ৰথমে আহোঁতে সিহঁতৰ মাজত হোৱা সেই বাক-বিতণ্ডাক কথা হোৱা বুলি ধৰা যায়! অলগাই তাইৰ সমুখত থুৱাবলৈ ধৰিছিল ; খালত পৰি থকা ভেচিয়াৰ বিষয়ে খণ্ডত থকমকাই কোৱা কথাবোৰৰ ছুটামানহে পুচিয়াই বুজিব পাৰিলে। অলগাই তাইক অপমান কৰিব খুজিছিল ; যি জনী মাকৰ ল'ৰা যুদ্ধত মৰিছে, তাইৰ ঘৰতে থাকিবলৈ লোৱাত তাইক অপদস্থ কৰিবৰ চেষ্টা কৰিছিল। পুচিয়াক সেইবোৰ কথা কিহলৈ লাগিছে? কিন্তু অলগাৰ মতে ইয়াৰ লগত তাইৰো সম্বন্ধ আছে ; তাই পুচিয়াক গালি শপনি পাৰি

গুচি গ'ল ; কথা সিমানেই। এতিয়া তাইনো বাৰু তাইৰ ওচৰলৈ গৈ কেনেকৈ কথা পাতিব ?

বাটৰ কাষৰ গছৰ ডালবোৰ গোটমৰা। বৰফেৰে ৰূপালী হৈ পৰিছিল। বেলিৰ পোহৰত বৰফবোৰ তিৰবিৰাই আছিল। হুমুনিয়াহ কাঢ়ি পুচিয়াই চেৰিওঝাৰ কথা ভাবিলে। নহয়, চেৰিওঝাই তাইক কেতিয়াও দাবি নিদিছিল, কেতিয়াও খং কৰা নাছিল। সি মাথোন হুমুনিয়াহ কাঢ়ি মনেমনে থাকে। কিন্তু তাই এতিয়া চেৰিওঝাৰ কথা ভাবিব কিয় ? কাৰ্টহে তাইৰ গিৰিয়েক।

তাইৰ খং উঠিল। সি কিমান 'দূৰ সাহ কৰিলে ! কিন্তু তাই জানে যে সি সাহ কৰিবই আৰু সেই বিষয়ে তাই একো কৰিব নোৱাৰে। তাই কাৰ্টকো চেৰিওঝাৰ দৰেই ব্যৱহাৰ কৰিছিল। তাৰ মানে, এই ভুল বুজাৰ বাবে তাই দায়ী নহয়। ইয়াৰ কাৰণ এয়ে যে কাৰ্টৰ লগত চেৰিওঝাৰ অলপো মিল নাই।

তাই অলগাৰ ঘৰৰ ওচৰ পালেগৈ। আৰু দুখোজ মানহে বাকী আছে। কি কৰিব তাই ? দুৱাৰত টুকুৰিয়াই সোমাই যাব নেকি ? নহয়, ই অসম্ভৱ। খন্তেকৰ কাৰণে তাই তাতে থিয় দি ৰ'ল ; একো থিৰাং কৰিব নোৱাৰিলে। ইপিনে গৰম বুটজোৰ থকা সত্ত্বেও বৰফে তাইৰ আঙুলিবোৰ বিন্ধিবলৈ ধৰিলে। তাই ঘূৰিল আৰু উভতি গুচি গ'ল। কৰক কাৰ্টে যি কৰে ! খণ্ডত জ্বলিপকি চিঞৰক ! তথাপি তাই আকৌ অলগাৰ গালি-শপনি গা পাতি লব নোৱাৰে। অৱশ্যে ইয়াৰ পৰা কিবা লাভ হোৱা হ'লে বেলেগ কথা আছিল ; কিন্তু তাই খুব ভালকৈ জানে যে এই কথা-বতৰাৰ পৰা একো

লাভ নহয়। দুখোজমান আগবাঢ়ি গৈ তাই আকৌ কের্ঘেহালে —তাই কি কৰিব ? অলগাকো সিহঁতে অ'লেনাৰ দৰে মাৰি পেলোৱাহেঁতেন ভাল আছিল ; তেতিয়া এই বিলৈ-বিপত্তি খন নহ'লহেঁতেন।

বায়েক থকা ঘৰৰ পিনে পুচিয়াই এবাৰ চালে ; দুৱাৰেদি কোনোৱা ওলাই অহা দেখি তাইৰ বুকুখন অশান্তিত ধপ্‌ধপাবলৈ ধৰিলে। দোষী হাতে হাতে ধৰা পৰিলে যি অৱস্থা হয়, তায়ো সেইদৰে বৰফৰ মাজত পেপুৱা লাগি থিয় দি থাকিল। আৰু ঘৰটোলৈ কেৰাহিকৈ চালে। অলগা নহয় ; যিজনী মানুহৰ লগত অলগা থাকে তাইহে। মানুহ-জনীয়ে দুৱাৰমুখত থিয় দিলে আৰু চকুত হাত দি একেথৰে দূৰলৈ চাবলৈ ধৰিলে। তাৰ পিচত দুৱাৰখন ঠেলা মাৰি কিবা এটা চিঞৰি উঠিল। তৎক্ষণাৎ তাইৰ কাষত মানুহে জুম বান্ধিলে ; ৰ'দ আৰু বৰফৰ চকু চাঁত মৰা পোহৰটো হাতেৰে আঁৰ কৰি সকলোৱে একে পিনে চাবলৈ ধৰিলে।

বাটত মানুহ দেখি ফেডচিয়া ক্ৰেভচাকো ওলাই আহিল। তায়ো সেইপিনে চাবলৈ ধৰিলে। খন্তেকৰ বাবে বুকুৰ স্পন্দনো যেন নিবন্ধ হৈ পৰিল। তাৰ পিচত তাইৰ বুকুখন উন্মাদ ভাৱে ধপধপাবলৈ ধৰিলে। দূৰত বাটেদি মানুহ কিছুমান গাৱঁৰ পিনে 'কাৱাজ' কৰি অহা দেখা গ'ল। সিহঁত ওচৰাওচৰিকৈ আহিছিল আৰু মাজে মাজে দুই-এখন সঙ্গীন ৰ'দত জিলিকি উঠিছিল।

"জাৰ্ম্মাণ নেকি ?"—কোনোবা এটাই সুধিলে। "এই সোপাই যথেষ্ট নাই হোৱা যেন লাগিছে, নহয় ? এৰা, সিহঁতৰ আৰু এসোপা হ'লেহে হয়......।"

"সিহঁতে আমাৰ ইয়াতে লেটি লব বুলি ভাবিছানেকি ?"

হঠাৎ বেনিয়াচিখাই চিঞৰি ক'লে—"কিন্তু সিহঁত দেখোন জাৰ্ম্মাণ নহয় ! আই ঐ ! চোঁৰা, চোঁৰা, সিহঁত জাৰ্ম্মাণ নহয় !"

"বলিয়া হলা নেকি ? জাৰ্ম্মাণ নহৈ কোন হব ?

"সেইবোৰ আমাৰ মানুহ, অ' মোৰ দয়ালু গোঁসাই ! আমাৰ মানুহ আহিছে . ..."

"ভালকৈ চোঁৱা। আমাৰ মানুহ হব কেনেকৈ ? সিহতে হব পায় মুকলি বাটেদি, দিন ছুপৰত এইদৰে কুচকাৱাজ কৰি আহিব ?"

গ্ৰিচা বেনিয়াকে তাৰ সৰু মাতেৰে চিঞৰি ক'লে—"সোঁৱা, মা, সিহঁতৰ টুপিত তৰা আছে।"

"কিথন বলকিছ ? সঁচাকৈ দেখিছনে ?"

বৰফৰ চিকমিকনিত সিহঁতে একো দেখা নাছিল। কোননো আহিছে তাকে নিৰ্ণয় কৰিবৰ মনেৰে সিহঁতে নথৈ চেষ্টা কৰি জুপিবলৈ ধৰিলে।

"আমাৰ ? নে জাৰ্ম্মাণ ?"

"আমাৰ মানুহ হব কেনেকৈ ? গ্ৰিচাই কি যে দেখে !......সোঁৱা, ৰথীয়া জাৰ্ম্মাণবোৰ থিয় দি আছে ; সিহঁতে দেখোন এ তিয়াও গুলীওৱাৰ কথা ভবাই নাই।" হঠাৎ আলেকজেণ্ডাৰে চিঞৰি ক'লে—"তথাপি, গ্ৰিচাই ঠিক কৈছে ! টুপিবোৰ আমাৰ..."

"আমাৰ নে ?"

"কিন্তু সিমান বং পাবৰ একো হোৱা নাই ; আকৌ এবাৰ চোঁৱা, এতিয়া ভালকৈ দেখিবা।"

—— সিটাম গাৰিলে। এতিয়া মানুহবোৰক সিহঁতে

ভালকৈ দেখা পালে। বাটেদি এদল ৰেড্‌সৈনিক গৈছে। কিন্তু আচলতে সিহঁতে 'কুচকাৱাজ' কৰি যোৱা নাই, বৰফৰ ওপৰেদি ভৰিবোৰ চোঁচোৰাইহে নিছে। সিহঁতৰ দুয়ো কাষে সশস্ত্র জাৰ্ম্মাণ ৰক্ষীবাহিনী এদল লগে লগে গৈছে। হতাশ-ভাৱে সিহঁতে ফুচফুচাই ক'লে—"সিহঁতে বন্দী ৰেড্‌সৈনিক-বোৰক লৈ গৈছে।"

"সিহঁতে আমাৰ মানুহ আনিছে।"

লাহে লাহে বাটত গোটখোৱা মানুহ বাঢ়িবলৈ ধৰিলে। দলটো কাষ চাপি অহা সিহঁতে চাবলৈ ধৰিলে; সকলোৰে চকুত বিহ্বলতা ভৰা। মানুহবোৰে কোনোমতে খোজকাঢ়ি গৈছে; খোজকাঢ়ি সিহঁত ভাগৰি পৰিল। ৰখীয়া সৈনিকবোৰে সিহঁতক বৰকৈদাবি-ধমকি দিছিল।

"গোসাঁই ঐ, সিহঁতৰ মাজত আহত মানুহো আছো।"

"সিহঁতৰ বুটবোৰ কাঢ়ি নিলে; শুদা-ভৰিৰে খোজ কাঢ়ি গৈছে।"

"চোৱাঁ, চনিয়া, সকলো তেজেৰে ৰাঙলী।"

কাষেদি যোৱা জাৰ্ম্মাণ এটাই ঘৰৰ মুখে মুখে গোট খোৱা মানুহবোৰক অসভ্যৰ দৰে চিঁঞৰি কিবা ক লে। সিহঁতে কিন্তু তালৈ কাণ নকৰি আগবাঢ়ি অহা সমদলটোৰ পিনেহে থৰ লাগি চাই থাকিল।

"গোসাঁই ঐ......"

সিহঁত এতিয়া গাওঁ সোমাল। এতিয়াহে সিহঁতে বন্দী-বোৰক ওচৰৰ পৰা দেখিলে; সিহঁতৰ নিৰ্যাতিত শেঁতা মুখবোৰ জাৰত নীলা হৈ গৈছিল। দ্বিতীয় শাৰীৰ সৈনিক

এটাই কোনোমতেহে নিজৰ গাটো টানি নিছিল। সি মদপী মানুহৰ দৰে থৰকবৰক কৰি গৈছিল।

"হেই, এইটো!"—এটা জাৰ্মাণ ৰথীয়া চিঞৰি উঠিল আৰু সেই আহত মানুহটোৱে আনবোৰৰ দৰে 'কুচকাৱাজ' কৰি যাবৰ চেষ্টা কৰিলে। সি বেছিকৈ থৰকবৰক কৰাত লগৰীয়া এটাই তাক গোপনে ধৰিবৰ চেষ্টা কৰিলে। কিন্তু হঠাৎ গাত ধৰা হাতখনৰ ওপৰত ৰাইফ্‌লৰ খুন্দা পৰিল আৰু গছৰ ভঙা ডাল পৰাদি হাতখন নিৰ্জ্জাৱভাৱে মানুহটোৰ গাৰ পিনে নামি আহিল।

"হে প্ৰভু..."

সিহঁতে অতি কষ্টেৰে ঘা লগা উদং ভৰিবোৰ চোঁচোৰাই যাবলৈ ধৰিলে; বৰফত তেজেৰে ৰাঙলী খোজবোৰৰ চিনবোৰ গ'ল। মাজে মাজে সিহঁত লুটি খাই পৰে; হাতত দোপ্‌লৈ আকৌ কোনোমতে উঠে। ৰাইফ্‌লৰ খুন্দা সিহঁতৰ ওপৰত বৰষুণ পৰাদি পৰে।

পুচিয়া থিয় দি থাকিল; আনবোৰে চোৱাৰ দৰে তায়ো চাবলৈ ধৰিলে। সিহঁতৰ চকুবোৰ জ্বৰত ৰঙা পৰিছিল, শেঁতা মুখবোৰত ভয়ৰ ভাব সনা; বেঙেজ কৰা লেতেৰা ফটাকানি-বোৰত তেজৰ ৰঙা চেকুৰাবোৰ গোট মাৰিছিল। ক'লা ভৰিবোৰ বৰফে ফালি পেলালে—তাই এইবোৰকে দেখিলে। হকোবিহকে সদায় তাইৰ ওঁঠত লাগি থকা মিচিকিয়া হাঁহিটো নোহোৱা হ'ল।

কোনোবাই ওচৰতে ফুচফুচাই কোৱা তাই শুনিলে—"দাঁত নিকটাই থাকিব নেলাগে।" তাই ভয়ত উচাপ খাই উঠিল আৰু অলগাক দেখা দেখা পালে। তায়ো বন্দীবোৰৰ পিনে

চাই আছিল; তাই ওঁঠ চেপি ধৰিছিল, হাতৰ মুঠিকিটা কট্‌কটীয়া হৈ পৰিছিল; চকু থিয় হৈ গৈছিল। এনেতে হঠাৎ সমুখৰ ৰাঙলী ধুঁৱলীৰ মাজত তাই ভনীয়েকৰ লাহী গাটো আৰু শেঁতা মুখখন দেখিলে। চোলাৰ নোমাল ডিঙিটোৰ কাষত ফুল জোৰ চকুচকাই আছিল আৰু বোলোৱা ওঁঠত কৃত্ৰিম হাঁহিটো বিৰিঙি উঠিছিল।

"দাঁত নিকটাই থাকিব নেলাগে।"

পুচিয়া পিচ হুঁহকি গ'ল। তাই একেথৰে অলগাৰ খঙাল চকুজোৰলৈ আৰু কঁপি উঠা ওঁঠকিটালৈ চাই থাকিল।

"মই দাঁত নিকটোৱা নাই"—তাই আৰু পিচুৱাই গ'ল। অলগাই ক'লে "কেলৈ নাই!" অফিচাৰৰ ৰক্ষিতাৰ শেঁতা-মুখত কৃত্ৰিম হাঁহিটো সমূলি নোহোৱা হ'ল। তাই ভয়ত কোঁচ খাই গ'ল আৰু হঠাৎ কান্দিবলৈ ধৰিলে; মুৰটো দুই হাতেৰে চেপি ধৰি ঘৰলৈ বেগ দিলে; যাওঁতে নোমাল কোটটোৰ আগটোত উজুটিয়াই গ'ল।

মানুহবোৰ গৈয়ে থাকিল। জনতাৰ কাষেদি সিহঁত যাবলৈ ধৰিলে। জ্বৰত ৰঙা পৰি থকা চকুৰে সিহঁতে ঘৰৰ মুখে মুখে থিয় দি থকা তিৰোতাবোৰলৈ উভতি চাই গৈছিল।

এটাই ক'লে "ৰুটি"। তাৰ মূৰত ৰাইফলৰ টাঙোন পৰিল। কিন্তু পিচতে তৎক্ষণাৎ আন এটাই চিঞৰি উঠিল—"ৰুটি··· এসপ্তাহ আমি খোৱা নাই·· ···"

"আই ঔ, মোৰ গোসাঁই······" বেনিয়াচিখাই বিনাই ক'লে।

সকলোৱে ঘৰলৈ লৰ ধৰিলে; কঁপা হাতেৰে যেয়ে যতে খোৱা বস্তু পালে তাকে উলিয়াই আনিলে।

"হে প্ৰভু! .....লৰালৰি কৰা...বেগেতে..."

আকৌ বেনিয়াচিখায়েই প্ৰথমে ওলালহি। ৰথীয়া বোৰলৈ কাণ নকৰি ভিতৰৰ শাৰীত সোমালগৈ। তাইৰ হাতত এটুকুৰা ক'লা ৰুটি; সেই টুকুৰাকে তাই লৰাছোৱালী বোৰৰ বাবে লুকুৱাই থৈছিল।

এটা জাৰ্ম্মাণে ক'লে "মৰিয়াই দে"। তাই কিন্তু একোলৈকে কাণসাৰ নকৰিলে, নেচালেও। এটা সৈনিকৰ গাত খুন্দিয়াই গৈ তাই ৰুটিটুকুৰা আহত ৰেড্‌সৈনিক এটাৰ হাতত দিব খুজিলে।

"মৰিয়াই দে।"—জাৰ্ম্মাণটোৱে আকৌ চিঞৰিলে আৰু তাইৰ পেটত ৰাইফ্‌লটোৰে খুন্দিয়াই দিলে।

মুখেৰে একো শব্দ নকৰাকৈ বেনিয়াচিখা বৰফৰ ওপৰত বাগৰি পৰিল। জাৰ্ম্মাণটোৱে ৰুটি টুকুৰা দূৰলৈ গুৰিয়াই দিলে। ৰুটি টুকুৰা খালত পৰিলগৈ। শুকাই জকা যেন হোৱা মানুহ এটা সেই পিনে খেদা মাৰি গ'ল। হঠাৎ গুলীৰ শব্দ উঠিল। বাটৰ কাষতে বন্দীটো বাগৰি পৰিল।

তিৰোতাবোৰে মূৰ্চ্ছিত হৈ পৰা বেনিয়াচিখালৈ কেৰাহি'কৈও নেচালে। সিহঁত বন্দীবোৰৰ পিচে পিচে দৌৰি গ'ল; ৰুটি বা কেক্ এটুকুৰা সিহঁতৰ হাতত গুজি দিবলৈ বা সিহঁতলৈ দলিয়াই দিবলৈ চেষ্টা কৰিলে। ৰথীয়াঘৰৰ পৰা সৈন্যবোৰ দৌৰি আহিল।

ফেল্ডৱেবেলে নিষ্ঠুৰ ভাবে চিঞৰি ক'লে—"খেদাই দে।" সৈন্যবোৰ তিৰোতাবোৰৰ ওপৰত জপিয়াই পৰিল আৰু ৰাইফ্‌লেৰে সিহঁতক কোবাবলৈ ধৰিলে। হাতৰ আঁৰত মূৰ ঢাকি তিৰোতাবোৰ আঠুকাঢ়ি পৰিল আৰু বন্দীবোৰৰ ভৰিৰ

কাষলৈ ৰুটিবোৰ দলিয়াই দিব খুজিলে। এটা বন্দীয়ে ৰুটি এটুকুৰা তুলি লবলৈ তললৈ চাপৰিলে। আকৌ গুলীৰ শব্দ হ'ল; লগৰীয়াবোৰৰ ভৰিৰ কাষত মৰা মানুহটো বাগৰি পৰিল।

আহত যুবক সৈনিক এটাই কোনোমতে লেঙেৰাই লেঙেৰাই দলৰ লগত শাৰী পূৰাই গৈছিল। সি গোটেই বাটটোৰ মানুহে শুনাকৈ চিঞৰি ক'লে "নাগৰিকসকল, এইবোৰ নকৰিব; মিছাতে জীৱন বিপন্ন নকৰিব। থৈ দিয়ক, আইসকল! গুচি যাওক। ইয়াৰ পৰা একো লাভ নাই। সিহঁতে আমাক টুকুৰা এটাও বুটলি লবলৈ নিদিয়ে। কিয় মিছাতে মানুহবোৰ মৰিব লাগিছে?"

তিৰোতাবোৰে দেখিলে যে সঁচাকৈ ইয়াত সিহঁতে একো কৰিব নোৱাৰে। ইতিমধ্যে দুটা মানুহ মৰি বাটত পৰি আছে। কোনোমতে বেনিয়াচিথাই নিজৰ গাটো দাঙিলে। ইপিনে আনবোৰ তিৰোতাই হাতত ৰুটি লৈ্ ৰেডসৈনিক বোৰলৈ চাই থাকিল; সৈন্যবোৰে নিৰাশভাৱে ৰুটিলৈ একেথৰে চাই যাবলৈ ধৰিলে।

মেলিয়াচিথাই পুতেকেক মাতিলে—"চাছা! ইয়াত একো কৰিব নোৱাৰো। সৰু লৰাবোৰ গোটাই ল, চমু বাটটোৱেদি আলিৰ মেৰটোৰ কাষলৈ গৈ বাটৰ ওপৰত পৰাকৈ তললৈ ৰুটি দলিয়াই দিবি। জাৰ্ম্মাণবোৰে নেদেখিব পাৰে; আৰু বোধহয় আমাৰ মানুহে কোনোমতে দুই এটুকুৰা বুটলি লব পাৰিব।"

বতাহে উৰাই নিয়া দৰে লৰাছোৱালীবোৰ নোহোৱা হ'ল। তিৰোতাবোৰ দুৱাৰমুখলৈ উভতি আহিল। সিহঁতে কম্'/ৰ আগবোৰ কামুৰি কান্দিবলৈ ধৰিলে।

ফ্ৰচিয়া গ্ৰেখেচে বেনিয়াচিখাক অলপ পানী খাবলৈ দিলে আৰু তাইৰ কুমৰ ওচৰত বৰফেৰে মোহাৰি দিলে—"বাৰু, এতিয়া কেনে পাইছা ?"

বেনিয়াচিখা বহিল আৰু চকুকিটা ঢাকি লৈ উচুপি উচুপি কান্দিবলৈ ধৰিলে।

"খুব দুখ পালানেকি ?"

"নহয়, নহয়,……ফ্ৰচিয়া, তুমি মোক কি বুলি ভাবিছা…।"

"নেকান্দিবা, সকলো ঠিক হব। অলপ শুই থাকিলে ভাল পাবা।"

"ফ্ৰচিয়া, অঁকৰাৰ দৰে নকৰা। মই সেইবাবে কন্দা নাই। অলপ দুখ পাইছোঁ, পিচে সেইবোৰ ভাল হৈ যাব……মই ভাবিছোঁ—যদি পিটৰবো সেই অৱস্থাই হৈছে! ……বুজিছা তাতকৈ প্ৰথম যুজতে মৰা ভাল, বোমাৰ আগত টুকুৰাটুকুৰ হোৱাও ভাল, টেঙ্কৰ তলত পৰি গুৰি হোৱাও ভাল …"

থোকাথোকিকৈ তাই মৰমৰ সুৰেৰে ছোৱালীজনীৰ কাণে কাণে কিবা এটা ক'লে। ফ্ৰচিয়াই তাইৰ হাতখন চেপি ধৰিলে।

"সহি থাকা…"

"শুনিছানে ? যদি আন উপায় নেথাকে তেওঁ নিজৰ মূৰত নিজে গুলীয়াই মৰক, বোমাৰে নিজক নিজে উৰাই দিয়ক -- কেৱল সেইটো যেন নহয়, যেন তেনে নহয়।"

"নিশ্চয়……তুমি এতিয়া উঠাহে ভাল। মই ধৰি নিম; নহলে ইয়াত ঠেৰেঙা লাগিবা।"

বেনিয়াচিখা, কোনোমতে থিয় দি, ছোৱালীজনীৰ গাত ধৰি ঘৰমুৱা হ'ল। গ্ৰিছাই ভয়ৰ চকুৰে মাকলৈ চালে। তাই

কেঁকাই বিচনাত পৰিলগৈ। তাইৰ গোটেই গা বিষাবলৈ ধৰিলে, বমি হয় যেন লাগিল। কিন্তু তাই সেইবোৰ ভবা নাছিল

'গ্রিছা, এইপিনে আহ।"

লৰাটো বিচনাৰ কাষ পালেগৈ।

"গ্রিছা, মই কি কৈছোঁ শুনিছনে ?"

"শুনিছোঁ, পিচে তুমি দেখোন একোকে কোৱা নাই।"

"শুন, গ্রিছা! ঈশ্বৰে নকৰক, তথাপি যদি কেতিয়াবা মৃত্যু আৰু জাৰ্ম্মাণৰ হাতত বন্দী হোৱা—এই দুটাৰ মাজৰ পৰা তই বাছি লব লগা হয়, তেনে মৃত্যুকেই লবি।"

ফ্রচিয়াই আচৰিত হৈ ক'লে "পগলা হ'লা নেকি? পাঁচবছৰীয়া লৰাটোক—"

ভয় খাই লৰাটোৱে কান্দিবলৈ ধৰিলে।

"লৰাটোক ভয় খুৱাইছা কিয়? সি এতিয়াও বুজন হোৱা নাই, সি ডাঙৰ হৈ উঠে মানে জাৰ্ম্মাণ আৰু ইয়াত নেথাকে—"

বেনিয়াচিখাই খন্তেক ভাবি ক'লে -"হব পাৰে। কিন্তু এই যুজতে যদি সেই বিজাতৰীয়াজাক নিৰ্ম্মূল নহয় তেন্তে পৃথিবীত আৰু কি ন্যায় আছে ?"

তাই কেঁকাবলৈ ধৰিলে আৰু পেটত খামুচি ধৰিলে।

"ফ্রচিয়া, মোৰ মনেৰে, মই বেমাৰত পৰিম···।"

"কোনো ভয় নাই। মই তোমালৈ চেঁচা পানী অলপ আনোগৈ।"

তাই ফটাকানি কিছুমান পানী এবাল্টিত জুবুৰিয়াই দিলে। কেঁকাই কেঁকাই বেনিয়াচিখাই তাইৰ পিনে চাই থাকিল। হঠাৎ গ্রিছাৰ চকুলো ভৰা মুখখনলৈ তাইৰ চকু গ'ল।

"তাকে ধৰি আছ হব পায় ? মইনাটো !...মোৰ বোধেৰে তাৰ পিটৰৰ কথা মনত পৰিছে।"

"কি কথা কৈছা! অকণমান লৰাটোক ভয় খুৱাই দিছা, কান্দিছে সেই কাৰণে। সেইটোনো কি আচৰিত কথাটো ? গিৰিয়েৰৰ পৰা কি বিচাৰিছানো তুমি ?" "একো বিচৰা নাই... এটা কথাই মোক চিন্তিত কৰি তুলিছে ; কিবা এটা হ'লে আপোনঘাতী হবলৈ তেওঁৰ সেইকণ বুধি আছে জানো ?"

"তুমি বাৰু ভাবি মৰিব নেলাগে। তেওঁ দৰ্কাৰ মতে যি হয় কৰিব।"

"কিন্তু মোৰ সন্দেহ হয়, বুজিছা ?...তেওঁ যি ধৰণৰ মানুহ, নিজে কেতিয়াও নেভাবে ; সদায় উপদেশ বিচাৰি আহিব। বেচেৰাক এতিয়া উপদেশ দিবলৈ কোন আছে ?"

ফ্ৰচিয়াই ক'লে—"তেওঁ এতিয়া সৈন্যবাহিনীত আছে, আদেশ মতে কাম কৰিব, ভয়টো কিহৰ ?" তাই মানুহজনীৰ পেটত, থেঁতেলা খোৱা নীলা ঘাডোখৰৰ ওপৰত, তিতা ফটাকানি ডোখৰ দিলে।

বেনিয়াচিথাই ক'লে "হুকুম আছেই, সেইটো ঠিক।"

"আহ, গ্ৰিছা, তোৰ মুখখন ধুৱাই দিওঁ। চাচোন, কেনেকৈ গোটেই লেটিপেটি হৈ আছ! নাকান্দিবি। মাৰ কেনেকৈ শুই আছে চা। জাৰ্ম্মাণে বন্দুকেৰে মাৰিলে, তথাপি মাৰে কন্দা নাই।"

লৰাটোৱে একেথৰে চালে আৰু আঙুলিৰে নাক খুচি থিয় দি থাকিল।

বেনিয়াচিথাই দাবি দি ক'লে—"সোণ, নাকৰ পৰা হাত গুচা। বাপেৰ ৰেড্ সৈনিক আৰু তই নাক ঘুঁকুটিয়াই

থিয় দি আছে ? কেঁকাই কেঁকাই আকৌ ক'লে " উস্, ফ্রুচিয়া ! সিহঁতে এচিকটা কটিও নেপালে—বেচেৰাহঁত আটাইবোৰ মৰিব ···ভাবি চোঁৱাছোন বাৰু,—আমাৰ গাৱঁৰ মাজেদিয়েই সিহঁত গ'ল। তথাপি কোনেও সহায় কৰিব নোৱাৰিলে, কোনেও কটি এটুকুৰাও দিব নোৱাৰিলে। খাবলৈ একো নাই, পানীও নাই···নিজ দেশৰ মাজতে সেইভাবে মৰিব লাগিব···সিহঁতক বাৰু কলৈ খেদি নিছে ?"

"শুনিছোঁ, কদিত বোলে ছাউনী এটা আছে। বোধহয় সিহঁতক তালৈকে নিছে।"

"কদিলৈকে ইমানদূৰ সিহঁতে কেনেকৈ খোজ কাঢ়ি যাব ? সিহঁতৰ দেখোন থিয় দি থাকিবৰে শক্তি নাই। কিমান মাইল হব বাৰু ? কেতিয়াও সিহঁত সেইখিনি নেপাইগৈ ; তদুপৰি সিহঁতে সেই ছুটাৰ দৰে বাকী বোৰকো বাটতে মাৰি শেষ কৰিব···"

"সৰু লৰাবোৰ সিহঁতলৈ কটি দলিয়াই দিবৰ মনেৰে গাওঁ পাৰ হৈ গৈছে। সেইপিনে পাৰ হৈ যাঁওতে সিহঁতে বুটলি লব পাৰিব। বোধহয় জাৰ্ম্মাণে নেদেখে, গমকে ধৰিব নোৱাৰিব" "যদি ঠিক ঠাইত পেলাব পাৰে, সিহঁতে পাব।"

সান্ত্বনাৰ সুৰত ফ্রুচিয়াই ক'লে "তাৰ ভাৰ লৰাবোৰৰ ওপৰত, কি কৰিব লাগে সিহঁতে জানিব। আমাৰ লৰাহঁত সোণতকৈও মূল্যবান।"

নিৰৱে বেনিয়াচিথাই মুৰ দুপিয়ালে। টোপনি আহে যেন লাগিল। ক্লান্তিয়ে তাইক আৱৰি ধৰিলে ; তাইৰ বৰকৈ ওকালি আহিবলৈ ধৰিলে। কিন্তু সেই ৰেড্ সৈনিকটোৰ জ্বৰত ৰঙা পৰা আৰু কোটৰত সোমোৱা চকুযোৰৰ ছবি আৰু ভোকাতুৰ

ভাৰে কটি টুকৰালৈ খেদা মাৰি গৈ ধৰিব নোৱাৰা দৃশ্যটোৱে স্মৃতিয়েহে তাইক আন সকলোতকৈ বেছি কষ্ট দিলে।

"উস্........"

ব্যস্তভাৱে ৰুচিয়াই সুধিলে "বিষাইছে নেকি ?"

"নাই, নাই...টোপনি অহাহেঁতেন..."

"হয়, শুই থাকা। তোমালৈ টোপনিয়েই আটাইতকৈ ভাল, তেতিয়া ভাল পাবা।"—ছোৱালীজনীয়ে ক'লে।

বেনিয়াচিখা চকু মুদি থাকিল। কিন্তু সেই ডেকা লৰাটোৰ মুখত ফুটি উঠা মৃত্যুৰ ছাপটো আৰু তাৰ টুপিৰ তলেদি বাগৰি পৰা জপৰা চুলিকোচা তাইৰ জপোৱা চকুৰ আগতো ভাহি উঠিছিল। কেনেকৈ উন্মাদভাবে সি সেই কটি টুকুৰালৈ চাইছিল! তাই বুজিছিল যে বৰফৰ ওপৰেদি যোৱা আৰু বৰফৰ ওপৰতে বাগৰি পৰা সেই বন্দীবোৰক তাই পাহৰিব নোৱাৰে; আৰু তাই কটি টুকুৰা দিব খোজা ৰেড্‌সৈনিকটোকো কেতিয়াও পাহৰিব নোৱাৰে।

লৰাবোৰে হাতত কটি লৈ একাঠু বৰফৰ মাজেদি দৌৰি আলিৰ মেৰটোৰ পিনে যাবলৈ ধৰিলে। ঘৰবোৰৰ কাষেদি যাওঁতে সিহঁতৰ সিমান অসুবিধা হোৱা নাছিল; কিন্তু মুকলি পথাৰত বৰফ অতিপাত বেছি। অস্কা চেকৰ কান্ধলৈকে বৰফত পোত খালে।

"ছাস্কা, ছাস্কা "

"নিচিএৰিবি, শুনিলে জাৰ্ম্মাণবোৰ দৌৰি আহিব। তই বৰ সৰু ল'ৰা, উভতি যাগৈ।"

"মই ওলাব পৰা নাই..."

"আজুৰি পিজুৰি কোনোমতে ওলাই আহ। ব'লা, ব'লা, আমি যাওঁ।"

এই ঠাই ডোখৰ বৰ অসমান—কেওপিনে টিলা, খাল, ডোঙেৰে ভৰা; এই সকলোবোৰ বৰফে পুতি পেলালে। একোটা গাঁত সঁচাকৈ পানীৰ তলৰ কাঁইট যেন হৈছিল। ওপৰৰ বৰফবোৰ গোট মাৰি টান আৱৰণ এটাত পৰিণত হৈছিল; তাৰ ওপৰেদি অলপ দূৰ খোজ কাঢ়ি যাব পাৰি; কিন্তু হঠাৎ মাজতে ভাগি পৰে আৰু লৰাবোৰ শোচনীয় ভাৱে দ বৰফৰ দ'মত সোমাই যায়। হাতত কটি, আলু আদি বস্তু থকাৰ বাবত সিহঁতে হাতত ভৰ দি উঠিবও নোৱাৰে। ভচুপাৰি টুকুৰা আয়নাই কটাদি বৰকে সিহঁতৰ হাত কাটিবলৈ ধৰিলে। এটা এটাকৈ লৰাবোৰ পিচ পৰি গ'ল। কেৱল চাছা আৰু চেঙ্কা লকুটহে নেবাজেপাকৈ গৈ থাকিল। সিহঁতে গাৱঁৰ দাঁতিয়েদি গৈ বহল পথাৰখনৰ মাজেদি মেৰটোৰপিনে যাব লগা হৈছিল।

চাছাই বল দি ক'লে "খৰ কৰা, খৰ কৰা।"

সি কোঁপাই-জোপাই ঘামত তিতি গৈছিল। নৈৰ তলৰ পলসুৱা বোকাত লাগি ধৰাদি তাৰ ভৰি লাগি ধৰিছিল। সি কেবাবাৰো পৰিল, আকৌ উঠিল; বৰফৰ জোঙা আগত লাগি আঙুলিবোৰ কাটি গ'ল। কটা ঘাবোৰৰ পৰা তেজ ওলাই বৰফৰ ওপৰত ৰাঙলী বহন সানি দিলে। ভাগ্যক্রমে, আনবোৰৰ দৰে সি হাতত কটি লৈ যোৱা নাছিল; তাহানি স্কুললৈ কিতাপ নিয়া মোনাটোত ভৰাই লৈছিল। মোনাটো এতিয়া বৰ কামত আহিল। কটিও ভালেৰে নিব পৰা হ'ল আৰু বৰফৰ দ'মৰ মাজৰ পৰা নিজক আজুৰি উলিয়াবলৈ হাত দুখনো আজৰি থাকিল। চেঙ্কা তাৰ পিচে পিচে বেগাই যাবলৈ ধৰিলে।

ভাগৱত সি জিভা উলিয়াই পেলালে। চাছাৰ পথ অনুসৰণ কৰি আগবাঢ়িবলৈ তাৰ পক্ষে সহজ হৈছিল; নহলে চেভকা ক'ৰবাতে ৰ'লহেঁতেন। তাতে, সি আকৌ সৰু লৰা।

কেওপিনে অন্তহীন ভাৱে কেৱল বৰফত ঢাক খোৱা পথাৰ। ইপিনে ইয়াতে বসন্ত কালত গৰুমহে ঘাঁহ খাই ফুৰিছিল; তেতিয়া চৰণীয়া পথাৰখন ইমান ডাঙৰ নাছিল। কোমল, চুটি ঘাঁহবোৰৰ ওপৰেদি অহাযোৱা কৰা অতি সহজ আছিল। চৰণীয়া পথাৰখন সিহঁতৰ সুপৰিচিত;—ইয়াতে সিহঁতে খোজ কাঢ়িব পৰা হোৱাৰে পৰা ল'ৰিঢাপৰি ফুৰিছে। কিন্তু আজি এইখন এখন অচিনাকি আৰু অসীম পতিত ঠাই যেন লাগিল। সিহঁতে সদায় শুদা ভৰিৰে টিলাবোৰৰ ওপৰত ল'ৰি ফুৰিছিল আৰু খালৰ ওপৰেদি জপিয়াই পাৰ হৈ গৈছিল; কিন্তু এতিয়া সেইবোৰ কি হ'ল? বৰফৰ মাজে মাজে একোটা প্ৰকাণ্ড টিপ; সিহঁতে চিন ধৰিব নোৱাৰি বাৰে বাৰে খালত সোমাইগৈ। বিফল ভাৱেৰে সিহঁতে সমান ঠাই পাবলৈ বাট বিচাৰি ফুৰে। নিৰ্ব্বাক বৰফৰ কাষৰ পৰা সিহঁতে কিন্তু ইয়াৰ গোপন বাতৰি বিচাৰি নেপায়। লথাবোৰে বুকুলৈকে বৰফৰ মাজত পোত গৈ কক-বকাই থাকে। সেই যাত্ৰাত সিহঁতৰ কষ্টৰ ওৰ নপৰা হ'ল।

চাছাই সেহাই সেহাই কয় "বেগেতে ব'ল,"—কিন্তু গাতৰ মুখত উজুটি খাইবাগৰি পৰিল; মুখত সোমোৱা বৰফবোৰ পিকাই দি সি আজুৰি পিজুৰি বৰফৰ মাজৰ পৰা গাটো উলিয়ায়।

কাষত ওলোমাই লোৱা মোনাটো তিতি যোৱাত ক্ৰমে গধুৰ হৈ উঠিল। কিন্তু একো ভয় নাই—সিহঁতে তিতা কেকো খাব। তাৰ ভৰি তিতিল, পায়জামাত পানী সোমাল। বৰফৰ ওপৰেদি অলপ দূৰ আহোঁতেই তাৰ তিতা কাপোৰবোৰ

গাত লিপিত খাই লাগি ধৰিলে। ৰৰফৰ নিৰ্ম্মম জোঙা আগ বোৰে তাৰ হাড়লৈকে বিন্ধিলে। চাছাই সমুখৰ ঠাইবোৰ ৰঙা-ক'লা দেখিবলৈ ধৰিলে। ইমান মূৰ কামুৰিছিল যে শিৰ চিগি ৰৰফৰ ওপৰত হোলোকাহোলোকে তাৰ তেজ পৰিব যেন লাগিল।

সি ভগা মাতেৰে খৰকৈ আহিবলৈ কোৱা শুনি চেভক্‌াৰ গাত যেন বেতৰ কোবহে পৰিল; আকৌ সি বেগ দিলে। কিন্তু কোনোবা এটা যে তাৰ পিচে পিচে আহিছে সেই কথালৈ চাছাই কেতিয়াবাই পাহৰিলে। সি মাথোন নিজক নিজে উদগাই দিছিল; কাৰণ তাৰ গা কেনেবা লাগিছিল, যেন চিৰদিনৰ বাবে সি তাত বাগৰি পৰিব।

চেভ্‌কা বহুত পিচ পৰিল। কিন্তু চাছাই জানিছিল যে সি যেনেতেনে বাটৰ কাষত ৰুটি থৈ আহিবই লাগিব। বন্দীবোৰক অকণমান খাবলৈ দিয়াৰ এয়ে শেষ সম্ভৱপৰ উপায়। সি যদি নোৱাৰে, তেনেহলে সিহঁতক ভস্মীভূত লেভেনেভকাৰ পৰা কডিৰ কাৰাগাৰলৈ খেদি নিব। সিহঁতৰ কাৰাগাৰৰ কথা মানুহে কোৱাকুই কৰা শুনা যায়—সেই তাঁৰৰ বেৰাৰ মাজত হেনো এটুকুৰা ৰুটি বা এচামোচ চুপ্পহাৰ অভাৱত শয়ে শয়ে মানুহ মৰি উপচি পৰিছে। ৰেড্‌ সৈনিক আৰু কডিৰ কাৰাগাৰৰ মাজত এতিয়া আছে—কেৱল চাছা। লৰাটোৱে ভাবিছিল যে এই খহটা কেকবোৰে মানুহবোৰক ৰক্ষা কৰিব—অনাহাৰত মৃত্যু হোৱাৰ পৰা সিহঁতক ৰক্ষা কৰিব।

আৰু এটা টিলা পাৰ হ'লেই পাবগৈ। খৰকৈ যাবলৈ চাছাই নিজকে নিজে উদগাবলৈ চেষ্টা কৰিলে; কিন্তু ৰৰফৰ মাজৰ পৰা ভৰিকিটা কণমপি উলিয়াই নিবৰহে তাৰ শক্তি

আছিল। গা বিষাবলৈ ধৰিলে; কাণৰ গুমগুমনি উঠিল, মুখেদি তেজ ওলোৱা অনুভৱ কৰিলে। বেগাই, বেগাই! তলৈলে চাপৰি সি বৰ কষ্টেৰে যাবলৈ ধৰিলে; হাত দুখন বুৰ যোৱা মানুহৰ দৰে এছাৰিবলৈ ধৰিলে। শেহৰ টিলাটো সি প্ৰায় বগুৱা বাই যোৱাদি গ'ল। এয়া, শেহত কিজানি সি বাটটো পালেহি!

হয়, সেইটোৱেই বাট; নিচেই ওচৰতে আছে। সেই বাটটোৱেদি জাৰ্ম্মাণবোৰে ৰেড্‌সৈনিকবোৰক লৈ গৈছে। চাছাই যেন দুখৰ সপোন এটাহে দেখিলে। সি বিশ্বাস কৰিব নোৱাৰিলে আৰু সি নকৰেও। কিন্তু ই দুখৰ সপোন নহয়। চাছা কিলাকুটিত ভৰ দি সেই দৰেই' অচলভাৱে বৈ থাকিল। তেনেহলে! সিহঁত তাৰ নিচেই কাষেদি পাৰ হৈ গ'ল। আহত মানুহবোৰে মদপী মানুহৰ দৰে থৰকবৰককৈ যাবলৈ ধৰিলে; জাৰ্ম্মাণবোৰ চিঞৰি গ'ল; পিচপিনে কোনোবা এটা বাগৰি পৰিল; কিন্তু ৰাইফ্‌লৰ কুন্দাৰ খুন্দা, গোৰ আৰু গালিয়ে তাক থিয় হবলৈ বাধ্য কৰিলে। চাছাই সিহঁতক 'কুচকাৱাজ' কৰি গৈ থকা দেখিলে; তাৰ নিচেই কাষেদি সিহঁত পাৰ হৈ গ'ল! বহুত পলম হ'ল। দুই বা তিনি মিনিটৰ বাবে তাৰ পলম হ'ল। ৰেড্‌সৈনিকবোৰৰ সমুখত জুৰি থকা নিৰ্জ্জন বগা বাটটো দূৰণিত মিলিলগৈ। তাৰ ওপৰত একো নাই; আছে কেৱল বৰফ। পানীয়ে সোপোকা কৰি গধুৰ কৰা কেকবোৰ মোনাৰ ভিতৰতে থাকিল। বন্দীবোৰৰ পৰা কেইখোজমান দূৰতে, তাৰ কাষৰ কাপোৰৰ মোনাটোত সেইবোৰ পৰি থাকিল! সিহঁতে আৰু সেইবোৰ খাবলৈ নেপালে। কাৰণ সি তিনিমিনিট মান পলমকৈ আহিল; বেছিকৈ দৌৰিব নোৱাৰিলে। তাৰ অকৃতকাৰ্য্যতাৰ

বাবেই সিহঁতে খাবলৈ নেপালে। মিস্কাৰ কথা তাৰ মনত পৰিল। এবা, মিস্কা হোৱা হ'লে সময়মতে পালেহিহেঁতেন। মিস্কা দৌৰি আহিব পাৰিলেহেঁতেন। এতিয়া সিহঁতক কণ্ডিলৈ খেদি নি কাঁটাৰ বেৰাৰ মাজত সুমাবগৈ ; সিহঁত জ্বাৰ আৰু অনাহাৰত মৰিব লাগিব ; কাৰণ সি......

তেতিয়া শেহৰ শাৰীটো পাৰ হৈছিল। সিহঁত পাৰ হৈ লাহে লাহে দূৰণিত নেদেখা হ'লগৈ। বাটটোৰ আৰু বৰফে পোতা অন্তহীন পথাৰবোৰৰ বগা চিকমিকনিটোৰ আগত সিহঁতক নেদেখা হ'ল। চাছাই বৰফৰ মাজত মূৰ গুজি সক্কতে কন্দাৰ দৰে কান্দিবলৈ ধৰিলে। তপত চকুলো বৈ গ'ল— বৰফৰ ওপৰত টোপাটোপে পৰিল, নাকেদি পানী ওলাবলৈ ধৰিলে ; তাৰ গোটেই মুখ তিতি গ'ল। তাৰ তিতা ভৰিকিটা শিল যেন চেচা পৰিল ; গাটো অতিপাত বিষাবলৈ ধৰিলে। সি উঠিব নোৱাৰিলে আৰু উঠিবৰ চেষ্টাও নকৰিলে। সিহঁত গুচি গ'ল ; কেৱল তাৰ তিনিমিনিট মান পলম হোৱাৰ বাবতে সিহঁত গ'লগৈ······

ভয়ানক জ্বাৰ। তেনে জ্বাৰৰ মাজত বাটেদি 'কুচকাৱাজ' কৰি যোৱা মানুহবোৰৰ কাৰণে চাছাই দুখ কৰিলে ; চালিৰ তলত সিহঁতে পুতি থোৱা 'মিছা'ৰ বাবে সি কান্দিলে ; আৰু কান্দিলে —গৰিলা বাহিনীত যোগ দিয়া তাৰ বাপেকৰ বাবে। কিন্তু প্ৰধানকৈ তাৰ কান্দোন উঠিল, নিজৰ অসমৰ্থতাৰ বাবত—সি একো কৰিব নোৱাৰিলে।

লাহে লাহে তাৰ গা বেছিকৈ চেচা পৰি আহিবলৈ ধৰিলে। কিন্তু, তালৈ তাৰ কাণসাৰ নাই......তাৰ মনত পৰিল জেভডকিম ককাই কোৱা সাধু এটালৈ। বহুত দিনৰ আগতে 'হোৱাইট গাৰ্ড' কিছুমান হাবিত ঘূৰি ফুৰিছিল। জাৰত ঠেঁকেচা লাগি

সিহঁতৰ সকলোবোৰ মৰিল। ৰেড্‌সৈন্য আহি যেতিয়া সিহঁতক হাত দাঙিবলৈ চিঞৰিলে, সিহঁত বহিয়েই থাকিল, অলপো লৰচৰ নকৰিলে। কেৱল জেভডকিমে ঘটনাটো গম ধৰিব পাৰিলে; সি সিহঁতৰ কাষ চাপি গ'ল। সিহঁত জীৱিত মানুহৰ দৰে বহি আছিল; কিন্তু আচলতে ঠেৰেঙা লাগি কাঠ যেন হৈ পৰিছিল। ...ইয়ালৈহে কোনো নাহে। তাক ইয়াত দেখিব বুলি বাৰু কোনোবাই সপোনতো ভাবিবনে? সি ইয়াতে পৰি থাকিব .....পৰি থাকিব. ....

"চাস্কা, উঠ, উঠ।"

সি শিয়ৰি উঠিল; মুখখন বৰফৰ মাজলৈ গুজি দিলে।

"কি হৈছে, বোপাই? উঠ, ভয়ানক বৰফ পৰিছে. ... নেকান্দিবি আকৌ, কান্দিবলৈ কিটোনো হৈছে?"

তাৰ কাষতে বহি মাকে লাহে লাহে গাত হাত ফুৰাই দিবলৈ ধৰিলে।

"এ আই, তই গোটেই তিতিলি! ব'ল, ঘৰলৈ ব'ল। মোৰো জাৰ লাগিছে; ইয়ালৈ আহোঁতে চাদৰখন তেনেই তিতি গ'ল। যাবলৈ বৰ টান......উঠ আকৌ!"

তাৰ মুখখন তুলি ধৰিলে। সি তাইলৈ চালে; চাছাৰ চকুপানীয়ে উপচি পৰিছে, বাহুকিটা উখহি গৈছে।

তাই দুখেৰে ক'লে "কি কৰিবি আৰু? নহ'ল নাই।" "মোৰ পলম হ'ল।"—চাছাই ফুচফুচাই ক'লে; উচুপনিত তাৰ মাত ভাগি গ'ল।

"একো কথা নাই, বোপাই। নহ'ল যেতিয়া নাই। ইমান বতাহ আৰু শিল-ধুমুহা দিছে! মই কোনো মতেহে তোৰ ওচৰলৈ আহিলোঁ। আহ, আমি যাওঁগৈ......" তাই তাৰ

বাহুটোত ধৰি টানিলে। অনিচ্ছুকভাৱে চাছা লাহেলাহে থিয় হ'ল। ।

"এইবাৰ নহ'ল, কিন্তু অহাবাৰলৈ নিশ্চয় আমাৰ সৌভাগ্য ঘটিব .....কেনেকৈ আগবাঢ়িব লাগিব তাক আমি পোনতে উপলব্ধি কৰিব নোৱাৰিলোঁ। ......আগলৈ সিইঁতে এইপিনেদি আমাৰ সৈন্য আনিলে আমি বৈ নেথাকোঁ ; আৰু বহুত দূৰ দৌৰিও নেযাওঁ। আমি ঘৰৰ ভিতৰত সোমাই থাকিম ; ইপিনে যি দুই এটা খোৱা বস্তু থাকে তাকে বাটত থৈ আহিম। আজি আমি গোটেইবোৰ উন্মাদ জনতাৰ দৰে বাহিৰ ওলাই আহিলোঁ ; চিঞৰ বাখৰ লগাই দিলোঁ ; ফলত লাভ একো নহ'ল ... কিন্তু কোনেনো জানিছিল বাৰু ?"

তলমুৱাকৈ চাছাই তাইৰ কাষে কাষে লাহে লাহে যাবলৈ ধৰিলে।

"চেভকা আধামৰা যেন হৈ ল'ৰি উভতি গ'ল। মই তাক তোৰ কথা সোধাত ক'লে বোলে তই বৰফত পৰি আছ .....তাতে সকলো এৰি দৌৰি আহিলোঁ.. ..নেকান্দিবি, তই জানো অসম্ভৱ কথা এটা কৰিব পাৰিবি......ইয়াত ইমান দ খালবোৰ আছে .. ..বহুত দিন এনে জাৰ পৰা নাই—'

যাওঁতে তাই বৰ কষ্ট পাইছিল, কিন্তু পুতেকক তাইৰ লগে লগে যাবলৈ সহায় কৰিবৰ মনেৰে তাই অনবৰত কথা পাতি যাবলৈ ধৰিলে।

"তই মোৰ পিচে পিচে আহ, সেইদৰে সুবিধা পাবি .. .."

সি দেখিলে যে সি আৰু চেভ্‌কা অহা বাটটোৰেদিয়েই সিহঁত উভতি গৈছে। সেই বাটেদিয়েই চেভকা উভতি গ'ল আৰু মাক ইয়ালৈ আহিল ; এতিয়া ই আৰু আগৰ নিচিনা হৈ থকা

নাই। তথাপি মাকে কৈছে যে এই বাটেদি যাবলৈ অসুবিধা। কিন্তু সিহঁতে এতিয়া চলাচল হৈ থকা বাটেদি গৈছে যদিও সি ভৰিকিটা কথমপি চোঁচোৰাইহে নিব পাৰিছিল। তাৰ বুটজোৰ যেন কেবামোনো গধুৰ হৈ পৰিল আৰু হাতমূৰবোৰো লো যেন গধুৰ হৈ পৰিল। তাৰ হাত, ভৰি আৰু পিঠিৰ হাড়বোৰ বিষাবলৈ ধৰিলে।

সিহঁত আহি বাটৰ ওপৰ পাওঁতে সি থৰকবৰক কৰি পৰি যাব খুজিছিল। মাকে হাত মেলি ধৰিলে। "বোপাই, কি হৈছে ?"

"এ ..কো ..না . ই" সি খোনাবলৈ ধৰিলে ; চকু জ্বলকৃতবক্ লাগিল, মূৰ ঘূৰাবলৈ ধৰিলে।

মাকে তাক কোলাত তুলি ল'লে।

"মা, তুমি এইখন কি কৰিছা ?"—সি বাধা দিবৰ চেষ্টা কৰিলে ; কিন্তু মাকৰ বাহুত মূৰ থোৱা মাত্ৰক তাৰ টোপনি আহিল। টোপনি যোৱা মুখখনলৈ চাই তাই হাঁহি এটা মাৰিলে।

"কি হ'ল ? কিবা ঘটনা হ'ল নেকি ?"—টাৰপিলিথাই চিঞৰি সুধিলে ; তাইৰ মুখত চকুলোৰ চিন আৰু মাতত উত্তেজনা ভৰা।

"নাই... ..লৰাটো একেবাৰে ভাগৰি গ'ল। বাটৰ কাষলৈকে খালডোঙৰ ওপৰেদি সি ওৰে বাটটো দৌৰি গৈছিল ......"

"সি সময় মতে পালেগৈ নে ?"

"নাই, কেনেকৈ পাব ?......তেনে বাটেদি যাবলৈ ডাঙৰ কাৰণেই টান ....."

তাই ফোপাবলৈ ধৰিলে ; খোজৰ গতি শিথিল হৈ পৰিল।

"তাক গধুৰ পোৱা নাই জানো ?"

"এৰা, গধুৰ নহবনো কিয় ?··· ··তাৰ ন বছৰ উকলি গ'ল।"

শুই থকা পুতেকক তাই বুকুৰ আৰু কাষলৈ চপাই আনিলে। আকৌ ক'লে "সি বিচনাত শোৱাদি শুই পৰিল। গৰপিনা, অকণমান সহায় কৰি দিয়াছোন ; নহলে মই দুৱাৰখন খুলিবকে নোৱাৰোঁ।"

টাৰ্পিলিখাই ডাংদাল তুলিলে। ঘৰৰ ভিতৰৰ পৰা এছাটি গৰম বতাহ ব'লে।

জিনাই চলচলীয়া চকুৰে সুধিলে "মা! চাছাৰ কি হ'ল ?"

"একো হোৱা নাই, সি শুইছে। নিচিঞৰিবি, নহলে সাৰ পাব।" লৰাছোৱালীবোৰে আচৰিত হৈ চিঞৰি সুধিলে "শুই আছে ?"

সিহঁতে তাইক বেৰি ধৰিলে ; তাই তাক বিচনাত শুৱাই দিলে, লাহেকৈ বুটজোৰ সোলোকালে, তিতা পায়জামাটো খুলিলে আৰু শুকান কাপোৰ এখনেৰে গাটো মোহাৰি দিলে।

চনিয়াই ক'লে "তোমাৰ চাদৰখন তিতিল। তোমালোক কলৈ গৈছিলা ?"

"একো কথা নাই, শুকাই যাব। তাৰ বুটজোৰ জুইৰ ওচৰত থগৈ।"

জিনাই নাকেৰে উজাই শুঙিবলৈ ধৰিলে ; বুটজোৰ লৈ গ'ল।

"মোনাটোত কি[illegible]ছে ?"

"কেক্, সেইবো[illegible]লৈয়াই পেলা।"

"সেইবোৰ পানীত তেনেই তিতিল।"

"কি হ'ল পিচে, তিতিলেও তইঁতে খাব পাৰিবি।"

"মোক দিবানে ?"—জিনাই সুধিলে ; হেপাহৰ চকুৰে তাই মোনাৰ পৰা উলিয়াই অনা সেই টেপ্‌টেপীয়া, মটীয়া ৰঙৰ কেক্‌বোৰলৈ চালে।

"কেলৈ নিদিম ? দুপৰীয়া তইঁতে তাকে খাবি। চনিয়া! সিহঁতক ভগাই দে। কেইটামান চাছালৈ থবি ; সাৰ পালে সিও খাবলৈ বিচাৰিব।"

হাতত তিতা কেক এটুকুৰা লৈ জিনাই মাকৰ কাষ চাপি গ'ল।

"এয়া তোমাৰ মা‥ ‥"

"সোণটো, মোক একো নেলাগে, ভোক লগা নাই‥‥"

তাই লৰাছোৱালী বোৰে খোৱা চাই থাকিল ; সিহঁতে বেঞ্চত সৰি পৰা টুকুৰাবোৰো হেপাহেৰে বুটলি লৈছিল। মৃত্যুৰ কৱলৰ মাজলৈ খেদি নিয়া সেই মানুহবোৰৰ হাতত কেকবোৰ নপৰিল। শোকে তাইক খুন্দা মাৰি ধৰিলে। সমুখৰ ৰঙা-ক'লা মুৰবোৰ কেকৰ ওপৰত ব্যস্তভাৱে দোঁ খাই পৰিল ; সৰি পৰা টুকুৰাবোৰ সৰু আঙুলিবোৰেৰে সিহঁতে সযত্নে চপাই পেলাইছিল ‥‥চাছাৰ বহুত পলম হ'ল‥‥বহুত পলম‥‥

লৰাটো গভীৰ উশাহ টানি শুই আছিল। তাৰ গাল দুখন গোলাপী। কিন্তু হঠাৎ মিছাৰ স্মৃতিয়ে তাইৰ অন্তৰত আঘাত দিলে।

কিন্তু পুতেকৰ মৃত্যুৰ পিচতে, [illegible]তোকৈ বেয়া আৰু ভয়ানক কিবা এটা অঘটন ঘটিল [illegible]ঠাৎ তাইৰ মনত খেলালে। আকৌ তাইৰ সমুখত সে[illegible] ভাহি উঠিল—বন্দীবোৰক ৰাইফ্‌লেৰে খুন্দিয়াই খেদাই নিছিল ; সিহঁতৰ

শুকান মুখবোৰ দেখিলে বুকু ভাগি যায়; ক'লা পৰা কোটৰৰ ভিতৰত সোমোৱা চকুবোৰ জ্বৰত ৰঙা হৈ উঠিছিল; শুদা ভৰিৰ পৰা তেজ ওলাই বৰফৰ ওপৰখন ৰঙা কৰি পেলালে। কটিৰ আশাত সিহঁতে খীন, হাতোবাৰ নিচিনা হাতবোৰ আগবঢ়াই দিছিল। কাষৰে কটিবোৰ সিহঁতলৈ ইমান দূৰৰ যেন হ'ল! বাটৰ ওপৰত দুটা মৰা মানুহ পৰি ৰ'ল......বুকুত গুলীৰ আঘাত লৈ মেজৰ ওপৰত পৰি থকা মিছাৰ দেহটোৰ ছবি এই দ্বিতীয় দৃশ্যৰ আগত জঁয় পৰি গ'ল।

তাই হাতেৰে মুখখন ঢাকিলে। বিচনাত লৰাটো টোপনিত লালকাল। তাইৰ আৰু চেকৰিখাৰ সৰু লৰা-ছোৱালীবোৰে কেক্ খাইছিল আৰু বেঞ্চৰ ওপৰত সৰি পৰা টুকুৰাবোৰ সযত্নে বুটলি লৈছিল। আগলৈ ভাগ্যত আৰু কি লিখা আছে? দিনে দিনে যাতনা বাঢ়ি শেহত কি হবগৈ? প্লেটন ক'ত আছে বাৰু? তাক আৰু তাই দেখিব জানো? মিছা চালিৰ তলত পৰি আছে। তাই প্লেটনৰ কোনো খবৰ নেপায়—কিজানি তাক কুকুৰৰ দৰে বিহ খুৱাই মাৰিলে, কিজানি সি মৰিলত বৰফৰ মাজত পুতি থ'লে...... ...অ'লেনা, লেভনিয়াক, সকলো গ'ল...কেৱল এমাহ পাৰ হৈছে; কিন্তু এই এমাহতে আজীৱন পাৰ হোৱা যেন লাগিল; এই চমু সময়ৰ ভিতৰতে ইমান বেজাৰ আৰু আতঙ্কৰ সূচনা হ'ল যে অনেক বছৰ পাৰ হৈ যোৱা যেন লাগিল......'কেবল এমাহ'—তাই আচৰিত হৈ ভাবিলে। কঠিয়া পাৰি, মৰণা ফুৰাই, তিচি গুটি বুটলি, আলু খান্দি তেনেকুৱা কত মাহ পাৰ কৰিছে! কত নিজঞ্জাল মাহ শান্তিৰ মাজেদি গৈছে! ইটোৰ পিচত সিটোকৈ সেইবোৰ অলক্ষ্য ভাৱে পাৰ হৈ বছৰৰ বুকুত মিলি গৈছে

আৰু এতিয়া ? মাথোন এটা মাহ ! এমাহতে আজীৱন পাৰ হোৱা যেন লাগিল। সেয়েই তাইৰ ওপৰত বৰ নোৱাৰা বোজা চপালে। তাইৰ স্মৃতিত যি ঘা লগালে সি আৰু নুশুকায়; সদায় তাইক কষ্ট দি থাকিব।......

চক্ খাই চাছাই সাৰ পালে। ঘৰত থকা দেখি সি আচৰিত হ'ল। তালৈ সি কেনেকৈ আহিল ? মাকে কোলাত তুলি লোৱা বা টোপনি অহা কথা তাৰ মনত নাই। খন্তেকৰ বাবে সি ওপৰৰ পিনে চাই থাকিল। হয়, এইটো সিহঁতৰে ঘৰ! সোৱা, জিনাই জুহালৰ ওচৰত গেনগেনীয়া মাতেৰে টপ্‌টপাই আছে। কোঠাৰ কেওপিনে তাৰ চকু গ'ল। মাকক বেঞ্চৰ ওপৰত কুজা হৈ বহি থকা দেখিলে—অচল ভাবে বহি, সমুখৰ পিনে একেথৰে চাই আছিল। কম্বলৰ তলত গৰম পাই সি ভৰিকিটা মেলি দিলে। তেতিয়াও যেন তাৰ আঙুলিবোৰত খোচা-বিন্ধা কৰি আছিল; কিন্তু মধুৰ ক্লান্তি এটাই তাৰ গোটেই গা আবৰি ধৰিছিল। কম্বলৰ উম লৈ আৰু মূৰৰ তলত কোমল গাৰুটো পাই তাৰ ভাল লাগিছিল।

"মা তুমি কি ভাবিছা ?"

তাই উচাপ খাই উঠিল আৰু তৎক্ষণাৎ তাৰ পিনে উভতি চালে। "তই সাৰ পালিয়েই নেকি ?"

"এৰা, মোৰ আৰু শুবৰ মন যোৱা নাই।"

"তেনেহলে আৰু অলপ সময় পৰি থাক। গাটো ভালকৈ গৰম হওক......তই তিতিবুৰি তেনেই ঠেৰেঙা লাগিছিলি।"

লৰাটোৰ গাৰ পৰা কম্বলখন সৰি পৰা দেখি তাই টানি দিলে আৰু তাৰ পিচত, তাৰ প্ৰশ্নটো তেতিয়াহে শুনা যেন

দেঁখুৱাই ক'লে "বোপাই, আমাৰ মানুহবোৰ কেতিয়া আহিব তাকে ভাবিছোঁ। ....."

চকুকিটা বৰকৈ মেলি সি তাইলৈ চাই থাকিল।

"ইয়ালৈ ? আমাৰ গাৱঁলৈ নেকি ?"

"হয়, আমাৰ ইয়ালৈ......"

তাইক বিশ্বাসত গোপনীয় কথা এটা কোৱাদি সি ফুচফুচাই ক'লে "আৰু ৰুডিলৈ সিহঁত যাবনে ?"

"নিশ্চয় ৰুডিলৈকো যাব.. ..সিহঁত সকলোঠাইলৈ যাব, নিপৰবো পাৰ হৈ যাব; প্ৰত্যেক গাৱঁ, নগৰে বিয়পি পৰিব......সীমা পাৰ হৈ যাব; য'তে জাৰ্ম্মাণৰ হাতত মানুহে মৃত্যুৰ যাতনা ভুগিছে, সেই সকলো ঠাই, সকলো দেশলৈকে সিহঁত যাব।"

"আৰু দেউতা ঘৰলৈ আহিবনে ?"

"আহিব সোণ, তেওঁ ঘৰলৈ আহিব! হাবিৰ পৰা গৰিলাবোৰ ঘৰলৈ উভতি আহিব।"

"আৰু সকলো কথা আগৰ দৰে হবনে ?"

"সকলো কথা আগৰ দৰে হব। হব, বোপাই! আনকি আগতকৈ ভালহে হব।"

তাইৰ কথা বন্ধ হ'ল; নিৰৱে বহি থাকি চিন্তাত নিমগ্ন হ'ল। সকলো কথা আগৰ দৰে হোৱা সম্ভৱপৰ হবনে ? ঘৰৰ মুখত বেলিফুলবোৰ গজি উঠিব জানো ? আকৌ ফুলনিত, লাইভাই নগৰৰ পৰা অনা গুটিৰ, ৰঙা হলিহুকবোৰ ফুলিব নে ? আনন্দত কলকলাই লৰাছোৱালীবোৰে আকৌ স্কুললৈ লৰ ধৰিব জানো ? গৰম কালি আহিলে জিনাই স্কুললৈ গৈ নাচ গান শিকিবনে ? আকৌ ঘৰত ৰুটিৰে উভৈনদী হব, ঘটে ঘটে

গাখীৰ উপচি পৰিব আৰু গধূলি হ'লে সিহঁত ক্লাবলৈ যাব ..... এইবোৰ আকৌ হব জানো ? সকলো আকৌ আহিব। গাওঁভুঁই চাৰখাৰ কৰি দিয়া সত্বেও আহিব। অৱশ্যে মিন্টুক্ৰা আকৌ স্কুললৈ নেযায়, পথাৰত মিটিয়া লেভনিয়াকে আৰু গান নেগায়, ট্ৰেক্টাৰৰ চকৰীৰ কাষত অলেনা আকৌ নবহে, ভেচিয়া ক্ৰেভচাকলৈ আৰু গাৱঁৰ ছোৱালীবোৰে প্ৰেমৰ চকুৰে নেচায়। কিন্তু গাৱঁৰ জীৱনৰ সামৰণি নপৰে ; ই জাগ্ৰত থাকিব আৰু সমৃদ্ধিৰ পথত আগবাঢ়িব। বছৰ উকলি যোৱাৰ লগে লগে পথাৰৰ ঘেঁহুবোৰ ক্ৰমে বাঢ়ি যাব, নতুন গছবোৰ ফলেৰে উপচি পৰিব, সমূহীয়া পামৰ গৰুৰ গাখীৰেৰে কঁৰীয়াবোৰ আগতকৈও বেছিকৈ ভৰি উঠিব আৰু আগতকৈও সৰহ ডেকা চহৰলৈ পঢ়িবলৈ যাব। কেৱল সিহঁতৰ এটা বস্তু থকা আৱশ্যক—সহ্য, ধৈৰ্য্য ; জগতৰ সকলো বস্তুৰে বিনিময়ত হ'লেও কেতিয়াও আত্মসমৰ্পণ কৰিব নোৱাৰে।

পজাত ৰঙা পোহৰ এটা বিয়পি পৰিল। বেলি মাৰ গৈছে ; তুলিকাৰ সকলো ৰঙেৰে আকাশখন বোলাই পেলাইছে। খিড়িকীত বৰফ গোট মাৰি হোৱা অলীক গছপাতৰ চানেকিবোৰ দাঁতিত সোণালী পাৰি লগোৱা গোলাপৰ দৰে জিলিকি উঠিল। বেগেতে আকাশখন অন্ধকাৰে আবৰি ধৰিলে, ছাঁবোৰ খোপমৰা হৈ উঠিল। দিগন্তৰ বুকুত মাৰ যোৱা বেলিৰ শেষ ৰহনকণ মোচ নৌখাওঁতেই বৰফৰ দৰে শীতল আৰু ৰূপালী জোনটোৱে অসীমৰ যাত্ৰাত পাৰি দিলে। জোনালীৰ কাষত বেলিৰ শেষ ৰহণ মাৰ গ'ল ; অচল আকাশৰ বুকুত শাৰী শাৰী চকচকীয়া পোহৰে দেখা দিলে। কিন্তু সেইদিনা গধূলি এটা অভেদ্য বিমৰ্ষতাই সকলোৰে অন্তৰ ছাটি ধৰিছিল ; এনে গভীৰ আৰু নিজান বিমৰ্ষতা সিহঁতে কেতিয়াও

অনুভৱ কৰা নাছিল। তেতিয়াও বাটত খোজৰ শব্দ মাৰ নগল। তেতিয়াও বন্দীবোৰ গাঁৱৰ মাজেদি গৈ থাকিল। জ্বৰ আৰু ভোকৰ জুয়ে দেইপুৰি নিয়া শেঁতা মুখৰ, জকা যেন হোৱা সমদলটোৰ যাত্ৰাৰ ওৰ নপৰিল। সিহঁতৰ ফটা ভৰিয়ে বৰফৰ ওপৰত এটা তেজৰ পটি কৰি গ'ল। সিহঁতৰ হুটা আৰু মিনতি ভৰা—ৰুটি খোজা—চিঞৰটোৱে, তেতিয়াও ঘৰে ঘৰে প্ৰতিধ্বনিত হৈ উঠি, মানুহৰ চকুৰ টোপনি কাঢ়ি নিছিল। তেতিয়াও কোটৰত সোমোৱা, উন্মত্ত চকুবোৰে যেন মানুহ.বোৰলৈ চাই আছিল। সিহঁতে বুকুৰ ধপধপনিৰ মাজত জাৰ্ম্মাণ-ৰাইফ্‌লৰ কুন্দাৰে খুন্দিওৱা শব্দ অনুভৱ কৰিছিল; বন্দীবোৰক খেদি নিয়া সৈন্যবোৰৰ চিঞৰৰ ধ্বনিয়ে সিহঁতৰ গাত চাবুকৰ কোব মৰাদি মাৰিছিল।

'চহাবোৰে বুকুভগা কান্দোন জুৰিলে
টাৰ্কৰ দাসত্বৰ শিকলি পিন্ধোতে.. .'

এই গানটো কেতিয়াৰ বাৰু? কি হৈছিলনো? টাৰ্কৰ দাসত্ব; দূৰৰ সাগৰত টাৰ্কৰ বন্দীয়ে নাৱৰ বঠা মাৰি ফুৰিছিল; মূৰৰ ওপৰত টাৰ্কৰ আঁকোৰা তৰোৱাল সাজু হৈ আছিল। নহয়, আনকি নেজিনৰ পৰা খেইভলৈকে জোৰা শাৰী শাৰী পিঙত পেন পটস্কিয়ে খেতিয়কবোৰক শূলত দিয়াও ইয়াৰ সমান নহয়। নাইবা, ইউক্ৰেনত টাটাৰৰ দীৰ্ঘকাল জোৰা উপদ্ৰবো ইয়াৰ সমান নহয়। আজি ইউক্ৰেনে তাতোকৈ বেছিকৈ তেজ আৰু জুইৰ অৱদান ভোগ কৰিছে; সঙ্গীতৰ ধ্বনিত ফুটা, ইউক্ৰেনৰ অতীত দুখৰ কাহিনীতকৈ আজিৰ দুখ বহুত বেছি। মানুহৰ এই স্মৃতিৰ পট কেতিয়াও মলিন নহয়।

আজি নিপৰৰ দুয়ো পাৰে আৰু বিশাল ইউক্ৰেন জুৰি যি

ঘটিব লাগিছে, তাক কেতিয়াবা সঙ্গীতে ফুটাই প্ৰকাশ কৰিব পাৰিব জানো ? মহামাৰীৰ দৰে, ঢলৰ দৰে, কোবাল বা-মাৰলীৰ দৰে, দেশজুৰি বিয়পি পৰা সেই দুখৰ দিনবোৰৰ কথা জানো কোনো সঙ্গীতে বুকুত ভাৰ বৈ নিব পাৰিব ? তেজৰ ঢল, ফাঁচীকাঠৰ কেৰ্‌কেৰণি, লৰা ছোৱালীৰ বিননি, হেজাৰ হেজাৰ মানুহৰ মৃত্যু, গাঁৱৰ ওপৰত ভাহি উঠা ধোৱাঁৰ ক'লা টৌবোৰ, অসংখ্য মৰিশালি, কড়ি আৰু আন অসংখ্য ঠাইৰ কাঁটা তাৰৰ বেৰাৰ মাজত ধ্বংস পোৱা ডেকাবোৰ—এই সকলোবোৰৰ কথা কোনো সঙ্গীতে প্ৰকাশ কৰিব পাৰিব জানো ? আৰু যি গানে মানুহৰ তেজ আতঙ্কত গোট মাৰি নিব, তেনে গান কোনে গাব বাৰু ?

বাটেদি 'কুচ-কাৱাজ' কৰি যোৱা মানুহবোৰৰ দৃশ্যটো মনৰ পৰা আঁতৰাবৰ মনেৰে তিৰোতাবোৰে ভাবিবলৈ ধৰিলে—"নহয়, এনে গান কেতিয়াও হব নোৱাৰে। ঘৰবাৰী মেৰামত কৰোতে আমি হাতে কামে লাগিম। দূৰণিৰ পথাৰলৈকে আমি কঠিয়া সিচিম ; বতাহত ঘেহুঁবোৰে সাগৰৰ টৌৰ দৰে উঠা নমা কৰিব। ঘেহুঁৰ সোণালী ৰঙেৰে, বেলিফুলৰ জেউতিৰে, জাতিস্কাৰ ফুলনিৰ বগা আৱৰণেৰে আৰু শনৰ ওখ গছনিৰে আমি তেজেৰে ৰাঙলী হোৱা গোটেই ধৰণী ঢাকি পেলাম। কৃষ্ণ সাগৰৰ বুকুলৈ বৈ যোৱা নদীৰ পাৰত তেতিয়া জাৰ্ম্মাণ-অস্তিত্বৰ কোনো চিন নেথাকিব।"

গাৱঁৰ মানুহবোৰ শুলে ; কিন্তু এই অৱসাদ ভৰা, অসুখীয়া টোপনিয়ে কাৰো চকুলৈ জিৰণি নানিলে, কাৰো অন্তৰত শান্তি নিদিলে, কাকো সুস্থিৰ নকৰিলে। মাজে মাজে উঠি উঠি মেলিয়াচিখাই লৰাছোৱালীবোৰলৈ চাবলৈ ধৰিলে। চাছাই টোপনিতে চটফটাই উঠি বিৰবিৰাই বকি আছিল।

"সোণটো"

চক খাই সি সাৰ পালে "কি হৈছে ?"

"উঠ, তই বেয়া সপোন দেখিছ হব পায়।"

উদাস ভাবে মাকলৈ চাই সি বাগৰ সলালে। থিতাৰে তাৰ টোপনি আহিল। আকৌ দুঃস্বপ্নই তাক আমনি কৰিবলৈ ধৰিলে ; যেন বুকুত হেচা মাৰি ধৰি তাক কষ্ট দিলে।

বিচনাত ইকাটি সিকাটি কৰি বেনিয়াচিখাই কেঁকাবলৈ ধৰিলে। তাইৰ গোটেই গা বিষালে, পেট বিষত টনটনাই উঠিল। কিন্তু সেইবাবে তাই শুব নোৱাৰা হোৱা নাছিল ; সেই ডাঢ়িয়ে-গোফে ভোবাকাৰ হোৱা চেৰেলা মুখবোৰে আৰু তেজেৰে ৰাঙলী হোৱা ফটাকানিৰে বেগেজ কৰা মানুহবোৰৰ জুইৰ দৰে ৰঙা চকুবোৰেহে তাইক শুবলৈ দিয়া নাছিল।

গ্ৰখেচৰ বাহিৰে কাৰাগাৰত কোনো শোৱা নাছিল। মালাছাই একমনেৰে, নিৰাশ ভাবেৰে তাইৰ চিন্তাৰ জাল বৈছিল। আৰু এদিন গ'ল, কিন্তু একো পৰিবৰ্ত্তন নহ'ল। পিয়াহত শুকাই যোৱা ওঁঠবোৰ ফাটি গ'ল ; ইপিনে তাইৰ চকুৰ আগত সেই দিনটো ভাহি থাকিল। হয়, হয়, সেই ঘটনা নিশ্চয় হৈছিল..... সিপিনে গাঁৱত অঘটন ঘটিব লাগিছে ; কিজানি মানুহৰ মৰা জীয়াৰ লেখ নোহোৱা হৈছে—কাৰণ দিনত বাটৰ ওপৰত গুলীৰ শব্দ শুনা গৈছিল ; আৰু জাৰ্ম্মাণবোৰেতো এনেয়ে নুগুলীয়ায়। নিশ্চয় মানুহ মৰিছে। কেৱল তাইহে এতিয়াও জীয়াই আছে। তাই জীয়াই আছে, বেৰত আঁউজি বহি আছে আৰু তাইৰ গৰ্ভত জাৰ্ম্মাণ-আবৰ্জ্জনাটোক—জাৰ্ম্মাণ-পোৱালীটোক—পোষণ কৰিছে।

জেভড'কিমে হুমুনিয়া কাঢ়িলে আৰু সি থকা বেৰথনৰ

কাষত বাগৰ মাৰিলে।

চেকৰিথাই সুধিলে "তোমাৰ টোপনি অহ' নাইনেকি ?"

"নাই……মোৰ শুবৰ মন যোৱা নাই……তদুপৰি ইয়াতনো আৰু কি বেঁছি পৰ শুবা! তুমি নিজেই দেখোন শুব পৰা নাই… .."

"সিইঁতেনো কাক গুলীয়াইছে মই তাকেহে ভাবিছো। ক'ৰবাত ওচৰতে গুলীয়াইছে।"

"ওচৰ নে দূৰ কব নোৱাৰি…..বেৰখনৰ বাবতে সেইপিনৰ পৰা অহা যেন লাগে. ….গিৰ্জ্জাৰ সিমূৰতকৈ ওচৰ হব বুলি মোৰ মনে নধৰে।"

"জানো…"

অলগা পেলেন্‌চাকে লাহেকৈ মাত লগালে "বাহিৰ ওলালে আমি গম পাম।"

চেকৰিথাই তাতে হযভৰ দিলে।

এটা কথাত আনৰ সমৰ্থন শুনিবলৈ, ছোৱালীজনী বৰ উৎকণ্ঠিত হৈ পৰাটো স্পষ্টভাৱে ওলাই পৰিছিল। সিইঁতে নিশ্চয় ওলাই যাবলৈ পাব; জাৰ্ম্মাণ চিপাহীদলে সিইঁতক গুলীয়াই মাৰিবলৈ উলিয়াই নিনিয়ে; কিন্তু সিহঁতে মুক্ত হৈ গাৱঁৰ মাজত— মুক্ত মানুহৰ লগত—কথা পাতিবলৈ পাব— এইবোৰ কথাত তাই আনৰ সমৰ্থন বিচাৰিছিল। তাই হুমুনিয়া কাঢ়িলে।

"ককা, আমাৰ টোপনি নাহে যেতিয়া তুমি গল্পকে কোৱা। তেতিয়া সময় বেগেতে পাৰ হব।"

চিন্তাশীল ভাবে সি ক'লে "কি কওঁনো? তাৰোপৰি মোৰ সাধু কবৰ মন যোৱা নাই……"

অলগাই ক'লে "তেনে এটা গানকে গোৱা।"

"তুমি যে কিখন ভাবা! কথাটো শুনা! ইয়াতনো 'গান গায়নে?"

"কেলৈ নেগায়? সকৰৈকে গোঁৱা, সিহঁতে শুশুনে।"

সি পকাচুলীয়া মূৰটো জাঁওজাই বহিল।

"বেছ তেনেহলে, মই গাম... মোৰ ককাই গোৱা পুৰণি গান এটা গাম. . আৰু তেওঁ এইটো শিকিছিল তেওঁৰ ককাকৰ পৰা। এইটো বৰ পুৰাণ গান; ইউক্ৰেনৰ সমান পুৰণি হব।

"আজি ধৰণীৰ ক'তো নাই পুণ্যৰ জীৱন;
মাথো, দেশজুৰি সকলোতে পাপৰ শাসন,
অন্তৰত আশা পুহি সজ জীৱনৰ
কৰিব লাগিব যুজ বাহু আৰু বুধিৰ বলেৰে
কৰিব লাগিব যুজ পুণ্যৰ কাৰণে!

আৰু কিন্তু গাব নোৱাৰোঁ! বহুত দিনৰ আগেয়ে মানুহে এইটো 'বেন্দুৰা' বজাই গাইছিল।"

"অ, দহোকুৰি, গোঁৱা, বেন্দুৰা নোহোৱাকৈয়ে গোৱা. . ই ইমান কৰুণ নহয় . "

'দিয়া প্ৰভু সিজনক সুমতি মনত
পুণ্যৰ কাৰণে যেয়ে নামিছে ৰণত. ..

চেকৰিখাই তাকে দোঁহাৰি ফুচফুচাই ক'লে—"হে প্ৰভু, যি পুণ্যৰ ৰণত নামিছে, তাৰ মনত সুমতি দিয়া।'

বুঢ়াই কঁপোৱা সুৰেৰে পুৰণা গানটো গাবলৈ ধৰিলে। ই শিকলিৰ বান্ধোনৰ মাজত থকা মানুহে দুৰ্দ্দিনৰ বিষাদত গোৱা গান। দাসত্ব আৰু উৎপীড়নৰ মাজত এন্ধাৰ নিশা চকুলো

টুকি গোৰা গান। এই পাহৰা গানটো জাগ্ৰত ভাবে পাৰ হৈ গৈছিল ; যেতিয়া মুক্ত ইউক্ৰেণত বেলি ফুলেৰে উপচি পৰিছিল তেতিয়া এই গান নিস্তব্ধ আছিল আৰু তাৰ ঠাইত নতুন জীৱনে নতুন গানৰ সূচনা কৰিছিল।

কিন্তু এতিয়া— বন্ধ কোঠাটো এন্ধাৰ-ভৰা ; গাৱঁৰ মাজত এটা ১৬ বছৰীয়া ডেকাৰ শ ফাঁচীশালত ওলমি আছে, খালত মৰাশ পৰি আছে ; বৰফৰ তলেদি এজনী তিৰোতাৰ মৰা শ পানীয়ে উটাই নিছে ; ঘৰে ঘৰে মৃত্যুৰ জালে ছাটি ধৰিছে। আজিৰ এই দিনত সেই পুৰণি গানে আগৰ দৰেই কৰুণ ধ্বনি তুলিছে, শ শ পুৰণি বছৰৰ দৰে আজিও বেজাৰেৰে উপচি পৰিছে।

'দিয়া প্ৰভু সিজনক সুমতি মনত
পুণ্যৰ কাৰণে যেয়ে নামিছে ৰণত……

জেভড'কিমৰ গানৰ ধ্বনি লাহে লাহে মাৰ গ'ল। সিহঁতে কলমতিয়াবলৈ ধৰিলে, মূৰবোৰে ক্ৰমে তললৈ দুপিয়াবলৈ ধৰিলে।

৯

ফেডচিয়া ক্ৰেভচাক চক খাই সাৰ পাই উঠিল, যেন কোনোবাই তাইক গা জোকাৰিহে তুলি দিলে। তাই বিচনাত বহিল। বুকুৰ ইমান ধপধপনি উঠিল যেন গোটেই খন ফাটি পৰিব। তাই ফোঁপাবলৈ ধৰিলে আৰু একেথৰে কাণ পাতি থাকিল।

তাইক কিহে জগালে ? আৰু তাইৰ টোপনি আহিল কেতিয় ? তাই ভাবিছিল তাইৰ আৰু কেতিয়াও টোপনি নাহে ; পিচে হঠাতে টোপনি আহিল। গভীৰ টোপনিৰ পৰা কিহবাই তাইক জগাই তুলিলে। কিহে বাৰু ?

কোনেও দুৱাৰত টুকুৰিওৱা নাই। গোটেই'খন নিটাল মাৰি আছে। আনকি জাৰ্ম্মাণটোৰ নাকৰ ঘেঁটঘোটনিয়েও নিশাৰ নিৰৱতা ভঙ্গ কৰা নাই। নিশ্চয় ৱাৰ্নাৰে অফিচত আনদিনাৰ দৰে পলম কৰিছে আৰু এতিয়াও উভতি অহা নাই। তথাপিও তাই নিজে সাৰ পোৱা নিজে নাই। কিহবাই তাইক হঠাতে জগাই তুলিলে। সেইবাবেই তাইৰ বুকুখন ইমান উতলা ভাবে ধপ্‌ধপাবলৈ ধৰিলে।

তাই বিচনাত আকৌ দীঘল নিদিলে, একেথৰে কাণ থিয় কৰি বহি থাকিল। ঘৰৰ বাহিৰে ভিতৰে সকলো নিৰৱ হৈ আছে। গধূলিৰ পৰা বতাহো মাৰ গ'ল। আকৌ নিশাটো পৰিষ্কাৰ হৈ পৰিল। ৰামধেনুৰ দৰে ৰং ঢালি জোনে আকাশৰ বুকুত নাও মেলি দিলে; খিড়িকীৰ ছাঁটো মাটিত স্পটভাবে পৰিল। বৰফত ঢাক খোৱা খিড়িকীৰ আয়নাখনৰ বগা আবৰণটোৰ সমুখত ঘটত থকা 'জিৰেণিয়াম্' ফুলজোপা দোৰ্ঘোৰ ক'লা যেন দেখা গৈছিল

হঠাৎ খিড়িকীৰ বাহিৰ পিনে কিবা এটাই লৰচৰ কৰা দেখা গ'ল। টেটু চেপি ধৰা যেন শব্দ এটা হ'ল; হুটা মাতৰ চিঞৰ এটা হঠাৎ বন্ধ হৈ গ'ল—ডিঙিৰ কাষৰ পৰা ওলাবলৈ বাট নেপাই আকৌ উভতি গ'ল। ফেডচিয়া বিচনাৰ পৰা জাপ মাৰি উঠি গ'ল আৰু শুদা ভৰিৰে বাৰাণ্ডালৈ লৰ ধৰিলে। কঁপাহাতেৰে তাই দুৱাৰৰ শলখাটো খেপিয়াবলৈ ধৰিলে; কিন্তু দুৱাৰখন খোলা আছিল। তেনেহলে ৱাৰ্নাৰ এতিয়াও অহা নাই। কাৰণ শলখাটো ভালকৈ বন্ধ কৰি যাবলৈ সি কেতিয়াও নেপাহৰে।

তাই দুৱাৰখন খুলিলে। ক'লা ছাঁৰ কিছুমান ঘূৰা-পকা কৰি ফুৰিছে;

"কোন ?"

তাই সোধা নাছিল। তাত সেয়া কোন, তাই বুজিলে। টোপনিৰ পৰা চক খাই উঠা মুহূৰ্ত্তেতে তাই সেই কথা জানিলে ; ধপধপোৱা বুকুখন হেচা মাৰি ধৰিলে। তাই ফুচফুচাই ক'লে "মইহে, ঘৰৰ গিৰিহঁতনী। লৰাহঁত! মনে মনে থাকা। সি ইয়াত নাই . . ."

ইতিমধ্যে সিহঁত চালিৰ তল পালেহি। তাই সৰু চোৰাং-চোৱাটোক চিনি পালে।

"সি এতিয়াও অহা নাই ; নিশ্চয় অফিচত আছে।"

"বাৰু, তেনে, ভিতৰ সোমাবৰ কোনো আৱশ্যক নাই। আহাঁ, ভাইহঁত! আমি সেনাপতিৰ অফিচলৈ যাওঁ।"

ফেডচিয়াই ক'লে "ৰবা। ৰবা। কিন্তু তাই হ'লে আছে!"

সেনাপতিয়ে টপৰাই সুধিলে "কোন 'তাই' ?"

"জাৰ্ম্মাণটোৰ ৰক্ষিতাজনী।"

"অ' সেইটো! সেই মানুহজনী লৈ মূৰ ঘমাবৰ আমাৰ এতিয়া সময় নাই। এই জাৰ্ম্মাণ তিৰোতাজনীক কি কৰিব লাগে তাৰ দিহা আমি কাইলৈ কৰিম।"

ফেডচিয়াই খংমুৱাকৈ ক'লে "তাই জাৰ্ম্মাণ নহয়, আমাৰে এজনী।"

"হয়নেকি ? তেনেহলে বেলেগ কথা দেখোন! তাই ক'ত আছে ?"

"তাইৰ কোঠাত শুই আছে।"

সেনাপতিয়ে মুখ বিকটালে।

"বাৰু, তাইক এবাৰ চোৱা যাওক. ....আমাক চাকি এটা দিবপাৰিবানে ?"

"চন্তৰীটোৰে দেখিব।"

"আই, আৰু চন্তৰী নাই।"

"বাৰু তেনে, মই চাকিটো জ্বলাই দিওঁ।"

কঁপাহাতেৰে তাই জুইশলা খেপিয়াবলৈ ধৰিলে। সিহঁত ৰেড সৈনিকবোৰ আহিল! অৱশেষত, বহুত দিনৰ মূৰত সিহঁত ওলালহি!

সৰু চোৰাংচোৱাটোৱে তাইক এটা জুইশলা-বাঁহ দিলে। তাই চাকিটো জ্বলাই শলিতাগছ বঢ়াই দিলে।

"সেনাপতিৰ অফিচত জামিন স্বৰূপে আমাৰ পাঁচোটা মানুহক আটক কৰি ৰাখিছে।"

"কোনো চিন্তা নকৰিব, আই। ইতিমধ্যে আমাৰ মানুহ সেইখিনি পালেগৈ। সিহঁতক উলিয়াই আনিব। কোনো হৈ চৈ নকৰাকৈ আমি সেনাপতিক ধৰিব খুজিছিলোঁ।......"

"উপায় নাই, আজি সি ইয়ালৈ নাহিল। মোৰ মনেৰে সিহঁতৰ কাম ঠাহ খাই পৰিছে।"

কেৰ্‌কেৰাই উঠে বুলি তাই খুব সাৱধানেৰে দুৱাৰখন মেলিলে। ৰেডসৈনিকবোৰ লাহে লাহে খোজ পেলাই তাইৰ পিচে পিচে কোঠালৈ সোমাই গ'ল। বিচনাত পোহৰ পৰিবৰ কাৰণে তাই চাকিটো ওপৰলৈ তুলি ধৰিলে।

পুচিয়াই সাৰ পালে আৰু কাৰ্ট আহিছে বুলি ভাবি তন্দ্ৰা অৱস্থাতে কিবা ভোৰভোৰাই উঠিল।

হঠাৎ সেনাপতিয়ে ফেডচিয়াৰ হাতৰ পৰা চাকিটো কাঢ়ি লৈ বিচনাৰ কাষলৈ আগবাঢ়ি গ'ল আৰু ভয়ানক মাতেৰে সুধিলে "কোন এই?"

ফেডচিয়াই বুজাই ক'লে "সেনাপতিৰ ৰক্ষিতা, আমাৰে মানুহ, নগৰত থাকে।"

চাকি লোৱা মানুহটোলৈ পুচিয়াই আতঙ্ক ভৰা চকুৰে একেথৰে চাই থাকিল। কান্ধৰ পৰা নীলা সাজটো খহি পৰি তাইৰ সৰু স্তনটো উদং কৰি দিলে। তাই ভৰিকিটা কোচাই পেলালে আৰু অজানিত ভাবে অতি লাহে লাহে বিচনাৰ কাষলৈ হুঁহকি গ'ল; তাই যেন লুকাব খুজিছে, যেন বেৰৰ ফাটৰ মাজত তাই আঁৰ হব। সেনাপতি কঁপিবলৈ ধৰিলে। চাকিৰ পোহৰত, ৰঙা ৰঙেৰে বোলোৱা, পুচিয়াৰ আঙুলিবোৰ তিৰবিৰাই উঠিল; মুহূর্ত্তৰ কাৰণে শেঁতা ওঁঠ দুটাৰ মাজত বগা কাগজৰ নিচিনা তাইৰ জোঙা দাঁতবোৰ জিলিকি উঠিল।

"চে ৰি ও ঝা......"

ফুচফুচনিটো বতাহত উঠা পাতৰ খচ্মচনিতকৈও মৃদু; কিন্তু তথাপি চেৰিওঝাই শুনিলে। নাইবা তাইৰ লৰচৰ কৰি উঠা ওঁঠ দুটাৰ পৰা সি তাৰ নামটো বুজিলে। তাৰ কঁপনি বন্ধ নহল। নিজক ঢাকিবৰ চেষ্টা কৰাৰ দৰে পুচিয়াই তাইৰ থীন হাতখন দাঙিলে; দেখাত নখবোৰ তেজত জুবুৰি ওৱা যেন হৈছিল। তাইৰ ঘূৰণীয়া চকুকিটাত আতঙ্ক ফুটি উঠিছিল। বিচনাখন বৰ ডাঙৰ যেন হৈ পৰিছিল; তাই এচুকত পুতলাৰ দৰে কুচিমুচি আছিল; নীলা ৰেচমৰ সাজটোৰ মাজেদি উদং স্তনটো ওলাই পৰিছিল; নিশা পিন্ধা সাজটোৰ পাতলিৰ তলত তাই ভৰি-কিটা কোঁচাই পেলাইছিল।

বাহিৰত ক'ৰবাত গুলী মৰা শব্দ শুনা গ'ল। ফেডচিয়াই ক'লে "সেইয়া, সেনাপতিৰ তাত।"

ঠিক সেই মুহূৰ্ত্ততে আন এফালৰ পৰা গুলীৰ শব্দ আহিল, তাৰ পিচত আহিল আৰু এফালৰ পৰা। এতিয়া কেওপিনৰ পৰা গুলী চলিল!

চাৰজিয়ে তাৰ ৰিভলভাৰ তুলি ললে বলা। চকুৰ পলক নেপে-লোৱাকৈ তাৰ সুপৰিচিত এই ক'লা চকুযোৰলৈ সি থৰ 'হৈ চাই থাকিল। এটা ডাঙৰ শব্দ হ'ল। পুচিয়াৰ গাটো জোকাৰ খাই উঠিল। ওঁঠ দুটা মেল খাই যোৱাত জোঙা দাঁতবোৰ জিলিকি পৰিল। তাইৰ চকুকিটা অসম্ভৱ ভাবে ওলাই পৰিল আৰু তাৰ পিচতে জ্যোতিহীন হৈ অচল হৈ গ'ল।

চাৰজিয়ে হুকুম দিলে "সেনাপতিৰ তালৈ বলা।" সিহঁতে দুৱাৰদলি আৰু পাকঘৰৰ বাণ্টিত উজুটিয়াই জোনৰ পোহৰত তিৰবিৰাই থকা ৰূপালী বাটৰ অভিমুখে লৰ ধৰিলে।

গাৱঁত ভয়ানক যুদ্ধ চলিল। সিহঁতে ঘৰৰ ভিতৰৰ পৰা শব্দ শুনা প্ৰথম গুলীটো মাৰিছিল জেভিয়াচে; শত্ৰুৰ কামান-বহৰ অধিকাৰ কৰিবলৈ বিস্তাৰিত বিৱৰণ লবলৈ অহা দলটোৰ ভিতৰত সিয়ো আছিল।

শুই থাকোতেই সেনাপতিক ধৰিবৰ মনেৰে চাৰজি আৰু তেওঁৰ দলে যেতিয়া ফেডচিয়াৰ ঘৰলৈ চুঁচৰি গৈছিল, তেতিয়া আনটো দলে চাপৰ পাহাৰটোৰ বৰফভৰা গৰাটো বগাই উঠি গিৰ্জ্জাৰ পিনে গৈছিল। ধৰা নপৰিবৰ মনেৰে বগা সাজ পিন্ধি সিহঁত বৰফৰ ওপৰেদি চুঁচৰি গৈছিল; মাজে মাজে ঘৰৰ ছাঁত লুকাইছিল, খালেদি লুকাই আহিছিল। সিহঁতৰ আগে আগে চাৰজেণ্ট চেৰভিয়াক কেওপিনে তীক্ষ্ণ দৃষ্টি ৰাখি আগবাঢ়িল। এইদৰে কোনেও নেদেখাকৈ সিহঁত একেবাৰে কামানৰ ওচৰত ওলালগৈ। বৰফ আৰু আকাশৰ বৰণৰ আগত কামানবোৰৰ

ক'লা নলবোৰ স্পষ্টভাৱে ওলাই পৰিছিল। বগুৱা বাই যোৱা মানুহবোৰৰ মূৰৰ বহুত ওপৰত কামানৰ নিৰৰ, দৈত্যাকায় মুখবোৰ মেল খাই আছিল। কামানৰ ওচৰত তিনটা সৈন্য বহি গুণগুণাই কথা পাতি আছিল। চন্তৰী এটা কামান শাৰীৰ আগেদি অহা যোৱা কৰি আছিল আৰু তাৰ খোজৰ ভৰত বৰফ ভাগি মৰমৰাই উঠিছিল।

উশাহ নিৰোধ কৰি চেৰডিয়াকে খন্তেক অপেক্ষা কৰিলে। ঠিক খালৰ কাষ পাওঁতেই চন্তৰীটো ঘূৰিল। চাৰজেণ্টে তাৰ ঠেক পিঠিখনলৈ আৰু মূৰৰ ওচৰত দাঙি ধৰা সঙ্গীন খনলৈ লক্ষ্য ৰাখিলে। কোনো শব্দ নোহোৱাকৈ তেওঁ খালৰ পৰা উঠি গৈ জাৰ্ম্মাণটোৰ পিঠিত সঙ্গীনৰ আগটো ভৰাই দিলে। বৰফৰ ওপৰত দুয়ো বাগৰি পৰিল। কোনো শব্দ কৰিবলৈ নৌ পাওঁতেই চেৰডিয়াকে তেওঁৰ বিপক্ষৰ টেটুত চেপি ধৰিলে। কিন্তু কামান ৰথীয়া কিটাই সিহঁতৰ সহচৰৰ আকস্মিক অন্তৰ্দ্ধান লক্ষ্য কৰিলে।

এটাই অস্থিৰ হৈ ক'লে "হেই, সৌ পিনে হেন্স।" ঠিক সেইসময়তে এটা ৰেড্‌সৈনিকে শুকান ঠেঙুলি এটাৰ ওপৰত গচক পেলালে। ঠেঙুলিটোৱে বিশ্বাসঘাতকতা কৰি মৰমৰাই উঠিল। হুকুমলৈ অপেক্ষা নকৰি কামানৰথীয়াকিটাই সেইপিনলৈ ৰাইফ্‌ল টোঁৱালে; তেতিয়াহে জেভিয়াচে উপায় নেপাই ওচৰৰ মানুহটোক গুলীয়াই দিলে। জাৰ্ম্মাণটো উবুৰি খাই পৰিল। তাৰ পিচত ঘটনাই ইমান খৰকৈ গতি সলালে যে সিহঁতে নিজেই তবধ মানিলে; কামানৰ কাষত কোনো নেথাকিল, কামান-বহৰ সিহঁতৰ হাতত পৰিল। নক্সাত যিপিনে

জাৰ্ম্মাণৰ ঘাই অফিচ আছে, সেইপিনৰ পৰাও একে সময়তে গুলীৰ শব্দ আহিল।

চেৰডিয়াকে বেগ দিবলৈ আদেশ দিলে; কিন্তু মুখৰ পৰা শব্দকিটা ওলোৱাৰ লগে লগেই সিহঁতৰ আগত ক'লা ছাঁ কিছুমানে দেখা দিলে। জাৰ্ম্মাণবোৰে এতিয়া বুজিলে যে আক্ৰমণকাৰীৰ সংখ্যা তাকৰীয়া; আৰু সেইদেখি সিহঁতে কোনো লুক-ঢাক নোহোৱাকৈ লৰি আহিল। গুলীৰ শব্দ হ'ল; হঠাৎ সোঁ ভৰিটোত তীব্ৰ আঘাত পোৱাত চেৰডিয়াক আঠু কাঢ়ি বহি পৰিল।

"কি হ'ল ?"

"একো নাই ! আহা এতিয়া; লক্ষ্যলৈ গুলী চলোৱা !"

লৰি যাঁওতে এটা বাগৰি পৰিল; কিন্তু সেইবাবে বাকীবোৱে থমক নেখালে। সকলোৰে হাতত টমি-বন্দুক; অনৰ্গল ঘৰ্ ঘৰাই জাউৰিয়ে জাউৰিয়ে গুলী চলিল।

"শুই পৰা ! মাটিৰ পৰা গুলী চলোৱা।"

সিহঁতে কামানৰ আঁৰ ললে; আৰু বৰফৰ ওপৰত স্পষ্টভাৱে ক'লা ছাঁ পেলোৱা সেই মুৰ্ত্তিবোৰলৈ গুলী চলালে। যাতে এটা গুলীও নষ্ট নহয় তাৰ বাবে চেৰডিয়াকে খুব যত্নেৰে নিচান কৰিলে। হঠাৎ তেওঁৰ মুখখন ভয়ানক ৰূপে চেঁচা পৰা যেন লাগিল, কিন্তু টমিগানটোৰ কুন্দাটো লগা বাবতে তেনে হৈছে বুলি ভাবিলে। কপালখন আৰু নাকটো ঠেৰেঙা দিলে, গাল দুখন জঠৰ হৈ পৰিল।

ৰাইফ্‌লৰ গুলী ভৰাই তেওঁ এবাৰ তললৈ চালে আৰু বৰফৰ মাজত এটা ক'লা ঘুলি দেখিলে।

"দিয়া সিহঁতক, ভাইহঁত ! জাউৰিয়ে জাউৰিয়ে গুলী চলোৱা !"

তেওঁ আঠু কাঢ়ি পৰা ঘুলিটো কিহৰ ? পায়জামাটো আঠুলৈকে তিতিল ; ইমান বৰফৰ মাজত কিন্তু এইটো বৰ আচৰিত কথা। ঘুলিটোৰ ওপৰত যেন কোনোবাই পানীহে ঢালি দিলে।

এতিয়া জাৰ্ম্মাণবোৰ মুকলি ঠাইখনৰ সিফালে আছিল। বাটৰ কাষৰ খালত পেট পেলাই সিহঁতে একেৰাহে গুলী চলাই আছিল। মুখখন ঢাকি ৰখোৱা বৰফৰ দ'মটোৰ আঁৰত চেবডিয়াকে মূৰ দাঙি চালে ; আৰু অৱস্থাৰ গুৰুত্ব বুজি ললে। এনেদৰে—কামানৰ আৰৰ পৰা খাললৈ আৰু খালৰ পৰা কামানৰ পিনে—অনিৰ্দ্দিষ্ট কাললৈ গুলীয়াগুলী চলি থাকিব পাৰিব। ইতিমধ্যে গাৱঁৰ কেওপিনৰ পৰা গুলীৰ শব্দ শুনা গল ; কিন্তু কি ঘটিছে, তেওঁ তাক জনা নাই। কিজানি তেওঁ আৰু তেওঁৰ পাঁচোটা মানুহৰ এই সৰু দলটো তাত বহুত কামত আহিব।

"পিচে, ভাইহঁত ! সিহঁতৰ সৈতে মূৰ্খালি কৰি আমি ইয়াত ইমান পৰ ৰৈ থাকিবৰ কি দৰ্কাৰ ? জয় স্বদেশৰ জয় ! জয় ষ্টেলিনৰ জয় !"

সকলোৱে একেগোটে জাপ মাৰি উঠিল। চুচঁৰি লৰি যাওঁতেই সিহঁতে ঘৰ্ঘৰাই মেচিনগান আৰু ৰাইফ্‌ল চলাবলৈ ধৰিলে ; সিহঁতে সঙ্গীনবোৰ সমুখৰ পিনে তুলি ধৰিলে। কেইজাপ মান দিয়েই সিহঁত খালটো পালেগৈ আৰু সেই পেপুৱা লগা জাৰ্ম্মাণ বোৰৰ ওপৰত জপিয়াই পৰিল ; কিমো ঘটিব লাগিছে, তাক সিহঁতে বুজাই নাছিল। জাৰ্ম্মাণবোৰৰ ওপৰত সিহঁতে ভালকৈ পোটক তুলিলে। বাটৰ কাষৰ খালটো নিটাল মাৰিলে। বৰফৰ ওপৰত জাৰ্ম্মাণৰ দেহাবোৰ ক'লা

ছুঁৰ কিছুমানৰ দৰে পৰি থাকিল—কোঁচমোচ খাই জঘন্য ভাৱে অকণমান হৈ পৰিল।

জেভিয়াচে উধাতু খাই সুধিলে "এতিয়া কলৈ ?" কিন্তু চেৰডিয়াকৰ কোনো উত্তৰ নাই। আচৰিত হৈ মানুহবোৰে উভতি চালে।

"কমৰেড চেৰডিয়াক কেনি আছে ?"

চেৰডিয়াকৰ অন্তৰঙ্গ বন্ধু এলেস্কিয়ে সুধিলে "কি হ'ল ?"

"তেওঁ আমাৰ লগতে লৰি আহিছিল নে নাই ?"

"বলিয়া হৈছা নেকি ? জৰুল আহিছিল।"

"তেনেহলে তেওঁ কলৈ গ'ল ?"

"এয়া ! ইয়াতে পৰি আছে।" ভেনিয়াই চিঞৰি ক'লে ; সিয়েই দলটোৰ ভিতৰত আটাইতকৈ সৰু।

এলেস্কি-য়ে লৰ ধৰিলে।

কামান আৰু খালৰ মাজ-বাটতে চেৰডিয়াক পৰি আছে ; তেওঁৰ হাত দুখন বহলাই মেলা আৰু এটা হাতেৰে ৰাইফ্‌লটো খামুচি ধৰি আছে।

ভেনিয়াই থোকাথোকি মাতেৰে সুধিলে "কি হ'ল ?"

এলেস্কিয়ে বৰফৰ ওপৰত চাবলৈ ধৰিলে।

এডোখা তেজ আৰু-কামানৰ কাষৰ পৰা তেওঁ পৰি থকালৈকে-তেজ পৰি অহা বাটটো জোনৰ পোহৰত স্পষ্ট ভাৱে দেখা গৈছিল।

"ক'ত লাগিল ?

এলেস্কিয়ে নিৰৱে আঙুলিয়াই দেখুৱালে। ভৰিটো আৰু ভৰিৰ হাড়দালৰ এচোৰা বাকী চোৰাৰ লগত সমকোণীভাৱে লাগি আছিল। সেইখিনিতে বৰফৰ ওপৰত এটা ক'লা ডোঙা বান্ধিছিল।

"গুলীয়াই ভৰিটো একেবাৰে ভাঙি দিলে, যেন দাবেহে ঘপিয়াই কাটিলে।"

"উস! ভাবি চোৱাছোন, কেনেকৈ সেই অৱস্থাৰেই লৰি আহিল!"

"এতিয়া ভাবিবৰ সময় নহয়। আমি এতিয়া সেনাপতি থকা ঠাইলৈ যাওঁ। তাত এতিয়া বৰ হুলস্থুল হৈছে যেন দেখা যায়।"

তৎক্ষণাৎ সিহঁতে এলেস্কিৰ পিচ ল'লে। ৰবফে সিহঁতক বিন্ধিবলৈ ধৰিলে, উশাহ নিৰোধ কৰি নিলে।

প্ৰথম গুলীটোৰ শব্দ হওঁতে, কেপ্তেইন ৱাৰ্ণাৰ অফিচতে 'কেম্পবেড' এখনত শুই আছিল। ৱাৰ্ণাৰে সদৰৰ পৰা 'টেলিফোন'ৰ খবৰ পাবলৈ আশা কৰিছিল আৰু সেইবাবে ঘৰলৈ যাব নোৱাৰিলে। কানিকাপোৰেৰে সৈতে দীঘল দি পৰি ডাঙৰ কোটটোৰে গাটো ঢাকি ললে। ইখন বেৰত আঁউজি ফেল্ডৱেবেল্ টোপনিত লালকাল; আৰু সিটো কোঠাত সৈন্যবোৰে আনন্দিনাৰ দৰেই জুম বান্ধি শুই আছিল। কেপ্তেইন বহুত সময় ৰ'ল, কিন্তু টেলিফোনত কোনো খবৰ নাহিল। ফেল্ডৱেবেলৰ ঘোঁটঘোঁটনি আৰু ওচৰৰ কোঠাটোৰ পৰা অহা ফোঁচফোঁচনি শুনি তাৰ বিৰক্তি লাগিছিল। বিচনা খন টান আছিল বাবে সি বৰ অসুবিধা পাইছিল। শেহত তাৰ টোপনি আহিল; কিন্তু গুলীৰ শব্দই জগাই তুলিলে।

সি খঙতে ভাবিলে "আকৌ কোনোবাই গাৰঁত পকাই ফুৰিছিল হব পায়।" আকৌ জাৰ্ম্মাণ-আদেশৰ দুৰ্ব্বলতাৰ এই নিদৰ্শন পাই তাৰ খং উঠিছিল।

ততালিকে তাৰ পিচতে আকৌ ছুটা গুলীৰ শব্দ শুনি কেপ্টেইন বিচনাৰ পৰা জাপ মাৰি উঠি গ'ল।

"জাওচ, উঠা!"

ফেল্ডৰেবেলো উঠিল। মুহূৰ্ত্তৰ ভিতৰতে তাৰো টোপনি ভাগিল। খিড়িকীৰ ওচৰত বুটৰ কেৰ্‌কেৰণি শুনা গ'ল আৰু এদল জাৰ্ম্মাণসৈনিক কোঠাৰ ভিতৰলৈ সোমাই আহিল।

"বলশ্বেভিকবোৰ গাওঁ পালেহি!"

"দুৱাৰ মাৰ! চাকি নুমাই দে!"—ৱাৰ্ণাৰে হুকুম দিলে। সিহঁতে লৰালৰিকৈ দুৱাৰখন জপালে।

টেলিফোন থকা কোঠাটোৱেই এটাইতকৈ ডাঙৰ আৰু আত্মৰক্ষা কৰিবলৈ তাতে এটাইতকৈ উজু। সিহঁতে যে সঁচাকৈ এই কোঠাতে আত্মৰক্ষা কৰিব লাগিব, সেইকথা ৱাৰ্ণাৰৰ মনত কেতিয়াও খেলোৱা নাছিল। তথাপি সকলো সাজু আছিল। সি দুৱাৰৰ ডাঠ তক্তাৰ ওপৰত লোৰ পাত লগাই থোৱাইছিল; তদুপৰি দুৱাৰৰ ওপৰত দাং লগোৱা আছিল। বেৰৰ কাঠবোৰ টান; খিড়িকীত ডাঠ ঢাকনি লগোৱা আছিল। ঘৰটো পুৰণা; নিশ্চয় মালঘৰ বা ভৰালৰ বাবে সজা হৈছিল। যেতিয়া এইটো ঘৰতে গাৱঁৰ ছভিয়েট, ক্লাব আৰু লাইব্ৰেৰী বহিল তেতিয়া ঠায়ে নটা হ'ল; আৰু তেতিয়া সেইচোৱা নতুনকৈ সাজিলে। তাতে সৈন্যবোৰ শুইছিল আৰু মানুহবোৰ বন্ধ কৰি ৰাখিছিল। সেইপিনৰ বেৰবোৰ পাতল আৰু দুৱাৰত সাধাৰণ তলা লগোৱা।

কিন্তু এইটো কোঠা ঠিক দুৰ্গৰ নিচিনা আছিল।

"ফুটাবোৰ খুলি দে।"

ততালিকে সিহঁতে বেৰত জুৰি থকা কাঠচটা আঁতৰাই

পেলালে আৰু ফুটাবোৰ ওলাই পৰিল। ইয়াৰ ওচৰত বালিৰ বস্তা দ'মোৱা আছিল আৰু মজিয়াৰ ওপৰতে ঠেক গাঁত খান্দি থৈছিল। সৈন্যবোৰে কুজা হৈ ল'লে। বিন্ধাবোৰৰ মাজেদি গৰম কোঠাটোলৈ এচাটি চেঁচা বতাহ বৈ আহিল; কোঠাটো ধোঁৱাই ছাটি ধৰিলে। 'গুৰুম্', 'গুৰুম্' ৰাইফ্‌লৰ শব্দ হ'ল।

"সদৰলৈ ফোন কৰি কথাটো জনোৱা, এতিয়াই! সিহঁত গৰিলানেকি?"—ফোঁপাইজোপাই মেচিনগানত গুলী খাঁজি থকা সৈনিকটোক ৱাৰ্ণাৰে সুধিলে। "নহয়, ৰাজকীয় বাহিনী"।

"সিহঁতৰ সংখ্যা বহুতনেকি?"

"কব নোৱাৰোঁ। কেওপিনৰ পৰা সিহঁতে গুলী চলাইছে; সকলো পিনৰ পৰা সিহঁত সোমাইছে যেন লাগে।"

ৱাৰ্ণাৰে শাওশপনি দিবলৈ ধৰিলে।

"ফোন্ কৰা!"

"হে'ৰ্ কেপ্তেইন, টেলিফোন বেয়া হৈছে।"

ৱাৰ্ণাৰে মেজৰ ওপৰত কাতি হৈ টেলিফোনৰ মুখত ৱথাই চিঞৰিবলৈ ধৰিলে; নিৰ্ব্বাক বাকচটো খুন্দা মাৰি পঠিয়ালে। টেলিফোন বেয়া হ'ল।

"কুলক্ষণীয়া সোপাই তাঁৰ কাটি পেলালে।"

বাটত গুলীৰ শব্দ হ'ল আৰু ডাঠ বেৰ খনৰ ওপৰত গুলীবোৰ জৰ্‌জৰাই পৰিলহি। ওচৰৰ কোঠাটোৰ দুৱাৰত ৰাইফ্‌লৰ খুন্দা পৰিল। কিন্তু সিমানেই; দুৱাৰ নেভাগিল।

কেপ্তেইনে ভোৰভোৰাই ক'লে "যিমান পাৰ ঢকিয়াই থাক।"

সেই দুৱাৰখনৰ কৰ্ত্তব্যনিষ্ঠাৰ ওপৰত তাৰ অটল বিশ্বাস আছিল।

সেনাপতিৰ অফিচ আক্ৰমণত নেতৃত্বৰ ভাৰ লৈছিল লেফটেনেণ্ট চেলভে। তেওঁৰ দলটোৱে প্ৰথম দুৱাৰখন ভাঙি ঘৰৰ ভিতৰ সোমাওঁতেই কামান-বহৰ অধিকাৰ কৰা দলটো আহি পালেহি।

"চেৰডিয়াক ক'ত ?"

"চেৰডিয়াক মৰিল ; কামান-বহৰ অধিকাৰ কৰা হ'ল।"

প্ৰথম কোঠাটোত সিহঁতে সৈন্যবোৰৰ বিচনাকিখন আৰু খেলিমেলি ভাৱে সিঁচৰিত হৈ থকা বস্তুবোৰ দেখিলে। কিন্তু জনপ্ৰাণী কাকো নেদেখিলে।

"বিশ্বাসঘাতকৰ দলে সাৰ পাই সিটো কোঠালৈ লৰ ধৰিলে।"

"তাৰ পৰা সিহঁতক আমি ধোৱা দি উলিয়াই আনিম।"

"সকলো বাহিৰলৈ বলা ! আমি বাহিৰৰ পৰা আক্ৰমণ চলাম !"

সিহঁতে ঘৰটো বেৰি ল'লে ; পিচে দেখিলে যে ই দুৰ্গৰ নিচিনা। ডাঠ কাঠৰ মাজেদি গুলী নোসোমায়। গুলীৰ টুকুৰাবোৰ উফৰি পৰে, তথাপি বেৰ নেভাগে। মেচিনগানৰ গুম্‌গুমনি উঠে। বেৰৰ বিন্ধাবোৰৰ মাজেদি ভমক্‌ ভমক্‌ কৈ নীলা-ৰঙা জুইৰ শিখা ওলায়। ঘৰটোৰ মুখেদি যেন মৃত্যুৰ উদগীৰণ হৈছে।

চেলভে ভোৰভোৰাই ক'লে "সিহঁতৰ দেখিছোঁ। কাৰ্টিজলৈ মমতা নাই।

"কমৰেড্‌ লেফ্‌টেনেণ্ট, সিহঁত আত্মৰক্ষাৰ বাবে সাজু আছিল যেন দেখা যায়।"

গাওঁজুৰি গুলীয়াগুলী চলিল। নিশ্চয় আন দলবোৰেও বেলেগ বেলেগ ঠাইত জাৰ্ম্মাণবোৰক অৱৰোধ কৰিছে। এই সশস্ত্ৰ ঘৰটোৰ ভিতৰৰ পৰা উঠা গুমগুমনিৰ মাজত আন সকলো শব্দ মাৰ গ'ল।

"ভাইহঁত, আমি সোনকালে ইয়াৰ চমু চপাব লাগিব...... ৰাতিপুৱাৰ আগতে আমি সিহঁতক উলিয়াবই লাগিব; ইয়াত আমি বেছি সময় থাকিব নোৱাৰোঁ। ৰাতিপুৱা কেনেবাকৈ সিহঁতৰ আন কোনো বাহিনী এইপিনে আহিব পাৰে; তেতিয়া সকলো মিছা হব........."

মাটিত ওখোৰামোখোৰা ঠাই বাছি লৈ সিহঁত টিপৰ আঁৰত আৰু খালৰ মাজত পেট পেলাই শুই পৰিল। খিৰ্কীবোৰৰ মাজেদি ওলাই পৰা ৰাইফ্‌লবোৰ ভাঙি দিবৰ মনেৰে সিহঁতে খুব সাৱধানে লক্ষ্য কৰি গুলী চলালে। কিন্তু ঘৰটোৰ পৰা অবিৰাম গুলী চলি থাকিল।

লেভনিয়াকৰ ঘৰত থকা জাৰ্ম্মাণকিটাক অতৰ্কিতে আক্ৰমণ কৰিলে। ৰেড্‌সৈনিক কিটাই ঘৰৰ ভিতৰ সোমাই সিহঁতক শুই থকাতে পালে। জাৰ্ম্মাণ সৈনিককিটা ভয়ত জাপ মাৰি উঠিল আৰু কেওপিনে সিচঁৰিত হৈ থকা বস্তুবোৰত উজুটিয়াই বিচনাৰ কাষত থকা ৰাইফ্‌লবোৰত হাত দিলে।

লেভনিয়াক ভয়ত বিহ্বল হৈ পৰিল; মিন্‌চেক্কই চিঞৰি ক'লে "মাটিত শুই পৰা"।

তাই বাধ্যভাৱে শুই পৰিল আৰু তাইৰ কেচুৱাটোক বিচনাৰ তললৈ ঠেলিবলৈ ধৰিলে। কোঠাটো আৰু নিজান হৈ নপৰালৈকে তাই ঘটনাটো বুজিবই পৰা নাছিল। ৰেড্‌সৈনিক কিটা ওলাই লৰ মাৰিলে। সিহঁত সপোনৰ দৰে

নোহোৱা হ'ল ; মাটিত খঁৰা-পায়জামা পিন্ধা জাৰ্ম্মাণৰ শবোৰ পৰি থাকিল।

"আহ, ভেচিয়ুটকা, মোক অলপ ধৰি দে। ঘৰৰ ভিতৰৰ পৰা আমি এই আবৰ্জ্জনাবোৰ পেলাই দিব লাগিব"—পুতেকক কবৰ সময়তো তাইৰ গাৰ কঁপনি মাৰ যোৱা নাছিল। দুয়ো শবোৰ চোঁচোৰাই আনিলে। ফোঁপাইজোপাই তাই জাৰ্ম্মাণ বোৰৰ ভৰিত ধৰি টানিবলৈ ধৰিলে। ভেচিয়াৰ বয়স মাথোন বাৰ বছৰ, ইপিনে তাই নিজে গৰ্ভৱতী।

"লাহে লাহে ব'ল। ইমান লৰালৰি কৰিব লাগিছে কেলৈ ?"

কিন্তু ভেচিয়াৰ লৰালৰি কৰিবৰ এটা কাৰণ আছিল। ৰেড্ সৈনিকবোৰৰ লগতে সি পুলুকা মাৰি ওলাই যাব নোৱাৰিলে ; আৰু এতিয়া আকৌ মাকে তাইক এই আপদীয়া কামত লগাই ৰাখি থৈছে। গাৱঁত গুলীয়াগুলী চলিছে ; চিঞৰ বাখৰ শুনা গৈছে। কি ঘটিছে তাক নিজ চকুৰে চাবলৈ নগৈ সি ইয়াত ইপিনে ভৰিত ধৰি মৰা জাৰ্ম্মাণৰ শ টানি ফুৰিছে। কিজানি সিহঁতে তাক বন্দুক এটাও দিলেহেঁতেন ! কি ঠিক ? বাৰু, যদি দিলেহেঁতেন ?

যি নিস্তব্ধতাৰ মাজত গাৱঁৰ ওপৰত প্ৰথমে আক্ৰমণ চলিছিল, সেই নিস্তব্ধতা আৰু এতিয়া নাই। বাটত সিহঁতৰ ছাঁ পৰিলে ধৰা পৰে বুলি কোনেও এতিয়া বেৰাৰ কাষেদি চুঁচৰি লুকাই আহিবৰ চেষ্টা কৰা নাই।

"ভাইহঁত, মনত ৰাখিবা যাতে এটা মানুহো জীৱিত অৱস্থাত পলাবলৈ নেপায়।" গাওঁ সোমোৱাৰ আগতে সিহঁত বিভিন্ন দল পাতি বেলেগ হৈ পৰাৰ আগতে লেফটেনেণ্টে সেইদৰে কৈছিল।

আৰু সিহঁতে বুজিছিল যে এই বিপদজনক পৰিকল্পনাৰ সফলতা নিৰ্ভৰ কৰিছে কেৱল এই কথাৰ ওপৰতে।

জাৰ্ম্মাণবোৰে বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ নীতি অনুসৰণ কৰিছিল। কিছুমান ঠাইত সিহঁতে ঘৰৰ ভিতৰৰ পৰা প্ৰতিৰোধ কৰিবলৈ থিৰাং কৰিছিল; আন ঠাইত সিহঁতে, ভয়ত বিমোৰ হৈ, কেৱল খঁৰা-পায়জামা পিন্ধিয়েই হাতত ৰাইফ্‌ল আৰু গুলী কিছুমান লৈ বাহিৰলৈ চাপলি মেলিছিল। এইদৰে আদ্-নাঙঠা অৱস্থাৰে ভয়ানক বৰফৰ মাজেদি সিহঁত লৰি গৈছিল; আৰু ঘৰৰ চুকত জলকা মাৰি মৰোঁ-জিওঁ-সোঁ আধিকৈ গুলী চলাবলৈ ধৰিছিল।

হঠাৎ কেওপিনে—মাটি ফুটি ওলোৱাদি—তিৰোতাৰে ভৰি পৰিল। এই গুলীয়াগুলীৰ মাজত সিহঁতৰ গাত গুলী পৰিব পাৰে বুলি চাৰজিয়ে তিৰোতাবোৰক চিঞৰি ক'লে "আঁতৰি যোঁৱা; আমাক দিগ্‌দাৰ নকৰিবা।" "কমৰেড্, মোৰ ঘৰত ৬টা জাৰ্ম্মাণ আছে। বেগেতে ব'লা!"—ৰেড্ সৈনিক এটাৰ চোলাৰ হাতখন আজুৰি পেলচেৰিখাই খাটনি জুৰিলে।

"তোমাৰ ঘৰনো ক'ত?"

"তুমি মাথোন মোৰ লগে লগে আহাঁ, মই দেখুৱাই দিম। একেবাৰে ওচৰতে আছে, খন্তেকৰ বাট!"—তাই যিদৰে খাটিবলৈ ধৰিলে যেন ভাড়া দিবৰ কাৰণে তাই ঘৰটোৰ গুণ-গৰিমাহে গাইছে।

তাইৰ পিচে পিচে এদল ৰেড্‌সৈনিক লৰ ধৰিলে; কিন্তু অলপতে সিহঁতে বুজিলে যে ই ইমান সহজ কথা নহয়। সিহঁত ধাৰাসাৰ গুলীৰ সম্মুখীন হ'ল। ইয়াতো বেৰত বিন্ধা কৰি

লৈছে ; ঘৰৰ ভিতৰৰ পৰা সিহঁতৰ পিনে মৃত্যুৱে লেলিহান জিভা মেলিছে।

ৰেড্ সৈনিকৰ সৈতে পেলচেৰিখাও মাটিত দীঘল দি পৰিল। হঠাৎ তাইৰ কাষৰ সৈনিকটোৱে বুকুখন খামুচি ধৰিলে আৰু এটা কেঁকনি মাৰি তাৰ ৰাইফলটোৰ ওপৰত ঢলি পৰিল।

তাই চিঞৰি উঠিল "ভাইহঁত! এইদৰে কোনো কাম নহব। সিহঁতে এইদৰে এটা এটাকৈ তোমালোকক মাৰি শেষ কৰিব; সিপিনে সিহঁত নিৰাপদে বহি থাকিব। সেইদেখি ঘৰটোতে জুই লগাই দিয়া।"

"এইটো তোমাৰ ঘৰনেকি ?"

"আৰু কাৰ ঘৰ হব ? যোৱা, জ্বলাই দিয়া!"

"ঘৰত আৰু কোনোবা আছেনেকি ?"

"কেচুৱাটো ....ডাওৰবোৰ পলাল, কিন্তু............ দোলনাতে .. . ..."

"তোমাৰ হৈছে কি ? বলিয়া হলা নেকি ?"

তাই ৰেড্ সৈনিকটোৰ বাহুত খামুচি ধৰিলে।

"শুনা, বোপাই! মই কি কৰিব খুজিছোঁ সেইকথা জানোঁ।...... মোৰ কেচুৱাটোৰ বাবতে তোমালোক সকলোবোৰ মৰিব লাগিছে কিয় ? . ...ময়েই তাৰ মাক, আৰু ময়েই আকৌ কৈছোঁ।—ঘৰত জুই লগাই দিয়া।"

"আই, তুমি একেবাৰে বলিয়া হ'লা ; এইবোৰ বলিয়ালি বকিছা!"

"ঘৰটো জ্বলাই দিয়া! মই কেষেহোঁৱা নাই যেতিয়া তোমালোকৰ কি কথা? কিজানি আমি তাক ৰক্ষা কৰিব পাৰোঁৱেই......সোৱা, চোঁৱা!"

আৰু এটা ৰেড্‌সৈনিকে লৰালৰিকৈ তাৰ বাহুটো ৰুমালেৰে বান্ধিলে। বান্ধোনৰ মাজেদি তেজ বিৰিঙি আহি এটা ৰঙা চেকা সানিলে।

মানুহবোৰ পেলচেৰিখাৰ কথা শুনিবলৈ মান্তি নহল; কিন্তু তাই সিহঁতৰ কাপোৰত আজুৰি সেই কথাকে কৈ থাকিল।

"তুমি বৰং আঁতৰি থকাই ভাল, সিহঁতে তোমাকো মাৰিব। কেনেকৈ গুলীয়াইছে দেখা নাই জানোঁ?"

"বুঢ়ী এজনীকনো কোনে মাৰিবৰ মন কৰিব?"

এটা বিন্ধাইদি ৰাইফ্‌লৰ গুলী আৰু নহা হ'ল। "সোৱা, চোৱা! আমি ঠিকমতে গুলীয়াব পাৰিলেই হয়, তেতিয়া সকলো ঠিক হৈ পৰিব।"

"শুনা! মূধচেদি সোমাব নোৱাৰিনে? সৌ সিফালেদি গৈ—মূধচেদি?"

"সেইটোৱেই বৰং বেছি যুক্তিপূৰ্ণ! ইপিনে তুমি ইমান পৰ কেৱল ঘৰটো পুৰি পেলাবলৈকে চিঞৰি আছিলা। তালৈ কেনি যাম? বাটটো দেখুৱাই দিয়া।"

কিছুমান তাতে থাকিল; সিহঁতে দুগুণ উদ্যমেৰে গুলী চলাবলৈ ধৰিলে। আনবোৰে পেলচেৰিখাৰ সৈতে লৰ ধৰিলে।

অলপ সময়ৰ পিচতে ঘৰৰ ভিতৰত সকলো অন্ত পৰিল। দুৱাৰখন মেলি পেলচেৰিখাই চিঞৰিবলৈ ধৰিলে "সুগুলীয়াবা, সুগুলীয়াবা।"

ৰেড্‌সৈন্যবোৰে ভিতৰলৈ লৰ দিলে। জাৰ্ম্মাণবোৰ তাতে মৰি পৰি আছিল; এটা মেচিনগানৰ ওপৰত উবুৰি হৈ আছিল; বাকীকিটা সঙ্গীনৰ খোঁচ খাই মৰিল।

"চেৰিওঝা; সৌটোলৈ চোঁৱা ! তাৰ ঠিক কপালতে লাগিল।"

জাৰ্ম্মাণটো ততালিকে মৰিছিল।

পেলচেৰিখা তেতিয়া দোলনাৰ ওচৰত আঁঠু কাঢ়ি আছিল। তাই শুকান আৰু ভগা মাতেৰে ক'লে, "সিহঁতে তাক মাৰিলে।"

মানুহবোৰে ঘূৰি চালে। মানুহজনীয়ে তাইৰ কোলালৈ সৰু দেহাটো তুলি ললে; তাৰ মূৰটো ভাগি গুৰি হ'ল। দোলনাত তেজেৰে ডোঙা বান্ধিলে।

"নিশ্চয় সি কান্দিছিল, সেইদেখি সিহঁতে তাৰ লাওখোলা-টোকে ভাঙি গুৰি কৰিলে।"

মৰা কেচুৱাটো কোলাত লৈ পেলচেৰিখা তাতে থিয় দি আছিল; নিজৰ অজানিতে তাইৰ হাতদুখনে তাক জোকাৰি আছিল।

"চোঁৱা......ইপিনে আকৌ তোমালোকে ঘৰটো জ্বলাই দিব খোজা নাছিলা .....মৰা কেচুৱা এটাৰ বাবত তোমালোকে দুখ কৰিছিলা......তাৰ বাবুতে তোমালোকৰ দুজন মানুহ আহত হ'ল।"

"ধৈৰ্য্য ধৰক, আই।"

"মই কন্দা নাই, বোপাই, কন্দা নাই। তোমালোকে মোক মাথোন বন্দুক এটা দিলাহেঁতেন যদি......

লাহে লাহে গাৰঁত গুলীয়াগুলী বন্ধ হ'ল। কেৱল সেনাপতিৰ তাতহে যুজ চলি থাকিল। আকাশত লাহে লাহে পোহৰে দেখা দিলে। ৰঙ্‌ বিৰঙৰ জেউতি চলা জোনটো আৰু দুয়ো কাষে জুৰি থকা ৰামধেনুখন মলিন হৈ পৰিল। নীল অসীমৰ বুকুত আকাশখন ঢাক খালে; পৃথিবীখন এটা,

বৰফ ভৰি থকা, কাঁচৰ ঢোপৰ নিচিনা হ'ল। সেনাপতিৰ ঘৰৰ পৰা অবিৰাম গুলী চালনাৰ ফলত উঠা জুইৰ ৰঙা শিখাবোৰেহে এই ৰূপালী আৰু নীলিম আৱৰণৰ বুকু ভেদি দেখা দিছিল।

"ভাইহঁত, এইদৰে একো নহ'ব... ...খিড়িকীৰ ওপৰত কেইটামান হাতবোমা মৰাহে ঠিক হ'ব, কিজানি ঢাকনিবোৰ বৰ মজবুত নহয়।"

"তাৰ কাষলৈ যাবা কেনেকৈ?" সিহঁতে উন্মাদৰ দৰে গুলীয়াইছে।"

বেৰৰ ফুটাবোৰেদি ধাৰাসাৰে জুইৰ শিখা ওলাই থাকিল। একেৰাহে গুলী চলি থাকিল—বহুত ঠাইত একে সময়তে চমকাচমকে বৰফ উৰাই নিলে।

আকাশলৈ চাই চেলভে ক'লে "পোহৰ হৈ আহিছে।" দূৰত দিগন্তৰ বুকুত এচমকা ৰঙা পোহৰে দেখা দিলে। সিহঁতৰ অনুমানতকৈ যুদ্ধ বেছি সময় চলিল। দিনত জাৰ্ম্মাণ-বাহিনী ওলাবহি পাৰে; অকস্মাৎ সিহঁতৰ সহায়ৰ বাবে নতুন বাহিনী পাবহি পাৰে। নিশাৰ এন্ধাৰত এই যুজ নেদেখিব পাৰে। কিন্তু দিন হ'লেই জাৰ্ম্মাণৰ সেই অজান ভয় আঁতৰি যায়—মুকলিমূৰীয়া হৈ ঘূৰি ফুৰিবৰ সাহ হয়। যদি ক'ৰবাত এই বাহিনীৰ লগত সংযোগ আছে! আৰু নিশ্চয় জাৰ্ম্মাণবোৰৰ এই বাহিনীটোৰ লগত যোগাযোগ আছে—তেনেহলে সিহঁতে টেলিফোনৰ 'লাইন' বন্ধ হোৱা লক্ষ্য কৰিব আৰু ইয়াৰ বিচাৰ কৰিবলৈ মানুহ পঠাব। দিনৰ পোহৰ জাৰ্ম্মাণৰ অনুকূল। "তেনে, ভাইহঁত........."

"কমৰেড্ লেফটেনেণ্ট, এইদৰে একো কাম নহব যেন লাগিছে। অৱশ্যে লাগিলে আমি এইদৰে এবছৰো বহিব

পাৰোঁ। এতিয়া হাতবোমা এটা মাৰিব পৰাহেঁতেন!”

হঠাৎ চাৰজিয়ে ক’লে “বাৰু, তেনে। চেষ্টা কৰি চোৱাত কি হানি?”

“ইয়াত চেষ্টা কৰিবা কেনেকৈ?”

“কোনো কথা নাই। মই এবাৰ চেষ্টা কৰিম।”

কিছু দূৰেদি তেওঁ ঘৰৰ মূধৰ পিনে গ’ল। তাৰ পিচত বিন্ধাবোৰ নথকা পিনে ঘৰৰ কাষলৈ চুচঁৰি আহিল। তেওঁৰ গাত লাগে বুলি ৰেড্ সৈনিকবোৰে গুলীয়াবলৈ বন্ধ কৰিলে।

চেলভে চিন্তিত ভাৱে ক’লে “তেওঁ কি কৰিব খুজিছে?” কিন্তু চাৰজি তেতিয়াও লাহে লাহে চুচঁৰি আগবাঢ়ি গৈ থাকিল।

সিহঁতে দোকমোকালিৰ ক্ষীন পোহৰত ক’লা বিন্ধাটোৰ মাজত ৰাইফ্‌লৰ নলটোৱে নিচান ঠিক কৰি ঘুৰি ফুৰা দেখিলে; একেৰাহে গুলীয়াই যেন মৃত্যুৰ নাগপাশ মেলিছে।

হঠাৎ চাৰজি থিয় হ’ল। সিহঁতে ঘটনাটো বুজাৰ আগতেই চাৰজিয়ে সেই অগ্নিশিখাৰে সংহাৰ মূৰ্ত্তি ধৰা বিন্ধাটোৰ সমুখত থিয় দিলে আৰু ভীষণ জোৰেৰে খিড়িকীৰ ওপৰলৈ এমুঠা হাতবোমা দলিয়াই দিলে। গোঁজৰণিত গোটেইখন কঁপি উঠিল। ধোঁৱাৰে ধুঁৱলীকুৱঁলী হৈ পৰিল। জুয়ে লেলিহান শিখা মেলি খেদি আহিল। খিড়িকীৰ সমুখৰ মানুহটো শূন্য আকাশত ওলমি থকা যেন লাগিল। তেওঁ যেন অন্তহীন ভাৱে তললৈ বাগৰি আহিছে! তেওঁৰ গাটো জুইৰ পোহৰত স্পষ্টভাৱে ওলাই পৰিছিল। তাৰ পিচত গাটো কোঁচ খাই গ’ল আৰু লাহে লাহে মাটিলৈ সৰি পৰিল।

“আগবাঢ়া!”—চেলভে আদেশ দিলে।

সিহঁত লৰালৰিকৈ ঘৰটোলৈ গ'ল। বিন্ধাৰ মাজেদি ওলোৱা মেচিনগান নিৰৱ হৈ পৰিল; তাৰ কাষেদি তেজ বৈ আহিল। মেচিনগান মৰা মানুহকেইটাও নিৰৱ হৈ পৰিল। হাতবোমা কিটা কামত আহিল?

"তোমালোক মোৰ পিচে পিচে আহাঁ!"

সিহঁতে ঘৰটো গুলীয়াই খান্তাং কৰিলে আৰু হাতবোমাই ভঙা ফুটাটোৰেদি জপিয়াই ভিতৰ সোমাল; ভগা আয়নাই সিহঁতৰ হাত কাটিলে। ডাঙৰ খুটাবোৰত জুয়ে ছাটি ধৰিছিল।

মেলিয়াচিথাই চিঞৰি ক'লে "তাত আমাৰ মানুহ আছে! আমাৰ মানুহ!"

তেতিয়াহে জামিনৰ মানুহবোৰলৈ সিহঁতৰ মনত পৰিল। বেৰত কাণ পাতি তেতিয়াও সিহঁত এন্ধাৰ কোঠাটোৰ ভিতৰতে সোমাই আছিল। প্ৰথম গুলীটো মাৰোতে সিহঁত শোৱা নাছিল; নিজৰ বুকুৰ স্পন্দনৰ দৰে সিহঁতে এই শব্দ শুনিছিল। খন্তেকৰ বাবে সিহঁতে নিস্তব্ধ হৈ বাট চালে। প্ৰথম গুলীৰ পিচতে দ্বিতীয় গুলী মাৰিলে। নাই, ইয়াৰ কোনো সন্দেহ নাই—ই কেতিয়াও চন্তৰীয়ে মৰা আকস্মিক গুলীৰ শব্দ হব নোৱাৰে।

চেকৰিথাই চিঞৰি ক'লে "আমাৰ মানুহ!"

অলগাই ফুচফুচাই ক'লে—"আমাৰ মানুহ।"

কেৱল মালাছা তাইৰ ঠাইৰ পৰা লৰচৰ নহ'ল; তেতিয়াও তাই চকচকীয়া চকুযোৰেৰে অন্ধকাৰৰ মাজলৈ চাই থাকিল।

জেভডকিমে ক'লে "সিহঁতে গির্জ্জাৰ ওচৰত গুলীয়াইছে।"

"কিন্তু জাৰ্ম্মাণৰ কামানেৰেহে........"

বেৰৰ কাষতে এটা গুলীৰ শব্দ হ'ল। অলগাই চিঞৰ মাৰি দিলে।

"গণ্ডগোল নকৰিবা! সিহঁত এইখিনি পালেহি।"

এন্ধাৰৰ বেৰাৰ মাজত সিহঁতে একো নেদেখাকৈ যেন ফান্দৰ মাজতহে সোমাই আছে। ইপিনে বেৰৰ সিফালে গুলীয়াগুলী, লৰাধপৰা আৰু যুজ চলিছে; তথাপি সিহঁতে একো দেখা নাই, একো জনা নাই।

"আমাৰ সৈন্যবোৰ অহাৰ আগতেই জাৰ্ম্মাণবোৰ আমাৰ এইখিনি পাবহি।"—গ্ৰখেচে এইবুলি ভাবিলে; কিন্তু তিৰোতাবোৰে ভয় খাই বুলি সি একোকে নক'লে। দুৱাৰৰ সিপাৰে কি ঘটিব লাগিছে, তালৈ সি উত্তেজিত ভাৱে কাণ পাতি থাকিল। খন্তেকৰ পিচতে ৰাইফ্‌লৰ কুন্দাৰে বাহিৰৰ দুৱাৰখন ভঙা শুনা গ'ল; কাষৰ কোঠাটোত মানুহৰ খোজৰ শব্দ শুনিলে। সি দুৱাৰখনত ঢকিয়াবলৈ ধৰিলে।

"আমাক উলিয়াই নিয়া। আমাক উলিয়াই নিয়া।"

কিন্তু বেৰৰ সিপাৰে চিঞৰবাখৰ আৰু ভৰিৰ গোৰোহনিৰ শব্দ শাম নেকাটিল; কোনেও তাৰ চিঞৰ নুশুনিলে।

"হেৰা, তোমালোকো আহাঁ। মোক সহায় কৰি দিয়া। নহলে সিহঁতে আমাৰ কথা নুশুনে। আৰু কিমান পৰ আমি ইয়াত বহি থাকিম?"

অলগাই ততালিকে বেৰত ঢকিয়াবলৈ লাগিল। চেকৰি-খায়ো যোগ দিলে।

"ভাইহঁত, আমাক উলিয়াই নিয়া।"

বেৰৰ সিপাৰে হুলস্থুল, চিঞৰবাখৰ আৰু গুলীয়াগুলী চলিয়েই থাকিল। কোনেও বন্দীবোৰৰ হতাশ আহ্বানৰ প্ৰত্যুত্তৰ নিদিলে।

"ডাওৰকৈ! ডাওৰকৈ! একেৰাহে চিঞৰি থাকিলে সিহঁতে নিশ্চয় শুনিব........."

"জকল গাঁৱৰ কোনোবাই সিহঁতক কব। সিহঁতে আমাক পাহৰি পেলালেনেকি?"

আকৌ সিহঁতে ঢকিয়িাবলৈ ধৰিলে। এনেতে বাহিৰত ভৰিৰ গোৰোহনিৰ শব্দ শুনিলে। তেনেহলে ৰেড্ সৈনিকবোৰ ঘৰটোৰ পৰা গুচি গ'লগৈ! সকলো খন্তেক নিস্তব্ধ হৈ পৰিল। বন্দীবোৰৰ সমুখত যেন এটা পাতালফুটা কুৰুং ওলাই পৰিল; উদ্ধাৰৰ সকলো আশা যেন লোপ পালে।

হুটা মাতেৰে জেভড কিমে ক'লে "ইযাৰ অৰ্থ কি? আমাৰ মানুহবোৰ পিচ হুঁহকি গৈছে নেকি?

অলগাই বিনাই ক'লে "আহ!"

"চুপ, মুৰ্খ! আৰু ককা তুমি বুঢ়া মানুহ হৈয়ো অবুজনৰ দৰে কথা কৈছা। সিহঁতে সিটো দাঁতিৰ পৰা চেষ্টা কৰিছে, সেয়া শুনা নাই নেকি?"

সকলো মনে মনে থাকিল।

কিন্তু সিফালে তোলপাৰ আৰু গুলীৰ শব্দ বেছিহে হ'ল।

"সিহঁতে বাটৰ পৰা ঘৰটো আক্ৰমণ কৰিব খুজিছে।"

"সেইটো কাৰ মেচিন গান?........."

"সেইটো জাৰ্ম্মণৰ.. ...সেয়া! এইটো আমাৰ?"

সকলোৱে জুম পাতি কাণ থিয় কৰি শুনি থাকিল।

কেৱল মালাছা অচলভাৱে বহি থাকিল; যি ঘটিছে তাৰ লগত যেন তাইৰ সমূলি সম্পৰ্ক নাই।

জেভডকিমে খীন মাতেৰে ক'লে "উস্! মোৰ ঈশ্বৰ। দয়ালু গোঁসাই ঐ"।

গ্ৰেখেচে তাৰ পিনে চালে।

"তুমি প্ৰাৰ্থনা আৰম্ভ কৰিবলৈ লাগিলাই নেকি ?"

বুঢ়াৰ পক্ষ লৈ চেকবিখাই ক'লে "প্ৰাৰ্থনা কৰিব খুজিছে কৰক। তোমাৰ জানো কিবা অপকাৰ হৈছে ?"

জেভডকিমে দুৱাৰমুখত আঠু কাঢ়ি বহিল আৰু বাৰ্দ্ধক্যৰ কঁপা মাতেৰে আৰম্ভ কৰিলে—.........আকাল, ভুঁইকপ, মহামাৰী আৰু শত্ৰুৰ আক্ৰমণৰ পৰা আমাক ত্ৰাণ কৰা, হে প্ৰভু......"

গ্ৰেখেচ অতিষ্ঠ হৈ পৰিল। বাহিৰত গুলীয়াগুলা চলিয়েই থাকিল ; হঠাৎ এটা ভয়ানক বিস্ফোৰণ হ'ল। গোটেই ঘৰটো যি দৰে কঁপি উঠিল যেন ভাগিহে পৰিছে।

"আই ঐ ! "—অলগাই চিঞৰিলে।

সিহঁতে বাহিৰত কথা পতা আৰু হুলস্থুলৰ শব্দ বেছি হোৱা শুনিলে। একেবাৰে ওচৰৰ কোনোবা এঠাইৰ পৰা এজনী তিৰোতাই খুব চিঞৰা শব্দ আহিল। আৰু প্ৰায় তাৰ লগেলগে আকৌ দুৱাৰৰ ওপৰত ৰাইফ্‌লৰ কুন্দাৰ কোব পৰিল।

গ্ৰেখেচে ক'লে "দুৱাৰমুখৰ পৰা আঁতৰি যোঁৱা ! পিচলৈ যোঁৱা।"

সকলো পিচ হুঁহকি গ'ল। মেটমেটাই দুৱাৰখন খহি পৰিল।

সিহঁতৰ এনে লাগিল যেন এন্ধাৰৰ মাজলৈ দিনৰ উজ্জ্বল পোহৰৰ ঢল বৈ আহিছে। দোকমোকালিৰ খীন পোহৰে কানৰ কোঠাটো পোহৰাই তুলিলে ; মাজে মাজে জুইৰ জোঙা আৰু ৰঙা শিখাবোৰ জিলিকি উঠিল। প্ৰথমেই মেলিয়াচিখা নিধাতু খাই লৰি আহিল।

"আমাৰ মানুহ ইয়ালৈ আহিছে! আমাৰ মানুহ আহিছে! ওলাই আহঁা!"—তাই ক'লে; আৰু হাঁহি আৰু কান্দোনৰ দোমোজাত চেকৰিথাৰ চোলাৰ হাতটো সাবটি ধৰি ক'লে "তোমাৰ লৰা ছোৱালীকিটা মোৰ ঘৰত আছে; সিহঁতৰ ভাল......গাৱঁত আমাৰ সৈন্য আছে! সিহঁত গাৱঁতে আছে!"

"হেৰা! ইমান চিঞৰবাথৰ নকৰিবা... আমাক ওলাই লবলৈ দিয়া।"—গ্ৰেখেচে সিহঁতক চিঞৰি ক'লে।

মালাছা একেজাপে মাটিৰ পৰা উঠিল আৰু একো নমতাকৈ ঘৰৰ পৰা বাহিৰলৈ লৰ ধৰিলে। ডেকা ৰেড সৈনিক এটা ভৰিত কাপোৰ মেৰাই দুৱাৰ দলিত বহি আছিল। তাৰ কাষত পৰি থকা জাৰ্ম্মাণ-ৰাইফ্‌লটো তাই নিৰ্ভয় মনেৰে থাপ মাৰি তুলি ললে।

"হেই! কি কৰা!"—সি চিঞৰি ক'লে আৰু ধৰিবলৈ হাত মেলিলে।

কিন্তু সেই চেৰা-বলিয়া, যেন মানুহজনীৰ ক'লা চকুযোৰৰ হৃদয়বিদাৰক চাৱনিটো দেখি সি ততালিকে হাত নমাই নিলে।

"আহ! তাই বলিয়া........."

গ্ৰেখেচে ক'লে "নিয়ক তাই সেইটো। ইয়াত জানো কিবা জাৰ্ম্মাণ-ৰাইফ্‌লৰ নাটনি পৰিছে?"

ঘৰৰ পিচপিনে চিঞৰবাথৰ লাগিল।

"সৌৱা সি পলাইছে! সৌটো পলাই সাৰিল!

* * *

কেপ্তেইন ৱাৰ্ণাৰ ধোঁৱাৰ মাজত উশাহ নিশাহ নোপোৱাৰ দৰে হ'ল। অনৰ্গল গুলী চলাৰ ফলত বন্ধ কোঠাটো এন্ধাৰ

হৈ পৰিল। ধোঁৱাই তাৰ উশাহ নিৰোধ কৰিলে; চকু পুৰিবলৈ ধৰিলে। তাৰ ৰাইফ্‌লৰ নলটো অতিপাত তপত হৈ পৰিল। আহত সৈন্যটোৱে বেৰত আঁউজি কেকাই থকা শুনি ৱাৰ্ণাৰৰ আমনি লাগিছিল। উভতি ঠিক তাৰ মুখলৈকে গুলীয়াই দিবৰ মন গৈছিল; কিন্তু ৱাৰ্ণাৰে তাৰ ৰাইফ্‌লটো এৰি আহিব নোৱাৰিছিল। কেওপিনে মাটিত আহত সৈন্যবোৰ পৰি আছিল। ৱাৰ্ণাৰে ভাৱিছিল যে জীৱিত অৱস্থাত সি এই ঠাইৰ পৰা ওলাব নোৱাৰিব। সিহঁতে তাক অতৰ্কিতে আক্ৰমণ কৰিলে; ইপিনে সি এইকথা একেবাৰে অসম্ভৱ বুলি ভাবিছিল। সদৰৰ বৰমূৰাবোৰাসোপাৰ কেৱল ধানচাউল আৰু চৰ্ব্বীৰ চিন্তা—তাকে সিহঁতে নেৰানেপেৰাকৈ খুজি থাকিব। কিন্তু গাৱঁলৈ অহা বাটকিটা নিৰাপদে ৰাখিবলৈ চেষ্টা কৰা কথাটো সিহঁতৰ মূৰতে নেখেলায়। গৰিল্লাৰ নাম শুনিলেই সিহঁতৰ হাত ভৰিৰ কঁপনি উঠে; কিন্তু সেই বিষয়ে সিহঁতৰ কথাৰ ওৰ নপৰে। সিহঁতৰ ওচৰতে কি ঘটনা হৈছে আৰু বলশ্বেভিক্‌বোৰ ক'ত আছে—এইবোৰ সিহঁতে নেজানে!

ৱাৰ্ণাৰে একো ঠাৱৰ কৰিব নোৱাৰিলে। সিহঁত যুদ্ধক্ষেত্ৰৰ পৰা বহুত দূৰত আছে বুলি সকলো খবৰৰ পৰা জনা গৈছিল। আজি কিন্তু হঠাৎ সামৰিক ৰেড্‌বাহিনীয়েই জাৰ্ম্মাণ সেনাপতিৰ অফিচ বেৰি ধৰিলে; গৰিলা হোৱা হ'লেও এটা কথা! ৰণক্ষেত্ৰৰ পৰা বহুত দূৰৰ ঠাইতো সিহঁতৰ দ্বাৰা এনে ঘটনা হোৱা সম্ভৱপৰ। ভাল হৈছে! এতিয়া সিহঁতে ভালকৈ শস্য পাব!

আহত মানুহটোৰ কেঁকনি ক্ৰমে বাঢ়ি গ'ল; তাৰ পেটত আঘাত লাগিছিল। এই ভূতে পোৱাটো! ইয়াত কি হৈছে

তাৰ কথা নিশ্চয় কোনোবাই শুনিব ; ইয়াত মৃত্যুৰ তাণ্ডৱ লীলা হোৱাৰ কথা শুনি সিহঁতৰ গা শিয়ঁৰি উঠিব। ৰাৰ্ণাৰৰ কাণদুখন গুম্‌গুমাই উঠিল আৰু মূৰটো ফাটি যোৱা যেন পালে। আৰু কিমান পৰ চলিব ? লাইন কাটিলে যেতিয়া টেলিফোনত জনোৱাৰ কোনো উপায় নাই। সি গাৱঁত গুলীৰ শব্দ শাম কটা শুনিলে ; কিন্তু অফিচৰ মুখৰ মুকলি ঢোখৰত তোলপাৰ বাঢ়িহে গ'ল। জকল তাৰ বাহিনীটো নিৰ্ম্মূল হ'ল ; এতিয়া অফিচেই একমাত্ৰ অৱশিষ্ট দুৰ্গ।

তাৰ পিচ মুহূৰ্ত্ততে গোটেই তলওপৰ লাগিল। আৰু কোঠাটোৰ ধোঁৱাময় বতাহ কঁপাই কাণ তাল মৰা বিস্ফোৰণৰ শব্দ এটা আহিল। সি উফৰি বেৰত পৰিলহি। চিঞৰ-বাখৰৰ শব্দ তাৰ কাণত পৰিল। খিড়িকীৰ ঢাকনিবোৰ ভাগি গ'ল ; সি বুজিলে, খিড়িকীত কোনোবাই এমুঠা হাতবোমা মাৰিলে। জুইৰ শিখাবোৰে ফণা মেলি খেদি আহিল। হঠাৎ ৰাৰ্ণাৰে কান্ধত বৰ আঘাত লগা অনুভৱ কৰিলে। মাটিত সৈন্যবোৰৰ টুকুৰাটুকুৰ মঙহ আৰু ক্ষতবিক্ষত হাতভৰি ছিটিকি পৰিছিল। নহয়, ইয়াত থকাৰ আৰু কোনো আৱশ্যক নাই। সি বিজুলী বেগেৰে কাষৰ কোঠাটোলৈ লৰ মাৰিলে। তাত গণ্ডগোল কম। সেই সৰু গুদামঘৰটোত কেৱল এটা ফুটা আছে আৰু মেচিনগানৰ মানুহটোৱে সেইবাটেদি একেৰাহে ধোঁবাত হাত টিপি আকাশৰ পিনে লক্ষ্য কৰি গুলা চলাই আছিল। কোনেও তাৰ গুলাৰ প্ৰত্যুত্তৰ দিয়া নাছিল ; বোধহয় সেইপিনৰ পৰা সিহঁত গুচি গ'ল। তৎক্ষণাৎ ৰাৰ্ণাৰে শলখাডাল খুলিলে ; জনকৃকৈ খিড়িকীখন মেল খালে। তাৰ একে খুন্দাতে খিড়িকীৰ আয়নাবোৰ ভাগিল। তাৰ পিচত একে জাপে বাহিৰৰ বৰফৰ

ওপৰত পৰিলগৈ; তাত কোনোবা আছে নেকি বা সি বন্দুকৰ আগতে ওলাবগৈ নেকি—এইবোৰ চাবলৈ সি আৰু নৰ'ল। বাহিৰৰ কুৰঁলীভৰা মুকলি বতাহত সি দীৰ্ঘশ্বাস পেলালে; ৰাতিপুৱাৰ বৰফৰ চিকমিকনিয়ে তাৰ চকু-জ্বলকতবক কৰি পেলাইছিল। পিচপিনে সি চিঞৰবাথৰ আৰু খোজৰ শব্দ শুনিলে। নিশ্চয় এতিয়া ৰেডসৈনিকবোৰ ঘৰৰ ভিতৰ সোমাল। সমুখত মেলিয়াকইতৰ চালিখন দেখিলে; সেয়ে প্ৰথম আশ্ৰয়ৰ স্থান। সি সেইপিনে বেগ দিলে।

হঠাৎ মাটি ফুটি ওলোৱাদি মালাছা তাৰ আগত থিয় দিলেহি। ৰাইফ্‌লৰ নলটোত ধৰি তাই তাৰ পিনে খেদা মাৰি গ'ল। ৱাৰ্ণাৰে নিচেই কাষতে তাইৰ গোমোঠা মুখখন আৰু ৰঙা চকুযোৰ দেখিলে। চকুকিটা ডাঙৰ, ক'লা। জপৰা চুলিকোছা এই মুখখনৰ ওপৰত বাগৰি পৰিছে; ভয়ানক হৈ পৰিছে যদিও মুখখন মোহ লগা। নিপোটল হাতকিটাৰে মালাছাই প্ৰৱল বেগেৰে ৰাইফ্‌লটো মূৰৰ ওপৰলৈ তুলি ল'লে। ৱাৰ্ণাৰেও ততালিকে নিচান কৰিলে। এটা গুলীৰ শব্দ হ'ল, কিন্তু সেই মুহূৰ্ত্ততে ভীষণ জোৰেৰে তাৰ মূৰত ৰাইফ্‌লৰ কুন্দাৰ কোব পৰিল। সি কেৰ্কাই মাটিত বাগৰি পৰিল। তেজ নাক ভাগিল, কপালখন থেতেলা খাই গ'ল আৰু মুখৰ ওপৰেদি ঢোলোকা ঢোলোকে তেজ বৈ গ'ল। তেজে তাৰ উশাহ বন্ধ কৰি দিলে। চকুত তেজ সোমাল; ডিঙিয়েদি তেজ কলকলাই বাহিৰলৈ ববলৈ ধৰিলে। ৱাৰ্ণাৰৰ উশাহ নিৰোধ হৈ গ'ল।

তাৰ পৰা দুখোজ আঁতৰত মালাছা পৰি থাকিল। হাড়

ভাগি ভোখৰ ডোখৰ হোৱা শব্দ শুনাৰ লগে লগে তাই গুলীৰ শব্দ শুনিছিল। কিন্তু গাত গুলী লগাটো তাই সৌভাগ্যৰ কথা বুলি ধৰিছিল। ই যেন উচিত ভাৱে-ই তাইৰ পেটত লাগিছিল। তাই কষ্ট অনুভৱ কৰা নাছিল। নহয়, ইয়াক কষ্ট নোবোলে, সি হৈছে সুখ। তাইৰ ওঁঠত এটা তৃপ্তিৰ হাঁহিয়ে দেখা দিলে। যোৱা এমাহ জুৰি যিটো ভাৰ ফুটি উঠি তাইৰ মুখত বাৰ্দ্ধক্যৰ ছাঁ পেলাইছিল, সি সমূলি নোহোৱা হ'ল। মালাছাৰ চকুযোৰ ক'লা, গাৰ বৰণ তাম বৰণীয়া; তাই গাৱঁৰ ভিতৰত আটাইতকৈ ধুনীয়া ছোৱালী। সেই মালাছা আজি হাত মেলি আকাশৰ পিনে মুখ কৰি তাতে পৰি থাকিল। তেতিয়াও তাই ৰাইফলটো হাতেৰে খামুচি আছিল; কিন্তু তাই নিজে তেতিয়া বহুত দূৰত আছিল। তাই আছিল সকলোৰে পৰা বহুত আঁতৰত; ৰামধনুৰ ৰঙৰ মাজত, হিমভৰা পুৱঁতীৰ নীলিম আকাশৰ বুকুত আৰু বেলিৰ প্ৰথম ৰশ্মিৰ পৰশ পোৱা বৰফৰ চিকমিকনিৰ পোহৰত তাই উটি বুৰি ফুৰিছিল।

পোহৰৰ প্ৰথম ৰেখাকিটাই যেন ৰামধনুৰ টোপনি ভাঙি দিলে। ওৰে নিশা আকাশত ক্ষীন ধনুখন দেখা গৈছিল; কিন্তু আকাশৰ গভীৰ বুকুৰ মাজত খুব অস্পষ্ট ভাৱে মুকুতাৰ মালাৰ দৰেহে দেখা গৈছিল। এতিয়া ইয়াৰ গাত ৰদালিয়ে উজ্জ্বলতা, উত্তাপ আৰু ৰহণ সানি দিলে। ধনুখনে নিৰ্ম্মল পোহৰেৰে আৰু ৰঙচঙীয়া দলিছাৰ দৰে মিহি ৰঙ ঢালি আকাশৰ বুকুত পোহাৰ মেলিলে। ৰঙা পাপৰিৰ জেউতিৰে, বসন্তত আগতীয়া-কৈ ফুলা স্থলপদ্ম ফুলৰ বেঙুনীয়া ৰহনেৰে, লাইশাকৰ নিৰ্ম্মল সেউজীয়া বোলেৰে, বনৰীয়া মেটেকাৰ গাঢ় আৰু পাতল ৰঙৰ সমাবেশেৰে,

গোলাপৰ তেজীৰঙা ৰঙেৰে আৰু 'কেম্পায়ন' ফুলৰ সোণালী বৰ্ণেৰে ধনুখন উপচি পৰিছিল। ইয়াৰ উপৰিও এটা অক্ষয় বিকিৰণে উম লগা জিলিঙনি মেলি দিছিল।

মালাছাৰ চকুকিটাই এই ৰামধনুখনৰ পিনে চাই আছিল। আকাশ জুৰি উজ্বল ধনুখনে ছাটি ধৰিছিল। গাৰ পৰা বৈ অহা তেজৰ সোঁতৰ লগে লগে তাইৰ জীৱন-বন্তিও ক্রমে নুমাই আহিল। তাইৰ আঙুলিবোৰ জঠৰ হৈ পৰিল, ভৰিকিটা চেঁচা হৈ আহিল আৰু গাটো ঠেৰেঙা লাগিল। তাইৰ তৃপ্ত চকুযোৰে একেৰাহে দূৰণিৰ সৰগৰ ইমুৰ-সিমূৰ জোৰা ৰামধনুৰ দীপালি পথৰ পিনে চাই থাকিল। পোহৰৰ পথটোৱে অচিন লক্ষ্যৰ অভিমুখে যাত্রা কৰিছে; ই সৰগৰ নীলিম বুকুত, ৰদালিৰ পৰশত ক্রমে উজ্বল হৈ উঠা, এটা সুখৰ পথ। মালাছা—গাৱঁৰ ভিতৰত আটাইতকৈ ধুনীয়া ছোৱালী আৰু সমূহীয়া পামৰ শ্রেষ্ঠ কৰ্ম্মী; তাই এই ৰামধনুৰ পথেদি যাবলৈ ধৰিলে। বাতৰি কাকতত সিহঁতে তাইৰ কথাকে লিখিছিল; তাইৰ বাবেই গ্রীষ্মৰ কত নিশা প্ৰণয়ত উপচি পৰিছিল!

তেতিয়া আৰু বৰফ নাই। তাইৰ মূৰৰ কাষত যেন ধানখেৰৰ খচ্‌খচনি উঠিল; বতাহত ফুলৰ সুগন্ধি আহিল। ওচৰতে ক'ৰবাত যেন নিজৰাৰ পানীৰ কলকলনি উঠিল। চৰণীয়া পথাৰৰ পৰা ভাল গোন্ধ এটা আহিল। দূৰৰ পৰা মানুহৰ মাত, ছোৱালীবোৰৰ গান আৰু লৰাবোৰৰ হাঁহিৰ শব্দ বতাহত ভাহি আহিল। বাদ্যযন্ত্রৰ সুৰে নিশাৰ নিস্তব্ধতা ভাঙিলে। তাইৰ চকুযোৰে আকাশত ৰামধনুখন বিচাৰিবলৈ ধৰিলে; কিন্তু, ক'তা? গৰমৰ নিশাত জানো ৰামধনু ওলাব পাৰে?

······ইভানে উলাহত হাঁহিছে। তাৰ ক'লা চেলাউৰিযোৰৰ তলৰ ধোঁৱাবৰণীয়া চকু দুটা তাইৰ মুখৰ আগত ভাহি উঠিল। ছবিখন মলিন হৈ পৰিল ; নিশাৰ এন্ধাৰে সকলো ধুই নিলে। কিন্তু ৰামধনুখন আগৰ দৰে তাতে জিলিকি থাকিল। ইয়াৰ জেউতিৰে চকুৰ হেঁপাহ গুচাবলৈ তাই আকৌ এবাৰ চাব খুজিলে।

কিলাকুটিত ভৰ দি কষ্টেৰে মালাছাই কোনোমতে গাটো দাঙিলে। গাৰ মাজেদি এটা অমানুষিক বেদনাৰ শিহৰণ বৈ গ'ল ; আকৌ তাই বৰফৰ ওপৰত বাগৰি পৰিল। মৰণ চমু চাপি আহিল বুলি তাই অনুভৱ কৰিলে আৰু হাত দুখন ওপৰলৈ দাঙি ধৰিলে ; আকাশ ছাটি ধৰা ৰামধনুখনৰ ৰঙচঙীয়া ফিটাডাল ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু তাইৰ আঙুলিবোৰে কেৱল অন্ধকাৰহে খামুচি ধৰিলে। আকাশৰ পিনে চাই থকা তাইৰ চকুকিটা ঢলি গ'ল। ওঁঠকিটা মেল খাই পৰিল ; তাৰ মাজেদি তাইৰ নিমজ, বগা দাঁতবোৰ জিলিকি পৰিল। বেদনাভৰা হাঁহিটোৱে তাইৰ মুখত এটা আচৰিত অভিব্যক্তি সানি দিলে।

ঘৰৰ পিচপিনে চিঞৰবাখৰ ক্ৰমে বাঢ়ি গ'ল। তিৰোতাবোৰে বন্দী জাৰ্ম্মাণবোৰক ধৰি নিছিল। ভৰালৰ তলৰ পৰা টাৰপিলিখাই পলৰীযা জাৰ্ম্মাণ এটাক উলিয়াই আনিলে। ৰাইফ্‌ল পেলাই থৈ খোলা দুৱাৰেদি দৌৰ মাৰি সি চুকৰ খেৰৰ দ'মৰ মাজত লুকাই আছিল। বৰফৰ ওপৰত পৰা তাৰ খোজবোৰেই তাক ধৰা পেলাই দিলে। টাৰপিলিখাই তাইৰ সহায়ৰ বাবে ৰেডসৈন্যক মাতিবৰ কোনো আৱশ্যক বোধ নকৰিলে। হাতত ওখোন আৰু জবকা লৈ এথেছৰ ছোৱালী

দুজনী তাইৰ লগত আহিছিল; সিহঁত মনেমনে ভৰালৰ ভিতৰ সোমাল।

"হেই, তাৰ পৰা ওলাই আহ। ফ্ৰিচিয়া; সি তাতে আছে। খেৰৰ মাজত কুচিমুচি সোমাই আছে।"

"ৰ'বা নেঠেলিবা। মই ওখোনেৰে স্থৰস্থৰাই তাৰ গা শাঁত কৰিম।"

"বেৰৰ কাষেদি যোৱাঁ। পলৰীযাটোৱে ক'ৰবাত গুলীয়াব পাৰে।"

অৱৰুদ্ধ যোদ্ধাই সিহঁতৰ কথাবোৰ নুবুজিলে; কিন্তু সি খেৰৰ মাজেদি তাৰ পিনে টোৱেঁাৱা ওখোন ডাল দেখিলে। লৰালৰিকৈ গাৰ পৰা খেৰবোৰ গুচাই সি ওলাই আহিল। তাৰ ফটা কানিকাপোৰবোৰ গাৰ পৰা টুকুৰাটুকুৰকৈ ওলমি পৰিছিল। তিৰোতা মানুহৰ অতিপাত কজলা ৰঙৰ পায়জামা এটা তাৰ মূৰত মেৰোৱা আছিল।

"এইটি ক'ৰবাৰ ছোৱালী-ফুচুলুৱা! তাৰ পটটি চোৱাঁ। হেই, আগবাঢ়ি আঁহ।"

ভয়ত জাৰ্ম্মাণটো দুৱাৰমুখ পালেহি। দুৱাৰদলিত সি উজুটি মাৰি পঠিয়ালে। "কেনেকৈ চুঁচৰিছে চোঁৱাছোন......আহ, ওপৰলৈ হাত তোল! ফ্ৰস্কা, চোঁৱাছোন, ক'ৰবাত খেৰৰ মাজত ৰাইফ্‌ল আছে নেকি? থাকিলে কামত আহিব......" ছোৱালী জনীয়ে চুকটো ভালকৈ চালে।

"নাই, একো নাই। নিশ্চয় সি পেলাই থৈ আহিল।"

"বীৰৰ গোট কি নেচাবা! ইপিনে ভৰিত বুটো এজোৰ! ইস্!"—টাৰপিলিখাই ক'লে।

জাৰ্ম্মাণটোৰ ভৰিকিটাত ফটাকানি মেৰোৱা আছিল।

"জৰুল তাৰ ভৰি ঠেৰেঙা লাগিছিল। কেনেকৈ ভৰি চোঁচোৰাই আহিছে চোৱাঁ!"

"ইয়ালৈ আহিবলৈ তাকতো কোনেও মতা নাছিল! ঘৰত থাকি সি ইচ্ছামতে জুহালত জুই ফুৱাই থাকিব পাৰিলে-হেঁতেন। কিন্তু, তাৰ আকৌ আমাৰ দেশলৈহে হুতাহটো লাগিল।"

বাটলৈ মানুহবোৰ লৰি আহিল।

"ক'ৰ পৰা খুচৰি উলিয়ালা, টাৰপিলিখা?"

"হে হে, এইটিলৈ চোঁৱা!"

"তোমালোকক বাৰু কি লাগে? মই বন্দী এটা লৈ অহা দেখা নাই জানো? এই দৰে ইয়াত থৰ লাগি চাই থকাতকৈ তোমালোকে নিজৰ ভৰাল আৰু চালিৰ তলত ভালকৈ চোঁৱাগৈ! সিহঁতে কেওপিনে উজানৰ মাছৰ দৰে জপিযাই ফুৰিছে। সিহঁতৰ সকলোকে আমি ধৰিবই লাগিব।"

খোৰা আলেকজেণ্ডাৰে ক'লে "তেওঁ ঠিক কৈছে। আহাঁ, সিহঁতৰ কোনোবা লুকাই আছে যদি আমি বিচাৰোঁগৈ, ব'লা।"

সকলোৱে হাতত ওখোন, কোৰ, কুঠাৰ লৈ লৰ ধৰিলে।

"ব'লা, আমি সকলো একেলগে যাওঁ।"

"দলেৰে গ'লে বৰ ফূৰ্ত্তি হব।"

"আহ্, ক'ৰবাত জাম্মাণৰ গাত গচকে বুলি ফ্ৰচিয়াৰ ভয়টো চোৱাঁ।"

"চিন্তা নকৰিবা। গচক দিবলৈ হ'লে এনেকৈ দিম যাতে সি চিঞৰ মাৰিবলৈকে সময় নেপায়।"

সিহঁতক শান্ত কৰিবৰ মনেৰে আলেকজেণ্ডাৰে ক'লে

"বাৰু, বাৰু, তোমালেকে ইমানকৈ চেলবেলাই নাহিবা।"

সিহঁতৰ গোটেই দলটোৱে ঘৰে ঘৰে ঘূৰিলে। সিহঁতে ছাগলী-গৰালৰ মেৰবোৰ দাঙি চালে, ভৰালবোৰ ভালকৈ চালে। লৰাছোৱালীবোৰে সিহঁতৰ লগতে লৰাঢপৰা কৰিবলৈ ধৰিলে; সিহঁতে চুকবোৰ খুচি ফুৰে আৰু আনন্দত চিঞৰ-বাখৰ লগায়।

তেনেতে সেহাই ফোঁপাই চাছা লৰি আহিল। "আমাৰ ভৰালত এটা জাৰ্ম্মাণ আছে।"

হেচাঠেলা কৰি সকলোৱে ভৰাললৈ লৰ ধৰিলে আৰু ভয়ত কোচমোচ খোৱা জাৰ্ম্মাণটোক উলিয়াই আনিলে। ৰেড্ সৈনিকবোৰেও গাঁৱত তন্ন তন্নকৈ বিচাৰিলে, তিৰোতাবোৰৰ লগত ভেটাভেটি হওঁতে সিহঁতে হাঁহি দিলে। তিৰোতাবোৰে প্ৰতিটো চুক-কোণ চিনি পায় আৰু সেইবাবে সিহঁতৰ অনুসন্ধান বেছি ফলৱতী হৈছিল।

"বাৰু, বেছি বন্দী কোনে পালে?"

"তোমালোকে, তোমালোকে" হাঁহি হাঁহি সৈন্যবোৰে স্বীকাৰ কৰিলে।

চেলভে খংমুৰাকৈ সুধিলে "সিহঁতৰ সেনাপতিটো কলৈ গল? আকৌ তাক এবাৰ বিচাৰি চোৱা। সিতো আৰু ওপৰেদি ডেও দি পলোৱা নাই।"

সিহঁতে মৰা জাৰ্ম্মাণবোৰৰ মাজত চালে। ফেল্ডৱেবেল আৰু আন সৈন্যবোৰ আছে।

"কেপ্তেইন ক'ত? কেপ্তেইনক বিচাৰি উলিওৱাঁ।"

কিন্তু ৱাৰ্ণাৰ চালিৰ পিচপিনে বৰফৰ মাজত পৰি আছিল। মাৰৰ কোবত এটা চকু ওলাই পৰিছিল। ইটোৱে সি ওপৰৰ

আকাশৰ পিনে চাই আছিল। মূৰৰ যন্ত্ৰণা অসহ্য হৈ উঠিছিল। মূৰৰ ওপৰত যেন এটা প্ৰকাণ্ড হাতুৰীৰে কোবাই আছে আৰু জুইৰ ৰঙা, কজলা ফিৰিঙটিবোৰ ছিটিকি পৰিছে। ফুটা চকুটোত যেন একুৰা জুইহে জ্বলিছে; ডিঙিয়েদি তেজৰ সোঁত বৈছে। সি যিমান পাৰে সিমান সোনকালে তেজবোৰ গিলি থয়; কিন্তু গিলাৰ পিচতে আকৌ উশাহ নোপোৱা হয়। তথাপি তেজ বৈযেই থাকে—যেন ই পাতালফুটা নাদৰ পবাহে ওলাই আহিছে। তেজবোৰ একেৰাহে গিলি থাকে। সি বুজিছিল, গিলিবলৈ বন্ধ কৰিলেই সেই তেজৰ ঢলৰ মাজত উশাহ লব নোৱাৰা হব। ইপিনে তাৰ ডিঙিৰ ভিতৰত আঘাত লাগিছিল; সেইবাবে সি সহজভাৱে গিলিব পৰাও নাছিল আৰু গোটেই গা এছাৰি চাটিফুটি কৰি আছিল। সি গাটো ঠেৰেঙা লগা যেন পাইছিল; আৰু জানিছিল যে কোনোবাই যদি ততালিকে তাক নেদেখে আৰু সহায় নকৰে, তেনেহলে সি নিশ্চয় ঠেৰেঙা লাগি মৰিব। তাৰ গা শিয়ঁৰি গ'ল। কোনে তাক সহায় কৰিব? খেতিয়ক বোৰে? এই আপদাযা গাওঁখনৰ ঘৃণনীয় খেতিয়কবোৰে? তাৰ অন্তৰ আতঙ্কত ভৰি উঠিল—যদি নমৰি সি খেতিয়কবোৰৰ হাতত পৰি ওখোনৰ খোচ খাবলগীয়া হয়। নহলে বলশ্বেভিক্‌বোৰৰ হাতত যদি সি বন্দী হয়!...... . ..

গোটেইখন নিটাল মাৰিলে। গুলীয়াগুলী বন্ধ হ'ল। মিছা আশাৰে নিজক ফাঁকি দিবলৈ সি চেষ্টা নকৰিলে। সি বুজিলে যে তাৰ গোটেই বাহিনীটো নিৰ্ম্মূল হ'ল আৰু সিহঁতহে জিকিল। নিৰাশাই তাৰ অন্তৰ ফালি নিলে। ধোঁৱাবৰণীয়া কোঁট পিন্ধা সেই জধলা মানুহবোৰে তাক—কেপ্তেইন ৱাৰ্ণাৰক—আক্ৰমণ কৰিলে। ই কেনেকৈ সম্ভৱপৰ হ'ল!

সি যেন ইয়াৰ উত্তৰ বিচাৰিহে দূৰৰ নীলিম আকাশলৈ তাৰ অকলশৰীয়া চকুটোৰে একেথৰে চাই থাকিল। কিন্তু তাত সি ৰামধনুখনহে দেখিলে—দিগন্তক ইমূৰৰ পৰা সিমূৰলৈ জুৰি থকা বিৰাট ধনুখনে এডাল ৰঙচঙীয়া ফিটাৰ দৰে স্বৰ্গ আৰু পৃথিবীৰ মাজত মিলনৰ গাঁথনি বান্ধিছে। ৰামধনুৰ মিহি ৰঙবোৰ জিলিকি আছে। তাৰ অজ্ঞান মনৰ মাজত এটা অস্পষ্ট সোঁৱৰণ জাগি উঠিল। সি বাৰু এনে ৰামধনু এখন ক'ত দেখিছিল? অ' হয়, সেই বৰফ-ধুমুহা হোৱাৰ আগতে...... ... তেতিয়া সেই মানুহজনীয়ে কি কথাটো কৈছিল? তাইৰ মতে ৰামধনু মঙ্গলৰ লক্ষণ।

কেপ্তেইন ৱাৰ্ণাৰে কেঁকাবলৈ ধৰিলে। এটা উলাহ ভৰা জেউতি লৈ ৰামধনুখন জিলিকি আছিল। সুলক্ষণীয়া হ'লেও ই তাৰ কাৰণে সুলক্ষণ নহয়। ৰামধনুখনে পুলকভৰা প্ৰাণেৰে পোহৰ দি থাকিল, কিন্তু সি আৰু নেদেখা হ'ল। ঘন এন্ধাৰৰ মাজত সি বুৰ গ'ল।

১০

সেইদিনা মৰাবোৰক আৰু এমাহ জুৰি খালৰ বৰফৰ মাজত পৰি থকাবোৰক সিহঁতে গিৰ্জ্জাৰ সমুখৰ মুকলি ডোখৰত কবৰ দিলে।

পুতেকৰ শটো লৈ যাওঁতে ফেডচিয়া ক্ৰেভচাকে নিজে সহায় কৰি দিলে। তাই তাৰ নিসাৰ আৰু আচৰিত ৰকমে পাতল হৈ পৰা মূৰটো ধৰিছিল; তাৰ মিহি চুলিবোৰ তাইৰ আঙুলিৰ পৰশত ৰেচম যেন লাগিছিল। তাই সেই ক'লা, কাঠত ছাব

কটা যেন, মুখখনলৈ চাই অকনো কষ্ট বা বেজাৰ নেপালে। ভেচিয়া বহুত দিন ৰ'ল। লগৰীয়া বোৰে তাক বৰফৰ মাজৰ পৰা খান্দি উলিয়ালে; সিহঁতেই তাক সেই উমৈহতীয়া কবৰ-টোৰ মাজত শান্তিৰ কোলাত ঠাই দিলে।

খালৰ থিয় গড়াৰ ওপৰেদি 'শ্লেজ'বোৰ লাহে লাহে যাবলৈ ধৰিলে। বৰফৰ ওপৰত বাগৰি নপৰাকৈ পুতেকৰ শটো ধৰি ফেডচিয়া কাষে কাষে গ'ল। ভেচিয়াৰ কাষত পৰি থকা সেই অপৰিচিত মানুহৰ শবোৰ তাই মাকৰ দৰে আলফুলকৈ ধৰি পোনাই দিলে।

চেলভে আদেশ দিলে "তেওঁলোকৰ লগতে ছোৱালী জনীকো কবৰ দিয়া। তাই যোদ্ধাৰ দৰে ৰণ কৰি মৰিছে!"

মেলিয়াচিখাই ক'লে "তাই ছোৱালী নহয়, তিৰোতা মানুহ। তাইৰ গিৰিয়েক সৈন্যবাহিনীত ভৰ্ত্তি হৈছে।" কিন্তু যেতিয়া সিহঁতে মালাছাৰ শটো আনিলে, তাইৰ নিজৰে ভুল হোৱা যেন লাগিল। বৰফৰ ওপৰত তাই দেখিলে—এজনী ছোৱালী—গাভৰু ছোৱালী। এবছৰৰ আগতে তোলপাৰেৰে তাইৰ বিয়াখন পাতিছিল; মেলিয়াচিখাই তাইক তেতিয়া যেনে চেহেৰাত দেখা মনত পৰে, ঠিক তেনেকুৱাই দেখিলে।

এটা ৰেড্ সৈনিকে মনেমনে ক'লে "তাই ধুনীয়া আছিল।"

এৰা, তাই সুন্দৰী আছিল। মালাছা আছিল গাৱঁৰ ভিতৰত আটাইতকৈ ধুনীয়া ছোৱালী। তাইৰ চকুৰ পিৰিকতিৰ দীঘল নোমবোৰৰ ছাঁটো গালত পৰিছিলহি। মূৰৰ ক'লা কেঁকোৰা চুলিবোৰে ঢৌ খেলিছিল। তাইৰ ক'লা চেলাউৰি জোৰ চাতক চৰাইৰ পাখীৰ দৰে তাইৰ নিৰ্ম্মল, মিহি কপালখনত বৈ পৰিছিল। তাইৰ জঠৰ ওঁঠকিটাত বেদনাভৰা হাঁহি এটা

বিৰিঙি আছিল; সেই হাঁহিটোৰ পৰা কোনেও তাৰ চাৱনি আঁতৰাই নিব নোৱাৰে।

সিহঁতে লেভনিয়াকৰ শটো ফাঁচিকাঠৰ পৰা নমাই আনিলে। তাৰ গৰ্ভৱতী মাকৰ তেতিয়া প্ৰসৱৰ প্ৰথম বেদনাই দেখা দিছিল; কিন্তু তাই ঘৰত থাকিবলৈ মান্তি নহল। পুতেকৰ ঠৰঙা, ক'লা দেহাটোৰ পিনে তাই হাত মেলিলে; যোৱা এমাহ জুৰি বতাহ আৰু বৰফৰ মাজত সি ফাঁচীকাঠত ওলমি আছিল। তাই সাবধান কৰি ক'লে "লাহে লাহে, লাহে লাহে"—যেন তেতিয়াও সি বেদনা অনুভৱ কৰিব পাৰিব।

ছোৱালীবোৰে তাইক সহায় কৰি দিছিল। সি পাতল হৈ পৰিছিল; সমূলি গধুৰ নাছিলেই। ষোল বছৰীয়া আছিল যদিও এতিয়া তাৰ মুখখন কাঠত ছাব কটা সৰু লৰাৰ মুখৰ নিচিনা হৈছিল।

সিহঁতে আহল বহল কবৰ এটা খান্দিলে আৰু শবোৰ ওচৰাওচৰিকৈ শুৱাই দিলে। এমাহৰ আগেয়ে মৰা মানুহ-বোৰৰ শবোৰ এতিয়া শিল যেন টান; ছাৰজি ৰেচেঙ্কৰ বিকলাঙ্গ শৰীৰৰ অৱশিষ্ট টুকুৰাবোৰহে আছিল; ছেৰডিয়াকক শুই থকা যেন দেখা গৈছিল। তাত আৰু আছিল সেনাপতিৰ অফিচৰ ওচৰত মৰা ডেকা সৈনিকটো আৰু মালাছা। লগৰীয়াবোৰৰ হৈ চেলভে ক'লে। তেওঁৰ তেজস্বী আৰু সবল কথাকিটা নিস্তব্ধ বতাহত বহুত দূৰলৈ ভাহি গৈ ৰামধনুৰ কৰধনি পিন্ধা ফট-ফটীয়া আকাশৰ বুকুত বিলীন হৈছিল।

গোটেই গাওঁখন—অৰ্থাৎ—মাইকী, বুঢ়া আৰু লৰাছোৱালী-বোৰ—কবৰৰ কাষত থিয় দি আছিল; ওচৰাওচৰিকৈ পৰি থকা

ৰেড-সৈনিকবোৰ আৰু মালাছাৰ পিনে সিহঁতে চাই আছিল। কোনেও নেকান্দিলে। উদং মূৰেৰে সিহঁতে বিষাদ ভাৰ লৈ থিয় দি থাকিল। ফেডচিয়া ক্ৰেভচাকে একমাত্ৰ পুতেকৰ মৰাশটো স্বদেশৰ মাটিৰ বুকুত সমৰ্পণ কৰিলে। বুঢ়ী ছেৰীখাই জীয়েকৰ মৃতদেহ ধৰণীৰ কোলাত জাপি দিলে। আনবোৰ অচিনাকী মানুহ; কিন্তু কবৰৰ মাজত পৰি থকা সেই শবোৰ সিহঁতৰ নিজৰ লৰা, স্বামী, বা ভাইককাই যেন লাগি-ছিল।

যিবোৰে জীৱন হেৰুৱালে, যিবোৰৰ মুখবোৰে আকাশৰ পিনে থৰ লাগি চাই আছে,. সেইদিনা সেইবোৰতকৈ আৰু আন কোনো আপোন আৰু মৰমৰ নাছিল! সিহঁতেই ৰেড্ বাহিনীৰ সৈনিক—সিহঁতৰ নিজৰ সৈন্যবাহিনী!

আবেগৰ কঁপনি তুলি চেলভে ক'লে "আমাৰ স্বদেশে তেওঁ-লোকক কেতিয়াও পাহৰিব নোৱাৰে।"

হয়, সিহঁতে জানে—সিহঁতে কেতিয়াও নেপাহৰে। সিহঁতে জানে যে জীৱন বলি দিয়া মানুহবোৰৰ মুখবোৰ আৰু সিহঁতক মাটিৰ বুকুত সমৰ্পণ কৰা আজিৰ এই দিনটো সিহঁতৰ সোঁৱৰণৰ পৰা কেতিয়াও মোচ নেখায়। উমৈহতীয়া কবৰটোৱে শবোৰক আজি একেলগ কৰিলে; সিহঁতৰ কিছুমান শত্ৰুৰ গুলীবৰ্ষণৰ আগত পিচ হুঁহকি আহোতে মৰিল আৰু বাকীবোৰ মৰিল গাওঁখন মুক্ত কৰিবলৈ আহি—শত্ৰুৰ হাতৰ পৰা কাঢ়ি লওঁতে।

সকলোৰে থীৰ দৃষ্টি। এৰা, এয়ে যুজ—হাতত তেজ, জুই আৰু অস্ত্ৰ লৈ ই গাৱঁৰ বুকুত দেখা দিলে। কিন্তু সকলোৰে অন্তৰত আছিল এটা অটল বিশ্বাস; সেয়ে সিহঁতক ভয়ঙ্কৰ

ছুখৰ দিনকেইটা বহন কৰিবলৈ সক্ষম কৰি তুলিছিল। সিহঁতৰ সেনাবাহিনী উভতি অহাৰ বিশ্বাসেই সিহঁতৰ শেষ সম্বল।

চেলভে তললৈ চাপ্ৰি এচপৰা মাটি তুলি লৈ কবৰৰ ওপৰত পেলাই দিলে। তাৰ পিচত, ইটোৰ পিচত সিটোকৈ, কবৰৰ কাষত থকা সকলোৱে কবৰৰ ওপৰত একাঁজলি স্বদেশৰ মাটি ঢালি দিলে। সিহঁতে সেই কবৰতে যেন শান্তিত জিৰণি লয়। সিহঁতৰ বুকুৰ কাষতে স্বদেশৰ-- মুক্ত স্বদেশৰ —মাটিৰ স্পৰ্শ যেন সিহঁতে অনুভৱ কৰে।

এজনী মাকে ডুবছৰীয়া জীয়েকজনীক ক'লে "নায়ুৰা, তয়ো অলপ দলিয়াই দে।"

সৰু ছোৱালী জনীয়েও এমুঠি মাটি তুলি ল'লে আৰু সাৱধানে কবৰৰ ওপৰলৈ দলি মাৰি পঠিয়ালে। লম্বাছোৱালী-বোৰে বৰফৰ মাজৰ পৰা ক'লা মাটিবোৰ খুচৰি উলিয়াই তললৈ ছটিয়াই দিলে। সৈন্যবোৰে কোবেৰে মাটি দিবলৈ ধৰিলে। শেহত কবৰটো মাটিৰ সৈতে সমান হৈ পৰিল। তাৰ ওপৰত এটা ঢিপ কৰি দিলে। মেলিয়াচিখাই ক'লে "বসন্তকাল আহিলে আমি ইয়াৰ ওপৰতে ফুলগছ ৰুই দিম।"

ফ্ৰচিয়ায়ো ক'লে "আৰু সেউজীয়া ঘাঁহ; সকলোৱে নিজৰ ফুলনিৰ পৰা ফুলগছ আনিব।"

লাহে লাহে মানুহৰ ভিৰ ভাগিল। সিহঁতৰ অন্তৰত দুখ নাই, আছে এটা ভক্তিপূত গাম্ভীৰ্য্যৰ আৱৰণ। মৰাবোৰে নিজৰ সৰ্ব্বস্ব দেশৰ কাৰণে আহুতি দিলে। আগতে, ১৯১৮ চনতো, এনে হৈছিল; সেইকথা সকলোৱে মনত আছে। তেতিয়াও এই গাৱঁত স্বদেশৰ হকে জীৱন দিয়া মানুহৰ সংখ্যা তাকৰীয়া নাছিল। সেয়ে সিহঁতৰ নীতি। যিবোৰে স্বদেশৰ

বুকুত জন্ম লৈ ডাঙৰ-দীঘল হৈছে, সেইবোৰেই স্বদেশৰ ৰক্ষাৰ হকে জীৱন আৰু তেজৰ আহুতি দিব লাগিব। ই অতি সহজ আৰু সৰল মীমাংসা।

সিহঁত নিস্তব্ধতাৰ মাজত দিহাদিহি গ'ল। কিন্তু খন্তেক পিচতে কথাৰ ৰৌ-ৰৌৱনিত গাওঁ জুৰি খলক লাগিল। কোনোৱা এটা ৰেড্‌ সৈনিকক তাইৰ ঘৰলৈ অতিথি হিছাৱে যাবলৈ অনুৰোধ নকৰা এজনী মানুহো বাকী নৰ'ল। সকলোৱে মানুহ বোৰক খুৱাব খুজিলে; সিহঁতৰ যি আছে তাকে দিব খুজিলে।

চেলভৰ ওচৰলৈ এদল আহিল। টাৰপিলিখাই আৰম্ভ কৰিলে "কমৰেড্‌ সেনাপতি, আমাৰ এটা অনুৰোধ আছে। আমি আপোনালোকক অভ্যৰ্থনা কৰিব খুজিছিলোঁ, পিচে আমাৰ একোৱেই নাই।"

তেওঁ হাঁহি মাৰি সুধিলে "মই কিবা সহায় কৰিব পাৰিম জানো?"

"আপোনালোকৰ সহায় পালে আমি কিবাকিবি অলপ গোটাব পাৰিম.....আমি মাটিৰ তলত সকলো বস্তু পুতি থৈছিলোঁ। জাৰ্ম্মাণবোৰ আহোঁতেই আমি মাটিত বস্তুবোৰ লুকাই থ'লোঁ। পিচে কথা হৈছে, এতিয়া আমি সেইবোৰ খান্দি উলিয়াম কেনেকৈ? খান্দিবলৈ একো আহিলা নাই; ইপিনে মাটিও শিল যেন টান। আপোনালোকৰ আহিলা-পাতি আছে। যদি ৰেড্‌ সৈনিক দুজনমান আমাৰ লগত দিয়ে তেন্তে আমি সোনকালে বস্তুবোৰ উলিয়াই আনিব পাৰিম।"

"অ', তেনে ভাল কথা। আমি জকল যাম। হেৰা, তোমা-লোকৰ কোন কোন সহায় কৰিবলৈ আগ বাঢ়িবা।"

যাবলৈ বহুতো উপযাচি ওলাল। তিৰোতাবোৰে কঁকাল-লৈকে বৰফৰ মাজত সোমোৱা খাই পথাৰৰ পিনে আগবাঢ়িল।

"ইয়াতে, জোপাটোৰ দাঁতিত...... .. ।"

"মা ! কি কৈছা তুমি ? এই ফালেহে, এই ডোখৰত !"

"তই মিছাকৈ নলগা জেওত লাগি ফুৰিছ কেলৈ ? লৰা-ছোৱালীক লাগে চাবলৈহে, সিহঁতৰ উপদেশ শুনিবলৈ নেলাগে। মোৰ মনত নাই বুলি ভাবিছনেকি ?"

ইপিনে খোৰা আলেকজেণ্ডাৰে তাৰ অতিথিবোৰক বুজাইছে "তোমালোক আগবাঢ়ি যোৱাঁ, মাৰা ভেৰাটো ; ই সিমান বেয়া নহয়। তাৰ পিচত কেৰাহীত বহাই দিলেই খাবলৈ বস্তু তৈয়াৰ হৈ পৰিব।"

"কিন্তু সেইটোৱেই তোমাৰ একমাত্ৰ ভেৰা নহয় জানো ?"

'একমাত্ৰ ? নহয়, মোৰ আৰু বহুত আছিল, জাৰ্ম্মাণবোৰে সোপাকে মাৰিলে। এইটোহে বাকী থাকিল।"

"আমিনো বাৰু তোমাৰ অৱশিষ্ট ভেৰাটো লৈ যামনে ? নহয়, নহয়, সেইটো কেতিয়াও হব নোৱাৰে।"

সি কাকুতি কৰাৰ দৰে কৰযোৰ কৰি ক'লে।

"মোৰ কথা নেপেলাবা, লৰাহঁত। তোমালোকক এইটো দিবলৈ মোৰ অন্তৰৰ মাজৰ পৰা ইচ্ছা কৰিছোঁ। দিবলৈ মোৰ আৰু কি আছে ? ভেৰাটোৱেই একমাত্ৰ সম্বল ...... লবলৈ অমান্তি নহবা ; সঁচাকৈ, তোমালোকে মোৰ মনত আঘাত দিছা।"

তিৰোতাবোৰে চাঙৰ পৰা আৰু মজিয়াৰ তলৰ পৰা লুকাই থোৱা বস্তুবোৰ উলিয়াই আনিলে। যোৱা শৰৎ কালতে মৰা গাহৰীৰ মংহ, নহুৰু—এইবোৰ জাৰ্ম্মাণৰ হাতত পৰা নাছিল।

আৰু ওলাল মৌৰ কলহ; আনকি বেলিফুলৰ গুটিও ওলাল। যি দুই এজনী গৰু আছিল লৰালৰিকৈ সেইবোৰে গাখীৰ খীৰাই আনিলে; আহত হোৱাবোৰৰ কাৰণে গাখীৰবো দিহা হ'ল।

গাৱঁৰ ছভিয়েট বহা কোঠাটোত আহত মানুহবোৰ ৰাখিলে। ফ্ৰচিয়া তাত ব্যস্ত থকাত সকলোৰে ঘিয়াল লাগিল; তাই আগতে 'নাৰ্চিং' শিকি থৈছিল। চুলিত টানকৈ বগা ৰুমাল এখন বান্ধি আৰু গাত বগা ঢাকনি কাপোৰ এখন লৈ ফ্ৰচিয়া ব্যস্তভাৱে কোঠাই কোঠাই ঘূৰি ফুৰিছিল। দুৱাৰ-মুখত তিৰোতাবোৰে আৰু ছোৱালীবোৰে জুম বান্ধিলেহি।

কাযেদি যাঁওতে ৰঙীয়াল ' ডেকা ডাক্তৰজনে সুধিলে "আপোনালোকক কি লাগে?"

"আমি সহায় কৰিব খুজিছোঁ··· ·· হাস্পতালত·· ·· "

"আমাক এতিয়া আৰু সহায় নেলাগে······দুজনী ছোৱালী আছে আৰু আমাৰ নিজৰ 'নাৰ্চ' বিলাকো লগতে আহিছে।"

"আমি মজিয়াখনকে ধুব পাৰো দেখোন, বৰ লেতেৰা হৈছে··· · "

"মজিয়াখন? এৰা সেইটো কথা বেয়া নহব।"

সিহঁত ঘৰলৈ বেগ দিলে আৰু এসোপা বাল্টি আৰু মজিয়া মোচা ফটাকানি লৈ ততালিকে উভতি আহিল।

"সকলোৱে মজিয়া ধুবলৈ আহিলনে?"

সিহঁতৰ মাজত সঁচাকৈ তৰ্ক লাগিবলৈ ধৰিলে। তথাপি আহত মানুহবোৰে আমনি পাই বুলি সিহঁতে ফুচফুচাইহে কথা পাতিছিল। শেহত সিহঁতে মজিয়াখন ভগাই ল'লে আৰু প্ৰতিজনীয়ে নিজৰ ঠাইটুকুৰা মুচিবলৈ লাগি গ'ল।

পিজিচিথাই ক্ৰুচিয়াক ক'লে "এজন বেমাৰীৰ গাৰ পৰা কম্বলখন খহি পৰিছে, তুমি দেখোন দেখাই নাই।"

ছোৱালীজনীয়ে টপৰাই মাত লগালে "পৰি গৈছে যদি তুলি দিয়া।" তাই তেতিয়া তেজ আৰু পানীৰ চৰিয়া এটা লৈ কাষেদি গৈছিল।

পিজিচিথা বিচনাৰ কাষলৈ গ'ল; তাই কম্বলখন লাহে লাহে তুলি ল'লে আৰু আহত মানুহটোৰ ভৰিকিটা সাৱধানে ঢাকি দিলে। তাৰ পিচত আৰু তাই আহত মানুহটোৰ কাষৰ পৰা আঁতৰি নগ'ল।

ডাক্তৰে তাইক সুধিলে "তুমি ইয়াত কি কৰিছা?" আন এটা আহত মানুহৰ গাৰুটো হাতেৰে কোমল কৰি দি তাই গহীনাই মাত লগালে—'মই কম্বল তুলি দিছো। বাগৰি পৰি যায়।"

তেওঁ হাতখন জোকাৰিলে।

"বাৰু, ইমান মন গৈছে যদি তুলি দিয়া।"

হয়, সঁচাকৈ তাইৰ মন গৈছে। সিহঁত সকলোৱে সহায় কৰিব খুজিছে। সৰু কাম এটাকে হ'লেও সিহঁতক কৰিবলৈ লাগে। গাখীৰ খুৱাই দিয়া, মগ ধোৱা, মোজা ধোৱা, কপালত বৈ পৰা চুলিবোৰ পিচলৈ চপাই দিয়া বা দুৱাৰখন যাতে মেলা নেথাকে তালৈ চকু দিয়া—ইত্যাদি কামবোৰ হ'লেও হয়।

এনেতে লাইডা গ্ৰথেচে কোঠালৈ ভুমুকিয়াই চালে। ডাক্তৰে সুধিলে "তুমিও সহায় কৰিবলৈ আহিলা নে?" তাই মুৰ জোকাৰিলে।

"মানুহ এজনীৰ প্ৰসৱৰ সময় হৈছে.........আপুনি যদি

তাইৰ ওচৰলৈ যায়······কাৰণ আপুনি হৈছে এজন ডাক্তৰ।"
"নহয় মই ! মই ছাৰ্জন নহয়"

"সেইটো কোনো কথা নহয় ; তথাপি আপুনি ডাক্তৰ। তাই ভয়ানক শাস্তি ভুগিছে। আজি ৰাতিপুৱা তাই নিজৰ ঘৰৰ ভিতৰৰ পৰা জাৰ্মাণৰ শবোৰ চোচোৰাই বাহিৰলৈ আনিছিল ; বোধহয় সেই খাটনিৰ বাবেই কষ্ট পাইছে।"

"বুজিছো, ইয়াৰ কোনো উপায় নাই। তথাপি যাওঁ বাৰু।" —হাঁহি হাঁহি ডাক্তৰে ক'লে—"এজন নতুন নাগৰিকৰ জন্ম হব ধৰিছে ; মই তাত সহায় কৰিবই লাগিব। আহত মানুহবোৰক তোমাৰ দায়িত্বত ৰাখিলো, কুজমা ! ব'লা, এতিয়া, কেনি যাব লাগিব।"

ততালিকে লাইডাই তেওঁক লেভনিয়াকইতৰ ঘৰৰ পিনে লৈ গ'ল। জাৰত ঠেৰেঙা লগা হাতকিখন মোহাৰি তেওঁ তাইৰ পিচে পিচে যাবলৈ ধৰিলে।

"ইমান জাৰত আপুনি হাতমোজা পিন্ধি আহিব লাগিছিল।"

"বুজিছো, এজোৰ আছিল ; পিচে সেইদিনা ৰাতি হেৰাল ·········জঙ্গল মই ক'ৰবাত পেলালোঁ। এতিয়া আৰু নাই।"

তেওঁৰ পিনে লাজকুৰীয়াভাৱে চাই তাই নিজৰ খহটা হাতমোজাযোৰ হাতৰ পৰা সোলোকাই পেলালে ; এইযোৰ তাই নিজে গুঠিছিল আৰু তাত ৰঙা-নীলা ফুল বাচি দিছিল।

"কি কৰিব খুজিছা ? তোমাৰ নিজৰ কি হ'ব ?"

"অ,' মোৰ আৰু এযোৰ আছে"—লাইডাই গহীনাই মিছা কথা মাৰ ক'লে—"মই সেইযোৰ জাৰ্মাণে নোপোৱাকৈ

ভালকৈ লুকাই থৈছোঁ। তাতে আপুনি ডাক্তৰ, আপোনাৰ দৰ্কাৰ বেছি।”

তাইৰ ওঁঠদুটা কঁপিবলৈ ধৰিলে, কান্দো-কান্দো অৱস্থা হ’ল। তাকে দেখি তেওঁ ক’লে “বাৰু, ইমান’কে ধৰিছা যেতিয়া লবই লাগিব।”

লেভনিয়াকহঁতৰ বাটচৰাত এদল তিৰোতা গোট খাইছিল। সিহঁতে ততালিকে ডাক্তৰক বাট এৰি দিলে। ইতিমধ্যেই ডাক্তৰক সকলোৱে চিনি পাইছিল।

“তেনেহ’লে মোৰ ইয়াত কোনো দৰ্কাৰ নাই ?”

“লৰা জন্ম হ’ল”—এজনীয়ে ক’লে।

“আপোনাৰ দৰ্কাৰ আছে। আপুনি তাইক এবাৰ চাই অহাই ভাল। তাই বহুত সময় কষ্ট খালে আৰু এতিয়া একেবাৰে অৱশ হৈ পৰিছে।”

“এয়া, খুৰীদেউ! মই এজন ডাক্তৰ আনিছোঁ।”—লাইডাই জনালে।

“কেলেই আনিলা তুমি ? মোক ডাক্তৰ কেলৈ ? ইমান সৰু ল’ৰা তেওঁ।” বেমাৰী মানুহজনীয়ে আচৰিত হৈ ক’লে “তুমি কেচুৱাটোকে এবাৰ চোৱাঁ; মোক একো কৰিব নেলাগে। সন্তান জন্ম হোৱা মোৰ এইবাৰেই প্ৰথম নহয়।”

তেওঁ দোলনাৰ ওপৰত চাপৰি চালে।

“ল’ৰা নেকি ?”

“ল’ৰা। মোৰ ছোৱালী এজনীহে, নায়ুৰকা। বাকী-বোৰ লৰা। আমাৰ পৰিয়ালত ল’ৰাবহে উজান”

“বৰ ধুনীয়া ল’ৰা। পিচে, তাৰ নাম কি দিব ?”

"সেইকথাকে মই এইমাত্র তিৰোতাবোৰৰ সৈতে আলোচনা কৰিছিলো। ককায়েকৰ দৰে তাকো মই মিটিয়া নামকে দিব খুজিছিলোঁ। কিন্তু তেওঁলোকে এইটো নাম বেয়া বুলিছে।"

"কেলেই, তাৰ ককায়েকৰনো কি হৈছিল ?"

"বুজিছা, তাৰ ককায়েকক—মোৰ সিয়েই ডাঙৰ লৰা—আজি সিহঁতৰ সৈতে কবৰ দিলে। পূৰা এমাহ সি ফাঁচী কাঠত ওলমি আছিল; আজিহে লৰাটোক মই নিজে নমাই আনিলোঁ"—ধীৰ ভাৱে মানুহজনীয়ে বুজাই ক'লে।

ডাক্তৰ বিমোৰত পৰিল।

"আপোনাৰ লৰা বুলি মই জনা নাছিলো"

"হয়, মোৰে বৰপো……সি গৰিলাবোৰৰ দললৈ যাব খুজিছিল; পিচে জাৰ্ম্মাণে তাক ধৰিলে………লৰাটোৰ বয়স সোতৰত সোমাইছিলহে। তাৰ নামেৰে কেচুৱাটোকো মিটিয়া নামকে দিব খুজিছিলোঁ। কিন্তু তেওঁলোকে দিবলৈ নিদিয়ে। তাক এতিয়া কি নাম দিওঁ মই ভাবিবই পৰা নাই।"

ডাক্তৰে দিহা দিলে—"তাক ভিক্টৰ নামকে দিয়ক সেইটো ভাল নাম। আজি তাৰ জন্ম হৈছে যেতিয়া ভিক্টৰ নাম লবৰ তাৰ পূৰা দাবি আছে।"

খন্তেক তাই ভাবি ল'লে।

"সেইটো কেতিয়াও বেয়া নাম নহয়। তুমি কি কোৱা লাইডা ?"

"তেওঁৰ উপদেশ যেতিয়া……"

"আৰু ভাবিচিন্তি থাকিবৰ দৰ্কাৰ নাই। গাওঁখনৰ

ভিতৰত কাৰো ভিক্টৰ নাম নাই। তাৰ নামেই ভিক্টৰ থাকক। পিচে বহঁা, বহঁা; খন্তেক আমাৰ সৈতে বহঁা।"

"ধন্যবাদ। পিচে মই উভতি যাবৰ হ'ল; মোৰ বেমাৰী বোৰে মোলৈ বাট চাই আছে।"

"তিৰোতাবোৰে কৈছে তুমি হেনো সিহঁতৰ ঘা বান্ধি থৈ আহিছা। তেনেহলে খন্তেক বহঁা। সকলোৰে ঘৰত ৰেড-সৈনিক আছে; কিন্তু মোৰ অশৌচৰ বাবতে মোৰ ঘৰত কোনো নাই... ...লাইডা, আলমাৰিৰ পৰা ভড্‌কাখিনি উলিয়াই আনা; তাতে এবটল আছে।"

কওঁ-নকওঁকৈ ডাক্তৰে ক'লে "আপুনি নোখোৱাহে ভাল।" তাই হাঁহি মাৰি ক'লে "কেলৈ? কেনেকৈ আহত মানুহ আৰোগ্য কৰিব লাগে তাক তুমি ভালকৈ জানা; পিচে মোৰ বোধেৰে তুমি তিৰোতামানুহৰ ভিতৰখনৰ কথা একোকে নেজানা। এটোপা ভড্‌কাই সকলোকে আকৌ গা টঙাবলৈ সক্ষম কৰি তুলিব।"

তেওঁ আৰু আপত্তি নকৰিলে। ডাঠ, সেউজীয়া গিলাচ এটাত লাইডাই মদ ঢালিলে।

"নতুন কেচুৱাটোৰ নামত! সি যেন বলী আৰু স্বাস্থ্যৱান হয়......"

"সি যেন ঘৰৰ ভিতৰত আৰু জাৰ্ম্মাণ দেখিবলৈ নেপায়।"

"তাৰ জন্মদিনৰ পৰা যেন নিতৌ একোটা নতুন জয়ৰ সূচনা হয়।"

"ডাঙৰ-দীঘল হৈ সি যেন মিটিয়াৰ নিচিনা হৈ উঠে।"

ভাগৰত ডাক্তৰ মৰা যেন হৈছিল। নিশা তেওঁ খুব কম সময় শুইছিল। মদটোপাই তেওঁৰ গাৰ মাজেদি এটা তপত ঢৌ

বোৱালে ; তাৰ পিচত এই চৌ মুৰ পালেগৈ। তেওঁ বেঞ্চ এখনতে বহি আছিল ; আৰু তেওঁৰ মনত খেলাইছিল যেন যুদ্ধখন আঁতৰত ক'ৰবাতহে আছে। কোঠাৰ বেৰবোৰ বৰ বগা ; জুহালৰ গাত অঁকা ফুলৰ ছবিবোৰ আৰু গলাবান্ধবোৰত বনকৰা ফুলবোৰ স্পষ্টভাৱে ওলাই পৰিছিল। ধুনীয়া লাইডাই তেওঁৰ পিনে চাই হাঁহি আছিল। যেন ইয়াৰ পৰা কেইঘৰমানৰ আঁতৰতে আহত মানুহবোৰ পৰি থকা নাই! গিৰ্জ্জাৰ কাষৰ মুকলি খনত কবৰ পাতি যেন ঢিপ তোলা হোৱা নাই! যুজৰ প্ৰথম দিনাৰ পৰা তেওঁ যি কষ্টকৰ পথ অনুসৰণ কৰিব লগা হৈছিল তাৰ যেন কোনো অস্তিত্বই নাই।

"লাইডা, ডাক্তৰক ফটোখন দেখুৱা ; মুৰ্ত্তিটোৰ পিচপিনে আছে। তেওঁক এইখন দেখুৱা...... .."

ডাক্তৰে মলিন ছবিখন হাতত তুলি ললে। ৰঙচুৱা গালৰ, লৰা-চানেকীয়া মুখ এখনে তেওঁৰ পিনে চাই আছিল ; গাৱঁলীয়া ল'ৰাৰ এখন সৰল আৰু সাধাৰণ মুখ।

"তাক বৰফে ইমান পৰিবৰ্ত্তন কৰি তুলিলে যে চিনিবই নোৱাৰা হ'ল। আগতে সি এনেকুৱা আছিল।" গম্ভীৰভাৱে মাকে ক'লে।

ডাক্তৰৰ নিজৰ মাকলৈ মনত পৰিল। তেওঁক বিদায় দিওঁতে মাকৰ বগা হাতকিখন কঁপি উঠিছিল ; মাত থোকাথোকি হৈছিল। ডাঙৰ চকুটিয়া চলচলীয়া হৈ উঠিছিল। ডাক্তৰে সেই বেদনাভৰা, শঙ্কাপূৰ্ণ নিশাবোৰৰ কথা মনত পেলালে। নিতৌ আহতৰ নতুন দল আহি পোৱাৰ আগতে তেওঁৰ এই শঙ্কা জাগি উঠিছিল—তেজ, কষ্ট আৰু মৃত্যুৰ শঙ্কা। তেওঁ নিজকে নিজে কৈছিল "ধৈৰ্য্য ধৰা।

কিন্তু তাৰ ফল নধৰিছিল। ধৈৰ্য্যৰ সীমা আছিল; ইয়াৰ ওপৰত বোজাৰ হেঁচা নেৰানেপেৰাকৈ বাঢ়ি গৈছিল। যুদ্ধৰ সময়ত ধৈৰ্য্য সবল হৈ উঠা নাছিল, আগতকৈ থানবান হৈহে পৰিল।

তেঁওঁ বিচনাত শুই থকা মানুহজনীলৈ চালে। তাই ৰঙীন-ঘৰপতা গাৰু এটাত মূৰ থৈ শুই আছিল। তাইৰ মিহিকৈ আঁচোৰা চুলিটাৰে মুখত এটা প্ৰশান্তভাৱ ৰচনা কৰিছিল। বতাহত তাইৰ বৰ পুতেকৰ শটো লৰিবলৈ ধৰে—এমাহ জুৰি মানুহজনীয়ে সেই বতাহৰ হোহোৱনি শুনি আছিল! পূৰা এমাহ এই মানুহজনী আৰু তাইৰ লৰাছোৱালীয়ে অনাহাৰে আৰু আতঙ্কৰ মাজত দিন নিয়াইছিল। গৰ্ভৱতী হৈয়ো তাই ১৬ বছৰীয়া পুতেকৰ মৰাশটো কবৰৰ ওচৰলৈ লৈ গৈছিল; তাই নিজে শটো ফাঁচীকাঠৰ পৰা কাটি নমাই আনিছিল। তাৰ পিচত প্ৰসৱৰ বেদনা অনুভৱ কৰাত তাই ঘৰলৈ উভতিল। এতিয়া তাই শুই আছে– শান্তিৰে তেওঁৰ লগত কথা পাতিছে আৰু জাৰ্ম্মাণে নেদেখাকৈ লুকাই থোৱা মদটোপা তলি উদং কৰি তেওঁক যাচি অতিথি-সেৱা কৰিছে।

পচুলিমুখৰ পৰা তিৰোতাবোৰ কোঠালৈ সোমাই আহিল। তেওঁ গোপনে সিহঁতৰ পিনে চালে। সিহঁত সকলোৱে জাৰ্ম্মাণৰ অধীনত থাকিব লগা হৈছিল; সকলোৱে জাৰ্ম্মাণৰ উৎপীড়ন সহিব লাগিছিল। ইপিনে সিহঁতৰ পুতেক-গিৰিয়েকহঁত বহুত দূৰৰ ৰণ-থলিত আছে! সিহঁতৰ চেনেহৰ মানুহবোৰ জীয়াই আছে নে নাই সেইকথা কোনেও নেজানে। এই বৰফৰ মাজত ভয়ানক জাৰত সিহঁতে দিন কটাইছে; ইপিনে জাৰ্ম্মাণবোৰে সিহঁতক অনাহাৰ অৱস্থাত ৰাখিছিল। ৰাইফলৰ কুন্দাৰ খুন্দাত

সিহঁতৰ বহুতৰ গা ঘুনীয়া হ'ল। কিন্তু আন মানুহে এইবোৰ ঘটনা জানিব লাগিব, নহলে সিহঁতৰ আচৰণৰ পৰা এই ইতিহাসৰ কোনো আভাষ নেপায়। সিহঁতৰ মুখত নিৰ্ম্মল, শান্ত ভাৱ। অন্তৰৰ গভীৰতম প্ৰদেশৰ কোনোবা উঁহৰ পৰা বিৰিঙি উঠা মৰ্য্যাদাৰ ভাৱ এটা সকলোৰে মুখত বিয়পি পৰিছিল।

"ইহঁতেই চহা-তিৰোতা!"—তেওঁ ভাবিলে; এই শব্দ-কিটাই এটা নতুন অৰ্থৰ সঁহাৰি দিলে। ইয়াৰ ওপৰত তেওঁ এটা নতুন গুৰুত্ব আৰোপ কৰিলে।

লেভনিয়াচিখাই লাহেকৈ ক'লে "আৰু অলপ ভড্‌কা পোৱাহেঁতেন! মিটিয়াৰ সোঁৱৰণৰ বাবে খাব পাৰিলোহেঁতেন" টাৰপিলিখাই খপৰাই মাত লগালে "কেলৈ? স্মৃতি-চিন নোহোৱাকৈ আমাৰ এনেয়ে মনত ৰ'ব। নহয়নে বাৰু ছোৱালীহঁত?"

"আমি তাক পাহৰিম কেনেকৈ?"

"তাৰ ঠাইত ভিক্টৰ আছে। মিটিয়াৰ দৰে সি ডাঙৰ-দীঘল হব আৰু কামবন কৰিব। আৰু আৱশ্যক হ'লে মিটিয়াৰ দৰে দেশৰ কাৰণে তাৰ জীৱন দিব।"

তেওঁক মদৰ ৰাগীয়ে ধৰিলে। তেওঁ তিৰোতাবোৰৰ লগত ধেমেলীয়া কথা পাতিব খুজিলে। কিন্তু তেওঁৰ অন্তৰখন ভৰি পৰিল এটা অস্ফুট বেদনাৰে। সেই বেদনা জাগিছিল—ফাঁচী-কাঠত মৰা লৰাটোৰ বাবে, ফাঁচীকাঠৰ পৰা তাক নিজে সোলোকাই অনা মাকজনীৰ বাবে, আৰু এই বিলাইবিপত্তিৰ মাজত বাস কৰা মানুহবোৰৰ কাৰণে।

তোক ৰাগীয়ে ধৰিছে—তেওঁ নিজকে সাবধান কৰি ক'লে; কিন্তু ফল নধৰিলে। চকুলো ওলাল।

ব্যস্তভাৱে লাইডাই সুধিলে "কি হৈছে ?"

নিজক চম্ভালিবৰ চেষ্টা কৰি তেওঁ ঘপৰাই কৈ পেলালে —"মোৰ বেয়া লাগিছে।"

লেভনিয়াচিখাই তাইৰ বুধিয়ক, ক'লা চকুকিটাৰে তেওঁৰ পিনে চালে—"বেয়া লাগিবলৈ কি হৈছে ! এতিয়া দুখ কৰিবৰ সময় নহয়। মিটিয়া গ'ল, কিন্তু ভিক্টৰ আছে। আমি সবল জাতি ; আমি হৈছোঁ মাটিৰ মানুহ······নাচপতি গছ এজোপা যদি কাটি দিয়া, বেগেতে নতুন পোখা মেলিব আৰু বাঢ়ি গৈ ৰ'দকাচলিৰ পোহৰ লবগৈ......মিটিয়া গ'ল আৰু বাকীবোৰো গ'ল, কিন্তু দেশখন থাকি গ'ল আৰু থাকি গ'ল মানুহবোৰ...... কতবাৰ আমিও ভাবিছিলোঁ যে এইবোৰ দেখিবলৈ আমি জীয়াই নেথাকো ; তাৰ আগতে সিহঁতে আমাক মাৰি খাস্তাং কৰিব। তথাপি যি আশা কৰিছিলোঁ তাকে দেখিবলৈ পালোঁ ......মানুহে সকলো সহিব পাৰে। নহয়, জাৰ্ম্মাণৰ কাৰণেআমি এটা কঠিন সমস্যা—তাৰ সমাধান সিহঁতৰ পক্ষে অসম্ভৱ।"

তেওঁৰ চকুৰ ঢুলঢুলীয়া আৱৰণ আঁতৰি গ'ল। যি কঠিন, খেলিমেলি লগা ভাৱবোৰে তেওঁক ইমান চিন্তিত কৰি তুলিছিল তাৰ সকলো সমাধান দিলে এই চহা তিৰোতাজনীয়ে। চহাৰ দৰে সহজ আৰু ধীৰ ভাবেৰে তাই উত্তৰ দিলে। তেওঁৰ নিজৰে লাজ লাগিল।

"হয়, হয়......"

"তুমি ল'ৰা-মানুহ। সেইবাবেই তোমাৰ টান লাগে। কোনো কথা নাই, সকলো শেষ হব। আৰু তুমি বেমাৰী আৰোগ্য কৰি শান্তিৰে থাকিবলৈ পাবা। আমিও আমাৰ কামবন কৰি থাকিম।"

তাত বহুত সময় বহা হ'ল; কথাটো মনত পৰিলত তেওঁ যাবলৈ উঠিল।

গাওঁ জুৰি মানুহৰ মাত প্ৰতিধ্বনিত হৈ উঠিল। বৰফ পৰা সত্ত্বেও ছোৱালীবোৰে ঘৰৰ পিচ পিনে গান গাবলৈ ধৰিলে। তাৰ লগে লগে পুৰুষৰ কণ্ঠস্বৰো শুনা গ'ল। কুৱঁলীৰ মাজে মাজে গানটো ভাহি গ'ল; বতাহৰ খীন স্পন্দনেও একো হকাবাধা কৰা নাছিল। ভৰত চৰাইৰ গানৰ দৰে সঙ্গীতৰ লহৰ ক্ৰমে ওপৰলৈ উধাই গ'ল। যেন এমাহ জুৰি মৰা গাওঁখনৰ শটো মৌনতাৰ আৱৰণেৰে ঢাকি থোৱা আছিল; আজি এয়া তাৰেই ক্ষতিপূৰণ। ছোৱালীবোৰৰ মিহি মাতৰ লগত ৰেড্-সৈনিকবোৰৰ গল্‌গলীয়া মাতে যোগ দিলে।

গাৱঁৰ মানুহবোৰে সককালৰে পৰা গান গাবলৈ শিকে। সিহঁতে গানেৰে উষাক আদৰণি জনায়; দিনৰ শেহত বেলিৰ বিদায়-পৰত মেলানি মাগে গানেৰে; আৰু গানৰ শেষত নিশাটোৰ বাবে জিৰণি লয়। পথাৰত ঘেঁহু দাওঁতে সিহঁতৰ গানেই সহায়; ওখোনেৰে ধান-খেৰ চপাওঁতে সিহঁতৰ গানেই আনন্দ। গানৰ ৰিঙ্গিয়নি মাৰিহে লৰাছোৱালীয়ে গৰু চৰাইছিল আৰু মানুহবোৰে মৰণা ফুৰাইছিল। নামৰ জাউৰিৰ মাজত ছোৱালীৰ বিয়া হয়। মৃতকক ধৰণীৰ বুকুত সমৰ্পণ কৰি সিহঁতে বিদায় লয় গানেৰে। সিহঁতৰ শোকৰ গান আছে— এইবোৰ পুৰণিকলীয়া গান; এইবোৰ গান বাটৰ কাষৰ নেমু-গছবোৰতকৈও পুৰণি। আৰু উলাহৰ গানো আছে— এইবোৰ নতুন গান; ই সিহঁতৰ বাস্তৱ জীৱনৰ প্ৰকাশ। মানুহে গানৰ লগত জীৱনক আৰু জীৱনৰ লগত গানক সংযোগ কৰিব জানিছিল। গোটেই মাহটো সিহঁত নিৰৱে আছিল।

এমাহ জুৰি সিহঁতৰ ওঁঠৰ মাজত গানৰ কঁপনি উঠা নাই। গাৱঁত কোনেও এটা গানো গোৱা নাই। ঘৰ, বাট, ফুলনি—সকলো নিস্তব্ধ আছিল।

কিন্তু এতিয়া সিহঁতে আকৌ গান গাব পাৰিছিল। ছোৱালীবোৰৰ গানৰ সুৰটো গোটেই গাৱঁতে উপচি পৰিছিল; দূৰৰ বৰফ-ভৰা ভৈয়ামো মুখৰিত হৈ পৰিল এই গানেৰে। ইজনীৰ পিচত সিজনীয়ে সিহঁতৰ চেনেহৰ গানবোৰ গাবলৈ ধৰিলে; সিহঁতৰ হিয়াৰ এচুকৰ পৰা ওলোৱা গানবোৰ খাল, বাট, পথাৰ—সকলোৰে ওপৰেদি ভাহি গ'ল।

'গ্ৰাম্য-ছভিয়েট' নাম লিখা ডাঙৰ জাননী এখন খোৰা আলেকজেণ্ডাৰে গাঁৱৰ ছভিয়েট বহা ঘৰটোৰ মুখত গজাল মাৰি আঁৰি দিছিল; ছোৱালীবোৰৰ গানৰ ধ্বনি সেইখিনি পাইছিলগৈ! লৰাছোৱালী বোৰে জুম বান্ধি বেৰি ধৰিলেহি। চিনাকি আখৰকিটাৰে লিখা পৰিচিত কথাখিনি সিহঁতে ডিঙি মেলি চালে। ভিতৰত, বাতিৰ যুদ্ধৰ সকলো চিন আঁতৰাই পেলাবলৈ সকলো লাগি গৈছিল। জাৰ্ম্মাণবোৰে বেৰত যিবোৰ ফুটা কাটিছিল সেইবোৰ বন্ধ কৰি দিলে; বালিৰ বস্তাবোৰ উলিয়াই পেলালে। মজিয়াত লাগি থকা জাৰ্ম্মাণৰ তেজবোৰ তিৰোতাবোৰে ধুই পেলালে; ঘিণত সিহঁতে যুৱাই আছিল।

"গধুলি পৰলৈ যাতে সিহঁতৰ কোনো অস্তিত্ব ইয়াত নেথাকে"—সিহঁতৰ মাজৰে এটাই এইদৰে কোৱাত সকলোৱে কামত মনপুতি ধৰিলে।

সন্ধ্যাৰ লগে লগে, নিশা নৌ হওঁতেই, আজিৰ এই প্ৰথম দিনাই যেন জাৰ্ম্মাণৰ এমহীয়া শাসনৰ কোনো অস্তিত্ব নেথাকে

—সেয়ে সকলোৰে মনৰ হেঁপাহ। কোনোবা এটাই ফাঁচীকাঠ ভাঙি পেলাবৰ চেষ্টা কৰিলে। বৰফৰ মাজৰ পৰা খুটাকিটা খান্দি উলিয়াব নোৱাৰা দেখি আন এটাই কৰত এখন আনি মাটিৰ সৈতে সমানকৈ খুটাকিটা কাটি পেলালে। ইপিনে তিৰোতাবোৰে সিহঁতৰ লেতেৰ-পেতেৰ ঘৰবোৰত লৰালৰিকৈ চূণ দিবলৈ ধৰিলে। বাৰাণ্ডা আৰু চালিৰ কাষত থকা জাৰ্ম্মাণৰ ময়লাবোৰ কোৰ আৰু ওখোনেৰে পৰিষ্কাৰ কৰি পেলালে। খেতি চপোৱা দিনৰ দৰে পূৰ্ণ পয়োভৰেৰে কাম আগবাঢ়িল।

মজিয়া ঘঁহোতে আৰু বেৰত চূণ দিওঁতে তিৰোতাবোৰে কোৱাকুই কৰিলে—"এতিয়া আৰু সিহঁতৰ কোনো চিন নেথাকে।"

সেনাপতিৰ অফিচত আৰু কামান-বহৰত টুকুৰা লো, গুলীৰ খালি বাঁহ আৰু ফটাছিটা জাৰ্ম্মাণ-সাজবোৰ বুটলি ফুৰা লৰাছোৱালীবোৰৰ মুখতো সেই একে কথাকে শুনা গ'ল।

ৰেড্ সৈনিকবোৰে একেঁকাল বৰফৰ মাজেদি গৈ খৰখেদাকৈ টেলিফোনৰ তাঁৰ লগাই দিলে। লেফ্টেনেণ্ট চেলভে খবৰ বাতৰি চলাচলৰ ব্যৱস্থা কৰিলে। স্কুল-ঘৰটোত জাৰ্ম্মাণ বন্দীবোৰক প্ৰশ্ন সোধা হৈছিল। এইবোৰ শুনিবলৈ গাৱঁৰ মানুহবোৰ বৰ ইচ্ছুক হৈ পৰিছিল। কিন্তু সিহঁতে জানিছিল যে ই এটা সামৰিক বিষয়; তাত সিহঁতে ব্যাঘাত জন্মোৱা উচিত নহয়।

টাৰপিলিখাই খণ্ডেৰে ক'লে "সিহঁতৰ সৈতে অনৰ্থক কিথন কৰি ফুৰিছে? কিহৰ বিচাৰ, কেলৈ জেৰা কৰিব

লাগিছে! সিহঁতক চালিৰ পিচ পিনে ল যাব লাগে আৰু মূৰত গুলী একোটা ভৰাই দিব লাগে।"

"তুমি বৰ জানা! আমি সিহঁতৰ পৰা যিমান পাৰোঁ সিমান কথা উলিয়াব লাগে; কিন্তু মাৰি পেলালে কি লাভ হ'ব?"

"বাৰু, পিচত হ'লেও সিহঁতৰ মূৰেদি গুলী সৰকাব লাগিব!"

"বন্দীক? কোনোবাই বন্দীক মাৰেনে?"

টাৰপিলিখাই চক খাই উঠিল; যেন কোনোবাই তাইক মাৰিলেহে।

"ইস্ কথাটো চোৱা! বৰ বন্দীসোপা! সিহঁতে আমাৰ বন্দীবোৰক কেনে ব্যৱহাৰ কৰিছিল তাক দেখা নাছিলা নেকি? বন্দী! মই হোৱা হ'লে সিহঁতক জীয়াই জীয়াই তপত তেলত উতলালো হেঁতেন; গাৰ চাল চেলালোহেঁতেন। পিচে আমি কৰিছো কি? সিহঁতক আলফুলকৈ বন্ধ কৰি থৈছোঁ; আৰু তাতে সকলো খতম্!"

পেলচেৰিখাই তর্ক জুৰিলে "সেইবোৰে আমাক শোভা নেপায়। বন্দীক জীয়াই ৰখাটো এটা নিয়ম।"

"কিহৰ নিয়মটো! আজিকালি কিহৰ নিয়মখন আছে? যোৱা যুদ্ধত বোধহয় এইবোৰ আছিল, কিন্তু আজিকালি নহয়। বাৰু, লৰাছোৱালী মৰা আৰু প্রজাক অত্যাচাৰ কৰা নিয়মৰ কথা নেকি?"

ইজনীয়ে হুমুনিয়া কাঢ়িলে—"তুমি মোক কৈছানে? সিহঁতে মোৰ কি কৰিলে তাক দেখোন তুমি নিজেই জানা।"

"সেয়েহে হবলা তুমি ইয়াত সিহঁতৰ নিয়মৰ সমর্থন কৰিবলৈ

ইমাম উঠিপৰি লাগিছা ? সৈন্যৰ কাৰণেহে নিয়ম ! সিহঁতক তুমি সৈন্য বুলিবানে ? সিহঁত হৈছে ওকণীয়ে খোৱা 'হুনৰ' দল !"

পেলচেৰিখাই উত্তৰ নিদিলে। তায়ো নিজে সেই কথাকে ভাবিছিল—সকলোৰে সেই একে ভাৱ। কিন্তু সিহঁতে বুজিছিল যে জাৰ্ম্মাণৰ দৰে কাম কৰাটো এটা অপমানজনক কথা।

"সিহঁতে ইয়াত বহি বহি আমাৰ ৰুটি খাব আৰু তাৰ পিচত কোনো বিপদ-আপদ নোহোৱাকৈ ঘৰলৈ উভতি যাব। যেন সিহঁতক ভবিষ্যত যুদ্ধৰ কাৰণে সামৰিস্থতৰি চন্দুকত ভৰাই পঠিয়াইহে দিছে !"—খঙেৰে টাৰপিলিখাই ক'লে।

তিৰোতাবোৰৰ তৰ্কৰ মাজত সোমাই আলেকজেণ্ডাৰে ক'লে—"তোমালোকে মূৰ ঘমাব নেলাগে; লেফ্‌টেনেণ্টে যি কৰিব লাগে কৰিব।"

"মই সেইকথাৰ বিপক্ষে কিবা কৈছোনেকি ? লেফ্‌টেনেণ্টে কি কৰিব লাগে-নেলাগে মই কিবা তাক কবলৈ গৈছোঁনে ?"

আলেকজেণ্ডাৰে মুখৰ ভিতৰতে ক'লে—"বৰ আচৰিত"। আৰু স্কুলৰ জাননীখন লিখিবলৈ ঘৰৰ পিনে লেঙেৰাই বাট ল'লে। আগতে তাত যিখন জাননী আছিল ই তাৰ দৰে ধুনীয়া নহব পাৰে; তথাপি কোনো কথা নাই। কাৰণ জাৰ্ম্মাণৰ মলিন স্পৰ্শৰ সকলো চিন মুচিবলৈ আৰু গাওঁখন আগৰ দৰে গঢ়ি তুলিবলৈ সি পাৰেমানে চেষ্টা কৰিছিল।

হঠাৎ সঙ্গীতত মুখৰিত হৈ উঠা বতাহৰ বুকুত দূৰৰ নিৰ্ম্মল নীলা আকাশ ভেদি এটা ভয়ানক গোজৰণি উঠিল। গান বন্ধ হৈ গ'ল; ঘৰৰ মুখে মুখে খেলি থকা লৰাছোৱালীবোৰ থৰ লাগি অচল হৈ পৰিল।

"সেইটো কি ?"

আকৌ গুৰুমৃকৈ কাণতাল মৰা শব্দ এটা হ'ল। গোটেই আকাশ জুৰি গুলীৰ প্ৰতিধ্বনিৰ গাঁজনি উঠিল।

"ডাঙৰ কামানবোৰৰ গুলী ....."

"সেয়া ওখাবিত, সৌপিনে"

"এয়া জেলেণ্টচিত... ."

"আমাৰ মানুহে গুলীয়াইছে নেকি ?"

সিহঁতে কাণ পাতি থাকিল। ধাৰাসাৰে কামানৰ গুলী চলিল ; গুলীবোৰ গুমগুমাই ফুটি উঠি কেওপিনে প্ৰতিধ্বনিত হৈ পৰিল।

"তাত বাৰু কি হৈছে ?"

"যুজ............ ....."

"সেয়া ! আমাৰ কামানেৰে গুলীয়াইছে। জৰুল আমাৰ !"

"এৰা হবই লাগিব। কাৰণ তুমি বন্দুক-বাৰুদৰ কথা ইমান জানা যে সিহঁতৰ পাৰ্থক্যও ধৰি পেলাব পাৰা।"

"মই আৰু কাণেৰেও নুশুনুনে ? আমাৰ কামানৰ পিনৰ পৰাই শব্দটো আহিছে।"

সিহঁতৰ সূক্ষ্মদৃষ্টি পৰিল ৰেডসৈনিক বোৰৰ মুখৰ ওপৰত ; কিন্তু সিহঁত সম্পূৰ্ণ ধীৰ।

"হয়, সেয়া আমাৰ বন্দুকৰ গুলী ; আমাৰ আক্ৰমণবিভাগৰ বেহুটোৰ সমুখৰ অংশ ক্ৰমে বহলাই নিছে।"

"কিহৰ সমুখৰ অংশ·?"

"বুজিছা, কথাটো হৈছে এনেকুৱা :—আমি এই পিনেদি আগবাঢ়িলোঁ ; কিন্তু আমাৰ পিচপিনে আৰু দুয়োকাষে জাৰ্ম্মাণবোৰ আছে।"

"ঠিক কৈছা। পোনতে ময়ো তাকে কৈছিলোঁ—বেহুটো কাঁড়ৰ আগ এটাৰ দৰে!"—কথাটো বুজি পাই টাৰপিলিখাই চিঞৰি ক'লে।

"তুমিনো সেইবুলি কেতিয়া কৈছিলা?"

"কি! তুমি শুনা নাছিলা চাগৈ। সেই দেখি হৃবলা ইমান জেঙ্‌জেঙাই উঠিছা! মই তেতিয়াই কৈছিলোঁ যে বেহুটো কাঁড়ৰ আগৰ দৰে........সেইটো সকলোৱে বুজিব; কাৰণ সকলোৱে জানে যে জাৰ্ম্মাণবোৰ ওখাবিত আছে।"

"ৰ'বা, দেখিবা নহয়, এতিয়াই জাৰ্ম্মাণবোৰ ল'ৰি ওলাবহি।"

ভয়ত অলগা পেলেনচাকে সুধিলে "ইয়ালৈ নেকি?" ককালত হাত দি টাৰপিলিখাই ক'লে ":আহিব নোৱাৰিছে সিহঁত! আমি সিহঁতলৈকে বাট চাই থাকিম; দিম এসেকা!"

"সিহঁত ইয়ালৈ কিহৰ বাবে লেটি লবলৈ আহিব? পোনেই পশ্চিমৰ পিনে ঢাপলি মেলিবলৈ দেখোন আৰু এটা বাট পৰি আছে।"

"যদি কোনোবা জীয়াই সাৰিব পাৰে, তেতিয়াহে......"

সিহঁতে শুনি থাকিল। কেনিবাদি দূৰত ভয়ানক যুজ লাগিছে, গুৰুম্ গুৰুম্ কামানৰ শব্দ আহিছে। কাঁড়ৰ আগৰ দৰে আক্ৰমণ-বিভাগৰ বেহুৰ আগটো জাৰ্ম্মাণৰ মাজলৈ সোমাই ক্ৰমে বহল হৈ গৈছে।

লেফ্‌টেনেণ্ট চেলভে জাৰ্ম্মাণ বন্দীবোৰক জেৰা কৰিছিল। গৰম কোঠাটোৰ ভিতৰত তেওঁৰ আগত থিয় হৈ সিহঁত কঁপি আছিল—ভয়ত উদ্‌ভ্ৰান্ত হৈ সিহঁত কঁপিবলৈ ধৰিছিল। তেওঁ সমুখত থিয় দি থকা মানুহবোৰলৈ চালে—দেখিবলৈ কুৎচিত, গাত ফটাছিটা কাপোৰ, উঁৱলি যোৱা দুৰ্গন্ধ দাবে গা ছাটি

ধৰিছে। কোঠাটো গৰম; সেইবাবে ওকণীৰ কামোৰ অসহ্য হৈ পৰিছিল। কমাণ্ডাৰৰ পিনে একেথৰে চাই সিহঁতে মনে গা খজুৱাবলৈ ধৰিলে। কেপ্তেইন ব্লাৰ্ণাৰৰ সৈন্যদলৰ ভিতৰত কেৱল ৫টা মানুহ বাকী ৰ'ল।

"আমি সিহঁতক সদৰৰ শিবিৰলৈ পঠাব লাগিব। তাৰ বাহিৰে সিহঁতক ইয়াত একো কৰিব পৰা নহব।"—চেলভে তাকে থিৰাং কৰিলে।

শকত ডেকা মানুহটোৱে ক'লে—"সিহঁতক পঠিয়াই দিব?"—তাৰ খং উঠিছিল—"আমি ইয়াতে সিহঁতৰ বিচাৰ কৰিব লাগিছিল, কমৰেড্ লেফ্টেনেণ্ট।"

"তুমি কিখন বলকিছা?"

"সিহঁতক ৰখীয়া দি লৈ যোৱাই লাজৰ কথা; আমাৰ মানুহকো লগতে আহুকাল কৰা হব—বৰফৰ মাজত সিহঁতৰ লগতে ঘূৰি ফুৰিব লাগিব।"

এই বিষয়ে কোনো তৰ্কৰ সূচনা কৰিবৰ মন নেমেলি চেলভে আদেশ দিলে "ছাৰ্জেণ্টক মাতি আনা।"

তেওঁ থিয় দিলে আৰু জিৰণিৰ বাবে খন্তেকৰ কাৰণে ওলাই গ'ল। বন্দীবোৰৰ সৈতে একেটা কোঠাতে পূৰা এঘণ্টা থকাৰ বাবত এনে লাগিছিল যেন তেওঁৰ নিজৰ গাতে ওকণী বগাই ফুৰিছে। যেন সিহঁতৰ মলিন আবৰ্জ্জনাই তেওঁক অপৱিত্ৰ কৰিলে আৰু সেই নোধোৱা, খহুলা গা বোৰৰ দুৰ্গন্ধই যেন তেওঁৰ কানিকাপোৰো ওপচাই পেলালে।

চেঁচা বতাহৰ মাজত থিয় হৈ তেওঁ এটা গভীৰ নিশ্বাস পেলালে। ৰ'দালিৰ উজ্বল পোহৰত নীলা আকাশখন জিলিকি উঠিল; কেওপিনে বৰফৰ দ'মবোৰ তিৰবিৰাই আছিল।

বতাহত দূৰৰ ঘৰবোৰৰ পৰা এটা গানৰ সুৰ ভাহি আহিল। চেলভে শুনিবলৈ ধৰিলে—দূৰৰ গৰাবোৰত ঠেকা খাই স্পষ্ট, কোমল আৰু ছন্দময় সুৰ বতাহৰ বুকুত উভতি আহিল; ফেনেফোটোকাৰে হুৰহুৰাই সাগৰৰ মাজলৈ নদীৰ ঢল বোৱাদি গোটেই সমতলখন মুখৰিত হৈ উঠিল। খৰস্রোতা নিপৰৰ সিপাৰত কছাকবোৰৰ যুজৰ হৈ-ধ্বনিয়ে সুদূৰত যি প্ৰতিধ্বনি তুলিছিল, সি মাৰ গ'ল; টাৰ্কৰ দাসত্বৰ অধীনত থকা ইউক্ৰেণৰ ঘৰ-বলিয়া ডেকাবোৰৰ বিননি নুশুনা হ'ল; দূৰৰ ৰাজবাটৰ পৰা ভাহি অহা ঘোঁৰাৰ খুৰাৰ খট্‌খটনি তাৰ মাজত মাৰ গ'ল। ছোৱালীবোৰে গায়েই থাকিল; হিমভৰা আকাশত তিৰবিৰাই থকা সোণালী বেলিটোলৈ চাই গাওঁখনেহে যেনিবা উচ্চস্বৰে গান গাবলৈ ধৰিছে।

ৰেডসৈনিকবোৰে ঘৰটোৰ পৰা বন্দীবোৰক উলিয়াই নিলে। তৎক্ষণাৎ মানুহে জুম বান্ধিলে। তিৰোতাবোৰৰ তীব্ৰ কটাক্ষত জাৰ্ম্মাণবোৰ ভয়ত টেপা খালে। মূৰ তললৈ দোঁ খাই গ'ল; জাৰত কঁপনি উঠিল।

ক্ৰোধ-মূৰ্ত্তি ধৰি টাৰপিলিখাই সুধিলে "সিঁইতক তুমি পঠিয়াই দিবা, নহয় নে?'

জীৰিলি, সেউজীয়া কোটপিন্ধা জাৰ্ম্মাণকিটাৰ পিনে কেৰাহিকৈ চাই চেলভে ক'লে—"মই সিঁইতক সদৰলৈ পঠাই দিছোঁ।"

হঠাৎ পেলচেৰিখাই চিঞৰি ক'লে—"সৌটো! লেভ-নিয়াকক ফাঁচি দিয়া মানুহবোৰৰ দলত সিয়ো আছিল!"

তিৰোতাবোৰে গিজ খাই ধৰিলে।

"কোনটো? কোনটো আছিল?"

"সৌ ৰঙাচুলীয়াটো! চোঁৱা, তেতিয়া তোমালোক সকলোৰে দেখিছিলা। সৌটো! ওখটো!"

"জৰুল, সিয়েই হয়।"

জনতাই বন্দীবোৰক ঘেৰি ধৰিলে। টুপিৰ তলেদি ৰঙা চুলিবোৰ ওলাই থকা ওখ জাৰ্মাণটোলৈ আঙুলিয়াই তিৰোতা-বোৰ আগবাঢ়ি গ'ল। সি বুজিলে যে সিহঁতে তাৰ কথা পাতিছে; ভয়ত সি লগৰীয়াবোৰৰ পিচ পিনলৈ কুচিমুচি গ'ল।

"সি কেনেকৈ লুকাব খুজিছে, চোঁৱা! কমৰেড্ লেফ্-টেনেণ্ট, সেই মানুহটোৱেই ডেকালৰাটোক ফাঁচি দিছিল।"

"কিহৰ ডেকালৰাটো? মিট্‌কাৰ বয়স যোল বছৰৰ বেছি নহয়। সি কেচুৱা লৰা এটাক ফাঁচি দিলে।"

নেতৃত্বৰ সুৰত টাৰপিলিখাই ক'লে—"ছোৱালীহঁত, শুনা, চেলবেলাই থাকিলে কি হ'ব? আহাঁ! আমি নিজেই কামটোত লাগি যাওঁ।"

ৰেড্‌সৈনিকবোৰে বিস্ময়ত পৰি ইফালে সিফালে চাবলৈ ধৰিলে।

"নাগৰিক সকল, আঁতৰি যোৱা। কি কৰিব খুজিছা তোমালোকে?"—চেলভে টাৰপিলিখাক উদ্দেশ্য কৰি খঙেৰে ক'লে "আঁতৰি যোৱা, ভালে ভালে কৈছো।" টাৰপিলিখাই আঁকোৰগোঁজালি মাৰি ধৰিলে—"কমৰেড্ কমাণ্ডাৰ! সি ইয়াৰ পৰা জীৱিত অৱস্থাত যাব নোৱাৰে। আমি তাক শেষ কৰিম; তেতিয়াহে সকলো ঠিক হব।"

সমুখত কি ঘটিব লাগিছে জাৰ্মাণটোৱে তেতিয়া বুজিলে। সি বৰকৈ কঁপিবলৈ ধৰিলে; দাঁতে দাঁতে লাগি কৰ্‌কৰণি উঠিল।

চেলভে কঠোৰভাবে ক'লে—"ইয়াৰ শৃঙ্খলা ৰক্ষাৰ ভাৰ মোৰ ওপৰত; তোমাৰ ওপৰত নহয়। সেই কথা মনত ৰাখিবা।"

ভিৰৰ মাজৰ পৰা ফেডচিয়া ক্ৰেভচাক আগবাঢ়ি গ'ল।

"গৰ্পিনা, আনৰ কামত হেতাওপৰা লগাবলৈ তোমাৰ কি দৰ্কাৰ? ইয়াত লাগিবলৈ তোমাক কোনে মাতিছে? তুমি ইয়াত কচাই-খানা পাতিব খুজিছানে কি? অতবোৰ মৰা-মানুহেৰে ইয়াত জোৰা নাই নে? তোমাতকৈ বিবেচক বিচাৰক আছে বুলি নেভাবা নেকি?"

টাৰপিলিখা পিচুৱাই গ'ল; ফেডচিয়াৰ মনোভাৱ বুজিব নোৱাৰি তথা লাগি চাই থাকিল।

"তুমি তাক মাৰিব খুজিছা? তাৰ মানে তাক এটা সহজ মৃত্যু চপাই দিব খুজিছা? দুই বা এক মিনিট—আৰু তাৰ পিচত সকলো শেষ! লেভনিয়াক, আমাৰ লৰাছোৱালী আৰু যুজত মৰা মানুহবোৰৰ যাতনাৰ বিনিময়ত তাক দিবা কেৱল দুই মিনিটৰ কষ্ট? নহয়, সি হব নোৱাৰে। সি জীয়াই থাকক; তাৰ পৰিণামলৈ বাট চাই থাকক। পিয়লা-ভৰা দুখৰ মৌ সি তলি উদং কৰি পান কৰক! নিজ দেশলৈ সি উভতি যাওক। কেৱল লেভনিয়াকৰ কথাই নহয়—ইয়াৰ প্ৰত্যেক কথাৰ বাবে কেনেকৈ তাত সিহঁতৰ সকলোৱে ধাৰ শুজিব লগা হৈছে, সেইকথা সি নিজ চকুৰে দেখা পাওক।" পেলচেৰিথাই ক'লে "তেওঁ ঠিক কৈছে।" সকলোৱে একেলগে ক'লে "ঠিক কৈছা, ফেডচিয়া!"

"আৰু এটা কথা, গৰ্পিনা! যি এতিয়া মৰিবলৈ পায়, সি বৰ ভাগ্যৱান। বৰং সি জীয়াই থাকক আৰু কেনেকৈ

সিহঁতৰ সৈন্যবোৰ পিচ হুঁহকি যায়, কেনেকৈ প্ৰাণৰ মমতাত পলাবলৈ ধৰে, কেনেকৈ অনাহাৰত মৃত্যুৰ মুখত পৰে আৰু কেনেকৈ সিহঁতৰ জকাবোৰ তৃণময় সমতলৰ মাজত সিঁচৰতি হৈ পৰে—তাক নিজচকুৰে চাই সি তৃপ্তি পাওক। সি চাওক—কেনেকৈ হাতত ওখোন আৰু কুঠাৰ লৈ মানুহে প্ৰত্যেক জোপাৰ মাজৰ পৰা, প্ৰত্যেক গছৰ আঁৰৰ পৰা সিহঁতৰ ওপৰত জপিয়াই পৰে! কেনেকৈ সিহঁত খালে-ডোঙে পৰি মৰে আৰু কোনেও সিহঁতৰ মুখত পানী এটোপাও নিদিয়ে! যিদিনা সিহঁতৰ নগৰ আৰু গাওঁবোৰ ধূলিৰ লগত মিহলি হব আৰু ছাইৰ বাহিৰে আন 'একো বাকী নৰব সেই দিন চাবলৈ সি জীয়াই থাকক! নিজৰ তিৰোতাৰ শাওশপনি খাবলৈ আৰু নিজৰ লৰাছোৱালীয়ে তাক অস্বীকাৰ কৰা চাবলৈ সি জীয়াই থাকক! কিন্তু তুমি তাক এটা সহজ-মৃত্যুৰ পুৰস্কাৰ দিব খুজিছা? গৰ্পিন্না, বুঢ়ী হ'লা, তথাপি অবুজন হৈ আছা। মৰিবলৈ যথেষ্ট সহজ'; তাক জীয়াই থাকিবলৈ দিয়া। সি এশবছৰ জীয়াই থাকক! মৃত্যুৰ কাৰণে হাবাথুৰি খাই সি মৃত্যুক বিচাৰি প্ৰাৰ্থনা কৰক; মৃত্যুয়েও এই অশুচি জাৰ্ম্মাণেটাৰ কাষৰ পৰা আঁতৰি যাওক।”

খোকোজা লাগি তাই ৰ'ল; বুকুখন হাত দুখনেৰে চেপি ধৰিলে।

তাইক সমৰ্থন কৰি পেলচেৰিখাই ক'লে “ফেডচিয়া, তুমি একেবাৰে ঠিক কথা কৈছা।”

তিৰোতাৰ জুমটো ভাগি গ'ল।

ৰেড্ সৈনিকবোৰে ঘৰটোৰ পৰা বন্দীবোৰ উলিয়াই নিলে।

টাৰপিলিখা য'তে আছিল তাতে থিয় দি থাকিল; সিহঁত যোৱা পিনে তাই চাবলৈ ধৰিলে। নিৰাশাত তাই হুমুনিয়া পেলালে "আস্! কোনোবাই দেখিলে তোমালোকক দুৰন্ত খঙাল বুলি ভাবিব; কিন্তু তোমালোকৰ খঙ্ বিষ ততালিকে মাৰ যায়... .. "

"কি! তুমি ভাবানেকি যে ফেডচিয়া ক্রেভচাকৰ অন্তৰ খঙত জ্বলি থকা নাই?"

"তেওঁৰ কথা কোৱাৰ ধৰণ বুজিকে নেপাওঁ। আমি পোন পটীয়া কথাহে জানো।"

হঠাৎ তাই আঁতৰি গ'ল আৰু কিবা এটা শুনিবলৈ ধৰিলে।

"মোৰ শুনাৰে ভুল, নে, সঁচাকৈ সিহঁতে কামান চলোৱা বন্ধ কৰিলে?"

পুজিৰিখায়ো কাণ থিয় কৰি শুনিবলৈ ধৰিলে—"ঠিক কথা। তাত কেতিয়াবাই নিটাল মাৰিলে; কিন্তু আমি বন্দী-- বোৰব কথা লৈ ইমান হুলস্থুল লগাই আছিলোঁ যে তালৈ কাণকে কৰা নাছিলোঁ।"

"সিহঁতে বাৰু নিটাল মাৰিলে কিয়? যুদ্ধ শেষ হ'ল নে আন কিবাহে? যেনে তেনে এই কথা জানিব লাগিব; পিচে জানিবা নো কাৰ পৰা?"

"মোৰ বোধেৰে সেনাপতিয়ে জানে।"

দূৰৰ হাবিথনৰ মূৰত হঠাতে নিৰৱ হৈ পৰা কথাটো কেৱল তিৰোতাবোৰেই লক্ষ্য কৰা নাছিল। 'চেলভে বাৰে বাৰে কোঠাৰ ভিতৰলৈ অহা-যোৱা কৰি আছিল; পহৰাত থকা সৈনিকটো টেলিফোনৰ কাষৰ পৰা আঁতৰি অহা নাছিল।

"সিহঁতক মাতি থাকা। উত্তৰ নিদিয়ে নেকি ?"

"একো নুশুনি।"

" 'লাইন' বেয়া হৈছে নেকি তাক চাবলৈ কোনোবা এটাক পঠিয়াই দিয়া আৰু তুমি সিহঁতক মাতি থাকা……"

মুৰকত টেলিফোনৰ মাত ওলাল। ৰেড্ সৈনিকটোৱে লৰালৰিকৈ কিবা এটা লিখিবলৈ ধৰিলে।

"সিহঁতে কি কৈছে ?"

"ওখাবি আৰু জেলেণ্টছি আমাৰ হাতলৈ আহিল।"

চেলভ ওলাই বাট পালেহি। তেওঁৰ প্ৰথমেই চকু পৰিল টাৰপিলিখাৰ ওপৰত।

"ওখাবি আৰু জেলেণ্টছি আমাৰ হাতলৈ আহিল!" তাই হাত চাপৰিয়াবলৈ ধৰিলে।

"তেনেহ'লে সেইবাবেই তাত নিটাল মাৰিলে ?"

"এৰা, সেইবাবেই।"

চাদৰখন দাঙি লৈ তাই পুজিৰিখাৰ পিচে পিচে লৰ ধৰিলে—"শুনিছানে পেলেজিয়া ? আমাৰ সৈন্যই ওখাবি আৰু জেলেণ্টছি অধিকাৰ কৰিলে। লেফ্টেনেণ্টে নিজে সেইকথা কৈছে……টেলিফোন বাজি উঠাৰ লগে লগেই তেওঁ বাহিৰলৈ লৰি আহি মোক ক'লে—'আমি ওখাবি আৰু জেলেণ্টছি অধিকাৰ কৰিলোঁ।' "

পুজিৰিখাই চিএৰি ক'লে—"আমি অধিকাৰ কৰিলোঁ।" "মই কোৱা নাছিলোনে ? নিটাল মৰাৰ লগে লগে মই কৈছিলোঁ যে যুদ্ধ শেষ হ'ল যেন দেখা যায়।"

"হয়, পিচে সঠিক হোৱা নাছিলা।"

"নেজানিম কেলৈ ? সিহঁতে জাৰ্ম্মাণবোৰক খেদি নিলে

আৰু কাঁড়ৰ দৰে সমুখৰ আক্ৰমণ-বিভাগটো বহলাই পেলালে; কথা সিমানেই, বুজিলা নে?”

“অ’ গোঁসাই, তুমি দেখোন সামৰিক কথাবতৰাও জানা।”

সদৰৰ পৰা টেলিফোনত খবৰ আহিল। চেলভে মুখ-নলটোৰ আগত চিঞৰি সুধিলে—“কলৈ? কোন পিনে?”

গোটেই গাৱঁতে তোলপাৰ লাগিল। ৰেড্ সৈনিকবোৰ মুকলি ঠাই ডোখৰত গোট খালেহি।

“তোমালোক কলৈ যোৱা? কলৈ যোৱা?”—উদ্বিগ্ন হৈ তিৰোতাবোৰে সুধিলে।

“আমাক আগবাঢ়িবলৈ হুকুম দিছে।”

“কলৈ?”

“পশ্চিমৰ পিনে, আই!”

তিৰোতাবোৰ আকুল হৈ পৰিল। কথাটো সিহঁতৰ কাৰণে অসম্ভৱ যেন লাগিছিল। ফেডচিয়া ক্ৰেভচাক লেফ্‌টেনেণ্টৰ ওচৰলৈ গ’ল।

“কি হৈছে? চুৰুহা হবৰ হ’ল; তোমালোকে ভালকৈ আহাৰ কৰিবলৈকে নেপালা দেখোন......”

“চিন্তা নকৰিব আই। আমাৰ ভোক নাই। আগ বাঢ়ি যাবলৈ আমাক হুকুম দিছে। মোৰ চুৰুহা আনে খাবলৈ পাব। আন এটা বাহিনী ইয়ালৈ আহিছে। সিহঁত ইয়াতে থাকিব। তোমালোকে সিহঁতক অভ্যৰ্থনা কৰিব পাৰিবা।”

সৈন্যবোৰৰ যাবলৈ তত নোহোৱা হ’ল। সিহঁতে চুৰুহাৰ বাটিতে চামোচ এৰিলে আৰু আধা খোৱা ৰুটি তাতে এৰি থৈ আহিল।

হুমুনিয়া পেলাই তিৰোতাবোৰে ক'লে "উস্। তোমালোক যদি আৰু কেইদিনমান আমাৰ লগত থাকিব পাৰিলাহেঁতেন।"

"ধন্যবাদ, আমাৰ সময় নাই। আন মানুহ ইয়ালৈ আহিব; আমি যাবই লাগিব। তেওঁলোকে সৌ তাতে আমালৈ বাট চাই আছে।"

"এৰা, তেওঁলোক বৈ আছে।"—তিৰোতাবোৰে হুমুনিয়া কাঢ়িলে। বাটত সৈন্যবোৰে শাৰী পাতিছিল; সিহঁত সেই-খিনি পালেগৈ। ডেকা-বুঢ়া সকলোৱে সিহঁতক বিদায় দিবলৈ আহিল। তিৰোতাবোৰে হুমুনিয়া কাঢ়িলে। কিছুমানে কান্দিলেও। চনিয়া লাইমেনে ডেকা ৰেড্‌সৈনিক এটাৰ ডিঙিত সাবটি ধৰি চকুলো টুকিবলৈ ধৰিলে।

"ইস্ চন্‌কালৈ চোৱাঁ! তাই কোনোবা এটাক নিজৰ কৰি ললেই।" হাঁহি হাঁহি তিৰোতাবোৰে কোৱাকুই কৰিলে।

"মানুহটোও দেখিবলৈ বেয়া নহয়; তাৰ চেলাউৰিযোৰ কেনে বৈ পৰা!"

ঘৰটোৰ পৰা লেফ্‌টেনেণ্ট চেলভ্ ওলাই আহিল। ইতিমধ্যে সৈন্যদলে শাৰী পাতি থিয় দিলে।

"আগবাঢ়া!"

জনতাই চিঞৰিলে—"বিদায়! শুভইচ্ছা! নিৰ্ব্বিঘ্নে আহাঁ যেন! তাত থকাবোৰক আমাৰ সম্ভাষণ জনাবা।"

সৈন্যবোৰ আগবাঢ়ি গ'ল; খোজৰ তলত পৰা বৰফবোৰ মৰমৰাই ভাগিবলৈ ধৰিলে। সৈন্যবোৰৰ সমানে সমানে যাবৰ মনেৰে লৰাছোৱালী বোৰে বাটৰ দুয়োকাষে ল'ৰি যাবলৈ ধৰিলে; ইপিনে তিৰোতাবোৰে কাপোৰকানি চপাই লৈ পিচে

পিচে বেগ দি গ'ল। দলটো চাপৰ পাহাৰ এটাৰ পিনে গ'ল আৰু তাতে ৰ'লগৈ।

চিকমিকাই থকা, বগা, বৰফ-ভৰা সমতলখন পশ্চিমৰ বহুত দূৰলৈকে জুৰি আছিল। দূৰণিত ধোঁৱাৰ সৰু ৰেখা এটাই ফৰকাল আকাশৰ বুকুত এটা ক'লা চেকা সানি দিলে। সেইখনেই জাৰ্ম্মাণবোৰে জুই লগাই দিয়া লেভেনেভ্কা নামৰ দুৰ্ভগীয়া গাঁওখন। তেতিয়াও জুই জ্বলি আছিল। মাজে মাজে অগ্নিকাণ্ড শাম কাটে, কিন্তু অওঠাৰ জুইৰ শিখাবোৰ টিম্নিকঢাম্নাককৈ আকৌ জ্বলি উঠে.। ক'লা ধোঁৱাৰে মুকলি আকাশৰ নীলিম বুকুখন ঘোপমৰা এন্ধাৰ কৰি পেলায়।

পাহাৰৰ ওপৰৰ পৰা লেফ্টেনেণ্ট চেলভে পশ্চিমৰ পিনে চালে। সমুখত বৰফেৰে ঢাক খাই থকা সমতলখন চকুত পৰিল—ইউৰোপৰ এই বিশাল ভূমিভাগ এতিয়াও জাৰ্ম্মাণ-শাসনৰ তলত। গোটেই পশ্চিম অঞ্চল ইউক্ৰেণৰ ভূমিভাগে জুৰি আছে ; তাত আজি তেজ আৰু জুইৰ তাণ্ডৱ নৃত্য চলিছে ; সঙ্গীতৰ লহৰ মানুহৰ ওঁঠতে গোট মাৰিছে ; জাৰ্ম্মাণ-বুটৰ গচকত পৰি ধ্বংস হৈ যাব লাগিছে ; ইউক্ৰেণ আজি কলুষিত, আৰু শৃঙ্খলাবদ্ধ হৈ পৰিছে।

আৰু তেওঁ দেখিছিল ৰামধনুখন—আকাশ জুৰি, জক-মকীয়া ফিতাৰ দৰে পোহৰৰ বাট এটা স্পষ্টভাৱে ওলাই পৰিছিল। ৰামধনুৰ সাতোৰঙ ঢালি, ফুলেৰে সজা ৰঙীণ দলিচাৰ বোলেৰে, বনৰীয়া গোলাপৰ খীন ৰঙচুৱা ৰহনেৰে, ফুলকুঁৱৰীৰ তেজীৰঙা বৰণেৰে, 'লাইলাক' আৰু 'উদলেণ্ড' ফুলৰ পাতল বেঙুনীয়া ৰঙেৰে জিলিকি আছিল। ৰামধনুখন বেলিফুলৰ পাপৰিৰ দৰে সোণালী আভাৰে জিলিকি উঠিছিল আৰু সাঁচি-

পাতৰ গছৰ কুমলীয়া, সেউজীয়া কোঁহৰ দৰে কঁপি আছিল। গোটেইখন এটা বিমল জেউতিয়ে আৱৰি ধৰিছিল। চকুচকীয়া ফিতাডালেৰে আকাশ আৰু পৃথিবীক যোৰা লগাই ৰামধনুখন পূবৰ পৰা পশ্চিমলৈকে জুৰি আছিল।

চেলভে মানুহবোৰৰ পিনে মুখ ঘূৰালে।

"আগবাঢ়া!"

খোজত খোজ মিলাই সিহঁত বেগাই আগবাঢ়িল। গাৱঁৰ মানুহবোৰ পাহাৰৰ ওপৰতে ৰৈ থাকিল। কোনেও কথা পতা নাছিল। চিকমিকাই থকা বগা সমতলখনৰ অসীম বিস্তৃতিৰ মাজলৈ—ৰামধনুৰ দীপ্তিৰ মাজলৈ—সিহঁতে বাট ল'লে।

দূৰত, জুয়ে পুৰি চাৰখাৰ কৰা, লেভেনেভ্কাৰ ওপৰেদি ধোঁৱাৰ ৰেখাবোৰ দেখা গৈছিল; ৰেড্ সৈনিকবোৰ সেইপিনে আগবাঢ়িল আৰু বৰফৰ দ'মৰ মাজত পোত খাই থকা গাওঁবোৰৰ অভিমুখে যাত্ৰা কৰিলে। হাতত ৰাইফ্ল খামুচি লৈ সিহঁত ইউক্ৰেণৰ মাটিৰ ওপৰেদি আগবাঢ়িল; সিহঁতৰ ইউক্ৰেণ আজি জাৰ্ম্মাণৰ গচকৰ তলত আৰু জাৰ্ম্মাণ শাসনে ইয়াৰ টেটু চেপি ধৰিছে—কিন্তু তথাপি দুৰ্জ্জেয়ভাৱে এতিয়াও আঁকোৰগোঁজালি মাৰি যুজি আছে।

বেদনাৰ ভৰত গাৱঁৰ মানুহবোৰ নিস্তব্ধহৈ আছিল। সৈন্যবোৰ ক্ৰমে দূৰলৈ আঁতৰি গল; মানুহবোৰে একেথৰে সেইপিনে চাই থাকিল। চকুলো উপচি পৰি দৃষ্টি নিৰোধ কৰি পেলালে। দূৰণিৰ নীলিম বুকুত—বৰফৰ বিশাল বিস্তৃতিৰ মাজত—ৰামধনুৰ সুদূৰ-বিয়পা জেউতিৰ মাজত সৈন্যদল বিলীন হৈ নোযোৱালৈকে সিহঁত তাতে ৰৈ থাকিল।